অসমৰ
থলুৱা নেপালী সমাজ

[এক সমীক্ষাত্মক অধ্যয়ন]

GOVT. OF ASSAM * DIRECTORATE OF LIBRARY SERVICES

ডক্টৰ ৰুদ্ৰমান থাপা

কৌস্তুভ প্ৰকাশন
ডিব্ৰুগড় - ৩

Asomor Tholuwa Nepali Samaj (A critical study) : An anthology of revised articles authored by Dr. Rudraman Thapa which figured in the various Assamese dailies from time to time and first published by the Tulsi Prakashan, Duliajan and Secondly by Gayatree Boruah on behalf of Kaustubh Prakashan, Dibrugarh, Assam. Printed at Kaustubh Printers, Milan Nagar, Dibrugarh-3

প্ৰথম প্ৰকাশক (২০০৪)
তুলসী প্ৰকাশন
দুলীয়াজান (অসম)

দ্বিতীয় প্ৰকাশক
কৌস্তুভ প্ৰকাশন (২০০৮)
ডিব্ৰুগড় (অসম)

অসমৰ থলুৱা নেপালী সমাজ (এক সমীক্ষাত্মক অধ্যয়ন) : ডক্টৰ ৰুদ্ৰমান থাপাই প্ৰস্তুত কৰা প্ৰবন্ধসমূহৰ এক সংকলন। কৌস্তুভ প্ৰকাশন, ডিব্ৰুগড়-৩, অসমৰ হৈ গায়ত্ৰী বৰুৱাৰ দ্বাৰা প্ৰকাশিত আৰু কৌস্তুভ প্ৰিণ্টাৰ্ছ, ডিব্ৰুগড়ত মুদ্ৰিত। প্ৰথম প্ৰকাশ তুলসী প্ৰকাশন দুলীয়াজান।

মূল্য : এশ পঞ্চাশ টকা মাত্ৰ।

পূজনীয় দেউতা শ্ৰীগনেশ বাহাদুৰ থাপা আৰু মা প্ৰয়াত ৰুপীমায়া থাপাদ্বয়ৰ
কৰকমলত এই পুথিখনি উছৰ্গা কৰিলো

পাতনি

আবহমান কালৰ পৰাই ভাৰত উপমহাদেশৰ বিভিন্ন প্ৰান্তৰ লগতে প্ৰতিবেশী পাহাৰীয়া দেশ নেপালৰ পৰাও বিভিন্ন ঐতিহাসিক পৰিঘটনাক্ৰমে অসমলৈ প্ৰব্ৰজিত হৈ স্থায়ীভাৱে বসবাস কৰি থলুৱা হোৱা নেপালী জনগোষ্ঠীয়েও সংমিশ্ৰিত বৃহত্তৰ অসমীয়া জাতি গঠনৰ সামগ্ৰিক প্ৰক্ৰিয়াক অধিক ত্বৰান্বিত কৰাত অৰিহণা যোগাই আহিছে। এনে কৰিবলৈ যাওতে ভাৰত তথা অসমৰ বিভিন্ন জাতীয় সংকট কালতেই হওক অথবা প্ৰশান্তিময় পৰিবেশতেই হওক মুঠতে থলুৱা নেপালীলোকে যে কিঞ্চিৎ পৰিমাণে হ'লেও অৱদান আগবঢ়াই আহিছে সি অনস্বীকাৰ্য। কিন্তু দুখৰ বিষয় এয়ে যে তেওঁলোকৰ এই অৱদানৰ লগতে নিজৰ জনগোষ্ঠীৰ বৰ্ণাঢ্য সামাজিক-সাংস্কৃতিক ঐতিহ্যৰ সৈতে বৃহত্তৰ অসমীয়া সমাজক পৰিচয় কৰি দিব পৰাকৈ কোনো পুথিৰ প্ৰকাশ অদ্যাপি হোৱা নাই। এই কথাৰ প্ৰতি লক্ষ্য ৰাখিয়েই বিগত দুই-তিনিবৰ্ষৰ ভিতৰত থলুৱা নেপালী জনগোষ্ঠীৰ বিভিন্ন দিশৰ ওপৰত থূলমূলকৈ হ'লেও আলোকপাত কৰি ডেৰকুৰিমান প্ৰবন্ধ লিখা হৈছিল, যিবোৰ ৰাজ্যৰ বিভিন্ন বাতৰি কাকতত ইতিমধ্যেই প্ৰকাশ পাইছে। সেই প্ৰবন্ধসমূহকে পাৰ্যমানে সংস্কৰণ কৰি এই পুথিখনি প্ৰস্তুত কৰা হৈছে। এইখিনিতে উল্লেখ্য যে এই প্ৰবন্ধসমূহ বেলেগ বেলেগ সময়ত কিছু বেলেগ সন্দৰ্ভত প্ৰস্তুত কৰা হেতুকে প্ৰসংগক্ৰমে একেটা ঘটনাৰ পুনৰাবৃত্তি হোৱাটো নিতান্তই স্বাভাৱিক। এনে কাৰণতে এই পুথিখনি প্ৰকাশৰ পূৰ্বে সন্নিৱিষ্ট প্ৰবন্ধ সমূহৰ ওপৰত হাত ফুৰাওঁতে পুনৰাবৃত্তি নাইকিয়া কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰা হৈছিল। তৎসত্বেও এটা প্ৰবন্ধত উল্লেখিত কথা আন প্ৰবন্ধসমূহত পুনৰাবৃত্তি নকৰিলে প্ৰাসংগিকতা নাথাকিব যেন বোধ কৰি পুনৰাবৃত্তিৰ পৰা একেবাৰে হাত সাৰিব পৰা নগ'ল। এনে অনিচ্ছাকৃত ঘটনাৰ বাবে পাঠক সমাজৰ ওচৰত ক্ষমা প্ৰাৰ্থনা জনালোঁ। তদুপৰি এই পুথিখনিয়ে অসমৰ থলুৱা নেপালী সমাজৰ সৰ্বাংগীণ দিশ নিৰ্ভুল আৰু নিখুঁতভাৱে প্ৰতিফলিত কৰিছে বুলি দাবী কৰাৰ ধৃতষ্টা এই লেখকৰ নাই। পৰৱৰ্তী সংস্কৰণত বিশেষকৈ অৰ্থনৈতিক অৱদানৰ দিশকে আদি কৰি বৈ যোৱা দিশসমূহ সন্নিবিষ্ট কৰিবলৈ যত্ন কৰাৰ প্ৰতিশ্ৰুতি থাকিল।

যি কি নহওক, প্ৰয়োজনীয় পুঁজিৰ অভাৱত পুথিখনি প্ৰকাশ কৰিব পৰা নাছিলো। দুলীয়াজানৰ সমাজকৰ্মী শ্ৰীবুদ্ধিমান মগৰদেৱৰ সৈতে ঘটনাক্ৰমে হোৱা কথা প্ৰসংগত

তেখেতক মোৰ পুথি প্ৰকাশ কৰা পৰিকল্পনাৰ বিষয়ে অৱগত কৰাত তেখেত ততালিকে এই গুৰু দায়িত্ব ল'বলৈ আগবাঢ়ি আহিল। মগৰদেৱৰ এনে উদাৰ মানসিকতা নথকাহেঁতেন "অসমৰ থলুৱা নেপালী সমাজ"য়ে আজি প্ৰকাশৰ পোহৰ দেখা নাপালেহেঁতেন। এই আপাহতে দুলীয়াজানস্থ তুলসী প্ৰকাশন গোষ্ঠীৰ প্ৰকাশকদ্বয় শ্ৰীবুদ্ধিমান মগৰ আৰু তেখেতৰ সহধৰ্মিনী সুশ্ৰী তুলসী মগৰলৈ মোৰ হিয়া ভৰা কৃতজ্ঞতা জ্ঞাপন কৰিলো। অসম সাহিত্য সভাৰ ভূতপূৰ্ব সভাপতি প্ৰথিতযশা সাহিত্যিক ড° নগেন শইকীয়া ছাৰে "অসমৰ থলুৱা নেপালী সমাজ" বুলি পুথিখনিক নামকৰণ কৰাৰ উপৰিও এটি 'আগকথা' লিখি যি উৎসাহ আৰু প্ৰেৰণা যোগালে তাৰ বাবে তেখেতলৈ অশেষ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে এই কিতাপখনিত সন্নিবিষ্ট প্ৰবন্ধসমূহ বিভিন্ন সময়ত 'আমাৰ অসম', 'দৈনিক জনমভূমি' আৰু 'সাদিন' কাকতত প্ৰকাশ কৰি মোক যি অফুৰন্ত অনুপ্ৰেৰণা দিলে তাৰ বাবে তিনিওখন কাকতৰ স্বনামধন্য সম্পাদক যথাক্ৰমে হোমেন বৰগোহাঞি, হেমন্ত বৰ্মন আৰু অনুৰাধা শৰ্মা পূজাৰীলৈ এই আপাহতে শলাগৰ শৰাই আগবঢ়ালোঁ।

পুথিখনি প্ৰকাশ কৰিবলৈ সততে উৎসাহিত কৰি থকা বিহালীৰ পূজনীয় শ্ৰীযুত বিষ্ণুলাল উপাধ্যায় (ভূতপূৰ্ব বিধায়ক তথা সাহিত্যিক পেঞ্চনাৰ), দৰং মহাবিদ্যালয়ৰ অধ্যাপক ভাতৃপ্ৰতীম ড° জয়ন্ত কৃষ্ণ শৰ্মা, অগ্ৰজ সহকৰ্মী ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ তদানীন্তন মুৰব্বী প্ৰাধ্যাপক ড° আদিল-উল য়াচিন, সহকৰ্মী ড° অৰ্চনা উপাধ্যায়, মৰাণ মহাবিদ্যালয়ৰ অধ্যাপক একালৰ সহকৰ্মী ড° যতীন চুতীয়া, 'এমুঠি তৰা এমুঠি জোনাক'ৰ লেখিকা নবৌ ৰেখা শইকীয়া, মোৰ সহধৰ্মিনী চম্পাময়ী মগৰ থাপা, দুহিতাত্ৰয়া বন্যা, কুকি আৰু নিকীলৈ হিয়াভৰা ধন্যবাদ জনালোঁ। পুথিখনৰ প্ৰস্তুতিৰ বিভিন্ন পৰ্যায়ত সহযোগিতা আগবঢ়োৱা ভাগিন, সাংবাদিক শোভিত কুমাৰ চেত্ৰী, মিছ বিজেতা চেত্ৰীলৈ কৃতজ্ঞতা প্ৰকাশ কৰিলো। লগতে কিতাপখনৰ প্ৰস্তুতিৰ আনুষংগিক কাম-কাজত বিভিন্ন সময়ত সহযোগিতা আগবঢ়োৱাৰ বাবে দুলীয়াজানস্থ ভগ্নী-জোঁৱাই কৈলাশ আলে আৰু কনিষ্ঠা ভগ্নী সৰোজ থাপাদ্বয়ৰ লগতে তেওঁলোকৰ পৰিয়ালবৰ্গৰ সমূহ সদস্য-সদস্যালৈ এই সুযোগতে অশেষ ধন্যবদ জনালোঁ।

সদৌ শেষত কিতাপখনি সময়মতে ছপা কৰি উলিয়াই দিয়াৰ বাবে দুলীয়াজানস্থ ত্ৰিশূল প্ৰেছৰ স্বত্বাধিকাৰ আৰু বিশেষকৈ ডিটিপি অপাৰেটৰ ৰাজু বৰুৱাসহ প্ৰেছৰ সমূহ কৰ্মচাৰীবৃন্দলৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

৫ আগষ্ট, ২০০৭ — **ডক্টৰ ৰুদ্ৰমান থাপা**

চ্যুকাফা নগৰ

মৰাণ

দ্বিতীয় সংস্কৰণৰ পাতনি

'অসম থলুৱা নেপালী সমাজ' প্ৰকাশ হৈছিল আজিৰ পৰা ঠিক তিনি বছৰ আগতে। পুথিখনিৰ পাতনিত পাঠক সমাজক লেখকে এটা প্ৰতিশ্ৰুতি দিছিল যে পৰৱৰ্তী সংস্কৰণত থলুৱা নেপালী সমাজৰ বিষয়ে আৰু কেতবোৰ দিশৰ ওপৰত আলোকপাত কৰি নতুন অধ্যায় সন্নিবিষ্ট কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰা হ'ব। তেনে প্ৰতিশ্ৰুতিৰ পৰিণতিস্বৰূপে পুথিখনিৰ দ্বিতীয় সংস্কৰণত নতুনকৈ মুঠ ছয়টা অধ্যায় সংযোজন কৰা হৈছে। সেইকেইটা হৈছে — (১) অসমীয়া ভাষা-সাহিত্য কৰ্ষণত নেপালী নাৰী (২) অসমৰ অৰ্থনৈতিক বিকাশত থলুৱা নেপালী (৩) ভাৰত-নেপাল সম্পৰ্ক আৰু বিদেশীৰ সমস্যা (৪) অসমীয়া আৰু থলুৱা নেপালীৰ মাজত সাংস্কৃতিক সাদৃশ্য (৫) নেপালী সাহিত্য পৰিষদ, অসম বনাম অসম নেপালী সাহিত্য সভা আৰু (৬) এক অবিস্মৰণীয় অধ্যায় - অসম আন্দোলন আৰু থলুৱা নেপালী। সমান্তৰালভাৱে পুৰণি অধ্যায়বোৰতো প্ৰসংগক্ৰমে কিছু সংশোধন ঘটাই যোগ-বিয়োগ কৰা হৈছে। তদুপৰি প্ৰাক্-স্বাধীন কালতেই ব্ৰিটিছ ঔপনিবেশিক শাসকৰ সৈতে সংঘটিত ঐতিহাসিক এংলো-গোৰ্খা যুদ্ধৰ ফলশ্ৰুতিত হোৱা চিগৌলী সন্ধি (১৮১৫)ৰ হুবহু প্ৰতিলিপিকে আদি কৰি পৰৱৰ্তীকালত থলুৱা নেপালী জাতীয় সত্তাৰ সংৰক্ষণ আৰু সংবৰ্ধন আন্দোলনৰ সৈতে জড়িত কেতবোৰ ঐতিহাসিক দস্তাবেজৰ হুবহু প্ৰতিলিপি পুনৰ মুদ্ৰন কৰি এই পুথিখনিৰ লগত পৰিশিষ্ট আকাৰত সংলগ্ন কৰা হৈছে, যাতে আন নহ'লেও অনাগত প্ৰজন্মৰ বিদ্যায়তনিক চাহিদা কিছু পৰিমাণে হ'লেও পূৰণ কৰিলে এই প্ৰচেষ্টা নিশ্চয় সাৰ্থক হ'ব।

দ্বিতীয় সংস্কৰণ প্ৰকাশ কৰিবলৈ দায়িত্ব গ্ৰহণ কৰা ডিব্ৰুগড়ৰ কৌস্তুভ প্ৰকাশনৰ স্বত্বাধিকাৰী গায়ত্ৰী বৰুৱা আৰু পৰিচালন উপদেষ্টা বীৰেন বৰুৱালৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

৫ আগষ্ট, ২০০৭ — **ডক্টৰ ৰুদ্ৰমান থাপা**

চ্যুকাফা নগৰ

মৰাণ

আগকথা

বিশ্বৰ সকলো বিলাক অগ্ৰসৰ সমাজ আৰু সংস্কৃতি, ভাষা আৰু জাতি বৰ্ণসংকৰ। মাটি ফালি গছ গজি উঠাৰ দৰে আৰু অৰণ্য সৃষ্টি হোৱাৰ দৰে মানুহ আৰু মানুহৰ সমাজ সৃষ্টি নহয়। মানুহৰ লগত মানুহৰ যোগেদিয়েই মানুহ, মানুহৰ সমাজ, ভাষা, সংস্কৃতিৰ নৱজন্ম হয়। ব্ৰহ্মপুত্ৰ উপত্যকালৈ প্ৰাগৈতিহাসিক কালৰ পৰা প্ৰব্ৰজন কৰি অহা বিভিন্ন নৃগোষ্ঠী আৰু ভাষাগোষ্ঠীৰ সংঘাত আৰু সমন্বয়ৰ হাজাৰ হাজাৰ বছৰীয়া ঐতিহাসিক পৰিক্ৰমাৰ মাজেদি গঢ় লৈ উঠিছে আজিৰ অসমীয়া মানুহ, অসমীয়া ভাষা আৰু অসমীয়া সংস্কৃতি। কোনো এটা নৃ-গোষ্ঠী বা কোনো এটা ভাষাগোষ্ঠীৰ অকলশৰীয়া অৱদানেৰে অসমীয়া মানুহ, ভাষা আৰু সংস্কৃতি গঢ় লৈ উঠা নাই। অৱশ্যেই তুলনামূলকভাৱে উন্নত সভ্যতা আৰু সংস্কৃতি আৰু উন্নত ভাষিক উপাদনসমূহে সংমিশ্ৰণ আৰু সমন্বয় স্থাপনত এটা গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। অসমৰ ক্ষেত্ৰত বিভিন্ন নৃ-গোষ্ঠীয় আৰু ভাষিক-সাংস্কৃতিক উপাদান সমূহকো লৈ এটা উমৈহতীয়া জাতিসত্তা, ভাষা আৰু সংস্কৃতি গঢ়ি তোলাত ভাৰতীয় আৰ্য ভাষা আৰু সংস্কৃতিয়েও এনে এটা ঐতিহাসিক ভূমিকা পালন কৰি গৈছে। সেইবাবে অসমীয়া মানুহৰ তেজত আৰু বস্তুগত সংস্কৃতিত মংগোলীয় উপাদানৰ আধিক্য সত্বেও ভাষিক আৰু সাংস্কৃতিকভাৱে অসমীয়া মানুহ ভাৰতীয় আৰ্যভাষা আৰু সংস্কৃতিৰ অন্তৰ্গত।

অসমীয়া মানুহ, অসমীয়া ভাষা আৰু সংস্কৃতি গঢ় লৈ উঠাত বিভিন্ন জনগোষ্ঠীৰ ভিতৰত নেপালী মূলৰ লোকসকলেও বৰঙনি যোগাই আহিছে। উনবিংশ শতিকাৰ আগতে ওচৰ-চুবুৰীয়া ৰাষ্ট্ৰ নেপালৰ পৰা যিসকল লোক প্ৰব্ৰজিত হৈ আহিছিল, তেওঁবিলাক অসমৰ জনজীৱনত লীন হৈ যোৱাৰ সম্ভাৱনাই আছিল স্বাভাৱিক। উনবিংশ শতিকাৰ পৰা অৰ্থাৎ ব্ৰিটিছ আগমনৰ পিছৰ পৰা ভাৰতৰ বিভিন্ন ঠাইৰ পৰা প্ৰব্ৰজিত হৈ অহা লোকসকলৰ গৰিষ্ঠ সংখ্যকৰ দৰেই নেপালৰ পৰা অহা লোকসকলেও নিজস্ব সামাজিক পৰিচয় থাকি যাবলৈ ধৰিলে। ইয়াৰ দুটা ঐতিহাসিক কাৰণ বিচাৰি উলিয়াব পাৰি। এটা হ'ল Anglo-Assamese Relations নামৰ গ্ৰন্থত সূৰ্য কুমাৰ ভূঞাই দেখুৱাইছে যে আহোম ৰজাসকলৰ দিনত অসমৰ বাহিৰৰ যিসকল লোক স্থায়ীভাৱে আহি সোমাইছিল তেওঁবিলাকক দেশৰ প্ৰতিৰক্ষাৰ স্বাৰ্থতে পুনৰ ঘূৰি যাবলৈ বাধ্য

কৰোৱা হৈছিল। ব্ৰিটিছ শাসনত তেনে বাধ্য-বাধকতা উঠি গ'ল। দ্বিতীয়টো হ'ল, ব্ৰিটিছ ৰাজত্বত অসমৰ বাহিৰৰ পৰা অনা বা নিজে অহা লোকসকল একো একোটা বা পাৰিবাৰিক বা সামাজিক গোট হৈ আহিছিল। ফলত তেওঁবিলাক ভাষিক, সাংস্কৃতিক আৰু সামাজিকভাৱে নিজস্ব পৰিচয় লৈ থাকিবলৈ ধৰিলে। এনে হোৱা সত্বেও অনেক লোক থলুৱালোকৰ লগত বৈবাহিক সম্পৰ্ক স্থাপন কৰি মিলি গ'ল। যিসকলৰ নিজস্ব পৰিচয় ৰৈ গ'ল সেইসকলো ৰাজনৈতিক, প্ৰাশাসনিক আৰু অৰ্থনৈতিকভাৱে অসমৰ থলুৱা সমাজ জীৱনৰ লগত এনেভাৱে ক্ৰমান্বয়ে সংমিশ্ৰিত হৈ গ'ল যে তেওঁবিলাকো অতি স্বাভাৱিকভাৱে অসমৰ পুৰণি ভাষিক-সাংস্কৃতিক পৰিচয় থকা গোটবোৰৰ দৰেই একো একোটা থলুৱা সামাজিক গোটত পৰিণত হ'ল; আনকি ভাষিক আৰু সাংস্কৃতিক ভাৱেও অসমীয়া ভাষা আৰু সংস্কৃতিৰে তেওঁলোক সমান অংশীদাৰ হ'ল। জীৱিকাৰ সন্ধানত অসমলৈ নেপালৰ পৰা প্ৰব্ৰজন কৰি আহি থিতাপি লোৱা লোকসকলো এনেভাৱেই অসমৰ এটা থলুৱা জন-সমষ্টিত পৰিণত হ'ল। নেপালৰ লগত এই লোকসকলৰ কোনো ৰাজনৈতিক, অৰ্থনৈতিক বা সামাজিক সম্পৰ্ক স্বাভাৱিকভাৱেই নাথাকিল। তেওঁবিলাকৰ ৰাজহুৱা জীৱনৰ প্ৰকাশ-মাধ্যমো হ'ল অসমীয়া ভাষা। তেওঁবিলাকৰ শ্ৰম কৰিব পৰা ক্ষমতা আৰু চৰিত্ৰগতভাৱে থকা বিশ্বস্ততাই অসমৰ প্ৰশাসনীয় আৰু অৰ্থনৈতিক জীৱনত তেওঁবিলাকক সম্পৰ্ক ছিঙিব নোৱাৰাকৈ অন্তৰ্ভুক্ত কৰি ল'লে। অসমৰ ৰাজনৈতিক, ভাষিক আৰু সাংস্কৃতিক জীৱনৰ তেওঁবিলাক কেনেভাৱে অবিচ্ছেদ্য অঙ্গত পৰিণত হ'ল সেই বিষয়ৰ তথ্যগত অধ্যয়নে তাৰ সাক্ষ্য প্ৰদান কৰিব। ছবিলাল উপাধ্যায়, দলবীৰসিং লোহাৰ, ডম্বৰসিং গুৰুং, ভক্ত বাহাদুৰ প্ৰধান, প্ৰসাদসিং চুব্বা, বিষ্ণুলাল উপাধ্যায়, মনবাহাদুৰ ছেত্ৰী আদি বৰেণ্য ব্যক্তিসকলে অসমৰ জাতীয় জীৱনলৈ যোগাই যোৱা বৰঙনি শ্ৰদ্ধাৰে স্মৰনীয় হৈ থাকিব।

নেপালী মূলৰ এই অসমীয়া লোকসকলৰ বিষয়ে তথ্যসমৃদ্ধ গ্ৰন্থ এখনৰ অভাৱ অনুভূত হৈ আহিছিল। মই ব্যক্তিগতভাৱে নেপালী মূলৰ অসমীয়া লোকসকলক, অন্যান্য মূলৰ পৰা ইতিহাসে ঢুকি পোৱা বা নোপোৱা কালতে আহি অসমীয়া হোৱা সকলতকৈ সামান্যতম ভাৱেও পৃথক বুলি নাভাবোঁ। তেওঁবিলাকক লৈ 'অসমীয়া নেপালী সমাজ আৰু সংস্কৃতি ৰূপৰেখা' (১৯৮৩) নামৰ এখন গ্ৰন্থ প্ৰয়াত মনবাহাদুৰ ছেত্ৰী ডাওৰীয়াৰ দ্বাৰা লিখোৱাই মোৰ প্ৰধান সম্পাদকত্বৰ কালতে অসম সাহিত্য সভাৰ যোগেদি প্ৰকাশ কৰিছিলোঁ। গ্ৰন্থ হিচাপে নেপালীসকলক অসমীয়া সমাজৰ অঙ্গীভূত কৰি লিখা আৰু অসম সাহিত্য সভাই প্ৰকাশ কৰা এইখনেই আছিল প্ৰথম গ্ৰন্থ।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক ড° ৰুদ্ৰমান থাপাই সম্প্ৰতি 'অসমৰ থলুৱা নেপালী সমাজ' নামেৰে এখন তথ্য-সমৃদ্ধ গ্ৰন্থ প্ৰণয়ন কৰি

উলিয়াইছে। ড০ থাপা এগৰাকী সমাজ-সচেতন আৰু অসমীয়া জাতীয় চেতনা সম্পন্ন চিন্তাশীল লেখক। তেওঁৰ বিভিন্ন তথ্য-সমৃদ্ধ আলোচনা 'আমাৰ অসম', 'দৈনিক জনমভূমি', 'সাদিন' আদি কাকতত প্ৰকাশিত হৈ আহিছে, আৰু তেওঁৰ এনে আলোচনাই অসমৰ সচেতন লোকসকলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। এগৰাকী বিশ্বস্ত অসমীয়া লেখকে নিজৰ সামাজিক গোটৰ সম্পৰ্কে তথ্যপূৰ্ণ বিশ্লেষণ সামৰি লিখা এই গ্ৰন্থখনি অসমীয়া সমাজ আৰু সংস্কৃতি অধ্যয়নত এটি নতুন সংযোজন। ইতিপূৰ্বে কাকতে-পত্ৰয় প্ৰকাশিত প্ৰবন্ধসমূহ তিনিটাখণ্ডত লেখকে সন্নিবিষ্ট কৰিছে। প্ৰথম খণ্ডটোত এই জনগোষ্ঠীৰ চমু পৰিচয়, অসমলৈ প্ৰব্ৰজন, ভাৰতীয় সেনাবাহিনীৰ গোৰ্খা ফৌজ, স্বাধীনতা সংগ্ৰামত অসমৰ থলুৱা নেপালী, জাতীয় সংকটত এওঁবিলাকৰ ভূমিকা, অসমীয়া ভাষা-সাহিত্যলৈ থলুৱা নেপালীসকলৰ অৱদান আদি ওঠৰটি তথ্যসমৃদ্ধ আলোচনা অন্তৰ্ভুক্ত কৰিছে। দ্বিতীয়খণ্ডত আমি পূৰ্বে উল্লেখ কৰি অহা অসমীয়া নেপালী সমাজৰ ছগৰাকী বিশিষ্ট ব্যক্তিৰ জীৱন আৰু অৱদানৰ বিষয়ে কৰা আলোচনা সন্নিবিষ্ট হৈছে। তৃতীয় খণ্ডত অসমীয়া নেপালীসকলে পালন কৰা দচৈ, তিহাৰ আৰু বসন্ত উৎসৱৰ বিষয়ে কৰা আলোচনা অন্তৰ্ভুক্ত কৰা হৈছে। গ্ৰন্থখনৰ প্ৰবন্ধসমূহত ঠায়ে ঠায়ে দুই-এটি প্ৰসঙ্গৰ পুনৰাবৃত্তি স্বাভাবিকভাৱেই ঘটিছে। লেখক এই বিষয়ে যে সজাগ সেই কথা পাতনিত উল্লেখ কৰি থৈছে। এই বিষয়ে কোনো সন্দেহ নাই যে ড০ ৰুদ্ৰমান থাপাৰ এই গ্ৰন্থখনিয়ে নেপালীমূলৰ অসমীয়াসকলৰ এটি সম্যক পৰিচয় দাঙি ধৰিছে। মই আশা কৰোঁ গ্ৰন্থখনিয়ে কেৱল বিদ্যায়তনিক প্ৰয়োজনকে পূৰণ নকৰিব, বৰং সামাজিক সমন্বয় দৃঢ়তৰ কৰি তোলাতো বৰঙনি যোগাব। মই এই আশাও কৰিছোঁ এনে গ্ৰন্থই এই অসমীয়া সামাজিক গোটটোৰ ভাষিক, সামাজিক, সাংস্কৃতিক পৰিচয় ৰক্ষা কৰিও মূলৰ পৰিচয়ো কালক্ৰমত আঁতৰাই কেৱল 'অসমীয়া' পৰিচয় দান কৰাতো বৰঙনি যোগাব। ড০ থাপাক তেওঁ কৰা এই গুৰুত্বপূৰ্ণ অধ্যয়নৰ বাবে সম্বৰ্ধনা জনালোঁ।

১ আগষ্ট, ২০০৪ **নগেন শইকীয়া**

ডিব্ৰুগড়

সূচীপত্ৰ

[প্ৰথম খণ্ড]

নেপালী জনগোষ্ঠীৰ চমু পৰিচয় ৩
অসমলৈ নেপালীলোকৰ প্ৰব্ৰজন : এটি ঐতিহাসিক অৱলোকন ১৪
ভাৰতীয় মিলিটেৰীত গোৰ্খা ফৌজ : এটি পশ্চাদৱলোকন ২৪
স্বাধীনতা সংগ্ৰামত থলুৱা নেপালী ৩৩
জাতীয় সংকটত থলুৱা নেপালীৰ ভূমিকা ৪০
অসমৰ অৰ্থনৈতিক বিকাশত থলুৱা নেপালী ৫২
অসমত নেপালী জনগোষ্ঠীৰ ৰাজনৈতিক পটভূমি ৬০
নিৰ্বাচনী ৰাজনীতিত থলুৱা নেপালীসকল ৬৭
একবিংশ শতিকাৰ নিৰ্বাচনত নেপালীলোকৰ ভূমিকা ৮৩
অসমীয়া ভাষা-সাহিত্যলৈ থলুৱা নেপালীলোকৰ অৱদান ৯৩
অসমীয়া ভাষা সাহিত্য কৰ্ষণত নেপালী নাৰী ১০৩
অসমীয়া আৰু থলুৱা নেপালীৰ মাজত সাংস্কৃতিক সাদৃশ্য ১০৮
থলুৱা নেপালীক 'জনজাতি' মৰ্যাদা কিয় লাগে? ১১৩
নেপালী ভাষাৰ সাংবিধানিক স্বীকৃতি - এটি চমু আলোকপাত ১১৯
ভাষা নেপালী নে গোৰ্খালী : এক অন্তহীন বিতৰ্ক ১২৫
বিছ আগষ্ট : 'নেপালী ভাষা বিজয় দিৱস' ১৩২
জনগোষ্ঠী নেপালী নে গোৰ্খা : এক ঐতিহাসিক সন্ধিক্ষণ ১৩৯
ভাৰত-নেপাল সম্পৰ্ক আৰু বিদেশীৰ সমস্যা ১৪৮
এক অবিস্মৰণীয় অধ্যায় : অসম আন্দোলন আৰু থলুৱা নেপালী ১৫৬
থলুৱা নেপালীক খিলঞ্জীয়া বুলিব পাৰিনে? ১৭২
অসম গোৰ্খা সন্মিলন : থলুৱা নেপালী সত্তাৰ ধ্বজাবাহক ১৮৩
নেপালী সাহিত্য পৰিষদ, অসম বনাম অসম নেপালী সাহিত্য সভা ১৯৬
সদৌ অসম নেপালী ছাত্ৰ সন্থা : উৎপত্তি আৰু বিকাশ ২০৭
ভাৰতীয় গোৰ্খা পৰিসংঘ : উৎপত্তি আৰু প্ৰাসংগিকতা ২২০

[দ্বিতীয় খণ্ড]

ভাৰতীয় নেপালী সত্তাৰ জনক : বাবু ডম্বৰসিং গুৰুং ২২৯
অসমীয়া জাতীয় চেতনা আৰু সমন্বয়ৰ জাগ্ৰত প্ৰতীক : ককা ছবিলাল উপাধ্যায় ২৩৬
প্ৰতিবাদী সত্তাৰ প্ৰতীক : সৰ্বহাৰা ভক্ত বাহাদুৰ প্ৰধান ২৪২

অদম্য মুক্তিস্পৃহা আৰু অক্লান্ত শ্ৰমৰ প্ৰতীক ঃ শ্ৰমিকপ্ৰাণ দলবীৰসিং লোহাৰ ২৫০
জনসেৱক প্ৰসাদসিং চুব্বা ২৫৬
অসম গান্ধী বিষ্ণুলাল উপাধ্যায় ২৬০

[তৃতীয় খণ্ড]

দচৈ ঃ নেপালী জনগোষ্ঠীৰ জাতীয় উৎসৱ ২৬৯
তিহাৰ ঃ নেপালী জনগোষ্ঠীৰ বৰ্ণাঢ্য উৎসৱ ২৭৪
বসন্ত উৎসৱ থলুৱা নেপালীলোকে পালন কৰেনে? ২৭৯

পৰিশিষ্ট [একৰ পৰা যোল্লৈকে] ২৮৩-৩৪২

GOVT. OF ASSAM
DIRECTORATE OF LIBRARY SERVICES

প্রথম খণ্ড

নেপালী জনগোষ্ঠীৰ চমু পৰিচয়

বৃহত্তৰ অসমীয়া জাতিৰ এক অবিচ্ছেদ্য অংগ থলুৱা নেপালী জনগোষ্ঠী গঠনৰ নিজস্ব এক ইতিহাস আছে। অৱশ্যে এই ইতিহাসৰ সূত্ৰপাত অসমত ঘটা নাছিল; ভাৰতৰ প্ৰতিবেশী স্বাধীন ৰাষ্ট্ৰ নেপালত হৈছিল। অসমত যেনেকৈ আহোম ৰাজত্ব কালছোৱাতেই (১২২৮-১৮২৬ খৃঃ) বৃহত্তৰ অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল ঠিক তেনেদৰে নেপালতো বৃহত্তৰ নেপালী জাতি গঠনৰ প্ৰক্ৰিয়া শ্বাহ বংশৰ ৰাজত্ব কালতেই (১৫৫৯-১৮৪৮ খৃঃ) বিশেষকৈ পৃথ্বীনাৰায়ণ শ্বাহৰ (১৭৪২-১৭৭৫ খৃঃ) দিনতেই সম্পূৰ্ণ হৈছিল বুলি ক'ব পাৰি। ইতিহাসৰ পৰৱৰ্তীকালত পৃথিৱীৰ যিকোনো ঠাইতেই নেপালীলোকে বসবাস নকৰক কিয় তেওঁলোকৰ জনগোষ্ঠী গঠনৰ প্ৰক্ৰিয়া একেই অৰ্থাৎ ই বিভিন্ন উপজনগোষ্ঠীবোৰৰ এক অপূৰ্ব সংমিশ্ৰণৰ ফলশ্ৰুতি। সেয়েহে নেপালী এক সংহত আৰু সংমিশ্ৰিত জনগোষ্ঠী হ'লেও ইয়াৰ বিভিন্ন অংগ অৰ্থাৎ উপ-জনগোষ্ঠীবোৰৰ নিজস্ব পৰম্পৰাগত ভাষিক আৰু ধাৰ্মিক সত্তা আজিও বিদ্যমান। উত্তৰ-পূৰ্বাঞ্চল পাৰ্বত্য বিশ্ববিদ্যালয়ৰ সমাজতত্ত্ববিদ অধ্যাপক ড° এ চি সিন্‌হাই সংমিশ্ৰিত নেপালী জনগোষ্ঠীৰ বিষয়ে এনেদৰে উল্লেখ কৰিছে — From an ethnological point of view the Gurkhas or Nepalese can be divided into three major ethnic stocks. First the Kiratis, claimed to be the earliest inhabitants of the land, or divided into a number of largely endogamous tribes such as Rai, Magar, Limbu, Lepcha, Tamang etc who speak their own dialects, are either Hindus, Buddhists or animists and are located in the north-eastern and eastern part of Nepal. They are traditionally hillmen, are fond of forts and ethnologically closer to the north-eastern region of India. Secondly, the Newars, an urban and commercial stock located mainly in the Kathmandu valley and eastern Nepal ... who possess their own scripts, language, arts, crafts and artititechture ... Thirdly, the Thakuris or Gurkhalis are the Nepalese counterpart of Indian Hindu endogamous caste system with their concept of purity

and pollution .... On another plane, the Nepalese can be divided into two groups : the tagadharis (those who are entitled to the sacred thread) and matawalis (those who are outside Hindu orthodoxy and are permitted to drink inroxicating beverages). While all the kiratis, most of the Newars and some of the Thakuris are known as matawali, the High caste Newar Hindus and Gurkhas are included among the tagadhari. (A.C. Sinha : The Indian North-East Forntier and the Nepalese immigrants, Indian Institute of Advanced Study, Shimla, p.221)স্পষ্টভাষাত ক'বলৈ হ'লে নেপালী জনগোষ্ঠী প্ৰধানকৈ দুটা ভাগত বিভক্ত যেনে - ইণ্ডো - আৰ্য বংশোদ্ভৱ (Indo-Aryan origin) আৰু তিব্বত-মংগোলীয় বংশোদ্ভৱ (Tibeto-Mongoloid origin)। নেপালী ভাষাত এই দুটা ভাগক যথাক্ৰমে ধাগাধাৰী (যিলোকে গাত পবিত্ৰ লগুণ ধাৰণ কৰে) আৰু মতবালী (যিলোকে সামাজিক ভাবে মদ্যপান কৰে)। অৱশ্যে নৰ্থ-বেংগল বিশ্ববিদ্যালয়ৰ সমাজতত্ব বিভাগৰ অধ্যাপক ড° টংক বাহাদুৰ চুব্বাই নিজৰ গৱেষণামূলক গ্ৰন্থ Dynamics of a Hill Society (New Delhi, 1989) ত নেপালী জনগোষ্ঠীক বৰ্ণ দৃষ্টিকোণৰ পৰা ঘাইকৈ তিনিটা ভাগত বিভক্ত কৰিছে। প্ৰথমতে উচ্চবৰ্ণ হিন্দু উপজনগোষ্ঠী যিলোক ব্ৰাহ্মণ, ঠকুৰী আৰু ছেত্ৰী উপাধিৰে পৰিচিত। তেওঁলোকে পৰম্পৰাগতভাৱে গাত পবিত্ৰ লগুণ পৰিধান কৰে। দ্বিতীয়তে মধ্যবৰ্ণ উপজনগোষ্ঠী যিলোকক নেবাৰ, ৰাই, থাপা, মগৰ, লিম্বু, গুৰুঙ, ভুজেল, তামাঙ, থামী, ইয়ামা আদি উপাধিৰে জনাজাত আৰু এওঁলোক আদিতে অনা-হিন্দু ধৰ্মাবলম্বীলোক আছিল বুলি জনা যায়। তৃতীয়তে নিম্নবৰ্ণ উপজনগোষ্ঠী যিসকলক সোনাৰ, দমাই, চাৰ্কী, গাইনে আদি উপাধিৰে জনাজাত। এওঁলোকক পৰম্পৰাগত নেপালী সমাজত 'অস্পৃশ্য' (untouchables) বুলি গণ্য কৰা হৈছিল ড° চুব্বাই উল্লেখ কৰিছে (পূৰ্বোক্ত Subba, 1989 : পৃঃ. 47-48)। অৱশ্যে এনে বৰ্ণবৈষম্যৰ মাত্ৰা সম্প্ৰতি নেপালী সমাজত ক্ৰমান্বয়ে হ্ৰাস পাই আহিছে বুলি ক'লেও কম-বেছি পৰিমাণে এতিয়াও প্ৰচলিত হৈ আছে। কেৱল তামাঙ উপজনগোষ্ঠীৰ বাদে নেপালী জনগোষ্ঠীৰ সকলো উপজনগোষ্ঠীয়েই হিন্দু ধৰ্মাবলম্বী। তামাঙ উপজনগোষ্ঠীয়েহে নিজৰ আদি বৌদ্ধ ধৰ্ম পালন কৰি আহিছে। সি যি কি নহওঁক, এই নিবন্ধটিৰ প্ৰধান আলোচ্য বিষয় হৈছে কোন কোনবিলাক উপজনগোষ্ঠীক লৈ বৃহত্তৰ নেপালী জনগোষ্ঠী গঠন হৈছে তাৰ ওপৰত থূলমূলকৈ আলোকপাত কৰা।

(১) ব্ৰাহ্মণ অথবা বাহুণ (Brahmin) ঃ নেপালী জনগোষ্ঠীৰ অন্তৰ্ভুক্ত বামুণলোকৰ আদিভূমি ভাৰতবৰ্ষ আছিল যিলোকে দ্বাদশ শতিকাত মোগলে ভাৰত আক্ৰমণ কৰাৰ সময়ত পশ্চিম হিমালয়েদি নেপাললৈ প্ৰব্ৰজিত হৈছিল। এই নেপালী বামুণৰ সম্পৰ্কে People of Nepal (1976) শীৰ্ষক গ্ৰন্থত D.B. Bistaৰ মন্তব্যক Dr. T.B. Subba ই হুবহুৰূপে দাঙি ধৰিছে এনে ধৰণে — Traditional accounts state that the Brahmans, along with some Rajputs, come to the western hills of Nepal from India for the first time during the twelfth century, when they were dislodged by the Moslem invasions. The Brahmans and a few Rajputs who are said to have come from Kannauj and Chittore first met the Khas - the predominant race in the hilly regions of Kumaon, Garhwal and the western district of Nepal. অৱশ্যে তেওঁলোক ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা প্ৰব্ৰজিত হোৱাৰ্লৈ চাই তেওঁলোকক প্ৰধানকৈ পাঁচটা ভাগত ভাগ কৰিব পাৰি। প্ৰথমতে সৰস্বতী নদীৰ পাৰৰ পৰা প্ৰব্ৰজিত হোৱা নেপালী বামুণ গোটক সৰস্বত গোট; দ্বিতীয়তে কনৌজৰ পৰা যোৱা গোটক কন্যাকুব্জ; তৃতীয়তে বংগৰ পৰা গোটক গৌদ গোট; চতুৰ্থতে মিথিলাৰ পৰা প্ৰব্ৰজিত গোটক মৈথিল গোট আৰু পঞ্চমতে উৰিষ্যাৰ পৰা নেপালত প্ৰবেশ কৰা বামুণলোকক উৎকল গোট বুলি জনা গৈছিল। অৱশ্যে সময়ৰ অগ্ৰগতিৰ লগে লগে এনে বিভাজন নাইকিয়া হৈ সদ্যহতে কেৱল পুৰ্বেলী আৰু পশ্চিমে (অৰ্থাৎ পুব আৰু পশ্চিম দিশৰ) নামেৰে নেপালী জনগোষ্ঠীৰ মাজত দুটা বামুণ গোট দেখা যায়। নেপালী ব্ৰাহ্মণ উপজনগোষ্ঠীৰ কেতবোৰৰ উপাধিসমূহ এনেধৰণৰ — আচাৰ্য, উপাধ্যায়, অধিকাৰী, বৰাল, শৰ্মা, গড়াৰী, ভাণ্ডাৰী, ভট্টৰাই, দাহাল, ঘিমিৰে, খনাল, নেপাল, লামিছানে, অৰ্য্যাল নেওপানে, পৰাজুলী, পাঠক, বিষ্টা, গোড়াগাঞি খতিবড়া, ওঝা, বাস্কটা, ভট্ট, পৌড়েল, যোশী, ৰেগমী, ৰিমাল, সুবেদী, পোখৰেল, গোটামে, সিলৱাল, খিতাল, ধুংগেল, খৰেল, চিগদেল, চামালাগাঞী, চাপাগাঞী, পুতেল, লোহিনী, পাণ্ডে, পন্ত, উপ্ৰেতী, তিমিলচিয়া আৰু অন্যান্য। নেপাল ৰাষ্ট্ৰত পৰম্পৰাগতভাৱে সামাজিক, বৌদ্ধিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক পথাৰত প্ৰতিপত্তি লাভ কৰি বিদ্বৎ আৰু আধিপত্যিক (elite and dominant class) শ্ৰেণীৰ মৰ্যাদা প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হোৱা লোকেই হৈছে নেপালী ব্ৰাহ্মণ শ্ৰেণী। এই সংক্ৰান্তত Nepal : Strategy for Survival (Bombay, 1971) গ্ৰন্থত Leo E Roseয়ে দিয়া বৰ্ণনা প্ৰণিধানযোগ্য যে the dominant element socially, politically and economically in most

of Nepal is composed of the descendants of high caste Hindus who sought refuge in Nepal at the time of the Muslim invasion in India or even earlier (p. 7) ... The major dynastic lines throughout Nepal since at least the 11th century and for Kathmandu valley and the far-western hill areas, several centuries earlier have been high caste Indian origin proudly proclaiming their descent from prestigious ruling and warrior (Kshatriyas) families of India (পৃঃ. 10)। তেওঁলোক য'তেই বসবাস কৰে তাতেই বিদ্বৎ সমাজৰ ভূমিকা পালন কৰা দেখা যায়। তদুপৰি, তেওঁলোকেই পুৰোহিত শ্ৰেণীৰ কাৰ্য সম্পাদন কৰে। অসমৰ বেলিকাও এই পৰম্পৰা ব্যতিক্ৰম নহয়।

(২) ঠকুৰী (Thakuri) ঃ এই শব্দটো 'ঠাকুৰ' শব্দৰ পৰা আহিছে। ঠাকুৰ হৈছে কোনো ৰজাৰ অধীনত কাৰ্যনিৰ্বাহ কৰা মুখীয়া (Chiefs) অৰ্থাৎ ই এক ৰাজকীয় খিতাপ। সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰত পাৰদৰ্শিতা প্ৰদৰ্শন কৰিবলৈ সক্ষম হোৱা নিৰ্বাচিত ব্যক্তিসকলক 'ঠাকুৰ' পদত অধিষ্ঠিত কৰা হৈছিল। বিশেষকৈ খচ আৰু ৰাজপুত বংশৰ লোকে নেপালত ঠাকুৰ পদত নিযুক্তি পাইছিল আৰু কালক্ৰমত তেওঁলোকৰ সতি-সন্ততি ঠকুৰী নামৰ উপজনগোষ্ঠীত পৰিণত হৈছিল। নেপালী বামুণলোকৰ নিচিনাকৈ ঠকুৰী লোকেও বিশেষকৈ যৌন জীৱন আৰম্ভ কৰিলেহে গাত লগুণ পৰিধান কৰাৰ পৰম্পৰা আছে বুলি জনা যায়। সেয়েহে The Gurkhas (1990) নামৰ গ্ৰন্থত P.K. Parmarয়ে কৈছে যে A Thakur, who has not adopted thread (Janai) which untill marriage is with him entirely voluntarily, has no more prejudices than the ordinary Magars and Gurungs ... সেয়েহে In appearance a well bred Thakur is almost indistinguishable from a Magar or Gurung (পৃঃ. 16-17) সি যি কি নহওক, ৰজাৰ অধীনত মুখীয়া পদত অধিষ্ঠিত হোৱা খচ আৰু ৰাজপুত বংশোদ্ভৱ লোক উচ্চবৰ্ণ হিন্দু গোটত অন্তৰ্ভুক্ত। তেওঁলোকৰ কিছু উপাধিসমূহ এনেধৰণৰ — শ্বাহী, মল্ল, সেন, চমাল, খান, সিং, বংশী, সূৰ্যবংশী, চন্দ, কল্যাণ, মান, হমাল, প্ৰেমখৰালি।

(৩) ছেত্ৰী (Chhetri) ঃ 'ছেত্ৰী' শব্দটো ক্ষত্ৰিয় শব্দৰ অপভ্ৰংশ যিয়েই এক যুঁজাৰু জাতিক বুজায়। তদুপৰি আৰ্য বংশোদ্ভৱ নেপালী বামুণ উপজনগোষ্ঠীৰ পৰা অৱনমিত হোৱা গোটটোকে ছেত্ৰী উপজনগোষ্ঠী বুলি বিশ্বাস কৰা হয়। এনে পৰিপ্ৰেক্ষিতত ছেত্ৰী উপজনগোষ্ঠীৰ উৎপত্তি সংক্ৰান্তত তিনিটা সমভাব্য উৎসসমূহ হ'ল এনে ধৰণৰ — এজন নেপালী বামুণে পাহাৰীয়া জনজাতি তিৰোতা বিশেষকৈ

মগৰ আৰু গুৰুং তিৰোতাৰ সৈতে বিবাহ পাশত আবদ্ধ হৈ জন্ম দিয়া সন্তি-সন্ততিসকল ছেত্ৰী বুলি পৰিচিত হয়। দ্বিতীয়তে হিন্দুকৰণ প্ৰক্ৰিয়াৰ ফলত (process of sanskritisation) পাহাৰীয়া জনজাতিলোক হিন্দু হোৱা এচাম 'ছেত্ৰী' বুলি এক উপজনগোষ্ঠীত পৰিণত হ'ল আৰু তৃতীয়তে ক্ষত্ৰিয় আৰু ৰাজপুত বংশৰ সন্তি-সন্ততি যিসকলে নেপালত সামৰিক বাহিনীত যোগদান কৰি যুঁজাৰু গোষ্ঠীলৈ ৰূপান্তৰিত হোৱা উপজনগোষ্ঠীয়েই হ'ল ছেত্ৰী। এই বিষয়ে Dr Tanka Bahadur Subbaৰ মতামত এনে ধৰণৰ — It is generally agreed that the Chhetris have one of the most varied origins. There are three probable sources : (1) Progeny of the Brahmins with the local women, (2) Converts from the hill tribes in the process of sanskritisation of the local inhabitants and (3) Ekharias or descendants of the Rajputs and other Khastriyas of the plains who had sought refuge in Nepal and served there as 'military adventurers' (T.B. Subba, ঐ পৃঃ ৩৩) নেপালী বামুণ আৰু ঠকুৰীলোকৰ দৰেই ছেত্ৰীলোকে গাত পবিত্ৰ লগুণ পৰিধান কৰাৰ পৰম্পৰা আছে। তদুপৰি সামাজিক ৰীতি-নীতিৰ বেলিকাও বামুণ, ঠকুৰী আৰু ছেত্ৰীলোকৰ মাজত বহুখিনি সাদৃশ্য দেখা যায়। তেওঁলোকৰ কেইটামান উপাধি হ'ল এনেধৰণৰ ছেত্ৰী, অধিকাৰী, বস্নেত, বুঢ়াথোকী, কাৰ্কী, বহৰা, ঘৰতী, খড়কা, ৰাণা, থাপা, ৰাউট ইত্যাদি।

(৪) নেৱাৰ (Newar) ঃ সম্প্ৰতি নেপালৰ ৰাজধানী কাঠমাণ্ডু উপত্যকাত ১৭শ শতিকাৰ পৰাই কেন্দ্ৰীভূত হৈ থকা খিলঞ্জীয়া বণিক শ্ৰেণী আৰু নেপালত চৰকাৰী আমোলা শ্ৰেণীৰ সিংহ ভাগ লোকেই নেৱাৰ উপজনগোষ্ঠীৰ অন্তৰ্ভুক্ত বুলি ক'ব পাৰি। নেৱাৰসকলৰ উৎপত্তি সম্পৰ্কে কোৱা হয় যে তেওঁলোক ভাৰতীয় হিন্দু আৰু তিব্বতৰ বৌদ্ধ ধৰ্মাৱলম্বী লোকৰ সংমিশ্ৰণৰ ফলত সৃষ্টি হোৱা সংমিশ্ৰিত নেপালী জনগোষ্ঠীৰ এটা ঠাল। এই প্ৰসংগত আকৌ Leo & Rose ৰ মন্তব্য প্ৰণিধানযোগ্য। তেওঁৰ মতে another important community of mixed Caucasoid and Mongoloid origins consists of the Newars, centered in Kathmandu valley. They are characteristiclly an urban group and the distinctive civilization that developed in the central valley of Nepal is largely their handiwork. There are both Hindu and Buddhist subgroups among the Newars but Hinduism has held the dominant position in the last two centuries (p.7)। নেপালী

ভাবাৰ উপৰিও নেবাৰসকলৰ নিজস্ব ভাষা (দোবান বুলিও ক'ব পাৰি)ৰ প্ৰচলন আছে। কিন্তু গাত লগুণ ধাৰণ কৰা নিয়ম নাই। আদিতে নেবাৰলোক হিন্দু-বৌদ্ধ দুয়োটা ধৰ্মৰ অন্তৰ্ভুক্ত হ'লেও সম্প্ৰতি হিন্দু ধৰ্মই তেওঁলোকৰ প্ৰধান ধৰ্ম, তেওঁলোকৰ কেতবোৰ উপাধি হৈছে নেবাৰ, শ্ৰেষ্ঠ, প্ৰধান, যোশী, মাৰ্স্কে, আমাত্য, ভদেল, তিলপুংগে আদি।

(৫) মগৰ (Magar) ঃ 'মগৰ' শব্দটো মাং বা মং অথবা, মংগোল শব্দৰ পৰা আহিছে। অৰ্থাৎ মংগোলীয় বংশোদ্ভৱ সন্তানেই হৈছে মগৰলোক। চীন আৰু বাৰ্মাৰ সম্প্ৰতি মিয়ানমাৰ বিলাকে মংগোলীয় বংশৰ মানুহবিলাকক মং বা মংগোল বুলি সম্বোধন কৰিছিল বুলি জনা যায় যাৰ পৰাই কালক্ৰমত নেপালী জনগোষ্ঠীত মগৰ উপজনগোষ্ঠীৰ সৃষ্টি হৈছে বুলি বিভিন্ন মহলৰ বিশ্বাস। তদুপৰি মগৰ লোকক ঠকুৰীৰ উপগোষ্ঠীৰ এটা ঠাল বুলিও কোৱা হয় (It is believed that they i.e. Mogors are the degenarates of Thakuris. Like Thakuris, the Mangars are patriarchal. They can marry mother's brother's daughter or father's sister's daughter. But unlike the Thakuris, some of them use their own priest called 'Bhusal'. (Tanka B. Subba, Dynamics of a Hill Society, 1989 পৃ: 40)। ধৰণীধৰ দাহালে নিজৰ গ্ৰন্থ "জাতি, ভাষা ৰ লিপি" (১৯৭৮) ত মগৰলোকৰ উৎপত্তিৰ বিষয়ে উল্লেখ কৰি কৈছে যে নেপালৰ পশ্চিমে অৱস্থিত ত্ৰিশূলী ক্ষেত্ৰত মগৰাত ৰাজ্য আছিল আৰু তাৰ ৰজা মকৰাতৰ নামৰ পৰাই মগৰ উপজনগোষ্ঠীৰ সৃষ্টি হৈছে। উল্লেখ্য যে আদিতে মগৰলোক বৌদ্ধ ধৰ্মাৱলম্বীলোক আছিল বুলি জনা যায়। কিন্তু পূৰ্বতে উল্লেখ কৰা হৈছে যে দ্বাদশ শতিকাত মোগল আক্ৰমণৰ সময়ত ভাৰতৰ পৰা প্ৰব্ৰজিত হোৱা ইণ্ডো-আৰ্য বংশীয় লোকে নেপালৰ জনজাতিলোকৰ মাজত হিন্দুকৰণ প্ৰক্ৰিয়া আৰম্ভ কৰাৰ ফলত পোন প্ৰথমে মগৰ আৰু গুৰুঙসকলেই হিন্দুধৰ্মলৈ ৰূপান্তৰিত হয় কাৰণ ভাৰতীয় প্ৰব্ৰজনকাৰীৰ পথৰ দাঁতিতেই মগৰ আৰু গুৰুঙসকলৰ প্ৰধান বাসস্থান আছিল। এই প্ৰসংগত Leo E Roseৰ মন্তব্য এনে ধৰণৰ — The Magars, for instance, and to a less extent the Gurungs, Rais, Limbus have been 'Sanskritized' (in contemporary anthropological parlance) to a considerable extent (পৃঃ 8) তদুপৰি P.K. Parmar এ The Gurkhas নামৰ গ্ৰন্থত উল্লেখ কৰিছে যে It seems reasonable to suppose that the greater proportion of the original Chhetris were the progeny of Brahmins and Rajputs with Magar women ..... it follows, therefore, that some classes of the Gharti, Rana and Thapa, for

instance, are found in both the Chherti and Magar groups (1990, p. 27-28)। অনুৰূপ ধৰণে মগৰলোকৰ উৎপত্তি সম্পৰ্কে The Indo-Tibetans : The Indo-Tibetan and Mongoloid Problem in the Southern Himalaya and Northeast India (1954) শীৰ্ষক গ্ৰন্থত Dr M Hermanns য়ে বৰ্ণনা কৰিছে এনে ধৰণে — The origin of Mangars tribe as mentioned in Kirat chronology is a place in the north called Shin ... When they come to Sikkim they settled there permanently. They built Jongs or castles wherever they settled and called them Mangar Jong or the fort of Mangars or the castle of Mangars. সি যি কি নহওক, উল্লিখিত থাপা, ৰাণা উপাধিৰ উপৰিও মগৰলোকৰ অন্যান্য উপাধিবোৰ হ'ল — আলে, পুন, বুঢ়াথোকী, বুঢ়াঘৰ্তী, দৰ্লামী, ৰিজাল, দন্ত, জৰগা, চিজালী, চমাল, সূৰ্যবংশী, বৰাল, নুংগেলী, পুলামী, কেপছাকী, ভুপাল, পুপাল, গোধচানে, পূৰ্বচানে, শ্ৰীপালি, চাৰু, ফেৰালী, খুলাল, ৰাখাল, পাচেং, শিঘুং, ম্যাং, সিৰ্জাপতি, সাৰংগী, চাৰ্মী, গুলুং, পন্থী, ফুয়ালী, সোণাৰি, খপতৰী, লামচাল আৰু অন্যান্য বহুতো।

(৬) গুৰুং (Gurung) ঃ বহু শতিকাৰ পূৰ্বে উত্তৰ তিব্বতৰ পৰা মধ্য নেপাললৈ প্ৰবেশ কৰা তিব্বত-মংগোলীয় বংশোদ্ভৱ জনজাতিলোকৰ আন এটা ঠালৰ নাম হৈছে গুৰুং। মগৰলোকৰ দৰেই আদিতে গুৰুঙসকলো বৌদ্ধ ধৰ্মাৱলম্বী হ'লেও হিন্দু ব্ৰাহ্মণলোকৰ প্ৰভাৱত পৰি পৰৱৰ্তীকালত হিন্দু ধৰ্মলৈ ৰূপান্তৰিত হয়। এচাম নৃতত্ত্ববিদে ক'ব বিচাৰে যে মগৰ আৰু গুৰুঙলোকৰ মাজত যথেষ্ট নৃতত্ত্বগত (ethnological) সাদৃশ্য দেখা যায়। তৎসত্ত্বেও গুৰুং উপজনগোষ্ঠীৰ নিজস্ব 'গুৰুঙকুৰা' নামেৰে দোৱান আছে। অৱশ্যে আজিৰ তাৰিখত অসমৰ গুৰুঙসকলৰ 'গুৰুঙকুৰা' বিস্মৃতিৰ গৰ্ভত হেৰাই গৈছে বুলি জনা যায়। সি যি কি নহওঁক, গুৰুঙসকল প্ৰধানকৈ দুটা ভাগত বিভক্ত যেনে চাৰ জাত (অৰ্থাৎ চাৰি জাতি) আৰু চৰ্হ জাত (অৰ্থাৎ ষোল্ল জাতি)। চাৰ জাত গুৰুঙসকল হৈছে ঘালে, ঘটানী, লামা আৰু লামছানে। বাকী চৰ্হজাত গুৰুঙলোকৰ কিছু হৈছে চন্দু, ৰামজন, লোথাংগ, গুলুং, পালামী, ম্যাগ্ৰি, থুমুঙ, জিমেল, বমজন্, ঘলে, চন্দু, ঘুমতে, ঘৰেন, জিমেল, লোপালে, তাংগে, পেজী আৰু বহুত।

(৭) ৰাই (Rai) ঃ কিৰাত বংশৰ খম্বু বংশধৰসকলক বৃহত্তৰ নেপাল ৰাষ্ট্ৰৰ থনিকৰ পৃথিবীনাৰায়ণ শ্বাহে দিয়া নাম হ'ল ৰাইলোক। 'ৰাই' শব্দৰ অৰ্থ মুখিয়াল অৰ্থাৎ বিষয়বাব আৰু খিতাপ। প্ৰাচীন নেপালৰ একোটা স্বতন্ত্ৰ অঞ্চলৰ মুখীয়া ৰাইসকল এটা সময়ত বৃহত্তৰ নেপালী জাতিৰ এক ঠাললৈ ৰূপান্তৰিত হৈছিল। স্থানীয় দেৱ-

দেৱীক পূজা-অৰ্চনা কৰা অভ্যাস ৰাইসকলৰ এক ধাৰ্মিক পৰম্পৰা। সেয়েহে আদিতে তেওঁলোক বৌদ্ধও নহয় আৰু হিন্দু ধৰ্মাৱলম্বীও নাছিল যদিও কালক্ৰমত উক্ত দুয়োটা ধৰ্মৰ দ্বাৰা প্ৰভাবান্বিত হৈছিল। অৱশ্যে অৱশেষত ঐতিহাসিক কাৰণবশতঃ হিন্দু ধৰ্মলৈ ৰূপান্তৰিত হয়। এই সংক্ৰান্তত D. B. Bistaই People of Nepal (1976) শীৰ্ষক গ্ৰন্থত উল্লেখ কৰিছে যে — Rais practise a religion which is, strictly speaking, neither Hindu nor Buddhist, although they have been influenced both by the Lamaistic form of Buddhism of the Himalayan people living immediately north of them and by the Hinduism of the middle hills. The worship of many local deities, however, is their traditional religious practice তিব্বত-মংগোলীয় উপজাতিৰ নিচিনাকৈ ৰাইসকলৰো অসমত ঠাই বিশেষে নিজৰ দোৱানৰ প্ৰচলন অদ্যাপি আছে বুলি জনা যায়। তেওঁলোক প্ৰধানকৈ দহটা গোত্ৰ (থৰ) বিভক্ত যেনে অথপ্ৰে, বানটাৱা, চামলিং, কুলুঙ, লহৰুঙ, নেমাহাঙ, নিহালী, চাংপাঙ, থুলুঙ আৰু চৌৰাচিয়া।

(৮) লিম্বু (Limbu)ঃ এই শব্দটো লি + অবুআন যাৰ অৰ্থ এনেধৰণৰ 'লি' মানে ধনু-কাঁড় আৰু 'অবুআন' মানে এনে অস্ত্ৰ ব্যৱহাৰ কৰি বিজয়ী হোৱা লোক অৰ্থাৎ ধনু-কাঁড় ব্যৱহাৰ কৰি যুদ্ধত বিজয়ী হৈ ভূ-সম্পত্তিৰ মালিক হোৱা লোককে লিম্বু নামেৰে জনা যায় বুলি লোকবিশ্বাস আছে। লিম্বুলোকৰ একাংশই চুব্বা উপাধি লিখে যিটো উপাধি তেওঁলোকক আধুনিক বৃহত্তৰ নেপাল ৰাষ্ট্ৰৰ খনিকৰ পৃথিৱীনাৰায়ণ শ্বাহে প্ৰদান কৰা বুলি কোৱা হয়। তেওঁলোকৰ উৎপত্তি সম্পৰ্কে জনা যায় যে লিম্বুসকল আদিতে তিব্বতৰ চাঙ্ (Tsang) বা চুঙ্ প্ৰদেশৰ পৰা অহা কিৰাট বংশৰ এটা ঠাল। সেয়েহে বহু সময়ত লিম্বুলোকে নিজকে 'চুঙ্' জাতি বুলিও পৰিচয় দিয়ে। তেওঁলোকৰ নিজস্ব দোৱান আছিল যদিও সম্প্ৰতি নেপালী ভাষাই লিম্বুসকলৰো ভাষা। অন্যান্য তিব্বত-মংগোলীয় বংশোদ্ভব নেপালী উপজনগোষ্ঠীবোৰৰ দৰেই লিম্বুসকলেও আদিতে গছ-লতা, শিল আদি পূজা কৰিলেও (Animists) এতিয়া হিন্দু ধৰ্মই তেওঁলোকৰ প্ৰধান ধৰ্ম। নেপালী লিম্বু উপজনগোষ্ঠীৰ ভিন্ ভিন্ গোত্ৰসমূহ হ'ল এনেধৰণৰ — আংবং, চংবাঙ, ফাড়হাঙ, চেৱান, হিনা, ফুৰম্বু, লিঙদেন, কাম্বাং ইত্যাদি।

(৯) তামাং (Tamang)ঃ পৌৰাণিক লোকাচাৰ অনুসৰি তামাঙসকলক ভগৱান 'শিৱ'ৰ বংশধৰ বুলি কোৱা হয়। আন এক সূত্ৰৰ মতে তামাঙসকল হৈছে তিব্বত ৰজা ৰঙচেন্ গেম্পো (Trong Tsen Gampo) ৰ সমৰ্থকসকল। এবেটা সূত্ৰ অনুসৰি 'তা' মানে ঘোঁৰা আৰু 'মাং' মানে যুঁজাৰু অথবা বেপাৰী অৰ্থাৎ ঘোঁৰাৰ পিঠিত উঠি

যুদ্ধ কৰোতা অথবা বেপাৰ-বাণিজ্য কৰোতা লোকেই হৈছে তামাং উপজনগোষ্ঠী। মুঠতে তিব্বতৰ কোনোবা অঞ্চলৰ পৰা মানব ইতিহাসৰ কোনো এটা কালত নেপাললৈ প্ৰব্ৰজিত হোৱা অনাৰ্য বংশোদ্ভব নেপালী জনগোষ্ঠীৰ অন্যতম ঠাল হ'ল তামাং উপজনগোষ্ঠী। বৌদ্ধ ধৰ্ম হৈছে তেওঁলোকৰ মূল ধৰ্ম। তেওঁলোক বাৰ জাত (Twelve Class) আৰু অঠাৰ জাত (Eighteen Class) নামেৰে দুটা ভাগত বিভক্ত যদিও এনে বিভাজন সম্প্ৰতি বিলুপ্তি প্ৰায়। তামাঙসকলে নিজস্ব কিছু পৰম্পৰা, ঐতিহ্য আৰু ধৰ্মীয় ৰীতি-নীতি এতিয়াও পালন কৰি অহা দেখা যায়। তেওঁলোকৰ কেইটামান গোত্ৰ এনেধৰণৰ — গলে, ঘিছিঙ, থিঙ, দৰপা, দৰ্দেন, দঙ, মেমছিঙ, মোক্তান, য়ুঞ্জন, লন্দেন, ৰোম্বা, জিম্বা, গোমদেন ইত্যাদি।

(১০) ভুজেল (Bhujel) ঃ এওঁলোকৰ উৎপত্তি সম্পৰ্কে নিৰ্ভৰযোগ্য ঐতিহাসিক তথ্য লাভ কৰাতো কঠিন বুলি কোৱা হয়। অৱশ্যে এইটো ঠিক যে অনাৰ্য বংশৰে এটা ঠাল হৈছে ভুজেল যিলোকক বৃহত্তৰ নেপালী সমাজত খ্ৱাছ (Khawas) আৰু ঘৰ্তী (Gharti) বুলিও জনা যায়। ভুজেলসকলৰ সামাজিক আৰু ধৰ্মীয় ৰীতি-নীতিসমূহ সংমিশ্ৰিত ধৰণৰ আৰু নিজস্ব দোৱান অথবা ভাষা প্ৰচলনৰ বিষয়েও জনা নাযায়। স্পষ্টতঃ ভুজেলসকল প্ৰধানকৈ হিন্দু ধৰ্মাৱলম্বী। এওঁলোকক 'দোলাভাৰী' বুলিও জনা যায়।

(১১) সোণাৰ বা সোণোৱাৰ (Sunuwar) ঃ বৃহত্তৰ নেপালী জনগোষ্ঠীৰ অন্যতম্ ঠাল হৈছে সোণোৱাৰসকল যিলোকক 'মুখীয়া' বুলিও জনা যায়। ইতিহাসে ক'ব বিচাৰে যে সোনোৱাৰসকল তিনিটা ভিন্ ভিন্ গোটত ভাগ হৈ নেপালত প্ৰবেশ কৰিছিল। প্ৰথম গোট জিৰেল্ আৰু চিৰেল্ (Jirel and Sirel Sunuwars) নামেৰে তিব্বতৰ পৰা কাশ্মীৰ, পঞ্জাব আৰু বিহাৰ হৈ মধ্য নেপালৰ জিৰি আৰু চিৰি নামৰ ঠাইত বসবাস কৰিবলৈ লয়। দ্বিতীয় গোট সোণোৱাৰ নামেৰে তিব্বতৰ পৰা আহি পূব নেপালত থিতাপি লয় আৰু তৃতীয় গোট বিহাৰৰ মাজেদি আহি পূব নেপালৰে ৰাই উপগোষ্ঠী বসবাস কৰা ঠাইতেই থিতাপি লৈছিল বুলি ইতিহাসবিদ সকলে ক'ব বিচাৰে। সি যি কি নহওঁক, সোণোৱাৰ উপজনগোষ্ঠী ঘাইকৈ দুটা ভাগত বিভক্ত যেনে বাৰ্ থৰ (Twelve class) আৰু দচ্ থৰ (Ten class)। উল্লেখ্য যে বাৰ্ থৰত বিশেষকৈ জিৰেল গোটত অন্তৰ্ভুক্ত সোণোৱাৰলোক হিন্দু ধৰ্মাৱলম্বী আৰু দচ্ থৰ অৰ্থাৎ চিৰেল গোটত অন্তৰ্ভুক্ত সোণোৱাৰসকল বৌদ্ধ ধৰ্মাৱলম্বী নেপালী। অৱশ্যে এনে ধাৰ্মিক বৈষম্য লুপ্তপ্ৰায়।

(১২) কামী, চাৰ্কী আৰু দ'মাই (Kami, Sarki and Damai) ঃ পূৰ্বতে উল্লেখ কৰা হৈছে যে ভাৰতৰ পৰা প্ৰব্ৰজিত হোৱা হিন্দুলোকৰ প্ৰভাৱৰ ফলত নেপালত

বর্ণ-বৈষম্যৰ সৃষ্টি হয়। তেতিয়াৰ পৰাই কৰ্মৰ ভিত্তিত বিভিন্ন নেপালী উপজনগোষ্ঠীৰ জন্ম হয় বুলি ক'ব পাৰি। তাৰে অন্যতম কেতবোৰ উপজনগোষ্ঠী হৈছে কামী (সোনাৰি), চাৰ্কী (মুচী) আৰু দ'মাই (দৰ্জি শ্ৰেণী) যাক ড° টংক বাহাদুৰ চুব্বাই 'অস্পৃশ্য' জনগোষ্ঠী (untouchable castes) বুলি অভিহিত কৰিছে। এই উপজনগোষ্ঠীত্ৰয়ৰ দেহত আৰ্যবংশীয় নেপালীলোকৰ বৈশিষ্ট্য আৰু বিশেষকৈ নেপালী বাহুন-ছেত্ৰী উপজনগোষ্ঠীৰ সৈতে সাংস্কৃতিক আৰু শাৰীৰিক সাদৃশ্য পৰিলক্ষিত হয় বুলি এচাম পণ্ডিতে ক'ব বিচাৰে। এনে কাৰণতে সম্ভৱত এইচাম পণ্ডিত এই সিদ্ধান্তত উপনীত হৈছে যে কামী, চাৰ্কী, দ'মাই উপজনগোষ্ঠীৰ নেপালীলোকৰো উৎপত্তিস্থল ভাৰতবৰ্ষ অৰ্থাৎ তেওঁলোক নেপালী উচ্চবৰ্ণ বামুণ লোকৰে এটা সময়ত অঙহী-বঙহী আছিল বুলি বিশ্বাস কৰা হয়। কালক্ৰমত সামাজিকভাৱে অগ্ৰহণযোগ্য কাৰুকাৰ্য্যত লিপ্ত হোৱাৰ ফলত তেওঁলোকক উচ্চবৰ্ণ হিন্দুৰ পৰা নিম্নবৰ্ণ হিন্দু অথবা 'অস্পৃশ্য' পৰ্যায়লৈ অৱনমিত কৰা হয় বুলি লোক বিশ্বাসৰ প্ৰচলন আছে। তেওঁলোকৰ সম্পৰ্কে Dr T.B. Subbaৰ গ্ৰন্থ Dynamics of a Hill Socictyত এনে ধৰণে কোৱা হৈছে — The Kamis, Sarkis and Damais have Aryan features and considerable cultural affinity with the Bahuns and Chhetris. This has led many scholars to guess their origin in India (D.B. Bosta 1980 : 110) For instance, PM Pradhan writes that "Kamis, Damai, Sarki and Badi seem to be progeny of Brahmans and Chhetris of Nepal but seem to have been relegated by them for some unsocial behaviour (Nepal : The Cultural Heritage of India 1978) এনে উপজনগোষ্ঠীবোৰক সেয়েহে চাগে "fallen people" বুলিও কোৱা হয়। কামীলোকৰ কেতবোৰ উপাধি এনেধৰণৰ — খাতি, গজমেৰ, চাৱা, ৰসাইলী, দেৱপতি, কৈৰালো ইত্যাদি।

উল্লিখিত উপজনগোষ্ঠী বিলাকৰ উপৰিও যোগী, কুমালে, সন্যাসী, শ্বেৰপা, গায়নে, যুলমাছু, থামী, থাৰু আদি উপগোষ্ঠীও বৃহত্তৰ নেপালী জনগোষ্ঠীৰ অন্যতম অংগ। সম্প্ৰতি অসম অথবা ভাৰতবৰ্ষজুৰি নেপালী জনগোষ্ঠীৰ উপৰোক্ত আৰ্য আৰু তিব্বত-মংগোলীয়(অনাৰ্য) উপজনগোষ্ঠী বিলাকৰ লোকে কম-বেছি সংখ্যাত বসবাস কৰি আছে আৰু কেতবোৰে নিজস্ব দোৱান (dialects)ৰ প্ৰচলন অব্যাহত ৰাখিও সংস্কৃত ভাষাৰ পৰা উৎপত্তি হোৱা নেপালী ভাষাকেই এক উমৈহতীয়া ভাষা (Nepali language as a lingua-franca) ৰূপে ব্যৱহাৰ কৰি আহিছে। অৱশ্যে এই কথা

অনস্বীকাৰ্য যে সংমিশ্ৰিত নেপালী জনগোষ্ঠীৰ মাজত সামাজিক বৰ্ণ-বৈষম্যৰ পৰম্পৰা (a tradition of caste discrimination) অদ্যাপি আগৰ দৰেই প্ৰচলিত। অন্যথা বৰ্ণ নিৰ্বিশেষে নেপালী জনগোষ্ঠী (সম্প্ৰতি অসমত এচামে 'নেপালী'ৰ পৰিবৰ্তে 'গোৰ্খা' জনগোষ্ঠী বুলি পৰিচয় দিয়ে) ৰূপে তেওঁলোক সকলো ঐক্যবদ্ধ।

সহায়ক গ্ৰন্থসমূহ ঃ

(১) Tanka B Subba ঃ Dynamics of a Hill Society Mittal Publication, Delhi, 1989

(২) P. K. Parmar ঃ The Gurkhas, Deep & Deep Publication, New Delhi - 1990

(৩) Leo E Rose ঃ Nepal : Strategy for Survival Oxford University Press, Bombay, 1971

(৪) ধৰণীধৰ দাহাল ঃ জাতি, ভাষৰ লিপি (নেপালী ভাষাত ১৯৭৮)

(৫) ঈশ্বৰৰাজ অৰ্য্যাল ঃ নঁয়া নেপালকো ইতিহাস (ঐ- ১৯৮৩)

অসমলৈ নেপালীলোকৰ প্ৰব্ৰজন
এটি ঐতিহাসিক অবলোকন

চতুৰ্দিশৰ পৰা ভূখণ্ডৰে পৰিবেষ্টিত ভাৰতৰ প্ৰতিবেশী পাহাৰীয়া ৰাষ্ট্ৰ নেপালৰ পৰা অসমকে আদি কৰি আমাৰ দেশৰ বিভিন্ন প্ৰান্তলৈ নেপালী নাগৰিকৰ প্ৰব্ৰজন কেতিয়াৰ পৰা হৈছিল তাৰ কোনো নিৰ্দিষ্ট দিন তাৰিখ ইতিহাসৰ পাতত নাই। নেপাল আৰু প্ৰাচীন অসম (তেতিয়া কামৰূপ তথা প্ৰাগজ্যোতিষপুৰ নামেৰে জনাজাত) ভৌগোলিকভাৱে সংলগ্ন হোৱা হেতুকে প্ৰাচীন কালৰে পৰা দুয়োখন দেশৰ মাজত এক সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক আছিল। আনকি মহাভাৰতৰ যুগত প্ৰাগজ্যোতিষপুৰৰ উত্তৰ সীমা সাম্প্ৰতিক ভূটান আৰু নেপালৰ এটা অংশলৈকে বিস্তৃত হৈ আছিল। যথাৰ্থতে ভৌগোলিক অখণ্ডতা আৰু জনগাঁথনিৰ সামঞ্জস্যতাই মহাভাৰতৰ দিনৰ পৰাই দুয়োখন দেশৰ মাজত এক সু-সম্পৰ্ক গঢ়ি তোলাতো সম্ভৱ কৰি তুলিছিল। তদুপৰি প্ৰাচীন অসম আৰু নেপালৰ ৰাজকীয় পৰিয়ালবৰ্গৰ মাজত বৈবাহিক সম্পৰ্কও আছিল। প্ৰসংগক্ৰমে উল্লেখ্য যে মধ্যযুগৰ কামৰূপৰ শালস্তম্ভ বংশৰ ৰজা হৰ্ষবৰ্মদেৱৰ (৭৩০-৭৫০ খৃঃ) দুহিতা ৰাজ্যমতীক নেপালৰ নৃপতি জয়দেৱলৈ বিয়া দিছিল। একেদৰেই ষষ্ঠদশ শতিকাৰ দ্বিতীয় দশকত কোঁচৰজা বিশ্বসিংহই কান্তিপুৰস্থ (সম্প্ৰতি কাঠমাণ্ডু) মল্ল ৰজাৰ জীয়াৰী ৰত্নাকান্তিক বিয়া কৰাইছিল (দ্ৰষ্টব্য ঃ K.L. Boruah, Early History of Kamrupa 1966 পৃঃ 4)। এই সংক্ৰান্ত Leo E Rose ৰ মন্তব্য এনেধৰণৰ — Even today the Brahmin priests who administer the Pasupatinath temple, the most inportant Hindu institution in Nepal and the Shah Family's personal shrine, are from a village in Southern India and were first invited to Kathmandu by a Malla ruler nearly 300 years ago. এনে সম্পৰ্কৰ উপৰিও দুয়োখন দেশৰ তীৰ্থ যাত্ৰীসকলে পৰস্পৰৰ দেশলৈ আগমন-প্ৰত্যাগমন আৰু আদান-প্ৰদানৰ প্ৰক্ৰিয়া অব্যাহত ৰাখিছিল যাৰ ফলশ্ৰুতিতেই প্ৰাচীন কামৰূপৰ কোঁচ ৰজাই নেপালৰ পৰা পুৰোহিত, ভাস্কৰাচাৰ্য আৰু স্থাপত্যবিদ নিজ ৰাজ্যলৈ আমদানি কৰি ৰাজহমুক্ত ভূমিৰ আবণ্টন দি স্থায়ীভাৱে থকাৰ বন্দোবস্ত কৰিছিল (দ্ৰষ্টব্য ঃ A.C. Sinha, The Indian Northeast frontiers and the Nepalese Immigrants, 'Himalayan Environment and culture' Simla, 1986, পৃঃ ২২২)। সেয়েহে

কোৱা হয় যে গুৱাহাটীস্থ কামাখ্যা মন্দিৰৰ পূজাৰীসকলৰ কিয়দংশ এই আমদানিকৃত নেপালী পুৰোহিত শ্ৰেণীৰ বংশোদ্ভব (দ্ৰষ্টব্য ঃ মন বাহাদুৰ ছেত্ৰী ঃ অসমীয়া নেপালী সমাজ আৰু সংস্কৃতিৰ ৰূপৰেখা, প্ৰকাশক অসম সাহিত্য সভা, যোৰহাট ১৯৮৩ পৃঃ ১৩)। ঠিক তেনেদৰেই চতুৰ্দশ শতিকাৰ নেপালৰ ৰজা জয়স্থিতি মল্লই ভাৰতৰ বিভিন্ন প্ৰান্তৰ যশস্বী ব্ৰাহ্মণলোকক নিজ দেশলৈ নিমন্ত্ৰণ কৰি নেপালৰ পশুপতি মন্দিৰত স্থায়ী ভাৱে বসবাস কৰিবলৈ সুবিধা কৰি দিছিল (দ্ৰষ্টব্য ঃ Leo E Rose, Nepal : Strategy for Survival, Delhi, 1971পৃঃ ৯)। এনে বৈবাহিক সম্পৰ্ক আনকি মণিপুৰ ৰাজ্যৰ বেলিকাও হৈছিল। সেই বিষয়ে GKN Chetryয়ে লিখিছে এনেদৰে —' Other significant movement of Nepalis into Manipur took place when Maharaja Budhachandra Singh married the Nepali princess, Iswari Devi, from the Rana family of Nepal in June 1941. As a token of love and affection of the Maharani Iswari Devi quite a number of Nepalis came to Manipur as a retinue of the queen and this proem of Nepalis entry into Manipur till 1946 (GKN Chetry, The Nepalis of Manipur : Movement and Settlement appeared in A. C. Sinha & T.B. Subba in the Nepalis in North East India : A community in search of Indian Identity, New Delhi, 2003,p. 307). তদ্ৰূপ, অতি সম্প্ৰতি নেপালৰ প্ৰাক্তন মন্ত্ৰী পশুপতি শ্যামদেৰ জংগ বাহাদুৰ ৰাণাৰ বিদুষী দুহিতা দেৱয়ানী ৰাণাক ভাৰতৰ মানৱ সম্পদ বিকাশ মন্ত্ৰী অৰ্জুন সিঙৰ নাতিয়েক ঐশ্বৰ্য সিঙে বিয়া কৰাইছে (The Hindu 26 February 2007)। উল্লেখ্য যে দেৱয়ানীৰ মাতৃ উষাৰাজে সিন্ধিয়া মধ্যপ্ৰদেশৰ গোৱালিয়ৰ সংসদীয় সমষ্টিৰ পৰা নিৰ্বাচিত প্ৰাক্তন কংগ্ৰেছ মন্ত্ৰী প্ৰয়াত মাধৱ ৰাও সিন্ধিয়াৰ কনিষ্ঠা ভগ্নী। সি যি কি নহওক, এনেদৰেই কালক্ৰমত প্ৰাচীন অসমলৈ অহা নেপালীলোক আৰু নেপাললৈ যোৱা ভাৰতীয় বংশোদ্ভৱলোক আনকি নিজ নিজ মাতৃভাষাকো জলাঞ্জলি দি পাৰস্পৰিক দেশৰ সমাজ আৰু সংস্কৃতিৰ সৈতে নিঃচিহ্নভাৱে একাকাৰ হৈ যায়। বোধকৰো এনে ঘটনাৰ পাকচক্ৰত পৰি কেনেকৈ অসমলৈ প্ৰব্ৰজিত হৈ নেপালী ব্ৰাহ্মণ কালৰ গতিত অসমীয়া সমাজ আৰু সংস্কৃতিৰ লগত বিলীন হৈ গ'ল তাৰে সন্দৰ্ভত অসম সাহিত্য সভাৰ ভূতপূৰ্ব সভাপতি (১৯৭১-১৯৭২) তীৰ্থনাথ শৰ্মাদেৱৰ ভাষ্য এনে ধৰণৰ — "শ্ৰীশঙ্কৰদেৱ (১৪৪৯-১৫৬৯) বা তাৰ অলপ পাছতো নেপালীলোক অসমত আছিল। অসমৰ নগাঁও জিলাত আৰু শিৱসাগৰ জিলাৰ টিয়কত নেপালী সত্ৰ নামৰ দুখন সত্ৰ আছে। দুয়োখন সত্ৰৰ গুৰি ধৰোতা একেটাই। সত্ৰৰ প্ৰথম প্ৰৱৰ্তক বা আজ্ঞাপ্ৰাপ্ত পুৰুষজনৰ নাম আছিল ৰতিকান্ত।

তেওঁ এজন নেপালী উপাধ্যায় ব্ৰাহ্মণ আছিল। সেই কাৰণে সত্ৰখনৰ নাম লোকমুখত পৰি নেপালী সত্ৰ হ'ল। আজিকালি নেপালী সত্ৰৰ গোসাঁই বংশৰ বহুতেই এই কথা নাজানে। তেওঁলোকৰ পূৰ্বপুৰুষ কোনোবা কালতে নেপালী শুচি অসমীয়া হ'ল। একে লেথাৰিকৈ তিনিটা কাৰ্যকাল অসম সাহিত্য সভাৰ সম্পাদকৰ ভাৰ চলাওঁতা আৰু উপসভাপতি ৰূপেও অলপ কাল কাৰ্য কৰোতা অধ্যাপক যতীন্দ্ৰনাথ গোস্বামী এই বংশৰে লোক" **(দ্ৰষ্টব্য ঃ শ্ৰীতীৰ্থনাথ শৰ্মা ঃ অসমত নেপালী, অসম গোৰ্খা সন্মিলনৰ ষষ্ঠদশ বাৰ্ষিক অধিবেশনৰ 'স্মৃতিগ্ৰন্থ', গুৱাহাটী, ১৯৭৬ পৃঃ ২৬)**। ইয়াৰ পৰা এইটো স্পষ্ট যে অসমলৈ নেপালী লোকৰ প্ৰব্ৰজনৰ ইতিহাস কিমান পুৰণি। অৱশ্যে তেতিয়াৰ দিনৰ প্ৰব্ৰজনৰ সোঁতৰ প্ৰাবল্যও তেনেই নগণ্য আৰু অন্যহাতেদি সংমিশ্ৰণৰ প্ৰক্ৰিয়াও অতি সহজ আৰু স্বতঃস্ফূৰ্ত হোৱা হেতুকে তদানীন্তন অসমলৈ প্ৰব্ৰজিত হোৱা নেপালীলোক অসমীয়া সমাজ আৰু সংস্কৃতিৰ সৈতে সম্পূৰ্ণৰূপে বিলীন হৈ যায়।

অসমলৈ নেপালী প্ৰব্ৰজনৰ দ্বিতীয় সোঁত আৰম্ভ হয় ১৮২৬ চনত ইয়াণ্ডাবু চুক্তিৰ ফলশ্ৰুতিত ৰাজ্যখনত (সম্প্ৰতি উত্তৰ-পূৰ্বাঞ্চল) ব্ৰিটিছ ঔপনিবেশিক শাসকৰ অধীনলৈ যোৱাৰ পাছৰে পৰা। প্ৰণিধানযোগ্য যে ভাৰতৰ ৰাজনৈতিক প্ৰেক্ষাপটত ক্ৰমাগতভাৱে বৃদ্ধি পাই অহা ব্ৰিটিছ আধিপত্যক স্থায়ী ৰূপ দিবলৈ মিলিটেৰী বাহিনীত গোৰ্খা (এতিয়া 'গোৰ্খা' শব্দই সকলো নেপালী লোককে বুজায়) ফৌজ ভৰ্ত্তিকৰণে নেপালী প্ৰব্ৰজনৰ প্ৰক্ৰিয়াক আগতকৈ অধিক ত্বৰান্বিত কৰে। স্মৰ্তব্য যে ব্ৰিটিছ সকলে ভাৰতভূমিত নিজৰ স্বাৰ্থ পূৰণাৰ্থে সাম্ৰাজ্যবাদী শাসন কটকটীয়া কৰিবলৈ মৰসাহসী আৰু অত্যন্ত বিশ্বস্ত সৈন্য বাহিনীৰ সন্ধানত থাকোতে ঘটনাক্ৰমে ১৮১৪ চনত ব্ৰিটিছ-ভাৰত আৰু নেপালৰ মাজত এক যুগান্তকাৰী যুদ্ধ সংঘটিত হয় যাক ইতিহাসত এংলো-গোৰ্খা যুদ্ধ নামেৰে জনা যায়। এই যুদ্ধত গোৰ্খাফৌজৰ (অৰ্থাৎ নেপালী সৈন্য বাহিনীৰ) পৰাজয় হ'লেও তেওঁলোকৰ অদম্য সাহস, গভীৰ বিশ্বাস, বিপুল দেশপ্ৰেম আৰু অতুলনীয় কৰ্তব্য নিষ্ঠা প্ৰত্যক্ষ কৰি ব্ৰিটিছ সকল আশ্চৰ্য্য আৰু অভিভূত হয়। ফলত ভাৰতীয় মিলিটেৰী বাহিনীত গোৰ্খা ফৌজ ভৰ্তি কৰাৰ প্ৰক্ৰিয়া ইংৰাজসকলে আৰম্ভ কৰাৰ লগে লগে দৰিদ্ৰ পাহাৰীয়া দেশ নেপালৰ পৰা ভাৰতলৈ জাকে জাকে নিঃকিন গোৰ্খা যুৱকসকলৰ প্ৰব্ৰজন আৰম্ভ হয় — সংস্থাপিত হৈ নিজ নিজ পৰিয়ালৰ অনগ্ৰসৰ অৰ্থনৈতিক অৱস্থাক টনকিয়াল কৰাৰ প্ৰত্যাশাৰে। এইখিনিতে উল্লেখ্য যে অসমক মানৰ অত্যাচাৰৰ অৱসান ঘটোৱাৰ উদ্দেশ্যে ব্ৰিটিছ কমিছনাৰ ডেভিদ স্কটে নিজৰ নেতৃত্বত ১৮২৪ চনত আধাতকৈ বেছি গোৰ্খা ফৌজৰে গঠিত আসাম লাইট ইনফেন্ট্ৰি নামৰ সৈন্য বাহিনীৰ এটা গোট লৈ অসমত পদাৰ্পণ কৰে যাক কালক্ৰমত আসাম ৰাইফলছ নামেৰে পুনৰ নামাংকিত কৰা হয়। গোৰ্খা ফৌজৰ বীৰত্ব, বিশ্বাস আৰু সাহসৰ দ্বাৰা প্ৰভাৱান্বিত আৰু অভিভূত হৈ ব্ৰিটিছে নেপালী 'খুকুৰী'

(এক ধেনুভিৰীয়া নেপালৰ জাতীয় অস্ত্ৰ)ক ১৮৬৫ চনত আসাম ৰাইফলছবাহিনীৰ প্ৰতীক হিচাপে স্বীকৃতি প্ৰদান কৰে। এতিয়া কথা হ'ল মিলিটেৰীত চাকৰি বিচাৰি অসমকে আদি কৰি ভাৰতৰ বিভিন্ন প্ৰান্তলৈ নেপালীলোকৰ প্ৰব্ৰজন ঘটে আৰু এনে চাকৰিৰ নিশ্চয়তাই ভৱিষ্যতে অধিক প্ৰব্ৰজন ঘটাত এক ডাঙৰ প্ৰেৰণা যোগায়। তাতোতকৈ ডাঙৰ কথা হ'ল মিলিটেৰী চাকৰিৰ পৰা অৱসৰ লোৱা নেপালীলোকক অসমকে আদি কৰি ভাৰতৰ যিকোনো ঠাইত স্থায়ীভাৱে বসবাস কৰাৰ সুবিধা কৰি দিয়ে ভাৰতৰ ব্ৰিটিছ চৰকাৰেই। ফলত অসম, নাগালেণ্ড, মেঘালয় আদিত এক বৃজন সংখ্যক প্ৰাক্তন নেপালী ফৌজৰ লোকে বসবাস কৰা দেখা যায়। প্ৰকৃতাৰ্থত নেপালী যুৱক সকল ভাৰতীয় মিলিটেৰীত যোগদান কৰিবলৈ কোনো চথত প্ৰব্ৰজিত হোৱা নাছিল বৰং নেপালৰ চৰম প্ৰতিকূল আৰু অনগ্ৰসৰ আৰ্থ-সামাজিক আৰু ভৌগোলিক পৰিস্থিতিয়ে তেওঁলোকক অসমকে আদি কৰি ভাৰতৰ বিভিন্ন প্ৰান্তলৈ জীৱিকাৰ বিকল্প উৎস বিচাৰিবলৈ বাধ্য কৰাইছিল। প্ৰণিধানযোগ্য যে ১৯৩০ চনৰ ১৩ মে'ত অসম চৰকাৰৰ মুখ্য সচিবে ভাৰত চৰকাৰৰ বৈদেশিক সচিবলৈ অসমৰ নেপালীলোকৰ বিষয়ে প্ৰেৰণ কৰা তথ্যৰ একাংশ এনেধৰণৰ আছিল — The greatest number of the numerous Nepali graziers in Assam are Jaisis and Upadhyay Brahmins or Chhetris of the fighting classes, who have served in the Gurkha Regiments in the Assam Rifles, settled down in Assam when they leave the service. During the cold weather many Gurkhas of martial castes, Rais, Limbus come to work as sawyers in the Assam forests. Very few of them, however, settled down permanently in Assam ..... The immigration of the Nepalese into Assam may be described as an administrative nuisance rather than a political menace (A.C.Sinha, The Indian north-East frontier and the Nepalese Immigrants appeared in NR Rustomji & Charles Ramble : Himalayan Environment and Culture, Indian Institute of Advanced Study, Shimla p. 229).

পূৰ্বতে উল্লেখ কৰা হৈছে যে চাৰিওফালৰ পৰা ভূ-ভাগেৰে আগুৰি ৰখা নেপাল এখন পাহাৰীয়া ৰাষ্ট্ৰ হোৱা হেতুকে বহিঃ জগতৰ সৈতে যোগাযোগৰ বাবে ভাৰত ভূমিৰ মাজেদি প্ৰবেশ আৰু প্ৰস্থান কৰাৰবাদে নেপালৰ আন কোনো বিকল্প ব্যৱস্থা নাই। তাতোতকৈ ডাঙৰ কথা এয়ে যে পাহাৰীয়া নেপালৰ আভ্যন্তৰীণ যোগাযোগ ব্যৱস্থা ইমানেই অনগ্ৰসৰ যে নেপালী নাগৰিকে পূব প্ৰান্তৰ পৰা পশ্চিম প্ৰান্তলৈ যাবলৈ হ'লে ভাৰতভূমিৰ মাজেদি

পাৰ হ'বলগীয়া হয়। ফলত এনেকৈ ভাৰতভূমিৰ মাজেদি নেপালৰ এটা মূৰৰ পৰা আনটো মূৰলৈ অহা যোৱা কৰোতে একাংশ নেপালীলোকে দাৰ্জিলিঙত এবাৰ প্ৰবেশ কৰিলে তাৰ সংখ্যা গৰিষ্ঠ নেপালীলোকৰ লগত সংমিশ্ৰিত হৈ কিছুকাল থকাৰ পিছত জীৱিকাৰ অনুসন্ধানত অসমকে আদি কৰি উত্তৰ পূৰ্বাঞ্চললৈ প্ৰব্ৰজন কৰাটো অস্বাভাৱিক ঘটনা নহয়। তদুপৰি নেপালত হোৱা ক্ৰমবৰ্দ্ধমান ভূমি খণ্ডিতকৰণ, উপৰ্যুপৰি কৃষিৰ ফলত ভূমিৰ উৰ্বৰতা হ্ৰাস, বনাঞ্চলৰ দ্ৰুত ধ্বংসাত্মকৰ পৰিণতিত সৃষ্টি হোৱা পাৰিপাৰ্শ্বিক ভাৰসাম্যহীনতা, ভূমিৰ তুলনাত সংগতিবিহীনভাৱে জনসংখ্যা বৃদ্ধি, অনা-কৃষিখণ্ডত অৰ্থনৈতিক সংস্থাপনৰ অভাৱ, ৰাজনৈতিক স্বেচ্ছাচাৰিতা, জমিদাৰীৰ প্ৰবল শোষণকে আদি কৰি এশ এবুৰি সমস্যাৰে ভাৰাক্ৰান্ত হৈ নিঃকিন পাহাৰীয়া নেপালীলোকে একমাত্ৰ জীৱিকাৰ বিকল্প সন্ধানত অসমকে আদি কৰি বিভিন্ন সময়ত ভাৰতৰ বিভিন্ন প্ৰান্তলৈ প্ৰব্ৰজিত হ'বলৈ বাধ্য হয়। এটা সমীক্ষাৰ পৰা জনা যায় যে উনৈশ শতিকালৈকে নেপালৰ প্ৰতি ২০ জন নেপালীৰ বিপৰীতে এজনে আৰু কুৰি শতিকাৰ প্ৰথমাৰ্দ্ধত প্ৰতি ১০ জনৰ বিপৰীতে এজনে ভাৰতলৈ প্ৰব্ৰজন কৰে। এই সন্দৰ্ভত Srikant Dutt মন্তব্য উল্লেখযোগ্য। তেওঁ কৈছে — By the mid-20th century one in every 10 Nepalese had emigrated. In India alone, by 1970, there were 1.5 million Nepalese, out of a population of 11.55 million in Nepal. The annual rate of migration in 1961 was 82,000 a year, 20,000 of whom remained in India permanently each year. While the total Nepalese outside Nepal might reach almost 2.3 million, the majority of these emigrants have settled in North India comprising a working class whose presence is an accepted part of the landscape (**দ্ৰষ্টব্য ঃ Srikant Dutt: Migration and Development : The Nepalese in Northeast, Economic and Political Weekly, June 13, 1981, Bombay, p. 1053-1054)**।

প্ৰতিবেশী নেপাল ৰাষ্ট্ৰৰ প্ৰতিকূল ভৌগোলিক আৰু আৰ্থ-সামাজিক পৰিস্থিতিৰ সমান্তৰালভাৱে সমসাময়িক অসমৰ সামগ্ৰিক পৰিবেশো ইয়ালৈ নেপালী প্ৰব্ৰজনৰ বাবে সমানে দায়ী বুলি ক'ব পাৰি। স্মৰ্তব্য যে অষ্টাদশ শতিকাৰ শেষ আৰু ঊনবিংশ শতিকাৰ প্ৰথম ভাগত যথাক্ৰমে মোৱামৰীয়া বিদ্ৰোহ আৰু মানৰ আক্ৰমণৰ পৰিণতিত অসমে এক বৃহৎ পৰিমাণৰ জনসংখ্যা হেৰুৱাবলগীয়া হয়। ফলত ব্ৰহ্মপুত্ৰ উপত্যকাৰ এক বৃহৎ এলেকাত জনবসতি ইমান সেৰেঙা হয় যে অসম অচিৰেই এক ভয়ানক জংঘললৈ পৰ্যবসিত হয়। আনহাতেদি অসম সাম্ৰাজ্যবাদী ব্ৰিটিছৰ দখললৈ যোৱাত তেওঁলোকে অসমৰ পতিত

মাটিৰ পৰা ৰাজহ উৎপাদনৰ হেতুকে বাহিৰৰ মানুহৰ প্ৰব্ৰজনক উচটনি দিছিল। লগতে এচাম অসমীয়া মধ্যবিত্ত শ্ৰেণীয়েও এনে প্ৰব্ৰজনকাৰীক ইয়াতে স্থায়ীভাৱে থাকিবলৈ উৎসাহিত কৰিছিল কিয়নো তেওঁলোকৰ এক বদ্ধমূল বিশ্বাস হৈছিল যে উল্লিখিত দুই ঐতিহাসিক সংকটৰ ফলত অসমৰ জনসংখ্যাৰ যি ক্ষতি হৈছিল তাক প্ৰব্ৰজনকাৰীৰ দ্বাৰা পূৰণ নকৰিলে অসমৰ অৰ্থনীতিৰ ভেঁটি পুনৰ টনকিয়াল নহ'ব। তদুপৰি উনবিংশ শতিকাৰ উচ্চ শিক্ষিত অসমীয়া ব্ৰাহ্মণ বুদ্ধিজীৱী গুণাভিৰাম বৰুৱা (১৮৩৭-৯৪) ইতো কৈয়েই পেলালে যে এনে এক পৰিস্থিতিত অসমত এক নিযুতকৈ অধিক বাহিৰৰ পৰা অহা মানুহক সংস্থাপিত কৰিব পাৰি। একে সময়তে এচাম অসমীয়া জমিদাৰ শ্ৰেণীয়েও নিজৰ খেতিৰ কামত সস্তীয়া শ্ৰমিক নিয়োগৰ লক্ষ্যৰে আন প্ৰব্ৰজনকাৰীৰ লগতে নেপালীসকলকো অনুপ্ৰবেশৰ বাবে উৎসাহিত কৰিছিল। এই প্ৰসংগত এটি আমোদজনক কথা এয়ে যে কুৰি শতিকাৰ প্ৰথমাৰ্দ্ধত হিন্দু অসমীয়া বিদ্বৎ সমাজ ভীতিগ্ৰস্ত হৈছিল এই বুলি যে পূৰ্ব বংগৰ পৰা অহা মুছলিম প্ৰব্ৰজনকাৰীয়ে অসমীয়া জাতিক ধাৰ্মিক সংখ্যালঘুত পৰিণত কৰিব। সেয়েহে তদানীন্তন অসমীয়া হিন্দু মধ্যবিত্ত শ্ৰেণীৰ ৰক্ষণশীল চামে নিজৰ ঘৰুৱা কামত আৰু প্ৰতিষ্ঠানবোৰত নেপালী প্ৰব্ৰজনকাৰীক নিয়োগ কৰাৰ বেলিকা অগ্ৰাধিকাৰ দিছিল যিহেতু নেপালী লোক প্ৰধানতঃ হিন্দু ধৰ্মাবলম্বী যি তেওঁলোকৰ বাবে অনাগত দিনত কোনো প্ৰকাৰৰ ভাবুকিৰ সৃষ্টি কৰিব নোৱাৰে। এই সংক্ৰান্তত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° গিৰিন ফুকনৰ মন্তব্য এনে ধৰণৰ — It may also be noted that since the majority of East Bengal peasants were Muslims, very often the conservative section of the Assamese Hindu middle class recruited a large number of Nepalese for their cultivation and household works. Thus Nepalese got encouraged to come to Assam (**দ্ৰষ্টব্য ঃ Girin Phukon, Assam's Attitude to Federalism; New Delhi, 1984, p.12)**। তেনেদৰেই অসমৰ হাবিত হোৱা মূল্যবান গছ-গছনিৰ কাঠ কটা কামত বহু নেপালী লোক জড়িত আছিল আৰু কালক্ৰমত তেনে বহু পৰিয়াল ইয়াতে স্থায়ীভাৱে থাকি যায়। কাৰণ পূৰ্বতে উল্লেখ কৰা হৈছে যে তেতিয়াৰ দিনত অসমত পৰ্যাপ্ত পৰিমাণৰ পতিত ভূমি আছিল।

অসমলৈ নেপালী প্ৰব্ৰজনৰ তৃতীয় লানি সোঁত ব'বলৈ আৰম্ভ হয় ভাৰতবৰ্ষই স্বাধীনতা অৰ্জন কৰাৰ পাছৰে পৰা। স্বাধীন ভাৰত চৰকাৰে প্ৰতিবেশী ৰাষ্ট্ৰ নেপাল, ভূটান আৰু তেতিয়াৰ চিকিমৰ সৈতে ভৌগোলিকভাৱে অতি নিকট আৰু সংলগ্ন হৈ থকা হেতুকে এক নিবিড় সম্পৰ্ক গঢ়ি তোলে বিশেষকৈ নেপাল ৰাষ্ট্ৰৰ লগত যাতে চীনে ভাৰতৰ ভৌগোলিক অখণ্ডতা আৰু ৰাজনৈতিক সাৰ্বভৌমত্বৰ প্ৰতি কোনো ধৰণৰ ভাবুকিৰ

সৃষ্টি কৰিব নোৱাৰে। সেয়েহে ১৯৫০ চনৰ ৩১ জুলাইত ভাৰত আৰু নেপাল চৰকাৰদ্বয়ে Indo-Nepal Treaty of Peace and Friendship স্বাক্ষৰিত কৰে। এই চুক্তিখনৰ প্ৰাসংগিকতাৰ বিষয়ে ১৯৫০ চনৰ ৬ ডিচেম্বৰত তদানীন্তন প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে লোকসভাত কয় যে— From time immemorial, the Himalayas have provided us with a magnificent frontier. Of course they are no longer impassable as they used to be but they are still fairly effective. The Himalayas lie mostly on the northern border of Nepal. We cannot allow the barrier to be penetrated because it is also the principal barrier to India. Therefor, much we appreciate the independence of Nepal, we cannot allow anything to go wrong in Nepal or permit that barrier to be crossed or weakened because that would be a risk to our own security (Rishikesh Shah, Nepali Politics: Retrospect and Prospect, Oxford University Press, London, 1975, p 114-115)। এই ঐতিহাসিক চুক্তিৰ ৬নং দফাত এইবুলি লিখা আছে যে — আৰু ৭ নং দফাত উল্লেখ আছে এনেধৰণে যে — Each government undertakes, in token of the neighbourly friendship between India and Nepal, to give to the nationals of the other, in its territory, national treatment with regard to participation in industrial and economic development of such territory and to the grant of concessions and contracts relating to such development. আৰু ৭ নং দফাত উল্লেখ আছে এনেধৰণে যে — The government of India and Nepal agree to grant, on a reciprocal basis, to the nationals of one·country in territories of the other the same privileges in the matter of residence, ownership of property, participation in trade and commerce, movement and other privileges of a similar nature. অৰ্থাৎ এই চুক্তিৰ ৬ আৰু ৭ নম্বৰ দফা অনুযায়ী নেপালৰ নাগৰিক ভাৰতলৈ আৰু ভাৰতৰ নাগৰিক নেপাললৈ কোনো পাৰপত্ৰ বা ভিছা অবিহনে অহা-যোৱা, ব্যৱসায়-বাণিজ্য আৰু চাকৰি কৰিব পৰা ব্যৱস্থা কৰে। এই চুক্তিৰ আলমতে বহু নেপালী নাগৰিকে ভাৰতৰ অন্যান্য ৰাজ্যৰ লগতে অসম আৰু উত্তৰ-পূৰ্বাঞ্চললৈ প্ৰব্ৰজিত হৈছিল।

অসমলৈ নেপালী প্ৰব্ৰজনৰ অন্তিম সোঁত ১৯৭৬ চনৰ পাছৰ পৰা আৰম্ভ হোৱা

নাই ৰবঙ্গ বন্ধহে হৈছে বুলি ক'ব পাৰি। কাৰণ উল্লিখিত Indo-Nepal Treaty of Peace and Friendship 1950 অনুসৰি নেপালী নাগৰিকে ভাৰতলৈ আৰু ভাৰতীয় নাগৰিকে নেপাললৈ মুক্তভাৱে চলাচল, চাকৰি-বাকৰি আৰু ব্যৱসায়-বাণিজ্য কৰিব পৰা ব্যৱস্থা বন্ধ কৰিব লাগে অৰ্থাৎ পাৰ-পত্ৰৰ ব্যৱস্থা কৰিব লাগে বুলি অসম গোৰ্খা সন্মিলন আৰু সদৌ অসম নেপালী ছাত্ৰ সন্থাই বাৰম্বাৰ ৰাজ্যিক আৰু কেন্দ্ৰীয় চৰকাৰদ্বয়ৰ ওচৰত দাবী জনাই আহিছে। এনে পৰিপ্ৰেক্ষিততে ১৯৭৬ চনৰ ৩১ জুলাইৰ পৰা কাৰ্যকৰী হোৱাকৈ নেপালী নাগৰিকৰ ক্ষেত্ৰত বৈধ পাৰ পত্ৰ (Restricted Area Permit চমুকৈ RAP)ৰ ব্যৱস্থা কৰা হয়। ফলত পূৰ্বৰ দৰে নেপালী নাগৰিকে অসমকে ধৰি ভাৰতৰ যিকোনো প্ৰান্তলৈ যাবলৈ পাৰ-পত্ৰ ল'ব লগা হ'ল। অৱশ্যে এই RAP ব্যৱস্থা কেন্দ্ৰীয় চৰকাৰে ১৯৯৫ চনৰ ১৯ মে'ত উঠাই লৈছে; ফলত নেপালী নাগৰিকে উত্তৰ-পূৰ্বাঞ্চললৈ অহা যোৱাত কোনো পাৰপত্ৰৰ প্ৰয়োজন নোহোৱা হ'ল। তদ্ৰূপ অসম চৰকাৰেও ১৯৯৬ চনৰ ২৪ জানুৱাৰীত নেপালী নাগৰিকৰ বেলিকা প্ৰযোজ্য হৈ থকা পাৰপত্ৰ ব্যৱস্থা বাতিল কৰিছে বুলি গুৱাহাটী উচ্চ ন্যায়ালয়ে ঘোষণা কৰে (আমাৰ অসম ২৮ চেপ্তেম্বৰ ২০০২)। কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে নেপালৰ নাগৰিকে বৈধ পাৰ পত্ৰ বিনা অসমত প্ৰৱেশ কৰি ভোটাধিকাৰকে আদি কৰি সকলো ধৰণৰ ৰাজনৈতিক অধিকাৰ লাভ কৰিব পাৰে। কেৱল কামাখ্যা মন্দিৰলৈ অহা তীৰ্থযাত্ৰীসকলে এনে সুবিধা উপভোগ কৰি আছে। তদুপৰি অসম চৰকাৰৰ ৰাজনৈতিক (ক) বিভাগৰ যুটীয়া সচিবে ১৯৭৭ চনৰ ২৩ ফেব্ৰুৱাৰীত বিভিন্ন জিলা কৰ্তৃপক্ষলৈ লিখা Restricting employment of Nepali Nationals শীৰ্ষক জাননীত স্পষ্টকৈ কৈছিল যে — I am directed to say that the Government of India has for sometime past been considering the large influx of Nepali nationals into India and have decided that as a step towards checking this influx (of) Nepali nationals should not be employed by the State Governments and by public sector undertakings. Employment of Nepali nationals by private employers (Co-operatives, Private firms and individuals) should be discouraged through administrative measures. (Letter No PLA-763/74/72 date Dispur the 23rd Feb/1977, Government of Assam, Political Department) এনে চৰকাৰী পদক্ষেপেও জীৱিকা নিৰ্বাহৰ উপায় বিচাৰি অসম তথা ভাৰতৰ যিকোনো ঠাইলৈ নেপালী নাগৰিকৰ প্ৰব্ৰজনত দেখদেখকৈ বাধাৰ সৃষ্টি কৰিছে। সেয়েহে সাধাৰণ দুখীয়া নেপালী নাগৰিকৰ প্ৰব্ৰজন বন্ধ হৈছে আৰু ঐতিহাসিক বিদেশী বিতাড়ণ আন্দোলনৰ সময়ছোৱাত অসমৰ ঠাই বিশেষে থলুৱা নেপালী লোকৰ

ওপৰত 'তথাকথিত বিদেশী'ৰ নামত অত্যাচাৰ হৈছিল যাৰ ফলত ভীতিগ্ৰস্ত হৈ একাংশ নেপালী লোকে নেপাললৈ প্ৰত্যাবৰ্তন কৰিছে বুলি জনা যায়। এই বিষয়ে এক সুকীয়া অধ্যায়ত বিস্তৃতভাৱে আলোকপাত কৰা হৈছে। তৎস্বত্বেও এচাম অসমীয়া বুদ্ধিজীৱিৰ মনত নেপালী প্ৰব্ৰজন আৰু সংগঠনত আশংকা যে আছে তাৰে প্ৰতিফলন ঘটিছে বুৰঞ্জীবিদ Dr H. K. Borpujari ৰ ভাষ্যত। তেখেতে কৈছে — The settlement of the Nepalese would not be a problem at all, but for the tenacity with which they held their language, culture and usages although they are in Assam for generations. Inter- marriage with the Nepalese is a rarity and never fail to refer Nepal as their mother country. Since the first annual conference of the Gurkha League, January 1946, they have been demanding that the Nepalese should be treated as indigenous people of Assam with all safeguards of a minority community. Movement leaders wanted the expulsion of the migrants of the 1966 on the ground of the fecundity of the Nepalese comparatively higher and that in future the fate of Assam will be the same as that of Darjeeling (hitherto partly Sikkimese and partly Bhutanese) Where there were few Nepalese, but now gone upto ninety per cent of the total population. The immigration of the Nepalese will of course not be a serious concern in case Indo-Nepalese treaty (clause 7) restricting immigration is revised for which negotiations are in progress in between the two governments (H.K. Borpujari, The Politics of Migration in Assam, The Assam Tribune, 4 January 1996). ড° বৰপূজাৰীৰ এনে আশংকা যে অমূলক আৰু অতিৰঞ্জিত তাৰ প্ৰমাণ এয়ে যে দুই কোটিতকৈ অধিক জনসংখ্যা থকা অসমত, লোকপিয়ল অনুসৰি মাত্ৰ চাৰি লাখতকৈ কিছু বেছি জনসংখ্যা হোৱা থলুৱা নেপালী জনগোষ্ঠীয়ে কিহৰ বলত দাৰ্জিলিং আৰু চিকিমৰ দৰে অসমত নিজকে আধিপত্যিক বা সংখ্যাগুৰু জন জনগোষ্ঠীক সংখ্যালঘু জনগোষ্ঠীলৈ ৰূপান্তৰিত চাৰিব পাৰিব? থলুৱা নেপালীলোকে নিজকে অসমৰ খিলঞ্জীয়া বুলি দাবী কৰিছে আৰু সংখ্যালঘু সম্প্ৰদায়ৰ বাবে যি কেতবোৰ সাংবিধানিক ৰক্ষাকবচ বিচাৰিছে সি কেতিয়াও সংমিশ্ৰিত অসমীয়া জাতিৰ স্বাৰ্থৰ পৰিপন্থী নহয়; বৰং ই পৰিপূৰকহে। তদ্ৰূপ নিজস্ব ভাষা, সংস্কৃতি আৰু ঐতিহ্য সংৰক্ষণ, সংকৰ্ষণ আৰু সংবৰ্ধন কৰাতো প্ৰত্যেক জনগোষ্ঠীৰ

সাংবিধানিক অধিকাৰ। কেৱল থলুৱা নেপালী জনগোষ্ঠীয়ে এনে কৰিলে ভাৰতীয় সংবিধান বিৰোধী বুলি ক'ব পাৰিনে? ডক্টৰ বৰপুজাৰীয়ে অভিযোগ কৰাৰ দৰে অসমৰ কোনো থলুৱা নেপালীয়ে নেপাল ৰাষ্ট্ৰক মাতৃভূমি বুলি পৰিচয় নিদিয়ে বৰং সাংগঠনিকভাৱেও নিজকে Children of Soil of Assam বুলিহে দাবী কৰে। যি কি নহওক, বাস্তৱতে কাচিৎহে বাতৰি কাকতত খবৰ ওলাই যে কেইজনমান নেপালী বিদেশী নাগৰিক পুলিচৰ হাতত ধৰা পৰিছে আৰু তেনেলোকক পুনৰ নিজ দেশলৈ ঘূৰাই পঠোৱা হৈছে। সেয়েহে সম্প্ৰতি অসমলৈ আঙুলি মূৰত লেখিব পৰা নেপালী নাগৰিকৰ প্ৰব্ৰজন হ'ব পাৰে যাক অবৈধ বাংলাদেশী নাগৰিক প্ৰব্ৰজনৰ লগত কোনোপধ্যে তুলনা কৰিব নোৱাৰি। এনে কাৰণতে নিশ্চয় সুদীৰ্ঘ ছবছৰীয়া বিদেশী বিতাড়ণ আন্দোলন (১৯৭৯-১৯৮৫) ৰ নেতৃবৃন্দই দিল্লীৰ চৰকাৰৰ লগত সম্পাদন কৰা ঐতিহাসিক অসম চুক্তিত নেপালীৰ বিষয়ে কোনো উল্লেখ কৰা দেখা নাযায়। তৎসত্বেও যদি অতি গুপ্তভাৱে দুই এজন বিদেশী নেপালী নাগৰিকে অসমলৈ অনুপ্ৰৱেশ কৰিছে তেন্তে 'অসম গান্ধী' বিষ্ণুলাল উপাধ্যায়দেৱে তেওঁলোকৰ বিষয়ে স্পষ্টভাৱে কৈছে এইদৰে — '১৯৭১ চনৰ ২৫ মাৰ্চৰ পিচত অসমলৈ আহি নাগৰিক (ভাৰতীয়) হ'বলৈ চেষ্টা কৰা লোকক বহিষ্কাৰৰ কামত নেপালীসকলে সহযোগ কৰিব' (দ্ৰষ্টব্য ঃ খিলঞ্জীয়াৰ সাংবিধানিক সুৰক্ষা আৰু ব্যক্তি প্ৰতিক্ৰিয়া, নতুন অসম ১৩ ছেপ্টেম্বৰ ১৯৯৯)। এনে প্ৰেক্ষাপটৰ ভিত্তিত ক'ব পাৰি যে অসমলৈ নেপালী প্ৰব্ৰজন এক অতীত ইতিহাস যিয়েই অসমীয়া জাতিৰ প্ৰতি কোনো প্ৰকাৰৰ ভাবুকিৰ সৃষ্টি কৰা নাছিল আৰু ভৱিষ্যতেও নকৰিব বৰং থলুৱা নেপালীলোকে সংমিশ্ৰিত অসমীয়া জাতি গঠন প্ৰক্ৰিয়াক বিভিন্ন অৱদানেৰে ত্বৰান্বিতহে কৰি আহিছে।

দৈনিক জনমভূমি, ২০ নৱেম্বৰ, ২০০০

ভাৰতীয় মিলিটেৰীত গোৰ্খা ফৌজ
এটি পশ্চাদৱলোকন

প্ৰতিবেশী ৰাষ্ট্ৰ নেপালৰ গোৰ্খা যুৱকসকলে ভাৰতীয় প্ৰতিৰক্ষা বাহিনীত ঐতিহাসিকভাৱে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি অহা কথা কোনো সচেতন ভাৰতীয় নাগৰিকৰ বাবে অবিদিত নহয়। ভাবিলে আচৰিত লাগে কি কাৰণেনো ভাৰতীয় সৈন্য বাহিনীত আজি অৱধি বিদেশী ৰাষ্ট্ৰ নেপালৰ গোৰ্খা (নেপালী আৰু গোৰ্খা শব্দদ্বয়ৰ মাজত যথাৰ্থতে কোনো পাৰ্থক্য নাই। গোৰ্খা নামৰ এখন ঠাই নেপালত আছে য'ৰ পৰা যুৱকসকল সৈন্য বাহিনীত ভৰ্তি হৈছিল তেওঁলোকে গোৰ্খা নামেৰে জনজাত। এতিয়া সমগ্ৰ নেপাল ৰাষ্ট্ৰৰ পৰাই অহা যুৱকসকলক মিলিটেৰী বাহিনীত 'গোৰ্খা' নামেৰে জনাজাত) যুৱকসকলক এক বিশেষ স্থান দিয়া হয়। আনকি সৈন্য বাহিনীত ভৰ্তিকৰণৰ সময়ত সকলো যুৱকৰ বাবে যি শাৰীৰিক যোগ্যতাৰ প্ৰয়োজন, গোৰ্খা যুৱকসকলৰ বেলিকা তাৰ কিছু নিয়ম শিথিল কৰি দিয়াৰ ব্যৱস্থা এতিয়াও বিদ্যমান। সম্প্ৰতি আমাৰ দেশ ভাৰতবৰ্ষত অভূতপূৰ্বভাৱে জনবিস্ফোৰণ হোৱা আৰু সাংবিধানিক আইনৰ দৃষ্টিত বিদেশী নাগৰিক হোৱা স্বত্বেও নেপালী নাগৰিক গোৰ্খা যুৱকসকলক ভাৰতীয় সৈন্য বাহিনীত ভৰ্তি কৰাৰ আনুষ্ঠানিক প্ৰক্ৰিয়া কি কাৰণেনো এতিয়াও অব্যাহত আছে তাৰ অন্তৰালত নিশ্চয় এক ঐতিহাসিক পটভূমি আছে। এনে পৰিপ্ৰেক্ষিতত ভাৰতীয় প্ৰতিৰক্ষা বাহিনীত গোৰ্খা যুৱক নিযুক্তিৰ ঐতিহাসিক পটভূমি আৰু ইয়াৰ প্ৰতিক্ৰিয়াৰ ওপৰত চমুকৈ আলোকপাত কৰাই হৈছে এই নিবন্ধটিৰ উদ্দেশ্য।

আমাৰ দেশ ঔপনিবেশিক শাসনৰ অধীনত থাকোতেই ভাৰতীয় সৈন্য বাহিনীত গোৰ্খা যুৱকসকলৰ ভৰ্তিৰ প্ৰক্ৰিয়াৰ সূত্ৰপাত হয়। প্ৰণিধানযোগ্য যে ১৮১৪ চনত ব্ৰিটিছ ভাৰত আৰু নেপালৰ মাজত এক ঐতিহাসিক যুদ্ধ সংঘটিত হয়। ভাৰতৰ ইতিহাসত এই যুদ্ধক এংলো গোৰ্খা যুদ্ধ (১৮১৪-১৮১৫) নামেৰে জনা যায়। এই যুদ্ধত নেপাল পৰাজিত হৈ মহাৰাজ বিক্ৰম শ্বাহ আৰু ইষ্ট ইণ্ডিয়া কোম্পানীৰ হৈ ১৮১৫ চনৰ ২ ডিচেম্বৰত এক চুক্তি সম্পাদিত হয় যাক চুগৌলী চুক্তি নামেৰে জনা যায়। এই চুগৌলী সন্ধি অনুসৰি নেপালে ভাৰতক নিজৰ কিছু ভৌগোলিক অংশ হস্তান্তৰ কৰিবলগীয়া হয়। ক্ষতিপূৰণ ৰূপে তদানীন্তন ব্ৰিটিছ ভাৰতে নেপালৰ পৰা লাভ কৰা সীমান্তমুৰীয়া এলেকাসমূহ হ'ল চিকিম (বৰ্তমানৰ দাৰ্জিলিং জিলাসহ) চিমলা, নৈনিতাল, কুমাওন,

গড়বাল আদি। কালক্ৰমত উক্ত এলেকাৰ নেপালী নাগৰিকসকল ভাৰতীয় হৈ পৰে আৰু এতিয়াও এই ভূখণ্ডবোৰ ভাৰতৰ অবিচ্ছেদ্য অংগ। যেই কি নহওক, মন কৰিবলগীয়া কথা এয়ে যে এংলো- গোৰ্খা যুদ্ধত পুৰণি আৰু পৰম্পৰাগত অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত মাত্ৰ ২৬,০০০ নেপালী সৈন্যই উন্নত অস্ত্ৰ-শস্ত্ৰেৰে সজ্জিত ৪৬,৬২৯ গৰাকী সৈন্যৰে গঠিত বিশাল ব্ৰিটিছ বাহিনীৰ বিৰুদ্ধে যুদ্ধ কৰি অৱশেষত গোৰ্খাসকল পৰাজিত হ'লেও যুদ্ধকালত তেওঁলোকৰ অদম্য সাহস, অসীম ধৈৰ্য, বিপুল ত্যাগ আৰু অদ্বিতীয় দেশ প্ৰেম প্ৰত্যক্ষ কৰি ব্ৰিটিছ কৰ্ণেল ডেভিদ অক্টাৰলনিয়ে মন্তব্য কৰিবলৈ এক প্ৰকাৰে বাধ্য হৈছিল এইবুলি যে — We have met with an army who showed decidedly greater bravery and greater steadiness than our troops. (দ্ৰষ্টব্য ঃ Purushottam Banskota : The Gurkha Connection : A History of the Gurkha Recruitment in the British Indian Army, Jaipur, 1994, p.23) ফলত গোৰ্খা ফৌজৰ এনে সৎ গুণবোৰৰ দ্বাৰা আকৰ্ষিত আৰু প্ৰভাবান্বিত হৈ ইংৰাজ সেনাপতিয়ে এংলো গোৰ্খা যুদ্ধৰ পাচতেই গোৰ্খা যুৱকসকলক ভাৰতীয় সৈন্য বাহিনীত ভৰ্তি কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰে। গোৰ্খা যুৱকসকলক সৈন্য বাহিনীৰ চাকৰিৰ প্ৰতি আকৰ্ষিতে কৰাৰ উদ্দেশ্যে নেপাল চৰকাৰে দিয়া দৰমহাতকৈ অধিক দৰমহা আৰু আনুষংগিক সা-সুবিধা ঔপনিবেশিক ভাৰত চৰকাৰে দিবলৈ ধৰিলে। তদুপৰি গোৰ্খা যুৱকসকলে নেপালৰ ৰাজধানী আৰু অন্যান্য চহৰলৈ গৈ নেপালী সৈন্য বাহিনীত ভৰ্তি হ'বলৈ যিমান কষ্ট কৰিবলগীয়া হৈছিল; ভাৰতৰ ক্ষেত্ৰত কেবল সীমামূৰীয়া এলেকালৈ আহিলেই দেশৰ যিকোনো ৰেল গাড়ীত উঠি নিয়োগ কেন্দ্ৰলৈ সহজতে যোৱাৰ সুবিধা থকা হেতুকে গোৰ্খা যুৱকসকলে ভাৰতীয় সৈন্য বাহিনীত যোগদান কৰিবলৈ বেছি ভাল পালে। মুঠতে, গোৰ্খা ফৌজৰ অদম্য সাহস আৰু গভীৰ বিশ্বাসযোগ্যতাই ব্ৰিটিছৰ মনত গভীৰ ৰেখাপাত কৰে আৰু কালক্ৰমত ইয়েই এক যুগান্তকাৰী ইতিহাস ৰচনা কৰে। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে ভাৰতত ঔপনিবেশিক শাসন কালৰ পূৰ্বতেও গোৰ্খা ফৌজ আছিল বুলি কোৱা হয়, বিশেষকৈ পঞ্জাবৰ ৰণজিৎ সিংহৰ নেতৃত্বাধীন শিখ সৈন্য বাহিনীত। একেদৰে খেলাৎৰ খানৰ দেহৰক্ষী গোৰ্খা বাহিনী আছিল বুলি জনা যায়। এই প্ৰসংগত Kanchanmoy Mazumdar য়ে কৈছে যে Even earlier the Gurkhas had taken service under foreign rules, for example, there was a Gurkha corps in the Sikh army under Ranjit Singh and another in the army of Shah Shuja, the exiled Amir of Afganistan. The Khan of Khelat had a corps of Gurkha bodyguards. (দ্ৰষ্টব্য ঃ

Kanchanmoy Mazumdar : Nepal and Indian National Movement, Calcutta, 1995, p12)। অৱশ্যে এংলো গোৰ্খা যুদ্ধৰ পাচৰ পৰাই অনিয়মিত আৰু অনানুষ্ঠানিকভাৱে গোৰ্খা যুৱকসকলক ভাৰতীয় প্ৰতিৰক্ষা বাহিনীত ভৰ্তি কৰা হৈছিল। অৰ্থাৎ নেপাল ৰাজ দৰবাৰৰ বিনা অনুমতিত গুপ্তভাৱে গোৰ্খা যুৱকক এনে কামত ভৰ্তি কৰা হৈছিল আৰু কোনো গোৰ্খা ফৌজে ছুটিত নেপালস্থিত নিজৰ ঘৰলৈ গ'লে ভাই-ককাই, ভাগিন-ভতিজাবোৰক ঘূৰি আহোঁতে লগত লৈ আনিবলৈ আহ্বান কৰিছিল যাতে সহজতে গোৰ্খা যুৱকক ভাৰতীয় মিলিটেৰী বাহিনীত ভৰ্তি কৰিব পৰা যায়। অৱশ্যে এনেকৈ গুপ্তভাৱে গোৰ্খা যুৱকক ভাৰতীয় মিলিটেৰী বাহিনীত ভৰ্তি কৰোৱা কাৰ্যত নেপালৰ স্বেচ্ছাচাৰী ৰাণা শাসক গোষ্ঠী অসন্তুষ্ট হৈছিল, বিশেষকৈ জং বাহাদুৰ ৰাণা (১৮৪৬-১৮৭৭)। আনকি জংগ বাহাদুৰ ৰাণাই নেপালৰ গোৰ্খা যুৱকসকলক ভাৰতীয় সৈন্য বাহিনীত ভৰ্তি হোৱাৰ ক্ষেত্ৰত কঠোৰ বাধা নিষেধ পৰ্যন্ত আৰোপ কৰিছিল আৰু এই প্ৰসংগত কৈছিল যে — A single Gurkha Sipahee in the British Service to enter Nepal until he had first taken discharge. (দ্ৰষ্টব্য ঃ Purushottam Banskota : The Gurkha Connection পূৰ্বোক্ত পৃঃ ৫৪)। এনে বাধা নিষেধে এটা সময়ত এনে চূড়ান্ত ৰূপ লৈছিল যে গোৰ্খা যুৱকে ভাৰতীয় সৈন্য বাহিনীত যোগদান কৰা মানে কঠোৰ শাস্তিৰ সন্মুখীন হোৱাৰ পুৰা মাত্ৰাই সংশয় আছিল। এই সন্দৰ্ভত নেপালৰ ৰাজ দৰবাৰে গৃহীত কৰা জাননী এনেধৰণৰ আছিল — Any person who is detected in an attempt to leave the country for this purpose (recruitment in Indian army) will be imprisoned and that the goods, house and lands of any persons so enlisting will be confiscated. Any persons who on their return to Nepalese territory are suspected to having served in a Brirish regiment will be severely dealt with. (দ্ৰষ্টব্য ঃ Purushottam Banskota. ঐ পৃঃ ৬৫)। প্ৰকৃতাৰ্থত তদানীন্তন নেপালৰ স্বেচ্ছাচাৰী ৰাণা শাসকবৰ্গ শংকিত হৈছিল যে ভাৰতীয় সৈন্য বাহিনীত যোগদান কৰা গোৰ্খা যুৱকসকলে ব্ৰিটিছৰ দ্বাৰা প্ৰভাৱান্বিত হৈ নেপালৰ বংশানুক্ৰমিক স্বেচ্ছাচাৰী শাসনৰ বিৰুদ্ধে ষড়যন্ত্ৰৰ পৰিকল্পনা কৰিব পাৰে। তদুপৰি গোৰ্খা যুৱকসকলৰ বহিঃ প্ৰব্ৰজনে পৰ্বতীয়া দেশ নেপালৰ মানৱ সম্পদৰ অভাৱ সৃষ্টি কৰিব পাৰে বুলি দোহাই দি ৰাণা শাসকবৰ্গই ভাৰতীয় প্ৰতিৰক্ষা বাহিনীত গোৰ্খা যুৱকৰ অনানুষ্ঠানিক যোগদানত সময়ে সময়ে বাধা নিষেধ জাপি দিয়ে। অৱশ্যে এনে নিষেধাজ্ঞাই স্থায়িত্ব লাভ কৰিব পৰা নাছিল, বিশেষকৈ ১৮৫০ চনত জংগ বাহাদুৰ ৰাণাই ইংলণ্ড ভ্ৰমণ কৰি অহাৰ পাচত

গোৰ্খা নিযুক্তিৰ প্ৰক্ৰিয়া ত্বৰান্বিতহে কৰাৰ হেতুকে পূৰ্বে আৰোপ কৰা সকলো প্ৰকাৰৰ নিষেধাজ্ঞা উঠাই দিয়া হয়। উল্লেখযোগ্য যে এনে কাৰণতে ১৮৫৭ চনত সংঘটিত হোৱা ভাৰতৰ চিপাহী বিদ্ৰোহ দমন কৰিবৰ বাবে জংগ বাহাদুৰ ৰাণাই নিজৰ নেতৃত্বতে ৯,০০০ গোৰ্খা সৈন্যসহ ভাৰতত প্ৰবেশ কৰিছিল। ঔপনিবেশিক শাসকৰ সংকট কালত ন হেজাৰ গোৰ্খা চিপাহীৰে জংগ বাহাদুৰ ৰাণাই যি অভূতপূৰ্ব সহায় ব্ৰিটিছ-ভাৰতৰ প্ৰতি আগবঢ়ালে তাৰ কৃতজ্ঞতাৰ চিনস্বৰূপে ১৮১৫ চনৰ চুগৌলী সন্ধিৰ বলত পোৱা ভূখণ্ডৰ কিছু অংশ নেপালক পুনৰ চমজাই দিয়ে। প্ৰকৃততে, নেপালত ৰাণা শাসন কটকটীয়া আৰু যাউতিযুগীয়া কৰাৰ উদ্দেশ্যৰে ব্ৰিটিছৰ পৰা যি আশ্বাস জংগ বাহাদুৰ ৰাণাই লাভ কৰিছিল তাৰ প্ৰতিফলনৰূপে চিপাহী বিদ্ৰোহত সৈন্য-সামন্ত দি সহায় কৰাই নহয় তাৰ পৰৱৰ্তী কালত তেওঁৰে প্ৰেৰণা আৰু উদ্যোগত গোৰ্খা যুৱকসকলে ইমান অধিক হাৰত ভাৰতীয় সৈন্য বাহিনীত যোগদান কৰিবলৈ আৰম্ভ কৰিলে যে নেপাল ৰাষ্ট্ৰৰ এনেকুৱা এখন গাঁও বাকী নাথাকিল য'ৰ পৰা এজনো গোৰ্খা যুৱক ভাৰতীয় ফৌজ বাহিনীত ভৰ্তি হোৱা নাই। সেয়েহে Purushottam Banskotaই কৈছে যে Since 1815 thousands of Gurkhas had served in the British army. There was, in fact, no Nepalese village from where men had not gone to India for enlistment. (দ্ৰষ্টব্য ঃ Purushottam Banskota. ঐ পৃঃ ১৬৫)। কাৰণ নেপাল এখন দৰিদ্ৰ পাহাৰীয়া দেশ য'ত গোৰ্খা যুৱকসকলে সংস্থাপনৰ কোনো উৎস নোহোৱা হেতুকে ভাৰতলৈ আহি সৈন্য বাহিনীত ভৰ্তি হ'বলৈ এক প্ৰকাৰে বাধ্য আৰু আনন্দিত হৈছিল। পাৰিশ্ৰমিকৰূপে গোৰ্খা যুৱকসকলে যিখিনি টকা-পইচা পায় তাৰে এটা অংশ নেপাল চৰকাৰক কৰ হিচাপত দি ব্যক্তিগত অৰ্থনৈতিক উন্নতিৰ লগতে ৰাষ্ট্ৰৰ ৰাজ ভঁৰালো টনকিয়াল কৰাত সহায় কৰিছিল। লগতে নেপাল চৰকাৰৰ ক্ৰমবৰ্ধমান নিবনুৱা সমস্যা সমাধানত ভাৰতীয় সৈন্য বাহিনীত গোৰ্খা যুৱকসকলৰ ভৰ্তিকৰণে এক ইতিবাচক ভূমিকা লৈছিল। সম্ভৱত এনে কাৰণতে নেপালৰ তদানীন্তন ৰাণা প্ৰধান মন্ত্ৰী ৰানোদীপ সিঙে ১৮৮৫ চনৰ ২৪ আগষ্টত স্বাক্ষৰ কৰা ৰাজকীয় অনুমতি দলিলৰ সংক্ষিপ্ত ভাষ্য এনেধৰণৰ — Whereas the British Government wishes to obtain the subjects of the Nepalese Government as recruits for service in the British Government hereby notifies that if you (i.e. the Nepalese subjects) wish to enlist in the British army you should present yourself to the nearest Nepalese officer from whom you will learn all particulars as to the terms of pay, service and pension

etc. There is full permission from my government to enlist in the British service and there is no restriction whatever about it. The Nepalese government will be pleased with those who go to enlist. The persons going to enlist should present themselves to the British recruiting agents on the frontier (দ্ৰষ্টব্য ঃ Purushottam Banskota ঐ পৃঃ ১৯০)। অনুৰূপধৰণে নেপালী প্ৰধানমন্ত্ৰীয়ে ১৮৮৮ চনৰ ২১ জুনত ব্ৰিটিছ্ ভাৰত চৰকাৰলৈ প্ৰেৰণ কৰা পত্ৰৰ সাৰাংশ এনে ধৰণৰ — The British Government wishes to have Nepalese recruit for British regiments. British government is our friend. Therefore we issue this notification, that if you wish to enlist in British regiments we give you full permission to go and take British service. There is no prohibition whatever. We shall not be displeased with them. See those served there and gained military talents have on their return here been so lucky as to have been raised containship here, and in future also deserving people will be given such posts. This order is issued with the view that many good people may go and return after qualifying them selves in military talents and thus render benefit to their other countrymen and that they may after doing full service gain pension. Therefore go to the British recruiting agents on the frontier (পূৰ্বোক্ত ঐ পৃঃ ১৯১)। নেপালৰ গোৰ্খা যুৱক আৰু চৰকাৰৰ এনে দুৰ্বলতাৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰি ব্ৰিটিছ্ ভাৰত চৰকাৰে ১৮৮৫ চনৰ ২৪ আগষ্টত ভাৰতীয় গোৰ্খা যুৱকসকলক ভাৰতীয় সৈন্য বাহিনীত ভৰ্তি কৰিবৰ বাবে নেপাল ৰাজ দৰবাৰৰ পৰা ৰাজকীয় অনুমতি লাভ কৰে। আনকি এনে উদ্দেশ্য পূৰণাৰ্থে ভাৰত চৰকাৰে এক অভিনৱ পদ্ধতিৰে ভাৰতৰ গাতে লাগি থকা এখন নেপালী গাঁও ক্ৰয় কৰি লয়। এই সন্দৰ্ভত বিদেশী লেখক Byron Farwell যে কৈছে — In 1885 the Government purchased a 'Goorkha village' which was close to the railway station and was capable of accommodating serveral hundred recruits. (দ্ৰষ্টব্য ঃ Byron Farwell : The Gurkhas, England, 1984, p 74) তদুপৰি ১৮৮৬ চনত উত্তৰ প্ৰদেশৰ গোৰখপুৰত এটা নিয়োগ ডিপো মুকলি কৰি গোৰ্খা যুৱকক ভাৰতীয় সেনা বাহিনীত ভৰ্তি কৰাৰ প্ৰক্ৰিয়া অধিক ত্বৰান্বিত কৰি তোলে। প্ৰসংগক্ৰমে ক'ব

লাগিব যে ভাৰতবৰ্ষ তথা অসমলৈ নেপালী প্ৰব্ৰজন আৰু কালক্ৰমত তেওঁলোকৰ জনসংখ্যা বৃদ্ধিৰ অন্যতম কাৰণ গোৰ্খা ফৌজৰ ভাৰতীয় মিলিটেৰী বাহিনীত বৃহৎ সংখ্যাত যোগদান। কিয়নো ব্ৰিটিছ ভাৰত চৰকাৰে সামৰিক বাহিনীৰ পৰা অৱসৰ পোৱা গোৰ্খা সৈন্যসকলক ভাৰতৰ যিকোনো ঠাইত স্থায়ীভাৱে বসবাস কৰিবলৈ উদগণি দিছিল যাতে অনাগত দিনত গোৰ্খা ফৌজৰ বাবে নেপাল দেশৰ ওপৰত নিৰ্ভৰ কৰিব লগীয়াত নপৰে। এনে কাৰণতে প্ৰথম বিশ্ব যুদ্ধ (১৯১৪-১৯১৯)ৰ পাচত অৱসৰ লোৱা ১০,৯৩২ গৰাকী গোৰ্খা ফৌজৰ ৩,৮৩৮ গৰাকী মাতৃভূমি নেপাললৈ প্ৰত্যাবৰ্তন কৰিলে আৰু বাকীখিনি ভাৰততে স্থায়ীভাৱে বসবাস কৰি থাকিবলৈ ল'লে। (দ্ৰষ্টব্য ঃ Purushottam Banskota ঐ পৃঃ ১৫৫)। অসমতো এনে প্ৰাক্তন গোৰ্খা ফৌজীসকলে স্থায়ীভাৱে বসবাস কৰিবলৈ লয় বুলি জনা যায়।শদিয়া মহকুমাৰ অন্তৰ্গত প্ৰাক্তন গোৰ্খা বাহিনীৰে গঠিত এখন গাঁও আছে। এনে কাৰণতে চাগে পৰৱৰ্তী কালত তেওঁলোকৰ অঙহী-বঙহী নেপালৰ পৰা অসমলৈ অবৈধভাৱে প্ৰব্ৰজন হৈছিল বুলি অভিযোগ উত্থাপিত হোৱা দেখা যায়। (দ্ৰষ্টব্য ঃ A C Bhuyan & SP De: Political History of Assam 1940-47. Volume III, Gauhati, 1980, p 318)

সি যি কি নহওঁক, এইখিনিতে উল্লেখ কৰা প্ৰাসংগিক হ'ব যে ১৮৫৭ চনত সংঘটিত ভাৰতৰ চিপাহী বিদ্ৰোহৰ আগলৈকে ব্ৰিটিছ ভাৰতীয় সৈন্য বাহিনীত অনানুষ্ঠানিকভাৱে নেপালৰ সকলো যুৱকক অৰ্থাৎ উপ-সম্প্ৰদায় নিৰ্বিশেষে ভৰ্তি কৰা হৈছিল। কিন্তু চিপাহী বিদ্ৰোহৰ পৰৱৰ্তী কালত কেৱল তিব্বত-মংগোলীয় গোষ্ঠীৰ অন্তৰ্ভুক্ত 'মগৰ আৰু গুৰুং' গোৰ্খা যুৱকসকলক ভাৰতীয় সৈন্য বাহিনীত ভৰ্তি কৰোৱাৰ সিদ্ধান্ত লয়। ভাৰত চৰকাৰে আৰু অন্যান্য গোৰ্খা যুৱকক নিয়োগৰ বেলিকাও কাচিৎহে বিবেচনা কৰা হৈছিল। উচ্চ বৰ্ণহিন্দুৰ গোৰ্খা যুৱকক ভাৰতীয় সৈন্য বাহিনীত নিয়োগ কৰা প্ৰক্ৰিয়াৰ পৰা সম্পূৰ্ণৰূপে আঁতৰ কৰি ৰাখিবৰ ব্যৱস্থা কৰা হয় বোধকৰো যাতে ভৱিষ্যতে উক্ত গোষ্ঠীৰ নেতৃত্বত কোনো ধৰণৰ চিপাহী বিদ্ৰোহে দেখা নিদিয়ে। সেয়েহে ১৮৮৬ চনৰ ফেব্ৰুৱাৰী মাহত নেপাল ৰাজ দৰবাৰে বাছনি কৰি ভাৰতীয় সৈন্য বাহিনীত যোগদান কৰিবলৈ যোগান ধৰা গোৰ্খা যুৱকৰ সংক্ৰান্তত বৃটিছ Colonel Barkley য়ে নেপালী শাসকবৰ্গলৈ লিখিলে যে Please donot send any more of following as I have enlisted too many already, and donot want any more Khattries, Adhikari, Chettries. Taure Adhikari Chettries, Tiwari, Bunia in fact the fewer Chettries of all sorts the better. (দ্ৰষ্টব্য ঃ Purushottam Banskota. পূৰ্বোক্ত পৃঃ ৯৬)। তদ্ৰূপ

গোৰ্খা ফৌজ নিয়োগকাৰী দলবোৰক পৰামৰ্শ দিয়া হৈছিল যে The percentage of the castes of recruits, as the teams were told, should be Magars and Gurungs eighty per cent, Khas ten per cent and Thakuri ten per cent (Purushottam Banskota পূৰ্বোক্ত পৃঃ ৭৩)। তদুপৰি এইটো উল্লেখ্য যে Once the required number of recruits was obtained within a short time, the recruiting officers started rejecting the Nepal Durbar recruits mostly on the ground of caste. They wanted none but Magars and Gurungs (পূৰ্বোক্ত, পৃঃ ৯৩)। ইয়াৰ পৰাই এইটো স্পষ্ট যে সহজ-সৰল, গভীৰ বিশ্বাসী, অদম্য সাহসী আৰু কষ্ট সহিষ্ণু অবিদ্ৰোহী মংগোলীয় গোষ্ঠীৰ মগৰ আৰু গুৰুং সম্প্ৰদায়ৰ গোৰ্খা যুৱকক এই ক্ষেত্ৰত আটাইতকৈ বেছি প্ৰাধান্য দিয়া হৈছিল যাতে ঔপনিবেশিক শাসনক চিৰস্থায়ী কৰিব পৰা যায়। কিন্তু প্ৰথম বিশ্ব যুদ্ধৰ কালছোৱাত অধিক সৈন্য বাহিনীৰ চাহিদা পূৰণাৰ্থে 'মগৰ আৰু গুৰুং' উপ-সম্প্ৰদায়ৰ বাহিৰেও ৰাই. লিম্বু, ছেত্ৰী, নেৱাৰ, ভূজেল, সোণাৰ, দমাই, তামাং উপাধিযুক্ত সকলো গোৰ্খা যুৱককে ভাৰতীয় সৈন্য বাহিনীত ভৰ্তি কৰোৱা হৈছিল। এইদৰে প্ৰথম বিশ্ব যুদ্ধত মুঠ ২,০০,০০০ গোৰ্খা যুৱকে ব্ৰিটিছ ভাৰতৰ হৈ সৈন্য বাহিনীত যোগদান কৰি ২০,০০০ জনে জীৱন আহুতি দিলে বিশ্বত গণতন্ত্ৰ জীয়াই ৰখাৰ হেতুকে (দ্ৰষ্টব্য ঃ Byron Farwell, the Gurkhas, England পূৰ্বোক্ত p 85)। একেদৰেই দ্বিতীয় বিশ্ব যুদ্ধতো নেপালৰ প্ৰধান মন্ত্ৰী শ্যামশ্বেৰ ৰাণাই ১,১০,০০০ গোৰ্খা ভাৰতলৈ যোগান ধৰে বুলি লিখিত তথ্যৰ পৰা জনা গৈছে। প্ৰথম আৰু দ্বিতীয় বিশ্ব যুদ্ধ দুয়োটাতে মিলাই ৪৫,০০০ জন গোৰ্খা সৈন্যই জীৱন উছৰ্গা কৰে (দ্ৰষ্টব্য ঃ Purushottam Banskota, পূৰ্বোক্ত পৃঃ ১৩৮)।

পূৰ্বতে উল্লেখ কৰা হৈছে যে গোৰ্খা যুৱক সকলৰ কিছুমান অতুলনীয় গুণৰ প্ৰতি মুগ্ধ হৈ ব্ৰিটিছ ভাৰত চৰকাৰে নিজৰ সৈন্য বাহিনীত ভৰ্তি কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰে। কালক্ৰমত ব্ৰিটিছসকলে গোৰ্খা সৈনিকৰ ওপৰত ইমানেই গুৰুত্ব দিলে যে ১৯৬১ চনৰে পৰা কেৱল গোৰ্খা সৈনিকক লৈ সৰ্বমুঠ ১০ টা গোৰ্খা ৰেজিমেণ্ট গঠন কৰে আৰু নেপালী 'খুকুৰী' (এবিধ ধেনুভিৰীয়া অস্ত্ৰ যাক নেপালী জনগোষ্ঠীৰ 'জাতীয় প্ৰতীক' বুলি জনা যায়)ক ভাৰত চৰকাৰে ১৮৬৫ চনত গোৰ্খা সৈন্য বাহিনীয়ে পিন্ধা টুপীত প্ৰতীক হিচাপে স্বীকৃতি প্ৰদান কৰে। স্বাধীন ভাৰত চৰকাৰে আৰু এটা গোৰ্খা ৰেজিমেণ্ট খুলি মুঠ ১১ টালৈ উন্নীত কৰে। দেশ স্বাধীন হোৱাৰ পাচত ব্ৰিটিছ শাসকে দ্বিতীয়, ষষ্ঠ, সপ্তম আৰু দশম গোৰ্খা ৰেজিমেণ্ট ইংলেণ্ডলৈ লৈ যায়। বাকী ৭ টা গোৰ্খা ৰেজিমেণ্ট স্বাধীন ভাৰত চৰকাৰৰ হাতত এৰি থৈ যায়। অৱশ্যে ভাৰতীয় সৈন্য

বাহিনী বিভাগতো কোনো নতুন গোৰ্খা ৰেজিমেণ্ট খোলা নহ'ব বুলি ১৯৮৭ চনতেই তদানীন্তন ভাৰত চৰকাৰৰ গৃহমন্ত্ৰী বুটা সিঙে কয় যে The original Gurkha Regiment would continue to function and no fresh Gurkha Regiment eould be formed (Amrita Bazar Patrika 30 April 1987) অৰ্থাৎ ভাৰতীয় সামৰিক বাহিনীত ভৰ্ত্তি হ'বলৈ নেপালৰ গোৰ্খা যুৱকৰ ভাৰতলৈ আহিবলৈ বাধা নাই কিন্তু গোৰ্খা ৰেজিমেণ্টত নহয়। সংখ্যাৰ হিচাপত সৰ্বমুঠ ১৫,০০০ গোৰ্খা সৈনিক আৰু বিষয়াৰ ভিতৰত ব্ৰিটিছ চৰকাৰে ৫,০০০ জনক নিজৰ দেশলৈ লৈ যায়। বাকী ১০,০০০ গোৰ্খা সৈনিকক ভাৰত চৰকাৰৰ হাতত গতাই থৈ যায়। তদুপৰি A tripartite agreement concluded by the three governments-British, India and Nepal in Kathmandu on 9 November 1947 has made arrangments for the continued recruitment of the Nepalese into their armies (See Lok Raj Baral : Nepali Migration to India : Nature, Pattern and Consequences appeared in Ramakant & B.C. Upreti : India and Nepal : Aspects of Interdependent Relations, Delhi, 2001, p 66) অৱশ্যে ১৮১৫ চনৰ চুগৌলী চুক্তিক বাতিল কৰি Treaty of Peace and Friendship, 1950 নামেৰে আন এখন চুক্তি ভাৰত আৰু নেপাল চৰকাৰদ্বয়ে স্বাক্ষৰিত কৰে আৰু আগৰ দৰেই নেপালৰ গোৰ্খা যুৱকসকলে বিনা বাধাই ভাৰতৰ যিকোনো ঠাইত প্ৰৱেশ কৰি ভাৰতীয় সৈন্য বাহিনীকে আদি কৰি অন্যান্য অসামৰিক ক্ষেত্ৰতো যোগদান কৰিব পৰা ব্যৱস্থা বাহালে ৰাখে। ফলস্বৰূপে হাজাৰ হাজাৰ গোৰ্খা যুৱকে পাহাৰীয়া দেশ নেপালত নিজৰ পৰিয়ালবৰ্গ আৰু অঙহী-বঙহীক এৰি থৈ ভাৰতৰ সাৰ্বভৌমত্ব আৰু ভৌগোলিক অখণ্ডতাৰ বাবে নিজৰ কেঁচা তেজ বোৱাইছিল আৰু অদ্যাপি বোৱাই আছে। কোনোবাই পুনৰ নিজৰ পৰিয়ালবৰ্গৰ ওচৰলৈ ঘূৰি গৈছে আৰু কোনোবাই অজান মুলুক ভাৰত ভূমিতেই শেষ নিশ্বাস ত্যাগ কৰিছে। এইদৰে নেপালৰ দৰিদ্ৰ, নিপীড়িত আৰু বঞ্চিত নেপালী পৰিয়াল বৰ্গৰ গোৰ্খা যুৱকসকলে জীয়াই থকাৰ তাড়নাত সংস্থাপন বিচাৰি ভাৰতীয় সৈন্য বাহিনীত যোগদান কৰি নিজকে বলিদান দিছে — ই অনস্বীকাৰ্য্য। লগতে এইটোও সত্য যে নেপাল ৰাষ্ট্ৰত উদ্ভৱ হ'ব পৰা ভয়ংকৰ নিবনুৱা সমস্যা ভাৰতীয় সৈন্য বাহিনীত গোৰ্খা যুৱকৰ নিযুক্তিয়ে অভূতপূৰ্বভাৱে লাঘৱ কৰিছে আৰু এইদৰে নেপাল চৰকাৰক যথেষ্ট সকাহ দি আহিছে। এই সন্দৰ্ভত উল্লেখ্য যে — The pensions paid by the British Government in India to retired Gurkha soldiers provided sustenance to the Nepalese economy

and the military training of these men in India was gainfully utilised by the Rana government (of Nepal) to increase the efficiency of the Nepalese State Army. In 1935, The British envoy at Kathmandu reported that every year fifty lakhs of rupees were paid to the Gurkha soldiers in India as their salary, of which a large amount used to be remitted to their relatives at house (Kanchanmoy Mazumdar; Nepal and the Indian Nationalist Movement, Calcutta, 1975 পৃষ্ঠা ১২-১৩)। এনেবোৰ কাৰণতে চাগে ভাৰতেও নেপালক এখন লাভবান ঔপনিবেশিক বজাৰ আৰু নেপালেও ভাৰতক কৰ্ম সংস্থাপনৰ এক উৰ্বৰ ভূমি বুলি গণ্য কৰাৰ উপৰিও চীন আৰু ভাৰতৰ মাজত bufferzone নেপালক হিচাপে ব্যৱহাৰ কৰা দেখা যায়। সেয়েহে নেপাল ৰাষ্ট্ৰও ঐতিহাসিকভাৱে বিভিন্ন দিশত ভাৰতৰ ওচৰত সৰু ভাইৰ দৰে থাকিব লগীয়া হৈছে। যথাৰ্থতে ভাৰতীয় সৈন্য বাহিনীত গোৰ্খা যুৱকৰ নিযুক্তি প্ৰক্ৰিয়াই ভাৰত আৰু নেপাল উভয় দেশৰ মাজৰ সু-সম্পৰ্ক নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত এক ঐতিহাসিক ভূমিকা পালন কৰি আহিছে।

দৈনিক জনমভূমি, ২১ অক্টোবৰ, ২০০০

স্বাধীনতা সংগ্ৰামত থলুৱা নেপালী

যুগান্তকাৰী ইয়াণ্ডাবু সন্ধি (১৮২৬)ৰ ফলস্বৰূপে অসম ব্ৰিটিছ ভাৰতৰ লগত চামিল হোৱাত ঔপনিবেশিক স্বাৰ্থৰ সুবিধাৰ্থে ইংৰাজে দেশৰ অন্যান্য প্ৰদেশৰ পৰা মানুহ আমদানি কৰাৰ লগতে প্ৰতিবেশী ৰাষ্ট্ৰৰ পৰাও নিজৰ পৃষ্ঠপোষকতাতে অসমলৈ লোক প্ৰব্ৰজন ঘটাইছিল। ভাষা, সংস্কৃতি আৰু ধৰ্ম-ঐতিহ্যৰ ভিন্নতা স্বত্বেও কেইবা পুৰুষৰ অন্তত প্ৰব্ৰজিত হোৱা এই মানুহবিলাক অসমৰ থলুৱা লোক হৈ পৰাতো এক স্বাভাৱিক পৰিঘটনা। ঔপনিবেশিক শাসকৰ অবৰ্ণনীয় শোষণ, অত্যাচাৰ, প্ৰবঞ্চনাৰ দ্বাৰা অতিষ্ঠ হৈ আৰম্ভণিতে প্ৰভুভক্ত হোৱা এই মানুহবিলাকে কিন্তু মুক্তি সংগ্ৰামৰ অগ্ৰগতিৰ লগে লগে ইংৰাজ শাসনৰ বিৰুদ্ধে প্ৰবলভাবে প্ৰতিবাদ কৰি স্বাধীনতা আন্দোলনত জপিয়াই অশেষ ত্যাগ কৰাৰ প্ৰমাণ ইতিহাসৰ পাতত জিলিকি আছে। এই লোকসকল ব্ৰিটিছ বিৰোধী হোৱাতো উল্লেখিত কাৰণৰ উপৰিও অন্য কাৰণ নিঃ সন্দেহে এয়ে যে অসমৰ অন্ন-বায়ু, জল সেৱনেৰে শৰীৰ-মনৰ পুষ্টিসাধন আৰু থলুৱা ভাষা-সংস্কৃতিৰ লগত আদান-প্ৰদানৰ জৰিয়তে স্বতঃস্ফূৰ্তভাৱে বৃহত্তৰ অসমীয়া সমাজৰ এক অবিচ্ছেদ্য অংগ বুলি হৃদয়ংগম কৰা। তদুপৰি পূৰ্বৰ পিতৃ-পুৰুষৰ স্থানলৈ প্ৰত্যাৱৰ্তন কৰাৰ প্ৰৱণতা মনৰ পৰা সমূলঞ্চে নাইকিয়া কৰাতোও অন্যতম কাৰণ। এনে মানুহবিলাকৰ ভিতৰত অসম তথা ভাৰতৰ সৈতে ভৌগোলিকভাৱে সংযুক্ত হৈ থকা প্ৰতিবেশী ৰাষ্ট্ৰ নেপালৰ পৰাও ইতিহাসৰ বিভিন্ন স্তৰত ইংৰাজ চৰকাৰৰ পৃষ্ঠপোষকতাকে আদি কৰি ভিন্ ভিন্ আনুষঙ্গিক কাৰণত অসমলৈ নেপালীলোকৰ প্ৰব্ৰজন ঘটিছিল। কালক্ৰমত আন প্ৰব্ৰজিত লোকৰ দৰেই উল্লিখিত কাৰণত নেপালী লোকেও ভাবিব পৰা হ'ল যে অসম তথা ভাৰতত যিমান দিনলৈকে ব্ৰিটিছসকল থাকিব সিমান দিনলৈকে সমগ্ৰ জনসাধাৰণৰ লগতে তেওঁলোকৰো সামগ্ৰিক বিকাশ অসম্ভৱ। লগতে নেপালীসকলৰ কেইবা পুৰুষ অসমতে স্থায়ীভাৱে বসবাস কৰি থাকোতে থলুৱ পৰিবেশৰ লগত ইমানেই ওতপ্ৰোতভাৱে জড়িত হৈ পৰে যে আদি পুৰুষৰ গৃহলৈ ঘূৰি যোৱাৰ কথা চিন্তা কৰিবই নোৱাৰিলে। প্ৰকৃতাৰ্থত স্বতঃস্ফূৰ্ত একীকৰণৰ প্ৰক্ৰিয়াৰ ফলতে নেপালীসকলো অসমৰ থলুৱা লোক হৈ পৰে। সেয়েহে স্বাধীনতা সংগ্ৰামকে ধৰি অসমৰ প্ৰতিটো জাতীয় সংকটত নেপালীলোকে সক্ৰিয়ভাৱে যোগদান কৰি অকৃত্ৰিম

দেশপ্ৰেম আৰু নিৰ্ভেজাল জাতীয়তাবাদৰ পৰিচয় দি আহিছে। সেয়েহে এই নিবন্ধটিত কেৱল দেশৰ স্বাধীনতা সংগ্ৰামত তেওঁলোকৰ ভূমিকাৰ (ব্যক্তিগত আৰু সামূহিক) ওপৰত চমুকৈ আলোকপাত কৰা হৈছে।

আন যিকোনো জাতীয়তাবাদীৰ নিচিনাকৈ অসমৰ সচেতন থলুৱা নেপালী লোকেও মুক্তি সংগ্ৰামৰ জাতীয় সংকটত তদানীন্তন অসমৰ একমাত্ৰ ৰাজনৈতিক মঞ্চ আসাম এছোচিয়েশ্যনৰ লগত নিজকে সক্ৰিয়ভাৱে জড়িত কৰি ৰাখিছিল। উল্লেখ্য যে বিহালীৰ সকলোৰে পৰিচিত 'ককা' ছবিলাল উপাধ্যায় অসম প্ৰাদেশিক কংগ্ৰেছ প্ৰতিষ্ঠাপকসকলৰ অন্যতম ব্যক্তি আছিল। ১৯২১ চনৰ ১৮ ডিচেম্বৰত যোৰহাটত অনুষ্ঠিত আসাম এছোচিয়েশ্যনৰ অন্তিম সভাখন পৌৰোহিত্য কৰে ছবিলাল উপাধ্যায়ে, যিখন সভাই উক্ত এছোচিয়েশ্যনক অসম প্ৰাদেশিক কংগ্ৰেছলৈ ৰূপান্তৰিত কৰে। পৰৱৰ্তী কালত 'স্বাধীনতাৰ ফিৰিঙতি' চন্দ্ৰনাথ শৰ্মাৰ অফুৰন্ত প্ৰেৰণা আৰু নিৰৱচ্ছিন্ন সান্নিধ্যৰে অসম কংগ্ৰেছৰ নেতৃত্বত চলা স্বাধীনতা সংগ্ৰামত 'ককা' উপাধ্যায়ে ব্যক্তিগতভাৱে যোগদান কৰিয়েই ক্ষান্ত হৈ থকা নাছিল বৰং নেপালী লোকক আদি কৰি বিভিন্ন সম্প্ৰদায়ৰ মাজত কংগ্ৰেছৰ সাংগঠনিক কাম কৰি তেওঁলোকৰ মাজত এক সু-সমন্বয় গঢ়াত উদ্যোগ লৈছিল। এনে কাৰণতে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি হেম বৰুৱাই কৈছিল যে 'সাম্প্ৰদায়িক সম্প্ৰীতিৰ এইজনা (ছবিলাল উপাধ্যায়) হৈছে এক জীৱন্ত প্ৰতীক, এইজনাৰ আদৰ্শৰে জীৱন গঢ়িব পাৰিলে সমাজত দেখা দিয়া বহুতো বিভ্ৰান্তিৰ যে ওৰ পৰিব সেই বিষয়ে সন্দেহ নাই'। মুক্তি সংগ্ৰাম চলাই যাবৰ বাবে অন্যান্য লোকৰ লগতে 'ককা' উপাধ্যায়ে 'তিলক ৰাজ' নামেৰে এটি বিত্তীয় ন্যাস গঠন কৰে। আন্দোলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰাৰ বাবে উপাধ্যায়ে কেইবাবাৰো কাৰাবৰণ খাটিবলগীয়াত পৰে। এবাৰ ১৯২১ চনৰ ৩০ জুনৰ দিনা মহাত্মা গান্ধীক সম্বৰ্দ্ধনা জনাবলৈ তেজপুৰত অনুষ্ঠিত হোৱা সভাৰ পৰা ঘৰলৈ বুলি উলটি আহোতে আদবাটতে পুলিচে তেখেতক গ্ৰেপ্তাৰ কৰে আৰু নেপালী বিদেশী হোৱা অজুহাতত আন্দোলনৰ পৰা বিৰত থাকিবলৈ কোৱাত জোকৰ মুখত চূণ দি তেওঁ এইদৰে কৈছিল, 'মোৰ জন্ম অসমতে, মৰিমো অসমতে। নেপালী স্বাধীন ৰাজ্য হ'ব পাৰে কিন্তু মই নেপাল কেতিয়াও দেখা নাই। মই য'ত জন্মিছো সেয়ে মোৰ মাতৃভূমি.... নেপাল মোৰ পিতৃভূমি, যিহেতু মোৰ পূৰ্বপুৰুষৰ তাত জন্ম হৈছিল। মই কিন্তু কেৱল ভাৰতবৰ্ষক জানো'। (Keshav Pradhan, Gurkhas divided over nationality question, The Telegraph, 18 May 1987)। চমুকৈ ক'বলৈ গ'লে, মুক্তি সংগ্ৰামৰ্ক ফলৱতী কৰিবলৈ শাৰীৰিক, মানসিক, বিত্তীয় সকলো ফালৰ পৰা উপাধ্যায়দেৱে অহোপুৰুষাৰ্থ কৰিছিল। অসীম ত্যাগ স্বীকাৰ কৰাৰ বাবেই স্বাধীন অসম

চৰকাৰে তেখেতলৈ স্বতন্ত্ৰতা সেনানী তাম্ৰ পত্ৰ প্ৰদান কৰে। এনে কাৰণতে এইটো নিঃসন্দেহে ক'ব পাৰি যে স্বাধীনতা সংগ্ৰামত ছবিলাল উপাধ্যায়দেৱৰ যি অৰিহণা আছে সি আন কোনো নিভাঁজ অসমীয়াতকৈ কোনো গুণে কম নাছিল।

নেপালী বংশোদ্ভৱ আন এগৰাকী মুক্তি যুঁজাৰু ডিগবৈৰ 'সৰ্বহাৰা' ভক্ত বাহাদুৰ প্ৰধানৰ নাম উল্লেখযোগ্য। অল্প শিক্ষাৰে তেল কোম্পানীৰ কৰ্মচাৰী হৈয়ো ভক্ত বাহাদুৰ প্ৰধানে উপলব্ধি কৰিব পাৰিছিল যে ব্ৰিটিছসকলৰ কবলৰ পৰা অসম তথা ভাৰতবৰ্ষক মুক্তি কৰাব নোৱাৰিলে কংগ্ৰেছ নেতা চিত্তৰঞ্জন দাসে কোৱাৰ দৰে ঔপনিবেশিক 'শোষণ আৰু উৎপীড়ন'ৰ পৰা কি তেল মজদুৰ কি অনা-মজদুৰ কাকো মুক্তি দিয়াব নোৱাৰি। মুঠতে, ডিগবৈৰ তেল কোম্পানী আৰু মাৰ্ঘেৰিটাৰ কয়লাখনিৰ মজদুৰ বিলাকৰ দুৰৱস্থা দেখি সিহঁতৰ মুক্তিৰ বাবে সংকল্প লৈ প্ৰধানে কংগ্ৰেছ নেতৃত্বত চলা স্বাধীনতা আন্দোলনত জপিয়াই পৰিছিল। ১৯৩৭ চনৰ ১৫ ডিচেম্বৰত কংগ্ৰেছৰ অগ্ৰণী নেতা জৱাহৰলাল নেহৰুৱে ডিগবৈ তৈল নগৰীত অনুষ্ঠিত হোৱা সভাত ভাষণ দি মজদুৰ ইউনিয়ন খুলিবলৈ দিয়া পৰামৰ্শক সাৰোগত কৰি ভক্ত বাহাদুৰ প্ৰধানে ডিগবৈৰ ওচৰৰে বড়াবিলত ১৯৩৮ চনৰ ২২ ডিচেম্বৰত 'ডিগবৈ তৈল কোম্পানী মজদুৰ ইউনিয়ন' গঠন কৰাত উদ্যোগ লৈছিল। এই ইউনিয়নৰ যোগেদিয়েই মুক্তি সংগ্ৰামত জপিয়াই পৰি পৰৱৰ্তীকালত তেওঁ নানা ঘাত-প্ৰতিঘাতৰ সন্মুখীন হ'বলগীয়াত পৰিছিল। কোম্পানীৰ চাকৰিয়াল হৈয়ো স্বাধীনতা আন্দোলনত সক্ৰিয় অংশগ্ৰহণ কৰাৰ বাবে ইংৰাজ কৰ্তৃপক্ষই প্ৰথমতে প্ৰধানক চাকৰিৰ পৰা বৰ্খাস্ত কৰিছিল। দ্বিতীয়তে ১৯৪০ চনত ডিগবৈ ত্যাগ কৰাৰ আৰু শেষত ১৯৪১ চনত অসম ত্যাগ কৰাৰ জাননী পাই ভক্ত বাহাদুৰ প্ৰধানে ছদ্মবেশেৰে ভাৰতৰ বিভিন্ন ঠাই ঘূৰি থাকোতেও কংগ্ৰেছৰ সাংগঠনিক কাম-কাজ অব্যাহত ৰাখিছিল। মুঠতে, প্ৰধান এগৰাকী নিৰ্ভেজাল দেশ প্ৰেমিক আৰু শ্ৰমিক প্ৰাণ আছিল। নিজৰ স্থাৱৰ আৰু অস্থাৱৰ দুয়োবিধ সা-সম্পত্তি আৰু চাকৰি নেহেৰুৱাকৈ স্বাধীনতা লাভ নহয় বুলি তেখেতে বিবেচনা কৰিছিল যাৰ ফলত তেওঁ সৰ্বহাৰা হৈছিল। সি যি কি নহওক, দেশে স্বাধীনতা লাভ কৰাৰ পাছত অসম তথা ভাৰত চৰকাৰে প্ৰধানক প্ৰথম শ্ৰেণীৰ ৰাজনৈতিক ভুক্তভোগীৰ পেঞ্চন আগবঢ়াইছিল তেখেতৰ আদৰ্শ আৰু চূড়ান্ত ত্যাগৰ চিনস্বৰূপে।

ডিব্ৰুগড় নিবাসী 'শ্ৰমিকপ্ৰাণ' দলবীৰসিং লোহাৰ থলুৱা নেপালী মুক্তি সেনানী সকলৰ অন্যতম যি ছাত্ৰাৱস্থাৰ পৰাই স্বাধীনতা আন্দোলনৰ প্ৰতি আকৰ্ষিত হৈ ১৯২৯ চনতেই জাতীয় স্বেচ্ছাসেৱক বাহিনীত সদস্যৰূপে যোগদান কৰিছিল। লোহাৰে কানিংহাম চাৰ্কুলাৰৰ তীব্ৰ প্ৰতিবাদ কৰি তিনিমাহ কাল জেলৰ ভাত খাবলগীয়াত পৰে। 'ককা' ছবিলাল উপাধ্যায়ৰ নিচিনাকৈ দলবীৰ সিং লোহাৰেও অন্যান্য জনগোষ্ঠী বিশেষকৈ

চাহ মজদুৰ সকলৰ মাজত কংগ্ৰেছৰ সাংগঠনিক কাম-কাজ আৰু তেওঁলোকৰ প্ৰতি ব্ৰিটিছ শোষণৰ বিৰুদ্ধে মাত মাতিবলৈ অসম চাহ মজদুৰ সংঘৰ লগত ওতপ্ৰোতভাৱে জড়িত হয়। ১৯৪১ চনত দ্বিতীয় বিশ্ব যুদ্ধত ব্ৰিটিছক সহযোগিতা নকৰাৰ বাবে কংগ্ৰেছী নেতাসবক গ্ৰেপ্তাৰ কৰে যাতে মুক্তি সংগ্ৰাম ব্যাহত হয় — তাৰ বাবে ১৪৪ ধাৰা জাৰি কৰা হৈছিল। লোহাৰে কিন্তু এনে ধাৰা প্ৰৱৰ্তনৰ তীব্ৰ বিৰোধিতা কৰি সংগ্ৰামত লাগি থকাত তেখেতক অসমৰ পৰা সাময়িকভাবে বহিষ্কাৰ কৰা হৈছিল। সেয়েহে ১৯৪২ চনত ভাৰত ত্যাগ আন্দোলনত সক্ৰিয় ভূমিকা অব্যাহত ৰখাৰ উদ্দেশ্যে তেওঁ ছদ্মবেশ ধৰি দেশৰ চুকে-কোণে ঘূৰি ফুৰি দহোজনক সংগ্ৰামৰ প্ৰতি আকৰ্ষিত কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। এইদৰে লোহাৰে নিৰ্ভীক দেশপ্ৰেমিকৰ পৰিচয় দিবলৈ সমৰ্থ হয়।

ছাত্ৰাবস্থাৰ পৰাই ভাৰতীয় জাতীয় কংগ্ৰেছৰ নেতৃত্বত চলা স্বাধীনতা সংগ্ৰামৰ প্ৰতি আকৰ্ষিত হৈ বিশেষকৈ ভাৰত ত্যাগ আন্দোলনত কলেজীয়া শিক্ষা সাময়িকভাৱে হ'লেও স্থগিত ৰাখি আন্দোলনত জপিয়াই পৰা আন এগৰাকী নেপালী বংশোদ্ভৱ মুক্তি সেনানী বিহালীৰ প্ৰাক্তন বিধায়ক 'অসম গান্ধী' বিষ্ণুলাল উপাধ্যায় — যি সকলোৰে পৰিচিত এগৰাকী নমস্য ব্যক্তি। 'স্বাধীন ভাৰতৰ জয়, ব্ৰিটিছ সাম্ৰাজ্যবাদ ধ্বংস হওক' শ্লোগানেৰে ১৯৪২ চনৰ ২০ ছেপ্টেম্বৰৰ দিনা বিহালী থানাত কংগ্ৰেছী পতাকা উৰুৱাবলৈ গৈ গ্ৰেপ্তাৰ হোৱা বগীৰাম শইকীয়া, কুমুদ চন্দ্ৰ বৰা আদিৰ লগত যোৱা সকলৰ ভিতৰত বিষ্ণুলাল উপাধ্যায়ো অন্যতম আছিল। ফলত কিছুদিন পুলিচ হাজোতত থকাৰ পাছত ১৯৪৩ চনৰ ২০ ফেব্ৰুৱাৰীৰ দিনা বিচাৰৰ বাবে মেজিষ্ট্ৰেটৰ আগত হাজিৰ কৰোতে উপাধ্যায়ে কোনো উকীলৰ সহায় নোলোৱাকৈ আত্মপক্ষৰ হকে ওকালতি কৰে। বিহালী থানাত জানি-বুজি কংগ্ৰেছৰ পতাকা উৰুৱাবলৈ গৈছিলো বুলি নিজ অপৰাধ স্বীকাৰ কৰাত তেখেতক ছমাহ কাল কাৰাদণ্ডৰ হুকুম দি জেললৈ প্ৰেৰণ কৰা হয়। সেয়েহে মুক্তি সংগ্ৰাম আৰু দেশসেৱাত ব্ৰতী হোৱাৰ চিনস্বৰূপে তেখেতক স্বাধীন ভাৰত চৰকাৰে তাম্ৰপত্ৰ আৰু স্বতন্ত্ৰতা সেনানী পেঞ্চন প্ৰদান কৰে। আশী বছৰৰ ডেওনা অতিক্ৰম কৰা এইগৰাকী বৰেণ্য মুক্তি যুঁজাৰুৱে এতিয়াও সুস্থ শৰীৰে নিৰবচ্ছিন্নভাৱে সমাজ সেৱা আৰু সাহিত্য চৰ্চা কৰি আছে। এই চাৰি গৰাকী প্ৰমুখ্য থলুৱা মুক্তি যোদ্ধাৰ উপৰিও বহু নেপালী লোকে স্বাধীনতা আন্দোলনত সক্ৰিয়ভাৱে যোগদান কৰি ব্যক্তিগত সা-সম্পত্তি হেৰুৱাৰ পৰা আৰম্ভ কৰি কাৰাবৰণ পৰ্যন্ত খাটিছিল। সেইসকলৰ ভিতৰত জগসিং ছেত্ৰী, আত্মাসিং ছেত্ৰী, নাৰায়ণ ঢুঙ্গেল, প্ৰজাপতি ঢুঙ্গেল, বিলাস ধমলা, ঋতুপৰ্ণ চুবেডী, ভীমলাল দাহাল, কুমুদ চন্দ্ৰ শৰ্মা, চন্দ্ৰ কুমাৰ শৰ্মা, জয় নাৰায়ণ উপাধ্যায়, দেৱী প্ৰসাদ শৰ্মা, ধৰ্মানন্দ উপাধ্যায় মিশ্ৰ, টিকাৰাম উপাধ্যায়, বৃহস্পতি উপাধ্যায়, কাশীনাথ লুইটেল, নৰ বাহাদুৰ ছেত্ৰী, নৰপতি উপাধ্যায়,

সদানন্দ পৰাজুলি, দিল্লৰাম চাপকোটা, মহেন্দ্ৰ কাফলে, ডম্বৰ ভাণ্ডাৰী, প্ৰভাকৰ অধিকাৰী, ধ্ৰুবলাল আচাৰ্য, তিলাৰাম তিমচিনা, নিত্যানন্দ তিমচিনা, পদ্ম প্ৰসাদ ধুংগেল, বলভদ্ৰ ছেত্ৰী, ভীমলাল শৰ্মা, ৰামলাল উপাধ্যায়, হৰি প্ৰসাদ উপাধ্যায়, অনন্তলাল শৰ্মা, আনন্দ কুমাৰ লোহাৰ, বল বাহাদুৰ শৰ্মা, হীৰালাল শৰ্মা, অবিনাৰায়ণ আচাৰ্য, সদানন্দ শৰ্মা, ৰামলাল গোৱালী, প্ৰসাদসিং চুবা, পুণ্ডৰী নিৰলা, পৰশুৰাম শৰ্মা, হৰিপ্ৰসাদ ছেত্ৰী, ছবিলাল গজুৰেল আদিৰ নাম উল্লেখযোগ্য।

ভাৰতীয় জাতীয় কংগ্ৰেছৰ উপৰিও ১৯৪৩ চনত ভূমিষ্ঠ হোৱা দাৰ্জিলিঙৰ অখিল ভাৰতীয় গোৰ্খা লীগৰ এটি শাখা — অসম প্ৰাদেশিক গোৰ্খা লীগ (সম্প্ৰতি অসম গোৰ্খা সন্মিলন)ৰ নেতৃত্বত স্বাধীনতা সংগ্ৰামত থলুৱা নেপালীলোকে এক প্ৰশংসনীয় ভূমিকা পালন কৰে। এই সন্দৰ্ভত প্ৰাদেশিক গোৰ্খা লীগে অসমক মাতৃভূমি আৰু নিজকে খিলঞ্জীয়া অসমীয়া বুলি পৰিচয় দিবলৈ আহ্বান জনায়। লগতে অৰ্থনৈতিক আৰু শৈক্ষিক ক্ষেত্ৰত নেপালীসকলক পৰিকল্পিতভাৱে অনগ্ৰসৰ কৰি ৰখাত প্ৰাদেশিক গোৰ্খা লীগে ব্ৰিটিছ শাসকক দোষাৰোপ কৰে। সেয়েহে এনে অৱস্থাৰ পৰা মুক্তি পোৱাৰ উপায় স্বাধীনতা লাভৰ বাদে আন একো হ'ব নোৱাৰে বুলি থলুৱা নেপালী লোকে ভালদৰে উপলব্ধি কৰিব পাৰিছিল। তদুপৰি গোৰ্খা লীগৰ নেতৃত্বতে অসমকে ধৰি সমগ্ৰ ভাৰতীয় নেপালীলোকে মহম্মদ আলি জিন্নাৰ দ্বি-জাতিক তত্ব (Two Nation theory)ৰ তীব্ৰ প্ৰতিবাদ কৰি ভাৰত দ্বি-খণ্ডিত হোৱাতো বিৰোধিতা কৰিছিল। মুঠতে, পাকিস্থান সৃষ্টিৰ বিৰোধিতাৰ বেলিকা নেপালীসকলে স্থানীয় লোকৰ লগত পূৰ্ণ সহযোগিতা কৰিছিল আৰু আনকি গোৰ্খা লীগে আনুষ্ঠানিকভাৱে ঘোষণা কৰিছিল যে ভাৰত দ্বি-খণ্ডিতকৰণৰ প্ৰচেষ্টাক বাধা দিবলৈ প্ৰয়োজন হ'লে তেওঁলোকৰ ত্ৰিশ লাখ 'খুকুৰী' ব্যৱহাৰ কৰিবলৈ কুণ্ঠাবোধ নকৰে। থলুৱা নেপালী সকলৰ এনে জংগী প্ৰস্তুতি আৰু উদাত্ত ঘোষণাই সন্দেহাতীতভাৱে ইয়াকে প্ৰমাণ কৰে যে তেওঁলোকে নিজকে অন্যান্য জনগোষ্ঠীৰ দৰে অসম তথা ভাৰতবাসীৰ এক অবিচ্ছিন্ন অংগ বুলি বিবেচনা কৰে।

অসমৰ থলুৱা নেপালী সকলৰ অসমীয়া জাতীয়তাবাদী চিন্তা-ভাৱনা আন খিলঞ্জীয়া লোকতকৈ কোনো গুণে কম নাছিল তাৰ প্ৰমাণ স্পষ্টভাৱে পোৱা যায় ১৯৪৬ চনৰ কেবিনেট মিচনৰ ষড়যন্ত্ৰৰ তীব্ৰ বিৰোধিতাৰ যোগেদি। লৰ্ড পেথিক লৰেঞ্চৰ নেতৃত্বত অহা কেবিনেট মিচনে ভাৰতক দ্বি-খণ্ডিত কৰি ভাৰত আৰু পাকিস্থানৰ বাবে দুখন সংবিধান প্ৰণয়নৰ উদ্দেশ্য অসমক গ্ৰুপ 'চি'ত চামিল নহ'বলৈ অসম বিধান সভাই লোৱা সিদ্ধান্তৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়াইছিল। এই সংক্ৰান্তত ১৯৪৭ চনৰ পহিলা জানুৱাৰীত গুৱাহাটীত অনুষ্ঠিত প্ৰাদেশিক গোৰ্খা লীগৰ প্ৰথম বাৰ্ষিক অধিৱেশনত

সৰ্বসম্মতিক্ৰমে এক প্ৰস্তাৱ গৃহীত কৰিছিল এই বুলি — This session of the Assam Pradeshik Gurkha League is of the considered opinion that grouping of Assam with Bengal for the purpose of Framing a provincial constitution is most unjust to Assam and Assam goes into section as provided by the Cabinet Mission recommendation, the whole future of Assam will be fraught with the gravest danger so much so that the very entity of Assam will be at stake. It is resolved that the Children of the soil while supporting the Assam Asscembly's mandate to the Constituent Assembly members from Assam not to go into section 'C' pledges itself to fight to the last to preserve the integrity of Assam and the right of her children to frame their own constitution আন কথাত, মুছলিম অধ্যুষিত পাকিস্থানৰ লগত অসমক চামিলকৰণ কৰাতো অসমৰ নেপালীলোকে কেতিয়াও বাঞ্ছা নকৰিছিল। অৱশ্যে তেওঁলোক মূলতঃ হিন্দু ধৰ্মীয় হোৱাৰ বাবেও অসমীয়া ভাষী লোকৰ লগত এক ধৰ্মীয় সাদৃশ্য আছে আৰু সেয়েহে হিন্দু অসমীয়াৰ সৈতে থাকিলেহে নিজৰ ৰাজনৈতিক স্বাৰ্থৰ লগতে অন্যান্য স্বাৰ্থবোৰো সুৰক্ষিত হ'ব যিটো বঙালীৰ সৈতে থাকিলে সম্ভৱ নহ'ব — এনে ভাৱনাই নেপালীসকলক এনে পদক্ষেপ লোৱাত কিছু কাম নকৰা নহয়। আনকি এই সংক্ৰান্ততে অখিল ভাৰত গোৰ্খা লীগৰ লগ লাগি প্ৰাদেশিক গোৰ্খা লীগেও বংগ প্ৰদেশৰ নেপালী অধ্যুষিত দাৰ্জিলিং আৰু জলপাইগুৰি জিলা দুখনক অসমৰ লগত চামিল কৰিবলৈ অনুৰোধ কৰি ভাৰতৰ গৱৰ্ণৰ-জেনেৰেললৈ স্মাৰক-পত্ৰ প্ৰদান কৰিছিল (A.C. Bhuyan & S.P.De : Political History of Assam 1940-1947, Volume III, Gauhati, 1980, p 319-320)। ইয়াৰ প্ৰমাণ এয়ে যে ১৯৪৭ চনৰ ১৭ মে'ত অখিল ভাৰতীয় গোৰ্খা লীগৰ কালিম্পুঙ শাখাৰ উদ্যোগত এখন ৰাজহুৱা সভা অনুষ্ঠিত হৈছিল। গোৰ্খা লীগৰ স্থানীয় কালিম্পুঙ শাখাৰ সভাপতি প্ৰতাপ কুমাইয়ে পৌৰোহিত্য কৰা সভাখনত গোৰ্খা লীগৰ সভাপতি ডম্বৰুসিং গুৰুঙে নিজৰ ভাষণ প্ৰসংগত কয় যে We are trying to amalgamate Darjeeling District with Assam. The reason is we are three lakhs in this district and there are teh lakhs in Assam. In Assam there are many people like us who are called Garos, Nagas, Khasis, Lushais etc. Our population will be thus fifteen to sixteen lakhs

and we will get at least 15 to 16 seats in the Legislative Assembly who will represent our grievances. We cannot compete with Bengalis in education but Assam is far behind Bengal and we may be able to keep pace with Assam (Bhai Nahar Singh nad Kirpal Singh, History of All India Gurkha League 1943-1949, New Delhi, 1987, p.79-80)। ইয়াৰ পৰা এইটো স্পষ্ট যে দাৰ্জিলিং আৰু জলপাইগুৰি জিলা দুখনৰ নেপালী সকলেও সম্প্ৰতি পশ্চিমবংগত থাকিবলৈ ইচ্ছা নকৰি অসমৰ লগতহে থাকিবলৈ ইচ্ছা প্ৰকাশ কৰাটোৱে নিজ সম্প্ৰদায়ৰ স্বাৰ্থৰ লগতে অসম আৰু অসমীয়াক ভাল পোৱাবো ই এক প্ৰমাণ বুলি ক'ব পাৰি। যেই কি নহওঁক, প্ৰাক্ স্বাধীন কালৰ পৰাই নেপালীসকলে বৃহত্তৰ অসমীয়া সমাজৰ লগত মুক্তি সংগ্ৰামৰ যোগেদি একাত্মীকৰণ প্ৰক্ৰিয়া আৰম্ভ কৰা দেখা যায়। পৰৱৰ্তী কালত ভাষা, সংস্কৃতি, ঐতিহ্য, সাহিত্য, জীৱন-যাপন পদ্ধতিৰ যোগেদিও এনে প্ৰক্ৰিয়াক ত্বৰান্বিত কৰা দেখা যায়। এই সমন্বয় আৰু একীকৰণ প্ৰক্ৰিয়াই আগলৈ কোনো বাধা নাপালে 'ককা' ছবিলাল উপাধ্যায়ৰ বিষয়ে জ্ঞানপীঠ বঁটা বিজয়ী বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই ক'বৰ দৰে — 'তেওঁৰ নেপালী চেতনা বহল হৈ অসমীয়া চেতনাত আৰু অসমীয়া চেতনা ভাৰতীয় চেতনাত মিলিত হৈছে' — আৰু মিলিত হৈ থাকিব অনাগত দিনলৈকে তাত কোনো সন্দেহ নাই।

দৈনিক জনমভূমি, ১২ জুলাই, ১৯৯৯

জাতীয় সংকটত থলুৱা নেপালীৰ ভূমিকা

ঐতিহাসিক পৰিঘটনাক্ৰমে প্ৰতিবেশী ৰাষ্ট্ৰ নেপালৰ পৰা নেপালীসকল অসমলৈ প্ৰব্ৰজন হ'লেও কালক্ৰমত তেওঁলোকৰ পৰৱৰ্তী প্ৰজন্মই ইয়াৰ অন্ন, বায়ু, পানী আৰু ভূমিৰ সৈতে একাকাৰ হৈ যায়। যদিও ১৯৯১ চনৰ লোকপিয়ল অনুসৰি ভাষাভিত্তিত অসমত নেপালী লোকৰ স্থান পঞ্চম, (মুঠ নেপালী জনসংখ্যা ৪,৩২,৫১৯ আৰু শতকৰা হাৰ ১.৯৩ শতাংশ) তথাপি কিন্তু অন্যান্য জনগোষ্ঠীৰ দৰে থলুৱা নেপালী সম্প্ৰদায়ৰ কোনো বিশেষ ৰাজনৈতিক উদ্দেশ্যৰ বাহ্যিক প্ৰতিফলন অদ্যাপি হোৱা দেখা নাই। অৰ্থাৎ নেপালীসকল তেনেই সহজ-সৰল জনগোষ্ঠী, যিকোনো পৰিস্থিতিতে খাপ খাই মিলি যাব পাৰে। তেওঁলোক যে এনে মহৎ গুণৰ অধিকাৰী সেই কথা কেৱল নেপালীলোকেহে কয় এনে নহয়; বৰং বহু খিলঞ্জীয়া অসমীয়া বুদ্ধিজীৱীয়েও স্বীকাৰ কৰি থৈ গৈছে। তেওঁলোকৰ মাজৰে এগৰাকী অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তীৰ্থনাথ শৰ্মাই কৈছে— "নেপালীসকলে অসমক শোষণ কৰা নাই। অসমৰ প্ৰাকৃতিক সম্পদক কামত খটাই অসমৰ লোকক মৰ্ত্যৰ উৎকৃষ্ট আহাৰ দুগ্ধৰ যোগান ধৰিছে; অসমৰ অৰ্থনীতিক পোষণ কৰিছে" (**'অসমত নেপালী', ষষ্ঠদশ বাৰ্ষিক অধিবেশন, অসম গোৰ্খা সন্মিলন, গুৱাহাটী ১৯৭৬ চন পৃঃ ২৭**)। অসম সাহিত্য সভাৰে আন এগৰাকী ভূতপূৰ্ব সভাপতি আৰু লব্ধপ্ৰতিষ্ঠ সাহিত্যিক ড° নগেন শইকীয়াই থলুৱা নেপালী জনগোষ্ঠী সম্পৰ্কে এইদৰে কৈছে — "এসময়ত নেপালো প্ৰাচীন বৃহত্তৰ কামৰূপৰ ভিতৰুৱা আছিল ... নেপাল প্ৰাচীন ভাৰতীয় সংস্কৃতিৰ দ্বাৰা ধৌত, যাৰ ফলত নেপাল স্বাধীন ৰাষ্ট্ৰ হোৱা স্বত্বেও সাংস্কৃতিকভাৱে বৃহৎ ভাৰতীয় সংস্কৃতিৰ লগত সংযুক্ত। অসমলৈ ইতিহাসৰ বিভিন্ন সময়ত প্ৰব্ৰজন কৰি আহি থিতাপি লোৱা নেপালৰ অনেক লোক ভাষিক-সাংস্কৃতিক-নৃতাত্ত্বিক সকলো ফালৰ পৰা অসমীয়া ভাষা-সংস্কৃতি আৰু জাতীয় জীৱনৰ লগত বেলেগ কৰিব নোৱাৰাকৈ মিশ্ৰিত হ'ল আৰু অনেক এনে লোক আছে যিসকল এই সংমিশ্ৰণ আৰু সমন্বয়ৰ প্ৰক্ৰিয়াৰ ভিতৰুৱা হৈ পৰিছে। এইসকল লোকৰ লগত নেপালৰ কোনো প্ৰকাৰৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক সম্পৰ্ক নাই। এওঁবিলাক অসমীয়া জাতিৰ অন্যান্য সম্প্ৰদায়বিলাকৰ দৰে নিজা বৈশিষ্ট্য থকা এটা সম্প্ৰদায় মাত্ৰ। এওঁলোকৰ পূৰ্বপুৰুষ নেপালৰ হোৱা বাবেহে এওঁবিলাক 'নেপালী' নামেৰে পৰিচিত"। (**প্ৰধান সম্পাদকৰ**

একাধাৰ, মনবাহাদুৰ ছেত্ৰী ঃ অসমীয়া নেপালী সমাজ আৰু সংস্কৃতিৰ ৰূপৰেখা; প্ৰকাশক ঃ অসম সাহিত্য সভা, যোৰহাট ১৯৮৩)। ঠিক একেদৰে এই সংক্ৰান্তত অসম সাহিত্য সভাৰে আন এগৰাকী ভূতপূৰ্ব সভাপতি স্বনামধন্য সাহিত্যিক হোমেন বৰগোহাঞিৰ মন্তব্য এনেধৰণৰ — "অসমত পুৰুষানুক্ৰমে বাস কৰা নেপালীসকল এতিয়া অসমীয়া মহাজাতিৰ অবিচ্ছেদ্য অংগ, বুকুৰ আপোন। অসমীয়া মহাজাতিত বিলীন হৈ পৰা নেপালীসকলে নেপালী ভাষা ত্যাগ কৰি কেৱল অসমীয়া ভাষা গ্ৰহণ কৰিব লাগিব বুলি কোনো বাধ্যবাধকতা নাই। জননীৰ ভাষাৰ লগতে জন্মভূমিৰ ভাষা সমান্তৰালভাৱে চৰ্চা কৰা অসম্ভৱ নহয়" (আমাৰ অসম ২০ জুন ২০০১)। এই সংক্ৰান্ত উত্তৰ-পূৰ্বাঞ্চলৰ অন্যতম বুদ্ধিজীৱী, সম্প্ৰতি উত্তৰ-পূব পাৰ্বত্য বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° অপূৰ্ব কুমাৰ বৰুৱাৰ মন্তব্য এনেধৰণৰ — The Nepalese settled down in villages and there was every possibility of their coming into conflict with the Assamese peasantry. But what saved the situation was that the Nepalese slowly got assimilated with the Assamese. (Social Tension in Assam : Middle Class Politics, Guwahati, 1996, p 37)। ঠিক একেদৰেই অন্য এগৰাকী বুদ্ধিজীৱী তথা ডিব্ৰুগড় উকীল সন্থাৰ সদস্য বিশ্বজিৎ বৰুৱাৰ মন্তব্য এনেধৰণৰ — "নেপালীসকল অতি সহজেই অসমীয়া ঘাই সুঁতিটোৰ সৈতে মিলি গৈছে, এওঁলোকক অসমীয়া কৰাৰ প্ৰক্ৰিয়া আমি চলাই ৰাখিলে নেপালীসকল অসমীয়াসকলৰ সৈতে এক হৈ মিলি যাব বুলি আমাৰ বাস্তৱ অভিজ্ঞতাৰ পৰা ক'ব পাৰো। কিন্তু এই মানসিকতা বাংলাদেশীসকলৰ মাজত দেখা নাযায়" (তিনিদিনীয়া অগ্ৰদূত ২৬ নৱেম্বৰ ১৯৮৩)। একেটা সুৰতে আন এগৰাকী বিশিষ্ট বুদ্ধিজীৱী P B Borthakur-এ থলুৱা নেপালী জনগোষ্ঠী সম্পৰ্কে কয় — The Nepali speaking people of Assam have no cause of concern of tension. These people have already settled down in the state and have assimilated themselves with the local people. None in Assam sees Nepali speaking people as anything distinct from the polyglot population of Assam where multilinguism is an accepted fact of life. (See, Gurkha Militancy : Time for Caution, The Sentinel, 16 June 1986)। তদ্ৰূপ আন এগৰাকী অসমীয়া বুদ্ধিজীৱি অজিত কুমাৰ শৰ্মাই কয় — পুৰণি চামৰ নেপালীসকল আছিল ঘাইকৈ গোৰ্খা পল্টনৰ অৱসৰপ্ৰাপ্ত সৈনিক। বাকীখিনি হ'ল অস্থায়ীভাৱে নেপালৰ পৰা আহি সৈনিক হোৱা অথবা গৰু-ম'হ চৰোৱা আৰু খেতি-বাতি কৰিবলৈ অহা মানুহ। এই সকলে হাবি-জংঘল কাটি গৰু-ম'হ চৰোৱাৰ লগতে কুঁহিয়াৰ খেতি কৰে আৰু গুৰুও

তৈয়াৰ কৰে। এইবোৰৰ পৰা অসমীয়া খেতিয়কৰো উপকাৰ হয়। এইসকল মানুহ নেপাল এৰি অসমলৈ অহাৰ মাই কাৰণ হ'ল নেপালত থকা বাধ্যতামূলক মজুৰী প্ৰথাৰ পৰা ৰক্ষা পোৱা আৰু অসমত থাকি জীৱন ধাৰণৰ মান উন্নয়ণ কৰা। ১৯১১ চনত অসমত থকা নেপালীৰ সংখ্যা আছিল ৪৭,৬৫৪, পিচত ১৯২১ চনত হ'ল ৭০,৩৪৪ আৰু ১৯৩১ চনত ১,৪০,০০০। তাৰ পিছতো এই সংখ্যা বাঢ়ি গৈ আছে। আগতে অহাসকল অসমীয়া সমাজৰ অংগীভূত হৈ গৈছে। কিন্তু পিচত সৰহীয়া সংখ্যক নতুন নেপালী অহাত নতুন সমস্যাৰ সৃষ্টি হৈছে (দ্ৰষ্টব্য ঃ অজিত কুমাৰ শৰ্মা ঃ অসমৰ মানুহ আৰু অসমীয়া মানুহ, অসম বাণী, ১৮ আগষ্ট ১৯৭২)। আন এগৰাকী অসমীয়া ভাষী বুদ্ধিজীৱি কৌস্তুভমণি বৰুৱাৰ মন্তব্য এনেধৰণৰ — Except during the present movement (i. e. Foreign National Movement) anti-Nepali feeling in Assam has been rare, In 1920 the British administration while carrying out an eviction operation in the now well known (?) sanctuary, people treated barbarous atrocities on the Nepalese living there. The Assam middle class was in the lead in raising the voice of protest against this ghastly deed of the colonial power. This brotherly feeling of the Assamese middle class was reciprocated by the Nepalese in the course of the freedom movement right from the non-co-operation days. The role played by the late Chabilal Upadhyay, was in no way inferior to that of any nationalist Assamese in this regard. (Foreigners in Assam and Assamese Middle class, Social Scientist, June 1980, Trivandrum)

খিলঞ্জীয়া অসমীয়া বুদ্ধিজীৱী মহলে থলুৱা নেপালী জনগোষ্ঠী সম্বন্ধে দিয়া উল্লিখিত স্বীকাৰোক্তিবোৰৰ পৰা এইটো স্পষ্ট যে তেওঁলোক হাড়ে-হিমজুৱে বিশুদ্ধ অসমীয়া, যাৰ একালৰ পিতৃভূমি নেপালৰ লগত সম্প্ৰতি কোনো প্ৰকাৰৰ সম্পৰ্ক নাই। আৰু অনাগত দিনতো নেপালৰ লগত সম্পৰ্ক গঢ়ি তোলাৰ মানসিকতা শতকৰা নিৰান্নবৈ ভাগ নেপালীলোকৰে নাই। এনে অৱস্থাত ভাৰত তথা অসমৰ প্ৰতিটো জাতীয় সংকটত নেপালীসকলৰো সংকট বুলি গণ্য কৰি তাৰ নিৰাময়ৰ হেতু তেওঁলোকে এক ঐতিহাসিক ভূমিকা পালন কৰাৰ দৃষ্টান্ত অনেক; কেৱল সেইবিলাক উপযুক্তভাৱে প্ৰতিফলিত হৈ হোৱা নাই। সেয়েহে থলুৱা নেপালীসকলে অদ্যপৰিমিত দেশৰ জাতীয় সংকটবোৰত কেনে এক ঐতিহাসিক ভূমিকা পালন কৰিছে তাৰ ওপৰত চমুকৈ আলোকপাত কৰাই হ'ল এই আলোচনাটিৰ মূল উদ্দেশ্য।

আমাৰ দেশৰ জাতীয় সংকটৰ ভিতৰত সবাতোকৈ ডাঙৰ হৈছে পৰাধীনতা, যাৰবাবে ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ পৰা হিচাপ কৰিলে একেবাহে সুদীৰ্ঘ নব্বৈ (১৮৫৭-১৯৪৭) বছৰ বগা বঙালৰ বিৰুদ্ধে যুঁজ দি ভাৰতীয়সকলে যি অদম্য সাহস আৰু অভূতপূৰ্ব ধৈৰ্য আৰু ঐক্যৰ ইতিহাস ৰচনা কৰিলে তাত ভাৰতৰ অন্যান্য অংশৰ অন্যান্য জনগোষ্ঠীৰ লগতে থলুৱা নেপালীলোকৰ ভূমিকাও লেখত ল'বলগীয়া। স্বাধীনতা সংগ্ৰামত ব্যক্তিগতভাৱে আনৰ লগতে বিশেষকৈ বিহালীৰ ছবিলাল উপাধ্যায়, ডিব্ৰুগড়ৰ দলবীৰসিং লোহাৰ আৰু ডিগবৈৰ ভক্ত বাহাদুৰ প্ৰধানত্ৰয়ৰ ভূমিকা কম-বেছি পৰিমাণে সকলো অসমবাসীৰে বিদিত। তদুপৰি প্ৰাক-স্বাধীনতা কালতে দাৰ্জিলিঙত জন্মগ্ৰহণ কৰা অখিল ভাৰতীয় গোৰ্খা লীগ (১৯৪৩) আৰু ইয়াৰে শাখা অসম প্ৰাদেশিক গোৰ্খা লীগৰ ভূমিকাও নিঃসন্দেহে প্ৰণিধানযোগ্য। মহম্মদ আলি জিন্নাৰ দ্বি-জাতিক তত্ত্বৰ ভিত্তিত দেশক ভাৰত আৰু পাকিস্তান নামেৰে দুই ৰাষ্ট্ৰত বিভক্ত কৰা ঔপনিবেশিক সিদ্ধান্তক অখিল ভাৰতীয় গোৰ্খা লীগে তীব্ৰভাৱে বিৰোধিতা কৰিছিল। এই সংক্ৰান্তত Political History of Assam (Volume III) ত এইদৰে উল্লেখ আছে — It (AIGL) extended unreserved support to the freedom movement and propagated that only independence of the country from foreign yoke would serve the interests of the Gurkhas best .... Jinnah's two-nation theory was vigorously opposed by the Gurkha League .... they joined hands with the local people in opposing the demand for Pakistan and declared that if necessary thirty lakhs of Khukris (a crooked Nepali national weapon) would be used to defend the unity of the motherland. (A.C Bhuyan & S P De : Political History of Assam, Volume III, 1940-1947, Government of Assam, Gauhati, 1980 p 317-20)। অখিল ভাৰতীয় গোৰ্খা লীগৰ এনে প্ৰকাশ্য স্থিতিৰ বাবেই নিশ্চয় অসম প্ৰাদেশিক গোৰ্খা লীগৰ আগশাৰীৰ নেতাসবে যেনে ছবিলাল উপাধ্যায়কে আদি কৰি ভক্ত বাহাদুৰ প্ৰধান, দলবীৰসিং লোহাৰ, জগসিং ছেত্ৰী, আত্মাসিং ছেত্ৰী, হৰিপ্ৰসাদ উপাধ্যায়, প্ৰসাদসিং চুব্বা, নৰপতি উপাধ্যায়, কুমুদ চন্দ্ৰ শৰ্মা, বিষ্ণুলাল উপাধ্যায়, কাশীনাথ লুইটেল আৰু আন বহুতো বিশেষভাৱে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ থলুৱা নেপালীসকলে মুক্তিসংগ্ৰামত দেহে-কেহে যোগদান কৰিছিল। তেওঁলোকে নিজকে নেপালী সম্প্ৰদায়ৰ প্ৰতিনিধিত্ব কৰা বুলি নিশ্চয় আন্দোলনত যোগদান কৰা নাছিল, বৰঞ্চ অসমী আইৰ একোগৰাকী সুযোগ্য সন্তান আৰু মুক্তি সেনানীৰ কৰ্তব্যহে পালন কৰি গৈছিল। যদিহে তেওঁলোকে

নিজকে অসম আৰু অসমীয়াৰ অবিচ্ছেদ্য অংগ বুলি বিবেচনা নকৰাহেঁতেন ব্ৰিটিছৰ হৈ চোৰাংচোৰাগিৰি কৰি পুৰস্কৃত হৈ ধনে-সোণে নেপাললৈ ঘূৰি গৈ আৰামী জীৱন-যাপন কৰিলেহেঁতেন। কিন্তু এবাৰ যি ঠাইত খোপনি পুতিলে তাকে নিজৰ মাতৃভূমি আৰু নিজকে 'ভূমিপুত্ৰ' বুলি আন্তৰিকতাৰে গ্ৰহণ কৰিছে নেপালী জনগোষ্ঠীয়েও।

এইটো সকলোৰে বিদিত যে কেবিনেট মিছনৰ পৰামৰ্শ অনুযায়ী অসমক বেংগলৰ লগত চামিল কৰি গ্ৰুপ 'চি'ত অন্তৰ্ভুক্ত কৰা ষড়যন্ত্ৰৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ কৰি অসম প্ৰাদেশিক গোৰ্খা লীগে (পিছলৈ অসম গোৰ্খা সন্মিলন) ১৯৪৬ চনৰ ৩১ ডিচেম্বৰ আৰু ১৯৪৭ চনৰ পহিলা জানুৱাৰীত গুৱাহাটীত অনুষ্ঠিত হোৱাৰ প্ৰথম বাৰ্ষিক অধিৱেশনত সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰে যে — This session of the Assam Provincial Gurkha League is of considered opinion that Grouping of Assam with Bengal for the purpose of framing the provincial constitution is most unjust to Assam and if Assam goes into section 'C' as provided for by the Cabinet Mission's recommendation, the whole future of Assam will be fraught with the gravest dangers so much so that the very entity of Assam will be at stake. Hence it is resolved that the Assam Provincial Gurkha League representing the Gurkhas in Assam who are the Children of the Soil while supporting the Assam Assembly's mandate to the constituent Assembly members from Assam not to go into section 'C' pledges itself fight to the last to preserve the integrity of Assam and the right of her children to frame their own constitution প্ৰণিধানযোগ্য যে অসম বিধানসভালৈ থলুৱা নেপালী সম্প্ৰদায়ৰ ফালৰ পৰা প্ৰথম বিধায়ক 'শ্ৰমিকপ্ৰাণ' দলবীৰসিং লোহাৰে বিধানসভাৰ মজিয়াত উদাত্ত কণ্ঠেৰে ঘোষণা কৰিছিল এইবুলি — "গুৰ্খালিসকলৰ পক্ষৰ পৰা মই ক'ব পাৰো যে অসমক পাকিস্তানৰ যিকোনো আঁচনিৰ গৰাহৰ পৰা ৰক্ষা কৰিবলৈ এজনো গুৰ্খালিৰ দেহত এটোপাও তেজ থকালৈকে যুঁজ কৰিব। কাৰণ ই বীৰৰ ধৰ্ম, জাতীয় জীৱনৰ অপৰিহাৰ্য কৰ্তব্য"। (দ্ৰষ্টব্য ঃ Debate of the Assam Legislative Assembly, March Session, Volume I No. 3, March 15, 1947, p 244-246)। এইদৰে থলুৱা নেপালী জনগোষ্ঠীয়ে নিজকে অসমীয়াৰ জাতীয় স্বাৰ্থক নিজৰ স্বাৰ্থ বুলি হৃদয়ঙ্গম কৰি তাৰ নিৰাময়ৰবাবে ঠাই বিশেষে ব্যক্তিগতভাৱে মুক্তি সংগ্ৰামত অংশগ্ৰহণ কৰাৰ কথা, বিশেষকৈ অবিভক্ত দৰং জিলাৰ বিষয়ে বিভিন্ন কাকতে-পত্ৰে প্ৰচাৰিত হৈ আহিছে। এই সন্দৰ্ভত

জাগীৰোড কলেজৰ অধ্যাপক পুৰুষোত্তম ভাণ্ডাৰীৰ Freedom Movement and Role of Indian Nepalese 1800-1950, Jagiroad (1996) নামৰ গ্ৰন্থখনি উল্লেখযোগ্য, য'ত কেৱল অসমৰেই নহয় সমগ্ৰ ভাৰতত সিঁচৰিত হৈ থকা নেপালীসকলে স্বাধীনতা আন্দোলনত দেখুওৱা চৰম ত্যাগৰ বিষয়ে বিস্তৃত বিৱৰণ পোৱা যায়। পদ্ধতিগতভাৱে কেতবোৰ আসোঁৱাহ থাকিলেও এইটো অনস্বীকাৰ্য যে উল্লিখিত গ্ৰন্থ ৰচনাৰ যোগেদি ভাণ্ডাৰীয়ে এক দুঃসাহসিক কামৰ পৰিচয় দাঙি ধৰিছে, কাৰণ গ্ৰন্থখনিত থকা দুষ্প্ৰাপ্য ঐতিহাসিক তথ্যসমূহৰ সমাৱেশেই ইয়াৰ জ্বলন্ত সাক্ষী।

দ্বিতীয় বৃহৎ জাতীয় সংকট ১৯৬২ চনৰ ভাৰত-চীন যুদ্ধৰ সময়তো থলুৱা নেপালীসকলে অসম যে তেওঁলোকৰো মাতৃভূমি আৰু নিজেই যে নিভাঁজ অসমীয়া তাৰ প্ৰমাণ নিজা স্থিতিৰ দ্বাৰা ধৰি ৰাখিবলৈ সক্ষম হৈছে। তদানীন্তন অসমৰ কিছু অংশ চীনা সৈন্যৰ অধীনলৈ যাওঁতেই তেতিয়াৰ প্ৰধান মন্ত্ৰী জৱাহৰলাল নেহৰুৱে একপ্ৰকাৰে Goodbye Assam বুলি কোৱাৰ সময়তো ব্যক্তিগতভাৱে ছবিলাল উপাধ্যায়ে অভূতপূৰ্ব উদ্যম আৰু মৰসাহসেৰে ভীতিগ্ৰস্ত জনগণক বিচলিত নহৈ নিজ ঠাই পৰিত্যাগ নকৰিবলৈ প্ৰেৰণা যোগোৱাৰ বিষয়ে এই লেখকে উপাধ্যায়দেৱৰ জীৱনী আৰু কৰ্মৰাজিৰ ওপৰত লিখা 'ককা' ছবিলাল উপাধ্যায়' (আমাৰ অসম ১২ মে' ১৯৯৯) শীৰ্ষক প্ৰবন্ধত বিতংভাৱে আলোচনা কৰিছে। উল্লেখ্য যে চীনা আক্ৰমণৰ সময়ত অসম প্ৰাদেশিক গোৰ্খা লীগে ভাৰত তথা অসমৰ সকলো থলুৱা নেপালীলোকলৈ প্ৰকাশ্যভাৱে আহ্বান জনাই কয় — At this crucial movement we give a clarion-call to the Indian Gurkhas - the loyal citizens of India to stand solidly behind the Government and our beloved Prime Minister Nehru to save the freedom of the country - that is Bharat. We believe that the Indian Gurkhas will not hesitate to shed the last drop of their blood and sacrifice their all for the defence of the country. They will fight to the last and throw out not only the Chinese but any aggressors from any quarter whosoever and whatsoever they may be. (An appeal to the Indian Gurkhas - a leaflet published by Sete Rana. the ther President, Assam Pradeshik Gurkha League, undated)। একেদৰেই তদানীন্তন অসম বিধানসভাৰ নেপালী জনগোষ্ঠীৰ প্ৰতিনিধি 'অসম গান্ধী' বিষ্ণুলাল উপাধ্যায়েও চীনা আক্ৰমণৰ সময়ত অসমৰ থলুৱা নেপালীলোকৰ দায়িত্ব আৰু কৰ্তব্য কেনে হোৱা উচিত সেই সম্পৰ্কে অসম বিধান সভাত বক্তব্য দাঙি ধৰি কয় — This

is a crucial hour for the nation; that is a test for our patriotism, unity and sacrifice for the cause of the country. This is an opportunity for us to show how best the brave children of mother earth can save the sanctity of their mother even at the last of their lives. Time has come for us to sacrifice hundred times greater for preservation of our independence than what we did for the attainment of freedom ... every Nepàli youth is anxious and ready to follow the examples set forth by our brave jawans like Major Dhan Singh Thapa, N.C.O.3 Tulsi Thapa and Naik Robilal Thapa in recent encounters with the Chinese ... they (the local Nepalese) are ready to give last drop of their blood in defending the sovereignty of our land Bharat যি কি নহওক, থলুৱা নেপালীসকলে চীনা আক্রমণ প্রতিহত কৰি অসম তথা ভাৰত মাতৃক ৰক্ষাৰ্থে যি স্থিতি প্ৰদৰ্শন কৰিলে তাৰ কিয়দংশহে এই নিবন্ধটিত দাঙি ধৰা হৈছে। এই প্ৰসংগত আটাইতকৈ মন কৰিব লগীয়া কথা এয়ে যে চীনা আক্ৰমণৰ নিচিনা জাতীয় সংকটৰ বেলিকা সমগ্ৰ অসমৰ থলুৱা নেপালীলোকে ১৯৬২ চনৰ ৯ ডিচেম্বৰত গুৱাহাটীত এখন জৰুৰী সভা অনুষ্ঠিত কৰি এক ঐতিহাসিক প্ৰস্তাৱ গ্ৰহণ কৰে এইবুলি যে — It is the bounden duty of the Nepalese to sacrifice their all and to go ahead of all in the forefront in fight with the Chinese aggressors in defending the sovereignty of their land- Bharat. অৰ্থাৎ 'of their land-Bharat' (The Assam Tribune, 11 December 1962) শব্দকেইটাই নিশ্চয় ইয়াকে বুজাইছে যে ভাৰত— যাৰ এটা অংশ অসম — থলুৱা নেপালী জনগোষ্ঠীৰো নিজা ভূমি। তদ্ৰূপ ১৯৬৫ চনৰ ভাৰত-পাকিস্থান যুদ্ধৰ পাছত বহু পাকিস্থানী প্ৰতিক্ৰিয়াশীল লোকে অসমৰ ভিতৰুৱা অঞ্চললৈ গুপ্তভাৱে প্ৰবেশ কৰি সমাজ-বিৰোধী কামৰ প্ৰতি উচটনি দি দুখীয়া ৰাইজৰ ভূমি দখল কৰিছিল। জাতীয় জীৱনৰ এনে দুৰ্যোগময় সময়ত অসমৰ প্ৰাদেশিক গোৰ্খা লীগৰ হৈ সভাপতি চেতে ৰাণাই নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ১৯৬৫ চনৰ মে'মাহত অসমৰ মুখ্যমন্ত্ৰীলৈ এখন স্মাৰক-পত্ৰ প্ৰদান কৰি কৈছিল যে —That during my tours in various parts of Assam, particularly in the interior areas, I found that Pakistani infiltrator are indulging in all sorts of undesirable and anti-social activities to grab land and secure a status to the great harassment

of the local people mainly poor peasants. I therefore, humbly request you to make an enquiry by an impartial agency preferably by the C.I.D. and the D.C. personally. I can simply say that we shall render every help, if needed, in such enquiry and will be at your back if strong measures are taken to stop similar anti-national activities of these undesirable persons who are airing at bringing the security of the entire state into jeopardy. বিদেশী ৰাষ্ট্ৰ পাকিস্থানে ৰাজ্যৰ নিৰাপত্তা ব্যৱস্থাত বিপদ আনিবলৈ কৰা অভিসন্ধিত অসম প্ৰাদেশিক লীগে নিজৰ স্থিতি ৰাজহুৱা কৰা কাৰ্য সন্দেহাতীতভাৱে অসমৰ প্ৰতি থকা অকৃত্ৰিম স্বদেশপ্ৰেমক প্ৰতিফলিত কৰা নাই নে?

অসমৰ অন্যতম জাতীয় সংকটৰ জন্ম হয় অসমীয়া ভাষাক ৰাজ্যিক ভাষাৰ স্বীকৃতিৰ দাবীক কেন্দ্ৰ কৰি। ৰাজ্যিক ভাষাৰ মৰ্যাদা দাবীৰ প্ৰতি কেতবোৰ সম্প্ৰদায়ৰ সমৰ্থন নাথাকিলেও কিন্তু থলুৱা নেপালীলোকে স্বতঃস্ফূৰ্তভাৱে এই দাবীৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়াই নিজকে অসমীয়া জাতিৰ এৰাব নোৱৰা অংগ যে হয় তাৰে পৰিচয় দিছিল। ১৯৬০ চনৰ ২৪ অক্টোবৰৰ দিনা অসম বিধানসভাত উত্থাপিত The Assam Official Language Bill, 1960 ৰ ওপৰত হোৱা আলোচনাত নিজৰ সম্প্ৰদায়ৰ হৈ বক্তব্য দাঙি ধৰি তদানীন্তন বিধায়ক 'অসম গান্ধী' বিষ্ণুলাল উপাধ্যায়ে কৈছিল ঃ "যিহেতুকে মই নেপালী মানুহ, সেইকাৰণে অসমৰ নেপালীসকলৰ তৰফৰ পৰা দুই আষাৰমান কথা দাঙি ধৰিব খুজিছো। অসমত বহু বছৰ ধৰি বসবাস কৰি অসমকে নিজৰ মাতৃভূমি বুলি গণ্য কৰি অহা নেপালীসকলে অসমীয়াৰ জনমত আৰু আশা-আকাংক্ষাৰ কথা উপলব্ধি কৰিব পাৰিছে। ১৯৫১ চনৰ লোকপিয়লৰ হিচাপ মতে দেখুওৱা নেপালী লোকসকলৰ সংখ্যা ১,১১,৭৫৫ জনৰ সমৰ্থনে যদি অসমীয়া চৰকাৰী ভাষা পৰিগণিত হোৱাত যথেষ্ট শক্তি নাপায়, তেনেহ'লে তেওঁলোকে বিশ্বাস কৰা অনুযায়ী উক্ত সংখ্যাৰ পিছত এটা শূন্য বহুৱাই দিলে যি সংখ্যা হ'ব পাৰে সেইখিনি নেপালীয়ে অসমীয়া ৰাজ্যভাষা হ'বলৈ সহযোগিতা কৰিব বিচাৰিছে"। সমগ্ৰ অসমৰ নেপালী জনগোষ্ঠীক প্ৰতিনিধিত্ব কৰা সকলোৰে নমস্য 'অসম গান্ধী' বিষ্ণুলাল উপাধ্যায়ৰ স্পষ্টীকৰণত কোনো নেপালীৰে আপত্তি নহয়, বৰং পূৰ্ণ সমৰ্থনহে আছিল। তদুপৰি তেতিয়াৰ অসমৰ একমাত্ৰ নেপালী ছাত্ৰ সংগঠন দৰং নেপালী ছাত্ৰ সন্থায়ো ৰাজ্যিক ভাষাৰ সংক্ৰান্তত নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কৈছিল — The Nepalese living in Assam also whole-heartedly support Assamese as the State Language of Assam. Almost all the Nepalese can speak Assamese and majority can also write in it. The Nepali

students as a whole have Assamese vernacular in their schools. (The Assam Tribune, 11 July 1960)। এইদৰে নেপালীসকলে অসম আৰু মিশ্রিত অসমীয়াৰ জাতীয় সংকটত নিজকে অসমীয়া বুলি পৰিচয় দি আহিছে আৰু অনাগত ভৱিষ্যতো দি থাকিব ই ধ্ৰুৱপ।

সি যি কি নহওক, সময়ৰ গতিপথত গৈ থাকোতে অসম আৰু অসমীয়া জাতিয়ে এনে এক ঐতিহাসিক সন্ধিক্ষণত উপস্থিত হ'ল, য'ত দেশ আৰু জাতিৰ অস্তিত্বই বিপদাপন্ন হৈ পৰে। প্ৰতিবেশী ৰাষ্ট্ৰবোৰৰ বিশেষকৈ পূব পাকিস্তান (সম্প্ৰতি বাংলাদেশ) ৰ পৰা হোৱা নিৰৱচ্ছিন্ন আৰু অকৰ্তৃত্বশীল বাংলাদেশী নাগৰিকৰ প্ৰব্ৰজনে অসম আৰু অসমীয়া জাতিৰ প্ৰতি ভাবুকি হৈ পৰা কথাটো উপলব্ধি কৰি সত্তৰ দশকৰ শেহৰফালে সদৌ অসম ছাত্ৰ সন্থা চমুকৈ আছু আৰু গণ সংগ্ৰাম পৰিষদৰ যৌথ নেতৃত্বত ঐতিহাসিক অসম আন্দোলন (১৯৭৯-১৯৮৫) আৰম্ভ হৈছিল। এই আন্দোলনৰ প্ৰথম পৰ্যায়ত পিতৃভূমি নেপাল হোৱা হেতুকে থলুৱা নেপালীলোককো ঠাই বিশেষে আন্দোলনকাৰীসকলে বিদেশীৰ ছাব মৰাতো অনস্বীকাৰ্য। উল্লেখ্য যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° মনিৰুল হুচেইনে 'Nepalis in Assam and Asomiya National Question শীৰ্ষক গৱেষণামূলক গ্ৰন্থত এই সম্পৰ্কে কৈছে যে — The emergence of the Assam Movement on foreigners issue radically transformed the existing relationship between the Nepalis and the Asomiyas in Assam. The Nepalis irrespective of their length of stay in Assam virtually became dangerous unwanted foreigners in Assam who were 'threatening the socio-cultural and political identity of the Asomiyas in their homelland. The powerful Asomiya bourgeois press successfully labeled all the Nepalis in Assam as foreigners (See, Mainstream, Volume XXVII No.29 15 April 1989 p 17)। এনে কাৰণতে একাংশ থলুৱা নেপালীলোক ভীতিগ্ৰস্ত হৈ স্থাৱৰ-অস্থাৱৰ সকলো সম্পত্তি বিক্ৰী কৰি নেপাললৈ গুচি যায় বুলি জানিব পৰা গৈছিল। আনহাতে, যিসকল থলুৱা নেপালীলোকে নিজকে হাড়ে-হিমজুৱে অসমীয়া বুলি দাবী কৰিব পৰা অৱস্থাত আছিল, তেওঁলোক কিন্তু বিচলিত নহ'ল; বৰং প্ৰকৃত বিদেশী খেদিবৰ উপলক্ষে আন্দোলনত জঁপিয়াই পৰে। উল্লেখ্য যে বিহালীৰ অসম প্ৰেমী বিপ্লৱী 'ককা' ছবিলাল উপাধ্যায়ে অসম আন্দোলন সংক্ৰান্তত দৃঢ়ভাবে কয় যে — 'অসম মোৰ মাতৃভূমি, মোৰ পূৰ্বপুৰুষ কোনো একালত নেপালত থকা হেতুকে সেইখন মোৰ পিতৃভূমি হ'ব পাৰে। কিন্তু সেই দেশৰ লগত

মোৰ সম্প্ৰতি কোনো সম্পৰ্ক নাই। অসম আন্দোলনহে মোৰ আন্দোলন' (দ্ৰষ্টব্য ঃ দৈনিক অসম ২৪ ডিচেম্বৰ ১৯৭৯)। কাৰণ তেওঁলোক দৃঢ়বিশ্বাসী যে অসম আৰু অসমীয়া জাতি থাকিলেহে থলুৱা নেপালী জনগোষ্ঠীৰো স্বকীয় সত্তা থাকিব। ভাবিলে অবিশ্বাস্য যেন লাগিলেও অসম আন্দোলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি মুঠ ছয়গৰাকী থলুৱা নেপালী সন্তানে জীৱন উছৰ্গা কৰে। তেওঁলোক হ'ল — ধন বাহাদুৰ ছেত্ৰী (বকো), কুল বাহাদুৰ ছেত্ৰী আৰু পদ্ম বাহাদুৰ ছেত্ৰী (লখিমপুৰ), ক্ষীৰোদ বাহাদুৰ তামাং (গোৱালপাৰা), বৈজয়ন্তীমালা দেৱী (তেজপুৰ) আৰু ভীম বাহাদুৰ তামাং (গহপুৰ)। এই ছয়গৰাকী নেপালী সম্প্ৰদায়ৰ অসমী সন্তানক আন্দোলনকাৰী সংগঠনসমূহেও জাতীয় ছহিদ বুলি ঘোষণা কৰিছে। (দ্ৰষ্টব্য ঃ The Assam Tribune, Special Supplement, 14 August 1997)। প্ৰণিধানযোগ্য যে ছহিদ বৈজয়ন্তীমালা দেৱীৰ স্মৃতিৰ প্ৰতীক স্বৰূপে তেজপুৰ টাউনৰ চান্দমাৰী এলেকাত 'বৈজয়ন্তীমালী দেৱী উদ্যান' আছুৰ দ্বাৰা নিৰ্মাণ কৰা হৈছে। অৱশ্যে উল্লিখিত থলুৱা নেপালী বংশোদ্ভৱ অসমী সন্তানে জাতীয় ছহিদৰ মৰ্যাদা লাভ কৰিলেও এইটো অনস্বীকাৰ্য যে Indo-Nepal Treaty of Peace and Friendship, 1950 ৰ সহায়ত নেপালী নাগৰিকে ভাৰতলৈ আৰু ভাৰতৰ নাগৰিকে নেপাললৈ মুক্তভাৱে অহা-যোৱা, বেপাৰ-বাণিজ্য, চাকৰি আৰু বসতি স্থাপন কৰিব পাৰে। এই চুক্তিৰ সুযোগ লৈ কিছু অবৈধ নেপালী নাগৰিকে ভাৰতৰ বিভিন্ন অংশৰ লগতে অসমলৈ প্ৰব্ৰজিত হৈ আছে বুলি খবৰ কাগজত মাজে-সময়ে প্ৰতিবেদন পোৱা দেখা যায়। এনে অবৈধ নেপালী প্ৰব্ৰজনৰ ফলত অসমৰ থলুৱা নেপালী জনগোষ্ঠীৰ স্বাৰ্থকে আদি কৰি অসম আৰু অসমীয়া জাতিসত্তাৰ প্ৰতি ভাবুকি নহওক- এনে সু-চিন্তা ইয়াৰ নেপালী সংগঠনসমূহে উপলব্ধি কৰিবলৈ সক্ষম হোৱা দেখা যায়। সদৌ অসম নেপালী ছাত্ৰ সংস্থাই (১৯৭৬) বাৰম্বাৰ দাবী জনাই আহিছে — The 6 and 7 Article of the Indo-Nepal Treaty of Peace and Friendship, 1950 be repealed and visa-passport system be introduced between the two countries. উল্লেখ্য যে বিগত ২০০০ চনৰ দুই জানুৱাৰীৰ দিনা নেপালৰ ৰাজধানী কাঠমাণ্ডুত অনুষ্ঠিত Indo-Nepal Treaty of 1950 and Nepalese in India শীৰ্ষক আন্তঃৰাষ্ট্ৰীয় আলোচনা-চক্ৰত সদৌ অসম নেপালী ছাত্ৰ সংস্থাৰ তদানীন্তন সভাপতি হৰ্ক বাহাদুৰ ছেত্ৰীয়ে এই চুক্তিৰ ছয় আৰু সাত দফা, যিয়ে দুয়ো দেশৰ নাগৰিকক পাৰস্পৰিকভাৱে মুক্ত চলাচল নিশ্চিত কৰে, তাক বাতিল কৰাৰ সপক্ষে যুক্তি দাঙি ধৰিছিল। (দ্ৰষ্টব্য ঃ 'সোণশিৰি' স্মৃতিগ্ৰন্থ, ২০ তম দ্বিবাৰ্ষিক অধিৱেশন গোগামুখ ২০-২৩ এপ্ৰিল ২০০০ পৃঃ ৪৫-৪৭)। অৰ্থাৎ নেপালী ছাত্ৰ সংস্থাই অসমলৈ নেপালৰ নাগৰিকৰ প্ৰব্ৰজন বন্ধ

কৰিবলৈ সংশ্লিষ্ট ৰাজনৈতিক কৰ্তৃপক্ষৰ ওচৰত বাৰম্বাৰ দাবী জনাই আহিছে। তদুপৰি অসমলৈ অবৈধভাৱে (?) প্ৰব্ৰজিত হোৱা নেপালী নাগৰিকসকল অনতিপলমে অসম ত্যাগ কৰিবলৈ 'অসম জনকল্যাণ নেপালী সংঘ'য়ো দাবী কৰিছিল এইবুলি — The Nepali nationals coming from Nepal recent years must leave the land at once. The sun for roaming about in search of livelihood for them has already set in the entire India. The Sangha further, appeals both the Governments at the center as well as the State to treat Indian Nepalese at par with other respectable communities of the land. This will surely help strengthen the sense of belongingness of the land and the society. (**দ্ৰষ্টব্য ঃ Letter to the Editor, Neglected Community, The Sentinel 9 May 1986**)। এনে পৰিপ্ৰেক্ষিতত এইটো নিশ্চিত যে থলুৱা নেপালীলোকে স্বাধীনতা আন্দোলনকে আদি কৰি অসমৰ প্ৰতিটো জাতীয় সংকটৰ বেলিকা নিজকে অসমী আইৰ সুযোগ্য সন্তান বুলি চিনাকি দি আহিছে। কিন্তু এনে স্বত্বেও এচাম অসমীয়া উগ্ৰজাতীয়তাবাদীয়ে থলুৱা নেপালীসকলৰ প্ৰতি কৰা অপ্ৰত্যাশিত অন্যায়, অবিচাৰ আৰু বঞ্চিতকৰণে তেওঁলোকৰ মনৰ শংকা আৰু সন্দেহ দূৰীকৰণত বাধাৰ হেঙাৰ সৃষ্টি কৰি আহিছে। উদাহৰণ স্বৰূপে ক'ব পাৰি যে আনকি সুদূৰ ১৯৬৮ চনৰ মাৰ্চ মাহত গুৱাহাটীস্থ 'লাচিত সেনা' নামৰ জংগী জাতীয়তাবাদী সংগঠনে ডিগবৈৰ নেপালী বিষ্ণু মন্দিৰৰ সম্পাদকলৈ লিখা চিঠিৰ ভাষা আছিল এনে ধৰণৰ — It is hereby notified that all non-Assamese (Nepali, Bengali, Punjabi, Marwari, Madrasi etc.) persons those who are holding offices irrespective of categories, departments, business, professions etc in Assam should vacate their respective offices including holding of exceeding to the date of 30th June of 1968 and to go away to their own homeland. The non-implementation of this notice shall be dealt with severely for which we shall never hold responsible for and direct action sponsored by this organization. তদুপৰি দুলীয়াজানৰ পৰা প্ৰকাশিত 'দেশৰ প্ৰগতি' (২২ জুলাই ১৯৯৩ সংখ্যা) কাকতৰ চিঠি-পত্ৰ শিতানত "নেপালী ছাত্ৰ সন্থাৰ অসম চৰকাৰ মূৰ্দাবাদ ধ্বনি দিয়াৰ অধিকাৰ আছেনে"? শীৰ্ষক বিষয়ৰ ওপৰত হোৱা বিতৰ্কত ভাগ লৈ অৰিন্দম গোস্বামী আৰু ইউৰেকা বৰদলৈদ্বয়ে আপত্তি কৰি কয় যে

— "নেপালীসকলৰ বাবে নেপাল এখন সুকীয়া দেশ আছে আৰু তেওঁলোক প্ৰব্ৰজন কৰি অসমলৈ আহিছে। নেপালীসকলৰ দেশ নেপাল। তেওঁলোকৰ Assam is our Motherland বোলাৰ কোনো অধিকাৰ নাই ... কছাৰী ৰাজকন্যা ৰাজলক্ষ্মীৰ লগত যোৱা কছাৰী বংশধৰ কেইজনে নেপালত গৈ কোনো অসমীয়া সংগঠন খুলি Nepal is our Motherland বুলি বা নেপাল চৰকাৰ মুৰ্দাবাদ ধ্বনি দি চিঞৰি ফুৰা নাই। কিন্তু আপোনালোকে Assam is our Motherland বুলি চিঞৰি অসমত নেপালী সংগঠন খুলি অসমৰ আকাশ বতাহ কলুষিত কৰি তুলিছে আৰু আপুনি মিতিৰ কুটুম্বৰ সূত্ৰেই বিদেশী নহয় বুলিলেই আমি মানি ল'মনে"? ইত্যাদি। তদ্ৰূপ বড়ো স্বায়ত্ব শাসিত পৰিষদ (Bodo Autonomous Council আৰু সম্প্ৰতি Bodo Territorial Council)ৰ প্ৰস্তাৱিত এলেকাৰ পৰা ১৯৯৫ চনৰ ৫ জানুৱাৰীৰ ভিতৰত থলুৱা নেপালীলোকে নিজকে বিতাড়িত অৰ্থাৎ সেইস্থান ত্যাগ কৰিব লাগে বুলি কোনো দুস্কৃতিকাৰীয়ে বিভিন্ন ঠাইত প'ষ্টাৰ লগাই নেপালীলোকৰ মাজত সাময়িক ভাৱে হ'লেও ভয় আৰু আতংকৰ সৃষ্টি কৰা দেখা গৈছিল (**দ্ৰষ্টব্য ঃ সাপ্তাহিক বাতৰি, গুৱাহাটী, ২৯ ডিচেম্বৰ ১৯৯৪**)। এনে উদাহৰণ যে আৰু বহুত আছে সেইবোৰ ইয়াত বিস্তৃতভাৱে উল্লেখ কৰাৰ ধৃষ্টতা নাই। তৎস্বত্ত্বেও এই সংক্ৰান্তত এটা ঘটনা উল্লেখ নকৰাকৈ থাকিব নোৱাৰি। সত্যনিষ্ঠ সাংবাদিকতাত উৎসৰ্গিত দৈনিক কাকত **'আমাৰ অসম'ৰ 'সম্পাদকলৈ চিঠি'** শিতানত দুবাৰকৈ (২০ জুলাই ১৯৯৯ আৰু ১১ এপ্ৰিল ২০০০) প্ৰকাশিত দৰং জিলাৰ টংলাৰ নৰ বাহাদুৰ ছেত্ৰীয়ে লিখা **'মই অসমীয়া নে নেপালী'** শীৰ্ষক চিঠিয়ে যিকোনো বিবেকসম্পন্ন থলুৱা নেপালীলোকৰ মনত ক্ষোভ, শংকা আৰু সন্দেহৰ ভাব উদ্ৰেক কৰাটো তেনেই স্বাভাবিক। নৰ বাহাদুৰ ছেত্ৰীৰ পুত্ৰই নিয়োগ বিনিময় কেন্দ্ৰৰ কাৰ্যালয়লৈ গৈ নাম পঞ্জীভুক্ত কৰাব নোৱাৰিলে; কাৰণ তথাকথিত অসমীয়া বিষয়াই 'ছেত্ৰী' নেপালীলোক বুলি নাম পঞ্জীয়ন কৰিবলৈ অনুমতি নিদিলে। সেয়েহে খিলঞ্জীয়া অসমীয়াসকলে জাতীয় সংকটৰ সময়তেই নহয়, শান্তিৰ সময়তো থলুৱা নেপালী জনগোষ্ঠীক বিশ্বাসত নল'লে আৰু সাংবিধানিকভাৱে প্ৰাপ্য সকলো সা-সুবিধাৰ বেলিকা উগ্ৰ সাম্প্ৰদায়িক ভিত্তিত বঞ্চিত কৰিলে নৰ বাহাদুৰ ছেত্ৰীয়ে কোৱাৰ দৰে সকলোৱে ভাবিবলৈ বাধ্য হ'ব যে 'অনা-অসমীয়াসকলে কেতিয়াও অসমীয়া হোৱাৰ অলীক সপোন ৰচনা নকৰে', যি অৱশেষত বৃহত্তৰ অসমীয়া জাতি গঠন-প্ৰক্ৰিয়াতে কেৰোণ লগাব, যাৰ বাবে দায়ী হ'ব লাগিব খিলঞ্জীয়া অসমীয়াভাষী লোক নিজেই ।

আমাৰ অসম, ১৪ চেপ্তেম্বৰ, ২০০০

অসমৰ অৰ্থনৈতিক বিকাশত থলুৱা নেপালী

ইতিহাসৰ বিভিন্ন পৰ্যায়ত বিভিন্ন কাৰণত অসমলৈ প্ৰব্ৰজিত হৈ কালক্ৰমত নিগাজীকৈ স্থাপিত হোৱা একাধিক জনগোষ্ঠীসমূহে পৰৱৰ্তীকালত ইয়াৰ অৰ্থনৈতিক উন্নয়নত কম-বেছি পৰিমাণে অৱদান যোগাই অহাতো অনস্বীকাৰ্য। অৱশ্যে এইখিনিতে এটা কথা স্পষ্টকৈ কোৱাতো যুগুত হ'ব যে অৰ্থনৈতিক বিকাশ বুলি ক'লে ৰাজকোষলৈ ৰাজহ দিয়াটোকে নুবুজায়। বৰঞ্চ অসমৰ সমূহ জনসাধাৰণৰ পাৰ্থিৱ চাহিদা পূৰণ অৰ্থাৎ সামগ্ৰিক স্বাৰ্থ পূৰণ কৰাতোকো বুজায়। চাহ জনগোষ্ঠীকে আদি কৰি পূৰ্বৰ পূৰ্ববংগৰ পৰা অভিবাসী মুছলমানসকলে অসমৰ অৰ্থনৈতিক উন্নয়নত যি অনবদ্য ভূমিকা লৈছিল আৰু অদ্যাপি লৈ আছে সি সৰ্বজনবিদিত। এনে প্ৰেক্ষাপটত এই কথা ন-দি ক'ব পাৰি যে আদিতে বিভিন্ন ঐতিহাসিক কাৰণত প্ৰব্ৰজিত হৈ কালক্ৰমত অসমৰ থলুৱালোক হৈ পৰা নেপালী জনগোষ্ঠীও এই ক্ষেত্ৰত ব্যতিক্ৰম নহয়। ব্ৰিটিচ শাসনকালৰ পৰাই অসমত নেপালীসকলে বিশেষকৈ উজনি অসমৰ মাৰ্ঘেৰিটা, লিডু, লেখাপানী, টিংপা, টিকাক, নামডং, টিৰাপ অঞ্চলসমূহত তথা কয়লাখনিত মজদুৰৰূপে কাম কৰিছিল। ব্ৰিটিচ শাসকে নিয়োগ কৰা নেপালী ঠিকাদাৰ, যেন — বাহাদুৰ লামা, খামচুং লামা, তি.বি. প্ৰধানহঁতে নেপালৰ পৰা দুখীয়া আৰু অশিক্ষিত লোকক ফুচুলাই অসমলৈ আনি কমিচনৰ বিনিময়ত **'আসাম ট্ৰেডিং কোম্পানী লিমিটেড'ৰ** অধীনত চলা কয়লাখনিসমূহত কাম কৰোৱাইছিল। এনে বিপদজনক কামত বহু নেপালীলোকে কৰ্মৰত অৱস্থাত কয়লাখনিৰ ওপৰৰ মাটি খহি পৰোতে কয়লাখনিবোৰতেই প্ৰাণ বিসৰ্জন দিবলগীয়া হৈছিল। "মৰে ভনে খোজি ছইন্; বাঁচে ভনে কয়লা খন্" (অৰ্থাৎ মৰিলে কোনো বিচাৰ নাই; বাচি থাকিলে কয়লা খন্দাৰ অন্ত নাই) আদেশৰ ওচৰত নতশিৰ হৈ নিঃকিন নেপালীলোকে ভৃত্যৰ দৰে কয়লাখনিসমূহত তেওঁলোকৰে সতি-সন্ততিয়ে পুৰুষৰ পিছত পুৰুষ ধৰি শ্ৰমিকৰূপে কাম কৰি ৰাজ্য তথা দেশৰ অৰ্থনীতিক ত্বৰান্বিত কৰিছে (**দ্ৰষ্টব্য ঃ টুটু থাপা ঃ আসামকা কয়লাখানিমা গোৰ্খালীহৰু, ভাৰতীয় নেপালী বাঙময়, প্ৰৱেশাংক, ১৯৯০, দাৰ্জিলিং, পৃঃ ৪-৫**)।

দ্বিতীয়তে এই কথা সৰ্বজনবিদিত যে নেপালীলোক অত্যন্ত পৰিশ্ৰমী, কৰ্মনিষ্ঠ আৰু স্বাৱলম্বী। নেপালী সমাজত ভিক্ষা বৃত্তিধাৰী লোক নাই বুলি ক'লেও অত্যুক্তি কৰা নুবুজায়। সেয়েহে অসমৰ আবাদী মাটিবিলাকত খেতি-বাতি কৰাৰ আগতে গাই-

গৰু পালন কৰি গাখীৰ বিক্ৰী কৰিও জীৱিকা নিৰ্বাহ কৰা প্ৰতিজন অসমবাসীৰে দৃষ্টিগোচৰ নোহোৱা নহয়। এই প্ৰসংগতে উল্লেখ্য যে ১৯শ শতিকাত মানৰ আক্ৰমণ আৰু মোৱামৰীয়া বিদ্ৰোহৰ ফলত অসমৰ মুঠ জনসংখ্যা বহুলাংশে কমি গৈ প্ৰদেশখন এক জংঘললৈ ৰূপান্তৰিত হৈছিল। তেনে পৰিস্থিতিত তদানীন্তন এচাম শিক্ষিত অসমীয়া মধ্যবিত্ত শ্ৰেণীয়ে বিশ্বাস কৰিছিল যে বাহিৰৰ পৰা অসমলৈ লোক প্ৰব্ৰজন নঘটিলে অসমৰ অৰ্থনৈতিক বিকাশ সম্ভৱ নহ'ব। অসমীয়া বুদ্ধিজীৱী গুণাভিৰাম বৰুৱাই এই সংক্ৰান্তত হিচাপ কৰি দেখুৱাইছিল যে অসমত কমেও এক নিযুত লোকক বাহিৰৰ পৰা আনি সহজেই সংস্থাপিত কৰিব পৰা যায়। কাৰণ তদানীন্তন অসমত এঁহাতেদি পৰ্যাপ্ত পৰিমাণৰ আবাদী ভূমি আৰু আনহাতেদি জনশক্তিৰ অভাৱ আছিল (দ্ৰষ্টব্য ঃ Amalendu Guha, Planter Raj to Swaraj : Freedom Struggle and Electoral Politics 1826-1947, New Delhi, 1977, p.68)। ইয়াৰ পৰা এই কথাৰ অনুমান কৰিব পাৰি যে বাহিৰৰ পৰা লোক প্ৰব্ৰজনৰ কাৰণে সমসাময়িক অসমৰ আৰ্থ-সামাজিক বাতাবৰণ অনুকূল আছিল। ফলত মুছলমানলোকৰ প্ৰব্ৰজনৰ লগতে অসমলৈ নেপালীলোকৰো প্ৰব্ৰজন ঘটাতো স্বাভাৱিক। আমোদজনক কথা এয়ে যে কুৰি শতিকাৰ প্ৰথমাৰ্ধতো প্ৰব্ৰজনকাৰীসকলৰ পৰাও যে অসম উপকৃত হৈছিল সেই কথাকে স্বীকাৰ কৰি প্ৰব্ৰজন প্ৰক্ৰিয়াক তীব্ৰভাৱে বিৰোধিতা কৰা মধ্যবিত্ত অসমীয়া সমাজৰ মুখপত্ৰ 'The Assam Tribune'-এ ১৯৩৯ চনৰ পহিলা ছেপ্টেম্বৰৰ সংখ্যাতে স্পষ্টভাৱে কৈছিল যে — 'The immigrants served four useful purposes : (i) they transformed the large tracts of waste lands into fertile fields and increased goverment revenue, (ii) they introduced jute as a commercial crop in Assam, (iii) they made milk, vegetables etc cheaper peasants from their age-old sleep and laziness and showed them the meaning of hard-work. ('Weekly Comments' The Assam Tribune, 1st September 1939, p-5 cited in Girin Phukan's Assam's attitude to federalism, New Delhi, 1984, p-37)। এনে পটভূমিৰ পৰিপ্ৰেক্ষিতত ক'ব পাৰি যে একালৰ প্ৰব্ৰজনকাৰী নেপালীসকলেও অনাধিকৃত ভূমিবিলাকত খোপনি পুতি গাই-গৰু পালন আৰু বিভিন্ন প্ৰকাৰৰ খেতি-বাতি কৰি অসমৰ ৰাজকোষলৈ অবদান আগবঢ়োৱাৰ লগতে কৃষিজাত সামগ্ৰীৰ চাহিদা পূৰণ কৰিছিল। নিজৰ উপস্থিতিৰ দিনৰ পৰাই গাই-গৰু পালন কৰি অবিৰতভাৱে অসমবাসীক নেপালীলোকে দুগ্ধ যোগান ধৰি অহা কথাটোকে অকপটভাৱে স্বীকাৰ কৰি অসম সাহিত্য সভাৰ এগৰাকী ভূতপূৰ্ব সভাপতি

তীৰ্থনাথ শৰ্মাই কৈছে — "তেওঁবিলাকে (নেপালীলোকে) খেতি-পথাৰ কৰে, গো-পালন কৰে আৰু স্থলবিশেষে শ্ৰমিকৰূপেও কাম কৰে। অসমৰ অৰ্থনীতিত এওঁবিলাকৰ দান অপৰিসীম। বিশেষকৈ গাখীৰৰ উৎপাদনত নেপালীসকল নহ'লে অসমৰ হাত-ছিগা ধৰণৰ হ'ব ... গুৱাহাটীৰ আশে-পাশে যিবোৰ ঠাইত সৰহীয়াকৈ গো-পালন কৰা হৈছে সেইবোৰ দেখিলে এই কথাই প্ৰমাণিত হয়। চৰকাৰী পশুপালন বিভাগেও বোধকৰো এই কথা স্বীকাৰ কৰিব। এই নেপালীসকলে অসমক শোষণ কৰা নাই। অসমৰ প্ৰাকৃতিক সম্পদক কামত খটাই অসমৰ লোকক মৰ্তাৰ উৎকৃষ্ট আহাৰ দুগ্ধৰ যোগান ধৰিছে, অসমৰ অৰ্থনীতিক পোষণ কৰিছে।" (তীৰ্থনাথ শৰ্মা, অসমত নেপালী, স্মৃতিগ্ৰন্থ, অসম গোৰ্খা সন্মিলন, ১৬ তম বাৰ্ষিক অধিবেশন, গুৱাহাটী, ১৯৭৬, পৃঃ ২৬-২৭)। তদুপৰি অসম চৰকাৰৰ ৰাজকোষলৈ গো-পালক নেপালী গ্ৰেজিয়াৰ লোকে কিদৰে বৰঙণি আগবঢ়াইছিল সেই কথা প্ৰখ্যাত সমাজ বিজ্ঞানী ড° অমলেন্দু গুহই উল্লেখ কৰি কৈছে যে — 'The total revenue of Rs 277 thousand collected in 1919-20 from grazing fees was accounted for by only one and a quarter lac of cattle annually assessed in that year under rules. The overwhelming bulk of these cattle again belonged to 6, 3, 1, 9 professional grazing of whom excepting' a few hundred, all were Nepali migrants. (দ্ৰষ্টব্য ঃ Amalendu Guha, Planter Raj to Swaraj, পূৰ্বোক্ত, পৃঃ ৯৩)। এইদৰেই তদানীন্তন অসমলৈ যিমানেই বেছি সংখ্যক নেপালীলোকৰ প্ৰব্ৰজন হৈছিল সিমানেই বেছি অসম চৰকাৰে গ্ৰেজিং মাচুলৰ দ্বাৰা ৰাজহ সংগ্ৰহ কৰি ৰাজকোষ টনকিয়াল কৰিবলৈ সমৰ্থ হৈছিল। এই সন্দৰ্ভত ড° অমলেন্দু গুহই আকৌ উল্লেখ কৰিছে যে — 'The Grazing Rules, which were framed in 1911, were somewhat modified after an official enquiry in 1915 under the pressure of public opinion ... Though initially an insignificant source of Government revenue, these graziers fees were indeed an expanding source because of a steady rise in the immigration of Napali graziers into the Brahmaputra Valley led to an increased cattle population and milk production. The number of Nepal-born persons in Assam increased from 21,000 in 1901 to 88,000 in 1931. All these factors were conducive to an overall economic growth'. (দ্ৰষ্টব্য ঃ Amalendu Guha, পূৰ্বোক্ত, পৃঃ ৯২-১০২) এনেবোৰ কাৰণতে চাগে অসম চৰকাৰে

সুদূৰ ১৮১৮ চনতেই তেজপুৰস্থ ব্ৰহ্মপুত্ৰ নদীৰ বুঢ়া চাপৰিত Professional Grazing Reserve বুলি স্বীকৃতি দিছিল যাতে গ্ৰেজিং মাচুলৰ সৰ্বমুঠ পৰিমাণ বৃদ্ধি কৰি ৰাজকোষ টনকিয়াল কৰিব পৰা যায়। যি নহওক, এই বুঢ়া চাপৰিত অসমীয়া ভাষী আৰু মিছিং জনজাতিলোকেও ইয়াত গাই-গৰু পালন কৰি তাৰ পৰা উৎপন্ন হোৱা দুগ্ধ বিক্ৰী কৰি জীৱিকা নিৰ্বাহ কৰাৰ উপৰিও চৰকাৰৰ ঘৰলৈ খাজনা আদায় দিছিল। তদ্ৰূপ বিহালীৰ মুক্তি যুঁজাৰু 'ককা' ছবিলাল উপাধ্যায়ৰ নেতৃত্ব আৰু পৰিচালনাত -Ama Chapari-এও খাজনা আদায়ৰ যোগেদি চৰকাৰলৈ খাজনা আদায় দিছিল। পৰৱৰ্তীকালত ১৯৩৩ চনত 'ককা' ছবিলাল উপাধ্যায় আৰু 'জনসেৱক' প্ৰসাদসিং চুব্বা আৰু কবি পুষ্পলাল উপাধ্যায়ৰ উদ্যোগত তেজপুৰৰ অন্তৰ্গত শিঙৰী গাঁৱত 'Tezpur Graziers Co-operative Association' (পাছত 'Assam Graziers Association' নামেৰে পুনঃ নামকৰণ) গঠন কৰা হৈছিল। এই এছ'চিয়েচনৰ লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে পুৰুষোত্তম ভাণ্ডাৰীয়ে উল্লেখ কৰিছে এনে ধৰণেৰে — (i) Protection and preservation of Graziers land of Assam, (ii) To stop cultivation in the Professional Graziers Reserve, (iii) Prevention of immigrants in Burachapari, (iv) Protection of forests of Assam for the survival of Nepali community of Assam, (v) Involvement of domicile Nepalese of Assam in the freedom and (vi) Preservation of social integration between in Assamese and Nepali communities (দ্ৰষ্টব্য ঃ Purushttam Bhandari, Freedom Movement and Role of Indian Nepalese 1800-1950, Guwahati, 1996 p-88)। এই প্ৰতিষ্ঠানটোৰ ঘাই উদ্দেশ্য আছিল দুখীয়া গ্ৰেজিয়াৰসকলৰ গাই-গৰু আৰু ম'হবিলাকক ৰক্ষণাবেক্ষণ প্ৰদান কৰা আৰু সেইবিলাকৰ পৰা উৎপাদন হোৱা গাখীৰ, দৈ, ঘিউ, মাখন আদি উচিত মূল্যত বিক্ৰী কৰাৰ নিশ্চিতকৰণ কৰা। গো-পালন আৰু দুগ্ধ বেপাৰত অভ্যস্ত হোৱা নেপালীলোকক আজিও গুৱাহাটী চহৰৰ আশে-পাশে আৰু উপকণ্ঠ অঞ্চলত গাই-গৰু পালন কৰি চহৰৰ হোটেলবোৰৰ উপৰিও অসমীয়া চাকৰিয়াল মধ্যবিত্ত শ্ৰেণীক পুষ্টিকৰ খাদ্য গাখীৰৰ যোগান ধৰি থকাতো গুৱাহাটীবাসীয়েই নহয়, এই চহৰলৈ যোৱা প্ৰত্যেক ব্যক্তিয়েই প্ৰত্যক্ষ কৰিছে। যথাৰ্থতে তেওঁলোকে পৰম্পৰাগতভাৱে দুগ্ধ যোগানেৰে grazing fee আদায় দিয়াৰ লগতে ৰাজ্যৰ গাখীৰৰ চাহিদা বহুলাংশে পূৰণ কৰি আহিছে।

তৃতীয়তে নেপালীলোক কঠোৰ পৰিশ্ৰমী, মৰ-সাহসী আৰু অত্যন্ত বিশ্বস্ত বুলি সমাজত এক সুনাম আছে। কঠোৰ পৰিশ্ৰমী হোৱা হেতুকে তেওঁলোক কৃষি অৰ্থনীতি

বিশেষকৈ কুঁহিয়াৰ খেতিৰ সৈতে পৰম্পৰাগতভাৱে জড়িত। অসমীয়া লোকৰ বাৰীত এজোপা হ'লেও তামোল গছ থকাতো যিদৰে এক সামাজিক ঐতিহ্য হৈ পৰিছে, ঠিক একেদৰেই প্ৰতি নেপালী পৰিয়ালৰ ঘৰত কুঁহিয়াৰ বাৰী থকাতো আজি কিছুদিন আগলৈকে এক পৰম্পৰা বুলি গণ্য কৰা দেখা গৈছিল। কুঁহিয়াৰ খেতি আৰু তাৰ পৰা ভাটীত গুৰ তৈয়াৰ কৰা বুলিলে গ্ৰামাঞ্চলত নেপালীলোকৰ কথাকেই মনত পৰে। আন কথাত, অসমৰ নেপালী বসতি প্ৰধান গাঁওবোৰত কুঁহিয়াৰ খেতি তেওঁলোকৰে একচেটিয়া খেতি বুলি ক'ব পাৰি। খৰালি মাহত নেপালী গাঁওবোৰলৈ গ'লে গুৰ সিজাই থাকোঁতে তাৰ পৰা ওলোৱা সু-গন্ধৰে গোটেই গাঁওখন মলমলাই থাকে। অৱশ্যে আজিকালি কুঁহিয়াৰৰ সলনি ক্ষুদ্ৰ চাহ খেতি কৰা দেখা গৈছে। যি নহওক, কুঁহিয়াৰ খেতিৰ দ্বাৰা অসমৰ গুৰৰ চাহিদা নেপালীলোকে বহুখিনি পূৰণ কৰাতো অনস্বীকাৰ্য্য। এই লেখকেই ল'ৰালিকালৰ পৰাই ক্ষুদ্ৰ আকাৰত হ'লেও কুঁহিয়াৰ খেতিৰ সৈতে জড়িত। কুঁহিয়াৰৰ ৰস সিজাই গুৰলৈ ৰূপান্তৰিত হওঁতে ওচৰ-পাঁজৰৰ লোক গুৰৰ ভাটাত একগোট হৈ গৰম গৰম গুৰ খোৱা স্মৃতি এতিয়াও সজীৱ হৈ আছে। আমি বনোৱা গুৰ গাঁৱৰ দেছুৱালী মহাজনে নি গাঁৱতেই বিক্ৰী কৰিছিল। তদুপৰি বিভিন্ন শাক-পাচলিৰ খেঁতি কৰা কামতো পাকৈত আছিল। এই সংক্ৰান্তত থলুৱা নেপালী লেখক ৰণজীৱ কুমাৰৰ ভাষাতেই কওঁচোন — 'স্বভাৱত গো-পালক আৰু শালি খেতিয়ক হোৱাৰ বাবে নেপালী প্ৰব্ৰজনকাৰীসকলে ব্ৰহ্মপুত্ৰ পাৰৰ সাৰুৱা অঞ্চলসমূহক নিজৰ বাসস্থান হিচাবে বাছি লয়। সেয়েহে অসমৰ কৃষি অৰ্থনীতিত নেপালী জনসাধাৰণৰ অৱদান যথেষ্ট আছে.... নেপালীসকল শাক-পাচলি নতুবা তেনেজাতীয় খেতিত অতি পাৰ্গত। অৰুণাচল প্ৰদেশৰ দৈমুখ আৰু বান্দৰদেৱা গেটত পাচলিৰ বজাৰখন শোণিতপুৰ জিলাৰ কেইখনমান নেপালীভাষী গাঁৱৰ দ্বাৰাই নিয়ন্ত্ৰিত হয়। ঠিক তেনেদৰে যোৰাবাট (গুৱাহাটী গৈ পোৱাৰ আগতে থকা অঞ্চল) অঞ্চলৰ নেপালী ভাষীৰ জুপুৰী ঘৰবোৰেই গুৱাহাটী মহানগৰীৰ প্ৰয়োজনীয় গাখীৰ যোগানৰ প্ৰধান কেন্দ্ৰ (**শ্ৰীময়ী, অসমৰ নেপালী সম্প্ৰদায় বিশেষ সংখ্যা, ৮ম বছৰ, ১০ম সংখ্যা, ১-১৫ ডিচেম্বৰ ১৯৯৪ পৃঃ ৪৮**)। তদ্ৰূপ প্ৰখ্যাত সমাজ-বিজ্ঞানী ড° অমলেন্দু গুহৰ ভাষাতেই ক'বলৈ গ'লে — 'নেপালী আগমনৰ ফলত অসমৰ জনসাধাৰণৰ অপকাৰতকৈ উপকাৰহে বেছি হৈছে। নেপালী অভিবাসীসকলে উন্নতজাতৰ গৰু-ম'হ আমদানি কৰে আৰু পশু-পালনৰ বিস্তাৰ ঘটাই অসমৰ কৃষি অৰ্থনীতিৰ প্ৰভূত উন্নতি কৰিছিল। তেওঁলোকেই অসমৰ ৰাইজক গাখীৰ খুৱাই আছে বুলি ক'লে অত্যুক্তি নহয়। দ্বিতীয়তে, গৰু-ম'হ লৈ তেওঁলোকে বিভিন্ন অঞ্চলত ঘূৰি ফুৰাৰ ফলত বহু ঠাইত গোবৰৰ সংমিশ্ৰণত মাটিৰ উৎপাদিকা শক্তি বৃদ্ধি পাইছে। নেপালীসকলে এসময়ত ঝুম পদ্ধতিত কুঁহিয়াৰ খেতি কৰি গুৰ উৎপাদন

কৰাটোও বহুতৰ দৃষ্টিগোচৰ হৈছিল।' (**অসম তথা ভাৰতৰ নেপালীভাষী জনগোষ্ঠী : এটি তথ্যভিত্তিক আলোচনা, শ্ৰীময়ী, অসমৰ নেপালী সম্প্ৰদায়, পূৰ্বোক্ত, পৃঃ ৯**)।

চতুৰ্থতে, পশুধন আৰু কৃষি অৰ্থনীতিৰ উপৰিও গছ কটা, গছৰ কাঠ ফলা আৰু হাবি-জংঘল কাটি এইবিলাক বাসোপযোগী আৰু কৃষি ভূমিলৈ ৰূপান্তৰিত কৰা কামত নেপালীসকল পৰম্পৰাগতভাৱে জড়িত। অবিভক্ত অসমৰ ৰাজধানী ছিলং এটা সময়ত হাবি-জংঘলেৰে ভৰপূৰ আছিল আৰু নেপালীসকল এই ঠাইলৈ অহাৰ পিছতহে বাসোপযোগী কৰা হয় বুলি তাৰ নেপালী বুদ্ধিজীৱীসকলে দাবী কৰে। এই সংক্ৰান্তত অৰ্থনীতিবিদ ড° পি চি গোস্বামীৰ মন্তব্য উল্লেখযোগ্য। তেখেতৰ মতে — 'The Nepalese are experts in clearing jungles for grazing and framing purposes. Those who settled in the outskirts of the urban areas engage in the part-time work of supplying wood for fuel by extracting them from the forests in Assam deserves more vigilant attention by the authorities & ensure a better management of land as the problem of soil conservation has became a vital matter for agriculture in plains.' (**দ্ৰষ্টব্য : ড° পি. চি. গোস্বামী, ইক'ন'মিক ডেভেলপ্‌মেণ্ট অব আছাম, কলকাতা, ১৯৬৩, পৃঃ ৩০-৩১**)। অপৰিকল্পিতভাৱে বনজ সম্পদ ধ্বংস কৰাতো সঁচা কিন্তু তাৰ বাবে ৰজা ঘৰৰ হস্তক্ষেপ অতীব প্ৰয়োজন। লগতে এইটো কথা সত্য যে সুদূৰ কুৰি শতিকাৰ মাজভাগত ৰন্ধন গেছৰ প্ৰচলন নথকা কালত অটব্য হাবিৰ পৰা গছ-গছনি কাটি চহৰৰ উপকণ্ঠ অঞ্চলৰ বাসিন্দালোকৰ ইন্ধনৰ চাহিদা পূৰণ কৰাৰ বেলিকা নেপালীসকলে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। তদুপৰি গ্ৰামাঞ্চলবোৰত নেপালীলোকে কৰতেৰে কাঠ ফালি (তক্তা আৰু বাটামলৈ ৰূপান্তৰিত কৰি) চকী-মেজ, পালেং আৰু কাঠৰ অন্যান্য আচ্‌বাব তৈয়াৰ কৰাৰ ক্ষেত্ৰত এক অভূতপূৰ্ব ভূমিকা লৈছিল। অৱশ্যে সম্প্ৰতি অসমৰ হাবি-জংঘল নাইকিয়া হোৱাত নেপালীসকলৰ পৰম্পৰাগত কাঠ ফলা বৃত্তিও লোপ পাই অহাতো স্বাভাৱিক। উল্লেখ্য যে এটা সময়ত অসমলৈ নেপালীলোকৰ প্ৰব্ৰজনক এচাম ৰক্ষণশীল হিন্দু অসমীয়া খিলঞ্জীয়া লোকেই আদৰণি তথা উদগণি দিছিল; কাৰণ তেওঁলোক পূৰ্ব বংগ (তেতিয়া বাংলাদেশ)ৰ পৰা হোৱা মুছলিম প্ৰব্ৰজনত শংকিত হৈছিল নিজৰ অস্তিত্বক লৈ। সেয়েহে মুছলিম প্ৰব্ৰজনৰ পৰিবৰ্তে হিন্দু ধৰ্মাৱলম্বী নেপালী প্ৰব্ৰজনকাৰীক ঘৰুৱা কাম-বনৰ লগতে খেতি-বাতিৰ কামত অগ্ৰাধিকাৰ দিছিল। যিহেতু নেপালীসকলো ধৰ্মৰ ফালৰ পৰা ৰক্ষণশীল অসমীয়া সমাজৰ পৰা পৃথক নহয়। নিজৰ গৱেষণামূলক গ্ৰন্থ 'Assam's Attitude to Federalism'ত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক

ড° গিৰিন ফুকনে উল্লেখ কৰিছে যে — 'Since the early decade of twentieth century the Assamese elite, however, became afeaid of being swamped by the Muslim immigrants from East Bengal ... Therefore, very often the conservative section of the Assamese Hindu middle class recruited a large number of Nepalese for their cultivation and household works (New Delhi, 1984, p.12)

ইয়াৰ পৰা এইটো স্পষ্ট যে নেপালীসকলে অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ ঘৰত ঘৰুৱা কামকে আদি কৰি খেতিপথাৰলৈকে কাম কৰি তেওঁলোকৰ গ্ৰাহস্থ্য অৰ্থনীতিত সহযোগিতা আগবঢ়াই নিজৰো জীৱিকা নিৰ্বাহৰ পথ উলিয়াবলৈ সুযোগ পাইছিল।

পঞ্চমতে, কৃষি আৰু গ্ৰাহস্থ্য অৰ্থনীতিৰ উপৰিও এইকথা সৰ্বজনবিদিত যে নেপালী লোকৰ সংখ্যাগৰিষ্ঠই দৰিদ্ৰ, অশিক্ষিত আৰু অল্পশিক্ষিত হোৱা বিশেষকৈ বিশ্বস্ত আৰু দুঃসাহসী জনগোষ্ঠী বুলি ঐতিহাসিকভাৱে পৰিচিত হোৱা হেতুকে ভাৰতৰ অন্যান্য প্ৰান্তৰ দৰে অসমতো চৰকাৰী, অৰ্ধ-চৰকাৰী আৰু অনা-চৰকাৰী কাৰ্যালয় আৰু অন্যান্য প্ৰতিষ্ঠানবোৰত নিম্ন পৰ্য্যায়ৰ চাকৰিত তেওঁলোকক মকৰল কৰোঁতে অগ্ৰাধিকাৰ দিয়াৰ প্ৰচলন আছিল। বিশেষকৈ চকীদাৰ, পিয়ন, ড্ৰাইভাৰ, ৰান্ধনি, চিপাহী, দাৰোগা, মিলিটেৰী, উদ্যোগৰ শ্ৰমিক আৰু মালিকৰ গো-পালক কামবিলাকত নেপালীলোকক অগ্ৰাধিকাৰ দিয়াৰ প্ৰথাৰ প্ৰচলন অদ্যাপি বিশেষকৈ অনা-চৰকাৰী খণ্ডবোৰত কম-বেছি পৰিমাণে অব্যাহত আছে। এই কথাৰ প্ৰমাণ ১৯৭১ চনলৈকে ৰাজ্যৰ চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানবোৰৰ কৰ্মচাৰীৰ মাতৃভাষাৰ ভিত্তিত যুগুতোৱা নিম্নলিখিত পৰিসংখ্যাৰ পৰা নিশ্চিত কৰিব পৰা যায়।

মাতৃভাষা	কৰ্মচাৰীৰ মুঠ সংখ্যা	শতকৰা হাৰ
অসমীয়া	১৯,৬৬৯	৩৮.৮২%
বাঙালী	১৩,২৬৩	২৬.১৮%
হিন্দী	৯,৬০৯	১৮.৯৬%
নেপালী	২,৯৫৮	৫.৮৩%
তামিল/তেলেগু	২,৬১৩	৫.১৭%
অন্যান্য	২,৫৫৪	৫.০৪%

(উৎস ঃ Compiled from the first, second, third, fourth, fifth, sixth, seventh and eight reports of the Employment Review

Committee, Government of Assam submitted in the Assam Legislative Assembly during the period 1970-1978 sited in Jayanta Kumar Gogoi's Migration and Economic Development of Assam 1951-1971, unpublished Ph.D.Thesis, p.266)

এইদৰে বিভিন্ন দিশত অসমত একালৰ প্ৰব্ৰজনকাৰী আৰু এতিয়াৰ থলুৱা নেপালীসকলে সেৱা আগবঢ়াই অৰ্থনৈতিক উন্নয়নৰ ধাৰাক ত্বৰান্বিত কৰি আহিছে।

সামৰণিত আজিৰ তাৰিখত বিশেষকৈ উজনি অসমৰ জিলাকেইখনত দ্ৰুতগতিত ক্ষুদ্ৰ চাহ খেতিয়ে জনপ্ৰিয়তা লাভ কৰা সকলোৱে প্ৰত্যক্ষ কৰিছে। এনে ক্ষুদ্ৰ চাহ খেতিয়ে গ্ৰামাঞ্চলৰ অৰ্থনীতিৰ বুনিয়াদ অভূতপূৰ্বভাৱে টনকিয়াল কৰাত সহায়ক হৈছে। অন্যান্য জনগোষ্ঠীৰ সমান্তৰালভাৱে থলুৱা নেপালীসকলেও ক্ষুদ্ৰ চাহ খেতিত পিছ পৰি থকা নাই। আগৰ একচেটিয়া কুঁহিয়াৰ খেতিৰ সলনি সম্প্ৰতি নেপালীলোকেও এবিঘাৰ পৰা এশ বিঘাতকৈ অধিক মাটিত চাহ খেতি কৰা দেখা যায়। যাৰ ফলত শিক্ষিত নিবনুৱা যুৱকৰ আৰ্থিক অৱস্থা বেছ স্বচ্ছল হৈছে। ক্ষুদ্ৰ চাহ খেতিৰ উপৰিও বিত্তীয়ভাৱে স্বচ্ছল হোৱা নেপালীলোকেও কেঁচা চাহপাতৰ এজেন্সি লোৱা দেখা যায়। ডিব্ৰুগড় জিলাৰ ৰাজগড় এলেকাত লেখক কৌচ, ৰুলো ভূঞা, যজ্ঞেশ্বৰ গগৈ আৰু অন্যান্যৰ লগতে নেপালী ক্ষুদ্ৰ চাহ খেতিয়ক ৰত্ন ৰায়, বুদ্ধিমান তামাং, অৰ্জুন বাহাদুৰ ছেত্ৰী, বুদ্ধিমান নেৱাৰ, ডম্বৰ বাহাদুৰ নেৱাৰ, হৰি উপাধ্যায়, জয় নাৰায়ণ নেৱাৰ আৰু বহুতেই ইয়াৰ দ্বাৰা অৰ্থনৈতিক অৱস্থা অভূতপূৰ্বভাৱে স্বচ্ছল আৰু আত্মনিৰ্ভৰশীল কৰিবলৈ সক্ষম হৈছে। তদুপৰি নিজৰ ক্ষুদ্ৰ চাহ খেতিত থলুৱা লোকক বনুৱাৰূপে কৰ্মসংস্থান দি দহোজনৰ জীৱিকা নিৰ্বাহৰ পথ প্ৰশস্ত কৰাৰ লগতে সংশ্লিষ্ট পৰিয়ালবোৰৰ অৰ্থনৈতিক অৱস্থা চকুত লগা ধৰণে ত্বৰান্বিত হৈছে। এনে ক্ৰমবৰ্ধমান উন্নতিয়ে অসমৰ সামগ্ৰিক অৰ্থনৈতিক বিকাশত থলুৱা নেপালী লোকেও নিঃসন্দেহে অৱদান আগবঢ়াই আহিছে।

ৰংঘৰ, মাহেকীয়া আলোচনী
নেপালী সাহিত্য-সংস্কৃতি বিশেষ সংখ্যা
গুৱাহাটী, জুলাই, ২০০৫

অসমত নেপালী জনগোষ্ঠীৰ ৰাজনৈতিক পটভূমি

কুৰি শতিকাৰ কেইবা দশকলৈকে অসমত স্থায়ীভাবে বসবাস কৰা থলুৱা নেপালী জনগোষ্ঠী সুসংগঠিত হোৱা দেখা নাযায়। স্বাধীনতা আন্দোলনতো নেপালী জনগোষ্ঠীৰ সচেতন অংশেই আসাম এছ'চিয়েশ্যনৰ লগত লগলাগি ঔপনিবেশিক শাসনৰ বিৰুদ্ধে যুঁজিছিল যাৰ প্ৰমাণ অসমৰ ৰাজনৈতিক ইতিহাসৰ পাতত লিপিবদ্ধ হৈ আছে। বিহালীৰ 'ককা' ছবিলাল উপাধ্যায়ৰ নাম কোনো অসমপ্ৰেমীৰ অবিদিত নহয়। এইজনা ছবিলাল উপাধ্যায় অসমৰ এগৰাকী আগশাৰীৰ বুৰঞ্জী প্ৰসিদ্ধ লোকলৈ ৰূপান্তৰিত হৈছিল তেতিয়া যেতিয়া ১৯২১ চনৰ ১৮ এপ্ৰিলত যোৰহাটত অনুষ্ঠিত আসাম এছ'চিয়েশ্যনৰ অন্তিম বৈঠকত পৌৰোহিত্য কৰি ইয়াক নতুনকৈ অসম প্ৰাদেশিক কংগ্ৰেছ সমিতি নামেৰে নামাংকিত কৰি এক ৰাজনৈতিক দললৈ ৰূপান্তৰিত কৰে (দ্ৰষ্টব্য : Amalendu Guha : Planter Raj to Swaraj : Freedom Struggle and Electoral Politics in Assam 1826-1947, New Delhi, 1977, p 125)। উপাধ্যায়ৰ লগতে আসাম এছ'চিয়েশ্যনৰ সৈতে ওতপ্ৰোতভাৱে জড়িত হৈ অসহযোগ আন্দোলনত সক্ৰিয়ভাবে সহযোগিতা কৰা আন দুগৰাকী থলুৱা নেপালী বংশোদ্ভৱ সংগ্ৰাম হ'ল — আত্মাসিং ছেত্ৰী আৰু জগসিং ছেত্ৰী (**দ্ৰষ্টব্য : K. N. Dutta : Landmarks of Freedom Struggle in Assam, Gauhati, 1958, p 59**)। এইজনা 'অসমীয়া জাতীয় চেতনাৰ জাগ্ৰত প্ৰতীক' ছবিলাল উপাধ্যায়ৰ লগতে উল্লিখিত ছেত্ৰীদ্বয় প্ৰাক্ স্বাধীনকালৰ পৰাহে ক্ৰমান্বয়ে থলুৱা নেপালী জনগোষ্ঠীৰ সুকীয়া বেনাৰত সংগঠিত হৈ স্বকীয় সত্তা ৰক্ষাৰ লগতে জাতীয় মুক্তি সংগ্ৰামত অৱতীৰ্ণ হোৱা দেখা যায়। উল্লেখ্য যে ১৯২১ চনতেই ডেৰাডুনত জন্ম হোৱা অখিল ভাৰতীয় গোৰ্খা লীগৰ এটি শাখা অসমৰ ডিব্ৰুগড় চহৰতো খোলা হৈছিল (দ্ৰষ্টব্য : Kanchanmoy Mazumdar : Nepal and Indian Nationalist Movement : Calcutta, 1975, p 27)। এনে স্বত্বেও অৱশ্যে থলুৱা নেপালী লোকে ১৯৩০ চনৰ আইন অমান্য আন্দোলনত কোনো সুকীয়া বেনাৰত নহয় বৰং ভাৰতীয় জাতীয় কংগ্ৰেছৰ ছত্ৰছায়াত থাকিয়েই ব্ৰিটিছৰ বিৰোধিতা কৰিছিল। উদাহৰণস্বৰূপে তদানীন্তন অসমৰে বাসিন্দা অনন্তলাল শৰ্মাই স্থানীয় গোৰ্খা সৈনিকসকলক

আইন অমান্য আন্দোলনত ভৰ্তি কৰাবলৈ প্ৰচেষ্টা চলাই ব্ৰিটিছৰ ৰোষত পৰিছিল (দ্ৰষ্টব্য ঃ Kanchanmoy Mazumdar, পূৰ্বোক্ত, পৃঃ ৩৪)। এইদৰে স্বাধীন ভাৰতৰ হকে ৰাজনৈতিকভাৱে সচেতন হৈ হাতে-কামে লাগি থাকিও অসমৰ থলুৱা নেপালী জনগোষ্ঠীয়ে ঠিক স্বাধীনতা প্ৰাপ্তিৰ প্ৰাক্ মুহূৰ্তৰ পৰাহে সমান্তৰালভাৱে নিজস্ব গোষ্ঠীগত সত্তাৰ হকেও ৰাজনৈতিকভাবে জাগ্ৰত হোৱা পৰিলক্ষিত হয়। এইক্ষেত্ৰত উদ্যোগ লোৱা নেপালী নেতৃবৃন্দৰ ভিতৰত তদানীন্তন অসমৰ চাৰু দত্ত ৰাই, ছেতে ৰাণা আৰু ধ্ৰুবনাথ যোশী, বব বাহাদুৰ ৰাণা, কৰ্ণসিং ছেত্ৰী, লোকনাথ যোশী, ডি. বি. ছেত্ৰী (শ্বিলং), ছবিলাল উপাধ্যায় (বিহালী), প্ৰসাদ সিং চুবা (তেজপুৰ), দলবীৰ সিং লোহাৰ (ডিব্ৰুগড়) আদিৰ নাম উল্লেখযোগ্য। সি যি কি নহওক, এতিয়া আমাৰ আলোচ্য বিষয় হৈছে অসমৰ থলুৱা নেপালীলোক জনগোষ্ঠীয় সত্তা সংৰক্ষণৰ বাবে ৰাজনৈতিকভাবে জাগ্ৰত আৰু সংগঠিত হ'বলৈ কেনে ৰাজনৈতিক পটভূমিয়ে তেওঁলোকক অনুপ্ৰাণিত কৰিছিল।

প্ৰণিধানযোগ্য যে অসমৰ থলুৱা নেপালী জনগোষ্ঠীৰ মাজত ৰাজনৈতিক জাগৰণ উদ্ৰেক ঘটোৱাৰ বেলিকা ভাৰতৰ অন্যান্য প্ৰদেশ (সম্প্ৰতি 'ৰাজ্য') বিশেষকৈ পশ্চিমবংগস্থ দাৰ্জিলিঙৰ নেপালী (সম্প্ৰতি ইয়াৰ আধিপত্যিক গোটে নিজকে 'গোৰ্খা' বুলিহে পৰিচয় দিয়ে) বিদ্বৎ সমাজৰ বৰঙণি এক ঐতিহাসিক পৰিঘটনা। এইটো অনস্বীকাৰ্য যে দাৰ্জিলিঙৰ নেপালী বিদ্বৎ মণ্ডলীয়ে সমগ্ৰ ভাৰতত নেপালী অস্তিত্ব সংৰক্ষণৰ কাৰণে ৰাজনৈতিকভাৱে প্ৰাক্ স্বাধীনতা কালতেই সচেতন আৰু সংগঠিত নোহোৱাহেঁতেন অসমৰ নেপালী জনগোষ্ঠী এইক্ষেত্ৰত বহুদূৰ পিচপৰি থাকিলেহেঁতেন। ১৯৪৩ চনৰ ১৫ মে'ত চৰ্দাৰ বাহাদুৰ হৃদজিৎ দেৱান ৰাইৰ পৌৰোহিত্যত দাৰ্জিলিঙস্থ ৰিংক চিনেমা হলত অনুষ্ঠিত এক ঐতিহাসিক গণসভাত ভাৰতীয় নেপালী জনগোষ্ঠীৰ সৰ্বাংগীণ বিকাশৰ বাবে এটি অনুষ্ঠানৰ আৱশ্যকতাৰ বিষয়ে হোৱা আলোচনাৰ অন্তত শিৱ কুমাৰ ৰাইয়ে এক লিখিত প্ৰস্তাৱ আনুষ্ঠানিকভাবে পাঠ কৰা প্ৰস্তাবটো আছিল এনেধৰণৰ — Resolved that in view of the fact that the condition of the Gurkhas spread throughout India is very deplorable and that the political status of the Gurkhas in India is uncertain and that the future of the Gurkhas is at stake, an organization named the ALL INDIA GURKHA LEAGUE be formed at this mass meeting of the Gurkhas in order to look after the interest of the Gurkhas in all respects and particularly to establish the political change takes place in India and further to mobilise the Gurkhas and support the Allies in the war effort. (দ্ৰষ্টব্য ঃ Bhai Nahar Singh and Kirpal

Singh (ed) : History of All India Gurkha League 1943-1949, New Delhi, 1987 পৃঃ ৩)। এনে প্ৰস্তাৱক বাবু লাল বাহাদুৰ নেপালীয়ে সমৰ্থন কৰাৰ পাচত সভাই সৰ্বসন্মতিক্ৰমে গৃহীত কৰি ভাৰতৰ বুকুত থলুৱা নেপালী জনগোষ্ঠীৰ প্ৰথম উমৈহতীয়া সংগঠনৰ জন্ম দিছিল। উল্লেখ্য যে প্ৰায় দুহেজাৰলোক সমবেত হোৱা এই বিৰাট ৰাজহুৱা সভাই কালিম্পুঙৰ ডম্বৰুসিং গুৰুং, শ্বিলঙৰ চাৰু দত্ত ৰাই আৰু কালিম্পুঙৰে ৰণবীৰ চুব্বাত্ৰয়ক All India Gurkha Leagueৰ ক্ৰমে প্ৰতিষ্ঠাপক সভাপতি, উপ-সভাপতি আৰু সাধাৰণ সম্পাদকৰূপে নিৰ্বাচিত কৰিছিল। মুঠ কথাত, ভাৰতভূমিত নিজৰ ৰাজনৈতিক স্বাৰ্থকে আদি কৰি থলুৱা নেপালী জনগোষ্ঠীৰ সৰ্বাংগীণ আশা-আকাংক্ষা পূৰণাৰ্থে All India Gurkha League (AIGL)য়ে আত্মপ্ৰকাশ কৰে। ঔপনিবেশিক চৰকাৰৰ স্বাৰ্থ পূৰণাৰ্থে সামৰিক বাহিনীত ভৰ্তি হৈ ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহ, ১৯১৯ চনৰ জালিয়ানৱালাবাগ হত্যাকাণ্ড, ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত বিদ্ৰোহীক দমন কৰিবলৈ গৈ হত্যা পৰ্যন্ত কৰি গোৰ্খা ফৌজী বাহিনীয়ে butchers and not soldiers বুলি কুনাম অৰ্জনৰ নিচিনা অভিযোগ শিৰত ল'বলগীয়া হোৱা নেপালী জনগোষ্ঠীৰ বিকাশৰ হেতু ব্ৰিটিছ চৰকাৰে একো কৰা নাই বুলি তেওঁলোকৰ বিদ্বৎমণ্ডলীয়ে অভিযোগ তুলি নিজৰ অধিকাৰসমূহ সাব্যস্ত কৰিবলৈ AIGL ৰ বেনাৰত থলুৱা নেপালী জনগোষ্ঠী সংগঠিত হৈছিল। সেয়েহে আত্মপ্ৰকাশৰ বছৰৰে অৰ্থাৎ ১৯৪৩ চনৰে ১২ আগষ্টত His Excellency, the Most Honourable Viceroy and Governor General of India, Delhi লৈ প্ৰদান কৰা স্মাৰক-পত্ৰখনিত AIGLয়ে এনেদৰে দাবী কৰি কয় যে —

That in spite of the fact that the Gurkhas have been domiciled in India and Burma for five generations in some cases-they have not been recognized as a community in India. In spite of their long and loyal services, they have consistently been ignored. The Montford Reforms of 1919 made no mention of the British Indian Gurkhas; the Government of India Act of 1935 recognized the right of every small community but three million Gurkhas in India and Burma were ignored. The Gurkhas are not represented in the Central Legislature and even in provinces like Assam, Bengal, United Provinces, the Punjab and Burma where the Gurkhas have settled in large number for generations, having in many cases, cleared the lands first, no

seat is reserved for them in the Provincial Legislatures (দ্ৰষ্টব্য : Bhai Nahar Singh and Kirpal Singh, পূৰ্বোক্ত, পৃঃ ৯)। প্ৰসংগক্ৰমে উল্লেখ্য যে Government of India Act, 1935 অনুসৰি অনুষ্ঠিত কৰা সাধাৰণ নিৰ্বাচনত দাৰ্জিলিং সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰি AIGL ৰ সভাপতি ডম্বৰসিং গুৰুং পশ্চিমবংগ বিধানসভালৈ নিৰ্বাচিত হৈছিল। এইদৰে তেওঁ ভাৰতৰ ভিতৰত থলুৱা নেপালী জনগোষ্ঠীক প্ৰতিনিধিত্ব কৰা প্ৰথম বিধায়ক হোৱাৰ কৃতিত্ব অৰ্জন কৰে।

বিধানসভাত প্ৰত্যক্ষ কৰা সাম্প্ৰদায়িকতাৰ তিক্ত অভিজ্ঞতাই গুৰুঙক নিজৰ জনগোষ্ঠীয় সত্তা সংৰক্ষণৰ বাবে AIGL গঠন কৰিবলৈ প্ৰেৰণা যোগাইছিল। সেয়েহে পৰৱৰ্তীকালত AIGL য়ে ভাৰতৰ কেন্দ্ৰীয় আৰু বিভিন্ন প্ৰদেশবোৰৰ বিধান সভাবোৰত নেপালী জনগোষ্ঠীক প্ৰতিনিধিত্ব কৰিবলৈ আসন সংৰক্ষণৰ দাবী উত্থাপন কৰা দেখা যায়। তদুপৰি ভাৰতৰ নেপালী (তদানীন্তন 'গোৰ্খা' শব্দৰ সমাৰ্থক) সম্প্ৰদায়ক এক Minority Community বুলি স্বীকৃতি প্ৰদান নকৰাত তেওঁলোক ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিকভাবে ক্ষতিগ্ৰস্থ হৈছে বুলি অভিযোগ তুলি AIGL য়ে ১৯৪৪ চনৰ ১৪ মে'ত দাৰ্জিলিঙত অনুষ্ঠিত প্ৰথম বাৰ্ষিক অধিবেশনত প্ৰস্তাৱ গ্ৰহণ কৰে এইবুলি — This session of the AIGL records that notwithstanding the facts that the British Indian Gurkhas, who are mostly descendants of men that came out of Nepal to serve the Government, have been domiciled in India for generations, that they have faithfully served the Government and the country in peace and war, that they have their native civilization, language, culture and tradition they have not been recognized as a separate and distinct community while other smaller communities like the Anglo-Indians who number only 1,40,422, the Sikhs and Indian Christians whose population is only equal to that Gurkhas have been recognized as separate communities and provisions have been made for them in the Government of India Act, 1935. This session of the AIGL, strongly urges the British Government to recognize this important people as a separate minor community. (দ্ৰষ্টব্য : Bhai Nahar Singh & Kirpal Singh, পূৰ্বোক্ত, পৃঃ ২৫-২৬)। সি যি কি নহওক, অতি উল্লেখনীয়ভাবে এই অধিবেশনতেই AIGL য়ে অসমৰ গোৰ্খা গ্ৰেজিয়াৰসকলে সন্মুখীন হোৱা সমস্যাৰ

সংক্ৰান্তত এক প্ৰস্তাৱ গ্ৰহণ কৰে এইবুলি যে — This session agrees entirely with the reported opinion of the special officer appointed by the Government of Assam to enquire whether grazing reserves could be settled that 'the number and areas of grazing reserves in comparatively small and that further reduction would be disastrous to the people'; and as almost all the graziers are Gurkhas who did pioneer work to make the land habitable and who have settled in Assam for the last 78 years, this session declares it to be an act of the greatest injustice to attempt to oust the Gurkhas from the land which the suffering and toil of generations have made habitable by giving settlement of land to the outsiders mainly the Mussalmans from Mymensing in Bengal .... This session strongly urges the Government of Assam not to settle grazing land for cultivation purpose. (দ্ৰষ্টব্য ঃ Bhai Nahar-Singh & Kirpal Singh, পূৰ্বোক্ত, পৃঃ ২৭)। কেৱল এনে প্ৰস্তাৱেই নহয় বৰং এনে প্ৰস্তাৱক কাৰ্যকৰী ৰূপ দিয়াৰ লক্ষ্যৰে একে বছৰতে অৰ্থাৎ ১৯৪৪ চনৰে ২৩ জুলাইত AIGLৰ সভাপতি ডম্বৰসিং গুৰুং আৰু সহকাৰী সম্পাদক শিৱ কুমাৰ ৰাইয়ে অসমলৈ আহি তদানীন্তন প্ৰধানমন্ত্ৰী মহম্মদ চাদুল্লাৰ সৈতে নেপালী গ্ৰেজিয়াৰসকলৰ সমস্যাক লৈ আলোচনাত মিলিত হয় (দ্ৰষ্টব্য ঃ SP DC & AC Bhuyan (ed): Political History of Assam, 1940-47, Volume III, Gauhati, 1980 p 318)। অসমৰ নেপালী গ্ৰেজিয়াৰসকলৰ প্ৰতি প্ৰদৰ্শন কৰা AIGL ৰ এনে অনুকম্পা আৰু কাৰ্যকৰীকৰণৰ তৎপৰতাত অসমৰ নেপালী বিদ্বৎ সমাজ স্বাভাৱিকতেই প্ৰভাৱান্বিত হৈছিল। সেয়েহে এনে প্ৰভাৱৰ বহিঃপ্ৰকাশ ঘটিবলৈ অকণো বিলম্ব হোৱা নাছিল কিয়নো সেই একে বছৰতে অৰ্থাৎ ১৯৪৪ চনৰ ৬ আগষ্টত তদানীন্তন অসমৰ ৰাজধানী শিলঙত Assam Provincial Gurkha League নামেৰে AIGL ৰ এটা শাখা খোলা হয়। এইদৰে পৰৱৰ্তীকালত AIGL ৰ সক্ৰিয় পৃষ্ঠপোষকতা আৰু সহযোগিতাত অসমৰ নেপালী জনগোষ্ঠীৰ মাজত ৰাজনৈতিক জাগৰণৰ উদ্ৰেক হৈছিল। ইয়াৰ ঠিক এবছৰ পাচত ১৯৪৫ চনৰ ৩০ নৱেম্বৰত গুৱাহাটীতো AIGL ৰ এটা শাখা গঠন কৰা হয় আৰু ক্ৰমান্বয়ে অসমৰ অন্যান্য ঠাই বিলাকতো Assam Provincial Gurkha League (APGL) ৰ শাখা খোলাৰ ঢৌ অহা পৰিলক্ষিত হৈছিল।

অসমৰ থলুৱা নেপালী জনগোষ্ঠীৰ মাজত অংকুৰিত হোৱা ৰাজনৈতিক জাগৰণক অধিক ত্বৰান্বিত আৰু সম্প্ৰসাৰিত কৰাৰ উদ্দেশ্য আগত ৰাখিয়েই চাগে AIGLৰ তৃতীয় বাৰ্ষিক অধিৱেশন ১৯৪৬ চনৰ ১৯-২১এপ্ৰিলত শ্বিলঙত অনুষ্ঠিত কৰা হৈছিল। এই ঐতিহাসিক অধিবেশনে কিছুমান গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। তাৰ ভিতৰত উল্লেখযোগ্যকেইটা হ'ল এনেধৰণৰ — (1) That the All India Gurkha League recognises the 'Indian National Congress' as the oldest and strongest political body fighting for the freedom of the country, (2) That the All India Gurkha League supports the 'Quit India' resolution of the Congress and demands immediate independence of the country, (3) The Indian Gurkhas declare that they should be recognised as minority community in free India and disapprove the demand of 'Pakisthan' by the Muslim League, (4) The All India Gurkha League vehemently protests against the transfer of the Gurkha Regiments to the Imperial troops and (5) The Government of Assam acquired grazing land for'grow more food scheme' which resulted in the death of many cattle and buffaloes for want of grass and so the Government should release those plots of land for grazing purposes (দ্ৰষ্টব্য ঃ Bhai Nahar & Kirpal Singh পূৰ্বোক্ত, পৃঃ ৬০-৬১)। এই অধিবেশনৰ পিছত অসমৰ নেপালী বিদ্বৎমণ্ডলী ইমানেই প্ৰভাবান্বিত আৰু অনুপ্ৰাণিত হৈছিল যে AIGLৰ শাখা খোলাৰ এক অভূতপূৰ্ব জোৱাৰ উঠে। স্বয়ং ডম্বৰসিং গুৰুং উপস্থিত থকা ১৯৪৫ চনৰ ৯ জানুৱাৰীত তেজপুৰত অনুষ্ঠিত এখন গণসভাত AIGLৰ এটি শাখা গঠন কৰা হয় আৰু ছবিলাল উপাধ্যায়ক এই শাখাৰ সভাপতিৰূপে নিৰ্বাচিত কৰা হয়। ঠিক তেনেদৰে মঙলদৈত ১৯৪৫ চনৰ এপ্ৰিল মাহত আন এটি শাখা খোলা হয়। এনে শাখা খোলাৰ প্ৰক্ৰিয়া অব্যাহত ৰাখি ১৯৪৬ চনৰ ১৯ মে'ত তিনিচুকীয়াত বুধু সিং লামাক সভাপতিৰূপে লৈ এটি শাখা, একে বছৰৰে ২৯ জুনত ডিব্ৰুগড়ত দলবীৰসিং লোহাৰক সভাপতি হিচাবেত ১৮ আগষ্টত বীৰবাহাদুৰ থাপাক সভাপতি আৰু ওদালগুৰিত ১১ ছেপ্টেম্বৰত একোটিকৈ AIGL ৰ শাখা গঠনে নেপালী লোকৰ মাজত ৰাজনৈতিক সচেতনতাৰ এক অভূতপূৰ্ব গণ জাগৰণ উদ্ৰেক হোৱা দেখা যায়। মুঠতে, দাৰ্জিলিঙস্থ AIGLয়ে অসমৰ নেপালী জনগোষ্ঠীক স্বাধীনতাৰ প্ৰাক্ মুহূৰ্তত সৰ্বাংগীণভাৱে সচেতন আৰু সংগঠিত কৰাত এক ঐতিহাসিক ভূমিকা পালন কৰা দেখা গ'ল।

স্বাধীন ভাৰতৰ প্ৰথম সাধাৰণ নিৰ্বাচনৰ প্ৰাক্ মুহূৰ্তত ১৯৫১ চনৰ ২৬ জুলাইত দৰং জিলাৰ শিঙৰীত অনুষ্ঠিত APGLৰ কাৰ্যনিৰ্বাহক সমিতিয়ে প্ৰস্তাৱ গ্ৰহণ কৰি দাবী কৰে যে অসম প্ৰাদেশিক কংগ্ৰেছ সমিতিয়ে নেপালী প্ৰাৰ্থীৰ বাবে মুঠ বাৰটা বিধানসভা সমষ্টি সংৰক্ষণ কৰিব লাগে। অৱশ্যে কংগ্ৰেছে কেৱল এগৰাকী নেপালী নেতাক দলীয় প্ৰাৰ্থিত্ব প্ৰদান কৰিলেও পৰৱৰ্তী নিৰ্বাচন বিলাকত APGLয়ে প্ৰাদেশিক কংগ্ৰেছৰ ওচৰত অধিক নেপালী বিদ্বৎ মণ্ডলীক দলীয় প্ৰাৰ্থিত্ব প্ৰদান কৰিব লাগে বুলি দাবী উত্থাপন কৰাতো এক ঐতিহ্যলৈ ৰূপান্তৰিত হোৱা দেখা যায়। প্ৰাদেশিক কংগ্ৰেছেও নেপালী ভোটাৰৰ সমৰ্থনৰ আশাত APGLৰ (১৯৬৬ চনত AIGLক Assam Gurkha Sammelon (AGS) নামেৰে পুনঃ নামাংকিত কৰা হয়) নেতৃবৃন্দক প্ৰতিটো নিৰ্বাচনত এটা বা দুটা সমষ্টিত প্ৰাৰ্থিত্ব প্ৰদান কৰি নেপালী জনগোষ্ঠীক সন্তুষ্ট কৰি অহা দেখা যায়। ফলত অসম গোৰ্খা সন্মিলন (আগৰ APGL) কংগ্ৰেছ (ই)ৰ এক অঘোষিত নেপালী মঞ্চলৈ পৰ্যবসিত হৈছে বুলি ক'লেও অত্যুক্তি কৰা নুবুজায়। এতিয়া প্ৰশ্ন হ'ল দাৰ্জিলিঙৰ AIGL এক ৰাজনৈতিক দললৈ ৰূপান্তৰিত হ'ল বুলি অভিযোগ তোলা AGS ক ৰাজনীতিৰ পৰা মুক্ত বুলি ক'ব পাৰিবনে? সেয়েহে অসমৰ AGSৰঁ ৰাজনৈতিক চৰিত্ৰৰ পটভূমি হ'ল AIGLৰ ৰাজনৈতিক ভূমিকা।

তদ্ৰূপ নেপালী ভাষাৰ সাংবিধানিক স্বীকৃতিৰ দাবীৰ বেলিকাও অসমৰ নেপালী লোক দাৰ্জিলিঙস্থ অখিল ভাৰতীয় নেপালী ভাষা সমিতিৰ দ্বাৰা অনুপ্ৰাণিত আৰু প্ৰভাৱান্বিত হৈছিল। এনে প্ৰেক্ষাপটত অসমৰ থলুৱা নেপালী জনগোষ্ঠীৰ ৰাজনৈতিক জাগৰণৰ ইতিহাস জানিবলৈ হ'লে দাৰ্জিলিঙৰ ৰাজনৈতিক জাগৰণৰ বিষয়ে জনাতো অনিবাৰ্য।

সাদিন, ২১ আৰু ২৮ চেপ্তেম্বৰ, ২০০১

নিৰ্বাচনী ৰাজনীতিত থলুৱা নেপালীসকল

সংসদীয় গণতন্ত্ৰত জনমত প্ৰকাশ কৰাৰ উত্তম মাধ্যম নিৰ্বাচন - য'ত জাতি, বৰ্ণ আৰু ধৰ্ম নিৰ্বিশেষে সকলো নাগৰিকক সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ দি দেশৰ শাসক শ্ৰেণী গঠন কৰা হয়। তদুপৰি গণতন্ত্ৰত বিভিন্ন গোষ্ঠী আৰু সম্প্ৰদায়ক নিজস্ব নৃতাত্ত্বিক বৈশিষ্ট্যসমূহ সংৰক্ষণ, প্ৰচলন আৰু শ্ৰীবৃদ্ধিৰ উদ্দেশ্যে সাংবিধানিক বিধি বিধান প্ৰদান কৰা হয়। এনে সাংবিধানিক বিধি-বিধানৰ গইনা লৈ বিশেষকৈ স্বাধীনোত্তৰ কালৰ পৰাই সংমিশ্ৰিত অসমীয়া সমাজৰ ভিন ভিন গোষ্ঠী আৰু সম্প্ৰদায়ে নিজস্ব বিদ্বৎ শ্ৰেণীৰ নেতৃত্বত আৰু সুকীয়া নৃতাত্ত্বিক বৈশিষ্ট্যসমূহৰ ৰক্ষণাবেক্ষণৰ ভিত্তিত আৰ্থ-সামাজিক উন্নয়নাৰ্থে সজাগ আৰু সচেতন হ'বলৈ আৰম্ভ কৰে। ফলত সম্প্ৰদায় আৰু গোষ্ঠীবোৰক কেন্দ্ৰ কৰি বিভিন্ন সামাজিক আৰু ৰাজনৈতিক সংগঠন সমূহৰ ভূমিষ্ঠ হয় তেওঁলোকৰ সৰ্বাংগীণ বিকাশৰ বাবে। এনে সংগঠনসমূহ হৈছে - আহোম এছোচিয়েশ্যন, বড়ো পিপলছ এক্সন কমিটী, মিচিং বানে কেবাং, স্বায়ত্তশাসিত ৰাজ্য দাবী সমিতি, অসম গোৰ্খা সন্মিলন, অসম চাহ-মজদুৰ সংঘ, ছাত্ৰ সংগঠনসমূহ ইত্যাদি। অৱশ্যে এই সন্দৰ্ভত গুৰুত্বপূৰ্ণ কথা এই যে সময়ৰ লগে লগে এনে সংগঠনবোৰৰ নেতৃত্বই উপলব্ধি কৰিবলৈ আৰম্ভ কৰে যে ৰাজনৈতিক ক্ষমতা দখলৰ অবিহনে এটা সম্প্ৰদায়ৰ আৰ্থ-সামাজিক বিকাশ সম্ভৱ নহয়। সেয়েহে আইন সভাত গোষ্ঠীগত প্ৰতিনিধিত্বৰ লক্ষ্য আগত ৰাখি কোনোবাই স্বতন্ত্ৰ ৰাজনৈতিক দল গঠন কৰি আৰু কোনোবাই শাসকীয় দলৰ সৈতে মিত্ৰতা স্থাপন কৰি এনে সংগঠনবিলাকে নিৰ্বাচনত অংশগ্ৰহণ কৰি ক্ষমতা-ৰাজনীতিৰ খেল (game of power politics) ত প্ৰৱেশ কৰে। এনে পৰিপ্ৰেক্ষিতত্তে এই নিবন্ধটিত ৰাজ্যৰ থলুৱা নেপালীসকলে নিজৰ সম্প্ৰদায়ৰ সৰ্বাংগীণ বিকাশৰ হেতু অসমৰ নিৰ্বাচনবোৰত কেনে ভূমিকা পালন কৰি আহিছে তাৰে ওপৰত থূলমূলকৈ আলোকপাত কৰা হৈছে।

এই কথা আগৰ প্ৰবন্ধটোত একাধিকবাৰ কৈ অহা হৈছে যে অসমৰ থলুৱা নেপালীসকল ৰাজনৈতিকভাৱে সজাগ আৰু সংগঠিত হোৱাৰ বেলিকা দাৰ্জিলিঙস্থ অখিল ভাৰতীয় গোৰ্খা লীগে এক ঐতিহাসিক ভূমিকা পালন কৰা দেখা যায়। ইয়াৰ সক্ৰিয় উদ্যোগতে ১৯৪৪ চনত সম্ভৱতঃ প্ৰথমবাৰৰ বাবে অসমত নেপালীসকলৰ

তথাকথিত 'বিশুদ্ধ সামাজিক আৰু সাংস্কৃতিক সংগঠন' অসম প্ৰাদেশিক গোৰ্খা লীগৰ আবিৰ্ভাৱ হৈছিল। স্বৰাজোত্তৰ কালৰ পহিলা নিৰ্বাচনৰ আগে আগে অখিল ভাৰতীয় গোৰ্খা লীগে নিজকে এক ৰাজনৈতিক দল বুলি ঘোষণা কৰি নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰে। উল্লেখ্য যে অখিল ভাৰতীয় গোৰ্খা লীগৰ প্ৰতিষ্ঠাপক সভাপতি ডম্বৰসিং গুৰুং ১৯৩৭ চনত বেংগল বিধানসভালৈ নিৰ্বাচিত হৈ সদনৰ সদস্যকালত উপলব্ধি কৰিবলৈ সমৰ্থ হৈছিল যে প্ৰত্যেক সম্প্ৰদায়ৰে উপযুক্ত সংখ্যক সদস্য আইন সভাত নাথাকিলে নিজৰ আশা-আকাংক্ষাক কাৰ্যকৰীভাৱে প্ৰতিফলিত কৰিব পৰা নাযায়। এনে উপলব্ধিৰ পৰিণাম স্বৰূপেই গুৰুঙৰ নেতৃত্বতে ১৯৪৩ চনত দাৰ্জিলিঙত অখিল ভাৰতীয় গোৰ্খা লীগৰ জন্ম, যাৰ যোগেদি নিৰ্বাচনী বৈতৰণী পাৰ হৈ বিধানসভাত থলুৱা নেপালীসকলৰ সমস্যাসমূহ দাঙি ধৰিব পৰা যায়। সেয়েহে ১৯৫২ চনৰ প্ৰাক্-মুহূৰ্তত সকলো থলুৱা নেপালীলোকক উদ্দেশ্য কৰি ডম্বৰসিং গুৰুঙে আহ্বান জনাই এইবুলি যে— 'ভাৰতীয় জাতীয় কংগ্ৰেছ সবাতোকৈ পুৰণি আৰু শক্তিশালী ৰাজনৈতিক দল, যাৰ এক ত্যাগ, আদৰ্শ আৰু দায়বদ্ধতাৰ ইতিহাস আছে। অনাগত বহুদিনলৈকে কংগ্ৰেছৰ হাতত ক্ষমতা থাকিব; সেয়েহে অসমৰ পিছপৰা সংখ্যালঘু নেপালী সম্প্ৰদায় কংগ্ৰেছৰ লগত থাকি ইয়াৰ প্ৰাৰ্থী হৈ নিৰ্বাচনী যুঁজত নামিব লাগে' (**বিষ্ণুলাল উপাধ্যায় ঃ আসামে নেপালীহৰু, তেজপুৰ অসম, ১১৮৪ পৃঃ ২০**)। সেয়েহে চাগে ১৯৪৪ চনৰ ১৪ মে'ত দাৰ্জিলিঙত অনুষ্ঠিত অখিল ভাৰতীয় গোৰ্খা লীগৰ প্ৰথম বাৰ্ষিক অধিৱেশনত এক প্ৰস্তাৱৰ দ্বাৰা দাবী কৰা হয় যে — It is resolved that the British Government be urged to amend the Government of India Act 1935 as an interim measure before the new constitution is framed for India. So as to enable the Gurkhas to be represented in the Central Legislature and the Provincial Legislatures of the provinces of Assam, Bengal, Bihar, the United Provinces of Agra and Oudh and Punjab where the Gurkhas have settled in large number (**দ্ৰষ্টব্য ঃ Chiranjib Kumar Kar _ Sub-Regional Movement in India : A Case Study of Political History of the Gurkhas of Darjeeling District Calcutta, 1991, p93**). অৰ্থাৎ সবিধান ৰচনা কৰাৰ পূৰ্বে বলবৎ থকা ভাৰত চৰকাৰ আইন, ১৯৩৫ক সংশোধন কৰিব লাগে - যাতে কেন্দ্ৰীয় বিধান মণ্ডল আৰু অসম, বিহাৰ, বেংগল, আগ্ৰা আৰু সংযুক্ত উধ আৰু পঞ্জাৱ প্ৰাদেশিক বিধানসভাবোৰত নেপালী সম্প্ৰদায়ৰ পৰ্যাপ্ত প্ৰতিনিধিত্বৰ বাবে ব্যৱস্থা কৰিব লাগে। অন্যহাতেদি অখিল ভাৰতীয় গোৰ্খা লীগে ৰাজনৈতিক দলৰূপে নিৰ্বাচনত

প্ৰতিদ্বন্দ্বিতা কৰাৰ অজুহাতত ইয়াৰ পৃষ্ঠপোষকতাতে ভূমিষ্ঠ হোৱা অসম প্ৰাদেশিক গোৰ্খা লীগে মূল ভাৰতীয় গোৰ্খা লীগৰ লগত সম্পৰ্ক ছিন্ন কৰি এক তথাকথিত অৰাজনৈতিক মঞ্চলৈ নিজকে ৰূপান্তৰিত কৰে। কিন্তু এই কথা ঠিক যে কংগ্ৰেছে স্বাধীনতা আন্দোলনক নেতৃত্ব দি নিজৰ জনপ্ৰিয় ভাৱমূৰ্তি উজ্জ্বল কৰাৰ বাবেই হওক নাইবা ডম্বৰসিং গুৰুঙৰ পৰামৰ্শ সাৰোগত কৰিয়েই হওক, অসমৰ থলুৱা নেপালী নেতৃবৃন্দই অসম প্ৰাদেশিক গোৰ্খা লীগক ৰাজনৈতিক দললৈ ৰূপান্তৰিত নকৰি বৰং কংগ্ৰেছৰ এক মিত্ৰ মঞ্চলৈ পৰিবৰ্তন কৰি ৰাজনৈতিক ক্ষমতাৰ সোৱাদ লোৱাৰ যোগেদি সমাজসেৱা কৰিবলৈ আগবাঢ়ি অহা দেখা যায়। এই কথাৰ প্ৰমাণ এয়ে যে ১৯৫২ চনৰ নিৰ্বাচনৰ পূৰ্বে অবিভক্ত দৰং জিলাৰ শিঙৰীত ১৯৫১ চনৰ ২৬ জুলাইত অসম প্ৰাদেশিক গোৰ্খা লীগৰ কাৰ্যনিৰ্বাহক সমিতিৰ বৈঠকে এক প্ৰস্তাৱযোগে দাবী কৰিছিল যে আগন্তুক নিৰ্বাচনত বাৰটা বিধানসভা সমষ্টিত কংগ্ৰেছে নেপালী প্ৰাৰ্থীক মনোনিত কৰিব লাগে। কংগ্ৰেছেও নেপালী আৰু চাহ মজদুৰসকলৰ ভোটৰ আশাত নেপালী বংশোদ্ভৱ প্ৰাদেশিক গোৰ্খা লীগ সমৰ্থিত নেতা আৰু ডিব্ৰুগড় চাহ মজদুৰ সংঘৰ প্ৰতিনিধি দলবীৰসিং লোহাৰক চৈখোৱা সমষ্টিৰ প্ৰাৰ্থিত্ব দি বিধানসভালৈ জিকাই আনে। ৰাজনৈতিকভাৱে আকাংক্ষিত অন্যান্য নেপালী নেতৃবৃন্দয়ো কংগ্ৰেছৰ মনোনয়ন পোৱাত বিফল হৈ নিৰ্দলীয় প্ৰাৰ্থী হিচাপে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰে, কিন্তু তেওঁলোকৰ কোনেও বিজয়ৰ মুখ দেখা নাপালে। প্ৰতিদ্বন্দী প্ৰাৰ্থীসকলৰ তালিকাখন নিম্নধৰণৰঃ

সমষ্টি	প্ৰাৰ্থীৰ নাম	ৰাজনৈতিক দল	ফলাফল
চৈখোৱা	দলবীৰসিং লোহাৰ	ভাৰতীয় জাতীয় কংগ্ৰেছ	নিৰ্বাচিত
ডিগবৈ	ভক্ত বাহাদুৰ প্ৰধান	নিৰ্দলীয়	পৰাজিত
বিহপুৰীয়া	পৰশুৰাম কটুৱাল	ঐ	ঐ
তেজপুৰ(পূব)	প্ৰসাদসিং চুৱা	ঐ	ঐ
ঢেকিয়াজুলী	প্ৰজাপতি ৰিজাল	প্ৰজা চছিয়েলিষ্ট পাৰ্টী	ঐ
চিলং	ধ্ৰুৱনাথ যোশী	নিৰ্দলীয়	ঐ

(উৎসঃ বিষ্ণুলাল উপাধ্যায়ঃ আসামে নেপালীহৰু, তেজপুৰ ১৯৮৪, পৃঃ ২১)

কিষাণ মজদুৰ প্ৰজা দলে এই নিৰ্বাচনত নেপালী নেতাসকলক মনোনয়ন দিবলৈ আহ্বান জনালেও কোনো ইতিবাচক সঁহাৰি নাপালে। প্ৰথম নিৰ্বাচনৰ লেখিয়াকৈ ১৯৫৭ চনত অনুষ্ঠিত দ্বিতীয় সাধাৰণ নিৰ্বাচনৰ পূৰ্বে থলুৱা নেপালী নেতৃবৃন্দ যেনে তেজপুৰৰ ভৱানী প্ৰসাদ উপাধ্যায়, শিৱ প্ৰসাদ উপাধ্যায় আৰু ডিব্ৰুগড়ৰ দলবীৰসিং লোহাৰে তদানীন্তন মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিৰ সৈতে কংগ্ৰেছ দলৰ মনোনয়ন বিচাৰি যোগাযোগ

কৰিলেও অৱশেষত গহপুৰ সমষ্টিত বিষ্ণুলাল উপাধ্যায়ক কংগ্ৰেছৰ প্ৰাৰ্থীত্ব দিয়া হয়। উপাধ্যায়ে নিৰ্দলীয় প্ৰাৰ্থী ভৰত চন্দ্ৰ দাসক বিপুল ভোটৰ ব্যৱধানত পৰাজিত কৰি প্ৰথমবাৰ অসম বিধান সভালৈ নিৰ্বাচিত হয়। বিষ্ণুলাল উপাধ্যায়ে লাভ কৰা ভোটৰ সংখ্যা হ'ল ১৮,২৭১ আৰু দাসৰ ভোটৰ সংখ্যা হ'ল ৬,৬১৪টা।

প্ৰকৃতাৰ্থত নেপালী নেতৃবৃন্দ এই কথাত প্ৰতীয়মান হৈছিল যে থলুৱা নেপালী জনগোষ্ঠীৰ স্বাৰ্থক ৰক্ষণাবেক্ষণ দিবলৈ ৰাজ্যৰ নিৰ্বাচনী ৰাজনীতিত স্থান দখল কৰাতো অতীৱ প্ৰয়োজন। সেয়েহে অসম বিধান সভাত থলুৱা নেপালীৰ প্ৰতিনিধিত্বৰ হেতু দাবী অব্যাহত ৰাখি ১৯৬১ চনৰ ২০ এপ্ৰিলত নগাঁৱৰ লংকাত অনুষ্ঠিত অসম প্ৰাদেশিক গোৰ্খা লীগে ইয়াৰ দশম বাৰ্ষিক অধিবেশনত এই সংক্ৰান্তত প্ৰস্তাৱ গৃহীত কৰে যে — Whereas the Gurkhas of Assam have not so far been satisfactorily represented in the State Legislature and whereas having completely identified themselves with the interest of Assam, they have been considerably contributing towards the progress, prosperity and security of the State, this tenth session of the Assam Pradeshik Gurkha League resolves that the Assam Pradesh Congress Committee be requested to give nomination to the Gurkha Congressmen from the following constituencies (i)Digboi (2) Gohpur and (3) Bodsola এই সন্দৰ্ভত আনকি কেবাগৰাকী নেপালী নেতা যেনে দলবীৰসিং লোহাৰ, চন্দ্ৰ বাহাদুৰ ছেত্ৰী আৰু বিষ্ণুলাল উপাধ্যায়ক কংগ্ৰেছৰ টিকট আগন্তুক তৃতীয় সাধাৰণ নিৰ্বাচনত দিব লাগে বুলি পৰামৰ্শ আগবঢ়াই যদিও প্ৰাদেশিক কংগ্ৰেছ সমিতিয়ে এনে পৰামৰ্শ আওকাণ কৰি কেৱল গহপুৰ সমষ্টিত বিষ্ণুলাল উপাধ্যায়ক কংগ্ৰেছ প্ৰাৰ্থীৰূপে মনোনিত কৰে। ১৯৬২ চনৰ সাধাৰণ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা থলুৱা নেপালী প্ৰাৰ্থীৰ তালিকা এনেধৰণৰ ঃ

সমষ্টি	প্ৰাৰ্থীৰ নাম	ৰাজনৈতিক দল	লাভ কৰা ভোটৰ সংখ্যা	ফলাফল
গহপুৰ	বিষ্ণুলাল উপাধ্যায়	ভাৰতীয় জাতীয় কংগ্ৰেছ	১৮,২৩১	নিৰ্বাচিত
চৈখোৱা	ধৰ্মানন্দ উপাধ্যায়	ভাৰতীয় চছিয়েলিষ্ট পাৰ্টী	১,১১৫	পৰাজিত

[Source : Report of the Third General Election, 1961 in the Assam Legislative Assembly and House of People, Government of Assam, Shillong, 29 September, 1962 p.40-55]

কেৱল এগৰাকী থলুৱা নেপালী প্ৰতিনিধিত্ব অপৰ্যাপ্ত বুলি নেপালী নেতৃবৃন্দই উদ্বেগ প্ৰকাশ কৰাৰ লগতে এই কথাও হৃদয়ংগম কৰে যে নিৰ্বাচনী ৰাজনীতিত সফলতা লভিবলৈ হ'লে কংগ্ৰেছৰ হৈ প্ৰতিদ্বন্দ্বিতা কৰাৰ কোনো বিকল্প নাই। এনে পৰিপ্ৰেক্ষিতত অধিক কংগ্ৰেছ টিকট নেপালী নেতৃবৃন্দক দিব লাগে বুলি কৈ ১৯৬৭ চনৰ চতুৰ্থ সাধাৰণ নিৰ্বাচনৰ আগে আগে দাবী কৰে। আনকি অসম গোৰ্খা সন্মিলনে দলবীৰ সিং লোহাৰ, বিষ্ণুলাল উপাধ্যায়, চন্দ্ৰ বাহাদুৰ ছেত্ৰী আৰু ক্ষেমৰাজ অধিকাৰীক কংগ্ৰেছে নিজৰ প্ৰাৰ্থীত্ব প্ৰদান কৰিব লাগে বুলি সৈমান কৰাবলৈ প্ৰচেষ্টা কৰা দেখা যায়। অৱশ্যে পূৰ্বৰ দৰে এইবাৰো ভাৰতীয় জাতীয় কংগ্ৰেছে বিষ্ণুলাল উপাধ্যায়ক গহপুৰ সমষ্টিৰ পৰা নিজৰ প্ৰাৰ্থীৰূপে প্ৰতিদ্বন্দ্বিতা কৰোৱাই তৃতীয়বাৰৰ বাবে অসম বিধান সভালৈ নিৰ্বাচিত কৰি আনে। কংগ্ৰেছৰ টিকট নাপাই ১৯৬৭ চনৰ নিৰ্বাচনত অন্য দলৰ প্ৰাৰ্থী হৈ প্ৰতিদ্বন্দ্বিতা কৰা নেপালী প্ৰাৰ্থীৰ তালিকা এনেধৰণৰ —

সমষ্টি	প্ৰাৰ্থীৰ নাম	ৰাজনৈতিক দল	লাভ কৰা ভোটৰ সংখ্যা	ফলাফল
গহপুৰ	বিষ্ণুলাল উপাধ্যায়	ভাৰতীয় জাতীয় কংগ্ৰেছ	৮,৭২৪	নিৰ্বাচিত
	ৰাম চন্দ্ৰ শৰ্মা	প্ৰজা চছিয়েলিষ্ট পাৰ্টী	৫,৬১৩	পৰাজিত
সৰুপথাৰ	শিৱাজী ৰাই	অখিল ভাৰতীয় গোৰ্খা লীগ	১,৯১৭	ঐ

[Source : Report of the Fourth General Election, 1967 Election Department Government of Assam, 11 May 1968, p.50-55]

অনুৰূপধৰণে ১৯৭২ চনত অনুষ্ঠিত পঞ্চম সাধাৰণ নিৰ্বাচনতো ভাৰতীয় জাতীয় কংগ্ৰেছে ডিগবৈ সমষ্টিত চন্দ্ৰ বাহাদুৰ ছেত্ৰীক প্ৰাৰ্থীত্ব প্ৰদান কৰে। কংগ্ৰেছৰ একমাত্ৰ প্ৰাৰ্থী ছেত্ৰী নিৰ্বাচিত হৈ আহে। তদুপৰি চন্দ্ৰ বাহাদুৰ ছেত্ৰীক তদানীন্তন অসম চৰকাৰৰ কেবিনেটত অন্তৰ্ভুক্ত কৰিবলৈ মুখ্যমন্ত্ৰীৰ হাতত ১৯৭২ চনৰ ২২ এপ্ৰিলত এখন স্মাৰক প্ৰদান কৰি অসম গোৰ্খা সন্মিলনে যুক্তি প্ৰদৰ্শন কৰে এই বুলি যে — Like all other minority groups here, the Nepalese have also a sizeable population in Assam. Some of whom are in defence service and others engaged in agriculture and labour in far flung areas doing their best for defense and production of the country. They [Nepalese] will feel proud and secure even after 25 years of long congress rule if Shri Chandra Bahadur Chetri, the

only representative of this community in the Legislature is taken in the Cabinet. We are confident that Shri Chetri- being quite young, educated and active can shoulder responsibility of administration under your able guidance অৱশ্যে অসম গোৰ্খা সন্মিলনৰ এই দাবী কংগ্ৰেছে অগ্ৰাহ্য কৰে। যি কি নহওক, পৰৱৰ্তীকালত বিশেষকৈ ১৯৭৫ চনৰ ২৫ জুনত ঘোষণা কৰা ৰাষ্ট্ৰজোৰা জৰুৰীকালীন অৱস্থাত ভাৰতৰ ৰাজনৈতিক দৃশ্যপটত এক ঐতিহাসিক পৰিবৰ্তন দেখা যায়। এই কালছোৱাত গঠিত জনতা পাৰ্টীয়ে অসমতো জনপ্ৰিয়তা অৰ্জন কৰাৰ ফলত ৰাজনৈতিকভাৱে আকাংক্ষিত এচাম থলুৱা নেপালী নেতৃবৃন্দও এই দলৰ প্ৰতি আকৰ্ষিত হৈ যোগদান কৰা দেখা যায়। আৰু পৰৱৰ্তী অৰ্থাৎ ১৯৭৮ চনত অনুষ্ঠিত অসম বিধান সভা নিৰ্বাচনতো এচাম নেপালী নেতৃবৃন্দই জনতা পাৰ্টীৰ প্ৰাৰ্থী হৈ প্ৰতিদ্বন্দ্বিতা কৰি নিৰ্বাচিত হয়। ১৯৭৮ চনৰ মধ্যকালীন সাধাৰণ নিৰ্বাচনত জনতা পাৰ্টীকে আদি কৰি বিভিন্ন দলৰ হৈ প্ৰতিদ্বন্দ্বিতা কৰা নেপালী প্ৰাৰ্থীসকলৰ তালিকা তলত দিয়া হ'ল।

সমষ্টি	প্ৰাৰ্থীৰ নাম	ৰাজনৈতিক দল	লাভ কৰা ভোটৰ সংখ্যা	ফলাফল
তামুলপুৰ	পদম বাহাদুৰ চৌহান	জনতা পাৰ্টী	১২,৯৬০	নিৰ্বাচিত
মাজবাট	চন্দ্ৰমোহন ছেত্ৰী	ভাৰতীয় জাতীয় কংগ্ৰেছ	৮,১০৪	x
বিহালী	বিষ্ণুলাল উপাধ্যায়	ঐ	১০,৬৩১	নিৰ্বাচিত
	স্বৰূপ উপাধ্যায়	নিৰ্দলীয়	৭৪৫	x
	বিলাসী ছেত্ৰী	ঐ	৮১২	x
চতিয়া	ক্ষেম প্ৰসাদ উপাধ্যায়	ঐ	১১৪	x
গহপুৰ	ৰামচন্দ্ৰ শৰ্মা	জনতা পাৰ্টী	১৫,৭৩৬	নিৰ্বাচিত
	টিকাৰাম ছেত্ৰী	নিৰ্দলীয়	৪৩৮	x
মাৰ্ঘেৰিটা	কুল বাহাদুৰ ছেত্ৰী	জনতা পাৰ্টী	৯,৯৮৭	নিৰ্বাচিত
	চন্দ্ৰ বাহাদুৰ ছেত্ৰী	ভাৰতীয় জাতীয় কংগ্ৰেছ	৫,৩৮২	x
	কৰ্ণ বাহাদুৰ থাপা	নিৰ্দলীয়	৯০২	x
শদিয়া	শিৱাজী ৰাই	অখিল ভাৰতীয় গোৰ্খা লীগ	২,৩০৫	x
	শুভাংকৰ উপাধ্যায়	নিৰ্দলীয়	৪,৭৫৫	x

[Source: Report of the Sixth General Election to the Assam Legislative Assembly, Department of Election, Government of Assam, 1978, p.23-25]

উল্লিখিত তালিকাখনৰ পৰা এটা কথা স্পষ্ট যে ১৯৭৮ চনৰ অসম বিধান সভা নিৰ্বাচনত অদ্যাপি আটাইতকৈ বেছি সংখ্যক থলুৱা নেপালী নেতৃবৃন্দই প্ৰতিদ্বন্দ্বিতা কৰে। দ্বিতীয়তে এই নিৰ্বাচনৰ নেপালী প্ৰতিদ্বন্দ্বীৰ সংখ্যা চাই এই কথা ক'ব পাৰি যে তথাকথিত অৰাজনৈতিক মঞ্চ অসম গোৰ্খা সন্মিলনে নিৰ্বাচনী বুজাবুজি বিষয়ত নেপালী নেতৃবৃন্দক ঐক্যবদ্ধ কৰি ৰখাত ব্যৰ্থ হৈছে যাৰ ফলত একেটা সমষ্টিৰ পৰা এজনতকৈ অধিক সংখ্যক নেপালী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰে যাৰ ফলত নেপালী ভোটৰ বিভাজন হোৱাতো তেনেই স্বাভাৱিক। তৃতীয়তে সাংবিধানিক অধিকাৰৰ দোহাই দি নেপালী প্ৰাৰ্থীৰ বিৰুদ্ধে নেপালী প্ৰাৰ্থী নিৰ্বাচনত থিয় হোৱাতো দুয়োজনৰে সুবিধাবাদী মানসিকতাৰ পৰিচয় নহয় জানো? সেয়েহে যিকোনো মধ্যবিত্ত ৰাজনৈতিক নেতৃবৃন্দৰ দৰে নেপালী নেতৃবৃন্দকো নিজৰ জনগোষ্ঠীয় স্বাৰ্থ পুৰণৰ পৰিবৰ্তে ব্যক্তিগত আশা-আকাংক্ষাৰ প্ৰতিহে বেছি আগ্ৰহী যেন দেখা যায়। নিজৰ ক্ষুদ্ৰ স্বাৰ্থকে ৰাজহুৱা তথা সমূহ থলুৱা নেপালী জনগোষ্ঠীৰ স্বাৰ্থ বুলি প্ৰক্ষেপণ কৰা যেন দেখা যায়। মুঠতে একাংশ নেপালী নেতৃবৃন্দই জনগোষ্ঠীয় প্ৰতীক আৰু সাংগঠনিক মঞ্চক তেওঁলোকৰ ব্যক্তিগত লাভালাভৰ বাবে ব্যৱহাৰ যে কৰা নাই তাক অস্বীকাৰ কৰিব পাৰি নে? এই সন্দৰ্ভত আন এটা মন কৰিবলগীয়া দিশ হৈছে এয়ে যে ৰাষ্ট্ৰীয় ৰাজনৈতিক দলবোৰে অসমত নেপালীলোকৰ জনসংখ্যা আৰু ক্ৰমবৰ্ধমান সাংগঠনিক সামৰ্থ উপলব্ধি কৰিব পাৰিয়েই জনতা পাৰ্টী আৰু ভাৰতীয় জাতীয় কংগ্ৰেছে একাধিক প্ৰাৰ্থীক এই নিৰ্বাচনত মনোনয়ন দিয়া দেখা গৈছে। প্ৰকৃতাৰ্থত নিজ নিজ দলৰ বিজয় নিশ্চিত কৰাৰ লক্ষ্যৰে নিৰ্বাচনী কৌশল ৰূপে থলুৱা নেপালী নেতৃবৃন্দক মনোনিত কৰি তেওঁলোকৰ জনগোষ্ঠীৰ ভোটাৰৰ সমৰ্থন আদায় কৰা। যি কি নহওঁক, ১৯৭৮ চনৰ মধ্যকালীন নিৰ্বাচনত সৰ্বমুঠ দল নিৰ্বিশেষে চাৰি গৰাকী নেপালী প্ৰাৰ্থী পোন প্ৰথমবাৰৰ বাবে নিৰ্বাচিত হৈ অসম বিধান সভাৰ ইতিহাসত এক অভূতপূৰ্ব অভিলেখ সৃষ্টি কৰে। ইয়াৰ বিপৰীতে ১৯৮৩ চনত অনুষ্ঠিত বিতৰ্কমূলক সাধাৰণ নিৰ্বাচনত এক ক্ষুদ্ৰ সংখ্যক নেপালীলোকে প্ৰতিদ্বন্দ্বিতা কৰে। কাৰণ ছবছৰীয়া বিদেশী বহিষ্কাৰ আন্দোলন (১৯৭৯-১৯৮৫)ৰ নেতৃত্ব মুল সংগঠন সদৌ অসম ছাত্ৰ সন্থা আৰু অসম গণ সংগ্ৰাম পৰিষদদ্বয়ে এই নিৰ্বাচন বৰ্জন কৰিবলৈ অসমবাসীলৈ আহ্বান জনাইছিল এই অভিযোগ কৰি যে অসমৰ ভোটাৰ লিষ্টসমূহত বুজন সংখ্যক বিদেশীৰ নাম সন্নিবিষ্ট হৈ আছে। গতিকে বিদেশীৰ ভোটেৰে অসমত নিৰ্বাচন পাতি চৰকাৰ গঠন কৰিব নোৱাৰে বুলি গুৰুতৰ অভিযোগ তুলি ১৯৮৩ চনৰ নিৰ্বাচনক 'অবৈধ' বুলি দাবী কৰি সংগঠনদ্বয়ে সমগ্ৰ অসমবাসীক নিৰ্বাচন বৰ্জনৰ বাবে জনোৱা আহ্বানৰ পৰিপ্ৰেক্ষিতত কেৱল নিম্নলিখিত চাৰি গৰাকী নেপালী নেতৃবৃন্দই প্ৰতিদ্বন্দ্বিতা কৰে।

সমষ্টি	প্ৰাৰ্থীৰ নাম	ৰাজনৈতিক দল	লাভ কৰা ভোটৰ সংখ্যা	ফলাফল
তামুলপুৰ	পদম বাহাদুৰ চৌহান	ভাৰতীয় জাতীয় কংগ্ৰেছ(ই)	১২,৫৬৬	নিৰ্বাচিত
বঙাপাৰা	প্ৰেমৰাজ ছেত্ৰী	নিৰ্দলীয়	৩৪৮	X
মাৰ্ঘেৰিটা	কুল বাহাদুৰ ছেত্ৰী	ভাৰতীয় জাতীয় কংগ্ৰেছ(ই)	১১,৫৯৬	নিৰ্বাচিত
শদিয়া	ধন বাহাদুৰ ছেত্ৰী	নিৰ্দলীয়	৩৯	X

[উৎস ঃ Report of the Seventh General Election to the Assam Legislative Assembly, Government of Assam, 1983, p.55-60]

এই নিৰ্বাচনী দৃশ্যৰ পৰা এটা কথা স্পষ্ট যে নেপালী নেতৃবৃন্দই তাৎক্ষণিক ৰাজনৈতিক পৰিস্থিতিৰ সুযোগ গ্ৰহণ কৰি নিজৰ ৰাজনৈতিক আকাংক্ষা পূৰণাৰ্থে চেষ্টা কৰা যেন লাগে। উদাহৰণস্বৰূপে ইয়াৰ আগৰ অৰ্থাৎ ১৯৭৮ চনৰ সাধাৰণ নিৰ্বাচনত পদম বাহাদুৰ চৌহান আৰু কুল বাহাদুৰ ছেত্ৰীদ্বয়ে জনতা পাৰ্টীৰ প্ৰাৰ্থীৰূপে নিৰ্বাচনী বৈতৰণী অতিক্ৰম কৰিছিল। কিন্তু, হঠাৎ বিদেশী নাগৰিক চিনাক্তকৰণ আৰু বহিস্কৰণৰ দাবীত অটল হৈ থাকি সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদে উক্ত ১৯৮৩ চনৰ নিৰ্বাচনক 'অবৈধ' বুলি ঘোষণা কৰি নিৰ্বাচন বৰ্জন কৰাৰ পৰিপ্ৰেক্ষিতত কম সংখ্যক প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰাৰ সুযোগ গ্ৰহণ কৰি পদম বাহাদুৰ চৌহান আৰু কুল বাহাদুৰ ছেত্ৰীয়ে কংগ্ৰেছ(ই) দলত যোগদান কৰি নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰে আৰু সহজেই অসম বিধান সভালৈ নিৰ্বাচিত হৈ আহে। দ্বিতীয়তে এই কথাও হ'ব পাৰে যে অসম বিধান সভাত নেপালীলোকৰ প্ৰতিনিধিত্ব নাথাকিলে জনগোষ্ঠীয় স্বাৰ্থ সুৰক্ষা কৰাতো মস্কিল; সেয়েহে সংশ্লিষ্ট ৰাজনৈতিক দলৰ নীতি-আদৰ্শক লৈ নেপালী নেতৃবৃন্দ চিন্তান্বিত নহয় যেন লাগে বৰঞ্চ নিৰ্বাচনত নেপালী প্ৰাৰ্থীয়ে জিকি বিধান সভাত প্ৰবেশ কৰাতোহে অধিক গুৰুত্বপূৰ্ণ কথা বুলি বিবেচনা কৰা যেন লাগে। সেয়েহে তেওঁলোকে কোনো ইতস্ততঃ নকৰাকৈ দল সলনি কৰি নিৰ্বাচনত সংখ্যাগৰিষ্ঠতা লাভৰ দ্বাৰা চৰকাৰ গঠন কৰাৰ অধিক সম্ভাৱনা থকা ৰাজনৈতিক দলৰ হৈ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাতো নিজৰ জনগোষ্ঠীটোৰ বাবে লাভজনক বুলি বিবেচনা কৰিছিল।

যেই কি নহওক, ১৯৮৫ চনৰ সাধাৰণ নিৰ্বাচনে অসম বিধান সভাৰ নিৰ্বাচনী ইতিহাসত এক যুগান্তকাৰী পৰিবৰ্তন আনিছিল। কাৰণ স্বাধীনোত্তৰ অসমত পোন প্ৰথমবাৰৰ বাবে সুদীৰ্ঘ ছবছৰীয়া বিদেশী বহিষ্কাৰ আন্দোলনৰ ফলশ্ৰুতিত আবিৰ্ভাৱ হোৱা আঞ্চলিক ৰাজনৈতিক দলক শাসনৰ গাদীত উপবিষ্ট কৰাইছিল। এনে প্ৰেক্ষাপটত অসমৰ থলুৱা নেপালীলোকেও এই নিৰ্বাচনত বিশেষ আগ্ৰহেৰে অংশ গ্ৰহণ কৰা পৰিলক্ষিত হৈছিল।

ইয়াৰ প্ৰতিফলন দেখিবলৈ পোৱা গৈছিল তেতিয়া যেতিয়া নেপালী নেতৃবৃন্দই বিভিন্ন ৰাষ্ট্ৰীয় আৰু আঞ্চলিক ৰাজনৈতিক দলৰ প্ৰাৰ্থী হৈ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছিল। এইখিনিতে প্ৰণিধানযোগ্য যে আনকি অসম চুক্তি বিৰোধীতাকে মুলধন হিচাপে লৈ গঠিত আন এটা আঞ্চলিক দল সংযুক্ত সংখ্যালঘু মৰ্চা (United Minorities Front)ৰ সৈতে লগলাগি একাংশ নেপালী নেতায়ো ১৯৮৫ চনৰ নিৰ্বাচনত অংশগ্ৰহণ কৰিছিল। মুঠতে নিৰ্দলীয় প্ৰাৰ্থীকে আদি কৰি বিভিন্ন ৰাজনৈতিক দলবোৰৰ মনোনিত প্ৰাৰ্থীৰূপে এই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা থলুৱা নেপালী প্ৰাৰ্থীৰ তালিকা এনেধৰণৰ —

সমষ্টি	প্ৰাৰ্থীৰ নাম	ৰাজনৈতিক দল	লাভ কৰা ভোটৰ সংখ্যা	ফলাফল
মাজবাট	ৰেৱতী উপাধ্যায়	জনতা পাৰ্টী	২,৪৮৮	X
বৰছলা	ক্ষেমৰাজ অধিকাৰী	ভাৰতীয় জাতীয় কং(ই)	১১,৩৪৩	X
	মাধৱ উপাধ্যায় ভট্টৰায়	সংযুক্ত সংখ্যালঘু মৰ্চা	৪,২৯৪	X
পানেৰী	পদম বাহাদুৰ চৌহান	নিৰ্দলীয়	৯৮৯	X
	কুল প্ৰসাদ চাপাগাঞি	ঐ	২৮০	X
চতিয়া	থৰ্গ বাহাদুৰ ছেত্ৰী	ঐ	২,২৫৬	X
	খেম প্ৰসাদ উপাধ্যায়	সংযুক্ত সংখ্যালঘু মৰ্চা	৫০০	X
গহপুৰ	ৰাম চন্দ্ৰ শৰ্মা	জনতা পাৰ্টী	২,৮২০	X
বিহালী	স্বৰূপ উপাধ্যায়	ভাৰতীয় জাতীয় কং(ই)	১৬,৫১১	নিৰ্বাচিত
	অমৰনাথ উপাধ্যায়	অসম গণ পৰিষদ	৬,৩৫৪	X
	যোগেশ উপাধ্যায়	চি.পি.আই (এম)	৪,৬১৭	X
কলিয়াবৰ	বদ্ৰি প্ৰসাদ কাৰ্কী	নিৰ্দলীয়	৫৬১	X
তামুলপুৰ	পদম বাহাদুৰ চৌহান	ঐ	১১,৪৪৫	X
	চিত কুমাৰ বিশ্বকৰ্মা	ঐ	১২৬	X
মৰাণ	দীননাথ শৰ্মা	ঐ	৬৬৯	X
টিংখাং	চন্দ্ৰ বাহাদুৰ তামাং	ঐ	১,৩৯৬	X
মাৰ্ঘেৰিটা	কুল বাহাদুৰ ছেত্ৰী	ভাৰতীয় জাতীয় কং(ই)	২২,৪৫৫	নিৰ্বাচিত
	খিলনাথ উপাধ্যায়	নিৰ্দলীয়	১,১০০	X
শদিয়া	গণেশ বাহাদুৰ তামাং	ভাৰতীয় জনতা পাৰ্টী	৭৪০	X
	অমৃত তামাং	নিৰ্দলীয়	৪২৬	X
	নিৰ্মল গুৰুং	সংযুক্ত সংখ্যালঘু মৰ্চা	২৯৪	X
	বাবুৰাম শৰ্মা	নিৰ্দলীয়	৩৯১	X
	ধন বাহাদুৰ ছেত্ৰী	ঐ	৩,০৯০	X

[উৎস : Report of the Eighth General Election to the Assam Legislative Assembly and the House of People, Election Department, Government of Assam, 1985, p.55-179]

উল্লিখিত তালিকাৰ পৰা দেখা যায় যে এইবাৰ সৰ্বাধিক সংখ্যক অৰ্থাৎ মুঠ তেইছ গৰাকী নেপালী প্ৰাৰ্থীয়ে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি এক অভিলেখ ৰচনা কৰে। নতুনকৈ গঠিত আঞ্চলিক জাতীয়তাবাদী দল অসম গণ পৰিষদ আৰু সংযুক্ত সংখ্যালঘু মৰ্চাৰ হৈয়ো এচাম নেপালী নেতাই নিৰ্বাচন খেলিলেও বিজয়ৰ মুখ হ'লে দেখা নাপালে। পূৰ্বৰ দৰেই কেৱল কংগ্ৰেছ(ই) দলৰ প্ৰাৰ্থী যথাক্ৰমে বিহালী সমষ্টিৰ পৰা স্বৰূপ উপাধ্যায় আৰু মাৰ্ঘেৰিটা সমষ্টিৰ পৰা কুল বাহাদুৰ ছেত্ৰীদ্বয় অসম বিধান সভালৈ নিৰ্বাচিত হৈছিল। অৱশ্যে কংগ্ৰেছ(ই)ৰ জ্যেষ্ঠ নেপালী নেতাদ্বয় পদম বাহাদুৰ চৌহান (তামুলপুৰ আৰু পানেৰী সমষ্টি) আৰু চন্দ্ৰ বাহাদুৰ তামাঙে (টিংখাং) দলীয় টিকট লাভ কৰিবলৈ ব্যৰ্থ হৈ নিৰ্দলীয় প্ৰাৰ্থীৰূপে ১৯৮৫ চনৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি পৰাজয়ৰ গ্লানি মুৰ পাতি ল'ব লগা হৈছিল। এই প্ৰসংগতে মন কৰিবলগীয়া কথা যে তেনেই ফুল কুমলীয়া আঞ্চলিক দল অসম গণ পৰিষদে ৰাজ্যৰ বিধান সভাৰ নিৰ্বাচনী ৰাজনীতিৰ ইতিহাসত প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় দলক উৎখাত কৰি ক্ষমতালৈ অহাৰ সময়তো আঞ্চলিক অথবা অনা-কংগ্ৰেছী দলৰ হৈ কোনো নেপালী প্ৰাৰ্থী বিজয়ী হ'ব নোৱাৰা কথাটোৱে ইয়াকে প্ৰতিপন্ন কৰা যেন তেওঁলোকৰ বিজয়ৰ বাবে কংগ্ৰেছ(ই)ৰ বাদে দ্বিতীয় বিকল্প মঞ্চ নাই।

তৎস্বত্বেও পূৰ্ববৰ্তী নিৰ্বাচনবোৰৰ লেখিয়াকৈ ১৯৯১ চনৰ সাধাৰণ নিৰ্বাচনতো বিভিন্ন দল অথবা নিৰ্দলীয় প্ৰাৰ্থীৰূপে এক বুজন সংখ্যক থলুৱা নেপালী নেতৃবৃন্দই যে প্ৰতিদ্বন্দ্বিতা কৰে তাক নিম্ন তালিকাই প্ৰমাণ কৰে।

সমষ্টি	প্ৰাৰ্থীৰ নাম	ৰাজনৈতিক দল	লাভ কৰা ভোটৰ সংখ্যা	ফলাফল
মাজবাট	পুষ্প থাপা	ভাৰতীয় জনতা পাৰ্টী	৮৮৬	X
	ৰেৱতী উপাধ্যায়	জনতা দল	২,৪৪৮	X
	হৰ্ষ বাহাদুৰ বিশ্বকৰ্মা	অসম গণ পৰিষদ	৫,৩৯২	X
বৰছলা	ৰুদ্ৰ পৰাজুলী	ভাৰতীয় জাতীয় কং(ই)	২৬,৯১১	নিৰ্বাচিত
পানেৰী	হৰ্ষ বাহাদুৰ ছেত্ৰী	নিৰ্দলীয়	৩৫৭	X
চতিয়া	ৰাম প্ৰসাদ ছেত্ৰী	ঐ	১,১৪৩	X
গহপুৰ	ৰাম চন্দ্ৰ শৰ্মা	জনতা পাৰ্টী	৪,৩৫৭	X

বিহালী	অমৰনাথ উপাধ্যায়	অসম গণ পৰিষদ	২,১৪২	X
	বাসুদেৱ উপাধ্যায়	নির্দলীয়	১,৫৯৭	X
	টংক বাহাদুৰ সিং	জনতা দল	২,১৫৬	X
	ভোলা শৰ্মা	নতুন অসম গণ পৰিষদ	১,১৫১	X
তামুলপুৰ	পদম বাহাদুৰ চৌহান	নির্দলীয়	১০,৩৫৭	X
নাওবৈচা	মণি কুমাৰ চুবা	ভাৰতীয় জাতীয় কং(ই)	৩৪,১৩০	নির্বাচিত
ডুমডুমা	ৰাম কৃষ্ণ সোণাৰ	নির্দলীয়	৩৫৮	X
মাৰ্ঘেৰিটা	কুল বাহাদুৰ ছেত্ৰী	ভাৰতীয় জাতীয় কং(ই)	২৮,৪৬৩	নির্বাচিত
	চন্দ্ৰ বাহাদুৰ ছেত্ৰী	নির্দলীয়	৩৩৪	X
	প্ৰদীপ উপাধ্যায়	নতুন অসম গণ পৰিষদ	৫,৩৯২	X
শদিয়া	চন্দ্ৰ বাহাদুৰ বিশ্বছেত্ৰী	নির্দলীয়	২৫৪	X
	ধন বাহাদুৰ ছেত্ৰী	ঐ	৩১৪	X

[উৎসঃ Reported in The Assam Tribune, 21-22 June, 1991]

উপৰোক্ত তালিকাখনে ১৯৮৫ চনৰ সাধাৰণ নিৰ্বাচনৰ ধাৰাকে বাহাল থকা প্ৰতিফলিত কৰিছে। দ্বিতীয়তে থলুৱা নেপালী জনগোষ্ঠীৰ মাজত ৰাজনৈতিক সচেতনতা যে ক্ৰমবৰ্ধমানে বৃদ্ধি পাই অহা কথাকে প্ৰতিপন্ন কৰিছে। তৃতীয়তে ৰাজ্যৰ অন্যান্য জনগোষ্ঠীৰ মাজত যি সাম্প্ৰদায়িক প্ৰৱণতা আৰু তাৰ বহিঃপ্ৰকাশ নিৰ্বাচনী ৰাজনীতিৰ দ্বাৰা প্ৰতিফলিত হৈছে তাৰ দ্বাৰা থলুৱা নেপালী নেতৃবৃন্দও প্ৰভাৱান্বিত যে হৈছে সি অনস্বীকাৰ্য। চতুৰ্থতে পোন প্ৰথমবাৰৰ বাবে মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ নেতৃত্বত গঠিত অসম মন্ত্ৰীসভাত কুল বাহাদুৰ ছেত্ৰীক সমাজ কল্যাণ বিভাগৰ কেবিনেট মন্ত্ৰীৰূপে অন্তৰ্ভুক্ত কৰা হয়। অৱশ্যে ১৯৮৩ চনত শইকীয়াৰ নেতৃত্বতে গঠিত মন্ত্ৰী সভাত কুল বাহাদুৰ ছেত্ৰী আৰু পদম বাহাদুৰ চৌহানদ্বয়ক ৰাজ্যিক মন্ত্ৰীৰ পদ মৰ্যাদা দিয়া হৈছিল।

কুৰি শতিকাৰ অন্তিম নিৰ্বাচন ১৯৯৬ চনত অনুষ্ঠিত হৈছিল আৰু এই নিৰ্বাচনত পূৰ্বৰ দৰে নহ'লেও এচাম থলুৱা নেতৃবৃন্দই প্ৰতিদ্বন্দ্বিতা কৰি কেৱল এগৰাকী সদস্য অসম বিধান সভালৈ পঠিয়াবলৈ সমৰ্থ হৈছিল। এই প্ৰতিদ্বন্দ্বীসকলৰ এখন তালিকা তলত দাঙি ধৰা হৈছে এনে ধৰণেৰেঃ

সমষ্টি	প্ৰাৰ্থীৰ নাম	ৰাজনৈতিক দল	লাভ কৰা ভোটৰ সংখ্যা	ফলাফল
মাজবাট	তাৰাপতি উপাধ্যায়	অসম গণ পৰিষদ	১৪,০৪২	X
বৰছলা	ৰুদ্ৰ পৰাজুলী	ভাৰতীয় জাতীয় কং(ই)		X
	বিষ্ণু বহৰা	নির্দলীয়		X

	মাধৱ উপাধ্যায়	কংগ্ৰেছ (তিৱাৰী)		X
টেকীয়াজুলি	মোহন অধিকাৰী	নিৰ্দলীয়		X
বিহালী	ডাঃ দিল বাহাদুৰ ছেত্ৰী	বিজেপি	৪,৯৮৬	X
	ডাঃ মাধৱ উপাধ্যায়	কংগ্ৰেছ (তিৱাৰী)	৪,০৪৩	X
চতিয়া	পদম বাহাদুৰ চৌহান	কংগ্ৰেছ (তিৱাৰী)	৮,০০০	X
গহপুৰ	ভবেন আচাৰ্য	নিৰ্দলীয়		X
নাওবৈচা	মণি কুমাৰ চুবা	ভাৰতীয় জাতীয় কংগ্ৰেছ	২৩,৮০০	নিৰ্বাচিত
কলিয়াবৰ	আৰতি নেবাৰ	বিজেপি	৩,৮০২	X
মাৰ্ঘেৰিটা	কুল বাহাদুৰ ছেত্ৰী	ঐ		
	বিনোদ খনাল	কংগ্ৰেছ (তিৱাৰী)	৪,২৯৩	X
	গুৰু প্ৰসাদ শৰ্মা	নিৰ্দলীয়	৮৬৭	X

মুঠতে পৰ্যালোচনা কৰিলে দেখা যায় যে ১৯৭৫ চনৰ জৰুৰীকালীন অৱস্থাৰ সামৰণিৰ পিছত ১৯৭৭ চনত আত্মপ্ৰকাশ কৰা জনতা দলৰ ৰাষ্ট্ৰজুৰি এক অভূতপূৰ্ব জনপ্ৰিয়তাৰ সুযোগ লৈ আনৰ লগতে অসমতো এচাম থলুৱা নেপালী নেতৃবৃন্দই ১৯৭৮ চনত অনুষ্ঠিত বিধানসভা নিৰ্বাচনত জনতা দলৰ প্ৰাৰ্থী হৈ প্ৰতিদ্বন্দ্বিতা কৰি বিজয়ী হয়। মাৰ্ঘেৰিটাৰ পৰা কুল বাহাদুৰ ছেত্ৰী, তামুলুবৰ পৰা পদম বাহাদুৰ চৌহান আৰু গহপুৰ সমষ্টিৰ পৰা ৰামচন্দ্ৰ শৰ্মাই জনতা দলৰ প্ৰাৰ্থী হৈ বিধানসভালৈ নিৰ্বাচিত হয়; আনহাতে, বিহালী সমষ্টিৰ পৰা বিষ্ণুলাল উপাধ্যায়ে কংগ্ৰেছ(ই)ৰ প্ৰাৰ্থী হৈ এই নিৰ্বাচনত বিজয়ী হয়। এই নিৰ্বাচনৰ বিশেষত্ব এয়ে যে একেটা সমষ্টিৰ পৰা দুই-তিনিজনকৈ নেপালী নেতাই প্ৰতিদ্বন্দ্বিতা কৰা দেখা যায়। উদাহৰণস্বৰূপে বিহালী আৰু মাৰ্ঘেৰিটাৰ পৰা তিনিগৰাকীকৈ আৰু গহপুৰ আৰু শদিয়াৰ পৰা দুগৰাকীকৈ নেপালী নেতাই ১৯৭৮ চনৰ সাধাৰণ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি দেখুৱাই দিলে যে আন যিকোনো মধ্যবিত্ত শ্ৰেণীৰ নিচিনাকৈ তেওঁলোকেও গোষ্ঠীগত স্বাৰ্থতকৈ ব্যক্তিগত স্বাৰ্থ পূৰণৰ বাবে যথেষ্ট সংখ্যক নেপালী ভোটদাতা থকা সমষ্টিত জাতি ভাইৰ আৱেগ-অনুভূতিক ৰাজনৈতিক সম্পদৰূপে (as a political resource) লৈ নিৰ্বাচনত টনা-আঁজোৰা কৰে। থলুৱা নেপালীসকলৰ সামূহিক স্বাৰ্থ পূৰণৰ বাবে ৰাজনৈতিক ক্ষমতা লাভ কৰাটো প্ৰয়োজনীয় বুলি বিবেচনা কৰা নেপালী নেতাসবে সঁচাকৈ জাতীয় স্বাৰ্থৰ কথা অন্তঃকৰণেৰে চিন্তা কৰাহেঁতেন একেটা সমষ্টিৰ পৰা দুই তিনিগৰাকী নেপালী নেতাই ওপৰা-উপৰিকৈ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰিলেহেঁতেন। আনকি ১৯৮৩ চনৰ অবৈধ (?) নিৰ্বাচনত সকলোৰে চকু কপালত তুলি ৰাতিৰ ভিতৰতে দল বাগৰি জনতা দলৰ নেতা হোৱা পদম বাহাদুৰ চৌহান আৰু কুল বাহাদুৰ ছেত্ৰীদ্বয়ে কংগ্ৰেছ(ই)ৰ প্ৰাৰ্থী হৈ

ক্ৰমে তামুলপুৰ আৰু মাৰ্ঘেৰিটা সমষ্টিৰ পৰা নিৰ্বাচিত হয়। জনতা দলৰ সাময়িক জনপ্ৰিয়তা অন্তপৰাৰ লগে লগে উল্লিখিত থলুৱা নেপালী নেতাদ্বয়েও নীতি-আদৰ্শক নেওচি কংগ্ৰেছ(ই) শিবিৰলৈ পুনৰ ঢাপলি মেলে। একেদৰেই ১৯৮৫ চনৰ নিৰ্বাচনতো মুঠ ঊনৈছ গৰাকী নেপালী নেতাই একেটা সমষ্টিৰ পৰা দুই-তিনিজনকৈ প্ৰতিদ্বন্দ্বিতা কৰি সুবিধাবাদী মধ্যবিত্তীয় মানসিকতাৰ পৰিচয় পুনৰ দাঙি ধৰে। আন দলৰ দৰে এইবাৰ নব গঠিত আঞ্চলিক দল অসম গণ পৰিষদ আৰু সংযুক্ত সংখ্যালঘু মৰ্চাদ্বয়েও নেপালী প্ৰাৰ্থী থিয় কৰোৱাই ১৯৮৫ চনৰ সাধাৰণ নিৰ্বাচনত। অমৰ নাথ উপাধ্যায়ে বিহালীৰ পৰা অগপৰ মনোনিত প্ৰাৰ্থী আৰু নিৰ্মল গুৰুং (শদিয়া) আৰু ক্ষেম প্ৰসাদ উপাধ্যায়ে (বৰচোলা) সংযুক্ত সংখ্যালঘু মৰ্চাৰ মনোনিত প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰে; কিন্তু কোনেও বিজয়ৰ মুখ দেখা নাপালে। আশ্চৰ্যজনকভাৱে এই নিৰ্বাচনত ঐতিহাসিক অসম আন্দোলনে সৃষ্টি কৰা অভূতপূৰ্ব জাতীয়তাবাদী চৌৰেও বিহালী সমষ্টিত নেপালী অগপ প্ৰাৰ্থী অমৰ উপাধ্যায়ে নেপালী কংগ্ৰেছ প্ৰাৰ্থী স্বৰূপ উপাধ্যায়ক পৰাজিত কৰাব নোৱাৰিলে। এনে পৰিস্থিতিয়ে নেপালী বিদ্বৎ সমাজৰ ধাৰণা অধিক দৃঢ় কৰা যেন লাগে যে কংগ্ৰেছ(ই)ৰ প্ৰাৰ্থিত্ব নাপালে কোনো নেতাই নিৰ্বাচনী বৈতৰণী পাৰ হ'ব নোৱাৰে। এনে ধাৰণাৰে বাস্তৱ প্ৰতিফলন ঘটে তেতিয়া যেতিয়া ১৯৯১ আৰু ১৯৯৬ চনৰ নিৰ্বাচনত ক্ৰমে বিভিন্ন দলৰ মুঠ ওঠৰ আৰু এঘাৰ গৰাকী নেপালী প্ৰাৰ্থীৰ ভিতৰত কংগ্ৰেছ(ই)ৰ মণি কুমাৰ চুব্বাই নাওবৈচা আৰু কুল বাহাদুৰ ছেত্ৰীয়ে মাৰ্ঘেৰিটাৰ পৰা আৰু দ্বিতীয়বাৰত কেৱল মণিকুমাৰ চুব্বা বিধানসভালৈ নিৰ্বাচিত হৈ আহে। একেটা সমষ্টিৰ পৰা কেবাগৰাকী নেপালী নেতাই এই নিৰ্বাচনতো প্ৰতিদ্বন্দ্বিতা কৰি নিজৰ ক্ষুদ্ৰ ৰাজনৈতিক আকাংক্ষা পূৰণ কৰাতহে বেছি আগ্ৰহী হোৱা দেখা যায়।

তদ্ৰূপ অসমৰ লোকসভা নিৰ্বাচনতো নেপালী নেতা ধৰ্মানন্দ উপাধ্যায়ে ১৯৫৭ চনত ডিব্ৰুগড় লোকসভা সমষ্টিৰ পৰা নিৰ্দলীয় প্ৰাৰ্থীৰূপে প্ৰতিদ্বন্দ্বিতা কৰি পৰাজিত হৈছিল। আকৌ ১৯৮৫ চনত ইণ্ডিয়ান কংগ্ৰেছ(চছিয়েলিষ্ট) প্ৰাৰ্থীৰূপে তেজপুৰ লোকসভা সমষ্টিৰ পৰাই ধৰ্মানন্দ উপাধ্যায় আৰু নিৰ্দলীয় প্ৰাৰ্থীৰূপে বিলাসী ছেত্ৰীয়ে প্ৰতিদ্বন্দ্বিতা কৰি পুনৰ মুখথেকেচা খাবলগীয়াত পৰে। সৰ্বমুঠ ৫,০৪,১৩৭ টা ভোটৰ ভিতৰত উপাধ্যায়ে লাভ কৰে ১৫,৯০৭ টা আৰু ছেত্ৰীয়ে লাভ কৰে ৮,৪৭৭টা। মুঠতে, বিধানসভা নিৰ্বাচনৰ দৰে কংগ্ৰেছ(ই)ৰ আশীৰ্বাদ নোপোৱা পৰ্যন্ত লোকসভালৈও থলুৱা নেপালী প্ৰতিনিধি পঠোৱা সম্ভৱ নহয় — কথাষাৰ আখৰে আখৰে প্ৰমাণিত হয়। অৱশেষত যেনিবা সৌভাগ্য- দিন আহিল ১৯৯১ চনৰ নিৰ্বাচনত। এক বুজন সংখ্যক নেপালী বাসিন্দা থকা তেজপুৰ লোকসভা সমষ্টিত কংগ্ৰেছ(ই)ৰ প্ৰাৰ্থিত্ব দিয়া হয় নেপালী নেতা স্বৰূপ উপাধ্যায় আৰু বিজেপিৰ মনোনিত প্ৰাৰ্থী জয় নাৰায়ণ লুইটেলদ্বয়ক। ন অগপয়ো নেপালী নেতা টংক বাহাদুৰ ৰাইক নিজৰ প্ৰাৰ্থিত্ব দি এই নিৰ্বাচনত তেজপুৰ লোকসভা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা

কৰোৱাই। ইয়াৰ এক বিস্তৃত তালিকা তলত দিয়া হৈছে এনেধৰণে ঃ

সমষ্টি	প্ৰাৰ্থীৰ নাম	ৰাজনৈতিক দল	মুঠ ভোটৰ সংখ্যা	লাভ কৰা ভোটৰ সংখ্যা	ফলাফল
তেজপুৰ	স্বৰূপ উপাধ্যায়	কংগ্ৰেছ(ই)	৬,০৮৩১৬	২,৩৭,৯৫৫	নিৰ্বাচিত
	জয় নাৰায়ণ লুইটেল	বিজেপি	ঐ	৩৩,৯৩৮	X
	টংক বাহাদুৰ ৰাই	ন-অগপ	ঐ	৬১,৯১৪	X

[উৎসঃ দৈনিক জনমভূমি]

একেটা সমষ্টিৰ পৰা তিনিগৰাকী নেপালী প্ৰতিদ্বন্দ্বীৰ ভিতৰত কংগ্ৰেছ প্ৰাৰ্থী স্বৰূপ উপাধ্যায়ে প্ৰথমবাৰৰ বাবে অসম নেপালী সম্প্ৰদায়ক লোকসভাত প্ৰতিনিধিত্ব কৰিবলৈ সক্ষম হয়। অৱশ্যে ১৯৯৬ চনৰ নিৰ্বাচনতো স্বৰূপ উপাধ্যায়ে কংগ্ৰেছ(ই)ৰ টিকট নাপাই তদানীন্তন নৱগঠিত কংগ্ৰেছ (তিৱাৰী)ৰ প্ৰাৰ্থীৰূপে আৰু হৰ্ষবাহাদুৰ বিশ্বকৰ্মাই অগপ প্ৰাৰ্থীৰূপে তেজপুৰ লোকসভাৰ পৰা নিৰ্বাচন খেলি পৰাজিত হয়। ১৯৯৮ চনৰ লোকসভা নিৰ্বাচনত স্বৰূপ উপাধ্যায় আৰু 'লটাৰী সম্ৰাট' নামেৰে পৰিচিত মণিকুমাৰ চুব্বাৰ মাজত কংগ্ৰেছ(ই)ৰ টিকটৰ বাবে টনা-আঁজোৰা লাগে। অৱশেষত অসম গোৰ্খা সন্মিলনৰ সভাপতি হোৱাৰবাবে বোধকৰো আপত্তিজনকভাৱে হ'লেও ধনৰ বলত মণিকুমাৰ চুব্বাই দলীয় মনোনয়ন লাভ কৰি তেজপুৰ সমষ্টিৰ পৰা লোকসভালৈ যাবলৈ সক্ষম হয়।

তদ্ৰূপ ১৯৯৯ চনত অনুষ্ঠিত লোকসভা নিৰ্বাচনত নেপালী অধ্যুষিত তেজপুৰ লোকসভা সমষ্টিৰ পৰা মুঠ তিনিগৰাকী নেপালী নেতৃবৃন্দই ভিন্ ভিন্ ৰাজনৈতিক দলৰ হৈ প্ৰতিদ্বন্দ্বিতা কৰে। তেওঁলোক হ'ল —

সমষ্টি	প্ৰাৰ্থীৰ নাম	ৰাজনৈতিক দল	মুঠ ভোটৰ সংখ্যা	লাভ কৰা ভোটৰ সংখ্যা	ফলাফল
তেজপুৰ	মণি কুমাৰ চুব্বা	ভাৰতীয় জাতীয় কং(ই)	ঐ	২,৩০,৮৮৪	নিৰ্বাচিত
	ৰাম শৰ্মা	ভাৰতীয় জনতা পাৰ্টী	৯,৭১,০২৩	২,০৫,১৭৪	X
	কুল বাহাদুৰ ছেত্ৰী	ৰাষ্ট্ৰীয়তাবাদী কংগ্ৰেছ	ঐ	২,৬৫৭	X

[উৎস ঃ Report published in the Northeast Daily, 8 October 1999]

এইবাৰো প্ৰাক্তন সাংসদ কংগ্ৰে(ই)ৰ প্ৰাৰ্থী মণি কুমাৰ চুব্বাই প্ৰধান বিৰোধী প্ৰতিদ্বন্দ্বী ভাৰতীয় জনতা দলৰ নেপালী প্ৰাৰ্থী গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা ৰাম প্ৰসাদ শৰ্মাক মুঠ ২৫,৭১০টা ভোটৰ ব্যৱধানত পৰাজিত কৰি দ্বিতীয়বাৰলৈ সংসদৰ নিম্ন সদন লোকসভালৈ নিৰ্বাচিত হয়।

এইআলোচনাৰপৰা কেইটামান কথা স্পষ্ট যে (১) সকলো থলুৱা নেতৃবৃন্দইআটাইতকৈ

পুৰণি আৰু সংগঠিত অসম গোৰ্খা সন্মিলনৰ সভাপতি নাইবা আন উচ্চ বিষয়ববীয়া হ'বলৈ আপ্ৰাণ চেষ্টা কৰে, যাতে শক্তিশালী দল কংগ্ৰেছ(ই)ৰ আৰু আন এচামে অসম নেপালী পৰিষদৰ যোগেদি অগপৰ মনোযোগ আকৰ্ষণ কৰিব পাৰি — থলুৱা নেপালী সম্প্ৰদায়ৰ সমৰ্থনপুষ্ট নেতা বুলি। এনে কৰিলে নিৰ্বাচনত উক্ত দলবোৰৰ মনোনয়ন লাভ কৰিবলৈ সহজসাধ্য হয়।(২) কোনো স্থায়ী আদৰ্শ আৰু পূৰ্বপৰিকল্পিত আঁচনি (নিজ সম্প্ৰদায়ৰ বিকাশৰ অৰ্থে হ'লেও) নোহোৱাকৈ সকলো নেপালী নেতৃবৃন্দই বুজন সংখ্যক নেপালী ভোটদাতা থকা সমষ্টিৰ পৰা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ আগবাঢ়ি আহে কেৱল সহজ-সৰল নেপালী লোকৰ জাতীয় আবেগ-অনুভূতিক ৰাজনৈতিক মূলধন হিচাপে লৈ। (৩) 'মই নেপালী ভোটেৰে নিৰ্বাচনত বিজয়ী হোৱা নাই'— এই ভাষ্য মাৰ্ঘেৰিটা বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধান আৰু প্ৰয়াত মন্ত্ৰী কুল বাহাদুৰ ছেত্ৰীৰ বুলি এই লেখকে একাংশ নেপালী ছাত্ৰ সন্থাৰ সদস্যৰ পৰা জানিব পাৰিছে যদি এই ভাষ্য সঁচা হয় তেন্তে ছেত্ৰীৰ দৰে নেতাই এইটো জনা উচিত আছিল যে সমগ্ৰ অসমত যথেষ্ট সংখ্যক নেপালী মানুহ (১৯৯১চনৰ লোকপিয়লৰ মতে ৪,৩২,৫১৯) থকাৰ বাবেও যিকোনো দলে তেওঁলোকৰ ভোটদাতাৰ সমৰ্থন লাভৰ আশাত নেপালী নেতাসবক নিৰ্বাচনত প্ৰাৰ্থিত্ব দিয়ে, ব্যক্তিগত গুণ, দক্ষতা বা ৰাজনৈতিক বিচক্ষণতাই এইসক্ৰান্তত গৌণ ভূমিকাহে পালন কৰা দেখা যায়। অৱশ্যে দলবীৰ সিং লোহাৰ আৰু বিষ্ণুলাল উপাধ্যায়ৰ নিচিনা প্ৰাক্তন নেপালী বিধায়কদ্বয়ে নিজৰ ব্যক্তিত্বৰ বলত থলুৱা নেপালী সমাজৰ হকে বিধানসভাত সজোৰে মাত মতাটো নিশ্চয় নিজৰ সম্প্ৰদায়ক প্ৰতিনিধিত্ব কৰা বুলি ক'ব পাৰি। সঘনে দল সলনি কৰা আৰু নিৰ্দলীয় নেপালী প্ৰাৰ্থীয়ে নিৰ্বাচনত বিজয়ী হৈ বিধানসভালৈ গ'লেও তেনে নেতাৰ পৰা কোনো ইতিবাচক ফল আশা কৰিব নোৱাৰি। (৪) গণতান্ত্ৰিক অধিকাৰৰ বলত একেটা সমষ্টিৰ পৰা দুই-তিনিগৰাকী নেপালী প্ৰাৰ্থীৰ প্ৰতিদ্বন্দ্বিতাই নিজৰ মাজত বুজাবুজিৰ অভাৱ আৰু স্বাৰ্থপৰ মানসিকতাক প্ৰতিফলিত কৰে। (৫) কংগ্ৰেছ(ই)ৰ সমৰ্থন আৰু মনোনয়ন অবিহনে কোনো নেপালী প্ৰাৰ্থীয়ে নিৰ্বাচনত জিকিব নোৱাৰাতো অদ্যাপি এক পৰম্পৰা ৰূপে প্ৰতিষ্ঠিত হৈছে।

সি যি কি নওহক, অসমৰ থলুৱা নেপালীসকল আৰম্ভণিৰ পৰাই কংগ্ৰেছৰ প্ৰতি অনুগত হোৱাৰ কাৰণ বোধকৰো এয়ে যে কংগ্ৰেছ এক ৰাষ্ট্ৰীয় দল — যাৰ দৃষ্টিভংগীৰ পৰিসৰ কেৱল অসমীয়া জাতীয়তাবাদ নহয় বৰং সৰ্বভাৰতীয়। অসম আন্দোলন কালত (১৯৭৯-১৯৮৫) ঠাই বিশেষে থলুৱা নেপালীসকলেও বসবাসৰ দীৰ্ঘতা নিৰ্বিশেষে বিদেশী নামত হোৱা হাৰাশাস্তিৰ দ্বাৰা শংকিত হৈ কংগ্ৰেছক ভাল পোৱা বুলি ক'লেও কিন্তু ১৯৮৫ চনৰ নিৰ্বাচনৰ পিছৰ পৰাই তেওঁলোকে ৰাজনৈতিকভাৱে বিভাজিত হৈ এচাম নেপালীলোকে অগপৰ প্ৰতি আৰু শেহতীয়াকৈ বিজেপিৰ প্ৰতিও আকৰ্ষিত হোৱা দেখা যায়। অগপই পূৰ্বৰ সংকীৰ্ণ জাতীয়তাবাদী দৃষ্টিভংগী সলনি কৰাত এচাম নেপালীলোকে ইয়াৰ পৃষ্ঠপোষকতাতে

তাৰাপতি উপাধ্যায় আৰু প্ৰয়াত চূড়ামণি শৰ্মাৰ নেতৃত্বত 'অসম নেপালী পৰিষদ' নামেৰে কংগ্ৰেছৰ অসম গোৰ্খা সন্মিলনৰ আহ্বিত অগপৰো নেপালী শাখা খোলা হয়। আনহাতে, নেপালীসকল মূলতঃ হিন্দু ধৰ্মাৱলম্বী হোৱাৰ হেতুকে আন এচাম নেপালী বিদ্বৎ সমাজে হিন্দু ধৰ্মৰ তথাকথিত ত্ৰাণকতা বিজেপিৰ প্ৰতি অনুগত হৈছে। মুঠতে, কংগ্ৰেছ(ই)ৰ অভেদ্য ভোট বেংক হিচাপে জনাজাত থলুৱা নেপালী সম্প্ৰদায় সম্প্ৰতি ৰাজনৈতিকভাৱে টুকুৰা-টুকুৰ হোৱাৰ ক্ষেত্ৰত বিশেষকৈ উজনি অসমৰ কংগ্ৰেছ(ই) দলৰ উচ্চ বিষয়ববীয়াসকলৰো প্ৰত্যক্ষ নহ'লেও পৰোক্ষ কিছু অৰিহণা নথকা নহয়। উদাহৰণ স্বৰূপে এই লেখকে জানিবলৈ পোৱা মতে যোৱা অৰ্থাৎ ২০০৪ চনৰ সংসদীয় নিৰ্বাচনত উজনি অসমৰ ডিব্ৰুগড় সমষ্টিত নিৰ্বাচনী প্ৰচাৰ সভাবোৰত চাহ মজদুৰ নেতাসকলে পৰম্পৰাগত কংগ্ৰেছ(ই) সমৰ্থক নেপালীসকলক ভিত্তিহীনভাৱে দোষাৰোপ কৰি কয় যে তেওঁলোকে চাহ আৰু প্ৰাক্তন চাহ-মজদুৰসকলক চুলাই মদ খুৱাই- ফুচুলাই তেওঁলোকৰ মাটি-বাৰী অন্যায়ভাৱে দখল কৰিছে। ফলত ডিব্ৰুগড় লোকসভা সমষ্টিৰ অন্তৰ্গত বিশেষকৈ মৰাণ আৰু টিংখাং বিধানসভা সমষ্টিৰ নেপালীলোকে কংগ্ৰেছ দল ত্যাগ কৰি অগপ আৰু বিজেপি দলত যোগদান কৰিছে বুলি জনা যায়। এনে পৰিস্থিতি অব্যাহত থাকিলে থলুৱা নেপালীসকলৰ মাজত থকা কংগ্ৰেছ সমৰ্থনৰ ভেটিত পৰৱৰ্তী কালত অধিক গৰাখহনীয়া হোৱাৰ সম্ভাৱনাক নুই কৰিব নোৱাৰি যাৰ বাহ্যিক প্ৰতিফলন ঘটা দেখা যায় ২০০৪ চনত অনুষ্ঠিত লোকসভা নিৰ্বাচনত কাৰণ কংগ্ৰেছৰ দুৰ্গৰূপে পৰিচিত ডিব্ৰুগড় লোকসভা সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী পৱন সিং ঘাটোৱাৰ অগপ প্ৰাৰ্থী সৰ্বানন্দ সোনোৱালৰ হাতত পৰাজিত হয়।

যি কিনহওক, অসমৰ নেপালী নেতাসকলে এক সু-আদৰ্শ, পৰিকল্পিত আঁচনি আৰু নিৰ্দিষ্ট দাবীৰ ভিত্তিত নিৰ্বাচনী ৰাজনীতিত প্ৰৱেশ কৰিলেহে নিজৰ সম্প্ৰদায়ৰ সমস্যাসমূহ আইন সভাত কাৰ্যকৰীভাৱে উত্থাপন কৰি সামগ্ৰিক বিকাশত অগ্ৰসৰ হ'ব পাৰিব; অন্যথা কেৱল থলুৱা নেপালী আবেগ-অনুভূতিক ৰাজনৈতিক মূলধন হিচাপে লৈ ব্যক্তিগত স্বাৰ্থৰ বাবে কৰা নিৰ্বাচনী কচ্‌ৰৎৰ অন্ত পৰাৰ দিন সমাগত— যিটো কেবাগৰাকী নেতাৰ বেলিকা ইতিমধ্যেই প্ৰযোজ্য হৈছে। এচাম নেপালী নেতাই সুকীয়া নেপালী ৰাজনৈতিক দল-খোলাৰ যি কুচকাৱাজ আৰম্ভ কৰিছিল সি সফল হোৱা হ'লে গোটেই সম্প্ৰদায়টোৰ বাবে ই এক সাংঘাটিক ধৰণৰ আত্মঘাতী হোৱাৰহে পথ মুকলি কৰিলেহেঁতেন। এনে পৰিপ্ৰেক্ষিততে সমূহ থলুৱা নেপালীলোকে আশা কৰে যে আগন্তুক নিৰ্বাচনত এই সকলো দিশ চালি-জাৰি চাই নেপালী ৰাজনৈতিক নেতাসকলে এনে পদক্ষেপ ল'ব লাগে - যাৰ দ্বাৰা নিজ সম্প্ৰদায়ৰ উন্নতিৰ লগতে সামগ্ৰিক অসমীয়াকৰণ প্ৰক্ৰিয়াও ত্বৰান্বিত হয়।

আমাৰ অসম, ৬ চেপ্তেম্বৰ, ১৯৯৯

একবিংশ শতিকাৰ নিৰ্বাচনত নেপালীলোকৰ ভূমিকা

ভাৰতৰ ৰাজনৈতিক প্ৰক্ৰিয়াৰ গণতান্ত্ৰিকৰণ আৰু প্ৰতিযোগিতামূলক ৰাজনীতিৰ উত্থান আৰু ক্ৰমবৰ্ধমান বৃদ্ধিৰ লগে লগে বিভিন্ন জনগোষ্ঠী আৰু উপ-জাতিবিলাকে দেশৰ প্ৰশাসনত ক্ষমতাৰ ভাগ লাভৰ বাবে নিজ নিজ গোষ্ঠীবিলাকক সংগঠিত কৰিবলৈ ধৰাতো ভাৰতীয় ৰাজনীতিৰ এক মন কৰিবলগীয়া দিশ। প্ৰকৃততে তেওঁলোকৰ মনত এক বদ্ধমূল ধাৰণাই বিকাশ কৰিছে যে তেতিয়ালৈকে এটা জনগোষ্ঠীৰ সমূহীয়া স্বাৰ্থ পূৰণ নহ'ব, যেতিয়ালৈকে তেওঁলোকে নিৰ্বাচনী ৰাজনীতিত জড়িত নহয়। আন কথাত ক'বলৈ হ'লে, ভাৰতৰ সংসদীয় ব্যৱস্থাই সকলো জনগোষ্ঠীৰ স্বাৰ্থৰ প্ৰতি সমানে মনোযোগ নিদিয়া আৰু আইন সভাত প্ৰতিফলিত নকৰাৰ ফলতেই বিভিন্ন জনগোষ্ঠীবোৰৰ মাজত পাশ্চাত্য শিক্ষাৰে শিক্ষিত উদীয়মান বিদ্বৎমণ্ডলীয়ে এনে এক ধাৰণাৰ শ্ৰীবৃদ্ধিত অৰিহণা যোগাইছে। ভাৰতৰ অংগৰাজ্য অসমো এই ক্ষেত্ৰত ব্যতিক্ৰম নহয়। সংমিশ্ৰিত অসমীয়া জাতিৰ বিভিন্ন জনগোষ্ঠীবিলাক যেনে টাই-আহোম, বড়ো-কছাৰী, মিচিং, দেউৰী, কাৰ্বি, ডিমাছা, তিৱা, চুতীয়া, চাহ জনগোষ্ঠী, নেপালী, মৰাণ-মটক ইত্যাদিয়ে কেতিয়াবা নিজৰ ৰাজনৈতিক দলৰ হৈ আৰু কিছুৱে অন্যান্য শক্তিশালী ৰাজনৈতিক দলৰ সৈতে দৰ-দাম কৰি নিজৰ প্ৰাৰ্থী নিৰ্বাচনত থিয় কৰোৱায়। মুখ্য ৰাজনৈতিক দলবিলাকেও ভোট লাভৰ আশাত তেনে জনগোষ্ঠী অথবা জনজাতিবিলাকৰ লগত মিত্ৰতা স্থাপন কৰি নিৰ্বাচনত তেওঁলোকক প্ৰাৰ্থিত্ব প্ৰদান কৰে যাতে নিবাচনী বৈতৰণী অতিক্ৰম কৰি ক্ষমতাৰ গাদীত উপবিষ্ট হ'ব পৰা যায়। এই দৃষ্টিভংগী আগত লৈ এই নিবন্ধটিত একবিংশ শতিকাৰ পহিলা (২০০১) আৰু দ্বিতীয় (২০০৬) নিৰ্বাচনত অসমৰ থলুৱা নেপালী জনগোষ্ঠীৰ ভূমিকাৰ ওপৰত আলোকপাত কৰিবলৈ প্ৰয়াস কৰা হৈছে।

এই কথা পূৰ্বতেই উল্লেখ কৰা হৈছে যে অসমৰ থলুৱা নেপালীলোকৰ মুঠ জনসংখ্যাৰ সৰহভাগেই পৰম্পৰাগতভাৱেই ভাৰতীয় জাতীয় কংগ্ৰেছ(ই)ৰ সমৰ্থক বুলি ক'লেও অতিৰঞ্জিত কৰা নুবুজায়। ৰাজ্যৰ নিৰ্বাচনী ৰাজনীতিৰ ইতিহাসত চকু ফুৰালে ১৯৭৮ চনৰ জনতা চৰকাৰ বাদে আন সময়ত নেপালী ৰাজনৈতিক নেতাসবে কংগ্ৰেছ(ই)ৰ প্ৰাৰ্থীৰূপে প্ৰতিটো নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি জয়লাভ কৰি অহা দেখা যায়। আনকি প্ৰাক্-স্বাধীনতা কালতো (১৯৪৬ চনত) শ্ৰমিক নেতা দলবীৰসিং লোহাৰে ডিব্ৰুগড়ৰ

চৈখোৱা সমষ্টিৰ পৰা কংগ্ৰেছ প্ৰাৰ্থী হৈ প্ৰতিদ্বন্দ্বিতা কৰি অসম বিধান সভাত থলুৱা নেপালী জনগোষ্ঠীক প্ৰতিনিধিত্ব কৰিছিল বুলি সম্প্ৰতি নেপালীলোকে গৌৰৱবোধ কৰে। এই প্ৰসংগতে মন কৰিব লগীয়া কথা যে ১৯৮৩ চনত 'কৰ্মশ্ৰী' হিতেশ্বৰ শইকীয়াৰ কংগ্ৰেছ(ই) চৰকাৰত থলুৱা নেপালী নেতা প্ৰয়াত কুল বাহাদুৰ ছেত্ৰীক পোন প্ৰথমবাৰৰ বাবে অসমৰ মন্ত্ৰীসভাত স্থান দিয়া হয় আৰু ১৯৯১ চনত ছেত্ৰীকেই পুনৰ শইকীয়াৰ মুখ্যমন্ত্ৰীত্বত গঠিত কংগ্ৰেছ(ই) চৰকাৰেই কেবিনেট মন্ত্ৰীত্ব প্ৰদান কৰে। ঠিক একেদৰে ২০০১ চনত তৰুণ গগৈ নেতৃত্বত গঠিত কংগ্ৰেছ(ই) চৰকাৰেই নেপালী বিধায়ক টংক বাহাদুৰ ৰাইক অসম বিধান সভাৰ সন্মানীয় উপাধ্যক্ষ আৰু ২০০৬ চনত অধ্যক্ষ পদত অধিষ্ঠিত কৰে। তদুপৰি আজিলৈকে কেৱল কংগ্ৰেছ(ই)ৰ বেনাৰতেই প্ৰথমে স্বৰূপ উপাধ্যায় আৰু সম্প্ৰতি মণি কুমাৰ চুব্বাই অসমৰ তেজপুৰ লোকসভা সমষ্টিৰ পৰা তৃতীয়বাৰ পালিয়ামেণ্টলৈ নিৰ্বাচিত হৈ আছে। তেনে পৰম্পৰাকে অনুকৰণ কৰি ২০০১ চনৰ মে' মাহত অনুষ্ঠিত একাদশ অসম বিধান সভা নিৰ্বাচনতো এক বুজন সংখ্যক নেপালী নেতৃবৃন্দই বিভিন্ন ৰাজনৈতিক দল অথবা নিৰ্দলীয় প্ৰাৰ্থীৰূপে প্ৰতিদ্বন্দ্বিতা কৰিছিল। ৰাজনৈতিকভাৱে উচ্চাকাংক্ষীত নেপালী নেতৃবৃন্দৰ সিংহভাগেই নিৰ্দলীয় প্ৰাৰ্থী হৈ অথবা অন্যান্য শক্তিশালী দলৰ মনোনয়ন লাভ কৰিবলৈ ব্যৰ্থ হোৱাৰ বাবেই এই নিৰ্বাচনত বিভিন্ন দলৰ প্ৰাৰ্থীৰূপে অংশগ্ৰহণ কৰা থলুৱা নেপালী নেতৃবৃন্দৰ নাম সংলগ্ন তালিকাত দিয়া হৈছে।

সমষ্টি	প্ৰাৰ্থীৰ নাম	ৰাজনৈতিক দল	ভোটৰ সংখ্যা	ফলাফল
ৰঙাপৰা	কুল বাহাদুৰ ছেত্ৰী	নিৰ্দলীয়	৩,৯৮৫	পৰাজিত
	ঋষিৰাজ উপাধ্যায়	বিজেপি	১৭,৪৬৪	,,
মাৰ্ঘেৰিটা	অজয় কুমাৰ চুব্বা	এছ পি চি ডি চি	৮,৪৭০	,,
	চালিগ্ৰাম ছেত্ৰী	তৃণমূল কংগ্ৰেছ	২,০৬৯	,,
	গুৰু প্ৰসাদ শৰ্মা	লোকশক্তি	৭২১	,,
বৰচলা	টংক বাহাদুৰ ৰায়	কংগ্ৰেছ(ই)	২৬,৫৯৭	নিৰ্বাচিত
	ৰুদ্ৰ পৰাজুলি	নিৰ্দলীয়	৬,৩৩৭	পৰাজিত
শদিয়া	সুশীলা গুৰুং	নিৰ্দলীয়	৩,৫০৭	,,
নাওবৈচা	সঞ্জয়ৰাজ চুব্বা	কংগ্ৰেছ(ই)	১৮,৯৭৫	,,
	বিষ্ণু জৈশী	নিৰ্দলীয়		
ঢেকীয়াজুলি	গণেশ কুমাৰ লিম্বু	এছ পি চি ডি চি	৩,১৬৩	,,
তামুলপুৰ	পদম কুমাৰ চৌহান	কংগ্ৰেছ(ই)	২৯,১৬৩	,,
চতিয়া	প্ৰেম নেৱাৰ	এছ পি চি ডি চি	১,৬০৩	,,

[উৎস : Statistical Report on General Election 2001 to the Legrilative Asembly of Assam]

একাদশ অসম বিধান সভাত বৰচলা সমষ্টিৰ পৰা নিৰ্বাচিত কংগ্ৰেছ(ই) বিধায়ক টংক বাহাদুৰ ৰাইয়ে অকলশৰীয়াকৈ অসমৰ থলুৱা নেপালী জনগোষ্ঠীক প্ৰতিনিধিত্ব কৰিছে। কংগ্ৰেছ(ই)য়ে তিনিগৰাকী নেপালী নেতা - প্ৰাক্তন মন্ত্ৰী পদম বাহাদুৰ চৌহান (তামুলপুৰ) সাংসদ মণিকুমাৰ চুব্বাৰ ভাতৃ সঞ্জয় ৰাজ চুব্বা (নাওবৈচা) আৰু টংক বাহাদুৰ ৰাই (বৰছোলা) ত্ৰয়ক যোৱা নিৰ্বাচনত দলীয় প্ৰাৰ্থীৰূপে মনোনীত কৰিছিল। তাৰেই ভিতৰত সম্প্ৰতি থলুৱা নেপালী জনগোষ্ঠীয়ে কেৱল এগৰাকী বিধায়ক টংক বাহাদুৰ ৰাইক লৈ সন্তুষ্ট থাকিব লগীয়া হৈছে। অৱশ্যে নেপালী জনগোষ্ঠীৰ বাবে সুখৰ খবৰ যে একাদশ অসম বিধান সভাৰ ইতিহাসত পোন প্ৰথমবাৰৰ বাবে তৰুণ গগৈৰ নেতৃত্বত গঠিত কংগ্ৰেছ(ই) চৰকাৰৰ দিনত নেপালী বিধায়ক টংক বাহাদুৰ ৰাইক উপাধ্যক্ষৰূপে নিৰ্বাচিত কৰে। সেয়েহে চাগে গুৱাহাটীৰ পৰা প্ৰকাশিত নেপালী ভাষাৰ আলোচনী 'হাম্ৰো ধ্বনি'ৰ (সংখ্যা জুন ২০০১) সম্পাদকে ক্ষোভ প্ৰকাশ কৰি কয় যে এনে গতি অব্যাহত থাকিলে এদিন নেপালী বিধায়কৰ সংখ্যা শূন্য হ'বগৈ। এনে প্ৰেক্ষাপতত 'হাম্ৰো ধ্বনি'য়ে অনাগত দিনত অসম বিধান সভাত থলুৱা নেপালী জনগোষ্ঠীৰ বিধায়কৰ সংখ্যা বৃদ্ধি কৰিবলৈ জনোৱা আহ্বান তাৎপৰ্যপূৰ্ণ।

সি যি কি নহওক, উল্লিখিত তালিকাৰ কেইটামান মন কৰিবলগীয়া বিষয় হ'ল এয়ে যে পূৰ্বৰ নিৰ্বাচনবোৰত একাধিক নেপালী নেতৃবৃন্দই একেটা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰাৰ নিচিনাকৈ এইবাৰো বিশেষকৈ তিনিটা সমষ্টিৰ পৰা এজনতকৈ অধিক নেপালী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰা দেখা গৈছে। এইবিলাকৰ ভিতৰত মাৰ্ঘেৰিটা সমষ্টি উল্লেখযোগ্য। কিয়নো ই নেপালী অধ্যুষিত সমষ্টি, য'ৰ পৰা ১৯৭২ চনত কংগ্ৰেছ প্ৰাৰ্থী চন্দ্ৰ বাহাদুৰ ছেত্ৰী আৰু একেৰাহে চাৰিবাৰকৈ ক্ৰমান্বয়ে ১৯৭৮, ১৯৮৩, ১৯৮৫ আৰু ১৯৯১ চনৰ নিৰ্বাচনত প্ৰয়াত কুল বাহাদুৰ ছেত্ৰীয়ে কংগ্ৰেছ প্ৰাৰ্থী হৈ (অৱশ্যে ১৯৭৮ চনত জনতা পাৰ্টীৰ প্ৰাৰ্থীৰূপে) প্ৰতিদ্বন্দ্বিতা কৰি অসম বিধানসভালৈ নিৰ্বাচিত হৈ বিষ্ণুলাল উপাধ্যায়ৰ পাচতে এক অভিলেখ সৃষ্টি কৰি থৈছে। কংগ্ৰেছ(ই)ৰ দুৰ্গৰূপে জনাজাত মাৰ্ঘেৰিটা বিধানসভা সমষ্টিৰ মুঠ ভোটদাতাৰ সংখ্যা ১,৩৩,২৯৩ জন আৰু ভোটদাতাসকলৰ জনগাঁথনি হ'লে এনে ধৰণৰ — অসমীয়া-৩৬,২৫৩, চাহ শ্ৰমিক-৩৫,৩৪৬, নেপালী-১৮,৮৩৫, বঙালী-১৬,৫০০, পাহাৰীয়া জনজাতি-৮,৭৫৯, বিহাৰী- ৬,৪৫০, ধৰ্মীয় সংখ্যালঘু -৬,৪০৫, তেলুগু আৰু পাঞ্জাবী -৩,৮০০, মাৰোৱাৰী - ৬৯৭ আৰু অন্যান্য ২৪৮ জন (**উৎস : সমষ্টি পৰ্যালোচনা - মাৰ্ঘেৰিটা, 'আমাৰ অসম' ১ জুন, ১৯৯৮**)। ইয়াৰ পৰা এইটো স্পষ্ট যে চাহ শ্ৰমিক আৰু নেপালী ভোটাৰৰ সমৰ্থন নাপালে কোনো প্ৰাৰ্থীয়ে মাৰ্ঘেৰিটা সমষ্টিত জয়লাভ কৰা অসম্ভৱ। এইক্ষেত্ৰত কেৱল কংগ্ৰেছ(ই) যেহেতু উপৰোক্ত জনগোষ্ঠীৰ পূৰ্ণ সমৰ্থন লাভ কৰি আছে বাবে আমি জনামতে ১৯৭২ চনৰ পৰা আজিৰ তাৰিখলৈকে

মাৰ্ঘেৰিটা সমষ্টিটো কংগ্ৰেছ দলৰ দখলৰ পৰা আন দলৰ প্ৰাৰ্থীয়ে কাঢ়ি নিবলৈসক্ষম হ'ব পৰা নাই। আনহাতে, এই সমষ্টিটোত ভোটাৰৰ সংখ্যাৰ ক্ৰমানুযায়ী নেপালী জনগোষ্ঠীৰ স্থান তৃতীয়, যাৰ বাবে ৰাজনৈতিকভাৱে উচ্চাকাংক্ষী নেপালী নেতৃবৃন্দই অংক এনে ধৰণে কৰিব পাৰে যে নেপালী ভোটাৰৰ লগতে চাহ বাগানীয়া, বঙালী, মাৰোৱাৰী, বিহাৰী আদি তথাকথিত অনা-অসমীয়াভাষী গোষ্ঠীবিলাকৰ শতকৰা পঞ্চাশ ভাগ ভোট লাভ কৰিলেই নিৰ্বাচনী বৈতৰণী পাৰ হোৱাতো সহজসাধ্য হ'ব। এনে সমীকৰণে এজন নহয় দুই-তিনিজন নেপালী নেতৃবৃন্দক নিঃসন্দেহে মাৰ্ঘেৰিটা সমষ্টিৰ পৰা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ প্ৰেৰণা যোগাইছে। কিন্তু এনে সমীকৰণ যে নিৰ্ভুল নহয় তাক বিগত ১৯৯৬ চনৰ পাছৰ পৰা অনুষ্ঠিত নিৰ্বাচনসমূহে প্ৰমাণ কৰিছে। অৰ্থাৎ প্ৰাৰ্থী নেপালী নে অনা- নেপালী সি কাৰক নহয়; প্ৰাৰ্থী কংগ্ৰেছ(ই) হয় নে নহয় সেইটোহে প্ৰকৃত কাৰক। কেৱল নেপালী ভোটাৰে মাৰ্ঘেৰিটা সমষ্টিত নিৰ্ণায়কৰ ভূমিকা ল'ব নোৱাৰে বৰং চাহ জনগোষ্ঠীৰ লগ লাগিহে নেপালী ভোটাৰে কংগ্ৰেছ(ই) প্ৰাৰ্থীক ভোটদান কৰি নিৰ্ণায়কৰ ভূমিকা ল'বলৈ সমৰ্থন হোৱাতো এক ঐতিহ্যত পৰিণত হৈছে মাৰ্ঘেৰিটা সমষ্টিত। এনে নোহোৱাহেঁতেন ঐশ্বৰ্য-বিভূতিত নামজ্বলা তেজপুৰৰ সাংসদ মণি কুমাৰ চুব্বাৰ ভতিজাক অজয় কুমাৰ চুব্বাই যোৱা নিৰ্বাচনত মাৰ্ঘেৰিটা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰি তৃতীয় স্থানত নাথাকিলেহেঁতেন। এনে পৰিস্থিতিত নিৰ্বাচনী বিজয় সুনিশ্চিত কৰিবলৈ নেপালী নেতৃবৃন্দৰ ওচৰত দুটাই বিকল্প পথ আছে। প্ৰথমতে, কংগ্ৰেছ(ই)ৰ প্ৰাৰ্থিত্ব আদায় কৰা আৰু দ্বিতীয়তে চাহ জনগোষ্ঠীকে আদি কৰি অন্যান্য সংখ্যালঘু জনগোষ্ঠীখ সৈতে এক ঐক্যমতত উপনীত হৈ কেৱল এগৰাকী প্ৰাৰ্থীয়ে এটা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰা।

দ্বিতীয়তে প্ৰাক্তন নেপালী কংগ্ৰেছী বিধায়কে এইবাৰ কংগ্ৰেছ(ই)ৰ টিকট লাভ কৰিবলৈ অসমৰ্থ হৈ ক্ষমতাৰ সোৱাদ পোৱা বৰচলা সমষ্টিৰ ৰুদ্ৰ পৰাজুলিয়ে নিৰ্দলীয় প্ৰাৰ্থী হৈ নিৰ্বাচনী প্ৰতিদ্বন্দ্বিতাত নামি কেৱল ৬,৩৩৭ টা ভোট লৈ সন্তুষ্ট থাকিবলগীয়া হয়। একেটা সমষ্টিৰ পৰা ১৯৯১ চনৰ সাধাৰণ নিৰ্বাচনত কংগ্ৰেছ (ই)ৰ প্ৰাৰ্থীৰূপে পৰাজুলিয়ে ২৬,৯১১ টা ভোট লাভ কৰি বিধানসভালৈ নিৰ্বাচিত হৈছিল। এইবাৰ কিন্তু এই সমষ্টিত অসম গোৰ্খা সন্মিলনৰ প্ৰধান সম্পাদক টংক বাহাদুৰ ৰাইক কংগ্ৰেছে মনোনয়ন দিয়াত ৰুদ্ৰ পৰাজুলি ক্ৰোধান্বিত হৈ নিজ দলৰে প্ৰাৰ্থী ৰাইক প্ৰকৃতাৰ্থত হৰুৱাবলৈহে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা যেন লাগে। অৰ্থাৎ নেপালী জনগোষ্ঠীক সঁচাকৈয়ে বিধানসভাত প্ৰতিনিধিত্ব কৰাৰ মানসিকতা থকা হ'লে একেটা সমষ্টিৰ পৰা একেটা দলৰ সদস্য হৈ, একে গোৰ্খা সন্মিলনৰে বিষয়ববীয়া হৈ (উল্লেখ্য যে ৰুদ্ৰ পৰাজুলি অসম গোৰ্খা সন্মিলনৰ কাৰ্যকৰী সভাপতি) এজনে আনজনৰ বিৰুদ্ধে নিৰ্বাচনত থিয় নহ'লহেঁতেন। সেয়েহে ইয়াৰ পৰা ধাৰণা হয় যে নেপালী নেতৃবৃন্দই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰে ব্যক্তি স্বাৰ্থ

পূৰণাৰ্থে, বৃহত্তৰ নেপালী সমাজৰ সামগ্ৰিক বিকাশৰ বাবে নহয়।

তৃতীয়তে, অসমৰ নেপালী ৰাজনীতিত এক অভিনৱ ধাৰাই বিগত নিৰ্বাচনত দেখা দিয়ে। সদৌ অসম নেপালী ছাত্ৰ সন্থা (চমুকৈ আনছু)ৰ পৃষ্ঠপোষকতাত জন্ম লাভ কৰা বিশেষ সুৰক্ষা শ্ৰেণী দাবী সমিতি (Special Protection Class Demand Committee) চমুকৈ এছ পি চি ডি চিৰ বেনাৰত আৰু 'আনছু'ৰ সমৰ্থনত তিনিজন নেপালী প্ৰাৰ্থী ক্ৰমান্বয়ে অজয় কুমাৰ চুৱা (মাৰ্ঘেৰিটা), গণেশ কুমাৰ লিম্বু (ঢেকীয়াজুলি) আৰু প্ৰেম নেবাৰে (চতিয়া) সমষ্টিৰ পৰা কেৱল নেপালী ভোটদাতাৰ সমৰ্থনত নিৰ্বাচনী বৈতৰণী পাৰ হোৱাৰ সপোনেৰে প্ৰতিদ্বন্দ্বিতা কৰি অৱশেষত তিনিওৱে মুখ থেকেচা খালে। এসময়ত নেপালী জনগোষ্ঠীৰ বাবে এক সুকীয়া ৰাজনৈতিক দল গঠন কৰাৰ কুচকাৱাজ আৰম্ভ কৰা আনছুৱে এই নিৰ্বাচনৰ পৰা এক অবিস্মৰণীয় শিক্ষা লাভ কৰিছে বুলি ভবাৰ থল আছে। অনাগত দিনত সুকীয়া ৰাজনৈতিক দল খুলিবলৈ যোৱাতো এক নিষ্ফল কছৰৎৰ বাদে যে একো নহয় তাকো আনছুৰ নেতৃবৃন্দই ভালদৰে উপলব্ধি কৰিব পাৰিছে।

চতুৰ্থতে, অসমৰ নেপালী ৰাজনীতিত একেৰাহে চাৰিবাৰকৈ নিৰ্বাচিত হৈ অভিলেখ স্থাপন কৰোঁতা বিহালীৰ 'অসম গান্ধী' বিষ্ণুলাল উপাধ্যায় (১৯৫৭, ১৯৬২, ১৯৬৭ আৰু ১৯৭৮) আৰু মাৰ্ঘেৰিটাৰ কুল বাহাদুৰ ছেত্ৰীৰ (১৯৭৮, ১৯৮৩, ১৯৮৫ আৰু ১৯৯১) নাম উল্লেখযোগ্য। অসমৰ নেপালী জনগোষ্ঠীৰ আটাইতকৈ সন্মানীয় আৰু পূজনীয় 'অসম গান্ধী' উপাধ্যায়ে চাৰিবাৰকৈ অসম বিধান সভালৈ নিৰ্বাচিত হ'লেও কিন্তু মন্ত্ৰীত্ব পোৱা নাছিল। অন্যহাতেদি নেপালী সমাজত কবিৰূপে পৰিচিত কুল বাহাদুৰ ছেত্ৰী কেবিনেট মন্ত্ৰী পৰ্যন্তলৈ উন্নীত হৈছিল তেওঁৰ ৰাজনৈতিক জীৱনত। তদুপৰি অসমত প্ৰথম নেপালী মন্ত্ৰী কোন বুলি ক'লে ছেত্ৰীৰ নামেই ল'ব লাগিব। অতি দুখৰ বিষয় যে চাৰিবাৰকৈ বিধায়ক হোৱা বিষ্ণুলাল উপাধ্যায়ে নিজৰ ৰাজনৈতিক জীৱনত কাহানিও দল সলনি নকৰি এক অভূতপূৰ্ব অভিলেখ স্থাপন কৰি সক্ৰিয় ৰাজনীতিৰ পৰা সন্মান সহকাৰে সন্যাস ল'লে। আনহাতে, চাৰিবাৰকৈ বিধায়ক হোৱাৰ উপৰি নেপালী জনগোষ্ঠীৰ প্ৰথম কেবিনেট মন্ত্ৰী কুল বাহাদুৰ ছেত্ৰীয়ে ১৯৯৬ চনৰ সাধাৰণ নিৰ্বাচনত কংগ্ৰেছ(ই)ৰ টিকট নাপাই পৰৱৰ্তীকালত যি কংগ্ৰেছৰ আদৰ্শৰে নেপালী সমাজ (?) ক প্ৰতিভিত্ৰিক কৰিছিল তাক ভৰিৰে মোহাৰি পেলাই বিজেপি দলত যোগদান কৰে ১৯৯৮ চনত আৰু একে বছৰতে মাৰ্ঘেৰিটা সমষ্টিত অনুষ্ঠিত উপ-নিৰ্বাচনত বিজেপি প্ৰাৰ্থীৰূপে প্ৰতিদ্বন্দ্বিতা কৰি পৰাজিত হয়। বিজেপি দলত যোগদান কৰি নিৰ্বাচনত পৰ্যন্ত খেলা ছেত্ৰীয়ে সকলোৰে চকু কপালত তুলি ১৯৯১ চনত পুনৰ ৰাষ্ট্ৰীয়তাবাদী কংগ্ৰেছত যোগদান কৰি একে বছৰতে অনুষ্ঠিত সংসদীয়

উপ-নিৰ্বাচনত তেজপুৰ লোকসভাৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰি পুনৰ পৰাজিত হয়। প্ৰয়াত ছেত্ৰী নেপালী সমাজৰ বাবে যিমান সন্মানীয় ৰাজনীতিবিদ আছিল সম্প্ৰতি তেওঁ সমপৰিমাণৰ বিপৰীত গুণৰ ব্যক্তি বুলি ক'ব পাৰি। 'অসম গান্ধী' বিষ্ণুলাল উপাধ্যায়ৰ দৰে ৰাজনীতিৰ পৰা সন্যাস লৈ সাহিত্য-চৰ্চাত মনোনিৱেশ কৰা হ'লে ছেত্ৰীৰ আত্মসন্মান আৰু ভাবমূৰ্তি অক্ষুণ্ণ থকাই নহয় বৃদ্ধিও হ'লহেঁতেন।

পঞ্চমতে, অসমৰ নিৰ্বাচনী ৰাজনীতিত নেপালী সম্প্ৰদায়ৰ মহিলা প্ৰাৰ্থীয়ে নিৰ্বাচনত প্ৰথমবাৰৰ বাবে ১৯৯৬ চনত কলিয়াবৰ সমষ্টিত আৰতি নেবাৰে(বিজেপি) প্ৰতিদ্বন্দ্বিতা কৰা দেখা গৈছিল। বিগত নিৰ্বাচনতো অনুৰূপ ধৰণে শদিয়া সমষ্টিৰ পৰা কংগ্ৰেছ সদস্যা সুশীলা গুৰুঙে দলীয় টিকট নাপাই নিৰ্দলীয় প্ৰাৰ্থীৰূপে প্ৰতিদ্বন্দ্বিতা কৰি পৰাজিত হয়। আৰতি নেবাৰ আৰু সুশীলা গুৰুং দুয়ো পৰাজিত হ'লেও এইটো ক'বই লাগিব যে অনাগত নিৰ্বাচনবোৰত তেওঁলোকক প্ৰেৰণাৰ উৎস হিচাপে লৈ অধিক সংখ্যক নেপালী মহিলাই সক্ৰিয় ৰাজনীতিত প্ৰৱেশ কৰাৰ সম্ভাৱনাক নুই কৰিব নোৱাৰি।

ষষ্ঠতে, এইটো অনস্বীকাৰ্য যে একাংশ নেপালী লোক আঞ্চলিক দল অগপৰ প্ৰতি আকৰ্ষিত হৈ আৰম্ভণিতে সদলবলে যোগদানেই নহয় শেহতীয়াকৈ প্ৰফুল্ল কুমাৰ মহন্তৰ প্ৰত্যক্ষ পৃষ্ঠপোষকতাত ১৯৯৭ চনৰ ১৮ মে'ৰ দিনা তাৰাপতি উপাধ্যায়ক সভাপতি আৰু চূড়ামণি শৰ্মাক সাধাৰণ সম্পাদক হিচাপে লৈ অগপৰ নেপালী শাখা' **'অসম নেপালী পৰিষদ'** গঠন কৰা হৈছিল। আনকি অগপই ১৯৮৫ চনৰ নিৰ্বাচনত অমৰনাথ উপাধ্যায় (বিহালী), ১৯৯১ চনত অমৰনাথ উপাধ্যায় (বিহালী আৰু হৰ্ক বাহাদুৰ বিশ্বকৰ্মা (মাজবাট), ১৯৯৬ চনত তাৰাপতি উপাধ্যায়ক (মাজবাট) আৰু ২০০৬ চনত পদম বাহাদুৰ চৌহান (তামুলপুৰ) নিৰ্জন প্ৰাৰ্থীৰূপে নিৰ্বাচনত থিয় কৰালেও আজিলৈকে কোনো এজনেও নিৰ্বাচিত হ'ব পৰা নাই। এনে পৰিপ্ৰেক্ষিতত্তেই চাগে ২০০১ চনৰ একাদশ বিধান সভা নিৰ্বাচনত অগপই কোনো নেপালী নেতাকে দলীয় প্ৰাৰ্থীত্ব প্ৰদান কৰা নাছিল। অৱশ্যে এনে সিদ্ধান্তই অনাগত দিনত অগপ দলক নেপালী জনগোষ্ঠীৰ পৰা আঁতৰাই অনাৰ সম্ভাৱনাই অধিক। ই আঞ্চলিক দল অগপৰ কাৰণে নিঃসন্দেহে ক্ষতিকাৰক। অৱশ্যে ২০০৪ চনৰ মে'ত অনুষ্ঠিত লোকসভা নিৰ্বাচনৰ সময়ত নৱগঠিত **গোৰ্খা স্বায়ত্ব শাসন দাবী সমিতি** (Gurkha Autonomy Demand Committee)ৰ সভাপতি, প্ৰাক্তন আনছু সভাপতি হৰ্ক-বাহাদুৰ ছেত্ৰীয়ে দাবী কৰিছিল যে অসমৰ ত্ৰিশ লাখ গোৰ্খা লোকে অগপ দলক মুকলিকৈ সমৰ্থন দিছে (**অসমীয়া প্ৰতিদিন ১৭ এপ্ৰিল ২০০৪**)। কাৰণ অগপ দলে গোৰ্খাসকলক (অৰ্থাৎ থলুৱা নেপালী জনগোষ্ঠীক) অসমত স্বায়ত্ব শাসন (Right to autonomy) প্ৰদান কৰাৰ বিষয়টো বিবেচনা কৰিব বুলি হৰ্ক বাহাদুৰ ছেত্ৰীয়ে কাকত যোগে অসমবাসীক

জানিবলৈ দিয়ে। এনে এক অভূতপূৰ্ব দাবীয়ে থলুৱা নেপালী জনগোষ্ঠীৰ খাটিখোৱালোকক অনাহূত বিপৰ্যয়ত পেলোৱাৰ এক অভিনৱ কৌশলৰ বাদে আন একো নহয়। একেটা নিৰ্বাচনত সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ লখিমপুৰ শাখাই অগপ প্ৰাৰ্থী ডাঃ অৰুণ কুমাৰ শৰ্মাক মুকলিভাবে সমৰ্থন দিয়াৰ আশ্বাস দিছিল **(আমাৰ অসম ৫ এপ্ৰিল ২০০৪)**। তদ্ৰূপ অসম গোৰ্খা সন্মিলনৰ একাংশ নেপালী নেতৃবৃন্দ যেনে কেবলী প্ৰসাদ শৰ্মা, প্ৰেম শৰ্মা, লোহিত শৰ্মা আৰু লোহিত উপ্ৰেতী আৰু বহুতে কংগ্ৰেছ দলৰ পৰা বিতুষ্ট হৈ অগপৰ সভাপতি বৃন্দাবন গোস্বামীৰ উপস্থিতিত আনুষ্ঠানিকভাবে আঞ্চলিক অগপ দলত যোগদান কৰে **(আমাৰ অসম ৪ মাৰ্চ ২০০৪)**। থলুৱা নেপালী ৰাজনীতিত এনে উত্থানে অৱশ্যে অগপলৈ এক ইতিবাচক ইংগিত বহন কৰিলেও এনে আকস্মিক উত্থান প্ৰকৃতাৰ্থত ৰাজনৈতিকভাবে উচ্চাকাংক্ষিত নেপালী বুদ্ধিজীৱিৰ ক্ষমতা লাভৰ এক পৰিকল্পিত কুচ-কাৱাজ বুলিহে ক'ব পাৰি। তদ্ৰূপ ২০০৬ চনত অনুষ্ঠিত দ্বাদশ অসম বিধান সভা নিৰ্বাচনৰ পূৰ্বে অগপ দলৰ পৰা বহিস্কৃত হোৱা প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই নতুনকৈ গঠন কৰা **অসম গণ পৰিষদ (প্ৰগতিশীল)** দলতো অসম নেপালী গণ পৰিষদৰ একাংশ থলুৱা নেপালী নেতৃবৃন্দই আনুষ্ঠানিকভাবে যোগদান কৰে। তেওঁলোকৰ ভিতৰত হৰ্ষ বাহাদুৰ বিশ্বকৰ্মা, হৰি গজুৰেল, ইন্দ্ৰ ভাণ্ডাৰী, ৰাম পোখৰেল, বিষ্ণু শৰ্মা, বীণা কাফলে, দময়ন্তী দেবী, মদন কাৰ্কি, কেশৱ দাহাল, ৰাজেন ভট্টৰাই, টিকা দাহাল উল্লেখযোগ্য। লগতে ভাতৃ সংগঠন **জাতীয় নেপালী পৰিষদ (প্ৰগতিশীল)** নামেৰে নেপালী সদস্যৰে গঠিত এক মঞ্চ গঠন কৰাৰ কথা জনা যায়। **(দৈনিক জনমভূমি ৭ অক্টোবৰ ২০০৫)**। এনেদৰে দল বাগৰা ৰাজনীতিকে অনুসৰণ কৰি শেহতীয়াকৈ কংগ্ৰেছ(ই)ৰ ভূতপূৰ্ব নেপালী বিধায়ক আৰু সাংসদ, বিজেপিৰ প্ৰাক্তন সাধাৰণ সম্পাদক তেজপুৰৰ স্বৰূপ উপাধ্যায়েও অগপ (প্ৰগতিশীল) দলত যোগদান কৰি কয় যে ৰাষ্ট্ৰীয় দলৰ ইচ্ছা থাকিলেও অসমৰ সমস্যাৰ বিষয়ে সংসদত উত্থাপন কৰাৰ সুযোগ নাপায়। আঞ্চলিক দলৰ পৰা সেই সুযোগ লাভ কৰিব পাৰিব বুলি আশা কৰি স্বৰূপ উপাধ্যায়ে অগপ(প্ৰ) যোগদান কৰিছে বুলি বাতৰিত প্ৰকাশ **(দৈনিক জনমভূমি ৪ জুলাই ২০০৭)**। কিন্তু আশ্চৰ্যৰ বিষয় যে আঠশ ছহিদৰ বিনিময়ত গঠন হোৱা অগপ দলে দহটা বছৰ ক্ষমতাৰ বাঘজৰী হাতত লৈ অন্যান্য সমস্যাৰ কথা বাদ দিলেও বিদেশী নাগৰিকৰ সমস্যাকে সমাধান কৰিব নোৱাৰা আঞ্চলিক দলৰ বিশেষকৈ নিজে মূল অগপৰ পৰা বহিস্কৃত প্ৰফুল্ল কুমাৰ মহন্তৰ অগপ(প্ৰ)ত যোগদান কৰি প্ৰাক্তন কংগ্ৰেছ(ই) সাংসদ স্বৰূপ উপাধ্যায়ে কিহৰ আধাৰত উপৰোক্ত মন্তব্য আগবঢ়াইছে সি আমাৰ সাধাৰণ মানুহৰ বাবে দুৰ্বোধ্য। আজিৰ পৰা সুদুৰ পোন্ধৰ বৰ্ষ পূৰ্বে অৰ্থাৎ ১৯৯১ চনতেই ৰাষ্ট্ৰীয় দল কংগ্ৰেছ(ই)ৰ প্ৰাৰ্থীৰূপে সংসদলৈ নিৰ্বাচিত হৈ অসমৰ সমস্যাৰ বিষয়ে সংসদত উত্থাপন কৰাৰ সুযোগ

নাপায় বুলি আজিৰ তাৰিখতহে স্বৰূপ উপাধ্যায়ে উপলব্ধি কৰিব পৰাতো এগৰাকী বিচক্ষণ ৰাজনীতিকৰ গুণ বুলি ক'ব পাৰিনে?

উল্লেখ্য যে, কেতবোৰ অগপ সমৰ্থক নেপালী সংগঠন যেনে সদৌ অসম গোৰ্খা ছাত্ৰ, অসম নেপালী পৰিষদ, গোৰ্খা স্বায়ত্ব শাসন দাবী সমিতি সমূহে থলুৱা নেপালী ভোটাৰৰ মাজত কংগ্ৰেছ(ই) বিৰোধী তীব্ৰ অভিযান আৰু বাতৰি কাকতসমূহৰ যোগেদি বিস্তৃতভাবে প্ৰচাৰ চলাইছিল ২০০৪ চনৰ লোকসভা নিৰ্বাচনৰ প্ৰাক্ মুহূৰ্তত। তৎস্বত্বেও ঐতিহ্যপূৰ্ণ ৯ নং তেজপুৰ লোকসভা সমষ্টিৰ পৰা অসম গোৰ্খা সন্মিলনৰ সভাপতি মণিকুমাৰ চুব্বাই কংগ্ৰেছ(ই) প্ৰাৰ্থী হৈ অগপৰ পদ্ম হাজৰিকাক মুঠ ৭০,৪৪২ টা ভোটৰ ব্যৱধানত পৰাজিত কৰি তৃতীয়বাৰৰ বাবে লোকসভালৈ নিৰ্বাচিত হৈ আহে। চুব্বাই লাভ কৰা ভোটৰ সংখ্যা ২,৮৯,৮৪৪ আৰু হাজৰিকাই লাভ কৰে ২,১৯,৪০২। চুব্বাৰ উপৰিও এই নিৰ্বাচনত ১৪ নং লখিমপুৰ লোকসভা সমষ্টিৰ পৰা আন এগৰাকী নেপালী নিৰ্দলীয় প্ৰাৰ্থী ঘনশ্যাম ভট্টৰাই প্ৰতিদ্বন্দ্বিতা কৰি মাত্ৰ ২,৮৮৬ টা ভোট লাভ কৰি মুঠ ১১ জন প্ৰাৰ্থীৰ ভিতৰত দশম স্থান লাভ কৰে।

পূৰ্বৰ সাধাৰণ নিৰ্বাচনৰ তুলনাত ২০০৬ চনত অনুষ্ঠিত দ্বাদশ অসম বিধান সভা নিৰ্বাচনত কম সংখ্যক থলুৱা নেপালী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰা দেখা যায়। তেওঁলোকে প্ৰতিদ্বন্দ্বিতা কৰা বিধান সভাৰ সমষ্টি, প্ৰাৰ্থী আৰু দলৰ নাম, লাভ কৰা ভোটৰ সংখ্যাৰ লগতে ফলাফল সন্নিবিষ্ট তালিকা এনেধৰণৰ ঃ

সমষ্টি	প্ৰাৰ্থীৰ নাম	ৰাজনৈতিক দল	লাভ কৰা ভোটৰ সংখ্যা	ফলাফল
তামুলপুৰ	পদম বাহাদুৰ চৌহান	অসম গণ পৰিষদ		X
বৰছলা	টংক বাহাদুৰ ৰাই	কংগ্ৰেছ(ই)	৩৪,৪৬১	নিৰ্বাচিত
	ৰাম প্ৰসাদ শৰ্মা	বিজেপি	৬,৮০৩	X
বিহালী	অৰ্জুন ছেত্ৰী	অসম গণ পৰিষদ	৩,৫২০	X
	হৰি গজুৰেল	অগপ (প্ৰগতিশীল)	১,৭৪২	X
নাওবৈচা	সঞ্জয়ৰাজ চুব্বা	নিৰ্দলীয়		নিৰ্বাচিত
শদিয়া	সুশীলা গুৰুং	ঐ		X

২০০৬ চনৰ সাধাৰণ নিবাচনৰ বৈশিষ্ট এয়েই যে এগৰাকী প্ৰাক্তন নেপালী কংগ্ৰেছ(ই) বিধায়ক পদম বাহাদুৰ চৌহান ৫৮ নং তামুলপুৰ সমষ্টিৰ পৰা অসম গণ পৰিষদ দলৰ প্ৰাৰ্থীৰূপে প্ৰতিদ্বন্দ্বিতা কৰি পৰাজিত হোৱা। উল্লেখ্য যে দলীয় আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত নহৈ কেৱল ক্ষমতা দখলকে একমাত্ৰ উদ্দেশ্য হিচাপে লৈ ১৯৭৮ চনতেই প্ৰথমতে জনতা দলৰ প্ৰাৰ্থীৰূপে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি নিৰ্বাচিত হোৱা পদম বাহাদুৰ চৌহানে

১৯৮৩ চনৰ 'অবৈধ' নিৰ্বাচনত কংগ্ৰেছ(ই) প্ৰাৰ্থী ৰূপে বিজয়ী হৈ 'কৰ্মশ্ৰী' প্ৰয়াত হিতেশ্বৰ শইকীয়াৰ নেতৃত্বাধীন চৰকাৰত ৰাজ্যিক পৰ্যায়ৰ ৰাজহ মন্ত্ৰী পৰ্যন্ত হৈছিল। অৱশ্যে ১৯৮৫ আৰু ১৯৯১ চনৰ নিৰ্বাচনত নিৰ্দলীয় প্ৰাৰ্থী হৈ পৰাজিত হোৱা চৌহানে ১৯৯৬ চনত কংগ্ৰেছ(তিৱাৰী) প্ৰাৰ্থীৰূপে বৰছলা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰি কেৱল পৰাজয়ৰ গ্লানি সহ্য কৰিবলগীয়া নহয়; পুনৰ ২০০১ চনত back to the pavillion অৰ্থাৎ কংগ্ৰেছ(ই) টিকট লৈ গৃহ সমষ্টি তামুলপুৰৰ পৰাই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিলেও চৌহানে বিজয়ৰ ধ্বজা উৰুৱাবলৈ সক্ষম নহ'ল। নিৰ্বাচনী ৰাজনীতিত বাৰে ৰাবে দল বাগৰা আৰু পৰাজয়ৰ অভিজ্ঞতাৰ পৰা কোনো শিক্ষা নলৈ পুনৰ অতীত কৌশলকে অৱলম্বন কৰি ৰাজনৈতিক জীৱনৰ আৰম্ভণিৰ পৰা ৰাষ্ট্ৰীয় দলত থকা ভূতপূৰ্ব কংগ্ৰেছ মন্ত্ৰী পদম বাহাদুৰ চৌহানে ২০০৬ চনৰ দ্বাদশ অসম বিধানসভা নিৰ্বাচনৰ আগে আগে অৰ্থাৎ ২০০৫ চনৰ ২ ডিচেম্বৰত প্ৰায় ২০০০ সতীৰ্থসহ তামুলপুৰত অগপ নেতাদ্বয় চন্দ্ৰমোহন পাটোৱাৰী আৰু পদ্ম হাজৰিকাৰ উপস্থিতিত আঞ্চলিক ৰাজনৈতিক দল অসম গণ পৰিষদত যোগদান কৰে (**দৈনিক জনমভূমি ৩ ডিচেম্বৰ ২০০৫**)। এই যোগদানৰ প্ৰতিদান স্বৰূপে ২০০৬ চনৰ সাধাৰণ নিৰ্বাচনত অগপ দলে চৌহানক ৫৮ নং তামুলপুৰ সমষ্টিত দলীয় টিকট প্ৰদান কৰে যদিও দাতাই দিলেও বিধাতাই নিদিয়ে লেখিয়াকৈ চৌহানে এইবাৰো বিজয়ৰ মুখ দেখিবলৈ সক্ষম নহ'ল। অনুৰূপ ফৰ্মুলাৰ আশ্ৰয় লোৱা ৭২ নং বৰছলা সমষ্টিৰ আন এগৰাকী প্ৰাক্তন নেপালী কংগ্ৰেছ(ই) বিধায়ক ৰুদ্ৰ পৰাজুলীয়ে ২০০৪ চনৰ ২৮-৩০ জানুৱাৰীত যোছেফ তপ্পৰ পৌৰোহিত্যত অনুষ্ঠিত অগপৰ তেজপুৰ অধিবেশনত আনুষ্ঠানিকভাৱে অগপত যোগদান কৰে (**আমাৰ অসম ৩১ জানুৱাৰী ২০০৪**)। অৱশ্যে ২০০৬ চনৰ সাধাৰণ নিৰ্বাচনত ৰুদ্ৰ পৰাজুলীক অগপই দলীয় প্ৰাৰ্থীত্ব নিদিলে নে তেওঁ নিজেই নিৰ্বাচনী ৰাজনীতিৰ পৰা আঁতৰি থাকিল সেই কথা আমাৰ বাবে দুৰ্বোধ্য হৈ থাকিল।

২০০৬ চনত অনুষ্ঠিত দ্বাদশ অসম বিধান সভা নিৰ্বাচনৰ আন এটা বৈশিষ্ট এয়ে যে কংগ্ৰেছ(ই) দলৰ দ্বাৰা মনোনিত ৭২ নং বৰছলা সমষ্টিৰ পৰা নিৰ্বাচিত প্ৰাক্তন উপাধ্যক্ষ (Deputy Speaker) টংক বাহাদুৰ ৰাই দ্বিতীয়বাৰলৈ বিধায়ক ৰূপে নিৰ্বাচিত হয়। ৰাইৰ উপৰিও ২০০১ চনৰ নিৰ্বাচনত ১১০ নং নাওবৈচা সমষ্টিৰ পৰা কংগ্ৰেছ(ই) প্ৰাৰ্থীৰূপে প্ৰতিদ্বন্দ্বিতা কৰি পৰাজিত হোৱা সঞ্জয় ৰাজ চুব্বা এইবাৰ একেটা সমষ্টিৰ পৰা নিৰ্দলীয় প্ৰাৰ্থীৰূপে নিৰ্বাচিত হৈ পুনৰ শাসক দললৈ প্ৰত্যাৱৰ্তন কৰে। আনন্দৰ কথা যে এইবাৰ অসম বিধান সভাত থলুৱা নেপালী জনগোষ্ঠীক দুগৰাকী বিধায়কে প্ৰতিনিধিত্ব কৰিছে। এই সন্দৰ্ভত মন কৰিবলগীয়া কথা যে বৰছলা সমষ্টিৰ পৰা অগপৰ সভাপতি বৃন্দাবন গোস্বামীক পৰাজিত কৰি দ্বাদশ অসম বিধান সভালৈ নিৰ্বাচিত

হোৱা থলুৱা নেপালী কংগ্ৰেছ(ই)ৰ প্ৰাৰ্থী টংক বাহাদুৰৰ ৰাইক বিনা প্ৰতিদ্বন্দ্বিতাৰে সৰ্বসন্মতিত অসম বিধান সভাৰ অধ্যক্ষৰূপে নিৰ্বাচিত কৰা হয়। অসম বিধান সভাৰ ইতিহাসত পোন প্ৰথমবাৰৰ বাবে নেপালী জনগোষ্ঠীৰ প্ৰতিনিধি অধ্যক্ষৰূপে নিৰ্বাচিত হোৱাত টংক বাহাদুৰ ৰাইয়ে নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি এইদৰে কয় —"মোৰ বাবে আজিৰ দিনটো স্মৰণীয় হৈ ৰ'ব। বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰাৰ বাবে সকলোলৈ ধন্যবাদ জনোৱাৰ লগতে মোৰ নাম দলৰ পৰা প্ৰস্তাৱ কৰাত সুদক্ষ মুখ্যমন্ত্ৰী তৰুণ গগৈক বিশেষভাৱে ধন্যবাদ জনাইছো। আশা কৰো সকলো সদস্যৰ সহযোগিতাত নিৰপেক্ষভাৱে কাম-কাজ পৰিচালনাৰ বাবে সক্ষম হ'ম" (দৈনিক জনমভূমি ৩০ মে' ১৯০৬)। মুঠতে টংক বাহাদুৰ ৰাই দ্বাদশ অসম বিধান সভাৰ অধ্যক্ষ নিৰ্বাচিত হোৱাত সমূহ থলুৱা নেপালী লোকৰ মাজত অভূতপূৰ্ব আনন্দৰ লহৰ দেখা যায়।

আমাৰ অসম, ১৭ জুলাই, ২০০১

অসমীয়া ভাষা-সাহিত্যলৈ থলুৱা নেপালীলোকৰ অৱদান

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই বিভূষিত কৰা অসমৰ 'থলুৱা' নেপালীসকলেও ৰাজ্যৰ অন্যান্য জনগোষ্ঠীবোৰৰ দৰেই অসমীয়া ভাষাতে শিক্ষাগ্ৰহণ আৰু সাহিত্য চৰ্চাৰ যোগেদি অসমীয়া ভাষা-সাহিত্যৰ ভঁৰাল চহকী কৰিবলৈ স্বতঃস্ফূৰ্তভাৱে প্ৰচেষ্টা চলাই আহিছে। এইক্ষেত্ৰত অসমৰ 'জাতীয় অনুষ্ঠান' অসম সাহিত্য সভায়ো কিছু ইতিবাচক পদক্ষেপ লোৱা নাই বুলি ক'ব নোৱাৰি। এনে পদক্ষেপৰ অংশ স্বৰূপ এটি উপমাৰে এই আলোচনাৰ সূত্ৰপাত কৰা যাওক।

'আপোনাৰ চাৰিকুৰি পাঁচ বছৰীয়া জীৱন যাত্ৰাত আপুনি মনে-প্ৰাণে, কথাই-কামে, ভাষাই-লেখনিয়ে অসমৰে অসমীয়া, আপুনি আমাৰ গৌৰৱ, উত্তৰ পুৰুষৰ বাবে প্ৰেৰণাৰ উৎস' - এয়া অসম সাহিত্য সভা, গোলাঘাট শাখাই থলুৱা নেপালী বংশোদ্ভৱ অসমীয়া সাহিত্যিক হৰিপ্ৰসাদ গোৰ্খাৰাইলৈ ১৯৯৯ চনৰ ফুলচান্দ খাণ্ডেলৱাল বঁটা আগবঢ়াই প্ৰদান কৰা প্ৰশস্তি-পত্ৰত অংকিত কৰা ভাষাৰ একাংশ। বংশত নেপালী হ'লেও স্কুলীয়া জীৱনৰ পৰাই অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি আগ্ৰহান্বিত হৈ ইয়াৰ চৰ্চাৰ পাতনি মেলে গোৰ্খাৰাইয়ে। তদুপৰি বিশিষ্ট সাহিত্যিক অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মিত্ৰদেৱ মহন্তৰ পৰা হৰিপ্ৰসাদ গোৰ্খাৰাইয়ে এই ক্ষেত্ৰত লাভ কৰে নিৰলস সান্নিধ্য, অকৃত্ৰিম মৰম আৰু অফুৰন্ত প্ৰেৰণা। যোৰহাট চৰকাৰী হাইস্কুলত মিত্ৰদেৱ মহন্তৰ ছাত্ৰ হৈ থাকোতেই বিদ্যালয়ৰ মুখপত্ৰ 'জেউতি'ত 'সহিষ্ণুতা' নামৰ গোৰ্খাৰাইৰ এটি কবিতা প্ৰকাশ পায়। পৰৱৰ্তীকালত 'পেৰী চাহাবৰ ডায়েৰি' লিখি তেখেতে অসমীয়া পাঠক সমাজক সাহিত্যৰ খোৰাক যোগাবলৈ সমৰ্থ হয়। এনে সফলতাৰ পিছত হৰিপ্ৰসাদ গোৰ্খাৰাইয়ে পিছলৈ ঘূৰি চাবলগীয়া নহ'ল। হাতত কলম লৈ নিৰলসভাৱে লিখি এটা সময়ত এশৰো অধিক কবিতা আৰু পঞ্চাছটাৰো অধিব গল্প লিখি অসমীয়া ভাষা সাহিত্যৰ ভঁৰালক বেছ চহকী কৰি থৈছে। অৱশ্যে তেখেতে কোনো মৌলিক গ্ৰন্থ ৰচনা কৰিছে নে নাই এই লেখকে অদ্যাপি জানিব পৰা নাই। যি কি নহওক, তেখেতৰ বিপুল অৰিহণাৰ চিনস্বৰূপে ৰাজ্যৰ 'জাতীয় অনুষ্ঠান' অসম সাহিত্য সভাই ১৯৫৭ চনত ধুবুৰীত অনুষ্ঠিত অধিৱেশনত প্ৰদৰ্শনীৰ দ্বাৰ উন্মোচন কৰিবলৈ দি তেখেতৰ প্ৰতি যথাযোগ্য সন্মান প্ৰদৰ্শন কৰে। একেদৰেই ১৯৭৫ চনত

তিতাবৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ সম্বৰ্ধনা সভাত হৰিপ্ৰসাদ গোৰ্খাৰাইয়ে পৌৰোহিত্য কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। এই একে অধিৱেশনতে গোৰ্খাৰাইক অসম সাহিত্য সভাৰ তৰফৰ পৰা আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনাই কোৱা হয় যে "নেপালী, হিন্দী, অসমীয়া আৰু ইংৰাজী ভাষাত সমান দখল থকা গোৰ্খাৰাই ডাঙৰীয়াৰ ব্যক্তিত্ব আৰু নম্ৰতা আৰু ৰমনীয়তাও শ্ৰদ্ধাৰে স্মৰণীয়। ১৯৩৩ চনৰ পৰা বাঁহী, আৱাহন, সৌমাৰ, জ্যোতি, অৰুণাচল, মণিদীপা, ৰামধেনু, অসম সাহিত্য সভা পত্ৰিকা আদিত গল্প, প্ৰবন্ধ লেখি অহাৰ উপৰিও বহুতো অসমীয়া কবিতা নেপালী ভাষালৈ অনুবাদ কৰি অসমীয়া সাহিত্য প্ৰচাৰত আত্মনিয়োগ কৰি আহিছে। ৰাইয়ে সাহিত্য সেৱা কৰিবলৈ আৰু বল পাওক তাকে ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা জনাইছো"।

এইদৰেই ১৯৯১ চনৰ ৭ এপ্ৰিলত অনুষ্ঠিত শ্বিলঙস্থ মুকুল সংঘয়ো সম্বৰ্ধনা পত্ৰত অন্যতম থলুৱা নেপালী বংশোদ্ভৱ বিশিষ্ট অসমীয়া সাহিত্যিক প্ৰয়াত ধন বাহাদুৰ সোণাৰ (১৯১৪-১৯৯৪)ৰ বিষয়ে এইদৰে কৈছিল যে "আপুনি কোহিমা হাইস্কুলত শিক্ষকতা কৰি থাকোতে হৰিপ্ৰসাদ গোৰ্খাৰাই আৰু গোবিন্দ চন্দ্ৰ পৈৰা এই ত্ৰিমূৰ্তিৰ এজন হৈ অসমীয়া সাহিত্য-চৰ্চাৰ যি পৰিৱেশ গঢ়ি তুলিছিল আৰু কোহিমা সাহিত্য সভাৰ লগত জড়িত হৈ পৰিছিল সি সকলো অসমীয়া প্ৰেমীৰে আদৰ্শ হৈ ৰ'ব। জন্মসূত্ৰে অনা-অসমীয়া হৈয়ো আপুনি অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি প্ৰগাঢ় প্ৰেমেৰে যি সৌধ ৰচনা কৰিলে তাক প্ৰতিজন অসমীয়াই শ্ৰদ্ধাৰে সুঁৱৰি থাকিব'। সৰুৰে পৰা অসমীয়া ভাষাত পঢ়া-শুনা কৰা ধন বাহাদুৰ সোণাৰে পিছত কোহিমাত শিক্ষকতা কৰি থাকোতে বিশেষকৈ হৰিপ্ৰসাদ গোৰ্খাৰাই আৰু গোবিন্দ চন্দ্ৰ পৈৰাৰ সান্নিধ্যলৈ আহি অসমীয়া ভাষা সাহিত্যৰ চৰ্চা কৰিবলৈ বিপুল প্ৰেৰণা লাভ কৰে। ফলস্বৰূপে 'আৱাহন' পত্ৰিকাত ১৯৩৫ চনত 'জাপঙো অভিযান' নামৰ নিবন্ধৰ পৰাই তেখেতৰ লেখনিয়ে প্ৰকাশৰ পাতনি মেলে। এইদৰে আৱাহন'ত কবিতা, চুটিগল্প, ভ্ৰমণ কাহিনী আৰু প্ৰবন্ধ লিখিবলৈ আৰম্ভ কৰি অসমীয়া ভাষা-সাহিত্যৰ ভঁৰালক কিঞ্চিৎ পৰিমাণে হ'লেও চহকী কৰে। সেয়েহে চাগে ১৯৭৪ চনত ডিমাপুৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিৱেশনে 'আৱাহন' পত্ৰিকাত বৰঙণি আগবঢ়োৱাৰ চিনস্বৰূপে অসমীয়া জাতিৰ পৰম্পৰাগত এখনি ফুলাম গামোচাৰে ধন বাহাদুৰ সোণাৰক সম্বৰ্ধনা জনায়। প্ৰণিধানযোগ্য যে অসমীয়া ভাষা-সাহিত্য চৰ্চাইনহয় এই ভাষা-সাহিত্য বিকাশৰ উদ্দেশ্যে উচ্চতম শিক্ষানুষ্ঠান গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ বেলিকাও ধন বাহাদুৰ সোণাৰে কিছু কাম কৰিছিল। সোণাৰৰ বন্ধু মাধৱ চন্দ্ৰ বেজবৰুৱা গুৱাহাটীত পঢ়ি থকা কালত অসমত এখন বিশ্ববিদ্যালয় খোলাৰ প্ৰস্তুতিৰ অংশ হিচাপে ধন বাহাদুৰ সোণাৰকো গুৱাহাটীলৈ মাতি পঠিওৱা হয় অসমৰ নেপালী অধ্যুষিত অঞ্চলত আৰ্থিক সাহায্য বিচাৰি অভিযান চলোৱাৰ

উদ্দেশ্যে। বিশ্ববিদ্যালয় পৰিচালনা বোৰ্ডৰ নিৰ্দেশ মৰ্মে বন্ধু মাধৱচন্দ্ৰ বেজবৰুৱাৰ সৈতে লগ লাগি ধন বাহাদুৰ সোণাৰে তিনিমাহ কাল পৰ্যন্ত তেজপুৰ আৰু বিহালীত ঘূৰি-পকি থলুৱা নেপালীলোকৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ হেতু পাৰ্যমানে অৰ্থ সংগ্ৰহ কৰি গোপীনাথ বৰদলৈৰ হাতত জমা দিয়ে — যাতে অসমৰ লুইতৰ পাৰ জিলিকাবলৈ এখন বিশ্ববিদ্যালয় হ'ব। এই প্ৰসংগত উল্লেখ্য যে গুৱাহাটীৰ পৰা প্ৰকাশিত মাহেকীয়া নেপালী আলোচনী 'সৰিপবাৰ'ৰ জুন মাহ (২০০৭)ৰ সংখ্যাত কমল শৰ্মাই লিখা 'গুৱাহাটী বিশ্ববিদ্যালয় ঃ এক বালক' শীৰ্ষক নিবন্ধটিত ধন বাহাদুৰ সোণাৰৰ নাম উল্লেখ নথকাত জুলাই সংখ্যাৰ 'পাঠক প্ৰতিক্ৰিয়া' শিতানত পীতাম্বৰ গুৰুঙে দুখ প্ৰকাশ কৰিছে। গুৰুঙৰ মতে অৱসৰপ্ৰাপ্ত চৰকাৰী বিষয়া ধন বাহাদুৰ সোণাৰে গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰিবলৈ ৰাইজৰ দান-বৰঙণি বিচাৰি যাওঁতে তদানীন্তন দৰং জিলাৰ তথাকথিত উচ্চ নেপালী ব্ৰাহ্মণ আৰু ছেত্ৰী উপাধি পৰিয়ালৰ ঘৰত ৰাতি গোহালি সদৃশ সৰু কোঠাত শুবলগীয়া হৈছিল। কাৰণ ধন বাহাদুৰ সোণাৰ নেপালী জনগোষ্ঠীৰ অস্পৃশ্য শ্ৰেণীৰ (Untouchable Caste) লোক হোৱা হেতুকে মূল ঘৰত তেওঁৰ প্ৰবেশ কৰাত বাধা-নিষেধ আছিল। তেনে পৰিস্থিতি স্বত্বেও গুৱাহাটী বিশ্ববিদ্যালয় গঢ়াত অন্যান্য বহুজনৰ লগতে ধন বাহাদুৰ সোণাৰেও যি ত্যাগ আৰু কষ্ট স্বীকাৰ কৰিছিল তেনে অৱস্থাত তেওঁৰ নাম উল্লিখিত নিবন্ধটিত উল্লেখ নোহোৱা কাৰ্যত গুৰুং ক্ষুণ্ণ হোৱাতো স্বাভাৱিক। মুঠতে অসমৰ সমূহ থলুৱা নেপালী জনগোষ্ঠী কমল শৰ্মাৰ কাৰ্যত নিশ্চয় সন্তুষ্ট নহয়। সি যি কি নহওক, অসমীয়া ভাষা-সাহিত্যক চহকী কৰা আৰু উচ্চতম শিক্ষানুষ্ঠান গঢ়াত সাধ্যানুসৰি যি অৱদান আগবঢ়ালে তাৰেই প্ৰতীকস্বৰূপে ১৯৯১ চনৰ ১১ এপ্ৰিলত দুধনৈত অনুষ্ঠিত অসম সাহিত্য সভাৰ সপ্তপঞ্চাশতম্ অধিৱেশনৰ মুকলি সভাত প্ৰয়াত ধন বাহাদুৰ সোণাৰক মুখ্য অতিথিৰ সন্মান দিয়া হৈছিল। অভ্যাগতৰ আসনৰ পৰা দিয়া লিখিত ভাষণৰ অন্তত সোণাৰে এইদৰে কৈছিল "নালাগে তোমাৰ আই ৰাজপদ সন্মান গৌৰৱ। ভাষা জননীৰ দুটি চৰণেই মোৰ অতুল বৈভৱ"। অৰ্থাৎ তেখেতে ৰজাঘৰীয়া পদ বা সন্মান বিচৰা নাছিল, বিচাৰিছিল মাথো অসমীয়া ভাষা জননীৰ চৰণ যুগলক সেৱা কৰি যোৱাৰ সৌভাগ্য, যাক তেখেতে নিজৰ জীৱনৰ একমাত্ৰ ঐশ্বৰ্য-বিভূতি বুলি গণ্য কৰিছিল। অসমীয়া ভাষা-সাহিত্য বিকাশৰ উদ্দেশ্য সাৰোগত কৰিয়েই চাগে সোণাৰে অসম সাহিত্য সভাৰ আজীৱন সদস্য হৈ থাকে।

অসম সাহিত্য সভাৰ আন এগৰাকী আজীৱন সদস্য বিহালীৰ মুক্তি সেনানী শিক্ষাবিদ, সাহিত্যিক, সমাজসেৱক, ৰাজনীতিক, নিবন্ধকাৰ, থলুৱা নেপালী জনগোষ্ঠীৰ লাইখুঁটা 'অসম গান্ধী' বিষ্ণুলাল উপাধ্যায়। সমগ্ৰ অসমবাসীৰে নমস্য ব্যক্তি বিষ্ণুলাল

উপাধ্যায়ে সমাজসেৱা আৰু নিৰ্বাচনী ৰাজনীতিত সক্ৰিয় অংশগ্ৰহণৰ সমান্তৰালভাৱে অসমীয়া আৰু নেপালী উভয় ভাষা-সাহিত্য চৰ্চাৰ প্ৰতিও সমানে মনোনিবেশ কৰে। এনে একান্ত প্ৰচেষ্টাৰ ফলস্বৰূপেই তেখেতে কেইখনমান গ্ৰন্থ প্ৰস্তুত কৰিবলৈ সক্ষম হয়। গ্ৰন্থকেইখন হৈছে (১) **দুগৰাকী মহান বিভূতি ঃ আদিকবি ভানুভক্ত আৰু মহাপুৰুষ শংকৰদেৱ (১৯৮৫)**; (২) **এৰি অহা দিনবোৰ (১৯৮৭)**, (৩) **স্বাধীনতা যুঁজৰ নায়ক ছবিলাল উপাধ্যায় (১৯৯০)**; (৪) **স্বাধীনতা সংগ্ৰামী শ্ৰমিক নেতা দলবীৰসিং লোহাৰ (সঙ্কলিত ১৯৯৩)**, (৫) **অসমৰ মুখ্যমন্ত্ৰীলৈ সবিনয় নিবেদন** আৰু (৬) **সানমিহলি (২০০৪)** সমূহ উল্লেখযোগ্য। এই গ্ৰন্থপঞ্জীৰ উপৰি উপাধ্যায়ে সময়ে সময়ে বাতৰি কাকত আৰু অনাতাঁৰ কেন্দ্ৰযোগে বিভিন্ন বিষয়ৰ ওপৰত জ্ঞান-গভীৰ আৰু অনুসন্ধানমূলক নিবন্ধ সহজ-সৰল আৰু নিভাঁজ অসমীয়া ভাষাত লিখা দেখা যায়। তাৰে কেইটামান লেখা এনেধৰণৰ 'অসমৰ নেপালীৰ সম্পৰ্কে মই যি জানো' (**সাপ্তাহিক নীলাচল, ৯ মে' ১৯৭৩**), 'অসমৰ আবেগিক ঐক্য আৰু ইয়াৰ অনা-অসমীয়ালোক' (আকাশবাণী **গুৱাহাটীৰ** পৰা সম্প্ৰচাৰিত, ৫ মে' ১৯৭৩), 'সেই অবিস্মৰণীয় দিনটো (**মহাজাতি**, ১৫ আগষ্ট ১৯৭৫), 'খিলঞ্জীয়াৰ সাংবিধানিক সুৰক্ষা আৰু ব্যক্তি প্ৰতিক্ৰিয়া' (**নতুন অসম**, ১২ আৰু ১৩ ছেপ্তেম্বৰ, ১৯৯৯) আদি লেখত ল'বলগীয়া। এই প্ৰসংগতে উল্লেখ কৰিব পাৰি যে অসম বিধান সভাত The Assam Official Language Billৰ ওপৰত নিজৰ মতামত ব্যক্ত কৰি তদানীন্তন বিধায়ক বিষ্ণুলাল উপাধ্যায়ে এনেদৰে কয়— "১৯৫১ চনৰ লোকপিয়ল মতে অসমত কেবাটাও ভাষা কোৱা মানুহ থকা সত্ত্বেও দেখা যায় সৰহভাগ মানুহে অসমীয়া কথা কয়, সেই কাৰণে অসমীয়া ভাষাই চৰকাৰী ভাষাৰ স্থান পোৱাটো উচিত হ'ব। আনফালে, সংবিধানে স্বীকাৰ কৰা ১৪ টা মুখ্য ভাষাৰ ভিতৰত অসমীয়াও এটা। সেই কাৰণে অসমীয়া ভাষাই এই মৰ্যাদা পাবই লাগিব। অসমীয়া ভাষা ৰাজ্য ভাষা হওক এইটো আমি কামনা কৰো"। ইয়াৰ পৰা এইটো স্পষ্ট যে উপাধ্যায়ে উপলব্ধি কৰিব পাৰিছিল যে ৰাজ্যিক ভাষাৰ স্বীকৃতি নোপোৱা পৰ্যন্ত অসমীয়া ভাষাই উন্নতিৰ জখলাত বগাব আৰু অসমীয়া জাতিয়ে নিজৰ আধিপত্যিক সত্তা প্ৰতিপন্ন কৰিব নোৱাৰিব।

তৈল নগৰ ডিগবৈৰ প্ৰয়াত মন বাহাদুৰ ছেত্ৰী (১৯৩৫-২০০৩)ও অসমীয়া ভাষা-সাহিত্য চৰ্চা কৰোতা থলুৱা নেপালী বংশোদ্ভৱ সাহিত্যিকসকলৰ অন্যতম। তেখেতৰ বিশেষ কৃতিত্ব এয়ে যে থলুৱা নেপালী জনগোষ্ঠী আৰু সংস্কৃতিৰ বিষয়ে অসমীয়া ভাষাত তেখেতেই প্ৰথম গ্ৰন্থ ৰচনা কৰে। **'অসমীয়া নেপালী সমাজ আৰু সংস্কৃতিৰ ৰূপৰেখা'** (১৯৮৩) নামৰ এই গ্ৰন্থখনি অসম সাহিত্য সভাই প্ৰকাশ কৰি বৃহত্তৰ অসমীয়া সমাজক নেপালী সংস্কৃতিৰ লগত পৰিচয় কৰাই দিয়াৰ এক সুযোগ

আনি দিয়ে। ইয়াৰ উপৰি ছেত্ৰীৰ আন গ্ৰন্থসমূহ হ'ল — 'আহক আমাৰ পথ আমি নিজেই বিচাৰো' আৰু 'নেপালী সংস্কৃতি ঐতিহ্য' গ্ৰন্থ লেখাৰ উপৰি মন বাহাদুৰ ছেত্ৰীয়ে খবৰ কাকত বিলাকতো লেখা-মেলা কৰি অসমীয়া ভাষা-সাহিত্যৰ ভঁৰাললৈ অবদান আগবঢ়াই আহিছে। তেখেত অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ সদস্য আৰু ১৯৯০-৯১ চনৰ বাবে অসম সাহিত্য সভা অবিভক্ত ডিব্ৰুগড় জিলা শাখাৰ সভাপতিৰ আসনো অলংকৃত কৰে। এনে কাৰণতে ছেত্ৰীৰ অকাল বিয়োগত তিনিচুকীয়া জিলা সাহিত্য সভাই প্ৰেৰণ কৰা শোকবাৰ্তাত কোৱা হয় যে ছেত্ৰীয়ে "অসম সাহিত্য সভা আৰু নেপালী জনগোষ্ঠীৰ মাজত মিলনৰ সাঁকো গঢ়ি একতাৰ এনাজৰী কটকটীয়া কৰাত অৰিহণা যোগাইছিল" **(আমাৰ অসম ১১ এপ্ৰিল ২০০৩)**। তদ্ৰূপ সম্প্ৰতি বিশ্বনাথ চাৰিআলিৰ গলিয়া নিবাসী অৱসৰপ্ৰাপ্ত শিক্ষাবিদ আৰু অসমীয়া ভাষা-সাহিত্যৰ নীৰৱ সাধক অগ্নি বাহাদুৰ ক্ষেত্ৰীৰ নামো এই প্ৰসংগত প্ৰণিধানযোগ্য। '**নেপালী কবিতীৰ্থ**' (১৮৮৯) নামৰ গ্ৰন্থৰ যোগেদি চাৰিগৰাকী নেপালী ভাষা-সাহিত্যৰ কাণ্ডাৰী যথাক্ৰমে আদিকবি ভানুভক্ত আচাৰ্য, কবি শিৰোমণি পৌড়েল, মহাকবি লক্ষীনাথ দেৱকোটা আৰু হৰিভক্ত কটোৱালক ক্ষেত্ৰীয়ে সমূহ অসমীয়া পাঠকৰ সৈতে চিনাকি কৰি দি এক অভূতপূৰ্ব উদ্দেশ্য পূৰণ কৰিছে। তেখেতৰ আন গ্ৰন্থসমূহ হ'ল — (১) **ব্ৰহ্মপুত্ৰৰ আশে-পাশে** (নেপালী ভাষাৰ পৰা অনুদিত); (২) **ইতিহাসৰ আধাৰত অসমৰ নেপালী জীৱন**, (৩) **সি জানো আকৌ আহিব**; (৪) **মহাকবি দেৱকোটা**; (৫) **আদিপাঠ**; (৬) **বাল গণিত** আৰু (৭) **অসম বুৰঞ্জী** আদিয়েই প্ৰধান। গ্ৰন্থ ৰচনাৰ বাদেও অগ্নি বাহাদুৰ ক্ষেত্ৰীয়ে অসমীয়া কবিতা, শিশু সাহিত্য আৰু অনুবাদ সাহিত্যৰ দ্বাৰা অসমীয়া সাহিত্য জগতলৈ অবদান আগবঢ়াই অহা দেখা যায়। সেয়েহে তেখেতৰ অসমীয়া ভাষা-সাহিত্য সাধনাৰ স্বীকৃতিস্বৰূপে অসম চৰকাৰে ক্ষেত্ৰীলৈ সাহিত্য পেঞ্চন আগবঢ়াইছে।

শিৱসাগৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা সম্প্ৰতি তেজপুৰ চহৰৰ চান্দমাৰি নিবাসী চিৰকুমাৰী গীতা উপাধ্যায়েও অসমীয়া ভাষা-সাহিত্য চৰ্চাৰ বেলিকা যৎপৰোনাস্তি প্ৰচেষ্টা কৰি অহা দেখা যায়। ১৯৭৫ চনতেই তেখেতে '**এন ফ্ৰেংকৰ ডায়েৰি**'খন ইংৰাজী ভাষাৰ পৰা অসমীয়ালৈ অনুদিত কৰি সমসাময়িক পাঠকৰ বিপুল সমাদৰ লাভ কৰে বুলি জনা যায়। ইয়াৰ দ্বিতীয় আৰু তৃতীয় সংস্কৰণ যথাক্ৰমে ১৯৯০ আৰু ১৯৯২ চনত গুৱাহাটীস্থ লয়াৰ্ছ বুক ষ্টলে প্ৰকাশ কৰা কাৰ্যই এই কথাকে প্ৰতীয়মান কৰে। এইখিনিতে উল্লেখযোগ্য কথাটো হ'ল এয়ে যে যিখন মহাকাব্য ৰামায়ণ সহজ-সৰল আৰু নিভাঁজ নেপালী ভাষাত লিখি নেপালী আদিকবি ভানুভক্ত আচাৰ্যই নেপালী ভাষাক এক স্থায়ী আৰু সাৰ্বজনীন ৰূপ দিলে সেই ভানুভক্তৰ ৰামায়ণক গীতা উপাধ্যায়ে অসমীয়া ভাষালৈ অনুবাদ কৰে আৰু অসম সাহিত্য সভাই ১৯৮৭ চনত এই গ্ৰন্থখনি

প্ৰকাশ কৰে। গ্ৰন্থখনিত সন্নিবিষ্ট অসম সাহিত্য সভাৰ তদানীন্তন প্ৰধান সম্পাদকৰ একাষাৰ শিতানত অমল ৰাজখোৱাই কৈছে যে "মহাকবি ভানুভক্তৰ নেপালী ৰামায়ণখনো অসমীয়া ৰাইজক পৰিচয় কৰি দিবৰ মানসেৰে অসম সাহিত্য সভাই অধ্যাপিকা গীতা উপাধ্যায়ক অনুৰোধ জনায়। উপাধ্যায়ে বহু পৰিশ্ৰম কৰি মূল নেপালী ৰামায়ণখন অসমীয়ালৈ অনুবাদ কৰি সভাক অৰ্পণ কৰে ... অসমীয়া ভাষা সাহিত্য সমৃদ্ধ কৰাত তেখেতে বৰঙণি যোগাওক এয়ে আমাৰ কামনা"। একেদৰেই নিগ্ৰো লেখক ৰিচাৰ্ড ৰাইটৰ Native son গীতা উপাধ্যায়ে অসমীয়ালৈ অনূদিত কৰে আৰু লয়াৰ্ছ বুক ষ্টল, গুৱাহাটীয়ে প্ৰকাশ কৰে। গ্ৰন্থ অনুবাদৰ উপৰি তেখেতে বিভিন্ন আলোচনী যেনে সূত্ৰধাৰ, শ্ৰীময়ী আদিত অনুসন্ধানমূলক নিবন্ধ আৰু ভ্ৰমণ কাহিনী লিখি অসমীয়া সাহিত্যক সমৃদ্ধ কৰিছে। সম্প্ৰতি গীতা উপাধ্যায় অসম চৰকাৰৰ সাহিত্যিক পেঞ্চনাৰ, অসম লেখিকা সমাৰোহৰ প্ৰাক্তন সভানেত্ৰী আৰু ভাৰতীয় গোৰ্খা পৰিসংঘ, অসম শাখাৰ প্ৰতিষ্ঠাপক সভানেত্ৰী।

সি যি কি নহওক, সুখৰ বিষয় এয়ে যে উপৰোক্ত অসমীয়া ভাষা-সাহিত্য চৰ্চা কৰোঁতাসকলৰ বাদেও সম্প্ৰতি উদীয়মান শিক্ষিত থলুৱা নেপালী পুৰুষে নেপালী ভাষাতকৈ অসমীয়া মাধ্যমতহে, কোনো বিশেষ মৌলিক গ্ৰন্থ ৰচনা নকৰিলেও, ভাষা-সাহিত্য চৰ্চা আগৰ তুলনাত বেছি বুলি ক'ব পৰা যায়। ইয়াৰ কাৰণ কেবাটাও — (১) প্ৰাথমিক পৰ্যায়ৰ পৰাই নেপালী ভাষী ছাত্ৰ-ছাত্ৰীসকলে অসমীয়া ভাষাত শিক্ষা গ্ৰহণ কৰাৰ বাবে এই ভাষাৰ লগত এক অবিচ্ছিন্ন সম্পৰ্ক গঢ় লৈ উঠে; (২) সকলো সময়তে প্ৰতিবেশী আৰু আন মানুহৰ লগতো অসমীয়া ভাষাত কথোপকথন আৰু অসমীয়া বাতৰি কাকত, আলোচনী, স্মৃতিগ্ৰন্থ আদি পঢ়াৰ বাবে এই ভাষাত নিজৰ মতামত প্ৰকাশ কৰাটো আপেক্ষিকভাৱে সহজ আৰু (৩) সাম্প্ৰতিক সামাজিক আৰু সাংস্কৃতিক পৰিৱেশত অসমীয়া ভাষাৰ প্ৰচলনে এই ভাষাৰ প্ৰতি নেপালী লোকক অধিক আগ্ৰহান্বিত কৰাটো তেনেই স্বাভাৱিক পৰিঘটনা। এনে কাৰকৰ হেতুকেই থলুৱা নেপালী লেখক-লেখিকাৰ অনুজ চামেই নহয় অগ্ৰজ চামেও অসমীয়া মাধ্যমতহে বেছিকৈ ভাষা-সাহিত্য চৰ্চা কৰা পৰিলক্ষিত হয়। এই প্ৰসংগত মৰাণ প্ৰেছ ক্লাব আৰু ভানু অধ্যয়ন চক্ৰ, মৰাণহাটৰ সম্পাদক শোভিত কুমাৰ ছেত্ৰীৰ নাম ল'ব লাগিব। শেহতীয়াকৈ ছেত্ৰী অসম প্ৰেছ কৰেছপণ্ডেণ্ট ইউনিয়ন চমুকৈ আপকুৰ কাৰ্যকৰী সভাপতি আৰু সম্প্ৰতি সভাপতি ৰূপেও নিৰ্বাচিত হৈছে। আশীৰ দশকৰ প্ৰাৰম্ভণিৰ পৰাই বিশেষকৈ স্কুল কলেজৰ আলোচনী সম্পাদনা কৰাৰ যোগেদি তেখেতে অসমীয়া ভাষা সাহিত্য চৰ্চাৰ পাতনি মেলে। সম্প্ৰতি ছেত্ৰী **'দৈনিক জনমভূমি'** (যোৰহাট) আৰু **'আজিৰ বাতৰি'** (গুৱাহাটী) কাকত দুখনৰ এগৰাকী আগশাৰীৰ সংবাদদাতা। সাংবাদিকতাৰ উপৰিও

শোভিত কুমাৰ ছেত্ৰীয়ে বিভিন্ন বাতৰি কাকতত অনুসন্ধানমূলক নিবন্ধৰ লগতে ক্ৰীড়াৰ বিষয়ে পৰ্যালোচনামূলক আলোচনা আদিও লেখা মেলা কৰে। প্ৰণিধানযোগ্য যে অসম প্ৰেছ কৰেছপণ্ডেন্ট ইউনিয়নে ১৯৯৯ চনৰ সন্মানীয় আপকু বঁটা শোভিত কুমাৰ ছেত্ৰীলৈ তেওঁৰ বহুলভাৱে সমাদৰ লাভ কৰিবলৈ সক্ষম হোৱা 'এজন নাঙঠ মানুহৰ সঁচা কাহিনী' (আমাৰ অসম এপ্ৰিল ১৯৯৮ সংখ্যাত প্ৰকাশিত) শীৰ্ষক অনুসন্ধানমূলক প্ৰতিবেদনৰ বাবে আগবঢ়োৱা হয়। তদুপৰি এতিয়ালৈকে তেওঁ প্ৰায় এশখন স্মৃতিগ্ৰন্থ সম্পাদনা কৰি এক অভিলেখ সৃষ্টি কৰিছে। আৰু আপকুৰ শিৱসাগৰ জিলা সমিতিৰ মৰাণ অধিবেশন উপলক্ষে তেওঁৰ দ্বাৰা সম্পাদিত স্মৃতিগ্ৰন্থ (মৰাণ ২০০৩) শ্ৰেষ্ঠৰূপে বিবেচিত হোৱাত ২০০৫ চনৰ সুৰেন্দ্ৰ নাথ গোস্বামী বঁটা শোভিত কুমাৰ ছেত্ৰীক প্ৰদান কৰা হয়। এই বঁটাত আছেনগদ তিনি হাজাৰ টকা, মানপত্ৰ আৰু গ্ৰন্থৰ টোপোলা (অসমীয়া প্ৰতিদিন ১৪ মে' ২০০৫)। এনে প্ৰচেষ্টাৰে উদীয়মান সাংবাদিক-লেখক শোভিত কুমাৰ ছেত্ৰীয়ে কাব্যিক প্ৰতিভা বিকাশৰ মাধ্যমেৰে অসমীয়া ভাষা-সাহিত্য চৰ্চা কৰি ইয়াৰ উত্তৰণত অবদান দি আহিছে।

দ্বিতীয়তে, গহপুৰ নিবাসী দৰং মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞানৰ অধ্যাপক ড° জয়ন্ত কৃষ্ণ শৰ্মাৰ নাম ল'ব লাগিব যিজনে এটা সংস্কৃতিবান পৰিয়ালৰ পৰিবেশত জন্মগ্ৰহণ কৰি ডাঙৰ-দীঘল হৈ ছাত্ৰাৱস্থাৰে পৰাই অসমীয়া ভাষা-সাহিত্যৰ কৰ্ষণ আৰম্ভ কৰি অদ্যাপি কেবাখনো অনা-অসমীয়া ভাষাত প্ৰণীত গ্ৰন্থ অসমীয়ালৈ অনুদিত কৰি আনকি ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটা লাভ কৰি অসম আৰু অসমীয়া জাতিলৈ গৌৰৱ কঢ়িয়াই অনাটো যথাৰ্থতে এক উচ্চ প্ৰশংসনীয় কথা। উল্লেখ্য যে The Central Institute Of Indian Languageয়ে ১৯৯২-৯৩ চনৰ বাবে অনুষ্ঠিত সৰ্বভাৰতীয় অনুবাদমূলক লেখা প্ৰতিযোগিতাত বিংশতিতম জ্ঞানপীঠ বঁটা বিজয়ী (১৯৮৪ চনৰ বাবে) কেৰেলিয়ান লেখক তকচী শিৱশঙ্কৰ পিল্লেৰ হিন্দীত ৰচিত মূল গল্প পুথিক 'তকচীৰ গল্প' নামকৰণেৰে অসমীয়ালৈ অনুবাদ কৰি ড° জয়ন্ত কৃষ্ণ শৰ্মাই পুৰস্কাৰ লাভ কৰে। এই লেখাখিনিক ১৯৯২ চনত গুৱাহাটীস্থ লয়াৰ্ছ বুক ষ্টলে গ্ৰন্থৰ ৰূপ দিয়ে। একেদৰেই ১৯৮৭ চনৰ বাবে জ্ঞানপীঠ বঁটা বিজয়ী মাৰাঠী সাহিত্যিক বিষ্ণুবামণ শিৰবাডকৰৰ এখন নাটক 'মুখ্যমন্ত্ৰী' শিৰোনামাৰে শৰ্মাই অসমীয়ালৈ অনুদিত কৰা গ্ৰন্থ লয়াৰ্ছ বুক ষ্টলেই ১৯৯৪ চনত প্ৰকাশ কৰিছে। ড° শৰ্মাৰ এনে আশাশুধীয়া প্ৰচেষ্টা অসমীয়া ভাষা সাহিত্যৰ শ্ৰীবৃদ্ধিত এক ইতিবাচক সংযোজন তাক দোহৰা নিষ্প্ৰয়োজন। একে পৰিয়ালৰে অৰ্থাৎ ড° শৰ্মাৰ ভগ্নীদ্বয়া ক্ৰমে ৰশ্মিৰেখা শৰ্মা আৰু ৰঞ্জিবাণী শৰ্মায়ো কম বয়সৰে পৰা অসমীয়া ভাষা-সাহিত্য চৰ্চাৰ প্ৰতি মনোনিবেশ কৰি গল্প, কবিতা আৰু আলোচনীত লেখা-মেলা কৰি আহিছে। নেপালী ভাষাত ৰচিত 'অসম গান্ধী' বিষ্ণুলাল উপাধ্যায়ৰ মূল গল্প পুথি 'উৎসৰ্গ'ক ৰশ্মিৰেখা শৰ্মাই (সম্প্ৰতি শৰ্মা গুৱাহাটীস্থ NERIM অৰ্থাৎ

North East Regional Institute of Managementত ৰাজনীতি বিজ্ঞানৰ অধ্যাপিকাৰূপে কৰ্মৰত) অসমীয়ালৈ ৰূপান্তৰ কৰা **'উৎসৰ্গ আৰু অন্যান্য গল্প'** শিৰোনামাৰ গ্ৰন্থখনিয়ে ইতিমধ্যে পাঠক সমাজৰ সমাদৰ বুটলিবলৈ সক্ষম হৈছে। একেদৰেই অসম সাহিত্য সভাৰ ভূতপূৰ্ব সভাপতি ড° নগেন শইকীয়াৰো এখন পুথি নেপালী ভাষালৈ অনুবাদ কৰি এক দুঃসাহসিক সাহিত্যিকৰ পৰিচয় দিছে ৰশ্মিৰেখা শৰ্মাই। লগতে অনাগত দিনত প্ৰচুৰ সাহিত্য সৃষ্টি সম্ভাৱনাৰ পূৰ্বলক্ষণ দেখা যায় শৰ্মাৰ কাব্যিক প্ৰতিভাত। ৰ'জিৰাণী শৰ্মাৰ বিষয়ে পদ্ম পাটৰে লিখা **'এগৰাকী কিশোৰীৰ প্ৰতিভাৰ সন্ধানত'** (দ্ৰষ্টব্য ঃ **আমাৰ অসম** ৩ অক্টোবৰ ১৯৯৮) কৈছে যে "চৈধ্য বছৰীয়া কিশোৰী এগৰাকীৰ কথা কোৱাৰ যি বাগ্মিতা, জ্ঞানৰ যি পৰিসৰ, অধ্যয়নৰ যি পৰিচয় পোৱা গ'ল আৰু এই বয়সতেই দিল্লীৰ পৰা আৰম্ভ কৰি স্থানীয় প্ৰতিযোগিতাসমূহত যোগদান কৰি বঁটা পাবলৈ সক্ষম হৈছে"। ৰ'জিৰাণীয়ে **'কোমল মন দাপোন'** নামেৰে এখনি শিশু গল্পপুথিও ৰচনা কৰিছে। মুঠতে, অনাগত দিনবোৰত থলুৱা নেপালী বংশোদ্ভৱ সংস্কৃতিৱান শৰ্মা পৰিয়ালবৰ্গই নিশ্চয় অসমীয়া ভাষা-সাহিত্যৰ ভঁৰাললৈ অধিক সংযোজন ঘটাই সমৃদ্ধিশালী কৰিব বুলি আমি প্ৰত্যাশী। তদুপৰি থলুৱা নেপালী লেখক লেখিকাই বিভিন্ন দিশত অসমীয়া ভাষা সাহিত্য চৰ্চা কৰা পৰিলক্ষিত হোৱা দেখা যায়। তেওঁলোকৰ ভিতৰত শ্বেৰমান থাপা (শেষ ৰাতিপুৱা), ড° লক্ষ্মী পৰাজুলি (গৰ্ভগীতা), অবিনাশ শ্ৰেষ্ঠ (তুমিয়েই মোৰ নেপথ্য প্ৰিয়া), হেমন্ত কুমাৰ ভৰালী (প্ৰেম আৰু প্ৰতিভা আৰু অলপ স্পৰ্শ দিয়া), ইন্দ্ৰকান্ত কাৰ্কী (চাইনবৰ্ড), যুদ্ধবীৰ ৰাণা (মানব যাত্ৰা) বীণা শৰ্মা (ৰাজকুমাৰ আৰু অন্যান্য গল্প), হৰি প্ৰসাদ শৰ্মা (ধুনীয়া আকাশ), নাৰায়ণ উপাধ্যায় (জিলিগুণি), প্ৰেমনাথ শৰ্মা (উৰণীয়া চৰাইৰ ছাঁ), কুমাৰ পোখ্ৰেল (অকণিৰ ভানুভক্ত), পদ্ম ঢকাল (অসমৰ জাতি গঠনত নেপালীসকলৰ অৱদান), মোহন সুবেদী (মোৰো), নিৰু শৰ্মা পৰাজুলী (স্বপ্ন এটি মুক্ত আকাশৰ), প্ৰদীপ কুমাৰ শৰ্মা (নাৰীৰত্ন অন্নপূৰ্ণা দেৱী), শোভিত কুমাৰ ছত্ৰী (মৰাণৰ এমুঠি গল্প), নৰ বাহাদুৰ দৰ্জী (শেৱালি), গায়ত্ৰী নেবাৰ (বগীতৰা দুবৈ হৈ নাযাবা), হৰিপ্ৰসাদ শৰ্মা 'ত্যাগী' (ধুনীয়া আকাশ/ তোমাৰ কাৰণে/ তোমাৰ জীৱন), ডক্টৰ ৰুদ্ৰমান থাপা আৰু শোভিত কুমাৰ ছেত্ৰী (অসমৰ থলুৱা নেপালী)। এই প্ৰসংগতে হেমন্ত কুমাৰ ভৰালীয়ে তিনিদিনীয়া 'অগ্ৰদূত' কাকতত লিখা 'এশ বছৰৰ শ্ৰেষ্ঠ অসমীয়া সাহিত্যিক' শীৰ্ষক ধাৰাবাহিক জীৱন-কীৰ্তি এক ব্যক্তিক্ৰমধৰ্মী অৱদান। তদুপৰি ভৰালীয়ে অলপতে সম্পাদনা কৰা অসমকোষ ঃ অসমীয়া জাতীয় জীৱনৰ বিশিষ্ট ব্যক্তি, ঘটনা, সাহিত্য-শিল্প সম্পদৰ তথ্যসমৃদ্ধ অভূতপূৰ্ব সংকলন (২০০৫)ও অসমীয়া ভাষা-সাহিত্যৰ ভঁৰাললৈ নিঃসন্দেহে এক অদ্বিতীয় সংযোজন।

উপৰোক্ত নেপালী ভাষী অসমীয়া লেখক লেখিকাৰ বাদেও আন বহুতো প্ৰবীণ আৰু নবীন এনে সাহিত্য চৰ্চা কৰোতাসকল হৈছে হৰিভক্ত কটুৱাল, ডাঃ জমদগ্নি উপাধ্যায়, ড° লালু প্ৰসাদ উপাধ্যায়, ধৰণী ৰিজাল, টেক বাহাদুৰ ছেত্ৰী, ড° শান্তি থাপা টেকনাথ সুবেদী, ভবিলাল লামিছানে, মোহন সুবেদী, হৰি গজুৰেল, হৰি অধিকাৰী, উষা প্ৰৰাজুলী, মায়া চুৱা, ড° ক্ষেমৰাজ নেপাল, জ্ঞান বাহাদুৰ ছেত্ৰী, নন্দ ভট্টৰাই, দলবাহাদুৰ ছেত্ৰী, তাৰাপতি উপাধ্যায়, ভৱানী প্ৰসাদ অধিকাৰী, উমা পোখৰেল, ড° ভীমকান্ত উপাধ্যায়, নৰ বাহাদুৰ দৰ্জী, বিনীতা উপাধ্যায়, হৰ্ক বাহাদুৰ ছেত্ৰী, দ্ৰোণ পৌড়েল, হৰি উপাধ্যায় নেউপানে, বিলাসী ছেত্ৰী, ৰাজেন শৰ্মা, কুল বাহাদুৰ ছেত্ৰী, পৰাগ দাহাল, দুৰ্গা প্ৰসাদ উপাধ্যায় (সাহিত্যিক পেঞ্চনাৰ), নাৰদ উপাধ্যায়, লক্ষ্মী উপাধ্যায়, মেঘ বাহাদুৰ তামাং, লক্ষ্মী প্ৰসাদ ছেড়াই, গায়ত্ৰী ভট্টৰায়, খগেন শৰ্মা, ডম্বৰ দাহাল, জগন্নাথ উপাধ্যায়, দিলীপ ৰাউত, মিনু নেৱাৰ, ৰণজীৱ কুমাৰ, বৈদ্যনাথ উপাধ্যায়, গায়ত্ৰী নেৱাৰ, উমা নেউপানে, ধৰ্মেন্দ্ৰ উপাধ্যায়, পুষ্পধৰ শৰ্মা, হৰিপ্ৰসাদ শৰ্মা, টিকাৰাম উপাধ্যায় 'নিভীক', দিল্লীৰাম খৰ্দাল, দুৰ্গা খৰ্দাল, কেশৱ হোমগাই, হৰি অধিকাৰী, পূৰ্ণ কুমাৰ শৰ্মা, হেমৰাজ শৰ্মা, ক্ষেমৰাজ শৰ্মা, বদ্ৰী গুৰাগাঞী, বীৰ্কে বাহাদুৰ থাপা, ৰেৱতী ৰমণ চাপকোটা, ইন্দ্ৰ উপাধ্যায় নেপাল, অবিকোৰ শৰ্মা আদিৰ উপৰিও তেনে বহু নীৰৱ আৰু প্ৰচাৰবিমুখ কবি-সাহিত্যিক আছে আৰু সকলোৰে নাম উল্লেখ কৰাটো এই লেখকৰ সাধ্যাতীত। মুঠতে, পুনৰাবৃত্তিৰে ক'ব বিচাৰো যে আজিৰ তাৰিখত অসমত থলুৱা নেপালী শিক্ষিতচামে নেপালী ভাষাতকৈ অসমীয়া ভাষাতহে সাহিত্য চৰ্চা কৰিব বিচাৰে তাৰ এক প্ৰচ্ছন্ন ছবি ইতিমধ্যে দেখা গৈছে। এনে পৰিপ্ৰেক্ষিতত স্বনামধন্য সাহিত্যিক হোমেন বৰগোহাঞিয়ে থলুৱা নেপালীলোকে অসমীয়া ভাষা-সাহিত্য চৰ্চা কৰা কাৰ্যক উদ্দেশ্যি কৈছিল যে "পুৰুষানুক্ৰমে অসমত বসবাস কৰি খাটি হৈ পৰা নেপালীসকলৰ নিজস্ব গৌৰৱময় ভাষা-সাহিত্য আৰু সংস্কৃতি আছে। খাটি অসমীয়া হৈও অৰ্থাৎ জন্মভূমিৰ ভাষা অসমীয়াক শিক্ষা আৰু সাহিত্য চৰ্চাৰ মাধ্যম হিচাপে গ্ৰহণ কৰিও নেপালী সকলে তেওঁলোকৰ উপৰি পুৰুষৰ পৰা উত্তৰাধিকাৰী হিচাপে পোৱা নেপালী ভাষা-সাহিত্যৰ চৰ্চা অব্যাহত ৰাখিব খুজিছে, মই তেওঁলোকৰ এই প্ৰয়াসক সৰ্বান্তকৰণে সমৰ্থন কৰো" (**প্ৰথম কলম, আমাৰ অসম** ২১ জুন ২০০১)। বৰগোহাঞিৰ এনে উদাৰ আৰু প্ৰচ্ছন্ন বক্তব্য নিঃসন্দেহে উদীয়মান থলুৱা নেপালী লেখক-লেখিকাৰ বাবে প্ৰেৰণাৰ এক ডাঙৰ উৎস হৈ ৰ'ব অনাগত দিনত অসমীয়া ভাষা সাহিত্য চৰ্চাৰ বেলিকা। এই প্ৰসংগতে প্ৰণিধানযোগ্য যে অসমত পোন প্ৰথমে হোমেন বৰগোহাঞিৰ সম্পাদনাত ১৯৭৩ চনৰ ৯ মে' সংখ্যা **'নীলাচল'** সাপ্তাহিক কাকতত **'অসমৰ নেপালী সম্প্ৰদায়'** বিশেষ সংখ্যাৰূপে প্ৰকাশ কৰি থলুৱা নেপালী জনগোষ্ঠীৰ এক স্বচ্ছ প্ৰতিচ্ছবি সমগ্ৰ

অসমবাসীৰ আগত দাঙি ধৰাৰ লগতে নেপালী সত্তাক স্বীকৃতি প্ৰদান কৰে। তদুপৰি বৰগোহাঞিয়ে সম্পাদনা কৰা **'আমাৰ অসম'** কাকতত থলুৱা নেপালী জনগোষ্ঠীৰ বিষয়ে যিমান লেখা মেলা প্ৰকাশ হৈছে আন কোনো কাকতত ইমান বেছি অদ্যাপি হোৱা নাই। সেয়েহে অসমৰ থলুৱা নেপালী জনগোষ্ঠী হোমেন বৰগোহাঞিৰ ওচৰত চিৰঋণী আৰু চিৰকৃতজ্ঞ হৈ থাকিব। তদ্ৰূপ সম্প্ৰতি **'দৈনিক জনমভূমি'** কাকতৰ সম্পাদক হেমন্ত বৰ্মনৰ সম্পাদনাত প্ৰকাশিত ১৯৯৪ চনৰ ১-১৫ ডিচেম্বৰ সংখ্যা **'শ্ৰীময়ী' 'অসমৰ নেপালী সম্প্ৰদায়'** বিশেষ সংখ্যাত নেপালী জনজীৱনৰ প্ৰায় সকলো দিশ প্ৰতিফলিত হৈছে। এনে মহৎ কাৰ্যৰ দ্বাৰা নেপালী জনগোষ্ঠীক অনুপ্ৰাণিত কৰাৰ হেতু তেওঁলোক বৰ্মনদেৱৰ প্ৰতিও কৃতজ্ঞ হৈ থাকিব। শেহতীয়াকৈ মুখ্য সম্পাদক শশী ফুকনৰ সম্পাদনাত প্ৰকাশিত **'ৰংঘৰ'**- নেপালী সাহিত্য-সংস্কৃতি বিশেষ সংখ্যা (জুলাই ২০০৫) অসমৰ থলুৱা নেপালী লেখক-লেখিকাই নিজৰ জাতীয় জীৱনৰ অনেক দিশ প্ৰতিফলিত কৰিবলৈ সুযোগ পাইছে। ইয়াৰ বাবে সম্পাদক শশী ফুকন সমূহ থলুৱা নেপালী জনগোষ্ঠীৰ বাবে অশেষ ধন্যবাদৰ পাত্ৰ হৈ ৰ'ব। এনে কাৰণতে এইটো অনস্বীকাৰ্য যে থলুৱা নেপালীসকলে অসমীয়া ভাষা-সাহিত্যৰ ভঁৰাল চহকী কৰাৰ বেলিকা কিঞ্চিৎ পৰিমাণে হ'লেও অৰিহণা যোগাই আহিছে আৰু অনাগত দিনবোৰত ইয়াৰ পৰিমাণ নিশ্চয় বৃদ্ধি পাব।

আমাৰ অসম ২৮ মাৰ্চ ২০০০

অসমীয়া ভাষা-সাহিত্য কৰ্ষণত নেপালী নাৰী

স্বাধীনোত্তৰ অসমত আনুষ্ঠানিক শিক্ষাৰ ক্ৰমবৰ্ধমান সম্প্ৰসাৰণৰ লগে লগে থলুৱা নেপালী জনগোষ্ঠীৰ মাজত শিক্ষিত লোকৰ আবিৰ্ভাব হোৱা নাছিল। ইয়াঁৰ মূল কাৰণ আছিল অৰ্থনৈতিক দৈন্য আৰু শিক্ষাৰ গুৰুত্ব উপলব্ধি কৰিব নোৱৰাটো। নেপালী ভাষাৰ এক জনপ্ৰিয় বচন এফাকি এই সন্দৰ্ভত উল্লেখযোগ্য — 'পঢ়ি-শুনি কে কাম; হল জতি মাম খাম' অৰ্থাৎ পঢ়ি-শুনি কিনো কামত আহিব; হাল- কোৰ বাই ভাত মুঠি মোকলাই খাবই লাগিব। আন কথাত ক'বলৈ হ'লে, দৰিদ্ৰতাৰ কবলত কক্‌বকাই থকা থলুৱা নেপালীসকলৰ বাবে শিক্ষা আহৰণতকৈ খাদ্য মুঠি যোগাৰ কৰাটোহে আটাইতকৈ গুৰুত্বপূৰ্ণ কথা। তেনে এক বাতাবৰণত নেপালী নাৰীৰ শিক্ষাৰ বিষয়ে চিন্তা-চৰ্চা কৰাটো কল্পনাতীত বুলি কোৱাটো তেনেই স্বাভাৱিক কথা। আনকি আমাৰ পৰিয়ালতো ল'ৰা মই অকলে, এগৰাকী ভণ্টী মাত্ৰ (অৱশ্যে বহু পলমকৈ অৰ্থাৎ মই স্নাতক মহলাত পঢ়ি থাকোঁতে আন এগৰাকী ভণ্টীৰ জন্ম হৈছিল)। আন মানুহৰ পুতেকহঁত পঢ়ি-শুনি বৰ মানুহ হোৱা দেখি মোৰ দেউতাই হেনো (পিছত তেওঁৰ মুখৰ পৰা শুনা কথা) পুতেক অৰ্থাৎ মোক বাবু ৰূপে গঢ়িবলৈ অহোপুৰুষাৰ্থ কৰিছিল; আনহাতে, এটি মাত্ৰ কন্যা সন্তানটিক 'ছোৱালীয়ে পঢ়িব নাপায়; ছোৱালীয়ে ঘৰুৱা কাম-বন শিকিব লাগে যাতে ভৱিষ্যতে স্বামীৰ গালি-শপনি খাব নালাগিব' বুলি কৈ প্ৰাইমাৰী বিদ্যালয়ৰ ডেওনা অতিক্ৰম কৰাৰ পিছতেই ভণ্টীক স্কুললৈ যোৱা বন্ধ কৰিছিল। এয়েই আছিল সৌসিদিনালৈকে থলুৱা নেপালী নাৰীৰ শিক্ষাৰ প্ৰতিচ্ছবিখন। অৱশ্যে কালৰ পৰিবৰ্তনৰ লগে লগে ৰাজ্যৰ সামগ্ৰিক শৈক্ষিক দিশতো পৰিবৰ্তন আহে। ল'ৰাৰ লগতে ছোৱালীয়েও যে শিক্ষা গ্ৰহণ কৰিলেহে সামাজিক বিকাশ হ'ব পাৰে, তেনে চিন্তা থলুৱা নেপালী লোকৰ মাজতে আহিবলৈ ধৰে, বিশেষকৈ বিগত শতিকাৰ দ্বিতীয়াৰ্ধৰ শেষৰ ফালে। কিন্তু আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰিলেও অসমীয়া ভাষা-সাহিত্য চৰ্চা কৰাৰ বেলিকা থলুৱা নেপালী নাৰী আশাতীতভাৱে পিছপৰি থকা দেখা যায়। অতিসম্প্ৰতি তেনেই তাকৰীয়া হ'লেও নেপালী নাৰীয়ে অসমীয়া ভাষা সাহিত্য চৰ্চা কৰাৰ প্ৰক্ৰিয়াৰ শুভাৰম্ভ কৰা পৰিলক্ষিত হৈছে। এই চমু প্ৰবন্ধটিত অসমীয়া ভাষা-সাহিত্যলৈ থলুৱা নেপালী নাৰীৰ যৎকিঞ্চিৎ অবদানৰ ওপৰত তেনেই

সীমিত তথ্যৰে আলোকপাত কৰিবলৈ প্ৰয়াস কৰা হৈছে।

অসমীয়া ভাষা-সাহিত্যলৈ থলুৱা নেপালীৰ অৱদানৰ বিষয়ে আলোচনা কৰিবলৈ গ'লে সৰ্বপ্ৰথমে শিৱসাগৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা, সম্প্ৰতি তেজপুৰ চহৰৰ চান্দমাৰি নিৱাসী চিৰকুমাৰী গীতা উপাধ্যায় বাইদেউৰ নাম উল্লেখ কৰিব লাগিব। সুদূৰ ১৯৭৫ চনতেই গীতা বাইদেৱে 'এন ফ্ৰেংকৰ ডায়েৰী'খন ইংৰাজী ভাষাৰ পৰা অসমীয়া ভাষালৈ তৰ্জমা কৰি সমসাময়িক পাঠক সমাজৰ বিপুল সমাদৰ লাভ কৰে। এই গ্ৰন্থৰ দ্বিতীয় আৰু তৃতীয় তাঙৰণ যথাক্ৰমে ১৯৯০ আৰু ১৯৯২ চনত গুৱাহাটী লয়াৰ্ছ বুক ষ্টলে প্ৰকাশ কৰা কাৰ্যই এই কথাকেই প্ৰতিপন্ন কৰে। উল্লেখ্য যে যিখন **মহাকাব্য ৰামায়ণ** সহজ-সৰল আৰু নিভাঁজ নেপালী ভাষাত ৰচনা কৰি নেপালী আদিকবি ভানুভক্ত আচাৰ্যই নেপালী ভাষাক এক সাৰ্বজনীন ৰূপ প্ৰদান কৰিলে, সেই ভানুভক্তৰ ৰামায়ণক সুলেখিকা গীতা উপাধ্যায়ে অসমীয়া ভাষালৈ অনূদিত কৰে আৰু অসম সাহিত্য সভাই ১৯৮৭ চনত গ্ৰন্থখনি প্ৰকাশ কৰে। গ্ৰন্থখনিত সন্নিৱিষ্ট অসম সাহিত্য সভাৰ তদানীন্তন 'প্ৰধান সম্পাদকৰ একাষাৰ' শিতানত অমল ৰাজখোৱাই মন্তব্য আগবঢ়ায় এইবুলি যে 'মহাকবি ভানুভক্ত নেপালী ৰামায়ণখনো অসমীয়া ৰাইজক পৰিচয় কৰি দিবৰ মানসেৰে অসম সাহিত্য সভাই অধ্যাপিকা গীতা উপাধ্যায়ক অনুৰোধ জনায়। উপাধ্যায়ে বহু শ্ৰম কৰি মূল নেপালী ৰামায়ণখন অসমীয়ালৈ অনুবাদ কৰি সভাক অৰ্পণ কৰে... অসমীয়া ভাষা-সাহিত্য সমৃদ্ধ কৰাত তেখেতে বৰঙণি যোগাওক এয়ে আমাৰ কামনা।' তদুপৰি নিগ্ৰো লেখক ৰিছাৰ্ড ৰাইটৰ **Native Son,** গীতা উপাধ্যায়ে অসমীয়া ভাষালৈ অনূদিত কৰে আৰু লয়াৰ্ছ বুক ষ্টল, গুৱাহাটীয়ে প্ৰকাশ কৰে। তেওঁৰ মৌলিক শিশু উপন্যাস **মা মই ফাষ্ট হ'লোঁ**, অনূদিত কাব্য 'মুনাসদন', 'ক'লা সূৰুয' আদি এই প্ৰসংগত উল্লেখযোগ্য। গ্ৰন্থ ৰচনা আৰু তৰ্জমা কৰাৰ উপৰি গীতা বাইদেউ সদৌ অসম লেখিকা সন্থাৰ সভানেত্ৰী পদত অধিষ্ঠিত (২০০০-০২) হৈ অসমীয়া লেখিকাসকলক অসমীয়া ভাষা-সাহিত্য চৰ্চা কৰিবলৈ অনুপ্ৰেৰণা যোগাই অহাটো অতি প্ৰশংসনীয়। গ্ৰন্থ অনুবাদৰ উপৰি তেওঁ বিভিন্ন অসমীয়া আলোচনী যেনে সূত্ৰধাৰ, শ্ৰীময়ী (অসমীয়া সাহিত্য সংস্কৃতিলৈ নেপালীসকলৰ অৱদান ১৯৯৪) আদিত সময়ে সময়ে অনুসন্ধানমূলক নিবন্ধ আৰু ভ্ৰমণ কাহিনী লিখি অসমীয়া পাঠকবৰ্গলৈ সাহিত্যৰ খোৰাক যোগাই অহাটো সৰ্বজনবিদিত। আহি থকা দিনবোৰত থলুৱা নেপালী নাৰীৰ হৈ গীতা বাইদেউৱে অসমীয়া ভাষা-সাহিত্যলৈ পাৰ্যমানে বৰঙণি যোগাওক, ই সমগ্ৰ নেপালী জনগোষ্ঠীৰ প্ৰত্যাশা। এই আপাহতে গীতা বাইদেউৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ। দ্বিতীয়তে নিৰু শৰ্মা পৰাজুলীয়ে নিৰৱচ্ছিন্নভাৱে অসমীয়া ভাষা-সাহিত্য চৰ্চা কৰি আহিছে। তেওঁৰ কবিতা পুথি **স্বপ্ন এটি মুক্ত আকাশত**

অসমীয়া সাহিত্য জগতলৈ এক নৱতম সংযোজন। তদুপৰি বিভিন্ন সময়ত বাতৰি কাগজতো তেখেতৰ কবিতা প্ৰকাশ হৈছে। তাৰে ভিতৰত 'এখন নদী আৰু এজন মাছমৰীয়া' (২৪ ছেপ্টেম্বৰত), পাহাৰৰ উচুপনি ('আমাৰ অসম'ৰ ১৪ জানুৱাৰী/০৪) উল্লেখনীয়। তদ্ৰূপ উষা পৰাজুলীয়েও অসমীয়া সাহিত্য চৰ্চাত বেছ মনোনিৱেশ কৰা দেখা যায়। তেখেতৰ কবিতা 'মোৰ কিছু অনুভৱ, আজি জোনাক' ('আমাৰ অসম' ১১ আগষ্ট, ২০০২) উল্লেখযোগ্য।

এই সন্দৰ্ভত গহপুৰৰ ধেনুধৰাৰ উদীয়মান বাই-ভনীদ্বয় যথাক্ৰমে ৰশ্মিৰেখা শৰ্মা আৰু ৰ'জিৰাণী শৰ্মাৰ নাম অসমীয়া পাঠক সমাজৰ বাবে অপৰিচিত হৈ থকা নাই। বিশেষকৈ ৰ'জিৰাণী শৰ্মাই তেনেই কম বয়সতেই মৌলিক চুটিগল্প সন্নিৱিষ্ট **কোমল মন দাপোণত** (১৯৯৭) পুথিখনি লিখি পাঠকৰ মন জয় কৰিবলৈ সক্ষম হৈছে। এই পুথিখনিৰ বিষয়ে পদ্ম বৰকটকীয়ে লিখিছে যে 'কোমল মন দাপোণত' কুৰিটামান চুটিগল্পৰ সংযোজন। একোটা ঘটনা বা একোটা দৃশ্য দেখি কিশোৰী মনত হোৱা প্ৰতিক্ৰিয়াৰ সাৱলীল প্ৰকাশেই এই গল্পকেইটাৰ মূল আকৰ্ষণ।... বিশেষকৈ কৈশোৰৰ আবেগৰ প্ৰাঞ্জল প্ৰকাশে, সেইবোৰে শিশুৱে প্ৰথম কথা ক'বলৈ লওঁতে থুনুক-থানাক কৰাৰ দৰে মৰম লগা আৰু আকৰ্ষণীয়। তদুপৰি 'আমাৰ অসম' (১১ আগষ্ট/০২ আৰু ২৪ ছেপ্টেম্বৰ/০৩) কাকতত প্ৰকাশিত ৰ'জিৰাণীৰ কবিতা যথাক্ৰমে 'দেউতা আৰু যুৱক' উল্লেখযোগ্য। তদ্ৰূপ নেপালী ভাষাত ৰচিত 'অসম পাল্লী' প্ৰয়াত বিষ্ণুলাল উপাধ্যায়ৰ মূল গল্প পুথি 'উৎসৰ্গ'ক ৰ'জিৰাণীৰ বায়েক ৰশ্মিৰেখা শৰ্মাই অসমীয়া ভাষআলৈ ৰূপান্তৰ কৰা **উৎসৰ্গ আৰু অন্যান্য গল্প** অসমীয়া ভাষা-সাহিত্যৰ ভঁৰাললৈ এক অন্যতম সংযোজন। ৰশ্মিৰেখাৰ 'কবিতা সময়ৰ পিছে পিছে মই' ('আমাৰ অসম' ২৪ ছেপ্টেম্বৰ/০৪) এই প্ৰসংগত উল্লেখনীয়। অনাগত দিনবোৰত থলুৱা নেপালী বংশোদ্ভৱ সংস্কৃতিবান পৰিয়ালত জন্মগ্ৰহণ কৰা আৰু দুয়ো ৰাজনীতি বিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰীধাৰী ৰশ্মিৰেখা আৰু ৰ'জিৰাণী শৰ্মাই অসমীয়া ভাষী-সাহিত্যৰ ভঁৰাললৈ অধিক অৱদান আগবঢ়াই সমৃদ্ধিশালী কৰিব বুলি আমি প্ৰত্যাশী।

আন এগৰাকী থলুৱা নেপালী বংশোদ্ভৱ উদীয়মান কবি মৰাণৰ পৰা নাতিদূৰত অৱস্থিত দিকচাম কিনাৰ বাসিন্দা গায়ত্ৰী নেৱাৰ। উল্লেখ্য যে অসমৰ কবি জগতৰ সৈতে ইতিমধ্যে পৰিচিত হোৱা গায়ত্ৰী নেৱাৰে অসমীয়া সাহিত্যত স্নাতকোত্তৰ আৰু এম ফিল ডিগ্ৰী লাভ কৰা বোধকৰো প্ৰথম নেপালী মহিলা। কলেজীয়া জীৱনৰ পৰাই বিভিন্ন আলোচনী আৰু সংবাদ-পত্ৰত তেওঁৰ ভালেখিনি কবিতা ইতিমধ্যে প্ৰকাশ পাইছে। সেইবিলাকৰ ভিতৰত উল্লেখযোগ্যকেইটা হ'ল — 'দেউতাৰ আঙুলিত ধৰি' ('আমাৰ অসম' ২০ জানুৱাৰী, ২০০২), 'আপুনি মোক নমতাহেঁতেন' ('আমাৰ অসম'

১৬ মে', ২০০১), 'ছমুনিয়াব' ('আমাৰ অসম' ১৬ ছেপ্টেম্বৰ, ২০০২), 'বৰষুণে তাইৰ টোপনি ভাঙে' (দৈনিক জনমভূমি ২০ ফেব্ৰুৱাৰী, ২০০০), 'অনুভৱ ঃ ডিব্ৰুগড় বিশ্ববিদ্যালয়' ('আমাৰ অসম' ২৫ ফেব্ৰুৱাৰী, ২০০১), 'ভিজিটৰ' (সাদিন ৬ ছেপ্টেম্বৰ ২০০২), 'ধূপডাল বুকুত গুঁজি লোৱা' (দৈনিক ভূমিপুত্ৰ ২৩ মে', ২০০১), 'তথাপিও মই শব্দৰ সুবাস' (দৈনিক জনমভূমি ১৩ জানুৱাৰী, ২০০২) আৰু বহুতো। তদুপৰি ২০০৫ চনত **বগীতৰা দূৰৈ হৈ নাযাবি** শীৰ্ষক গায়ত্ৰী নেৱাৰৰ স্ব-ৰচিত কবিতাপুথি প্ৰকাশ হৈছে। কবিতা পুথিখনি বেছ আকৰ্ষণীয় আৰু সমাদৃত হৈছে। স্কুলীয়া জীৱনৰ পৰাই স্বৰচিত কবিতা পিছলৈ কলেজ, বিশ্ববিদ্যালয়ত অনুষ্ঠিত কবিতা আবৃত্তি প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি গায়ত্ৰী নেৱাৰে কেইবাবাৰো পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছে। এই সন্দৰ্ভত উল্লেখ্য যে ২০০৩ চনত নলবাৰীৰ সেউজী সাহিত্য কানন গোষ্ঠীয়ে অনুষ্ঠিত কৰা অসম ভিত্তিক কবিতা প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি গায়ত্ৰীনেৱাৰে তৃতীয় স্থান লাভ কৰি প্ৰয়াত ভগৱান গোস্বামী সোঁৱৰণী বঁটা লাভ কৰে। এনে পৰিপ্ৰেক্ষিততে অসমীয়া ভাষা-সাহিত্য বিকাশত অৱদান আগবঢ়াবলৈ প্ৰচুৰ সম্ভাৱনা থকা গায়ত্ৰী নেৱাৰৰ সাহিত্য প্ৰতিভাৰ বিষয়ে লব্ধপ্ৰতিষ্ঠ সাহিত্যিক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° নগেন শইকীয়াই কৈছে এনেদৰে — 'গায়ত্ৰীৰ প্ৰথম কাব্য সংকলনৰ পাণ্ডুলিপিত চকু ফুৰাই দেখিলোঁ এগৰাকী সাৰ্থক কবি হোৱাৰ সম্পদ গায়ত্ৰীৰ মনৰ গভীৰত সঞ্চিত হৈছে। তেওঁৰ মাজত জীৱনক বুলি পোৱাৰ নিজস্ব দৃষ্টিভংগী এটা গঢ় লৈ উঠিছে। তেওঁ কবি হ'বৰ বাবে কবিতা ৰচনা কৰা নাই। তেওঁ কবিতা ৰচনা কৰি কবি হৈছে। মই আশা কৰিছোঁ তেওঁৰ জীৱন-ভাৱনা শব্দৰ মাজত প্ৰকাশৰ তেওঁ যত্ন কৰিছে, সেই যত্নই তেওঁক ঘনীভূত ব্যঞ্জনাদীপ্ত কাব্যনিৰ্মিতিৰ ফালে হাতত ধৰি আগুৱাই লৈ যাব। অসমীয়া কবিতাৰ ভৱিষ্যতৰ ইতিহাসত গায়ত্ৰী নেৱাৰ এটি উজ্জ্বল নাম হৈ উঠক।' ইয়াৰ পৰা এইটো স্পষ্টকৈ ক'ব পাৰি যে গায়ত্ৰী নেৱাৰে অসমীয়া ভাষা-সাহিত্যলৈ কিঞ্চিত পৰিমাণে হ'লেও অৱদান আগবঢ়াবলৈ তেওঁৰ মনলৈ স্বতস্ফূৰ্তভাৱে কবিতাৰ ভাব আহি আছে, তেওঁ ভব শইকীয়া ছাৰে ক'বৰ দৰে কবি হ'বলৈ কবিতা ৰচনা কৰা নাই, কবিতা লিখিহে কবি হৈছে গায়ত্ৰী নেৱাৰ। অৰ্থাৎ কবিতাৰ কৰ্মশালাত কবিতা ৰচনা প্ৰশিক্ষণৰ যোগেদি নহয়। কবিতা ৰচনাৰ ধাৰা অব্যাহত থাকিলে অনাগত দিনতে গায়ত্ৰী নেৱাৰ অসমীয়া সাহিত্যিকসকলৰ প্ৰথমশাৰীৰ আসনত উপবিষ্ট হ'ব পৰা সম্ভাৱনা উজ্জ্বল।

উল্লিখিত থলুৱা নেপালী নাৰীৰ উপৰি সম্প্ৰতি নতুন এচাম নেপালী নাৰী অসমীয়া ভাষা-সাহিত্য চৰ্চা কৰিবলৈ ওলাই অহা পৰিলক্ষিত হৈছে। তাৰে ভিতৰত মায়া চুৱাৰ কবিতা 'ব'হাগৰ সেউজী দুপৰীয়া' ('আমাৰ অসম' ১১ আগষ্ট২০০২),

বীণা শৰ্মাৰ প্ৰবন্ধ 'আদিকবি ভানুভক্তৰ স্মৃতিত' (দৈনিক অসম ১৩ জুলাই, ১৯৮৬), 'তীজ আৰু নেপালী সমাজ' (সূত্ৰধাৰ ১-১৫ এপ্ৰিল, ১৯৯৬) শীৰ্ষক লীল বাহাদুৰ ছেত্ৰীৰ মূল ৰচনা নেপালী ভাষাৰ পৰা অসমীয়ালৈ অনুবাদ লেখত ল'বলগীয়া। অলপতে বীণা শৰ্মাৰ ৰাজকুমাৰ আৰু অন্যান্য গল্প শীৰ্ষক অনুবাদমূলক গল্প-সংকলন অসমীয়া ভাষা-সাহিত্যলৈ এক নতুন অৱদান। এই প্ৰসংগত এটা কথা ক'বই লাগিব যে এখন অসমীয়া গ্ৰন্থ ৰচনা কৰিলেহে যে ভাষা-সাহিত্যলৈ বৰঙণি যোগাইছে, তেনে নহয়। কিতাপ ৰচনাৰ উপৰি আলোচনী, বাতৰি কাগজ, স্মৃতিগ্ৰন্থ আদিৰ যোগেদি নিজৰ লেখা প্ৰকাশ কৰি ভাষা সাহিত্যলৈ অৱদান আগবঢ়াব পাৰি। তেনে নেপালী নাৰীৰ ভিতৰত ড° শান্তি থাপা (কাইলৈৰ গান — অনুবাদ), বন্দনা ভট্টৰাই, বিনীতা উপাধ্যায়, ইন্দুপ্ৰভা দেৱী (নেপালী চুটিগল্পৰ উদ্ভৱ আৰু বিকাশ), লাৱণ্য দেৱী, তুলসী দেৱী অৰ্য্যাল (অগ্নিশিখা অধিকাৰৰ), পদ্মিনী নেৱাৰ (এটি গীত) আদি উল্লেখনীয়। এই আলোচনাৰ পৰা এটা কথা স্পষ্ট যে অসমীয়া ভাষা-সাহিত্য চৰ্চাৰ ক্ষেত্ৰত থলুৱা নাৰীৰ অৱদান তেনেই কিঞ্চিৎ পৰিমাণৰ অৰ্থাৎ তেওঁলোকৰ লেখনিৰ সংখ্যা পুৰুষৰ লেখনিৰ তুলনাত আঙুলিৰ মূৰত লিখিব পৰা। এইটো ঠিক যে থলুৱা নেপালী নাৰীৰ শিক্ষিত হাৰ যিমান, তাৰ তুলনাত ই কম আৰু উদীয়মান চামে নেপালী ভাষাতকৈ অসমীয়া ভাষাতহে ভাব-ভংগী প্ৰকাশ কৰিবলৈ সহজবোধ কৰে। কাৰণ বিদ্যালয়লৈ যোৱাৰ পৰাই অসমীয়া মাধ্যমত পঢ়া-শুনা, লেখা-মেলা আৰু প্ৰতিবেশীৰ সৈতে অসমীয়া ভাষাত কথোপকথন কৰা বাতাবৰণৰ বাবে। সি যি কি নহওক, মুঠতে অনাগত দিনত তেওঁলোকে বিপুল উদ্যমেৰে অসমীয়া ভাষা-সাহিত্য সমৃদ্ধিৰ বাবে অহোপুৰুষাৰ্থ যে কৰিব আজিৰ ছবিয়ে তাৰেই সাক্ষ্য বহন কৰিছে। ই বৃহত্তৰ অসমীয়া জাতি গঠনৰ বাবে ইতিবাচক লক্ষণ।

আমাৰ অসম, ১৩ নৱেম্বৰ, ২০০৭

অসমীয়া আৰু থলুৱা নেপালীৰ মাজত সাংস্কৃতিক সাদৃশ্য

প্ৰাগৈতিহাসিক কালৰ পৰাই বিভিন্ন কাৰণত প্ৰব্ৰজিত হৈ অসমত নিগাজীকৈ থিতাপি লৈ কালক্ৰমত সুন্দৰৰ পূজাৰী জ্যোতিপ্ৰসাদ আগৰৱালাৰ ভাষাতেই ক'বলৈ গ'লে 'থলুৱা' হোৱা নেপালীসকল খিলঞ্জীয়া অসমীয়াৰ সৈতে অদ্যাপি কোনো সংঘাতলৈ অহাৰ নজিৰ নাই; বৰঞ্চ বিভিন্ন উমৈহতীয়া সাংস্কৃতিক সাদৃশ্যৰ কাৰণে উভয়ৰ মাজত একত্ৰিকৰণ হোৱাৰ প্ৰক্ৰিয়া ইতিমধ্যে বহুদূৰ আগুৱাই গৈছে। ইয়াৰ মূল কাৰণবোৰৰ ভিতৰত থলুৱা নেপালী জনগোষ্ঠীৰ মাজত এক সবল সংগঠিত শিক্ষিত মধ্যবিত্ত শ্ৰেণী এটাৰ অবৰ্তমান যদিও অন্যান্য আনুষংগিক কাৰকবোৰো সমানেই লেখত ল'বলগীয়া। এইবিলাকৰ ভিতৰত প্ৰথমেই ধৰ্মৰ বিষয়ে ক'ব লাগিব। এই কথা সৰ্বজনবিদিত যে সমগ্ৰ বিশ্বৰ ভিতৰত নেপাল ৰাষ্ট্ৰই একমাত্ৰ হিন্দু ৰাষ্ট্ৰ; অৱশ্যে অতি সম্প্ৰতি গিৰিজাপ্ৰসাদ কৈৰালাৰ নেতৃত্বাধীন অন্তৰ্বৰ্ত্তীকালীন নেপাল চৰকাৰে নেপালক এখন ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ বুলি ঘোষণা কৰিছে। তৎস্বত্বেও একালৰ এই হিন্দু ৰাষ্ট্ৰৰ পৰাই প্ৰব্ৰজিত হোৱা নেপালীলোক আৰু তেওঁলোকৰ আজিৰ সতি-সন্ততিসকল মূলতঃ হিন্দু ধৰ্মাৱলম্বী (অৱশ্যে নেপালীলোকৰে এটা অংশ তামাংসকল বৌদ্ধ ধৰ্মাৱলম্বী)। অন্যহাতেদি অসমীয়াসকলো ধৰ্মৰ ফালৰ পৰা হিন্দু, যাৰফলত অসমীয়া আৰু নেপালীলোকৰ মাজত স্পষ্টতঃ কোনো প্ৰভেদ নাই। ইয়াৰ প্ৰতিফলন আন্তঃজাতিগত (inter-caste marriage) বিয়া-বাৰু অৰ্থাৎ হিন্দু অসমীয়া আৰু হিন্দু নেপালী ডেকা-গাভৰুৰ মাজত আনুষ্ঠানিক অথবা অনানুষ্ঠানিকভাৱেই হওক বিবাহ হোৱা আৰু তেনে বিবাহক দুয়োপক্ষৰ পৰিয়ালবৰ্গই সামাজিকভাৱে গ্ৰহণ কৰাৰ উদাহৰণ দি শেষ কৰিব নোৱাৰি। আন কথাত ক'বলৈ হ'লে ধৰ্মই অসমীয়া আৰু নেপালী লোকক একেডাল ডোলেৰে বান্ধি একত্ৰিকৰণ কৰি ৰখাত জ্ঞাত বা অজ্ঞাতভাৱেই হওক সহায় কৰি আহিছে। প্ৰাচীন কালত অসম আৰু নেপালৰ ৰাজপৰিয়ালৰ মাজত বৈবাহিক সম্বন্ধ ঘটিছিল একমাত্ৰ হিন্দু ধৰ্মক কেন্দ্ৰ কৰিয়েই। চতুৰ্দশ শতিকাত নেপাল ৰজা জয়স্থিতি মল্লই ভাৰতৰ খ্যাতিসম্পন্ন ব্ৰাহ্মণ পুৰোহিত লোকক মাতি নি কাঠমাণ্ডুৰ বিভিন্ন মন্দিৰত সংস্থাপিত কৰিছিল আৰু আনকি গুৱাহাটীৰ কামাখ্যা মন্দিৰৰ বহু

পূজাৰীৰ পূৰ্বপুৰুষ নেপালৰ পৰা আহিছিল বুলি গৱেষকসকলে মন্তব্য কৰে। তদুপৰি কুৰি শতিকাৰ প্ৰথমাৰ্ধত ৰক্ষণশীল হিন্দু অসমীয়া বিদ্বৎ সমাজ আতংকিত হৈছিল এই বুলি যে তদানীন্তন পূৰ্ববংগ অৰ্থাৎ এতিয়াৰ বাংলাদেশৰ পৰা হোৱা অবাধ প্ৰব্ৰজনে অসমীয়াৰ অস্তিত্বকে বিলুপ্তি ঘটাইছে। সেয়েহে তেনে গতিধাৰাক প্ৰতিৰোধ কৰিবলৈ নেপালী প্ৰব্ৰজনক উৎসাহিত কৰিছিল, কাৰণ নেপালী লোক হিন্দু। এই কথাৰ সমৰ্থনত আনকি নিজৰ গ্ৰন্থ Assam's Agony ত (১৯৮২) অমিয় কুমাৰ দাসে লিখিছে এইবুলি যে — Unlike the Bengalis, half of the Nepalese speak Assamese as second language and therefore Assamese are proud of the Oriyas, Hindustanis, Tea garden workers and other immigrants who were assimilated into the Assamese society through marriage or by accepting local language and culture. মুঠতে হিন্দু ধৰ্মই অসমীয়া আৰু নেপালী লোকৰ মাজত থকা ঐক্যৰ এনাজৰীডালক উদ্দেশ্যপ্ৰণোদিত অথবা অনা উদ্দেশ্যপ্ৰণোদিতভাৱেই হওক অধিক ত্বৰান্বিত যে কৰিছে সি অনস্বীকাৰ্য।

দ্বিতীয়তে, অসমীয়া আৰু নেপালী দুয়োটা জাতিয়েই ইণ্ডো-আৰ্য আৰু তিব্বত-মংগোলীয় বংশোদ্ভৱ লোক। আন কথাত, অসমীয়া আৰু নেপালী দুয়ো জাতিতেই বৰ্ণ-বৈষম্য স্পষ্ট ৰূপত বৰ্তমান। অসমীয়া সমাজত যেনেদৰে উচ্চবৰ্ণ আৰু নিম্নবৰ্ণ অথবা অন্যান্য পিছপৰা শ্ৰেণীৰ মাজত আন্তঃজাতিগত বিবাহকে আদি কৰি অন্যান্য সামাজিক অমিল আছে; ঠিক অনুৰূপ ধৰণে হিন্দু ধৰ্মাবলম্বী হোৱা সত্ত্বেও নেপালী উপ-জনগোষ্ঠীবিলাকৰ মাজত সামাজিক আদান-প্ৰদানত কঠোৰ বাধা-নিষেধ এতিয়াও বিদ্যমান। সি যি কি নহওক, অৱহেলিত আৰু প্ৰতাৰিত অসমীয়া নিম্নবৰ্গৰ লোকৰ স্বাৰ্থৰ হকে ১৯৮৬ চনতেই গঠিত সংযুক্ত সংৰক্ষণ আন্দোলন পৰিষদ অসম চমুকৈ আৰ্মকাই থলুৱা নেপালী জনগোষ্ঠীৰ অৱহেলিত অৰ্থাৎ নিম্নবৰ্গৰ লোকক অনুসূচিত জাতি আৰু জনজাতিৰ তালিকাত অন্তৰ্ভুক্ত কৰিব লাগে বুলি নিজৰ দাবী-চনদত তেনে এক দাবী সন্নিবিষ্ট কৰা কাৰ্যই অসমীয়া আৰু নেপালী লোকৰ মাজত থকা জাতিগত সাদৃশ্যক প্ৰতিফলিত নকৰেনে?

তৃতীয়তে, অসমীয়া আৰু নেপালী দুয়ো ভাষাৰ উৎপত্তিৰ উৎস হৈছে সংস্কৃত ভাষা। সেয়েহে দুয়োটা ভাষাৰ মাজত যথেষ্ট মিল দেখা যায়। উদাহৰণ স্বৰূপে ভাত, পানী, ঘৰ, গৰু, ফুল, ফল, বজাৰ, কিতাপ, অগ্নি, আকাশ, ঘটি-বাতি ইত্যাদি। প্ৰসংগক্ৰমে উল্লেখ্য যে নেপালত নেপালী ভাষাৰ প্ৰচলন আৰু প্ৰসাৰণত ভাৰতৰ পৰা প্ৰব্ৰজিত হৈ নেপালৰ আধিপত্যিক গোষ্ঠীত পৰিণত হোৱা লোকেই দায়ী। এই আধিপত্যিক

ইণ্ডো-আৰ্য বংশোদ্ভৱ নেপালীলোকেৰে গঠিত নেপাল চৰকাৰেই ১৯৩০ চনত নেপালী (গোৰ্খালী ভাষা নামটো নাকচ কৰি) ভাষাক ৰাজকীয় ভাষাৰ মৰ্যাদা প্ৰদান কৰে। ফলত অসমীয়া জাতিৰ প্ৰত্যেকটো গোটৰ নিজস্ব (সংস্কৃত মূলৰ ভাষা নহয়) ভাষা থকা স্বত্ত্বেও সংস্কৃতিৰ পৰা উৎপত্তি হোৱা অসমীয়া ভাষাই সৰ্বজন গ্ৰহণযোগ্যতা লাভ কৰাৰ দৰে নেপাল তথা অসমৰ থলুৱা নেপালী উপ-জনগোষ্ঠীবোৰৰ (যেনে- ৰাই, মগৰ, গুৰুং, লিম্বু, চাৰ্কী, ভুজেল ইত্যাদি) নিজস্ব ভাষা (সংস্কৃতমূলৰ ভাষা নহয়) থকা স্বত্ত্বেও সংস্কৃতৰ পৰা উৎপত্তি হোৱা নেপালী ভাষাই ৰাজকীয় ভাষাৰ মৰ্যাদা লাভৰ যোগেদি সৰ্বজন গ্ৰহণযোগ্যতা লাভ কৰে। আনকি ভাৰতৰ সংবিধানৰ অষ্টম অনুসূচীত নেপালী ভাষাক অন্তৰ্ভুক্তিকৰণৰ বাবে চলোৱা সুদীৰ্ঘ ৩৬ বছৰীয়া (১৯৫৬-১৯৯২) ভাৰতীয় নেপালীলোকৰ আন্দোলনক অসমীয়া বুদ্ধিজীৱীয়েই সমৰ্থন কৰা ঘটনা নিশ্চয় তাৎপৰ্যপূৰ্ণ। এই প্ৰসংগত গুৱাহাটী বিশ্ববিদ্যালয়ৰ তদানীন্তন উপাচাৰ্য ড° দেৱপ্ৰসাদ বৰুৱাই কৈছিল যে — Language is a legitimate demand and it is necessary for the sake of unity and integrity of the country. The recognition and inclusion of Nepali language into the Eighth Schedule of the constitution will not detriment to the constitution rather it will add the composite culture. ইয়াৰ পৰিণতিতেই আজিৰ তাৰিখত নেপালী ভাষাই কেৱল নেপালৰ সংবিধানতেই নহয় বৰঞ্চ নিজৰ উৎপত্তিস্থল ভাৰতৰ সংবিধানতো ইয়াৰ অন্যতম ভাষাৰূপে এক স্থান দখল কৰিছে। আন কথাত, সাংবিধানিক দৃষ্টিত অসমীয়া আৰু নেপালী ভাষাৰ মৰ্যাদা একেই।

চতুৰ্থতে, থলুৱা নেপালীলোকে সময় আগবাঢ়ি যোৱাৰ লগে লগে নিজৰ ভাষা-সংস্কৃতিৰ চৰ্চা, সংৰক্ষণ আৰু সংবৰ্ধন কৰিব লাগিছিল সি আশাব্যঞ্জক ৰূপত হোৱা নাই। কাৰণ সামগ্ৰিক পাৰিপাৰ্শ্বিকতা আৰু ইয়াৰ সাৰ্বজনীন প্ৰভাৱেই হৈছে ইয়াৰ প্ৰধান কাৰণ। খোৱা-বোৱা, চাল-চলন, মাত-কথা, পিন্ধন-উৰণ, ঘৰ-দুৱাৰ, শিক্ষা-দীক্ষা গ্ৰহণ সকলো দিশতেই থলুৱা নেপালীক অসমীয়া সমাজৰ পৰা পৃথক কৰিব নোৱাৰাকৈ একাকাৰ হ'বলৈ আগবাঢ়ি গৈছে। ই বৃহত্তৰ অসমীয়া জাতি গঠনৰ বাবে এক অতি শুভ লক্ষণ। এই একাকাৰ হোৱাৰ গতি স্বতঃস্ফূৰ্ত; সেয়েহে ইয়াৰ ওপৰত বল প্ৰয়োগ কৰিবলৈ গ'লেই হিতে বিপৰীত হোৱাটো নিশ্চিত। পূৰ্বতেই উল্লেখ কৰা হৈছে যে অসমৰ কোনো জনগোষ্ঠীৰ সৈতে থলুৱা নেপালী লোকৰ কোনো সংঘাত এতিয়ালৈকে হোৱা নাই। এই প্ৰসংগত এগৰাকী অসমীয়া বুদ্ধিজীৱী সম্প্ৰতি উত্তৰ-পূব পাৰ্বত্য বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপক ড° অপূৰ্ব কুমাৰ বৰুৱাৰ মন্তব্য উল্লেখ্য। তেওঁ কৈছে যে — The Nepalese settled down in villages and there was every

possibility of their coming into conflict with the Assamese peasantry. But what saved the situation was that the Nepalese slowly got assimilated with the Assamese (দ্ৰষ্টব্য A.K. Boruah : Social Tension in Assam : Middle Class Politics, 1996, p. 37). নেপালীসকল শান্তিপ্ৰিয় আৰু কঠোৰ পৰিশ্ৰমী জাতি। সেয়েহে যিকোনো সামাজিক আৰু ভৌগোলিক পৰিবেশৰ সৈতে নিজকে অতি সহজেই খাপ খুৱাই ল'ব পাৰে তেওঁলোকে। সেয়েহে সংঘাত তেওঁলোকৰ বাবে অপৰিচিত, সহযোগিতা মিলাপ্ৰীতি জাতিগত চৰিত্ৰ।

পঞ্চমতে, থলুৱা নেপালীলোকে অসমীয়ালোকৰ পদানুসৰণ কৰিয়েই তেওঁলোকৰ অৰ্থনৈতিক পদ্ধতিও অবলম্বন কৰা দেখা যায়। সাধাৰণতে নেপালী লোকে কম-বেছি পৰিমাণে কুঁহিয়াৰ খেতি কৰা আৰু তাৰ পৰা গুৰ তৈয়াৰ কৰাটো এক জাতীয় পৰম্পৰা বুলি ক'ব পাৰি। কিন্তু সময়ৰ লগে লগে কুঁহিয়াৰ আৰু গোমধান খেতি বাদ দি ধান, তামোল-পাণ আৰু অতি সম্প্ৰতি ক্ষুদ্ৰ ৰূপত চাহ খেতিৰ প্ৰতি আকৰ্ষিত হোৱা দেখা যায়। ই থলুৱা পদ্ধতিৰে এক প্ৰত্যক্ষ প্ৰভাৱ বুলি ক'ব পাৰি। আগতে নেপালীলোকে বাঁহ-খেৰৰ ঘৰ সজা কাম নিজস্ব পদ্ধতিৰে কৰিছিল; এতিয়া অসমীয়ালোকৰ প্ৰভাৱত পৰি তেওঁলোকেও ঘৰ সজা পদ্ধতি সলনি কৰিছে, যাৰ ফলত আগৰ দৰে এটা ঘৰ দেখিলেই নেপালী পৰিয়ালৰ বুলি চিনাক্ত কৰিব পৰা অৱস্থা এতিয়া আৰু নাই। আজিৰ তাৰিখত প্ৰত্যেক থলুৱা নেপালী পৰিয়ালত অভ্যাগতক আপ্যায়ন কৰিবলৈ বঁটা ব্যৱহাৰ কৰাটো আপোনা আপুনি বাধ্যতামূলক হৈ পৰিছে। তদ্ৰূপ তাঁতশালত গামোচা, মেখেলা-চাদৰ বৈ লোৱাটো শতকৰা প্ৰায় চল্লিছ ঘৰ থলুৱা পৰিয়ালৰ এক পৰম্পৰা হৈ পৰিছে।

ষষ্ঠতে, অসমীয়া সমাজত উদাৰতাৰ প্ৰতিফলন ঘটাৰ দৃশ্য সাধাৰণতে বিয়া-বাৰু, সকাম-নিকাম সামাজিক অনুষ্ঠানত দেখা যায়। কোনো জাত-পাত, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলো লোকে একেলগে বহি আহাৰ গ্ৰহণ কৰা দেখা যায়। উল্লেখ্য যে আজিৰ পৰা ২৫-৩০ বছৰ আগলৈকে থলুৱা নেপালী সমাজত বিয়া-বাৰু অনুষ্ঠানত সমূহীয়াকৈ আহাৰ গ্ৰহণ কৰোঁতে উচ্চ-নীচ বৰ্ণ অনুযায়ী মানুহবোৰে বেলেগকৈ শাৰী পাতি মাটিত বহিবলগীয়া হৈছিল। বামুণে বিয়াৰ ভোজ ভাত ৰন্ধা-বঢ়া কৰিছিল, যাতে বৰ্ণ নিৰ্বিশেষে সকলো নেপালীলোকে গ্ৰহণ কৰাত কাৰো আপত্তি নাথাকে। কিন্তু আজিৰ তাৰিখত বিয়া অনুষ্ঠানত অসমীয়া সমাজৰ প্ৰভাৱত পৰি তেনে বৰ্ণ-বৈষম্য নাইকিয়া হৈছে আৰু নেপালী ব্ৰাহ্মণেই যে ভোজ-ভাত সিজাবলগীয়া পুৰণি পদ্ধতিৰ বিলুপ্তি হৈছে। এনে অৱস্থা বাহাল থাকি অসমীয়া সামাজিক ৰীতি-নীতিৰ অবলম্বনে

দুয়োটা জাতিক পাৰস্পৰিকভাবে অধিক সান্নিধ্যলৈ অনাৰ পূৰামাত্ৰাই সম্ভাৱনা আছে। অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়াত এনে গতিয়ে ইতিবাচক প্ৰভাব পেলাব।

সপ্তমতে, এগৰাকী নিভাঁজ অসমীয়াৰ নিজৰ জাতি আৰু দেশৰ প্ৰতি যিমান প্ৰেম আছে থলুৱা নেপালীৰো অসম আৰু অসমীয়াৰ প্ৰতি থকা প্ৰেম আৰু ত্যাগ কোনোগুণে হীন বা তাকৰ নহয়। ই মনস্তাত্বিক সাদৃশ্যৰে এক বাহ্যিক প্ৰতিফলন নহয়নে? স্বাধীনতা আন্দোলনত থলুৱা নেপালী 'ককা' ছবিলাল উপাধ্যায়ৰ দেশপ্ৰেম আৰু ত্যাগৰ কথা সচেতন নাগৰিক মাত্ৰেই জ্ঞাত। তদ্ৰূপ বিদেশী খেদা আন্দোলনতো বৈজয়ন্তীমালা দেৱীকে আদি কৰি ছগৰাকী থলুৱা নেপালীয়ে প্ৰাণ আহুতি দি শ্বহীদৰ স্বীকৃতি পাইছে। চৰম ত্যাগৰ এনে প্ৰৱণতা থলুৱা নেপালীৰ মাজত অনাগত সকলো সময়তে অটুট থাকিবলৈ হ'লে আধিপত্যিক অসমীয়া সমাজে তেওঁলোকক অকৃত্ৰিমভাবে আঁকোৱালি ল'ব লাগিব। যাৰ ফলত অনাগত দিনত থলুৱা নেপালী জনগোষ্ঠীৰ পৰা অধিক সহযোগিতা পোৱা যাব, যি বিকশিত হ'ব ধৰা অসম আৰু অসমীয়া জাতিৰ বাবে অধিক মংগলজনক হ'ব।

সামৰণিত অসমীয়া আৰু থলুৱা নেপালীৰ মাজত থকা এটা ডাঙৰ সাদৃশ্য হৈছে এয়ে যে দুয়োটা সমাজত কোনো পুঁজিপতি অথবা শোষণকাৰী নাই। ফলত তেওঁলোকে অসমৰ সম্পদ তথা জনসাধাৰণক শোষণ কৰা নাই বৰঞ্চ তেওঁলোক দুয়ো সমাজেই শোষিত। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰয়াত তীৰ্থনাথ শৰ্মাৰ ভাষাত ক'বলৈ হ'লে — 'নেপালীসকলে অসমক শোষণ কৰা নাই। অসমৰ প্ৰাকৃতিক সম্পদক কামত খটাই অসমৰ লোকক মৰ্ত্যৰ উৎকৃষ্ট আহাৰ দুগ্ধৰ যোগান ধৰিছে; অসমৰ অৰ্থনৈতিক পোষণ কৰিছে'। তদুপৰি ৰাজনৈতিকভাৱেও থলুৱা নেপালীসকল সুকীয়া মঞ্চৰে সংঘবদ্ধ আৰু সংগঠিত নহয়। আঞ্চলিক দল অগপকে আদি কৰি কম-বেছি পৰিমাণে প্ৰত্যেকটো দলৰ সৈতে যোগসূত্ৰ আছে।

উল্লিখিত সকলো দিশ চালি-জাৰি চালে দেখা যায় যে অসমৰ থলুৱা নেপালী জনগোষ্ঠী বহুত দিশত অসমীয়া সমাজৰ সৈতে মিল আছে। সেয়েহে লেখক বিশ্বজিৎ বৰুৱাই কৈছে যে 'নেপালীসকল অতি সহজেই অসমীয়া ঘাই সুঁতিটোৰ সৈতে মিলি গৈছে। এওঁলোকক 'অসমীয়া' কৰাৰ প্ৰক্ৰিয়া আমি চলাই থাকিলে নেপালীসকল অসমীয়াসকলৰ সৈতে মিলি যাব বুলি আমাৰ বাস্তৱ অভিজ্ঞতাৰ পৰা ক'ব পাৰো'। এনে মন্তব্যই থলুৱা নেপালী আৰু অসমীয়া সমাজৰ মাজত থকা সাদৃশ্য আৰু ইয়াৰ সম্ভাব্য ইতিবাচক পৰিণতিক নুবুজায়নে?

দৈনিক জনমভূমি ১৪ জুলাই ২০০৬

থলুৱা নেপালীক 'জনজাতি' মৰ্যাদা কিয় লাগে?

ভাৰতৰ সংবিধানত অনুসূচিত জাতি আৰু জনজাতি (Scheduled Castes and Tribes) বুলি কোনো নিৰ্দিষ্ট সংজ্ঞা নাই। সেয়েহে নিশ্চয় সংবিধানৰ ১৬ (২) অনুচ্ছেদত উল্লেখ আছে যে জাতি, ধৰ্ম, বৰ্ণৰ ভিত্তিত কোনো ভাৰতীয় নাগৰিকৰ মাজত বৈষম্য সৃষ্টি কৰিব নোৱাৰি। তৎস্বত্বেও দেশৰ সৰ্বাংগীণ বিকাশ নিশ্চিত কৰিবলৈ ঐতিহাসিকভাৱে পিছপৰা জনগোষ্ঠীবিলাকৰ অগ্ৰগতিৰ বাবে তেওঁলোকক 'অনুসূচিত জাতি আৰু জনজাতি' মৰ্যাদা প্ৰদান কৰাৰ ব্যৱস্থা সংবিধানত সন্নিবিষ্ট কৰা হৈছে। অনুসূচিত জাতি আৰু জনজাতি মৰ্যাদাই এটা জনগোষ্ঠীৰ সামগ্ৰিক বিকাশৰ বাবে কেতবোৰ সামাজিক, শৈক্ষিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক সুবিধা আইনগতভাৱে প্ৰদান কৰে। এনে পৰিপ্ৰেক্ষিততে সম্প্ৰতি ভাৰত তথা অসমত বিশেষকৈ অনুসূচিত জনজাতি মৰ্যাদা দাবীক লৈ মংগোলীয় বংশোদ্ভৱ অনেক জনগোষ্ঠীয়ে নিৰৱচ্ছিন্নভাৱে গণতান্ত্ৰিক আন্দোলন চলাই অহা দেখা যায়। সাম্প্ৰতিক অসমত তাই-আহোম, কোঁচ-ৰাজবংশী, চুতীয়া, মৰাণ-মটক আৰু চাহ জনগোষ্ঠীসমূহে 'জনজাতি সুৰক্ষা পৰিষদ, অসম' নামৰ এক উমৈহতীয়া মঞ্চৰ বেনাৰত ঐক্যবদ্ধ সংগ্ৰাম ইতিমধ্যে আৰম্ভ কৰিছে অনুসূচিত জনজাতি মৰ্যাদা বিচাৰি। তেওঁলোকৰ দাবী পূৰণ হ'বলৈ কিমান দিন লাগিব সি অনুমেয় নহ'লেও এদিন এই দাবী মানি ল'বলৈ চৰকাৰ বাধ্য হ'বই লাগিব। অসমৰ সংমিশ্ৰিত জনসংখ্যাৰ এক লেখত ল'বলগীয়া গোট হৈছে স্থায়ীভাৱে বসবাস কৰি থলুৱা হৈ পৰা নেপালী জনগোষ্ঠী, যি 'অনুসূচিত জনজাতি' মৰ্যাদা স্বীকৃতিৰ দাবীক কেন্দ্ৰ কৰি বিগত শতিকাৰ ষাঠিৰ দশকৰ পৰাই আন্দোলন কৰি আহিছে। এতিয়া কথা হ'ল থলুৱা নেপালী জনগোষ্ঠীক 'জনজাতি' মৰ্যাদা কিয় লাগে বুলি কোৱা প্ৰশ্নৰ উত্তৰত ক'ব লাগিব যে থলুৱা নেপালী জনগোষ্ঠী নিজেই এক বহুমিশ্ৰিত গোষ্ঠী। তেওঁলোকক বহলকৈ দুটা ভাগত বিভক্ত কৰিব পাৰি। এটা হ'ল ইণ্ডো-আৰ্য আৰু আনটো হ'ল তিব্বত মংগোলীয় বংশোদ্ভৱ। এই তিব্বত মংগোলীয় বংশোদ্ভৱ নেপালী উপগোষ্ঠীসমূহ হ'ল — ৰাই, লিম্বু, মগৰ, গুৰুং, নেৱাৰ, ভুজেল, তামাং, দমাই, শ্বেৰ্পা, কামী, চাৰ্কী ইত্যাদি উপাধিধাৰী যিসকলক অনুসূচিত জনজাতি আৰু জাতিৰ তালিকাত সন্নিবিষ্ট কৰাবলৈ অসমৰ নেপালী সংগঠনসমূহে কুৰি শতিকাৰ ষাঠিৰ দশকৰ শেষৰ ফালৰ পৰাই সংশ্লিষ্ট ৰাজনৈতিক মহলৰ ওপৰত হেঁচা দি আহিছে। অৱশ্যে, উল্লিখিত

নেপালী উপ-গোষ্ঠীসমূহক 'অন্যান্য পিছপৰা শ্ৰেণী' (Other Backward Class)ৰ চমুকৈ অবিচিৰ তালিকাত ১৯৬৪ চনতেই অন্তৰ্ভুক্ত কৰা হয়। কিন্তু অ'বি চি মৰ্যাদা নেপালী জনগোষ্ঠীৰ উন্নতিৰ হকে যথোপযুক্ত নহয় বুলি অনুভৱ কৰাৰ ফলতেই ১৯৬৮ চনৰ ৭ জুলাইত ভাৰত চৰকাৰৰ দ্বাৰা নিযুক্ত The High Powered Committee for Scheduled Castes and Scheduled Tribes ৰ সভাপতিক 'জনজাতি মৰ্যাদা' বিচাৰি পোনপ্ৰথমবাৰ এখনি স্মাৰক পত্ৰ প্ৰদান কৰি অসম গোৰ্খা সন্মিলনে যুক্তি প্ৰদৰ্শন কৰে যে The Indian citizens, it is universally known, are yet lagging behind of the other sections of the Indian Scheduled Castes and Tribes which can very easily be judged from the former's social, educational and economic standard ..... In view of the above, on behalf of the Indian Nepalese in general and Nepalese of Assam in particular, it is requested that due consideration be made for their miserable plight to include the Nepalese as a whole as the Scheduled Tribes in the proposed and revised list of S.C. and S.T. of the constitution. 'অনুসূচিত জনজাতি' বুলি স্বীকৃতি পাবলৈ যিবিলাক বৈশিষ্ট্যৰ প্ৰয়োজন সেই আটাইবিলাক উল্লিখিত নেপালী উপগোষ্ঠীৰ ক্ষেত্ৰত বিদ্যমান। এইবোৰ হৈছে পৰম্পৰাগতভাৱে জীৱনৰ সকলো দিশতেই অনগ্ৰসৰ, তিব্বত-মংগোলীয় বংশোদ্ভৱ, নিজস্ব দোৱানৰ প্ৰচলন, বিভিন্ন দেৱ-দেৱী আৰু বৃক্ষক পূজা-পাতল কৰা, মাংস ভক্ষণ আৰু মদ্যপান সামাজিকভাৱে স্বীকৃত, বিশেষকৈ গাহৰি মাংস (তামাংসকলৰ মাজত আনকি গো-মাংস ভক্ষণ কৰাটো এক সাংস্কৃতিক ঐতিহ্য) ভক্ষণ, ইংৰাজ শাসনৰ দিনৰ পৰাই সৈন্যবাহিনীৰ যুঁজাৰুৰূপে স্বীকৃতিপ্ৰাপ্ত ইত্যাদি। তদুপৰি শাৰীৰিক গঠনৰ ফালৰ পৰাও তিব্বত-মংগোলীয় বংশোদ্ভৱ নেপালী উপ-জনগোষ্ঠীসমূহ ইণ্ডো-আৰ্যবংশোদ্ভৱ নেপালী উপ-জনগোষ্ঠীসমূহৰ পৰা লক্ষণীয়ভাৱে পৃথক। তেওঁলোকৰ নাক চেপেটা, চকুযুৰি সৰু, চুলি ঠৰঙা, গৰিষ্ঠসংখ্যকেই দাড়ি-গোফহীন আৰু আপেক্ষিকভাৱে চুটি-চাপৰ। সেয়েহে তেওঁলোকক দেখিলেই যিকোনো মানুহেই 'কাঞ্ছা-কাঞ্ছী' (অৰ্থাৎ ল'ৰা-ছোৱালী) বুলি মাতে; তাৰ মানে নেপালী বুলি চিনি পায়, কিন্তু উচ্চবৰ্ণ বংশোদ্ভৱ নেপালীৰ বেলিকা এনে কাম সহজসাধ্য নহয়।

প্ৰসংগক্ৰমে উল্লেখ্য যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° মনিৰুল হুচেইনে নিজৰ গৱেষণামূলক প্ৰবন্ধ Nepalese in Assam and Asomiya National Question ত উল্লিখিত নেপালী উপ-জনগোষ্ঠীসমূহৰ সম্পৰ্কে এইদৰে কৈছে যে Assam had ethnic/racial connection with the Nepalese. A large

number of the Nepalese belong to the sub-ethnic groups, what Prof Suniti Kumar Chatterjee (1951) calls the Kiratas. For instance, Limbu, Tamang, Lepcha, Mogor, Gurung and Sherpa etc belong to the Kiratas. Traditionally they live in eastern part of Nepal which is geographically not far from the western border of Assam. Similarly Assam too has a large number of the Kirata people like the Bodos, Kacharis, Rabhas and Mishings who are recognised as the Scheduled Tribes of Assam plains, They are all similar in their physical appearance (See, Mainstream, volume XXVII, No. 29, 15 April, 1989 p 14) অৰ্থাৎ একে মংগোলীয় কিৰাট জনগোষ্ঠীৰে অংগ বড়ো, মিচিং, কছাৰী, ৰাভা আদি লোক ভাৰতৰে অংগৰাজ্য অসমত 'অনুসূচিত জনজাতি' বুলি স্বীকৃত হ'লে অসমতেই স্থায়ীভাৱে বসবাস কৰি থলুৱা হোৱা কিৰাট জনগোষ্ঠীৰেই আন অংগ ৰাই, লিম্বু, মগৰ, গুৰুং, ভুজেল, লেপচা, তামাং, নেৱাৰ আদি নেপালী লোকক 'অনুসূচিত জনজাতি' তালিকাত সন্নিৱিষ্ট নোহোৱাৰ কি যুক্তি থাকিব পাৰে? এই কথা সকলোৰে বিদিত যে এটা জনগোষ্ঠীয়ে এবাৰ 'অনুসূচিত জনজাতি' মৰ্যাদা লাভ কৰিলে বিশেষ সাংবিধানিক ৰক্ষা কবচৰ অধিকাৰী হয়, যাৰ বলত জনগোষ্ঠীটোৱে বিকাশৰ পথত আগবাঢ়িবলৈ সামৰ্থ্য লাভ কৰে। কাৰণ তেনে জনগোষ্ঠীয়ে শিক্ষানুষ্ঠানত নামভৰ্তিকে আদি কৰি চৰকাৰী চাকৰি, চৰকাৰী বিত্তীয় তথা অন্যান্য ধৰণৰ সাহায্য আৰু আইন সভাত প্ৰতিনিধিত্বৰ বাবে আসন সংৰক্ষণলৈকে সুবিধা লাভ কৰে। এনে ইতিবাচক দিশৰ প্ৰতি লক্ষ্য ৰাখিয়েই বিগত শতিকাৰ যাঠিৰ দশকৰ শেষৰ ফালৰ পৰাই তিব্বত-মংগোলীয় বংশোদ্ভৱ নেপালী উপ-জনগোষ্ঠীবোৰৰ বাবে অনুসূচিত জনজাতি মৰ্যাদা বিচাৰি অসম গোৰ্খা সন্মিলনকে আদি কৰি সদৌ অসম নেপালী ছাত্ৰ সন্থা (চমুকৈ আনছু) আৰু অন্যান্য নেপালী সংগঠন সমূহে এই দাবী চৰকাৰৰ ওচৰত উত্থাপন কৰি আহিছে। অৱশ্যে নেপালী ছাত্ৰ সন্থাই অনুসূচিত জনজাতি মৰ্যাদাৰ লগতে এচাম নেপালী লোকৰ বাবে 'অনুসূচিত জাতি' মৰ্যাদাও দাবী কৰি আহিছে। এই সন্দৰ্ভত ১৯৮০ চনৰ ২৪ জুলাইত ভাৰতৰ প্ৰধান মন্ত্ৰীৰ হাতত এখনি স্মাৰক পত্ৰ প্ৰদান কৰি আনছুৱে দাবী কৰে যে The Nepalese of India are Hindus by religion and as such they inherit the virtues and vices of the great Hindu society. They are traditionally backward and neglected castes and tribes including 'untouchables' have their counterparts among Nepali speaking people also but they are not enlisted as the Scheduled Castes and

Tribes. For example Domoi, Kami, Gainey, Bhujel and Sarki should be enlisted as the Scheduled Castes. Similarly, Limbu, Rai, Mogor, Gurung, Bhutia, Lepcha etc are the counterparts of the recognized Scheduled Tribes of other Hindus ... We urge upon the Government of India to prepare the list of Nepali speaking social groups who may be recognized as the Scheduled Castes and Scheduled Tribes after consulting the various social organisations like the Assam Gurkha Sammelon, All India Nepali Bhasa Samiti etc.

এই কথা অনস্বীকাৰ্য যে নৃতাত্ত্বিকভাৱে জনজাতি হোৱা সত্ত্বেও অসমৰ বিভিন্ন জনগোষ্ঠী বিশেষকৈ কোঁচ-ৰাজবংশী, চুতীয়া, মৰাণ-মটক, তাই-আহোম আৰু চাহ জনগোষ্ঠীবোৰক উদ্দেশ্যপ্ৰণোদিতভাৱে ভাৰত চৰকাৰে অদ্যাপি 'জনজাতি'ৰ মৰ্যাদা প্ৰদান নকৰাটো অতি পৰিতাপৰ বিষয়। তেনেস্থলত অসমৰ থলুৱা নেপালী জনগোষ্ঠীয়ে (কেৱল তিব্বত-মংগোলীয় বংশোদ্ভব) 'জনজাতি মৰ্যাদা'ৰ বাবে সুদুৰ ১৯৬৮ চনতেই আৰম্ভ কৰা একক প্ৰচেষ্টাই যে প্ৰত্যাশিত ফল আনিব পাৰিব ই সন্দেহৰ উৰ্ধত নহয়। অৱশ্যে সদৌ অসম ট্ৰাইবেল সংঘ, সদৌ তাই-আহোম ছাত্ৰ সন্থা, সদৌ অসম সংখ্যালঘু ছাত্ৰ সন্থা, সদৌ অসম চুতীয়া জাতি সন্মিলন, সদৌ অসম নেপালী ছাত্ৰ সন্থা আৰু ঝাৰখণ্ড সংগ্ৰাম পৰিষদৰ যৌথ প্ৰচেষ্টাত ১৯৮৬ চনত গঠিত United Reservation (এতিয়া Revolutionary) Movement Council of Assam চমুকৈ আৰ্মকা নামৰ ৰাজনৈতিক সংগঠনে তিব্বত-মংগোলীয় বংশোদ্ভব নেপালীলোকক অনুসূচিত জনজাতি তালিকাত সন্নিৱিষ্ট কৰিবলৈ দাবী জনাইছিল। ই নেপালী জনগোষ্ঠীৰ বাবে এক ইতিবাচক পদক্ষেপ। তদুপৰি অসমৰ জনসংখ্যাৰ এক বৃহৎ সংখ্যক চাহ জনগোষ্ঠীয়ে দাবী কৰি অহা 'জনজাতি মৰ্যাদা' আন্দোলন এক জ্বলন্ত দৃষ্টান্ত, যাক আজিও কেন্দ্ৰীয় চৰকাৰে মানি লোৱা নাই যদিও বিহাৰ, উৰিষ্যা, মধ্যপ্ৰদেশ আদিত তেওঁলোকৰে বংশধৰসকলক কাহানিবাই 'জনজাতি' বুলি স্বীকৃতি দিয়া হৈছে। তেনেক্ষেত্ৰত অসমৰ নেপালী জনগোষ্ঠী কোন, যাক 'অনুসূচিত জনজাতি' মৰ্যাদা লাগে। এনে ধৰণৰ বিষয়বিলাকৰ ওপৰত ৰাজনীতিকসকলে আইনগত সিদ্ধান্ত ল'ব লাগিব সঁচা, কিন্তু এটা বিশেষ জনগোষ্ঠী 'জনজাতি' হয় নে নহয় তাৰ কি কি বৈশিষ্ট্য থাকে তাক ৰাজনীতিকে নিৰ্ণয় কৰাটো যুক্তিসংগত হ'ব নোৱাৰে। এই ক্ষেত্ৰত সমাজ বিজ্ঞানীসকলৰ মতামতক ৰাজনীতিকসকলে কাৰ্যকৰী ৰূপ দিলেহে সামাজিক শান্তি-সম্প্ৰীতি অব্যাহত ৰখাত সহায়ক হয়।

এই প্ৰসংগত মই এটা কথা ক'ব বিচাৰো যে এবাৰ (২০০২ চনৰ মাৰ্চ এপ্ৰিল

মাহত) গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনস্থ একাডেমিক ষ্টাফ কলেজৰ দ্বাৰা পৰিচালিত পৰিশীলন পাঠ্যক্ৰমত যোগদান কৰোতে বিশেষজ্ঞ ৰূপে মুম্বাইস্থ Centre for Study of Society and Secularism ৰ অধ্যক্ষ অধ্যাপক আগছৰ আলী ইঞ্জিয়াৰ মহাশয়ে নিজৰ ভাষণত যুক্তিসংগতভাৱে কৈছিল যে অযোধ্যাত ৰাম মন্দিৰ আছিল নে বাবৰি মছজিদ আছিল তাক নিশ্চিত কৰাটো ৰাজনীতিক লালকৃষ্ণ আদবানি, বাল থাকৰে অথবা প্ৰবীণ তোগাড়িয়া চাহাবসকলৰ নিচিনা গোড়া হিন্দুত্ববাদীসকলৰ কাম নহয়। লগতে ইঞ্জিয়াৰ মহাশয়ে এইটোও কৈছিল যে এনে বুৰঞ্জীমূলক তৰ্ক যুদ্ধত বুৰঞ্জীবিদসকলক অৱতীৰ্ণ হ'বলৈ এৰি দিব লাগে। কাৰণ ৰাজনীতিকসকলৰ কাম শৈক্ষিক বিতৰ্ক নহয়, প্ৰশাসনিক তথা ৰাজনৈতিক বিষয়বিলাক চোৱা-চিতা কৰাহে। অনৰ্থকভাৱে বুৰঞ্জীমূলক বা ধৰ্মমূলক বিষয়ত হস্তক্ষেপ কৰি সামাজিক অশান্তি আৰু অসূয়া সৃষ্টি কৰাটো ৰাজনীতিকসকলে এৰাই চলাটো সামাজিক উন্নয়নৰ বাবে অতীব অপৰিহাৰ্য, ঠিক একেদৰে কোন জনগোষ্ঠী নৃতাত্বিকভাৱে 'জনজাতি' হয়নে 'অজনজাতি' হয় তাক নিশ্চিত কৰাটো নৃতত্ত্ববিদ তথা সমাজ বিজ্ঞানীসকলৰ কাম, ৰাজনীতিকসকলৰ নহয়। ৰাজনীতিকসকলে সমাজ বিজ্ঞানীসকলৰ পৰামৰ্শ মতে দেশ চলালেহে দেশ আৰু সমাজৰ প্ৰগতি নিশ্চিত হ'ব। কিন্তু ধৰ্মক বা প্ৰকৃত 'জনজাতি'ৰ প্ৰাপ্য মৰ্যাদাক ৰাজনীতিৰ সম্পদ হিচাপে (as a political resource) লৈ জনগণৰ মনোযোগ বিপথে পৰিচালিত কৰি নিজে ৰাজভোগ কৰাই হৈছে আজিৰ ৰাজনীতিকৰ ধান্দা। অৰ্থাৎ অযোধ্যা বিষয় জীয়াই ৰখা মানে হিন্দুত্ববাদীৰ ৰাজত্বক প্ৰতিপালন কৰা।

সি যি কি নহওক, থলুৱা নেপালী জনগোষ্ঠীৰ 'জনজাতি' মৰ্যাদা আন্দোলন একক প্ৰচেষ্টাতে আবদ্ধ থাকিলে এই দাবী পূৰণ হ'বলৈ আৰু এশ বছৰ লাগিব। সেয়েহে আগতে উল্লিখিত 'জনজাতি সুৰক্ষা পৰিষদ, অসম' যি যৌথ সংগঠনে 'জনজাতি' মৰ্যাদা বিষয়ক কেন্দ্ৰ কৰি এক অভিনৱ আন্দোলন ইতিমধ্যেই আৰম্ভ কৰিছে, তাৰ লগত অসম গোৰ্খা সন্মিলন আৰু সদৌ অসম নেপালী ছাত্ৰ সন্থাকে আদি কৰি সকলো নেপালী সংগঠনসমূহে সহযোগ কৰি ইয়াৰ অংশীদাৰ হওক। এই সন্দৰ্ভত এই লেখকে সম্পাদকলৈ চিঠিৰ শিতানত (দ্ৰষ্টব্যঃ দৈনিক জনমভূমি, ২২ চেপ্তেম্বৰ ২০০০) 'থলুৱা নেপালী জনগোষ্ঠীৰ জনজাতি দাবী' শীৰ্ষক চিঠিৰ দ্বাৰা অসম গোৰ্খা সন্মিলন আৰু সদৌ অসম নেপালী ছাত্ৰ সন্থাক আহ্বান কৰিছিল 'জনজাতি সুৰক্ষা পৰিষদ'ৰ নিচিনা যৌথ মঞ্চত যোগদান কৰি এক উমৈহতীয়া দাবীক সবল কৰি তোলক, কিয়নো কোঁচ-ৰাজবংশী, চুতীয়া, মৰাণ-মটক, তাই-আহোম আৰু চাহ জনগোষ্ঠীসমূহে 'জনজাতি মৰ্যাদা' দাবীক লৈ একেটা মঞ্চত সমবেত হৈছেহি। উক্ত সংগঠনত নেপালী জনগোষ্ঠীও চামিল হ'লে তেওঁলোকৰ জনজাতিকৰণ আন্দোলন ফলবৰ্তী হোৱাতো সহজসাধ্য হ'ব পাৰে। দ্বিতীয়তে, অলপতে ছিকিমত প্ৰাক্তন

সাংসদ দিল কুমাৰী ভাণ্ডাৰীৰ নেতৃত্বত গঠিত 'ভাৰতীয় গোৰ্খা পৰিসংঘ' নামৰ এক অৰাজনৈতিক (?) সংগঠনে সমগ্ৰ ভাৰতবৰ্ষজুৰি নেপালীলোকক একত্ৰিত কৰি এক নৱজাগৰণৰ ঢৌ আনিবলৈ প্ৰয়াস কৰা দেখা যায়। এই সংগঠনৰ শাখা অসমৰ বিভিন্ন ঠাইত ইতিমধ্যে খোলা হৈছে। লগতে ইয়াৰ বেনাৰতে তিব্বত-মংগোলীয় বংশোদ্ভৱ নেপালী উপগোষ্ঠীবোৰৰ জনজাতিকৰণ দাবীক অগ্ৰাধিকাৰ দি এক সৰ্বভাৰতীয় নেপালী জনগোষ্ঠীয় আন্দোলন আৰম্ভ কৰিলে অদূৰ ভৱিষ্যতে নহ'লেও সুদূৰ ভৱিষ্যতত এই দাবী ফলৱতী হোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। এই সংক্ৰান্তত কাঠমাণ্ডুস্থ ত্ৰিভুৱন বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞানৰ জেষ্ঠ অধ্যাপক Lok Raj Baralয়ে Nepali Migration to India : Nature, Pattern and Consequences শীৰ্ষক গৱেষণামূলক প্ৰবন্ধত বোধকৰো সঠিকভাৱেই কৈছে যে Indian Nepalese are seemingly becoming more assertive in recent years. The Gurkha National Liberation Front's (GNLF) domination in Darjeeling and more than 75 per cent Nepalese in Sikkim have already become a political force to be reckoned with in Indian politics. Darjeeling, Sikkim, Bhutan, Assam, Meghalaya and other northeastern regions, infested with the Nepalese, may have a good nexus for protecting the interest of the Nepalese at large. (Ramakant & B.C. Upreti, India and Nepal : Aspects of Interdependent Relations, Delhi 2001 p 72) তদুপৰি ই সৰ্বজনবিদিত যে ভাৰতীয় নেপালী ভাষাৰ সাংবিধানিক স্বীকৃতিৰ আন্দোলনৰ বেলিকা ছিকিম, দাৰ্জিলিং আৰু অসমৰ নেপালীলোকে যৌথভাৱে অগ্ৰণী ভূমিকা লৈছিল বিশেষকৈ প্ৰাক্তন সাংসদদ্বয় নৰ বাহাদুৰ ভাণ্ডাৰী আৰু দিল কুমাৰী ভাণ্ডাৰীয়ে। সম্প্ৰতি সাংসদ মণি কুমাৰ চুব্বাৰ নেতৃত্বত চলা থলুৱা নেপালী জনগোষ্ঠীৰ মূল সংগঠন অসম গোৰ্খা সন্মিলনে দাৰ্জিলিংস্থ পিতৃ সংগঠন অখিল ভাৰতীয় গোৰ্খা লীগৰ সৈতে বিগত শতিকাৰ পঞ্চাশৰ দশকতেই সম্পৰ্ক ছেদ কৰি 'নেপালী জনজাতিকৰণ আন্দোলন' সফল হোৱাৰ পথত হেঙাৰ সৃষ্টি কৰা নাইনে? সেয়েহে এনে অৱস্থাত অসম গোৰ্খা সন্মিলনে নিজকে নিৰ্বাচনী ৰাজনীতিৰ জখলা হিচাপে ব্যৱহাৰ কৰিবলৈ দিয়াতকৈ 'নেপালী জনজাতিকৰণ আন্দোলন'ক এক সৰ্বভাৰতীয় আন্দোলনলৈ ৰূপান্তৰিত কৰাওক, বিশেষকৈ দাৰ্জিলিং আৰু ছিকিমৰ নেপালী জনগোষ্ঠীৰ পাৰস্পৰিক সহযোগিতাৰে। তেনে কৰিলেহে অসম গোৰ্খা সন্মিলনৰ ৰাজনৈতিক আৰু সামাজিক আকাংক্ষা পূৰণ হ'ব। অন্যথা ইয়াৰ শ্মশান যাত্ৰাৰ বাবে বেছি সময় নালাগিব।

আমাৰ অসম, ১ এপ্ৰিল, ২০০৩

নেপালী ভাষাৰ সাংবিধানিক স্বীকৃতি -
এটি চমু আলোকপাত

ভাৰত এখন বহুজাতিক ৰাষ্ট্ৰ য'ত বিভিন্ন জাতি, উপজাতি আৰু সম্প্ৰদায়বিলাকৰ ভাষা প্ৰৱণতাই দেশৰ ৰাজনীতিত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। দেশৰ সংবিধানে এনে প্ৰত্যেক গোট বিলাকক নিজৰ ভাষা সংৰক্ষণ, সংকৰ্ষণ আৰু সংবৰ্দ্ধনৰ বাবে অধিকাৰ প্ৰদান কৰিছে। সেয়েহে ভাষাৰ ভিত্তিত প্ৰতি গোটবিলাকে নিজৰ জাতীয় অস্তিত্ব ৰক্ষা কৰিবলৈ ভাষাৰ সাংবিধানিক স্বীকৃতি অপৰিহাৰ্য বুলি বিবেচনা কৰা দেখা যায়। প্ৰকৃতাৰ্থত, বিভিন্ন ভাষিক গোটৰ বিদ্বৎ সমাজত এনে এটা ধাৰণা ক্ৰমবৰ্দ্ধমানভাৱে গঢ় লৈ উঠিছে যে ভাষাৰ ভিত্তিত সংগঠিত হৈ স্বকীয় সত্তা ৰক্ষা কৰাটো তেওঁলোকৰ আৰ্থ-সামাজিক, শৈক্ষিক-সাংস্কৃতিক আৰু ৰাজনৈতিক বিকাশৰ সৈতে ওতঃ প্ৰোতভাৱে সংলগ্ন হৈ আছে। সেয়েহে ১৯৫৬ চনৰ ৰাজ্য পুনঃ গঠন আইন (States Reorganisation Act, 1956) প্ৰণয়নক এনে ধাৰণাকে বাস্তৱ ৰূপ দিবলৈ বিচৰা এক কৌশল বুলি ক'ব পাৰি, যিয়ে পৰৱৰ্তী কালত দেশৰ প্ৰত্যেক নৃতাত্ত্বিক গোটকে নিজৰ সামগ্ৰিক উন্নয়নাৰ্থে ভাষাৰ সাংবিধানিক স্বীকৃতিৰ দাবী উত্থাপন কৰিবলৈ উৎসাহিত কৰে। আনকি কিছু গোটে ভাষাৰ ভিত্তিত সুকীয়া ৰাজ্য গঠনৰ দাবী পৰ্যন্ত উত্থাপন কৰি দেশৰ ৰাজনীতিত বাৰুকৈয়ে প্ৰভাৱ পেলোৱা দেখা যায়। এনে পৰিপ্ৰেক্ষিততে এই নিবন্ধটিত ভাৰতৰ বিশেষকৈ দাৰ্জিলিঙৰ লগতে অসমৰ থলুৱা নেপালীসকলেও সামগ্ৰিক বিকাশৰ হেতু সুকীয়া জাতীয় সত্তা ৰক্ষা কৰিবলৈ বিচাৰি নিজৰ ভাষাৰ সাংবিধানিক মান্যতাৰ বাবে কৰা দীৰ্ঘদিনীয়া সংগ্ৰামৰ ওপৰত চমুকৈ আলোকপাত কৰা হৈছে।

ভাৰতৰ গাতে লাগি থকা প্ৰতিবেশী পাহাৰীয়া ৰাষ্ট্ৰ নেপালৰ ৰাষ্ট্ৰীয় ভাষা নেপালী যাৰ সংজ্ঞা Encyclopedia Britanica -ৰ মতে Nepali - the language (sometimes called Khaskura, Gurkhali or Parbatiya) or Brahmins and chhetris, is of Sanskrit derivation and has become lingua-franca of Nepal but the Mongoloid tribes and Newars have their own languages which belong to Tibeto-Burman groups অৰ্থাৎ এইটো স্পষ্ট যে সংস্কৃত ভাষাৰ পৰা উৎপত্তি হৈ সাংবিধানিকভাৱে

স্বীকৃত ভাৰতৰ আন যিকোনো ভাষাৰ লগত নেপালী ভাষাৰ বহু পৰিমাণে সাদৃশ্য আছে। সেয়েহে মূলতঃ ভাৰতীয় আৰ্য ভাষাৰ সৈতে থকা মিল আৰু যিকোনো ভাষাৰ সংৰক্ষণ আৰু সংবৰ্দ্ধনৰ বাবে থকা সাংবিধানিক বিধিৰ দ্বাৰা অনুপ্ৰাণিত হৈ ভাৰতৰ বিশেষকৈ ডেৰাডুন আৰু দাৰ্জিলিঙৰ নেপালীলোকেও নিজৰ ভাষাৰ সাংবিধানিক স্বীকৃতিৰ প্ৰয়োজনীয়তা স্বৰাজোত্তৰৰ প্ৰথম দশকৰ পাছৰ পৰাই অনুভৱ কৰিবলৈ ধৰে। কাৰণ নেপালী বিদ্বৎ সমাজে দৃঢ়ভাৱে বিশ্বাস কৰে যে তেওঁলোকৰ ভাষাৰ সাংবিধানিক স্বীকৃতিয়ে ভাৰতত নেপালী জাতীয় সত্তা সংৰক্ষণ নিশ্চিতকৰণৰ লগতে কেতবোৰ সুবিধা আনি দিব আৰু এনে ব্যৱস্থাই নিজৰ সামগ্ৰিক আৰ্থ-সামাজিক আৰু শৈক্ষিক অনগ্ৰসৰতা দূৰীকৰণত নিঃসন্দেহে সহায়ক হ'ব।

১৯৫৬ চনত ভাৰত চৰকাৰে প্ৰণয়ন কৰা ৰাজ্য পুনঃগঠন আইনে বিশেষকৈ পশ্চিমবঙ্গ আৰু উত্তৰ প্ৰদেশৰ থলুৱা নেপালীসকলক শংকিত কৰি তোলে এইবুলি যে তেওঁলোকৰ স্বাৰ্থ ৰক্ষা কৰিবলৈ ভাৰতত কোনো এখন সুকীয়া ৰাজ্য নাই। অনাগত দিনত ভাৰতৰ বুকুত তেওঁলোকৰ বাবে বেলেগ ৰাজ্য পাবলৈ হ'লে নেপালী ভাষাৰ সাংবিধানিক স্বীকৃতি লাভ কৰাটো অতীৱ প্ৰয়োজনীয়। সেয়েহে চাগে পঞ্চাশৰ দশকৰ মাজ ভাগৰ পৰাই নেপালী বিদ্বৎ সমাজে বিশেষকৈ উত্তৰ প্ৰদেশৰ ডেৰাডুনৰ পৰা আনন্দসিং থাপা, বীৰসিং ভাণ্ডাৰী আৰু নৰেন্দ্ৰসিং ৰাণাত্ৰয়ৰ দ্বাৰা যৌথভাৱে সম্পাদিত 'জাগ্ৰত গোৰ্খা' নামৰ নেপালী আলোচনী এখনে নেপালী ভাষাৰ সাংবিধানিক স্বীকৃতি প্ৰাপ্যৰ যুক্তিযুক্ততা সম্পৰ্কে লিখিবলৈ আৰম্ভ কৰে। এনেতে ১৯৫৬ চনৰ ১৮ জানুৱাৰীৰ দিনা 'জাগ্ৰত গোৰ্খা'ৰ সম্পাদক মণ্ডলীৰ এটা সঁজাতী দলে ভাৰতৰ তদানীন্তন ৰাষ্ট্ৰপতি ড° ৰাজেন্দ্ৰ প্ৰসাদলৈ দিয়া এখন স্মাৰক পত্ৰৰ যোগে ক্ষোভ প্ৰকাশ কৰি কয় যে ভাৰতত স্থায়ীভাৱে থাকি খিলঞ্জীয়া হোৱা পোন্ধৰ লাখ নেপালী বংশোদ্ভৱ ভাৰতীয় নাগৰিকে কোৱা ভাষাক সংবিধানত সন্নিবিষ্ট নকৰি দেশৰ চৰকাৰে তেওঁলোকৰ প্ৰতি ঘোৰ অন্যায় কৰিছে। ভাৰতৰ ব্ৰিটিছ চৰকাৰে আনকি নেপালী ভাষাক ভাৰতীয় ভাষাবোৰৰ এক অন্যতম বুলি মান্যতা দিছিল বুলি সঁজাতী দলে স্মাৰকপত্ৰত উল্লেখ কৰে; কিন্তু জাতীয় চৰকাৰে তেওঁলোকৰ অনাগত সতি-সন্ততিক মাতৃভাষা শিকাৰ পৰা বঞ্চিত কৰিছে। আনহাতেদি ভাৰতীয় সংবিধানৰ বিধি অনুসৰি যিকোনো গোষ্ঠী বা সম্প্ৰদায়ে নিজৰ ভাষা-সংস্কৃতি সংৰক্ষণ আৰু সংকৰ্ষণ কৰিব পাৰে; সেয়েহে নেপালী ভাষাকো সংবিধানত সন্নিবিষ্ট কৰি ভাৰতীয় ভাষাৰ মৰ্যাদা দিব লাগে বুলি স্মাৰক পত্ৰযোগে দাবী কৰা হয়, যাতে ইয়াৰ চৰ্চা আৰু বিকাশ কৰিব পৰা যায়। লগতে সম্ভৱতঃ ভাষাৰ আধাৰতে অনাগত কালত বেলেগ ৰাজ্যৰ (সম্প্ৰতি 'গোৰ্খালেণ্ড'ৰ দাবী ইয়াৰে এক বহিঃপ্ৰকাশ বুলিও ক'ব পাৰি) দাবী তুলিব পৰা যাব বুলি থলুৱা নেপালী

বুদ্ধিজীৱীসকলে বিশ্বাস কৰিছিল। যেই কি নহওক, এনে যুক্তিৰ আধাৰতেই তেওঁলোকে নেপালী ভাষাৰ সাংবিধানিক স্বীকৃতিৰ দাবীক সাৰ্বজনীন ৰূপ দিয়াৰ উদ্দেশ্যে দেশৰ বিভিন্ন প্ৰান্তত সিঁচৰিত হৈ থকা নেপালীসকলক সচেতন আৰু সংগঠিত কৰিবলৈ আৰম্ভ কৰে। ফলত নেপালী অধ্যুষিত দাৰ্জিলিং জিলাৰ বুদ্ধিজীৱীসকলে এই সংক্ৰান্তত আটাইতকৈ বেছি আগ্ৰহশীল আৰু দাবীদাৰ ৰূপে আত্মপ্ৰকাশ কৰে। খুব সম্ভব এনে কাৰণতে ষাঠিৰ দশকৰ শেহৰ ফালে নেপালী ভাষাৰ সাংবিধানিক স্বীকৃতি আন্দোলনৰ নেতৃত্ব দাৰ্জিলিঙস্থ অখিল ভাৰতীয় গোৰ্খা লীগৰ হাতলৈ যায়। উল্লেখ্য যে ১৯৬৭ চনৰ ১৩ মে'ত দাৰ্লিজিঙত ভাৰতীয় গোৰ্খা লীগৰ জিলা সমিতিৰ বাৰ্ষিক অধিবেশনত ভাষা সংক্ৰান্তত সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰা হয় যে নেপালী ভাষা ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভুক্ত যি কোনো ভাষাৰ সমানেই উন্নত আৰু বিকশিত। সুপ্ৰসিদ্ধ ৰাষ্ট্ৰীয় অধ্যাপক ড° সুনীতি কুমাৰ চেটাৰ্জীৰ বক্তব্যও এই ক্ষেত্ৰত বিবেচনাযোগ্য বুলি প্ৰস্তাৱটোত কোৱা হয়। Languages and Literatures of Modern India (1956) নামৰ গ্ৰন্থত ড° চেটাৰ্জীয়ে কৈছে যে Other Indian languages are to be added in this (Eighth) Schedule following the wishes of their speakers and importance i.e. Sindhi and Nepali এনে মুহূৰ্ততে ১৯৬৭ চনত সিন্ধি ভাষাক ভাৰতীয় সংবিধানত সন্নিবিষ্ট কৰা কাৰ্যই নেপালীসকলক হতাশ কৰাতকৈ নিজৰ দাবী সাব্যস্ত কৰিবলৈ আগতকৈ অধিক উৎসাহিত আৰু সংকল্পবদ্ধ কৰে। সিন্ধি ভাষাক সাংবিধানিক স্বীকৃতি দিবলৈ যাওতে ভাৰত চৰকাৰৰ ফালৰ এনে যুক্তি দিয়া হয় যে Since Sindhi is now in Pakistan and Sindhis have no state of their own, it is important to include Sindhi in the constitution to make its speakers at home as Indians. এনে যুক্তিৰ পৰিপ্ৰেক্ষিততে নেপালী বিদ্বৎ সমাজে কয় যে নেপালীসকলৰো ভাৰতত এখন নিজা ৰাজ্য নাই। তদুপৰি ১৯৭১ চনৰ লোক পিয়লৰ মতে ভাৰতত সিন্ধি ভাষী লোকৰ সংখ্যা মাত্ৰ সাত লাখ তাৰ তুলনাত অন্যহাতে নেপালীভাষীৰ সংখ্যা দুগুণ অৰ্থাৎ চৈধ্য লাখ। সিন্ধিলোকৰ সংখ্যাগৰিষ্ঠতা থকা কোনো এলেকাও দেশৰ ভিতৰতে নাই কিন্তু নেপালীসকল ভাৰতৰ বহু ঠাইত যেনে — দাৰ্জিলিং, চিকিম, উত্তৰ প্ৰদেশ, হিমাচল প্ৰদেশ, অসমকে আদি কৰি সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলতে গৰিষ্ঠ সংখ্যক নেপালীলোক আছে। এনে কাৰকবোৰৰ আধাৰতে নেপালী ভাষাৰ সাংবিধানিক স্বীকৃতিৰ দাবীক দেশৰ চুকে-কোণে থকা নেপালী আৰু অনা-নেপালীলোকৰ মাজত জনপ্ৰিয় কৰি ভাষা আন্দোলনক নেতৃত্ব দিবলৈ ১৯৭২ চনৰ একত্ৰিছ জানুৱাৰীত দাৰ্জিলিঙত 'অখিল ভাৰতীয় নেপালী ভাষা সমিতি' (All In-

dia Nepali Bhasha Samiti) গঠন কৰা হয়। ভূমিষ্ঠ হৈয়েই নেপালী ভাষা সমিতিয়ে ১৯৭২ চনৰ চাৰি মাৰ্চৰ দিনা ৰাষ্ট্ৰপতিৰ হাতত এখন স্মাৰক প্ৰদান কৰি কয় যে দেৱনাগৰী লিপিত লিখা নেপালী ভাৰতীয় আৰ্য ভাষাৰ এক অবিচ্ছিন্ন অংগ। পাঁচ নিযুত নেপালী বংশোদ্ভৱ ভাৰতীয় নাগৰিকে এই ভাষা কয় আৰু হিমালয়ৰ নামনি অঞ্চলৰ প্ৰধান আৰু আধিপত্যিক ভাষা। এই ভাষাই সাংবিধানিক মান্যতা পালে থলুৱা নেপালীলোকৰ মাজত ভাৰতীয় জাতীয়তাবাদী ভাব আৰু অনুভূতি ত্বৰান্বিত কৰাত সহায়ক হ'ব বুলি স্মাৰক পত্ৰত উল্লেখ কৰা হয়। কিন্তু অপ্ৰত্যাশিতভাৱে এই দাবী পূৰণ কৰিবলৈ আপ্ৰাণ প্ৰচেষ্টা চলাই থকাৰ মাজতে ১৯৭৭ চনত নেপালী ভাষা সমিতিৰ এক স্মাৰক পত্ৰৰ উত্তৰত প্ৰতিকূল প্ৰতিক্ৰিয়া প্ৰকাশ কৰি বিবেচনাহীনভাৱে ভাৰতৰ তদানীন্তন প্ৰধান মন্ত্ৰী মোৰাৰজী দেশাইয়ে কয় যে নেপালী এক বিদেশী ভাষা যাৰ বাবে ইয়াক সংবিধানত অন্তৰ্ভুক্ত কৰিব নোৱাৰি। এনে বিৰূপ প্ৰতিক্ৰিয়াই সঁচাকৈয়ে সমগ্ৰ ভাৰতবাসী নেপালীৰ মনত উমি উমি জ্বলি থকা জুইত ঘিউ ঢালি দিলে যাৰ ফলত তেওঁলোকে কঁকালত টঙালি বান্ধি ভাষাই সাংবিধানিক মৰ্যাদা নোপোৱা পৰ্যন্ত শান্তিৰে থকা নহ'ব বুলি দৃঢ় সংকল্পবদ্ধ হয় আৰু অসমকে আদি দেশৰ চিকিম, উত্তৰ প্ৰদেশ, হিমাচল প্ৰদেশ, পঞ্জাব, দিল্লী, জম্মু কাশ্মীৰ, নগালেণ্ড, মেঘালয় আৰু অৰুণাচল প্ৰদেশতো ভাৰতীয় নেপালী ভাষা সমিতিৰ শাখা খুলি ভাষা আন্দোলনক তীব্ৰতৰ কৰি সৰ্বভাৰতীয় ৰূপ দিয়া হয়। এতিয়া ভাষা আন্দোলনক লৈ অসমলৈ যাওঁহক।

অসমৰ থলুৱা নেপালীলোকো ভাষা স্বীকৃতি আন্দোলনৰ প্ৰতি উদ্বিগ্ন আৰু সৰৱ হৈ উঠা দেখা যায় বিগত শতিকাৰ ষাঠিৰ দশকৰ শেষছোৱাৰ পৰা। নিজৰ জাতিৰ বিকাশৰ বাবে ভাষাৰ সাংবিধানিক স্বীকৃতি এক মৌলিক উপাদান আৰু ভাৰতত স্থায়ীভাৱে বসবাস কৰা নেপালীসকলৰ উপৰিও লেপচা, শ্বেৰপা আৰু ভূটীয়া লোকেও নেপালী ভাষাত কথোপকথন কৰে যাৰ বাবে এই ভাষাই সংবিদানত স্থান পাব লাগে বুলি ১৯৬৭ চনৰ ২৮ এপ্ৰিলৰ দিনা ডিব্ৰুগড় জিলাৰ টিৰাপত অনুষ্ঠিত অসম গোৰ্খা সন্মিলনৰ অধিবেশনত আনুষ্ঠানিকভাৱে দাবী কৰা হয়। ভাৰতীয় নেপালী ভাষা সমিতি, অসম শাখায়ো এই দাবী সপক্ষে ওকালতি কৰি কয় যে West Bengal Official Act, 1961 অনুসৰি নেপালী ভাষাক দাৰ্জিলিং জিলাত আৰু চিকিমেও চৰকাৰী ভাষাৰ মৰ্যাদা প্ৰদান কৰা হৈছে। একেদৰেই সমগ্ৰ পশ্চিমবঙ্গ ৰাজ্যৰ বাবে নেপালী ভাষাক 'সহকাৰী ৰাজ্যিক ভাষা' (Associate State Language) ৰূপে গ্ৰহণ কৰা হৈছে। তদুপৰি কলিকতা, ভাগলপুৰ, পাটনা, বেনাৰস, গুৱাহাটী, ডিব্ৰুগড় আৰু উত্তৰ-পূৰ্বাঞ্চল পাৰ্বত্য বিশ্ববিদ্যালয়, শ্বিলঙৰ অধীনস্থ মহাবিদ্যালয়ৰ স্নাতক মহলাত নেপালী এটা বিষয় হিচাপে প্ৰৱৰ্তন কৰিছে। নৰ্থ-বেংগল বিশ্ববিদ্যালয় শিলিগুৰিতো নেপালী ভাষা

সাহিত্যৰ স্নাতকোত্তৰ বিভাগ আছে। নেপালী ভাষাক সাংবিধানিক মান্যতা দিব লাগে বুলি পশ্চিমবংগ, চিকিম আৰু ত্ৰিপুৰা বিধান সভাই প্ৰস্তাৱসহ কেন্দ্ৰলৈ অনুমোদন ইতিমধ্যেই প্ৰেৰণ কৰিছে। এনেবিলাক কাৰণতে নেপালী ভাষা স্বীকৃতিৰ দাবী এক বৈধ আৰু গণতান্ত্ৰিক যাৰ বাবে ই সাংবিধানিক মৰ্যাদা পোৱাৰ যোগ্য বুলি ১৯৮০ চনৰ ২৪ জুলাইত ভাৰতৰ প্ৰধান মন্ত্ৰীলৈ প্ৰদান কৰা এখন স্মাৰক-পত্ৰত দাবী কৰে সদৌ অসম নেপালী ছাত্ৰ সন্থাই। এইদৰে **অসম গোৰ্খা সম্মিলন, ভাৰতীয় নেপালী ভাষা সমিতি, অসম শাখা, সদৌ অসম নেপালী ছাত্ৰ সন্থাৰ** উপৰিও অসমস্থ অন্যান্য থলুৱা নেপালী সংগঠন সমূহ যেনে **নব ধ্বনি সংগঠন, নেপালী সাহিত্য পৰিষদ, অসম গোৰ্খা সংগ্ৰাম পৰিষদবোৰেও** নিজৰ ভাষাৰ সাংবিধানিক স্বীকৃতিৰ দাবী লৈ নিজ নিজ পদ্ধতিৰে চৰকাৰৰ ওচৰত উপৰ্যুপৰি হেঁচা প্ৰয়োগ কৰা দেখা যায়। আনকি এচাম নেপালী যুৱকে এই দাবী পূৰণাৰ্থে ইমানেই আবেগিক হৈ পৰে যে তেওঁলোকে **'মৃত্যু বাহিনী'** (তিনিদিনীয়া অগ্ৰদূত ৪ ডিচেম্বৰ ১৯৯১) গঠন কৰে বুলি জানিব পৰা যায়।

এইখিনিতে উল্লেখ্য যে, থলুৱা নেপালীসকলৰ ভাষা স্বীকৃতিৰ দাবীয়ে কালক্ৰমত এচাম অসমীয়া আৰু অনা-অসমীয়াভাষী বুদ্ধিজীৱীৰো সহানুভূতি আৰু সমৰ্থন লাভ কৰিবলৈ সমৰ্থ হয়। উদাহৰণস্বৰূপে ক'ব পাৰি যে ১৯৭৯ চনৰ আঠ ফেব্ৰুৱাৰীৰ দিনা অখিল ভাৰতীয় নেপালী ভাষা সমিতি, অসম শাখাৰ সৌজন্যত গুৱাহাটীত অনুষ্ঠিত Recognition and inclusion of Nepali Language in the Eighth Schedule শীৰ্ষক আলোচনা চক্ৰত অংশগ্ৰহণ কৰি দিয়া ভাষণ প্ৰসংগত গুৱাহাটী বিশ্ববিদ্যালয়ৰ তদানীন্তন উপাচাৰ্য ড° দেৱপ্ৰসাদ বৰুৱাই কয় যে ভাষা স্বীকৃতি এক বৈধ দাবী আৰু দেশৰ একতা আৰু অখণ্ডতাৰ বাবে ই অপৰিহাৰ্য্য। তাতে ভাৰতৰ নেপালীলোকৰ সংখ্যা সিন্ধি ভাষাতকৈ কেবাগুণে বেছি; সেয়েহে নেপালী ভাষাক সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভুক্তিয়ে সংবিধানৰ ক্ষতি নকৰে বৰং অধিক শক্তিশালীহে কৰিব বুলি ড° বৰুৱাই মন্তব্য কৰে। একেটা সুৰতে অসম সাহিত্য সভাৰ ভূতপূৰ্ব সভাপতি তীৰ্থনাথ শৰ্মাই আঙুলিয়াই দিয়ে যে— "সিন্ধিভাষী সংখ্যাতকৈ নেপালীসকলৰ সংখ্যা বিশেষকৈ দাৰ্জিলিং আৰু চিকিমত বহু বেছি হোৱাৰ বাদেও অসমীয়াৰ দৰে নেপালী ভাষাৰো উৎপত্তিৰ উৎস সংস্কৃত ভাষা"। বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি লক্ষ্যধৰ ব্ৰহ্মায়ো দাবীৰ সুৰত কয় যে — 'ভাষা স্বীকৃতিৰ দাবী নেপালীসকলৰ এক মৌলিক অধিকাৰ আৰু এই সন্দৰ্ভত দিল্লী সাহিত্য একাডেমীয়ে ইতিমধ্যেই নেপালী ভাষাক স্বীকৃতি দিছে'। একেটা লাইনতে অনা-অসমীয়া বুদ্ধিজীৱীৰ ভিতৰত এগৰাকী প্ৰতিষ্ঠিত বঙালী লেখক সত্যেন্দ্ৰ নাৰায়ণ মজুমদাৰে ১৯৭৮ চনত অখিল ভাৰতীয় নেপালী ভাষা সমিতিৰ দাৰ্জিলিঙত অনুষ্ঠিত দ্বিতীয় বাৰ্ষিক অধিবেশন উপলক্ষে পঠিওৱা

শুভেচ্ছা বাণীত কয় যে নেপালী তেওঁৰ কাৰণে দ্বিতীয় মাতৃভাষা যাৰ সাংবিধানিক স্বীকৃতিৰ বাবে তেওঁ বিগত তেৰ বছৰ কাল নিজা পদ্ধতিৰে যুঁজ কৰি আহিছে। এই দাবী নেপালী বংশোদ্ভৱ ভাৰতীয় নাগৰিকৰ গণতান্ত্রিক দাবী। এই দাবী পূৰণে অনৈক্যৰ মাজত ঐক্য নীতিটোক নিঃসন্দেহে ত্বৰান্বিত কৰিব। এইদৰে নেপালী ভাষা স্বীকৃতিৰ সংগ্রামে সৰ্বভাৰতীয় পর্যায়ত জনপ্রিয়তা আৰু শাসক গোষ্ঠীয়েও চাগে ইয়াৰ প্রাসংগিকতা আৰু বৈধতাৰ দিশ উপলব্ধি কৰিয়েই অৱশেষত নেপালী ভাষাক ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচীত অন্তর্ভুক্ত কৰিবলৈ সিদ্ধান্ত গ্রহণ কৰে। এইখিনিতে উল্লেখ্য যে এনে শুভ কার্যৰ প্রাক্ মুহূর্তত অপ্রত্যাশিতভাৱে ভাষাৰ নামকৰণক লৈ নেপালী বিদ্বৎ সমাজত এক অভূতপূর্ব মনোমালিন্যৰ বহিঃপ্রকাশ ঘটে। সৈনিক জীৱনৰ পৰা ৰাজনৈতিক নেতা হোৱা দাৰ্জিলিঙৰ সুভাষ ঘিছিঙৰ নেতৃত্বত অসমৰ প্ৰাক্তন সাংসদ স্বৰূপ উপাধ্যায় আৰু ভূতপূর্ব মন্ত্রী পদম বাহাদুৰ চৌহানসকলৰ গোটে 'গোৰ্খালী' নাইবা 'গোৰ্খালী-নেপালী' নামৰ ভাষাক সাংবিধানিক স্বীকৃতি দিব লাগে বুলি দাবী কৰে। আনহাতে চিকিমৰ প্ৰাক্তন মুখ্য মন্ত্রী নৰ বাহাদুৰ ভাণ্ডাৰীৰ নেতৃত্বত ভাষা সংগ্রামী দাৰ্জিলিঙৰ প্ৰেম কুমাৰ আলে, দিল কুমাৰী ভাণ্ডাৰীকে আদি কৰি অসমৰ গোৰ্খা সন্মিলনৰ নেতৃবৃন্দই নেপালী ভাষাইহে সংবিধানত ঠাই পাব লাগে বুলি দাবী জনায়। প্রকৃততে গোর্খালী আৰু নেপালী ভাষা একেইটাই যদিও নেপালী ভাষা নামেৰে সর্বজনবিদিত আৰু স্বীকৃত। ভাষা নামকৰণক লৈ কৰা টনা-আজোঁৰা বিশেষকৈ সুভাষ ঘিচিঙৰ নেতৃত্বৰ গোটে ৰাজনৈতিক স্বাৰ্থৰ বাবে কৰা এক অভিনৱ কিন্তু নিস্ফল কৌশল। সি যি কি নহওক, ১৯৯২ চনৰ ২০ আগষ্টৰ দিনা ভাৰত চৰকাৰে মণিপুৰি, কংকনী ভাষাৰ লগতে নেপালী ভাষাকো স্বীকৃতি দিবলৈ সংসদত এখন বিল গৃহীত কৰে। এইদৰে দেশৰ বিভিন্ন সংগঠনৰ নেৰা-নেপেৰা প্রচেষ্টা আৰু অটল সংকল্পৰ ফলত ভাৰতৰ থলুৱা নেপালীসকলৰ এক দীর্ঘদিনীয়া (১৯৫৬-১৯৯২) সপোন বাস্তৱত ৰূপায়িত হয়। সেইদিন ধৰি বিছ আগষ্ট দিনটো 'বিজয় দিৱস' (Victory Day) ৰূপে প্রতি বছৰে উদ্‌যাপন কৰিবলৈ নেপালী ভাষা আন্দোলনক নেতৃত্ব দিয়া সকলো সংগঠনে যৌথভাৱে সিদ্ধান্ত লোৱাৰ কথা ঘোষণা কৰে। সেয়েহে প্রতি বছৰে এই 'বিজয় দিৱস' ভাৰতৰ অন্যান্য ঠাইৰ লগতে অসমৰো বিভিন্ন ঠাইত উদ্‌যাপন কৰাৰ বাতৰি পঢ়িবলৈ পোৱা যায়।

দৈনিক জনমভূমি, ২১ আগষ্ট, ১৯৯৯

ভাষা নেপালী নে গোৰ্খালী ঃ এক অন্তহীন বিতৰ্ক

যেতিয়াই বন্ধু-বান্ধৱ আৰু জ্যেষ্ঠসকলৰ সৈতে মোৰ আলোচনাত ভাষাৰ বিষয়ে প্ৰাধান্য পায়, তেতিয়াই মই প্ৰশ্নৰ সন্মুখীন হও নেপালী আৰু গোৰ্খালী ভাষাৰ মাজত পাৰ্থক্য কি আৰু গোৰ্খা নামেৰে বেলেগ এটা জাতি বা সম্প্ৰদায় আছে নেকি? বহুবাৰ এই প্ৰশ্নৰ উত্তৰ মৌখিকভাৱে দিয়াৰ পিছত এই বিষয়ত মোৰ ব্যক্তিগত দৃষ্টিভঙ্গী লিখনিৰ মাধ্যমেৰে দিয়াৰ প্ৰয়াস কৰিছো।

ভাৰতীয় আৰ্য ভাষা-সংস্কৃতৰ পৰা উৎপত্তি হোৱা নেপালী আমাৰ দেশৰ গাতে লাগি থকা সাৰ্বভৌম ৰাষ্ট্ৰ নেপালৰ ৰাষ্ট্ৰীয় ভাষা। নেপালী ভাষাৰ উৎপত্তি স্থল যে ভাৰতভূমি সেই সম্পৰ্কে বিদেশী লেখক Michael James Hutt ৰ মন্তব্য এনেধৰণৰ — British scholars were the first to use the term Nepali in published work with variations like 'Naipali' or Nepalese'. The earliest example of its use is Ayton's Grammar of the Nepalese Language (1820) ... the name Nepali gradually gained acceptance, first among the British in India and later in official circles in Nepal, although there were always some who preferred other names for the language. Perhaps it was felt that the name Nepali was a better indication of its official status than Gorkhali, which referred to a specific kingdom. The Nepali Government evidently preferrred the name by 1930, for the Gorkha Bhasa Prakasini Samiti (Gorkha Language Publication Committee) was then restyled as the Nepali Bhasa Prakasini Samiti. From this time on, most official references to the language used the term Nepali. (দ্ৰষ্টব্য ঃ Michael James Hutt, Nepali : A National Language and its Literature, New Delhi, 1988, p. 33-34)। যি কি নহওক, এই ভাষাই ৰাজকীয় ভাষাৰ মৰ্যাদা পোৱাৰ পূৰ্বতে নেপালত বিভিন্ন দোৱান (dialects)ৰ প্ৰচলন আছিল। ফলস্বৰূপে বিভিন্ন

সম্প্ৰদায়ৰ মাজত ভাব বিনিময়ৰ বাবে এক সুসংহত উমৈহতীয়া ভাষাৰ (Lingua-franca) অভাৱ আছিল। বিভিন্ন সম্প্ৰদায়ত অন্তৰ্ভুক্ত পাহাৰীয়া নেপালীলোকে বেলেগ বেলেগ দোৱান যেনে - ৰাই, মগৰ, লিম্বু, নেবাৰ, গুৰুং, ৰাজবংশী, তামাং উপ-ভাষাত কথোপকথন কৰিছিল। অৱশ্যে অতি প্ৰাচীন কালৰে পৰা নেপালত সংস্কৃত ভাষাৰ প্ৰচলন আছিল বুলি জনা যায় কাৰণ নেপালৰ গোৰ্খা ৰাজবংশ মূলতঃ সম্প্ৰতি ৰাজস্থানৰ উদয়পুৰৰ লোক বুলি ইতিহাসে কয়। এই বংশৰ শাসকসকলে ত্ৰয়োদশ শতিকাৰ (সম্ভৱত ঃ ১২০৪ খৃঃত) আৰম্ভণিতে দিল্লীৰ মোগল সম্ৰাট আলাউদ্দিন খিলিজীৰ আক্ৰমণৰ কালত উত্তৰ প্ৰদেশৰ গঁড়বাল আৰু কুমাওঁ হৈ বৰ্তমান কাঠমাণ্ডুৰ পৰা প্ৰায় সত্তৰ কিলোমিটাৰ নিলগত অৱস্থিত গোৰ্খা নামৰ ঠাইত খোপনি পোতে। এই সন্দৰ্ভত জয়পুৰস্থ ৰাজস্থান বিশ্ববিদ্যালয়ৰ South Asia Studies Centre ৰ অধ্যাপক B.C. Upreti য়ে লিখা Indian Migration to Nepal : Nature, Role and Consequences ৰ কিয়দংশ প্ৰণিধানযোগ্য। তেখেতৰ মতে During Muslim invasions a large number of Rajputs migrated to Nepal through the Kumaon hills and settled in the hill areas of Nepal (fearing political prosecution from the invaders). They established marital relations with the Khas and Mongoloid tribes of the hills and came to be known as Kshatriyas. The origin of the Shah rulers is also related to these Rajput migrants from Rajasthan (Ramakant & B.C. Upreti ; India and Nepal : Aspects of Interdependent Relations, Delhi, 2001, p 81) যি কি নহওক, এই বংশৰে ৰজা দ্ৰব্যশ্বাহে (১৫৫৯-১৫৭০) নিজ বাহুবলেৰে গোৰ্খা আৰু আশে পাশে থকা ঠাইবোৰ দখল কৰি গোৰ্খা নামেৰে এক স্বতন্ত্ৰ ৰাজ্য প্ৰতিষ্ঠা কৰে। এই গোৰ্খা ৰাজবংশৰ লোকে প্ৰচলন কৰা ভাষা-খৰ্চ্কুৰা বা পৰ্বতে ভাষা নামেৰে জনাজাত আছিল, যি ভাষা মূলতঃ সংস্কৃতৰ পৰা উৎপত্তি হোৱা ব্ৰাহ্মণলোকৰ ভাষা। পূৰ্বতে উল্লেখ কৰা হৈছে যে Encyclopedia Britanica ৰ মতেও 'Nepali- the language (sometimes called Khaskura, Gurkhali or Parbatiya) of the Brahmins and Chhetris of Sanskrit derivation and has become lingua-franca of Nepal কালান্তৰত ভাৰতস্থ ৰাজস্থানী পৰিয়ালৰ পৰা আৱিৰ্ভাব হোৱা গোৰ্খা ৰাজবংশৰ খ্যাতনামা ৰজা পৃথ্বিনাৰায়ণ শ্বাহে (১৭৪২-১৭৭৫) সেইকালৰ সমগ্ৰ নেপালৰ ক্ষুদ্ৰ ক্ষুদ্ৰ স্বাধীন ৰাজ্যবিলাক জয় কৰি আধুনিক নেপাল ৰাষ্ট্ৰৰ ভেঁটি ৰচনাৰে নিজৰ প্ৰভূত্ব স্থাপিত কৰাৰ পিছত পূৰ্বতে গোৰ্খা ৰাজ্যৰ ভিতৰতে আবদ্ধ হৈ

থকা খচ্কুৰা বা পৰ্বতে ভাষাক গোৰ্খালী ভাষা বোলাৰ প্ৰথা প্ৰচলন কৰে বুলি কোৱা হয় (**অবিকেশ শৰ্মা ঃ নেপালী ভাষাৰ উৎপত্তি; সাপ্তাহিক জনজীৱন ১৪মে' ১৯৯২**)। প্ৰতাপশালী গোৰ্খা ৰজা পৃথ্বিনাৰায়ণ শ্বাহৰ (দিল্লীৰ শাসকৰ পৰা পোৱা উপাধি 'শ্বাহ') দিনত প্ৰচলিত গোৰ্খালী ভাষাৰ এক সুসংহত উমৈহতীয়া আৰু সাৰ্বজনীন ৰূপ নাছিল বুলি ক'ব পাৰি, যিহেতু এই ভাষাৰ নামত সেই সময়ত ঠাই বিশেষে ভোজপুৰী, মৈথিলী, ব্ৰজাবলী, সংস্কৃত, পালি, প্ৰাকৃত আদি মিশ্ৰিত ভাষাৰে ভাব বিনিময় হৈছিল বুলি কোৱা হয় (**বি এম প্ৰধান ঃ গোৰ্খালী কি নেপালী**, গুৱাহাটী ১৯৮১)।

এইখিনিতে উল্লেখ্য যে কালৰ গতিত সকলো ভাষাৰে গঠন, আকাৰ, উচ্চাৰণ আৰু বাক্য গাঁথনিৰ পৰিবৰ্তন হোৱাটো এক স্বাভাৱিক প্ৰক্ৰিয়া। প্ৰাচীন কামৰূপীয়া বা অসমীয়া ভাষাৰ লগত আধুনিক অসমীয়া ভাষাৰ যথেষ্ট অমিল দেখা যায়। ঠিক তেনে এক স্বাভাৱিক প্ৰক্ৰিয়া খচ্কুৰা বা পৰ্বতে ভাষা আৰু গোৰ্খালী ভাষাৰ ক্ষেত্ৰতো আৰম্ভ হৈছিল বিশেষকৈ উনৈশ শতিকাৰ আৰম্ভণিৰ পৰা। গোৰ্খালী ভাষাৰ সংশোধনী প্ৰক্ৰিয়াৰ ক্ষেত্ৰত আদিকবি ভানুভক্ত আচাৰ্যক (১৮১৪-১৮৬৯) বাটকটীয়া বুলি ক'লে চাগে ভুল নহ'ব। ভানুভক্তই ৰামায়ণ মহাকাব্যক এক সৰল, সাৱলীল, শুৱলা আৰু সুসংহত নেপালী ভাষাত ৰচনা কৰিয়েই আদিকবি উপাধি লাভ কৰে (**ধৰণীধৰ দাহাল ঃ জাতি, ভাষাৰ লিপি**; বিৰাটনগৰ, নেপাল ১৯৮০)। মুঠতে, এই ভাষা গোৰ্খা ৰাজ্যৰ পৰিসীমাৰ ভিতৰত আবদ্ধ হৈ থাকোতে খচ্কুৰা বা পৰ্বতে ভাষা আৰু বৃহত্তৰ আধুনিক নেপাল গঠন হোৱাৰ পিছৰে পৰা গোৰ্খালী আৰু পৰৱৰ্তীকালত সুসংহত আৰু সাৰ্বজনীন নেপালী ভাষা নামেৰে জনা যায়। প্ৰকৃতাৰ্থত খচ্কুৰা, গোৰ্খালী আৰু নেপালী ভাষা একে মূল সংস্কৃত ভাষাৰ পৰা উৎপত্তি হোৱা, কাৰণ বৰ্ণমালা, শব্দৰ গঠন, ব্যাকৰণ একেই। নেপালৰ কাঠমাণ্ডুস্থিত ত্ৰিভুৱন বিশ্ববিদ্যালয়ৰ অধ্যাপক Purushottam Banskota ইতো আনকি গোৰ্খা নামৰ জাতিৰ অস্তিত্বই নাই বুলি এইদৰে কৈছে—

The common usage by foreigners of the term 'Gurkha' in a specific sense or as a general designation of the population of Nepal is inaccurate. There exists no Gurkha tribe neither all are Nepalese entitled to be called Gurkhas. The term applies collectively to those Nepalese who have served or serving as mercenary soldiers in the British or Indian army and in such auxiliary forces as the Burmese Rifles, Assam Rifles, Kashmir Rifles, Burmese Military Police and so on. It is also extended to cover those tribes whose men, over the generations, have created

a tradition of enlistment in such military service. Predominant among them were the Magars and Gurungs of the western or central hills of Nepal and Rais and Limbus of the eastern hills of Nepal. All these tribes had been enlisted in the British military service since first quarter of the nineteenth century. (Purushottam Banskota ; The Gurkha Connection : A History of Gurkha Recruitment in the British Indian Army, New Delhi, 1994 p 43)। একে সুৰতে নেপালী ভাষাৰ আধুনিক পিতৃ ড° পাৰশমণি প্ৰধানেও কয় যে 'কেৱল সৈনিকৰ উদ্দেশ্যে প্ৰচাৰিত বাতৰিয়েহে নেপালী ভাষাক গোৰ্খালী ভাষা বুলি কয়'। এক কথাত ক'বলৈ গ'লে, সম্প্ৰতি 'গোৰ্খালী' বুলি কোনো সুকীয়া ভাষাৰ অস্তিত্ব নাই; ই নেপালী ভাষাৰে এক পুৰণি আৰু অপ্ৰচলিত নাম। তৎস্বত্বেও ভাৰতৰ বিশেষকৈ দাৰ্জিলিং জিলাৰ একাংশ বুদ্ধিজীৱীয়ে কৃত্ৰিম, সুপৰিকল্পিত আৰু একপ্ৰকাৰে বলপূৰ্বকভাৱেই নেপালী ভাষাকেই 'গোৰ্খালী' ভাষা বুলি প্ৰতিষ্ঠা কৰিবলৈ বিচাৰিছে। এই ক্ষেত্ৰত সুভাষ ঘিচিঙৰ নেতৃত্বত প্ৰতিষ্ঠিত গোৰ্খা জাতীয় মুক্তি মৰ্চা আগৰণুৱা হ'লেও, কিন্তু এই সংগঠনৰ সৈতে সম্পৰ্ক নথকা দাৰ্জিলিং বাসিন্দাসকল কিন্তু নেপালী ভাষাৰ পক্ষপাতী। এনে কাৰণতে ক'ব পৰা যায় যে একে আধুনিক নেপালী ভাষাৰে পুৰণি ৰূপ গোৰ্খালী ভাষা উদ্ধাৰৰ নামত মানুহৰ আৱেগ-অনুভূতিক মূলধন হিচাপে লৈ গোৰ্খা জাতীয় মুক্তি মৰ্চাই নিজৰ ৰাজনৈতিক স্বাৰ্থ পূৰণাৰ্থে কৰা ই এক অভিনৱ কৌশল। যি কি নহওঁক, এতিয়া এই দিশৰ ওপৰত চমুকৈ আলোকপাত কৰা যাওক।

পশ্চিমবংগ ৰাজ্যৰ অন্তৰ্ভুক্ত দাৰ্জিলিং এখন জিলা আৰু ইয়াৰ শতকৰা আশীভাগ বাসিন্দাই নেপালী। তাৰোপৰি এই জিলাত ভূটীয়া, লেপচা আৰু বঙালীলোকো আছে। ইতিহাসে প্ৰমাণ কৰে যে এই পাৰ্বত্য জিলা দাৰ্জিলিং এটা সময়ত নেপাল ৰাষ্ট্ৰৰ এক অবিচ্ছেদ্য অংগ আছিল। ১৮১৪-১৮১৫ চনত সংঘটিত হোৱা ঐতিহাসিক এংলো-গোৰ্খা যুদ্ধত নেপালী সকলক পৰাস্ত কৰি ব্ৰিটিছ ভাৰতে দুয়ো ৰাষ্ট্ৰ — ভাৰত আৰু নেপালৰ মাজত সম্পাদিত হোৱা চুগৌলী চুক্তি অনুসৰি যুদ্ধৰ ক্ষতিপূৰণ ৰূপে নেপালৰ কিছু ভূ-ভাগ যেনে — গড়ৱাল, কুমাওঁ, দাৰ্জিলিং, নৈনিতাল ভাৰতে লাভ কৰে। নেপালৰ উক্ত অংশবোৰ ব্ৰিটিছ ভাৰতৰ লগত চামিলকৰণ হোৱাৰ লগে লগে তাৰ নেপালী বাসিন্দাসকল আপোনা-আপুনি ভাৰতীয় নাগৰিক হৈ পৰে। অৰ্থাৎ একে ৰাষ্ট্ৰৰ একে ভাষী নাগৰিকসকল দুখন সুকীয়া ৰাষ্ট্ৰৰ নাগৰিক হৈ পৰিল। এই প্ৰসংগত মন কৰিব লগীয়া কথা এয়ে যে সুদীৰ্ঘ ডেৰশতকৈ অধিক বছৰকাল দাৰ্জিলিঙৰ বাসিন্দাসকলে নেপালী ভাষাকে নিজৰ মাতৃভাষা বুলি গণ্য কৰি অহাৰ বাবেই ১৯৬১

চনৰ ২৫ চেপ্টেম্বৰৰ পৰা নেপালী ভাষাক দাৰ্জিলিং জিলাৰ সহকাৰী ৰাজ্যিক ভাষাৰ মৰ্যাদা দিয়া হৈছে। ঠিক তেনেদৰে নেপালী ভাষাৰ সাংবিধানিক স্বীকৃতি বিচাৰি ভাষা আন্দোলন ব্যাপক আৰু তীব্ৰতৰ কৰি তুলিবলৈ ১৯৭২ চনৰ ৩১ জানুৱাৰীৰ দিনা দাৰ্জিলিঙত **অখিল ভাৰতীয় নেপালী ভাষা সমিতি** গঠন হৈছিল। সেয়েহে আদিতে ভাষাৰ নামকৰণ লৈ নেপালীয়েই হওক বা গোৰ্খালীয়ে হওক দাৰ্জিলিঙৰ বাসিন্দাসকলৰ মাজত কোনো দ্বিমত আৰু মনোমালিন্য হোৱা নাছিল। কিন্তু নাটকীয়ভাবে বিগত শতিকাৰ আশীৰ দশকৰ শেষৰ ফালে আৰু নব্বৈৰ দশকৰ আৰম্ভণিতে দাৰ্জিলিঙৰ একাংশ বুদ্ধিজীৱীয়ে নিজকে ভাৰতীয় পৰিচয়েৰে প্ৰতিষ্ঠা কৰিবলৈ যাওঁতে একে নেপালী ভাষাকে বেলেগকৈ নামকৰণ কৰিবলৈ গৈ নিজৰ মাজতে বিভ্ৰান্তি সৃষ্টি কৰি সংঘাত পৰ্যন্ত পায়গৈ। উল্লেখ্য যে মাত্ৰ ছবছৰীয়া ভাৰতীয় সৈনিক জীৱনৰ (১৯৫৪-১৯৬০) পৰা অৱসৰ লোৱা সুভাষ ঘিচিঙৰ নেতৃত্বত ১৯৮০ চনৰ ৫ এপ্ৰিলত জন্মগ্ৰহণ কৰা **গোৰ্খা জাতীয় মুক্তি মৰ্চাই** (Gurkha National Liberation Front চমুকৈ GNLF) নেপালী ভাষাৰ পৰিবৰ্তে গোৰ্খালী ভাষাৰ সাংবিধানিক স্বীকৃতিৰ দাবী তুলিবলৈ আৰম্ভ কৰে। তেওঁলোকৰ যুক্তি এয়ে যে নেপালৰ নাগৰিকসকলে কোৱা ভাষা নেপালী, যি তেওঁলোকৰ ৰাষ্ট্ৰীয় ভাষা। আনহাতেদি দাৰ্জিলিঙৰ নেপালী বংশোদ্ভৱ মানুহখিনি ভাৰতীয় নাগৰিক আৰু তেওঁলোকৰ ভাৰতীয় পৰিচয় 'গোৰ্খা' আৰু 'ভাষা গোৰ্খালী'। অৱশ্যে দাৰ্জিলিঙৰ বাদে উত্তৰ-পূৰ্বাঞ্চলৰ নেপালীভাষী লোকে ভাৰতীয় নাগৰিক হৈয়ো নিজৰ ভাষাক নেপালী আৰু নিজকে থলুৱা নেপালী বুলি পৰিচয় দিয়ে। তদ্ৰূপ দাৰ্জিলিঙৰো ডম্বৰসিং গুৰুঙৰ নেতৃত্বত সুদূৰ ১৯৪৩ চনৰ ১৫ মে'ত গঠিত **অখিল ভাৰতীয় গোৰ্খা লীগৰ** লগত জড়িত বিদ্বৎলোকেও নেপালী ভাষাক গোৰ্খালী বুলি স্বীকৃতি দিয়া নাই যদিও নেপালী জাতিক বিকল্প হিচাপে গোৰ্খা জাতি বুলি স্বীকৃতি দিয়ে। ফলত দুয়োটা সংগঠন — গোৰ্খা জাতীয় মুক্তি মৰ্চা আৰু অখিল ভাৰতীয় গোৰ্খা লীগৰ সমৰ্থকসকলৰ মাজত সংঘাতৰ সৃষ্টি হৈ হিংসাত্মক ৰূপ লৈছিল বুলি এই লেখকে ১৯৯৮ চনৰ মাৰ্চ মাহত দাৰ্জিলিঙলৈ যাওঁতে এইকথা জানিবলৈ পায়।

আগতে উল্লেখ কৰা হৈছে যে সম্প্ৰতি নেপালী আৰু গোৰ্খালী ভাষাৰ মাজত বৰ্ণমালা, শব্দৰ গাঁথনি, উচ্চাৰণ, ব্যাকৰণ আৰু উৎপত্তিৰ ইতিহাসত কোনো পাৰ্থক্য নাই। সেয়েহে নেপালী ভাষাক কেৱল পুৰণি গোৰ্খালী, খচ্‌কুৰা বা পৰ্বতে ভাষাৰ আধুনিক ৰূপ বুলি ক'ব পাৰি। নেপালৰ নেপালী আৰু ভাৰতৰ বিভিন্ন প্ৰান্তত সিঁচৰিত হৈ স্থায়ীভাৱে বসবাস কৰা থলুৱা নেপালীভাষীলোকৰ মাজত নৃতাত্ত্বিক, সাংস্কৃতিক আৰু জাতিগত সত্তাৰ বেলিকাও কোনো পাৰ্থক্য নাই; পাৰ্থক্য কেৱল নাগৰিকত্বৰহে। তেনে কাৰণতে ক'ব পাৰি যে জাতীয়তা বা নাগৰিকত্ব সলনি হ'লেই ভাষাৰ নামো

সম্ভনি হ'ব পাৰে যদি ইংৰাজী, বাঙালী, পাচী, উৰ্দু, সিন্ধি ভাষাবোৰক কিয় ভাৰতবৰ্ষত সুকীয়া নামেৰে জনা নাযায়। তেনেস্থলত নেপালী ভাষাক ভাৰতৰ কেৱল দাৰ্জিলিঙত গোৰ্খালী বুলি নামকৰণ কৰিবলৈ যোৱাতো এক অনৰ্থক কছৰৎ যেন লাগে। যিহেতু সুভাষ ঘিচিঙৰ গোৰ্খা জাতীয় মুক্তি মৰ্চাই ভাৰতৰ সকলো থলুৱা নেপালীভাষীৰ কথা বাদেই দিছো আনকি দাৰ্জিলিঙৰ সকলো লোককে যথাৰ্থতে প্ৰতিনিধিত্ব নকৰে। প্ৰসিদ্ধ ৰাষ্ট্ৰীয় অধ্যাপক আৰু ভাষাবিদ ডঃ সুনীতি কুমাৰ চেটাৰ্জীয়ে নেপালী ভাষাকেই ভাৰতীয় সংবিধানত অন্তৰ্ভুক্ত কৰিব লাগে বুলি দিয়া পৰামৰ্শৰ বিষয়ে ইতিমধ্যে উল্লেখ কৰা হৈছে। আশ্চৰ্যৰ বিষয়, গোৰ্খা জাতীয় মুক্তি মৰ্চাৰ সভাপতি সুভাষ ঘিছিঙ নিজেও এটা সময়ত নেপালী ভাষাৰে সমৰ্থক আছিল। ইয়াৰ প্ৰমাণ এয়ে যে ১৯৮৬ চনৰ ২৬-২৮ ছেপ্টেম্বৰত অসমৰ নলবাৰী জিলাৰ নিকাছীত অনুষ্ঠিত অখিল ভাৰতীয় নেপালী ভাষা সমিতিৰ ষষ্ঠ বাৰ্ষিক অধিৱেশনত সুভাষ ঘিচিঙৰ গোৰ্খা জাতীয় মুক্তি মৰ্চাৰ দাবী চনদত নেপালী ভাষাৰ সাংবিধানিক স্বীকৃতিৰ দাবীক সন্নিবিষ্ট কৰাৰ কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰি এনে পদক্ষেপক আদৰণি জনোৱা হৈছিল (**বীৰ বিক্ৰম গুৰুং ঃ গোৰ্খা লীগ দেখি গোৰ্খালেণ্ড চম্ম**, দাৰ্জিলিং ১৯৮৭)। তদুপৰি ১৯৭৪ চন ৩ ডিচেম্বৰত সাহিত্য একাডেমী, দিল্লীয়ে নেপালী ভাষাক স্বীকৃতি দিওতে সুভাষ ঘিচিঙৰ কোনো বিৰূপ প্ৰতিক্ৰিয়া দেখা নগৈছিল। ঠিক তেনেদৰে ১৯৭৯ চনৰ ২৯ মে'ত নেপালী ভাষাৰ সাংবিধানিক স্বীকৃতি বিচাৰি প্ৰদান কৰা স্মাৰক পত্ৰৰ উত্তৰত তদানীন্তন প্ৰধান মন্ত্ৰী মোৰাৰজী দেশায়ে নেপালী ভাষাক এক বিদেশী ভাষা হোৱাৰ বাবে সংবিধানত স্থান দিব নোৱাৰি বুলি কৰা মন্তব্যত দাৰ্জিলিঙৰ নেপালী বুদ্ধিজীবীৰ লগতে সুভাষ ঘিচিঙেওতো এনে মন্তব্যক গৰিহণা দিছিল। কিন্তু নাটকীয়ভাৱে ১৯৮৮ চনৰ ২২ আগষ্টত দাৰ্জিলিং গোৰ্খা পাৰ্বত্য পৰিষদ সংক্ৰান্তত গোৰ্খালেণ্ড আন্দোলন (১৯৮৬-৮৮)ৰ নেতৃবৃন্দ, পশ্চিমবংগ চৰকাৰ আৰু ভাৰত চৰকাৰৰ মাজত সম্পাদিত ত্ৰিপাক্ষিক চুক্তি আৰু গোৰ্খা পাৰ্বত্য পৰিষদ গঠনৰ পিছত ক্ৰমান্বয়ে ঘিচিঙে নেপালী ভাষাৰ পৰিবৰ্তে গোৰ্খালী ভাষাৰ প্ৰতি আকৃষ্ট হোৱা দেখা যায়। ইয়াৰ বাহ্যিক প্ৰতিফলন ঘটে তেতিয়া, যেতিয়া ১৯৯২ চনৰ ২০ আগষ্টত সুদীৰ্ঘ ৩৬ বছৰৰ (১৯৫৬-১৯৯২) বিৰামহীন সংগ্ৰামৰ ফলস্বৰূপে ভাৰত চৰকাৰে নেপালী ভাষাক সাংবিধানিক স্বীকৃতি দিবলৈ লোৱাৰ প্ৰাকমুহূৰ্তত ঘিচিঙৰ গোৰ্খা জাতীয় মুক্তি মৰ্চাই নেপালী ভাষাৰ পৰিবৰ্তে গোৰ্খালী ভাষাক সংবিধানত ঠাই দিব লাগে বুলি আনুষ্ঠানিকভাৱে দাবী উত্থাপন কৰিলে। এনে দাবী অবান্তৰ আৰু পৰিকল্পিত ষড়যন্ত্ৰ যেন দেখা যায়। এইক্ষেত্ৰত অসমৰো কিছু নেতা যেনে স্বৰূপ উপাধ্যায় আৰু পদম বাহাদুৰ চৌহানে ঘিচিঙৰ ফলীয়া হৈ গোৰ্খালী ভাষাৰ ওকালতি কৰি অসমৰ থলুৱা নেপালীসকলৰ মাজত বিভাজন ঘটোৱাৰ প্ৰচেষ্টা

চলাইছিল (বিলাসী ছেত্ৰী ঃ নেপালী-গোৰ্খা কি গোৰ্খা-নেপালী ঃ মাহেকীয়া জুনকিৰী মে' ১৯৯৭ দুলীয়াজান) বুলি অভিযোগ শুনা গৈছিল।

যি কি নহওক সামৰণিত ইয়াকে ক'ব পাৰি যে কেৱল ভাৰতীয় নাগৰিকত্বৰ গইনা লৈ দেশৰ থলুৱা নেপালীলোকক নিজকে গোৰ্খা আৰু ভাষা গোৰ্খালী বুলি পৰিচয় দিয়াবলৈ গোৰ্খা জাতীয় মুক্তি মৰ্চাই বাধ্য কৰাব বিচাৰিলেও ই অদ্যাপি সাৰ্বজনীনভাৱে গ্ৰহণযোগ্য হোৱা নাই। কিয়নো নেপালী ভাষাই ইতিমধ্যেই সাংবিধানিক স্বীকৃতি পালেই আৰু সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত নেপালীলোকে নিজৰ ভাষাক নেপালী বুলিয়েই কয়, গোৰ্খালী বুলি নকয়। দৰাচলতে ভাষা 'নেপালী নে গোৰ্খালী' — ই হৈছে সম্প্ৰতি ভাৰতীয় নেপালী সমাজত সৃষ্টি হোৱা এক অন্তহীন বৌদ্ধিক সংঘাত আৰু বিতৰ্কৰ বাহ্যিক প্ৰতিফলন (manifestation of an infinite intellectual contradiction and controversy among the Nepalese of India) এনে কাৰণতে এই অন্তহীন বিতৰ্কৰ চাকনৈয়াত সাধাৰণ খাটিখোৱা নেপালীলোকক জড়িত কৰাবলৈ বিচৰাৰ কিবা যুক্তিযুক্ততা আছেনে?

আমাৰ অসম, ১৬ জুন, ১৯৯৯

বিছ্ আগষ্ট ঃ 'নেপালী ভাষা বিজয় দিৱস'

১৯৭৫ চনৰ তিনি ডিচেম্বৰত দিল্লীস্থ সাহিত্য একাডেমীয়ে স্বীকৃতি প্ৰদান কৰা 'নেপালী ভাষা' আমাৰ প্ৰতিবেশী স্বাধীন পাহাৰীয়া দেশ নেপালৰ ৰাষ্ট্ৰীয় ভাষা। তদুপৰি এই নেপালী ভাষা ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত সিঁচৰতি হৈ আবহমান কালৰ পৰাই স্থায়ীভাৱে বসবাস কৰা থলুৱা নেপালী জনগোষ্ঠীৰো উমৈহতীয়া ভাষা (Lingua-franca)। ভাৰতবৰ্ষত এই ভাষাই এক দীৰ্ঘদিনীয়া সংগ্ৰামৰ অন্তত ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচীত স্থান লাভ কৰিবলৈ সমৰ্থ হয়। সম্প্ৰতি বৰ্ণৰ ক্ৰমানুযায়ী ভাৰতীয় সংবিধানত লিপিবদ্ধ মুঠ ওঠৰটা (অৱশ্যে এতিয়া বাইছটা) স্বীকৃতিপ্ৰাপ্ত ভাৰতীয় ভাষাৰ ভিতৰত নেপালী ভাষাৰ স্থান একাদশ। উল্লেখ্য যে ১৯৭৭ চনৰ ২৯ ছেপ্টেম্বৰত নেপালী ভাষাৰ সাংবিধানিক স্বীকৃতি বিচাৰি অখিল ভাৰতীয় নেপালী ভাষা সমিতিৰ স্মাৰক-পত্ৰৰ উত্তৰত ভূতপূৰ্ব প্ৰধান মন্ত্ৰী মোৰাৰজী দেশাইয়ে কৈছিল — I am not in favour of extending the VIII schedule ... if we include the Nepali language in the VIII schedule we shall have to open door for the entry of fifty tribal languages ... You cannot compare yourselves with the Sindhis. They are Indians and they came to India after the country's partition. You people came to join the army and to live in different parts of India. Shall I stop the recruitment of Gurkhas in the Indian army ? We give an inch and you want it all (The Statesman 30 September 1977 cited in Suman Raj Timsina, Nepali Community in India, Delhi 1992 p 41)। সম্প্ৰতি মোৰাৰজী দেশাইৰ নেপালী ভাষা সম্পৰ্কীয় মন্তব্য আৰু যুক্তিৰ কোনো প্ৰাসংগিকতা নাই। সাংবিধানিকভাৱে নেপালী এক ভাৰতীয় ভাষা আৰু অন্যান্য ভাৰতীয় ভাষাবিলাকৰ দৰে নেপালী ভাষায়ো চৰ্চা আৰু বিকাশৰ বাবে সমান সুবিধা পোৱাৰ যোগ্য। যথাৰ্থতে নেপালী ভাষা-স্বীকৃতিয়ে ভাৰতৰ নেপালী জনগোষ্ঠীক ভাৰতীয় অস্তিত্ব প্ৰদান কৰিলে। সেয়েহে চাগে নেপালী ভাষাই সাংবিধানিক স্বীকৃতি লাভ কৰা পবিত্ৰ দিনটোক অৰ্থাৎ ২০ আগষ্টক সমগ্ৰ ভাৰতবৰ্ষত 'নেপালী

ভাষা বিজয় দিৱস' (NEPALI LANGUAGE VICTORY DAY) ৰূপে উদ্‌যাপন কৰিবলৈ অখিল ভাৰতীয় নেপালী ভাষা সমিতিয়ে জনোৱা আহ্বান সম্প্ৰতি থলুৱা নেপালী জনগোষ্ঠীৰ বাবে এক জাতীয় উৎসৱলৈ পৰিণত হৈছে।

উল্লেখ্য যে অন্যান্য ভাৰতীয় ভাষাৰ দৰে নেপালী ভাষাৰো সৃষ্টি হৈছে মূল সংস্কৃত ভাষাৰ পৰা। সেয়েহে বহু ভাৰতীয় ভাষাৰ লগত নেপালী ভাষাৰ যথেষ্ট সাদৃশ্য দেখা পোৱা যায়। Nepali, according to Encyclopedia of Britanica, the language (sometimes called Khaskura, Gurkhali or Parbatiya) of the Brahmins and chhetris, is of Sanskrit derivation and has become lingua-franca of Nepal but the Mongoloid tribes and Newars have their own languages which belong to Tibeto-Burman groups (William Benton _ Encyclopedia of Britanica, University of Chicago, volume 16, 1966-p 233)। আদিতে এই ভাষা নেপালী ব্ৰাহ্মণ আৰু ছেত্ৰীবিলাকৰ একচ্ছত্ৰী ভাষা হ'লেও পৰৱৰ্তীকালত বৃহত্তৰ নেপাল ৰাষ্ট্ৰ সৃষ্টিৰ লগে লগে উপ-জনগোষ্ঠী নিৰ্বিশেষে নেপালী ভাষাই এক উমৈহতীয়া ভাষাৰ (Lingua-franca) স্বীকৃতি লাভ কৰে। সি যি কি নহওক, স্বাধীনোত্তৰ কালত বিভিন্ন ভাষিক মহলৰ হেঁচাত পৰি ভাৰত চৰকাৰে প্ৰণয়ন কৰা ৰাজ্য পুনৰ গঠন আইন, ১৯৫৬ অনুসৰি তদানীন্তন ৰাজ্যবিলাকক ভাষাৰ ভিত্তিত পুনৰ্গঠন সিদ্ধান্তৰ দ্বাৰা প্ৰভাৱান্বিত হৈ বিশেষকৈ উত্তৰ প্ৰদেশৰ ডেৰাডুনস্থ নেপালী বিদ্বৎ মহলে এটা কথা ভালকৈ উপলব্ধি কৰে যে সুদূৰ ভৱিষ্যতে ভাৰতীয় নেপালী জনগোষ্ঠীৰ অস্তিত্ব ৰক্ষাৰ্থে ভাষাৰ সাংবিধানিক স্বীকৃতি আৰু পৰৱৰ্তী কালত অন্যান্য জনগোষ্ঠীবিলাকৰ নিচিনাকৈ সুকীয়া ৰাজ্য গঠনৰ দাবী উত্থাপনৰ বাবে ইয়াৰ এক ঐতিহাসিক আৱশ্যকতা আহি পৰিব। সম্প্ৰতি দাৰ্জিলিঙত ১৯৮৬ চনৰ পৰাই সুভাষ ঘিছিঙৰ Gurkha National Liberation Front ৰ বেনাৰত গোৰ্খালেণ্ড (a separate state of Gurkhaland for the Nepalese in India) গঠনৰ দাবীত আৰম্ভ হোৱা আন্দোলন এনে উপলব্ধিৰে বহিঃপ্ৰকাশ বুলি ক'ব পাৰি। উল্লেখ্য যে নেপালী ভাষাৰ সাংবিধানিক স্বীকৃতি বিচাৰি পোন প্ৰথমে ১৯৫৬ চনৰ ১৮ জানুৱাৰীত উত্তৰ প্ৰদেশৰ ডেৰাডুনস্থ (সম্প্ৰতি উত্তৰাঞ্চল) জাগ্ৰত গোৰ্খা নামৰ এখন নেপালী আলোচনীৰ সম্পাদকমণ্ডলীক নেতৃত্ব দি আনন্দসিং থাপা, বীৰসিং ভাণ্ডাৰী আৰু নৰেন্দ্ৰসিং ৰাণাত্ৰয়ে তদানীন্তন ভাৰতৰ ৰাষ্ট্ৰপতি ড° ৰাজেন্দ্ৰ প্ৰসাদক এখন স্মাৰক-পত্ৰ প্ৰদান কৰি নেপালী ভাষাৰ সাংবিধানিক স্বীকৃতি আন্দোলনৰ পাতনি মেলে। স্মাৰক-পত্ৰখনিৰ অনুদিত ভাষ্যৰ একাংশ এনেধৰণৰ — Nepali language has

been neglected by the Government of free India by not including it into the constitution. More importantly it is a gross injustice that the language, spoken by fifty lakhs Indian Gurkha citizens, has been labelled as a foreign language whereas the British Indian Government recognised it as one of the languages of the country. Consequently our posterity will be deprived of learning own language through the educational institutions আৰম্ভণিতে এই আন্দোলনে জনপ্ৰিয়তা আৰু প্ৰসাৰতা আশানুৰূপভাৱে লাভ নকৰিলেও বিগত শতিকাৰ ষাঠিৰ দশকৰ শেষলৈ পশ্চিম বংগস্থ দাৰ্জিলিঙৰ নেপালী বিদ্বৎমণ্ডলী নেপালী ভাষা স্বীকৃতি আন্দোলনৰ নেতৃত্ব ল'বলৈ আগবাঢ়ি আহে। উল্লেখ্য যে **অখিল ভাৰতীয় গোৰ্খা লীগৰ** দাৰ্জিলিং জিলা সমিতিয়ে ১৯৬৭ চনৰ ১৩ মে'ত অনুষ্ঠিত ইয়াৰ বাৰ্ষিক অধিৱেশনত নেপালী ভাষাক ভাৰতীয় সংবিধানৰ অষ্টম অনুচ্ছেদত অন্তৰ্ভুক্ত কৰিব লাগে বুলি আনুষ্ঠানিকভাৱে প্ৰস্তাৱ গ্ৰহণ কৰে এইবুলি যে— Nepali is a well developed language not inferior to other languages already recognized under the Eighth Schedule of the constitution. In matter of population we are also not far behind from the population speaking language that has recently been added on to the Eighth Schedule. It should, therefore, be given a place alongwith other languages in the Eighth Schedule. The Union Government is hereby urged to give due consideration to this appeal for recognition of our language Nepali (See Chiranjib Kumar Kar : Sub-Regional Movement in India : A case study of Political History of the Gurkhas of Darjeeling District, Calcutta, 1991 p 32)। তদুপৰি ১৯৬৯ চনত পশ্চিমবংগ চৰকাৰে নেপালী ভাষাক দাৰ্জিলিং, খৰচাং আৰু কালিম্পং জিলা তিনিখনৰ ৰাজ্যিক সহকাৰী ভাষাৰূপে দিয়া স্বীকৃতিয়ে নেপালী আন্দোলনক এক ডাঙৰ প্ৰেৰণা আৰু শক্তি প্ৰদান কৰে। ফলত ভাষিক আন্দোলনেও জনপ্ৰিয়তা আৰু সাংগঠনিক ভিত্তি ইমান দ্ৰুত গতিত সম্প্ৰসাৰণ কৰিবলৈ ধৰে যে ইয়াৰ শৃংখলাবদ্ধ পৰিচালনাৰ হেতু ১৯৭২ চনৰ ৩১ জানুৱাৰীত **অখিল ভাৰতীয় নেপালী ভাষা সমিতি** (All India Nepali Bhasa Samiti) গঠন কৰা হয়।

কোৱা বাহুল্য যে, আনন্দসিং থাপাই সতীৰ্থসহ নেপালী ভাষা স্বীকৃতি আন্দোলনৰ

সূত্ৰপাত ঘটালেও এই দিশত পৰৱৰ্তী কালত অন্যান্য নেতৃবৃন্দই আগবঢ়োৱা অৱদান সমানেই গুৰুত্বপূৰ্ণ বুলি ক'ব লাগিব। উদাহৰণ স্বৰূপে আঙুলিয়াব পাৰি যে ১৯৭১ চনত দাৰ্জিলিং সমষ্টিৰ পৰা লোকসভালৈ নিৰ্বাচিত হোৱা মাৰ্ক্সবাদী নেপালী সদস্য ৰতনলাল ব্ৰাহ্মণৰ ভূমিকা সঁচাকৈ প্ৰশংসনীয়। সংসদৰ কাম-কাজত সাধাৰণতে সংবিধানিকভাৱে স্বীকৃত ভাষাৰ বাদে আন ভাষা ব্যৱহাৰ কৰিব নোৱাৰি। কিন্তু সকলোকে আচৰিত কৰি ৰতনলাল ব্ৰাহ্মণে একপ্ৰকাৰ বলপূৰ্বকভাৱেই সংসদত নিজৰ নেপালী ভাষাতেই ভাষণ দি এক হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি কৰাত অধ্যক্ষয়ো অৱশেষত নেপালী ভাষা ব্যৱহাৰৰ বাবে ৰতনলাল ব্ৰাহ্মণক অনুমতি দিবলৈ বাধ্য হ'ব লগীয়াত পৰে। লগে লগে ব্ৰাহ্মণৰ বক্তব্যক হিন্দী আৰু ইংৰাজী ভাষালৈ তৰ্জমা কৰি সংসদত দাঙি ধৰা হয়। ভাৰতৰ সংসদৰ মজিয়াত হোৱা এনে অভূতপূৰ্ব ঘটনাক নেপালী ভাষা আন্দোলনৰ এক ঐতিহাসিক প্ৰগতি বুলি চিহ্নিত কৰা হৈছে। তদুপৰি ১৯৭২ চনৰ ২১ ফেব্ৰুৱাৰীত সাংসদ ৰতনলাল ব্ৰাহ্মণে নেপালী ভাষাক সংবিধানত সন্নিবিষ্ট কৰিবলৈ দাবী তুলি সংসদত এক সংবিধান সংশোধনী ব্যক্তিগত বিল উত্থাপন কৰে। অৱশ্যে তদানীন্তন শাসক দলে তেনে বিল নাকচ কৰিলেও নেপালী ভাষা আন্দোলনে দিনে দিনে সাংগঠনিক ভিত্তি সম্প্ৰসাৰণ কৰি সৰ্বভাৰতীয় ৰূপ লোৱা দেখা যায়। অসমকে আদি কৰি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ নেপালী জনগোষ্ঠীয়েও এই দিশত অন্যান্য প্ৰান্তৰ নেপালীলোকৰ লগতে সমান্তৰালভাৱে অৱদান আগবঢ়াই আহিছে।

অসমৰ থলুৱা নেপালী জনগোষ্ঠীৰ উমৈহতীয়া সংগঠন অসম প্ৰাদেশিক গোৰ্খা লীগে (সম্প্ৰতি অসম গোৰ্খা সন্মিলন নামেৰে নামাংকিত) আৰম্ভণিৰে পৰাই নেপালী ভাষা আন্দোলনৰ প্ৰতি উদ্বিগ্ন হোৱা দেখা যায়। ১৯৬৮ চনৰ ২৮ এপ্ৰিলত তদানীন্তন অবিভক্ত ডিব্ৰুগড় জিলাৰ টিৰাপত অনুষ্ঠিত ইয়াৰ বাৰ্ষিক অধিৱেশনত প্ৰস্তাৱ গ্ৰহণ কৰা হয় যে — India is a country inhabited by the people of diverse castes, languages, religions, numerical strength etc since time immemorial. In order to bring about all round developments the Government of India included their languages into the Eighth Schedule of Indian Constitution. Similarly, the Nepalese who constitute one of the communities of the country, have been demanding for the inclusion of their language into the Constitution of India. But the Government of India has paid no heed to it so far. In view of this, this session of the Assam Gurkha Sammelon urges upon the Government of In-

dia to include Nepali language into the Eighth Schedule of the Constitution of India. গোৰ্খা সন্মিলনৰ উপৰি সদৌ অসম নেপালী ছাত্ৰ সন্থা, নেপালী সাহিত্য পৰিষদ, অসম নৱধ্বনি সংগঠন, অসম গোৰ্খা সংগ্ৰাম পৰিষদ, অখিল ভাৰতীয় নেপালী ভাষা, অসম শাখা আদিয়েও নেপালী ভাষাৰ সাংবিধানিক স্বীকৃতিৰ দাবী নিজস্ব কায়দাৰে ৰাজনৈতিক কৰ্তৃপক্ষৰ ওচৰত উত্থাপন কৰি অহা দেখা গৈছিল। গণতান্ত্ৰিক পদ্ধতিৰে দীৰ্ঘদিন ধৰি দাবী কৰি অহা স্বত্বেও নেপালী জনগোষ্ঠীৰ ভাষাক স্বীকৃতি নিদিয়াত একাংশ আন্দোলনকাৰীয়ে আগতেই উল্লেখ কৰা অনুযায়ী এটা সময়ত আনকি ভাষা স্বীকৃতিৰ হেতু অসমত মৃত্যু বাহিনী গঠন কৰাৰ বাতৰিও পোৱা গৈছিল (তিনিদিনীয়া অগ্ৰদূত, ৪ ডিচেম্বৰ ১৯৯১)।

সময়ৰ অগ্ৰগতিৰ লগে লগে অখিল ভাৰতীয় নেপালী ভাষা সমিতিৰ নেতৃত্বত পৰিচালিত ভাষা আন্দোলনে দাৰ্জিলিং, ছিকিম, কলকাতা, ডেৰাডুন, অসম, মেঘালয়, নাগালেণ্ড আদি ঠাইবোৰত খোপনি পুতি **মোৰাৰজী দেশাই মুৰ্দাবাদ, নেপালী ভাষা হাম্রো প্ৰাণ হো, জ্যান দিন্ছৌ, প্ৰাণ দিন্ছৌ, ভাষা হামী লিন্ছৌ, লিন্ছৌ** (অৰ্থাৎ মোৰাৰজী দেশাই মুৰ্দাবাদ, নেপালী ভাষা আমাৰ প্ৰাণ হয়, জীৱন দিম, প্ৰাণ দিম. ভাষাৰ স্বীকৃতি আমি ল'মেই ল'ম) জয়ধ্বনিৰে আকাশ-পাতাল তোলপাৰ লগায়। ১৯৯০ চনত ভাষা সমিতিৰ উপৰি ছিকিমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী নৰবাহাদুৰ ভাণ্ডাৰীৰ অধ্যক্ষতাত '**ভাৰতীয় নেপালী ৰাষ্ট্ৰীয় পৰিষদ**' গঠন কৰা হয়, যাতে নেপালী ভাষা আন্দোলনক অধিক ত্বৰান্বিত কৰিব পৰা যায়। এইদৰে কালক্ৰমত নেপালী ভাষা আন্দোলনে অভূতপূৰ্ব জনপ্ৰিয়তা অৰ্জন কৰাই নহয় বৰঞ্চ ভাৰতৰ বিভিন্ন ৰাজ্যৰ বিধানসভাবিলাকেও এনে দাবীক সমৰ্থন জনাই প্ৰস্তাৱ গৃহীত কৰে। এই দিশত পশ্চিমবংগ বিধানসভাই ১৯৭৭ চনৰ ২ জুলাইত, ত্ৰিপুৰা বিধানসভাই ১৯৭৮ চনৰ ২৮ জুনত. ছিকিম বিধানসভাই ১৯৮২ চনৰ ১৩ ছেপ্টেম্বৰত আৰু হিমাচল প্ৰদেশ বিধানসভাই ১৯৯১ চনৰ ১৩ ছেপ্টেম্বৰত সৰ্বসন্মতিক্ৰমে নেপালী ভাষাৰ সাংবিধানিক স্বীকৃতিৰ দাবীক গৃহীত কৰে। তদুপৰি শিলিগুৰি নৰ্থ বেংগল বিশ্ববিদ্যালয়ে নেপালী ভাষাত স্নাতকোত্তৰ পাঠ্যক্ৰম প্ৰবৰ্তন কৰিছে। একেদৰে কলকাতা, পাটনা, গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়বোৰৰ অধীনস্থ কলেজবিলাকে স্নাতক মহলাত নেপালী বিষয় প্ৰবৰ্তন কৰিছে। এইখিনিতে উল্লেখ্য যে নেপালী ভাষাৰ সৃষ্টি আৰু বিকাশৰ সন্দৰ্ভত ড° দয়ানন্দ শ্ৰীবাস্তৱে নিজৰ গ্ৰন্থ Nepali Language : Its History and Development ত কৈছে — The early Nepali inscriptions and Tamrapatra confirm that Nepali, like other Neo-Indo-Aryan (NIA) language, is the direct line of development, from Old-Indo-Aryan through NIA

তদ্ৰূপ ৰাষ্ট্ৰীয় ভাষাবিদ ড° সুনীতি কুমাৰ চেটাৰ্জীয়ে নিজৰ গ্ৰন্থ Languages and Literatures of Modern India (1963)ত দেশৰ প্ৰধান ভাষাবিলাকৰ ভিতৰত নেপালী ভাষাও তাৰে এটা ভাষা বুলি স্বীকৃতি দিয়াৰ দাবীৰ প্ৰতি সমৰ্থন জনাইছে। তদুপৰি ড° চেটাৰ্জীয়ে প্ৰস্তুত কৰা Report of the Official Language Commissionত স্পষ্টভাৱে উল্লেখ কৰিছে যে Other Indian languages are to be added in this Eighth Schedule following the wishes of their speakers and their importance i.e. Sindhi and Nepali এনে চিফাৰিছৰ তীব্ৰ প্ৰতিফলন তেতিয়া ঘটে যেতিয়া ১৯৬৭ চনত ভাৰত চৰকাৰে সিন্ধি ভাষাক সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভুক্ত কৰে এনে যুক্তি দি যে Since Sindhi is now in Pakistan and Sindhis have no state of their own, it was important to include Sindhi in the Constitution to make its speakers at home as Indians ভাৰতৰ নেপালীলোকৰ সংখ্যা সিন্ধিভাষী লোকতকৈ অধিক থকা স্বত্বেও কেৱল সিন্ধি ভাষাক সংবিধানৰ সন্নিবিষ্ট কৰি পক্ষপাতিত্বমূলকভাৱে নেপালী ভাষাক অৱজ্ঞা কৰাত নেপালী জনগোষ্ঠী কেৱল উদ্বিগ্ন হোৱাই নহয় বৰং দৃঢ়প্ৰতিজ্ঞও হয় এইবুলি যে নেপালী ভাষাক সংবিধানত সন্নিবিষ্ট নকৰা পৰ্যন্ত তেওঁলোক ক্ষান্ত হৈ নাথাকিব। ফলত দাৰ্জিলিঙত আন্দোলন ইমান তীব্ৰ হৈ উঠিল যে পুলিচৰ গুলীত ১৯৮১ চনৰ ৭ ছেপ্টেম্বৰত কৃষ্ণ চুব্বা আৰু দেৱৰাজ শৰ্মাই ভাষা আন্দোলনত প্ৰাণ আহুতি দি ভাষা শ্বহীদ হয়। এই আন্দোলনত চিকিমৰ পৰা নিৰ্বাচিত তদানীন্তন সংসদ সদস্যা প্ৰাক্তন চিকিম মুখ্যমন্ত্ৰী নৰ বাহাদুৰ ভাণ্ডাৰীৰ পত্নী দিল কুমাৰী ভাণ্ডাৰীৰ অৱদানো প্ৰশংসনীয়। ১৯৯২ চনৰ ১৯ আগষ্টত সংসদত কংগ্ৰেছ সদস্য ইন্দজিৎ খুল্লাৰে বিদেশী নেপালী ভাষাক সংবিধানিক স্বীকৃতি দিব নালাগে বুলি অপমান কৰাত দিল কুমাৰী ভাণ্ডাৰীয়ে অধ্যক্ষৰ ওচৰত গৈ অনিৰ্দিষ্ট কাললৈ অনশন আন্দোলন আৰম্ভ কৰে। (**নাৰায়ন প্ৰধান ঃ নেপালী ভাষা ৰ ভাষা মান্যতাকো সংঘৰ্ষ, হাম্ৰো ধ্বনি, চেপ্তেম্বৰ ২০০০, পৃঃ ১২**)। এইদৰে নেপালী ভাষাৰ সাংবিধানিক স্বীকৃতিৰ আন্দোলনক এক ঐতিহাসিক সন্ধিক্ষণত উপনীত কৰাৰ ক্ষেত্ৰত ডেৰাডুনৰ আনন্দ সিং থাপা, বীৰসিং ভাণ্ডাৰি, নৰেন্দ্ৰসিং ৰাণা, দাৰ্জিলিঙৰ দেৱপ্ৰকাশ ৰাই, ৰতনলাল ব্ৰাহ্মণ, ভক্ত বাহাদুৰ মল্ল, দাৱা ৰমজন, অগমসিং গিৰি, ৰাজেন্দ্ৰ সিন্হা, গনেশলাল চুব্বা, জি. ছিৰিং, মদন থাপা, নৰ বাহাদুৰ ভাণ্ডাৰী, কে. বি. সিং, প্ৰেম কুমাৰ আলে, দিল কুমাৰী ভাণ্ডাৰী, পাৰশমণি প্ৰধান আৰু অন্যান্য বহুতৰ অৱদান উল্লেখযোগ্য।

এই প্ৰসংগতে উল্লেখ কৰিব পাৰি যে কালৰ গতিত নেপালী ভাষা আন্দোলনে অনা-নেপালী ভাষী বুদ্ধিজীৱীৰো সমৰ্থন লাভ কৰিবলৈ সমৰ্থ হয়। উদাহৰণস্বৰূপে

গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° দেৱ প্ৰসাদ বৰুৱাই এই সংক্ৰান্তত কৈছিল যে Recognition and Inclusion of Nepali language into the constitution of India will not detriment the constitution rather it will add the composite culture তদ্ৰূপ বঙালী লেখক সত্যেন্দ্ৰনাৰায়ণ মজুমদাৰৰ এইক্ষেত্ৰত ভাষ্য এনেধৰণৰ যে The demand for its (Nepali Language) constitutional recognition is a just democratic demand of the Nepali speaking citizens of India. This recognition will add a new colour to the many splendoured unity in diversity that is India. It will open up new vistas before the development of the Nepali language and literature সি যি কি নহওক, নেপালী ভাষা স্বীকৃতি আন্দোলনে এনে দ্ৰুত হাৰত জনপ্ৰিয়তা অৰ্জন কৰিবলৈ আৰম্ভ কৰে যে অৱশেষত ভাৰত চৰকাৰেও এই দাবী মানি ল'বলৈ বাধ্য হয়। ফলত সংসদে ১৯৯২ চনৰ ২০ আগষ্টত নেপালী, কংকনী আৰু মণিপুৰী ভাষাক সংবিধানৰ অষ্টম অনুসূচীত সন্নিবিষ্ট কৰিবলৈ সংবিধান সংশোধনী বিল গৃহীত কৰে। এইদৰে ভাৰতীয় নেপালী জনগোষ্ঠীৰ দৃঢ়সংকল্প আৰু নিৰৱচ্ছিন্ন প্ৰচেষ্টাৰ ফলশ্ৰুতিত সুদীৰ্ঘ ৩৬ বছৰীয়া (১৯৫৬-১৯৯২) ভাষা স্বীকৃতিৰ সপোন দিঠকত পৰিণত হয়। সেইদিন ধৰি এই পবিত্ৰ বিছ আগষ্ট দিনটোক সমগ্ৰ ভাৰতবৰ্ষত নেপালী জনগোষ্ঠীয় লোকে **নেপালী ভাষা বিজয় দিৱস** ৰূপে (NEPALI LANGUAGE VICTORY DAY) পালন কৰি আহিছে আৰু ই তেওঁলোকৰ বাবে এক বছৰেকীয়া উৎসৱত পৰিণত হৈছে।

আমাৰ অসম, ২০ আগষ্ট, ২০০২

জনগোষ্ঠী নেপালী নে গোৰ্খা?

এক ঐতিহাসিক সন্ধিক্ষণ

সম্প্রতি 'থলুৱা' নেপালী জনগোষ্ঠীৰ মাজত জাতীয় জীৱনৰ অস্তিত্বৰ নামকৰণক কেন্দ্ৰ কৰি এক অন্তহীন অন্তৰ্দ্বন্দৰ সৃষ্টি হৈছে এইবুলি যে তেওঁলোক 'নেপালী নে গোৰ্খা'? তেওঁলোকৰ এচাম বুদ্ধিজীৱিয়ে ক'ব বিচাৰে যে তেওঁলোক বিশ্বৰ য'তেই নাথাকক কিয় তেওঁলোক সদায় 'নেপালী' বুলি পৰিচিত হৈ আছিল আৰু পৰিচিত হৈ আছে। আন এচাম উদীয়মান নেপালী বুদ্ধিজীৱি বিশেষকৈ কালিৰ আনছু আৰু আজিৰ আগছু নেতৃত্বই অতি সম্প্রতি নিজকে নেপালী ভাষী ভাৰতীয় 'গোৰ্খা' জনগোষ্ঠী বুলি পৰিচয় দিয়া দেখা যায়। আন কথাত, তেওঁলোকৰ মতে ভাৰতত বসবাস কৰা নেপালী ভাষীৰ পৰিচয় ভাৰতীয় নাগৰিক 'গোৰ্খা' আৰু আমাৰ প্ৰতিবেশী স্বাধীন ৰাষ্ট্ৰ নেপালৰ নাগৰিক 'নেপালী'সকল। অৰ্থাৎ তেওঁলোকৰ মতে 'নেপালী' হৈছে নেপাল দেশৰ নাগৰিক আৰু 'গোৰ্খা' হৈছে ভাৰতৰ নেপালী ভাষী জনগোষ্ঠী। মুঠতে অসমকে আদি কৰি ভাৰতৰ বিভিন্ন প্ৰান্তত সিঁচৰিত হৈ স্থায়ীভাৱে বসবাস কৰা থলুৱা নেপালী জনগোষ্ঠীয়ে আজি নিজৰ জাতীয় নামকৰণক কেন্দ্ৰ কৰি এক ঐতিহাসিক সন্ধিক্ষণত উপস্থিত হৈছেহি।

প্ৰসংগক্ৰমে উল্লেখ্য যে আজিৰ পৰা প্ৰায় ডেৰকুৰি বছৰৰ পূৰ্বে ১৯৭৬ চনৰ ২৬ ডিচেম্বৰত তদানীন্তন গুৱাহাটী নেপালী ছাত্ৰ সন্থা, দৰঙ নেপালী ছাত্ৰ সন্থা আৰু ডিব্ৰুগড় নেপালী ছাত্ৰ সন্থাত্ৰয় লগলাগি গুৱাহাটীত সৰ্বসন্মতিক্ৰমে সদৌ অসম নেপালী ছাত্ৰ সন্থা (All Assam Nepali Students' Union চমুকৈ AANSU আনছু) গঠন কৰা হৈছিল। জন্মলগ্নৰে পৰা আনছুৱে অসমৰ থলুৱা নেপালী জনগোষ্ঠীৰ লগতে সমগ্ৰ অসম আৰু অসমবাসীৰ স্বাৰ্থৰ হকে বলিষ্ঠভাৱে মাত মাতি আহিছে — সি অনস্বীকাৰ্য। আন কথাত, আনছুৱে থলুৱা নেপালী জনগোষ্ঠীৰ জাতীয় জীৱনত এক যুগান্তকাৰী ভূমিকা পালন কৰি অহা দেখা যায়। কিন্তু সকলোকে আশ্চৰ্য কৰি বিগত ২০০৩ চনৰ ২২ মাৰ্চৰ দিনা আনছুৱে পৰিকল্পিতভাৱে গুৱাহাটীত অনুষ্ঠিত বৈঠকত সদৌ অসম নেপালী ছাত্ৰ সন্থাৰ নাম সলনি কৰি সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা বুলি (All Assam Gurkha Students' Union চমুকৈ আগছু AAGSU) পুনৰ

নামাংকিত কৰে। কেবল এটা জাতীয় অনুষ্ঠানৰ নামেই নহয় বৰঞ্চ এটা সংস্কৃতিবান জনগোষ্ঠীৰ ঐতিহ্যসিকভাৱে প্ৰচলিত নামকেইনাটকীয়ভাৱে সলনি কৰাত থলুৱা নেপালী বুদ্ধিজীৱিৰ মাজত হৈ চৈ সৃষ্টি হোৱাতো স্বাভাৱিক। পূৰ্বৰ আনছু আৰু এতিয়াৰ আগছুৰ নেতৃবৃন্দ নৱনিৰ্বাচিত সভাপতি ভাস্কৰ দাহাল আৰু সাধাৰণ সম্পাদক পদ্ম প্ৰধানদ্বয়ে অনুষ্ঠানটোৰ নাম সলনিৰ সমৰ্থনত আগবঢ়োৱা যুক্তি এয়ে যে অসমৰ নেপালী ভাষী গোৰ্খা জনগোষ্ঠীৰ সামগ্ৰিক স্বাৰ্থবোৰক সুদূৰ ভৱিষ্যতলৈকে ৰক্ষণাবেক্ষণ দিয়া এনে যুক্তি কিমান গ্ৰহণযোগ্য সি পাছৰ পৰা কিন্তু এটা জনগোষ্ঠীৰ আৱহমান কালৰ পৰা প্ৰচলিত হৈ অহা নাম সলনি কৰিবলৈ যোৱাৰ অন্তৰালত নিশ্চয় বিশ্বাসযোগ্য কাৰণ থাকিব পাৰে যি তাৎক্ষণিকভাৱে আমাৰ বোধগম্য নহ'বও পাৰে। ইয়াৰ সম্ভাব্য কাৰণসমূহ যথাস্থানত আলোকপাত কৰিবলৈ প্ৰচেষ্টা কৰা হ'ব।

যি কি নহওক, সমগ্ৰ ভাৰতবৰ্ষৰ নেপালী জনগোষ্ঠীৰ মাজত 'নেপালী' আৰু 'গোৰ্খা' শব্দদ্বয়ক কেন্দ্ৰ কৰি সম্প্ৰতি যি অন্তহীন বৌদ্ধিক বিতৰ্ক চলি আছে তাৰ পটভূমি বিচাৰি গ'লে দাৰ্জিলিঙস্থ গোৰ্খা নেশ্যনেল লিবাৰেচন ফ্ৰন্ট (Gurkha National Liberation Front, 1981)ৰ নেতা অৱসৰপ্ৰাপ্ত ভাৰতীয় সৈনিক সুভাষ ঘিছিঙৰ নেতৃত্বত আৰম্ভ কৰা 'গোৰ্খালেণ্ড' গঠন দাবীৰ আন্দোলন আৰু ১৯৯২ চনত নেপালী ভাষাৰ সাংবিধানিক স্বীকৃতিৰ প্ৰাক্‌মুহূৰ্তত গঠিত **ভাৰতীয় নেপালী-গোৰ্খা ভাষা সংৰক্ষণ সমিতি** (Indian Nepali - Gurkha Language Protection Committee) ৰ বিষয়ে চমুকৈ হ'লেও আলোচনা কৰিব লাগিব। আৰম্ভণিতে ঘিছিঙে **প্ৰান্তীয় মৰ্চাৰ** বেনাৰত সুকীয়া ৰাজ্য গোৰ্খালেণ্ড গঠনৰ দাবী কৰিলেও পৰৱৰ্তী কালত অৰ্থাৎ ১৯৮৫ চনৰ শেষৰ ফালে এই আন্দোলন তীব্ৰতৰ হৈ উঠে আৰু ঘিছিঙেও নেপালী ভাষাৰ সাংবিধানিক স্বীকৃতিৰ সময়ৰ পৰাই নেপালী ভাষা আৰু নেপালী জনগোষ্ঠীৰ সলনি গোৰ্খা ভাষা আৰু গোৰ্খা জনগোষ্ঠী বুলি পৰিচয় দিবলৈ আৰম্ভ কৰে। এই সন্দৰ্ভত ঘিছিঙৰ যুক্তিও হ'ল নেপাল ৰাষ্ট্ৰৰ নাগৰিকসকলক নেপালী বুলি কোৱা হয় আৰু ভাৰতৰ নেপালী ভাষীলোকৰ পৰিচয় হ'ল গোৰ্খা (গোৰ্খালী বুলিও কোৱা হয়)। মুঠতে, ভাৰতৰ নেপালী ভাষী জনগোষ্ঠীক 'গোৰ্খা' বুলি পৰিচয় দিবলৈ আৰম্ভ কৰা ঐতিহ্য সুভাষ ঘিছিঙে আৰম্ভ কৰে বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। অৱশ্যে দাৰ্জিলিঙৰে নেতা ডম্বৰসিং গুৰুঙেও অখিল ভাৰতীয় গোৰ্খা লীগ বুলি সংগঠন খুলিলেও জনগোষ্ঠীক গোৰ্খা বুলি পৰিচয় দিয়াবলৈ বিশেষভাৱে চেষ্টা কৰা নাছিল যেন লাগে। অৰ্থাৎ অখিল ভাৰতীয় গোৰ্খা লীগে নেপালী আৰু গোৰ্খা দুয়োটা শব্দক সমাৰ্থক ৰূপত ব্যৱহাৰ কৰিছিল। কোৱা বাহুল্য যে, সুভাষ ঘিছিঙৰ পদানুসৰণ কৰি ভাৰতীয় নেপালী-গোৰ্খা ভাষা সংৰক্ষণ সমিতিৰ সভাপতি অশোক কুমাৰ চুৱা, অসমৰ

তেজপুৰ জিলা তথা লোকসভা সমষ্টিৰ তদানীন্তন সাংসদ স্বৰূপ উপাধ্যায় আৰু অসম চৰকাৰৰ প্ৰাক্তন মন্ত্ৰী পদম বাহাদুৰ চৌহানহঁতে নেপালী ভাষাক নেপালী-গোৰ্খা ভাষা নাম দি সংবিধানত সন্নিবিষ্ট কৰিবলৈ ভাৰত চৰকাৰৰ ওপৰত তীব্ৰ হেঁচা প্ৰয়োগ কৰিলেও অৱশেষত ১৯৯২ চনৰ ২০ আগষ্টত নেপালী ভাষা বুলিহে ভাৰতীয় সংবিধানত অন্তৰ্ভুক্ত কৰা হয়। ফলত নেপালী-গোৰ্খা শব্দদ্বয়ক লৈ হোৱা বৌদ্ধিক বিতৰ্ক সাময়িকভাৱে স্থগিত হৈ থাকে। এই বিতৰ্কই পুনৰ উক দিয়ে তেতিয়া যেতিয়া পদে পদে বিতৰ্ক আৰু সমালোচনাৰ চাকনৈয়াত সোমাই পৰি বাতৰি কাগজৰ শিৰোনামা দখল কৰা সম্প্ৰতি তেজপুৰ লোকসভা সমষ্টিৰ সাংসদ তথা অসম গোৰ্খা সন্মিলনৰ সভাপতি মণি কুমাৰ চুব্বাই আমি জনামতে তদানীন্তন আনছুৰ সমান্তৰালভাৱে অসম গোৰ্খা ছাত্ৰ সন্থা খোলাৰ পৰিকল্পনা কৰি বিফল হৈছিল। মণি কুমাৰ চুব্বাৰ এনে পদক্ষেপত চাগে সেই সময়ত আনছুৰ নেতৃবৃন্দও সুখী হোৱা নাছিল। তাৰ বিপৰীতে আজি কিন্তু আনছুৱে স্বতঃস্ফূৰ্তভাৱে নিজৰ নাম 'আগছু' লৈ ৰূপান্তৰিত কৰি ঐতিহাসিকভাৱে সুপ্ৰতিষ্ঠিত নেপালী জনগোষ্ঠীক গোৰ্খা জনগোষ্ঠী বুলি চিনাকি দিবলৈ সংকল্পবদ্ধ হৈছে। থলুৱা নেপালী জনগোষ্ঠীয়ে নতুন পৰিচয় গ্ৰহণ কৰিব নে নাই সি সময়েহে ক'ব কিন্তু এনে নতুন পৰিচয়ৰ অন্তৰালত থকা কিছু সম্ভাব্য কাৰকৰ বিষয়ে আলোচনা কৰা যাওক আৰু তাৰ আগতে 'গোৰ্খা' শব্দৰ উৎপত্তি আৰু প্ৰচলনৰ ওপৰত থুলমূলকৈ আলোকপাত কৰিবলৈ প্ৰচেষ্টা কৰা যাওক।

প্ৰথমে চোৱা যাওক যে — পাশ্চাত্য লেখক Byron Farwell য়ে The Gurkhas নামৰ গ্ৰন্থত 'গোৰ্খা' শব্দক বৰ্ণনা কৰিছে এনেদৰে যে — There are some who would call all Nepalese 'Gurkhas' regardless of their origin, tribe or social class, Others would limit the term to those who live in the hills around the town of Gurkha, some twenty-five miles north west of Kathmandu primarily Magars or Gurungs. However, to soldiers, I would guess, to most others. Guekhas are those people of Mongolian origin from tribes which British and Indian officers regard them as the military tribes or fighting class of Nepal who are enlisted and called by that name (Gurkha) and, of course, their families (Byron Farwel; The Gurkhas, Penguin Books, London, 1984, p.12)। দ্বিতীয়তে ঠিক তেনেদৰে নেপালৰ ত্ৰিভুৱন বিশ্ববিদ্যালয়ৰ ইতিহাস বিভাগৰ অধ্যাপক ড° পুৰুষোত্তম বাচকোটাই নিজৰ গৱেষণামূলক গ্ৰন্থত 'গোৰ্খা' শব্দক বৰ্ণনা কৰি কৈছে যে — The

common usage by foreigners of the term 'Gurkha' in a specific tribal sense or as a general designation of the population of Nepal is inaccurate. There exists no Gurkha tribe, neither are all Nepalese entitled to be called Gurkhas. The term applies collectively to those Nepalese who have served or are serving, as mercenary soldiers in the British or Indian army and in such auxiliary forces as the Burma Rifles, Assam Rifles, Kashmir Rifles. It is also extended to cover those tribes whose men, over the generations, have created a tradition of enlistment in such military service. Predominant among them were the Magars and Gurungs of the Western or Central hills of Nepal. All these tribes had been enlisted in the British military service since the first quarter of the nineteenth century (Purushottam Banskota; The Gurkhas Connection : A History of the Gurkha Recruitment in the British Indian Army, Nirala Publications, New Delhi, 1994, p.43)। তৃতীয়তে চণ্ডীগড়স্থ পঞ্জাব বিশ্ববিদ্যালয়ৰ নৃতত্ব বিভাগৰ অধ্যাপক Dr. P.K. Parmar য়ে গৱেষণামূলক গ্ৰন্থ ত 'গোৰ্খা' শব্দৰ বৰ্ণনা কৰিছে এনেধৰণে যে — It is a belief among the Gorkhas that the term 'Gurkha' is derived from two words, i.e. "Gou-Raksha", meaning a person who protects the cow. It is also said that the term Gorkha should rightly be applied only to the inhabitants of the place of that name (Gorkha) and their descendants. In course of time, however, the so-called fighting tribes-the Magars and Gurunga, came also to be known under this generic term (Gorkha) and at the present day the word is used to denote any of the various peoples living within the confine of the Gorkha territories (P.K. Parmar : The Gorkhas, Deep & Deep publications, New Delhi, p.9)। চতুৰ্থতে Asad Husain য়ে British India's Relations with the Kingdom of Nepal (1857-1947) শীৰ্ষক গ্ৰন্থত গোৰ্খা সম্পৰ্কে উল্লেখ কৰিছে এইদৰে — These Rajputs were driven out of Rajputana ..... leaving their own home they migrated northwards and while pass-

ing through Kumaon and the adjoining hills they settled near Palpa; from there they gradually extended their rule eastward to Gurkha ..... and the Rajput conquerors became known as Gurkhas ... The Rajputs intermarried with Gurkh women. They include Khas and Thakuri tribes, the Hindu strain indistinguishable, though the Mongol as a rule pre-dominant. The term 'Gurkha' strictly includes only those people who came from India settled in Gurkha and does not include the Bishtas, Burathokis, Thakur, Magars or Gurungs. All these tribes are enlisted in British Gurkha regiments. আকৌ আন এঠাইত Asad Husain যে লিখিছে — It must be made clear that in the correct sense of the term the 'Gurkhas' are those who went from India and settled down in the town of Gurkha. The Bishtas, Burathokis, Magars or Gurungs are enlisted in the Gurkhas Regiments but are not strictly speaking Gurkhas. Similarly Newars, Limbus and Kiratis are mentioned as Gurkhas but a very few have been enlisted in the Gurkha Regiments (Asad Hussain, British India's Relations with the Kingdom of Nepal 1857-1947, London 1970, p. 15-19)এনে সংজ্ঞাবোৰৰ পৰা এইটো স্পষ্ট যে নৃতাত্বিক দিশৰ পৰা গোৰ্খা এটা সুকীয়া জনগোষ্ঠী নহয় যদিও আদিতে মগৰ আৰু গুৰুং নামেৰে দুটা নেপালী উপজনগোষ্ঠীক বুজাবলৈ 'গোৰ্খা' শব্দ ব্যৱহাৰ কৰা হৈছিল। অৱশ্যে বৃত্তিগত দিশৰ পৰা 'গোৰ্খা' মানে নেপালী বংশোদ্ভৱ ভাৰতীয় (ইংলেণ্ডতো গোৰ্খা ফৌজ আছে) সৈন্য বাহিনীৰ এটা সুকীয়া গোট যেনে গোৰ্খা ৰাইফলছ, গোৰ্খা ৰেজিমেণ্ট ইত্যাদি। আন কথাত, এংলো-গোৰ্খা যুদ্ধৰ পাছত ভাৰতীয় ব্ৰিটিছ শাসক আৰু নেপালৰ মাজত হোৱা চুগৌলী চুক্তিৰ পৰৱৰ্তীকালৰ পৰা ভাৰতীয় সৈন্য বাহিনীত নেপালীলোকক ভৰ্তি কৰা প্ৰক্ৰিয়া আৰম্ভ হৈছিল। ব্ৰিটিছ ভাৰতীয় সৈন্য বাহিনীত যোগদান কৰাৰ পাছত লাভ কৰা নামেই হ'ল 'গোৰ্খা' মানে নেপালী সৈন্য বাহিনী বুলি আজিও পৰিচিত হৈ আছে। অৱশ্যে Asad Husain ৰ গোৰ্খা শব্দৰ সংজ্ঞাতো দ্ব্যৰ্থবোধক যেন লাগে কাৰণ তেওঁৰ মতে ভাৰতৰ ৰাজপুতসকলৰ বংশধৰেই গোৰ্খা নামৰ ঠাইত বসবাস কৰিবলৈ লোৱাৰ পৰাই গোৰ্খা নামেৰে জনাজাত হৈছিল। তদুপৰি ভাৰতীয় মূলৰ ৰাজপুত সকলে ইতিমধ্যে গোৰ্খা ৰাজ্য (সম্প্ৰতি নেপালৰ এখন জিলা) বাসিন্দা হোৱা

অৰ্থাৎ গোৰ্খা তিৰোতাৰ সৈতে বিবাহ পাশত আবদ্ধ হৈছিল। মুঠতে মুছলমানসকলে দ্বাদশ শতিকাৰ ভাৰত আক্ৰমণৰ সময়ত উত্তৰ ভাৰতৰ পৰা পলাই গৈ নেপালৰ গোৰ্খা ৰাজ্যত আশ্ৰয় লোৱাৰ পূৰ্বেও তাত বিভিন্ন জনগোষ্ঠীৰ লোকে বসবাস কৰিছিল যি গোৰ্খা নামেৰেই পৰিচিত। ভাৰতৰ পৰা প্ৰব্ৰজিত লোকেও তদানীন্তন গোৰ্খা ৰাজ্যত বসবাস কৰিবলৈ লোৱাত তেওঁলোকো কালক্ৰমত 'গোৰ্খা' পৰিচায়ৰে জনাজাত হয়। অৰ্থাৎ প্ৰাচীন নেপাল মূলৰে হওঁক অথবা ভাৰত মূলৰে হওক, মুঠতে গোৰ্খা ৰাজ্যৰ এলেকাত বসবাস কৰা লোকেই 'গোৰ্খা'। তদুপৰি পণ্ডিতসকলে ক'ব বিচাৰে যে ভাৰতীয় ব্ৰিটিছ সামৰিক বাহিনীত ভৰ্তি হোৱা নেপালৰ নাগৰিকসকলেই 'গোৰ্খা'। ব্ৰিটিছৰ মতে সকলো নেপালী 'গোৰ্খা' নহয়। দৰাচলতে সকলো গোৰ্খাই নেপালীলোক। কিন্তু আজিৰ তাৰিখত সকলো গোৰ্খাই নেপালী আৰু সকলো নেপালীয়েই গোৰ্খা। প্ৰকৃতাৰ্থত গোৰ্খা আৰু নেপালী সমাৰ্থক শব্দ। এনে পৰিপ্ৰেক্ষিততে আনছু নেতৃত্বই অসমৰ নেপালী জনগোষ্ঠীক 'গোৰ্খা' বুলি নতুনকৈ নামকৰণ কৰাৰ কিবা যুক্তিযুক্ততা থাকিব পাৰে জানো? সেয়েহেচাগে অসমৰ এচাম নেপালী বুদ্ধিজীৱিয়ে বাতৰি কাকত আৰু নেপালী আলোচনীৰ যোগেদি 'গোৰ্খা' নামকৰণৰ তীব্ৰ বিৰোধিতা কৰা দেখা যায়।

সি যি কি নহওঁক, এতিয়া চোৱা যাওক আনছু নেতৃত্বই হঠাৎ কোনো বাস্তৱিক ভিত্তি নোহোৱাকৈ ঐতিহাসিকভাৱে প্ৰচলিত 'নেপালী' নামটোক 'গোৰ্খা' লৈ ৰূপান্তৰিত কৰিছে জানো? এই সংক্ৰান্তত আগছু নেতৃত্বৰ নিশ্চয় কেতবোৰ বাস্তৱিক কাৰক (?) থাকিব পাৰে। এতিয়া তেনে কিছু সম্ভাব্য কাৰকবোৰৰ বিষয়েও আলোকপাত কৰা যাওকচোন। দাৰ্জিলিঙৰ দৰে অসমৰ নেপালী ভাষীলোকক 'গোৰ্খা' জনগোষ্ঠী বুলি নতুনকৈ নামাংকিত কৰাৰ কাৰণ এয়ে হ'ব পাৰে যে ১৮১৪-১৫ চনত ব্ৰিটিছ ভাৰত আৰু নেপালৰ মাজত সংঘটিত এংলো-গোৰ্খা যুদ্ধত পৰাজিত হৈ ক্ষতিপূৰণ স্বৰূপে নেপাল ৰাষ্ট্ৰই নিজৰ ভূ-ভাগৰ একাংশ যাৰ ভিতৰত দাৰ্জিলিঙ, গড়ৱাল, কুমাওন, ডেৰাডুন নৈনিতাল আদিৰ অন্তৰ্ভুক্ত অঞ্চল সমূহ ব্ৰিটিছ ভাৰত চৰকাৰৰ্ক হস্তান্তৰ কৰা হ'ল। ফলত এই অঞ্চল বিলাকৰ নেপালীলোক ভূমিসহ ভাৰতৰ নাগৰিক হৈ পৰিল আৰু কালক্ৰমত তেওঁলোকৰ একাংশই অসমকে আদি কৰি বিভিন্ন প্ৰদেশবোৰলৈ প্ৰব্ৰজিত হয়। সেয়েহে সম্ভৱত আগছুৰ মতে ভাৰত তথা অসমৰ নেপালীলোক নেপাল ৰাষ্ট্ৰৰ পৰা অবৈধভাৱে (?) প্ৰব্ৰজিত হোৱা নেপালী নাগৰিক অথবা তেওঁলোকৰ সতি-সন্ততি নহয়। নেপালৰ নাগৰিক নেপালী লোকৰ পৰা পৃথক কৰি ৰাখিবৰ বাবে অসমৰ নেপালী ভাষীলোকক 'গোৰ্খা' বুলি পৰিচয় দিবলৈ আগছু নেতৃত্বই যুক্তি আগবঢ়াইছে।

দ্বিতীয়তে ভাৰত স্বাধীন হোৱাৰ পাছত ১৯৫০ চনত ভাৰত আৰু নেপালৰ স্বেচ্ছাচাৰী শাসক ৰাণাসকলৰ মাজত Indo-Nepal Treaty of Peace and

Friendship নামৰ এক চুক্তি সম্পাদিত হয়। এই চুক্তি অনুসৰি ভাৰত আৰু নেপাল ৰাষ্ট্রদ্বয়ৰ নাগৰিকসকলে পৰস্পৰে পৰস্পৰৰ দেশলৈ বিনা বাধাই কেৱল অহা যোৱাই নহয় বৰঞ্চ বেপাৰ-বাণিজ্য আৰু চৰকাৰী চাকৰিও কৰিব পাৰে। এই সন্দৰ্ভত এই চুক্তিখনৰ ৭ নং দফা বাতিল কৰিবলৈ আগছুৱে দাবী জনাই আহিছে যাতে উভয় নাগৰিকে পৰস্পৰৰ দেশলৈ গৈ উল্লিখিত ধৰণৰ সা-সুবিধা ল'ব নোৱাৰে। চুক্তিখনৰ ৭ নং দফাত কোৱা হৈছে যে — The Governments of India and Nepal agree to grant, on a reciprocal basis, to the nationals of our country in the territories of the other the same privileges in the matter of residence. ownership of property, participation in trade and commerce, movement and priviledes of a similar nature. এনে পৰিপ্ৰেক্ষিতত আগছুৱে ১৯৫০ চনৰ ভাৰত-নেপাল চুক্তি বাতিল কৰিবলৈ প্ৰবলভাৱে দাবী কৰি আহিছে আৰু এনে কৰিব নোৱাৰে তেন্তে অন্ততঃ চুক্তিখনৰ ৬ আৰু ৭ নং দফা দুটা ভাৰতৰ তথা অসমৰ নেপালী জনগোষ্ঠীৰ স্বাৰ্থৰ খাতিৰত খাৰিজ কৰিব লাগে যাতে নেপালৰ নাগৰিক নেপালীলোক অসমলৈ বিনা বাধাই প্ৰব্ৰজন কৰি থলুৱা নেপালী (অৰ্থাৎ গোৰ্খা) জনগোষ্ঠীৰ অস্তিত্বক অনাগত দিনত বিপদাপন্ন কৰি নোতোলে। অৱশ্যে ভাৰত-নেপাল মৈত্ৰী চুক্তি বাতিল কৰিলে অসমৰ স্বাৰ্থও সুৰক্ষিত হ'ব বিশেষকৈ বিদেশী নাগৰিক সমস্যাৰ ক্ষেত্ৰত। সেয়েহে আগছুৰ উপৰিও অসমৰ অন্যান্য নেপালী সংগঠনবোৰেও অনুৰূপ দাবী চৰকাৰৰ ওচৰত উত্থাপন কৰি আহিছে। কিন্তু ভাৰত তথা অসম চৰকাৰে এনে দাবীৰ প্ৰতি অদ্যাপি কোনো কৰ্ণপাত কৰা দেখা নাযায়। এনে সম্ভাব্য বিপদৰ আগজাননী উপলব্ধি কৰিয়েই চাগে আগছুৱে নেপালী সকলৰ মাজত পাৰ্থক্য ৰাখিবৰ বাবে নিজৰ জনগোষ্ঠীক 'গোৰ্খা' বুলি পৰিচয় দিয়া পৰম্পৰা আৰম্ভ কৰিছে।

তৃতীয়তে ১৯৮৮ চনৰ ২৩ আগষ্টত ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰণালয়ে চৰকাৰী গেজেটত প্ৰকাশ কৰা জাননীত স্পষ্টভাৱে কোৱা হৈছে যে ভাৰতত স্থায়ীভাৱে বসবাস কৰা বিশেষকৈ সংবিধানখন বলবৎ হোৱাৰ সময়ত নেপালী ভাষীলোকক 'গোৰ্খা' বুলি নামকৰণ কৰিছে। ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰণালয়ৰ যুটীয়া সচিব ইন্দিৰা মিশ্ৰৰ দ্বাৰা স্বাক্ষৰিত জাননীখনৰ ভাষ্য এনে ধৰণৰ — Where as it has come to the notice of the Central Government that there have been some misconceptions about the citizenship at the commencement of the Constitution of India of certain classes of persons ordinarily known as Gorkhas, who has settled in India at such commencement. As from the commencement of the constitution, that is as

from 26.1.1950, every Gorkha who had his domicile in the territory of India, that is in the territories which on 26.1.1950 became part of or constituted the territory of India as defined in Article 1(2) of the Constitution of India. এনে পৰিপ্ৰেক্ষিতত উল্লেখ্য যে ১৯৫০ চনৰ ২৬ জানুৱাৰী আৰু ১৯৫০ চনৰেই ৩১ জুলাইত যথাক্ৰমে ভাৰতীয় সংবিধান বলবৎ আৰু ভাৰত-নেপাল মৈত্ৰী চুক্তি সম্পাদিত হৈছিল আৰু সেই সময়ৰ পৰাই ভাৰতত বসবাস কৰা নেপালীলোকক কেন্দ্ৰীয় চৰকাৰে 'গোৰ্খা' বুলি নামকৰণ কৰিছে। ইয়াৰ অন্তৰ্নিহিত কাৰণ এনেকুৱাও হ'ব পাৰে যে 'নেপালী' বুলি পৰিচয় দিলে বিদেশী নাগৰিকক বুজাব আৰু 'গোৰ্খা' বুলি ক'লে নেপালী ভাষী ভাৰতীয় নাগৰিকক বুজাব। এনে কাৰণতে চাগে আগচুৰ নেতৃত্বই কালিলৈকে নেপালী জনগোষ্ঠী বুলি পৰিচিত লোকক আজি 'গোৰ্খা' জনগোষ্ঠী বুলি চিনাকি দিব বিচাৰিছে। তদুপৰি কেন্দ্ৰীয় তথা অসম চৰকাৰেই হওক আমি নেপালী নে গোৰ্খা তাৰ স্পষ্টীকৰণ দিবলৈ আজিলৈকে কোনো চৰকাৰী জাননী জাৰি কৰা আমাৰ দৃষ্টিগোচৰ হোৱা নাই বৰঞ্চ আমাৰ ভাষাক 'গোৰ্খা' নামৰ পৰিবৰ্তে 'নেপালী' নামেৰে ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভুক্ত কৰি আমাৰ ভাৰতীয় সত্তাক ৰাজকীয়ভাৱে স্বীকৃতি দিয়াতো সৰ্বজনবিদিত। এই বিষয়ত কৃতকাৰ্য হ'বলৈ হ'লে আগচুৰ সন্মুখত পৰি আছে এক সম্পূৰ্ণ কণ্টকময় পথ কাৰণ আমাৰ সিংহভাগ নেপালীলোকে 'গোৰ্খা' নামৰ বিৰোধিতা কৰি আছে। আনকি আনচুৰ প্ৰতিষ্ঠাপক নেতাদ্বয় ড° হৰ্ক বাহাদুৰ ছেত্ৰী আৰু গোপাল বাহাদুৰ নেপালীৰ উদ্যোগত আনচুৰ সত্তাক পুনৰ্জ্জীৱিত কৰাতো এনে বিৰোধীতাৰ জলন্ত বাহ্যিক প্ৰতিফলন। যথাৰ্থতে ক'বলৈ গ'লে, নেপাল ৰাষ্ট্ৰতেই হওক অথবা অসমতেই হওক 'নেপালী' বুলি যি চাম মানুহক বুজা যায় 'গোৰ্খা' বুলি ক'লেও সেই একে চাম মানুহকে বুজা যায়। কাৰণ তেওঁলোকৰ ভাষা, সংস্কৃতি, ঐতিহ্য, ইতিহাস এশ শতাংশই একে। পূৰ্বতেই উল্লেখ কৰা হৈছে যে নেপালৰ ত্ৰিভুবন বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° পুৰুষোত্তম বাচকোটাইতো 'গোৰ্খা' কোনো অস্তিত্বই নাই বুলি দাবী কৰিছে। খুব বেছি ব্ৰিটিছ তথা ভাৰতীয় সৈন্য বাহিনীত যোগদান কৰা বিশেষকৈ 'মগৰ' আৰু 'গুৰুং' জনগোষ্ঠীক গোৰ্খা নামেৰে জনা গৈছিল।

সি যি কি নহওক, 'নেপালী' নামৰ ঠাইত 'গোৰ্খা' নাম হ'বই যে লাগে তাক মই ব্যক্তিগতভাৱে সমৰ্থন কৰো নে নকৰো সি গুৰুত্বপূৰ্ণ কথা নহয়। এটা সংস্কৃতিবান জনগোষ্ঠীৰ প্ৰচলিত নাম আগচু নেতৃত্বই কিয় সলনি কৰিবলৈ বিচাৰিছে ধৈৰ্যৰে বুজিবলৈ চেষ্টা কৰাতো প্ৰত্যেক নেপালী বুদ্ধিজীৱিৰ বাবে কোনো হীনমন্যতাৰ কাম নহ'ব। তদুপৰি আগচুৱেও অদূৰ ভৱিষ্যতে এক মহাসন্মিলন অনুষ্ঠিত কৰি সকলো নেপালী বুদ্ধিজীৱি আৰু সংগঠনবোৰৰ বিষয়-ববীয়াক একগোট কৰি এই বিতৰ্কিত বিষয়টোৰ

এক সৰ্বজন গৃহীত সমাধান উলিয়াওক। অন্যথা একবিংশ শতিকাত প্ৰবেশ কৰি 'চাহ জনগোষ্ঠী নে আদিবাসী' দৰে জনগোষ্ঠীটোৰ বিকাশৰ কথা বাদেই নিজৰ নামটোকে নিশ্চিত কৰিব নোৱাৰাতো চৰম লজ্জাজনক আৰু দুৰ্ভাগ্যৰ বিষয় হ'ব। নেপালী জনগোষ্ঠীটোৰ নামক কেন্দ্ৰ কৰি হোৱা অন্তহীন বিতৰ্কৰ দ্বাৰা আমি নিজকে হাঁহিয়াতৰ পাত্ৰ হোৱাৰ পৰা ৰক্ষা কৰো আঁহক।

দৈনিক জনমভূমি, ৯ ডিচেম্বৰ, ২০০৩

ভাৰত-নেপাল সম্পৰ্ক আৰু বিদেশীৰ সমস্যা

ভৌগোলিকভাৱে সংলগ্ন নেপাল ভাৰতবৰ্ষৰ এক মিত্ৰ প্ৰতিবেশী সাৰ্বভৌম ৰাষ্ট্ৰ। বিশ্বৰ ভিতৰত নেপাল একমাত্ৰ হিন্দু ৰাষ্ট্ৰ (অৱশ্যে সম্প্ৰতি নেপালক এখন ধৰ্ম নিৰপেক্ষ ৰাষ্ট্ৰ বুলি ঘোষণা কৰা হৈছে) আৰু সাংবিধানিকভাৱে ভাৰত এখন ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ হ'লেও; মূলত ই হিন্দুপ্ৰধান ৰাষ্ট্ৰ। সেয়েহে নেপালৰ সৈতে ভাৰতৰ সম্পৰ্ক আবহমান কালৰ পৰাই সুমধুৰ আৰু বন্ধুত্বপূৰ্ণ। ইতিহাস খুচৰিলে জানিব পৰা যায় যে আধুনিক নেপালৰ খনিকৰ পৃথিবী নাৰায়ণ শ্বাহ (১৭৪২-১৭৭৫ খ্ৰীঃ)কে আদি কৰি বৰ্তমানলৈকে নেপালৰ ৰাজকীয় আৰু শাসকগোষ্ঠী উত্তৰ-পশ্চিম ভাৰতৰ পৰা মুছলমান আক্ৰমণৰ সময়ত আশ্ৰয় বিচাৰি তদানীন্তন নেপাললৈ প্ৰব্ৰজিত হোৱা ভাৰতীয় মূলৰ লোক। তেনে কাৰণতে এতিয়াও নেপালৰ শাসকীয় বংশৰ সৈতে ভাৰতৰ বিভিন্ন প্ৰদেশৰ ৰাজকীয় বংশৰ বৈবাহিক সম্পৰ্ক বিদ্যমান। এইখিনিতে এটা উদাহৰণ দিব পাৰি যে বিগত ২০০১ চনৰ পহিলা জুনত নেপালৰ ৰাজপৰিয়ালত যিগৰাকী ভূতপূৰ্ব শাসকীয় আভিজাত্যিক বংশৰ বিদুষী দুহিতা দিব্যযানীক ৰাজকোঁৱৰ দীপেন্দ্ৰই বিয়া কৰোৱা বিষয়লৈ বিতৰ্ক চলি থকাৰ সময়তে ৰাজকোঁৱৰে অগ্নিশৰ্মা হৈ পিতৃ ৰজা বীৰেন্দ্ৰ বীৰ শ্বাহদেৱকে আদি কৰি নিজ পৰিয়ালৰ সকলো সদস্যকে গুলীয়াই নৃশংসভাৱে হত্যা কৰি নিজেও আত্মহত্যা কৰিলে, সেই দিব্যযানী ভাৰতৰ প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী মধ্যপ্ৰদেশৰ গোৱালিয়ৰৰ ৰজা প্ৰয়াত মাধৱৰাও সিন্ধিয়াৰ নিজা ভাগিনী। অৰ্থাৎ দিব্যযানীৰ মাক উষাৰাজে সিন্ধিয়া ৰাজমাতা স্বৰ্গীয়া বিজয়ৰাজে সিন্ধিয়াৰ কন্যা (সম্প্ৰতি ৰাজস্থানৰ মুখ্য মন্ত্ৰী বসুন্ধৰা ৰাজে সিন্ধিয়াৰ বায়েক) আৰু তেওঁৰ পতি হৈছে নেপালৰ প্ৰাক্তন মন্ত্ৰী শ্যামশ্বেৰ জংগবাহাদুৰ ৰাণা। এই বিষয়ত গৱেষণা কৰিলে নেপাল আৰু উত্তৰ ভাৰতৰ শাসক গোষ্ঠীদ্বয়ৰ মাজত থকা বৈবাহিক সম্পৰ্কৰ অধিক তথ্য আৱিষ্কাৰ কৰিব পৰা যাব। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে দুই ৰাষ্ট্ৰৰ মাজত থকা সম্পৰ্ক কিমান প্ৰগাঢ়।

সি যি কি নহওক, প্ৰসংগক্ৰমে উল্লেখ্য যে নেপাল ৰাষ্ট্ৰ কেতিয়াও ইংৰাজ ঔপনিবেশিক শাসনৰ অধীনস্থ হোৱা নাছিল। আবহমান কালৰ পৰাই স্বাধীন হৈ থকা নেপালে ব্ৰিটিছ-ভাৰতৰ সম্প্ৰসাৰণবাদী নীতিৰ ফলত ১৮১৪ চনত ভাৰতৰ সৈতে এক ঐতিহাসিক যুদ্ধত লিপ্ত হ'বলগীয়া হয়। কেতবোৰ মহলৰ মতে নেপালৰ স্বেচ্ছাচাৰী

ৰাণা শাসকৰ সম্প্ৰসাৰণ নীতিৰ ফলতহে নেপালে ব্ৰিটিছ্ ভাৰতৰ সৈতে যুদ্ধত অৱতীৰ্ণ হ'বলগীয়া হয়। এই ঐতিহাসিক যুদ্ধক এংলো-গোৰ্খা যুদ্ধ (১৮১৪-১৮১৬) নামেৰে জনা যায়। ব্ৰিটিছৰ আধুনিক অস্ত্ৰ-শস্ত্ৰৰ আগত পৰম্পৰাগত কৌশলেৰে টিকিব নোৱাৰি নেপাল এংলো-গোৰ্খা যুদ্ধত পৰাজিত হয়। ফলত দুয়োখন দেশৰ মাজত ১৮১৬ চনৰ ২ ডিচেম্বৰত চুগৌলী চুক্তি (Segowli Treaty) সম্পাদিত হয়। এই চুক্তি অনুযায়ী পূৰ্বতে ছিকিমৰ পৰা লাভ কৰা নেপালী বসতিপ্ৰধান অঞ্চলসমূহ যেনে — দাৰ্জিলিং, কুমাওন, নৈনিতাল, গড়ঁবাল, আলমৰা, ডেৰাডুনকে আদি কৰি নিজৰ মুঠ মাটি-কালিৰ এক-তৃতীয়াংশ নেপালে ব্ৰিটিছ-ভাৰতক যুদ্ধৰ ক্ষতিপূৰণ হিচাপে হস্তান্তৰ কৰিবলগীয়া হয়। পৰিণতি স্বৰূপে উল্লিখিত অঞ্চলত বসবাস কৰা নেপালীসকল আপোনা-আপুনি ভাৰতৰ নাগৰিক হৈ পৰে আৰু সেই অঞ্চলবোৰৰে পৰা কালক্ৰমত উত্তৰ-পূৰ্বাঞ্চলকে ধৰি ভাৰতৰ বিভিন্ন প্ৰান্তলৈ তেওঁলোক প্ৰব্ৰজিত হোৱাটো স্বাভাৱিক।

দ্বিতীয়তে, পুনৰাবৃত্তিৰে ক'ব বিচাৰো যে এংলো-গোৰ্খা যুদ্ধত ব্ৰিটিছ-ভাৰতৰ আধুনিক অস্ত্ৰ-শস্ত্ৰৰ আগত পৰম্পৰাগত ধেনুভিৰীয়া 'খুকুৰী'ৰে নেপালী সৈন্যবিলাকে প্ৰত্যাক্ৰমণ,কৰি থকাটো অসম্ভৱ হোৱা কাৰণেই গোৰ্খা জেনেৰেল কাজী অমৰসিং থাপাই ব্ৰিটিছ জেনেৰেল ডেভিদ অক্টাৰলনি (Geneal David Ochterlony) ৰ সৈতে ১৮১৫ চনৰ ১৫ মে'ৰ দিনা এক অস্থায়ী চুক্তি (convention) সম্পাদন কৰি পুত্ৰ ৰাণাজুৰ সিঙৰ সৈতে স-সন্মানেৰে ৰাজধানী কাঠমাণ্ডুলৈ প্ৰত্যাবৰ্তন কৰে। অৱশ্যে এই যুদ্ধৰ ইমানতে যৱনিকা পৰা নাছিল, বৰঞ্চ ১৮১৬ চনত পুনৰ দেশ দুখনৰ মাজত সম্পূৰ্ণ আনুষ্ঠানিকভাৱে যুদ্ধৰ ইতি পৰে। সি যি কি নহওক, উল্লিখিত 'অস্থায়ী চুক্তি'ত ব্ৰিটিছ ভাৰতীয় সৈন্য বাহিনীত গোৰ্খা ফৌজ নিযুক্তি কৰাৰ ব্যৱস্থা সন্নিবিষ্ট কৰা হৈছিল। কিয়নো এংলো-গোৰ্খা যুদ্ধত গোৰ্খা (নেপালী) বাহিনীৰ দুৰন্ত সাহস আৰু অভাৱনীয় বীৰত্ব দেখি ব্ৰিটিছ জেনেৰেল ডেভিদ অক্টাৰলনিয়ে স্বীকাৰ কৰিবলৈ বাধ্য হৈ কৈছিল যে — We have met with an army who showed decidedly greater bravery and greater steadiness than our troops (Purushottam Banskota : The Gurkha connection : A history of Gurkha Recruitment in the British Indian Army, 1994, পৃঃ 23)। ব্ৰিটিছ কেপ্টেইন Hearsay গোৰ্খাসকলক কোম্পানী সেনা বাহিনীত ভৰ্তি কৰাৰ বিষয়ে কৈছিল — They are herdy endure privations and are very obedient, have not much of the distinction of caste, and are a neutral kind of Hindoo, eating in messes almost everything they meet with, except beef. Under our government they would make excel-

lent soldiers (Byron Farwell : The Gurkhas, London, 1984, পৃঃ 32). ফলস্বৰূপে অস্থায়ী চুক্তি হোৱাৰ পৰৱৰ্তী কালতেই ৪,৬৫০ জন দুখীয়া পৰিয়ালৰ নেপালী সৈন্য বাহিনীয়ে গোৰ্খা আৰ্মী ত্যাগ কৰি ব্ৰিটিছ ভাৰতীয় সৈন্য বাহিনীত যোগদান কৰে (Purushottam Banskota, পূৰ্বোক্ত, পৃঃ ৪৪)। সৈন্য বাহিনীৰ চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পাছত গোৰ্খা ফৌজৰ লোকে নিজৰ ঘৰলৈ প্ৰত্যাবৰ্তন কৰিব পাৰে অথবা ভাৰতৰ যিকোনো ঠাইত স্থায়ীভাৱে বসবাস কৰাৰ সুবিধা লাভ কৰে ব্ৰিটিছ ভাৰতৰ পৃষ্ঠপোষকতাত। ফলত এক বৃজনসংখ্যক গোৰ্খা ফৌজে উত্তৰ-পূৰ্বাঞ্চলকে আদি কৰি ভাৰতৰ বিভিন্ন ঠাইত সংস্থাপিত কৰি ভাৰতীয় নাগৰিক হৈ পৰে, এইদৰে ১৮১৬ চনত সম্পাদিত চুগৌলী সন্ধিৰ আধাৰত ভাৰত আৰু নেপাল ৰাষ্ট্ৰদ্বয়ৰ মাজত যি বন্ধুত্বপূৰ্ণ সম্পৰ্কৰ দুৱাৰ মুকলি হ'ল সি আজিপৰ্যন্ত কোনো হীন-ডেটি নোহোৱাকৈ বিৰাজমান হৈ আছে। কাৰণ ঔপনিৱেশিক চৰকাৰৰ পদাংক অনুসৰণ কৰি স্বাধীন ভাৰত চৰকাৰেও উমৈহতীয়া জাতীয় স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি পূৰ্বৱৰ্তী চুক্তিসমূহ বাতিল কৰি নেপালৰ সৈতে পুনৰ ১৯৫০ চনৰ ৩১ জুলাইত Indo-Nepal Treaty of Peace and Friendship সম্পাদিত কৰি ভাৰত-নেপাল সম্পৰ্ক আগতকৈ অধিক মিত্ৰতাপূৰ্ণ আৰু পাৰস্পৰিক নিৰ্ভৰশীল কৰি তোলে। এই সংক্ৰান্তত আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হৈছে উল্লিখিত চুক্তিখনৰ Article VI য'ত লিখা আছে যে Each Government undertakes, in token of the neighbourly friendship between India and Nepal, to give to the nationals of the other, in its territory national treatment with regard to participation in industrial and economic development of such territory and to the grant of concessions and contracts relating to such development. অৰ্থাৎ দুয়োখন দেশৰ চৰকাৰে উভয় দেশৰ নাগৰিকসকলক উভয় দেশতে ঔদ্যোগিক আৰু অৰ্থনৈতিক উন্নয়নৰ বেলিকা ৰাষ্ট্ৰীয় নাগৰিকৰ মৰ্যাদা প্ৰদান কৰাৰ বাবে দায়বদ্ধ হয়। দ্বিতীয়তে Article VIIত উল্লেখ আছে যে The Governments of India and Nepal agree to grant, on a reciprocal basis, to the nationals of one country in the territories of the other, the same privileges in the matter of residence, ownership of property, participation of trade and commerce, movement and other privileges of a similar nature. অৰ্থাৎ উভয় দেশৰ নাগৰিকে উভয় দেশৰ যিকোনো ঠাইতে বিনা বাধাই চলা-ফুৰা কৰা, বসবাস কৰা, সা-সম্পত্তি অৰ্জন কৰা, ব্যৱসায়-বাণিজ্য চলোৱাকে আদি কৰি বিভিন্ন সা-সুবিধা

উপভোগ কৰিব পাৰে। অসমকে আদি কৰি সমগ্ৰ উত্তৰ পূৰ্বাঞ্চল ভাৰতৰে অবিচ্ছেদ্য অংগ হোৱা হেতুকে এইবোৰতো নেপালী জনগোষ্ঠীৰ লোকে অতীতৰ পৰাই স্থায়ীভাবে বসবাস কৰি আহিছে। কিন্তু বিগত অসম আন্দোলন (১৯৭৯-৮৫)ৰ সময়ত আৰু অসম চুক্তিৰ পৰৱৰ্তী কালত বিদেশী চিনাক্তকৰণৰ নামত নেপালী বংশোদ্ভৱ ভাৰতীয় নাগৰিকসকলক ঠাই বিশেষে হাৰাশাস্তি কৰা হৈছিল, যাৰ ফলত তেওঁলোকৰ একাংশই অসম ত্যাগ কৰাৰ খবৰ পোৱা গৈছিল। এতিয়া কথা হৈছে — উল্লিখিত ১৯৫০ চনৰ Indo-Nepal Treaty of Peace and Friendship ৰ বিধিমতে অসমকে ধৰি ভাৰতৰ যিকোনো ৰাজ্যত বসবাস কৰা নেপালীলোকক (অৱশ্যে যুগ যুগান্তৰ ধৰি অসমতে স্থায়ীভাৱে বসবাস কৰি থলুৱা হোৱা ভাৰতীয় নেপালী নাগৰিকৰ কথাটো ইয়াত উত্থাপনেই হ'ব নোৱাৰে) সংশ্লিষ্ট ৰাজ্য চৰকাৰৰ আমোলাই হাৰাশাস্তি কৰিব নোৱাৰে। কাৰণ উত্তৰ-পূৰ্বাঞ্চললৈ অহা-যোৱা কৰাত নেপালৰ নাগৰিকৰ কোনো পাৰ-পত্ৰৰ প্ৰয়োজন নাই; ঠিক অনুৰূপ ধৰণে উত্তৰ-পূৰ্বাঞ্চলৰে নহয় ভাৰতৰ যিকোনো প্ৰান্তৰ ভাৰতীয় নাগৰিকে নেপালত প্ৰৱেশ কৰিবলৈ কোনো ভিছা বা পাৰ-পত্ৰৰ আৱশ্যকতা নাই।

তৃতীয়তে, প্ৰসংগক্ৰমে উল্লেখযোগ্য যে ১৯৭৬ চনৰ ৩০ জুলাইৰ পৰা বলবৎ হোৱাকৈ ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চললৈ প্ৰৱেশ কৰিবৰ বাবে নেপালী নাগৰিকৰ ওপৰত Restricted Area Permit (RAP) ব্যৱস্থা কেন্দ্ৰীয় চৰকাৰে প্ৰবৰ্তন কৰে। অৰ্থাৎ পূৰ্বৰ দৰে এতিয়া আৰু নেপালী নাগৰিকে উত্তৰ-পূৰ্বাঞ্চললৈ আহিবলৈ হ'লে আইন সংগত প্ৰৱেশ-পত্ৰ ল'ব লাগিব। সেয়েহে ১৯৭৬ চনৰ ৩০ জুলাইক নেপালী বিদেশী নাগৰিক চিনাক্তকৰণৰ ভিত্তি বৰ্ষ হিচাপে ল'ব লাগে বুলি থলুৱা নেপালী সংগঠনবোৰে দাবী কৰিছে। কিন্তু আশ্চৰ্যজনকভাৱে ১৯৯৫ চনৰ ১৯ মে'ত কেন্দ্ৰই উল্লিখিত RAP উঠাই লয়, যাৰ ফলত পূৰ্বৰ দৰেই নেপালী নাগৰিকে উত্তৰ-পূৰ্বাঞ্চললৈ প্ৰৱেশ কৰিবলৈ হ'লে পাৰ-পত্ৰৰ প্ৰয়োজন নোহোৱা হ'ল। অনুৰূপ ধৰণে ১৯৯৬ চনৰ ২৪ জানুৱাৰীত অসম চৰকাৰেও নেপালীলোকৰ অসম ভ্ৰমণৰ ক্ষেত্ৰত সকলো বাধা-নিষেধ প্ৰত্যাহাৰ কৰে (**আমাৰ অসম ২৮ ছেপ্টেম্বৰ ২০০২**)। এনে পৰিপ্ৰেক্ষিতত অসমৰ শ্ৰীৰামপুৰ আৰু বক্সিৰহাটত অশিক্ষিত হোজা-সৰল নেপালীলোকক আৰক্ষী-আমোলাই ব্যতিব্যস্ত কৰাটো ১৯৫০ চনৰ ভাৰত-নেপাল চুক্তিয়েই নহয়, উল্লিখিত চৰকাৰী বিধিসমূহকো উলংঘা কৰা হোৱা নাইনে? আনকি নেপালী মূলৰ থলুৱা নেপালীলোকক অযুক্তিকৰভাৱে ব্যতিব্যস্ত কৰাৰ পটন্তৰৰ সীমা সংখ্যা নাই — বিদেশী খেদোৱা অসম চৰকাৰৰ আমোলা-আৰক্ষীয়ে লোৱা তথাকথিত ব্যৱস্থা। সৌ সিদিনা আই এম (ডি টি) বাতিল হ'বলৈ পালেহে, নেপালীলোকৰ ওপৰত হাৰাশাস্তি আৰম্ভ হৈছে বুলি ভাৰতীয় গোৰ্খা পৰিসংঘৰ অসম শাখাৰ সহকাৰী সম্পাদক তিনিচুকীয়াৰ অধিবক্তা

ৰাজেশ কুমাৰ ৰাইয়ে জানিবলৈ দিয়ে আৰু অসম চৰকাৰৰ আমোলাক এনে কাৰ্যৰ পৰা বিৰত থাকিবলৈ সকীয়াই দিছে (দৈনিক জনমভূমি ২৯ জুলাই ২০০৫)। এনে বলপূৰ্বক হাৰাশাস্তিৰ বিষয়ে কেন্দ্ৰীয় আৰু অসম চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি বিহিত ব্যৱস্থা ল'বলৈ সকলো সচেতন নাগৰিকেই ঐক্যবদ্ধভাৱে হেঁচা প্ৰয়োগ কৰাটো যুগুত হ'ব। কিয়নো উক্ত Indo-Nepal Treaty, 1950 বাতিল নকৰাকৈ নেপালীলোকক বিদেশীৰ নামত হাৰাশাস্তি কৰাটো চুক্তিবিৰুদ্ধ।

চতুৰ্থতে, ১৯৫০ চনৰ ৩১ জুলাইৰ Indo-Nepal Treaty of Peace and Friendship ৰ ৭ নং দফা যে উলংঘা কৰা হৈছে অসম চৰকাৰৰ দ্বাৰা তাৰ প্ৰমাণ অসম চৰকাৰৰ ৰাজনৈতিক বিভাগৰ সচিব জে হাজৰিকাৰ দ্বাৰা স্বাক্ষৰিত কৰা চাৰ্কুলাৰ নং PLA-377/82 dated Dispur the 6th February/84. এই চাৰ্কুলাৰখনৰ হুবহু ভাষ্য এনেধৰণৰ — I am directed to state that there has been large influx of Nepali nationals into Assam in search of land and employment. This influx needs to be checked immediately. You are, therefore, requested to keep a close watch on this and ensure that illegal Nepali entrants donot get possession of land. ১৯৫০ চনৰ চুক্তিৰ দৃষ্টিভংগীৰে চালে illegal Nepali entrants বুলি কথাষাৰৰ কোনো যুক্তিযুক্ততা নাই।

পঞ্চমতে, ১৯৮৫ চনৰ ১৫ আগষ্টত সম্পাদিত হোৱা অসম চুক্তিৰ বেলিকা ১৯৭১ চনৰ ইন্দিৰা-মুজিব চুক্তিৰ কথাহে বিবেচনা কৰি বিদেশী বহিষ্কৰণৰ ভিত্তি বৰ্ষ ১৯৭১ চনৰ ২৫ মাৰ্চ গ্ৰহণ কৰা হৈছিল। আনহাতেদি নেপালীলোকৰ বিষয়ে কোনো কথা বিবেচনা কৰা হোৱা নাছিল বুলি আক্ষেপ কৰি অসম চুক্তি সম্পাদনৰ কেইদিনমানৰ পাছতে অৰ্থাৎ ১৯৮৫ চনৰ ২৯ আগষ্ট সংখ্যা The Sentinel কাকতৰ সম্পাদকীয়ত কোৱা হৈছিল যে Another weakness of the Accord is that it failed to provide any provision to give a proper check to the unabated influx from Nepal. As regards the influx from Bangladesh, it is quite heartening to note that the Government has assured several strict measures to such an influx in future. However, Nepali question has been totally ignored and even the cut-off year has been fixed only on the basis of the spirit of an international agreement with Bangladesh in 1971. But as we all know, the Indo-Nepal Treaty of Friendship of 1950 is still in operation

that has given the right to nationals of both the countries to move freely across the international frontier ইয়াৰ পৰা এটা কথা স্পষ্ট যে অবৈধ বাংলাদেশী অনুপ্ৰৱেশৰ সমস্যা যিমান গুৰুতৰ আৰু অবৈধ নেপালী অনুপ্ৰৱেশৰ সমস্যা সিমান গুৰুতৰ অথবা অবৈধেও নহয়। অন্যথা অসম চুক্তি সম্পাদনাৰ সময়ত Indo-Nepal Treaty of Peace and Friendship, 1950 ৰ কথা নিশ্চয় বিবেচনাত ল'লেহেঁতেন। এইচুক্তিৰ পৰৱৰ্তী কালতো বিশেষকৈ অগপ চৰকাৰৰ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই ঘোষণা কৰিছিল যে অসম চুক্তি নেপালীলোকৰ ক্ষেত্ৰত প্ৰযোজ্য নহয় বুলি The Sentinel কাকতৰ ৬ ফেব্ৰুৱাৰী (১৯৮৬) সংখ্যাত প্ৰকাশিত বাতৰি উল্লেখযোগ্য। উক্ত বাতৰি একাংশ এনে ধৰণৰ আছিল যে— A delegation of the Assam Gorkha Sammelon under the leadership of Mr Gopal Bahadur Paudel Nepali, which recently met the Chief Minister Mr Prafulla Kumar Mahanta apprised him of the harassment of genuine Indian Nepalese travellers at the hand of police personnel in the railway station. The Chief Minister is reported to have assured the delegation that the Assam Accord would not be applicable to the Nepalese according to the understandung reached with the centre. তাৰ মানে কেন্দ্ৰীয় চৰকাৰ, অসম চৰকাৰ আৰু অসম আন্দোলনৰ নেতৃবৰ্গ উল্লিখিত আন্তঃৰাষ্ট্ৰীয় চুক্তিৰ বিষয়ে সম্পূৰ্ণ জ্ঞাত আছিল। তেনে স্বত্বেও বিদেশী বহিষ্কৰণৰ সময়ত অসম চৰকাৰ, আমোলা আৰু পুলিচ বাহিনীয়ে থলুৱা নেপালীলোকক অযুক্তিকৰভাৱে হাৰাশাস্তি কৰাৰ উদাহৰণ অলেখ। এই সংক্ৰান্তত কেন্দ্ৰীয় চৰকাৰে নেপালীলোকক উক্ত চুক্তিৰ ভিত্তিত বিদেশী চিনাক্তকৰণৰ নামত ব্যতিব্যস্ত নকৰিবলৈ নিৰ্দেশ দিব লাগিছিল, কিন্তু সকলো জানিও মৌন হৈ আছিল। অৱশ্যে, অসম গোৰ্খা সন্মিলন আৰু সদৌ অসম নেপালী ছাত্ৰ সন্থাই Indo-Nepal Treaty বাতিল কৰিবলৈ বাৰম্বাৰ দাবী কৰি আহিছে। গোটেই চুক্তিখন বাতিল কৰিব নোৱাৰিলেও দুয়োখন দেশলৈ উভয় দেশৰ নাগৰিকে বিনা বাধাই অহা-যোৱা, থকা-মেলা, ব্যৱসায়-বাণিজ্য কৰা, চৰকাৰী চাকৰিকে আদি কৰি যিকোনো সংস্থাপন আদায় কৰিব পৰা Indo-Nepal Treaty-ৰ ৭ নং দফা বাতিল কৰিবলৈ দাবী কৰি সুদূৰ ১৯৯০ চনৰ ৩১ অক্টোবৰত তিনিচুকীয়া জিলাৰ উদয়পুৰত অনুষ্ঠিত ষষ্ঠ দ্বি-বাৰ্ষিক অধিৱেশনত আনছু (নেপালী ছাত্ৰ সন্থা)য়ে প্ৰস্তাৱ গ্ৰহণ কৰে এইবুলি যে The clauses 6 and 7 be deleted to remove the bar for the Indian Nepalese to get Indian citizenship, identity card of

citizenship be issued to the Nepalese immediately তদ্ৰূপ নেপাল চৰকাৰেও অৰ্ধ শতিকাতকৈ পুৰণি Indo-Nepal Treaty of Peace and Friendship, 1950 বাতিল কৰিবলৈ ভাৰত চৰকাৰৰ ওচৰত বাৰম্বাৰ দাবী কৰি আহিছে যদিও ভাৰত চৰকাৰে এনে দাবীৰ প্ৰতি কোনো কৰ্ণপাত কৰা অদ্যপি পৰিলক্ষিত হোৱা নাই। কাৰণ, এই চুক্তিৰ দ্বাৰা ভাৰতে নেপালৰ ওপৰত প্ৰভুত্ব বিস্তাৰ কৰি থকাই নহয়, বৰঞ্চ ঔপনিবেশিকসদৃশ এক বজাৰ লাভ কৰিছে য'ত ভাৰতীয় সামগ্ৰীসমূহে বিক্ৰীৰ বাবে ঠাই পাইছে। তদুপৰি ভাৰতৰ শত্ৰু ৰাষ্ট্ৰ চীনৰ সৈতে নেপালে যাতে অধিক বন্ধুত্বপূৰ্ণ সম্পৰ্ক গঢ়ি তুলিব নোৱাৰে তাৰ বাবে Indo-Nepal Treaty বলবৎ হৈ থকাতো ভাৰতে বিচাৰে। ইয়াৰ দ্বাৰা নেপাল ভাৰতৰ বাবে buffer zone হিচাপে থাকি এক প্ৰাকৃতিক barrier-ৰ কাম কৰি আছে। এনে পৰিপ্ৰেক্ষিতত অবৈধ বিদেশীৰ নামত অসমত নেপালী জনগোষ্ঠীৰ যিকোনো লোককে হাৰা-শাস্তি কৰাতো Indo-Nepal Treaty of Peace and Friendship, 1950-ৰ নগ্ন উলংঘন নহয়নে? তদুপৰি ১৯৭৬ চনৰ ৩০ জুলাইত প্ৰৱৰ্তন কৰা RAP ব্যৱস্থাৰ পৰৱৰ্তী কালত অবৈধ (?) নেপালী প্ৰব্ৰজন প্ৰকৃতাৰ্থত বন্ধ হৈছে বুলি ক'ব পাৰি।

সুখৰ বিষয় যে অলপতে ভাৰতৰ উচ্চতম ন্যায়ালয়ে কেৱল অসমত প্ৰযোজ্য হৈ থকা আই এম (ডি-টি) বাতিলকৰণৰ ঘোষণা কৰি অবৈধ বাংলাদেশী চিনাক্তকৰণ আৰু বহিষ্কৰণৰ ক্ষেত্ৰত থকা প্ৰতিবন্ধক দূৰ কৰিলে। কিন্তু এনে ঘোষণাৰ লগে লগে ইয়াৰ প্ৰভাৱ সংখ্যালঘু নেপালীসকলক আমোলাতন্ত্ৰৰ গোপন নিৰ্দেশত অসম আৰক্ষীয়ে বিদেশী নহয় বুলি নিজকে প্ৰমাণ কৰিবলৈ নিৰ্দেশ দি জাৰি কৰা চমনৰ দ্বাৰা হাৰাশাস্তি প্ৰক্ৰিয়া ইতিমধ্যেই আৰম্ভ হৈছে বুলি ভাৰতীয় গোৰ্খা পৰিসংঘ, অসম শাখাৰ সহকাৰী সম্পাদক তথা তিনিচুকীয়া উকীল সন্থাৰ সদস্য অধিবক্তা ৰাজেশ কুমাৰ ৰাইয়ে অভিযোগ তুলিছে আৰু এই বিষয় লৈ তেখেত উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছে (**দৈনিক জনমভূমি ২৯ জুলাই**, ২০০৫)। এই প্ৰসংগত উল্লেখ্য যে বিগত ২০০২ চনত মেঘালয়ত কয়লা ব্যৱসায় কৰা উত্তৰ লখিমপুৰৰ বাসিন্দা বি এন ছেত্ৰীয়ে আৰক্ষী প্ৰশাসনে নেপালী লোকসকলক কৰা হাৰাশাস্তি সন্দৰ্ভত দাখিল কৰা এখন আবেদনৰ শুনানি গ্ৰহণ কৰি গুৱাহাটী উচ্চ ন্যায়ালয়ে কেন্দ্ৰীয় চৰকাৰ, অসম চৰকাৰ আৰু মেঘালয় চৰকাৰক নেপালী নিৰ্যাতনৰ পৰা বিৰত থাকিবলৈ নিৰ্দেশ দিয়ে — ১৯৫০ চনৰ ৩১ জুলাইত নতুন দিল্লী আৰু কাঠমাণ্ডুৰ মাজত সম্পাদিত হোৱা Indo-Nepal Treaty of Peace and Friendship ৰ আধাৰত (**আমাৰ অসম ২৮ ছেপ্টেম্বৰ**, ২০০২)। তৎস্বত্ত্বেও কিন্তু অসম চৰকাৰৰ আমোলা আৰু আৰক্ষীয়ে সুযোগ পালেই নেপালীলোকৰ ওপৰত অযথা হাৰাশাস্তি কৰে সম্ভৱতঃ এই কথা মনত ৰাখি যে

তেওঁলোক নিৰক্ষৰ, সংখ্যালঘু আৰু অসংগঠিত জনগোষ্ঠী। এই সকলো কথা বিচাৰ কৰি চালে এটা সিদ্ধান্তত উপনীত হ'ব পাৰি যে থলুৱা নেপালীৰ লগতে অসমৰ ৰাইজে অসম আৰু কেন্দ্ৰীয় চৰকাৰ উভয়কে অৰ্ধ শতিকাতকৈ অধিক কাল বলবৎ হৈ থকা Indo-Nepal Treaty of Peace and Friendship, 1950 বাতিলকৰণৰ বাবে বাধ্য কৰাব পাৰিলেহে অসমকে আদি কৰি ভাৰতৰ যি কোনো প্ৰান্তলৈ নেপালী নাগৰিকৰ মুক্ত প্ৰব্ৰজন সমস্যাৰ স্থায়ী সমাধান উলিয়াব পৰা যাব। অন্যথা উত্তৰ-পূৰ্বাঞ্চলত স্থায়ীভাৱে বসবাস কৰি থলুৱা হোৱা খাটিখোৱা নেপালীলোকক বিদেশী চিনাক্তকৰণৰ নামত অযথা হাৰাশাস্তি কৰাৰ কৰ্তৃত্ব কাৰো নাই। সেয়েহে কেন্দ্ৰীয় আৰু অসম চৰকাৰক উল্লিখিত বিতৰ্কমূলক আন্তঃৰাষ্ট্ৰীয় চুক্তি বাতিলকৰণৰ হেতু বাধ্য কৰিবলৈ সকলো জাতীয়তাবাদী শিবিৰসমূহে ৰাজপথলৈ ওলাই অহাটোহে এই সমস্যা সমাধানৰ বিকল্প পন্থা।

দৈনিক জনমভূমি, ২০ অক্টোবৰ, ২০০৫

এক অবিস্মৰণীয় অধ্যায়
অসম আন্দোলন আৰু থলুৱা নেপালী

১৯৭৯ চনৰ অক্টোবৰ মাহত মই মৰাণ মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ পাঠ্যক্ৰমত নাম ভৰ্তি কৰি মাত্ৰ এমাহমান কাল অধ্যয়ন কৰিছিলোহে তেনেতে সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত আৰম্ভ হোৱা বহিৰাগত খেদা আন্দোলন আৰম্ভ হ'ল। এই আন্দোলনৰ অংশ ৰূপে মংগলদৈ লোকসভাৰ উপ-নিৰ্বাচনক কেন্দ্ৰ কৰি সৃষ্টি হোৱা অপ্ৰীতিকৰ ঘটনাৰ ফলত গুৱাহাটীত খৰ্গেশ্বৰ তালুকদাৰ প্ৰথম ছহিদ হৈছিল। প্ৰতিক্ৰিয়া স্বৰূপে ৰাজ্যজুৰি এক তীব্ৰ আন্দোলনৰ পৰিবেশ সৃষ্টি হোৱাত অসমৰ সকলো কলেজ-বিশ্ববিদ্যালয়বোৰত ছাত্ৰ-ছাত্ৰীৰ আবাস অৰ্থাৎ হোষ্টেলবোৰ খালি কৰিবলৈ কৰ্তৃপক্ষই দিয়া জাননী মতে সকলো ছাত্ৰ-ছাত্ৰীবোৰৰ লগতে ময়ো টালি-টোপোলা কান্ধত তুলি লৈ শিক্ষা সামৰি ঘৰৰ ল'ৰা ঘৰলৈ উভতি আহিলো। তাৰ পাছত সম্পূৰ্ণ এটা বছৰ অসমৰ সকলো শিক্ষানুষ্ঠান অৰ্থাৎ প্ৰাথমিক পৰ্যায়ৰ পৰা বিশ্ববিদ্যালয় পৰ্যন্ত বন্ধ হৈ থাকে, চলে মাথোন আন্দোলন আৰু আন্দোলন বিৰামহীনভাৱে। ১৯৮০ চনৰ নৱেম্বৰ নে ডিচেম্বৰ মাহত পুনৰ বিশ্ববিদ্যালয়লৈ ঘূৰি আহি দেখো যে আমাৰ বহু সতীৰ্থৰ কোনোবাই চাকৰিত সোমাল, কোনোবাই ব্যৱসায়ত আৰু কোনোবাই বিয়া-বাৰু কৰি ঘৰ-সংসাৰত ব্যস্ত হৈ থাকিল। আমি বাকী থকাখিনিয়ে পুনৰ নতুন উদ্যমে অধ্যয়নত ব্ৰতী হ'লো।

এতিয়া আচল কথালৈ ঘূৰি আহো। পুনৰ নতুন উদ্যমে পঢ়া-শুনা আৰম্ভ কৰা মানে প্ৰথমতে বহিৰাগত আৰু পাছলৈ বিদেশী খেদা আন্দোলনৰ যৱনিকা পৰা নাছিল। আমি অধ্যয়ন আৰু আন্দোলন এই দুয়োটা কাম সমান্তৰালভাৱে কৰি গৈছিলো। ক'তজন ছহিদ হ'ল তাৰ লেখ-জোখ নাই; মুঠতে বিদেশী খেদিব লাগে। বিদেশী মানে বাংলাদেশৰ পৰা প্ৰব্ৰজন হৈ অহা বাংলাদেশী নাগৰিক। অৱশ্যে সময় গৈ থাকে নিজৰ গতি পথেৰে আৰু আন্দোলনৰ নেতৃবৰ্গ বিশেষকৈ আছু আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদেও ক্ৰমান্বয়ে উপলব্ধি কৰিবলৈ আৰম্ভ কৰে যে কেৱল বাংলাদেশী কিয়, ভাৰতৰ প্ৰতিবেশী ৰাষ্ট্ৰ নেপালৰ পৰা অহা নেপালী মুলৰ অসমত বসবাস কৰা নেপালী সকলো বিদেশী।

আন ভাষাত ক'বলৈ গ'লে, বিদেশী খেদা আন্দোলনৰ প্ৰতি ৰাইজৰ অভূতপূৰ্ব সমৰ্থন আৰু সহযোগিতা দ্ৰুত গতিত বৃদ্ধি পাই অহা দেখি বোধকৰো তেওঁলোকৰ মনোবল ইমান ত্বৰান্বিত হৈছিল যে নেপালীলোককো খেদিব পাৰিলে স্বৰ্গহেন অসম গঢ়াতো সহজসাধ্য হ'ব। ফলশ্ৰুতিত অসমৰ ধুবুৰীৰ পৰা শদিয়ালৈকে সিঁচৰতি হৈ বসবাস কৰা অশিক্ষিত-অজলা থলুৱা নেপালীলোকৰ মনলৈ শংকা আৰু দ্বিধাবোধ অহাতো তেনেই স্বাভাৱিক। বিদেশী খেদা আন্দোলনৰ ভৰপক সময়ত বহুলভাৱে প্ৰচলিত জয়ধ্বনি (শ্ল'গান) আৰু দেৱাল লিখন আছিল এইবুলি — "আলি কুলি বঙালী, নাক চেপেটা নেপালী, কৰ পৰা আহিলি কুকুৰৰ পোৱালি" (Tejimola Gurung, Displacing the Displaced : The Nepalis in North-East. India, Dimensions of Displaced People in North-East India edited by Joshua Thomas, New Delhi, 2002, p.153) এইখিনিতে উল্লেখ্য যে থলুৱা নেপালীলোকৰ বিৰুদ্ধে অথবা নেপালী প্ৰব্ৰজন (?)ৰ বিৰুদ্ধে পূৰ্বতে কেতিয়াও তীব্ৰ প্ৰতিবাদ হোৱা দেখা নাযায়। বৰঞ্চ বিভিন্ন জাতীয় সংকটত নেপালীলোকৰ নিঃস্বাৰ্থ অৰিহনা আৰু অসীম ত্যাগৰ বাবে বৃহত্তৰ অসমীয়া সমাজে আঁকোৱালি লোৱাহে দেখা যায়। মুঠতে, ভাষিক-সাংস্কৃতিক আৰু ধৰ্মীয় দিশৰ পৰা চালে বৃহত্তৰ অসমীয়া সমাজ আৰু থলুৱা নেপালীলোকৰ মাজত যথেষ্ট পৰিমাণে সাদৃশ্য পৰিলক্ষিত হয়, সেই বিষয়ে **অসমীয়া আৰু থলুৱা নেপালীৰ মাজত সাংস্কৃতিক সাদৃশ্য** শীৰ্ষক অধ্যায়ত বিস্তৃতভাৱে আলোকপাত কৰা হৈছে। এনে কাৰণতে চাগে তেওঁলোকৰ মাজত ঐতিহাসিকভাৱে এক সু-সম্পৰ্ক থকা কথা সৰ্বজনবিদিত। কিন্তু বিগত ছবছৰীয়া বিদেশী বিতাড়িত আন্দোলনে (১৯৭৯-৮৫) এই পাৰস্পৰিক সু-সম্পৰ্কত এক অভাৱনীয় স্খলন আনি দিয়ে। ফলত অসমত নেপালীসকল কিমান দিন আগৰ পৰা স্থায়ীভাৱে বসবাস কৰি আহিছে সেই কথাৰ নিৰ্বিশেষে অসম আন্দোলনকাৰীইঁতে নেপালী মাত্ৰেই বিদেশীৰ লেবেল মাৰিবলৈ কুণ্ঠাবোধ নকৰিলে। এই সংক্ৰান্তত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞানৰ অধ্যাপক ড° মনিৰুল হুছেইনৰ মন্তব্য উল্লেখযোগ্য। তেওঁ কৈছে যে — The emergence of the Assam movement on foreigners issue radically transformed the existing relationship between the Nepalis and the Asomiyas in Assam. The Nepalis, irrespec tive of their length of stay in Assam virtually became dangerous unwanted foreigners in Assam who were "threatening the Social –Cultural and Political identity of the Asomiyas" in their traditional homeland. The powerful Asomiya bourgeois press

successfully labelled all the Nepalis in Assam as foreigner (Monirul Hussain, Nepalis in Assam and Asomiya National Question, Mainstream, April 15, 1989)

পূৰ্বৰ অধ্যায়বোৰত থকা কথাবোৰকে পুনৰাবৃত্তিৰে উল্লেখ কৰা হৈছে যে থলুৱা নেপালীলোক অসমীয়া মূল সুঁতিটোৰ সৈতে মিলি যাবলৈ ধৰিছে আৰু ডিব্ৰুগড় উকীল সন্থাৰ সদস্য অধিবক্তা আৰু উদীয়মান লেখক বিশ্বজিৎ বৰুৱাই ক'বৰ দৰে এই মিলি যাবলৈ অৰ্থাৎ একাকাৰ হোৱাৰ প্ৰক্ৰিয়াক আধিপত্যিক অসমীয়াই সাৰ-জাবৰ দিলে এটা সময় আহিব যেতিয়া নেপালীসকল সম্পূৰ্ণভাৱে অসমীয়া ঘাই সুঁতিৰ সৈতে বিলীন হৈ যোৱাৰ সম্ভাৱনাক নুই কৰিব নোৱাৰি। কিন্তু তেনে এক স্বতঃস্ফূৰ্ত প্ৰক্ৰিয়াক এচাম লোকে কোনো চৰকাৰী তথ্যৰ অবিহনে ভিত্তিহীনভাৱে প্ৰতিদিনে হাজাৰ হাজাৰ নেপালৰ নাগৰিক অসমত প্ৰবেশ কৰিছে বুলি অপপ্ৰচাৰ চলাই থলুৱা নেপালীলোকক বিদেশী সজাবৰ বাবে এক পটভূমিৰ সৃষ্টি কৰা যেন লাগে। Influx of Nepalese into Assam শীৰ্ষক চমু প্ৰবন্ধত The Assam Tribune কাকতৰ বিশেষ প্ৰতিবেদনৰ মন্তব্য উল্লেখযোগ্য — There is already a heavy Nepali population in many areas north of the Brahmaputra and hence the new entrants have no difficulty in getting a billet immediately on arrival. Being hard working by nature, they accommodate themselves in utmost hardship and bit by bits bring the uninhabitable and jungle areas under plough and rear cattle. But all this is done illegally and without anybody's consent .... It is estimated that on an average over 1000 people from Nepal have been entering Assam every month and are settling down in different places of the north bank of the Brahmaputra (The Assam Tribune 30 April 1969)। অসম ৰাজ্যৰ সীমান্তত কোনোবাই যেন হাতত কলম-কাগজ লৈ পহৰা দি আছে আৰু নেপালৰ নাগৰিক অসমলৈ প্ৰবেশ কৰিব বিচাৰিলে তেওঁৰ নামতো বহীত লিখি থৈছে নেকি যাৰ ভিত্তিত প্ৰতি মাহে ১০০০ নেপালী নাগৰিক ভাৰত/অসমলৈ প্ৰবেশ কৰিছে বুলি ক'ব পাৰি? এনে ভিত্তিহীন পৰিসংখ্যাই নেপালী বিৰোধী মনোভাৱ আৰু আবেগ সৃষ্টিত অৰিহনা যোগাই অহাটো নিশ্চিত আৰু অবধাৰিত। তদুপৰি সেই একেখন ইংৰাজী দৈনিক কাকত The Assam Tribuneৰ ১৯৭০ চনৰ ১৮ ডিচেম্বৰ সংখ্যাৰ সম্পাদকীয়ত কোৱা হৈছে যে —In NEFA and Assam and elsewhere the Nepalese are primarily

attracted by the prospects of occupying vacant and cultivable lands. With a good name of integrity and hard work the Nepalese immigrants find places like Assam inviting for earning their livelihood in agriculture, petty trade and domestic service. In many places land has passed into the hands of the enterprising Nepalese .... The Nepalese immigration had generally been such as to produce some beneficial economic result, it has to be admitted that if unchecked this immigration will pose serious problem to the local people of Assam ... the problem be dealt with in a manner that will not prejudice Indo-Nepal relations; which are already having some irritants নেপালীলোকৰ ভাল গুণ যেনে integrity and hard-work বোৰক স্বীকৃতি প্ৰদান কৰা স্বত্ত্বেও অভিযোগ কৰা হৈছে যে তেওঁলোকৰ তথাকথিত অবাধ প্ৰব্ৰজনে স্থানীয়লোকৰ বাবে সমস্যা সৃষ্টি কৰিব পাৰে। আৰু তেওঁলোকৰ প্ৰব্ৰজনৰ বিষয়ে কিবা ব্যৱস্থা ল'বলৈ যাওঁতে ইণ্ডো-নেপাল সম্পৰ্কৰ ওপৰত কোনো প্ৰতিকুল প্ৰভাৱ নপৰে তাৰ প্ৰতিও মনোযোগ দিব লাগে বুলি যুক্তি আগবঢ়োৱা দেখা যায়। প্ৰকৃতাৰ্থত Indo-Nepal Treaty, 1950 বলবৎ থকালৈকে ভাৰতীয় নাগৰিক নেপাললৈ আৰু নেপালী নাগৰিক ভাৰতলৈ অহা-যোৱা, ব্যৱসায়-বাণিজ্য চলোৱা, চাকৰি-বাকৰি উভয় দেশতেই কৰিব পৰাতো উল্লিখিত আন্তঃৰাষ্ট্ৰীয় চুক্তিমতে যে বৈধ সেই কথা সমাজ সচেতন ব্যক্তি মাত্ৰেই বিদিত। সেই দৃষ্টিভংগীৰে চালে অসমলৈ নেপালী প্ৰব্ৰজন এক বৈধ ঘটনা। তেনে প্ৰেক্ষাপটত Indo-Nepal Treaty বাতিল কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক বাধ্য কৰোৱাতো ভাৰত তথা অসমীয়া জাতীয়তাবাদী ব্যক্তি আৰু সংগঠন উভয়ৰে এক প্ৰাথমিক দায়িত্ব। তাকে নকৰি কেৱল তথাকথিত নেপালী প্ৰব্ৰজন আৰু থলুৱা নেপালীক বিদেশী বুলি লেবেল মৰাতো কিমান বাস্তৱসন্মত সি এক প্ৰশ্নবোধক বিষয়। অসমৰ জাতীয়তাবাদী সংগঠনবোৰে এই চুক্তিৰ কথাতো অনুধাৱন কৰাত যি গাফিলতি দিছে তাৰ বিপৰীতে থলুৱা নেপালী সংগঠন যেনে অসম গোৰ্খা সন্মিলন, সদৌ নেপালী ছাত্ৰ সন্থাবোৰে Indo-Nepal Treaty বাতিল কৰিবলৈ বাৰম্বাৰ দাবী জনাই আহিছে সেই কথা এই কিতাপৰ বিভিন্ন ঠাইত প্ৰসংগক্ৰমে উল্লেখ কৰা হৈছে।

নেপালীলোকক বিদেশী বুলি লেবেল মাৰিবলৈ যি সকল জাতীয়তবাদী ব্যক্তি/সংগঠনে ইন্ধন যোগাইছে তাৰ ভিতৰত প্ৰয়াত পৰাগ কুমাৰ দাসৰ নাম উল্লেখযোগ্য। তেওঁ স্পষ্টভাৱে কৈছে যে— "অসমলৈ অবাধ গতিত চলি থকা নেপালী

অনুপ্ৰবেশে সৃষ্টি কৰা সমস্যাৰ প্ৰকৃত প্ৰাবল্য (intensity) বিশ্লেষণ কৰাৰ মুহূৰ্তত এই কথাটো আঙুলিয়াই থোৱা ভাল যে নেপালী অনুপ্ৰবেশকাৰীৰ সোঁত অসমীয়া মানুহৰ বাবে সাংস্কৃতিক বিপদৰ কাৰণ নোহোৱাৰ নিমিত্তে আৰু এওঁলোক এতিয়াও মধ্যবিত্ত অসমীয়া শ্ৰেণীটোৰ সৈতে সংঘাতলৈ নহাৰ ফলতে প্ৰতিৰোধৰ ই প্ৰক্ৰিয়াটো প্ৰকাশ্য নহৈ শীতল ৰূপতেই আছে আৰু সেয়েহে বহুতেই নেপালী অনুপ্ৰবেশে সৃষ্টি কৰা সমস্যাক গুৰুতৰ সমস্যাৰূপে গ্ৰহণ কৰিবলৈ টান পায়। কিন্তু এওঁলোকৰ অবাধ অনুপ্ৰবেশে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ জনজাতীয় অঞ্চলবিলাক ইতিমধ্যে এনেদৰে গ্ৰাস কৰিবলৈ লৈছে যে অচিৰেই ই অসমত বাস কৰি থকা জনজাতীয় মানুহখিনিৰ নিমিত্তে এক ভয়াবহ অৰ্থনৈতিক আৰু সাংস্কৃতিক বিপদৰ কাৰণ হৈ পৰিব" (**পৰাগ কুমাৰ দাস, অসমত নেপালী অনুপ্ৰবেশৰ সমস্যা, গোৰ্খালেণ্ড আৰু অন্যান্য, প্ৰান্তিক, ৫ বছৰ ২০শ সংখ্যা ১৬-৩০ অক্টোবৰ ১৯৮৬**)। প্ৰয়াত দাসৰ এই শংকাৰ উত্তৰত অসমৰ অন্যতম বুদ্ধিজীৱি সম্প্ৰতি উত্তৰ-পূৰ্বাঞ্চল বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপক ড° অপূৰ্ব কুমাৰ বৰুৱাৰ মন্তব্য উল্লেখ্য। তেওঁৰ মতে — The Nepalese settled down in villages and there was every possibility of their coming into conflict with the Assamese peasantry. But what saved the situation was that the Nepalese slowely got assimilated with the Assamese (Social Tension in Assam : Middle class Politics, 1996 p. 37) সি যি কি নহওক, এনে এক পটভূমিৰ ভিত্তিতেই চাগে অসম আন্দোলনৰ আৰম্ভণিতেই নহ'লেও পৰৱৰ্তী পৰ্যায়ত বিদেশী নেপালী চিনাক্তকৰণ আৰু বহিস্কৰণৰ কথাটোৱে গুৰুত্ব পাবলৈ আৰম্ভ কৰে।

ইয়াৰ প্ৰথম পদক্ষেপ ৰূপে ১৯৭৯ চনত মংগলদৈ লোকসভাৰ মধ্যকালীন নিৰ্বাচনৰ আগমুহূৰ্তত ভোটাৰ তালিকাত বহু সংখ্যক সন্দেহযুক্ত বিদেশী নাগৰিকৰ নাম সন্নিবিষ্ট থকাৰ অজুহাতত কৰ্তৃপক্ষই ভোটাৰ তালিকাৰ সংশোধনীৰ কাম আৰম্ভ কৰিছিল। সন্দেহযুক্ত বাংলাদেশী নাগৰিকৰ নাম ভোটাৰ তালিকাৰ পৰা বাদ দিয়াৰ লগতে এক বুজন সংখ্যক নেপালীলোকৰ নামো পৰিকল্পিতবাৱে উঠাই দি থলুৱা নেপালীলোকৰ মাজত এক অভূতপূৰ্ব আশংকাৰ সৃষ্টি হৈছিল। এনে প্ৰেক্ষাপটত ১৯৭৯ চনৰ ২০ জুলাইত অসম গোৰ্খা সন্মিলনে ভাৰত চৰকাৰৰ গৃহমন্ত্ৰীৰ হাতত স্মাৰকপত্ৰ প্ৰদান কৰি যুক্তিসহকাৰে কয় — Thousands of Nepali speaking Indians in the region and particularly in the Mangaldoi Sub-Division of Assam, who are permanent inhabitants of the area and who since decades have been enjoying all the rights and privileges

as any other citizens, are being labelled as foreigners. Attempts are being made to de-enfranchise them. The way the police has acted against the innocent people in the name of detecting foreigners has given rise to the suspicion in the minds of the Nepali speaking people that there is deliberate attempt to de-enfranchise them .... It is therefore, natural that a sense of insecurity and panic has been created in the minds of these true citizens of the land .... Meantime we demand that the lists of foreigners prepared by the police by excluding names of thousands of Indian Nepalese using threats and other objectionable methods should be scrapped অনুৰূপধৰণে বিদেশী বহিস্কাৰ আন্দোলন যেতিয়া তীব্ৰ গতিত চলি আছিল তেনে অৱস্থাত অসমৰ বিভিন্ন ঠাইবোৰত স্থায়ীভাৱে বসবাস কৰি জীৱিকা নিৰ্বাহ কৰা মাটি খোৱা থলুৱা নেপালীলোকৰ ওপৰত বিদেশীৰ লেবেল মাৰি চৰকাৰৰ পৃষ্ঠপোষকতাত বিশেষকৈ আসাম পুলিচ বাহিনীয়ে যি অকথ্য, অভব্য আৰু অবৰ্ণনীয় হাৰাশাস্তি কৰিছিল তাৰ বিস্তৃত বিৱৰণ সদৌ অসম নেপালী ছাত্ৰ সন্থাৰ (আনছু) উদ্যোগত ১৯৮০ চনৰ ২০ জুনত মূল আন্দোলনকাৰী সন্থা আছুক আমন্ত্ৰণ কৰি অনুষ্ঠিত কৰা এক যুটীয়া সভাত থলুৱা নেপালীলোকক আন্দোলনকাৰীৰ হেঁচাত চৰকাৰী বাহিনীয়ে কৰা অত্যাচাৰ, অপমান আৰু অবিচাৰ বিৱৰণযুক্ত এটা প্ৰতিলিপি আছুৰ হাতত প্ৰদান কৰিছিল। এই বিস্তৃত বিৱৰণ হুবহুভাৱে ইয়াত দাঙি ধৰা হৈছে।

A brief list of atrocities upon Nepali people of Assam

1. The notice imposing restriction on recruitment on Nepali Nationals issued by the Government of india during February 1976, has created serious among local Nepalese due misinterpreation of the word "Nepali" National". "Nepali National" means only the citizen of Nepal and not Indian Nepalese. The Government officials stopped recruitment of Indian Nepalese who are having sufficient proofs of being an Indian. Onapproach to the Government by the "All Assam Nepali Students' Union" and other social Organisation for clarification of the accurate connotation of the above notice, it was verbally clarified to some extent. But it is still ambiguous to a much

more extent in absence of any clarification in black and white.

2. In 1973, heavy eviction about 1200 families of Nepalese was made at Bhangnamari of Kamrup District and they suffered a lot of atrocities though, in fact, they were bonafide citizens of India residing on the authorised lands alloted even before Lord William Bentick (1925-32). On approach by the "All Gauhati Nepali Students' Union" and "Assam Gorkha Sammellan" to the Government of Assam, the cases were examined and rehabilitation of those evacuees was done accordingly.

3. Time to time evictions of the Nepali people born in Assam are being made from various places treating them Foreigners without proper checking.

4. During the corrections of voters list of Mangaldai Constituency of Darrang District in last June '79 at the time of parliamentary by-election more than 47,600 voters were served with notices of suspecting them as Foreigners. Out of them, about 19,000 (@ 40%) were Nepalese. Though they had valid documents to prove their Indian citizenship. They were rehected as voters. Their documents were torn, set on fire and thrown away by the hearing authorities. Seized documents have not yet been returned to the owners by Police authorities.

5. People in various villages mostly those of Darrang, Kamrup, Lakhimpur, Nowgang, Sibsagar Districts have been intimidated severely and as a result, thousands of people from various parts have already left Assam and have taken shelter in Nepal as refugees who had never before been there at any time.

Nepali families from various parts of Assam were taken by police on Bus/Truck and left them over to Assam Border. They have been tortured severely. Even ladies under maternity period were allowed no excuse.

6. Hundreds of Nepali people travelling by trains have

been harassed by the police at Fakiragram, Kokrajhar, New Bongaigaon, Bongaigoan, Gauhati and other railway stations. They have been detained at mid-stations and tortured. Their personal money, gold ornaments, Khukuris seized at the time of arrest were not returned when released. Hundreds of people who were sent to Borders gate in the quit Assam operation were not taken to the destination and left in the mid-way without food and other help. Reports are there that the police lifted Nepali families during mid night from their houses and carried them to police station and out post, amongst them numerous persons are still untraceable.

7. During October, 1979 SP/ Lakhimpur issued leave India Notices to 22 families of Bihpuria Ps who were bonafide Indian citizens. Had the case not been taken up by the Assam Gorkha Sammelan in time and settled with the higher Government officials, hundreds of such notices would have been served against such other innocent and genuine citizens.

8. At the time of correction of voters list for the mid term poll of January. 1980, enumerators at several places did not accept the names of bonafide Nepali speaking citizens in Assam. They wilfully ignored and omitted various names of lakhs of persons born and brought up in Assam were called for hearing of their proofs all over Assam and most of them were rejected. though they produced sufficient proofs of their citizenship. There are authentic reports that objections in this regard were filed by one stranger against hundred persons. Unlawful treatment and injustice were practised upon the bonafide Nepali speaking Indian citizens of Assam. Even army wives were suspected as foreigners were suspected as non-Indian while their parents were proud of Assam. Assam born and educated Professors. Doctors, Advocates were enlisted in the objection list.

Nepali community. Complaints against Nepali MLAs, Councillors, Presidents and Members of Gram Panchayats were complained against by stating that they were elected by illegal voters. Names of villagers were completely omitted from the voter list. Nepali speaking citizens of Assam were really seriously harassed and intimidated during those periods and it is still so in the interior and remote areas.

9. During 1st week of May, 1980, a group of local people visited various places of Nepali concentration during day and informed them to vacate the land within 10th May, 1980, failing which they will have to loose everything for instance Gosala Pahar and Bargaon etc.

এইখিনিতে উল্লেখ্য যে বিদেশী বহিস্কাৰ আন্দোলন শীৰ্ষ পৰ্যায়ত উপনিত হওঁতে ১৯৮৩ চনত অসমত মধ্যকালীন সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হৈছিল। এই নিৰ্বাচনক 'অবৈধ' বুলি ঘোষণা কৰি অসম আন্দোলনকাৰীহঁতে ইয়াৰ তীব্ৰ প্ৰতিবাদ জনাইছিল আৰু সকলো ভোটদাতা ৰাইজক এই 'অবৈধ' নিৰ্বাচন বৰ্জন কৰিবলৈ আহ্বান জনাইছিল। আৰু যি সকল ভোটদাতাই এই নিৰ্বাচনত সহযোগিতা কৰাৰ উমান বা ইংগিত পাইছিল তেনেলোকৰ ওপৰত আন্দোলনকাৰীহঁতে চৰম ব্যৱস্থা ল'বলৈ কুণ্ঠাবোধ কৰা নাছিল। বিশেষকৈ অসমৰ ধৰ্মীয় আৰু ভাষিক সংখ্যালঘু জনগোষ্ঠীৰ ওপৰত আন্দোলনকাৰীহঁতে সদায় দৃষ্টি নিক্ষেপ কৰিছিল কিয়নো তেওঁলোকৰ মতে এনে জনগোষ্ঠীবোৰৰ সিংহভাগেই ৰাষ্ট্ৰীয় দল কংগ্ৰেছ(ই) সমৰ্থক বুলি এক বদ্ধমূল ধাৰণা আছিল। আন্দোলনকাৰীহঁতে প্ৰয়াত হিতেশ্বৰ শইকীয়া নেতৃত্বাধীন অসম কংগ্ৰেছ(ই) দলক অসমৰ 'গণশত্ৰু' বুলি দোষাৰোপ কৰিছিল। তেনে প্ৰেক্ষাপটত ঠায়ে ঠায়ে ধৰ্মীয় আৰু ভাৰ্ষিক সংখ্যালঘু লোকে অবৰ্ণনীয় অত্যাচাৰৰ বলি হোৱাতো অস্বাভাৱিক নাছিল। ভাষিক সংখ্যালঘু নেপালী সম্প্ৰদায়ো ঠাই বিশেষে এনে অত্যাচাৰৰ পৰা হাত সাৰিব পৰা নাছিল। এনে অকথ্য আৰু অভাৱনীয় অত্যাচাৰৰ ভিত্তি কৰি গুৱাহাটীস্থ নৱধ্বনি সংগঠন (১৯৬৯)য়ে ১৯৮৮ চনৰ ৩০ এপ্ৰিলত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ হাতত এখন স্মাৰক-পত্ৰ প্ৰদান কৰি ইয়াৰ সম্ভাব্য সমাধানৰ উপায়ো আগবঢ়াই কয় — The agitationists attacked on the Nepalese of Durpang Village of Gahpur on 13.2.83. As a result, residential houses of 66 families were completely burnt into ashes and damage was caused

to the property of amount Rs. 16 lacs. A number of ladies and children have been injured. As the agitationists attacked at 12 hours in the day, a few of them have been identified by the villagers. Giving a list of the names of identified persons, the villagers have given a police report to the local police station but no action has been taken against the culprit so far. In this matter, the State Government has also utterly failed. As a result, a sense of insecurity and fear is prevalent amongst the minority communities of the State and it is the responsibility of the Central Government also to remove the same. Amongst the minority communities of Assam, the Nepalese are the lowest in number i.e. about 20 lacs. Therefore, for removing the sense of insecurity and fear from their mind, the center should take strong attitude and depute CRPF and BSF personnel to bring the culprits to book and punish them rigorously. As it is now obviously clear that most of the Assam police personnel have openly taken part in the recent violent incidents, the Nepali minority should be equipped with weapon like Gun so that they may defend their persons and villages ..... Hojaigaon village of Bodsola constituency and Tezpur Mohkuma was attacked on 13.2.83 and houses of a familiy along with a temple were burnt to ashes. A youth named Gyan Bahadur Newar sustained serious injury and on 22.5.83 Surya Bahadur Upadhyay was shot dead by Assam police personnel for nothing and the dead body was taken away in their custody which is still untraceable শেহতীয়াকৈ ভাৰতৰ প্ৰধানমন্ত্ৰীৰ হাতত এখনি স্মাৰক-পত্ৰ প্ৰদান কৰি অসম গোৰ্খা সন্মিলনেও ক্ষোভেৰে কৈছিল যে — That Sir, we are submitting a few examples how Gurkhas are being harassed in Assam by the police personnel. Recently the Azara Police Station of kamrup district (adjacent to Borjhar Airport) sent a notice dated 29.09.98 to one Gorkha Sri Tika Ram Sarma, aged 58 years, village

Khikuchi (in front of Green Land Nursing Home) P.O. & P.S. Azara, Dist Kamrup, Assam which reads as follows : "You are informed that on the basis of your statement made to the police on 29.9.98, there is reason to support on your citizenship. Therefore you are hereby notified to submit your proof of citizenship together with other documents to the undersigned within 15 days of receipt of this notice. Otherwise action will be taken against you as per law." Similarly one Sri Hemraj Sarma and Shri Prem Prasad Acharjya were arrested by the same police of Azara P.S. on 08.10.98 in GR case no 9565/98 u/s 13/14 Foreigners Act. Both of them have since been released on bail but the case in still continuing in court at Guwahati. মুঠতে নিৰপৰাধী থলুৱা নেপালীলোকৰ ওপৰত আন্দোলনকাৰীৰ সমান্তৰালভাৱে চৰকাৰী পুলিচ বাহিনীয়ে চলোৱা অত্যাচাৰৰ পৰিণতিত তেওঁলোকে যি দুৰ্বিসহ বেদনা আৰু সমস্যাত পৰে তাৰ পৰা তেওঁলোকক মুক্তি দিবৰ বাবে কেন্দ্ৰীয় চৰকাৰক টানি অনুৰোধ কৰা দেখা যায়। আৰু যদিহে নেপালীলোকৰ ওপৰত হোৱা অত্যাচাৰ বন্ধ কৰিব নোৱাৰে অথবা সমস্যাসমূহৰ সমাধান দিব নোৱাৰে তেন্তে অসমৰ থলুৱা নেপালীসকলৰ বাবে এখন সুকীয়া ৰাজ্য দিব লাগে বুলি উপৰোক্ত স্মাৰক পত্ৰখনিত উল্লেখ কৰি নৱধ্বনি সংগঠন সভাপতি অনুৰাগ প্ৰধানে কয় — If it is not possible to fulfil the above aspiration of the Nepali people, a separate State comprising the Nepali area of Assam may be formed on the footing of Arunachal Pradesh and there is no other alternative for the safety, security and the very existence of the Nepali minority মুঠতে অসমৰ বিদেশী খেদা আন্দোলন আৰু ইয়াৰে পাৰ্শ্বক্ৰিয়াৰূপে ঘটা সমসাময়িক ঘটনাবোৰে থলুৱা নেপালীলোকৰ ওপৰত যি নেতিবাচক প্ৰভাৱ পেলাইছিল তাৰে প্ৰতিফলন ঘটে এচাম নেপালীলোক নিজৰ সুৰক্ষাৰ বাবে weapon like gun আৰু a separate State গঠনৰ বাবে কৰা দাবীৰ যোগেদি।

পুনৰাবৃত্তিৰে এই কথা ক'ব পাৰি যে Indo Nepal Treaty, 1950 অনুসৰি অসমকে ধৰি ভাৰতৰ যিকোনো প্ৰান্তলৈ নেপালী নাগৰিক অহাতো বৈধ আৰু তদ্ৰূপ ভাৰতীয় নাগৰিকেও নেপালৰ যিকোনো ঠাইলৈ চাকৰি-বাকৰি, ব্যৱসায়-বাণিজ্য চলায় বসবাস কৰিব পাৰে। অৱশ্যে ইয়াৰ অৰ্থ এইটো নহয় যে নেপালৰ পৰা অবাধ প্ৰব্ৰজন

অসমলৈ হৈ থাকক। লগতে এই কথাও অনস্বীকাৰ্য যে উপৰোক্ত চুক্তিৰ সুবিধা লৈ কেতবোৰ নেপালী নাগৰিক অসমলৈ আহি নথকা নহয়। কিন্তু কিহৰ ভিত্তিত বিগত ১৯৬৬-৭১ চনৰ ভিতৰত অসমলৈ অবৈধভাৱে প্ৰবেশ কৰা ৪৬,৪০৪ জন নেপালী প্ৰব্ৰজনকাৰীক চিনাক্তকৰণ কৰি বহিস্কাৰ কৰা হ'ল বুলি অসম বিধান সভাত অসম চুক্তি ৰূপায়ণ মন্ত্ৰী ডাঃ ভূমিধৰ বৰ্মনে এই তথ্য দাঙি ধৰিছিল সি এক সাঁথৰ অথবা ৰাজনীতিৰ মেৰপাক লগা মন্তব্য যেন লাগে (The Assam Tribune 17 March 1994)। অৱশ্যে এই সময়ছোৱাত নেপালীলোকৰ প্ৰব্ৰজন সৰ্বাধিক ক্ৰিয় হৈছিল তাৰ কাৰণ অসমৰ অন্যতম বুদ্ধিজীৱি ড° শিৱনাথ বৰ্মনৰ মন্তব্য এনেধৰণৰ — "নেপালীলোকৰ অনুপ্ৰবেশৰ হাৰ আটাইতকৈ বেছি আছিল ১৯৬১ ৰ দশকত (শতকৰা ৪৮% ভাগ)। ইয়াৰ কাৰণ হ'ল ১৯৫০ চনত ভাৰত আৰু নেপাল চৰকাৰৰ মাজত হোৱা 'ভাৰত-নেপাল মৈত্ৰী চুক্তি'। এই চুক্তিমতে ভাৰতীয়লোকে নেপালত আৰু নেপালীলোকে ভাৰতত চাকৰি-বাকৰি, ব্যৱসায়-বাণিজ্য, গতি-বিধি সকলোতে থলুৱা লোকৰ সমানেই সা-সুবিধা পাব পৰা হ'ল। এই সুবিধাত বহু সংখ্যক নেপালীলোক অসমলৈ আহে আৰু পাহাৰৰ নামনি নৈৰ কাষৰ হাবিতলীয়া অঞ্চলবিলাকত থাকিবলৈ লয় ..... প্ৰব্ৰজনৰ পৰিমাণ বৃদ্ধি পোৱাত ১৯৭৬ চনৰ ৩০জুলাই তাৰিখে অসম তথা পূৰ্ব ভাৰতত নেপালীৰ প্ৰৱেশ নিয়ন্ত্ৰণৰ অৰ্থে ভাৰত চৰকাৰে 'সীমান্ত অঞ্চল পাৰপত্ৰ (Restricted Area Permit)ৰ ব্যৱস্থা কৰে"। এনে চৰকাৰী ব্যৱস্থাৰ বিদেশী বহিস্কাৰ আন্দোলন আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ কথাতো হৈছে সদৌ অসম নেপালী ছাত্ৰ সন্থাই (চমুকৈ আনছু) গ্ৰহণ কৰা কেতবোৰ পদক্ষেপৰ কাৰণে ১৯৭১ পাছৰ ছোৱাত নেপালী প্ৰব্ৰজন যথেষ্ট পৰিমাণে হ্ৰাস পায়। এই পদক্ষেপসমূহ হ'ল — All the Nepali speaking Indian citizens residing in Assam have been advised : (i) To prevent new comers from illegal occupation on Government lands. If any Nepali national is found to have such holding, the matter should be informed to the local authorities; (ii) Any citizen of Nepali community having dual citizenship should retain only one citizenship of either the country; (ii) They should not accept any foreigners for the sake of relation by any means and (iv) They should not occupy government land illegally (An appeal prepared and read by D.M. Pradhan, General Secretary Assam Nepali students' in the 'All Assam students' Union' meeting held in the Gauhati University Cam-

pus on 22 June 1980)। আনছুৰ এনে আহ্বানৰ প্ৰতি সঁহাৰি জনাই থলুৱা নেপালীলোকে বিশেষকৈ বিদেশী খেদা আন্দোলনৰ পৰৱৰ্তীকালত অবৈধ নেপালী নাগৰিকৰ অবাধ প্ৰব্ৰজন বন্ধ হৈছে যাৰ বাবে হয়তো নেপালী প্ৰব্ৰজনৰ বিষয়ে সিমান গুৰুত্ব পোনা নাছিল যিমান পাইছিল বাংলাদেশী প্ৰব্ৰজন প্ৰশ্নই। অৱশ্যে বিদেশী চিনাক্তকৰণ আৰু বিভাজনৰ নামত তথাকথিত অসমীয়া চৰকাৰী কৰ্মচাৰীৰ হাতত অসংখ্য থলুৱা নেপালীলোক দুৰ্দশাগ্ৰস্ত অপমানিত আৰু ভীতিগ্ৰস্ত হোৱাটো অনস্বীকাৰ্য।

সি যি কি নহওক, বিদেশী বহিস্কাৰ আন্দোলনৰ সময়ত নেপালীসকলৰ বহিস্কাৰৰ দাবীত উঠিছিল যদিও তেনে দাবী বাংলাদেশী বহিস্কৰণৰ দাবীৰ সমান তীব্ৰ হোৱা নাছিল। তাৰ কাৰণবোৰ অসমৰ এগৰাকী আগশাৰীৰ বুদ্ধিজীৱি ড° শিৱনাথ বৰ্মনে তিনিটা ভাগত দেখুৱাইছে। "প্ৰথম বাংলাদেশীৰ তুলনাত এওঁলোকৰ (নেপালীলোকৰ) সংখ্যা কম; দ্বিতীয় তেওঁলোকৰ জীৱন নিৰ্বাহৰ বৃত্তিসমূহ এনে ধৰণৰ যে সিবিলাক অসমৰ চহৰীয়া মধ্যবিত্ত শ্ৰেণীটোৰ প্ৰতিবন্ধক নহয়, বৰং সহায়কহে; তৃতীয়তে তেওঁলোকৰ সৰহভাগেই সমাজৰ খাটিখোৱা শ্ৰেমীৰ লোক হোৱা বাবে — তেওঁলোকে অসমত সাংস্কৃতিক তথা ভাষিক আধিপত্যৰ বাবে সোনকালে চেষ্টা চলোৱাৰ কোনো সম্ভাৱনা নাই" (**শিৱনাথ বৰ্মন, স্বদেশ স্বমত, গুৱাহাটী, পৃঃ ১২**)। তদ্ৰূপ ডিব্ৰুগড় উকীল সন্থাৰ সদস্য সমাজ সচেতক বিশ্বজিৎ বৰুৱাৰ মন্তব্য এনেধৰণৰ যে — "ইতিমধ্যে অসমত যিখিনি নেপালী প্ৰবেশ কৰিলে, সেইখিনিৰ পৰা আমাৰ বোধেৰে বিশেষ ভয়ৰ কাৰণ নাই। কিয়নো উত্তৰ পাৰৰ সৰহ সংখ্যক নেপালীলোকেই সহজতেই অসমীয়া সংস্কৃতিৰ সোঁতটোক আকোঁৱালি লৈছে আৰু মধ্যবিত্ত অসমীয়া সমাজখনৰ সৈতেও কোনো প্ৰকাৰৰ সংঘৰ্ষত লিপ্ত হোৱা নাই ..... আমি যদি পৰিকল্পিতভাৱে এই নেপালীসকলক 'অসমীয়া'ৰূপে তৈয়াৰ কৰাৰ এটা প্ৰক্ৰিয়া চলাই যাওঁ তেন্তে নিঃসন্দেহে আমি সফল হ'ম..... আছু, জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে নিশ্চয় এই চকাটোত তেল, মবিল দিব পাৰে। অসমত বাস কৰা নেপালীসকলৰ বিশেষ কোনো ৰাজনৈতিক অভিলাষৰ কথা আমি নুশুনিলো বা দেখা নাপালো" (**বিশ্বজিৎ বৰুৱা, নেপালী অনুপ্ৰবেশৰ সমস্যাটো বাংলাদেশী অনুপ্ৰবেশৰ সমস্যাটোৰ দৰেই ভয়াবহ নে? তিনিদিনীয়া অগ্ৰদূত ২৩ নবেম্বৰ ১৯৮৬**)। তৎস্বত্বেও বিদেশী খেদা আন্দোলন আৰু তাৰ ফলত পৰৱৰ্তীকালত ভোটাৰ তালিকাৰ সংশোধনীৰ সময়ত এই লেখকে নিজেই যি ভয় আৰু আশংকাৰ লগতে অসম চৰকাৰৰ উগ্ৰ জাতীয়তাবাদী চৰকাৰী বিষয়াৰ দ্বাৰা অযথা হাৰা-শাস্তিৰ সন্মুখীন হৈছিল তেনে অভব্য তিক্ত অভিজ্ঞতাৰ বিৱৰণেৰে এই লেখাটিৰ সামৰণি মাৰিবলৈ লৈছো।

বিদেশী খেদা আন্দোলনে তীব্ৰৰ পৰা তীব্ৰতৰ ৰূপ লৈ গৈ আছে। আবাল-

বৃদ্ধ-বনিতা সকলোৱে ইয়াত অভূতপূৰ্বভাৱে জপিয়াই পৰিছে; আমাৰ ঘৰৰ আগেদি আনকি সাঁজ লগাৰ সময়ত জাকে জাকে আন্দোলনকাৰীইঁতে হাতে হাতে জোৰ লৈ শ্লগান গাই যোৱা দেখি আমি স্বাভাৱিকতেই আতংকিত হৈছিলো। দিন তাৰিখ সঠিকভাৱে মনত নাই। বিশ্ববিদ্যালয় অনিৰ্দিষ্ট কাললৈ বন্ধ হৈ পৰাত ময়ো ঘৰৰ চাৰিবেৰৰ মাজত আবদ্ধ হৈ আছো। তাতে আমাৰ গাঁওখনত নেপালী পৰিয়ালৰ সংখ্যা কেৱল তিনিটা; আগফালে মৰাণ চাহ বাগিচা আৰু পাছফালে অসমীয়া গাঁও। আমাৰ ঘৰৰ পাছফালৰ বাহনিৰ মালিক ধৰক বৰা উপাধিৰ মোৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষাগুৰু। এদিন হঠাৎ আমাৰ ঘৰলৈ আহি আন্দোলনৰ প্ৰসংগত কথোপকথন চলি থাকোতে বৰা চাৰেঁ আমাক অভয় প্ৰদান কৰাৰ পৰিবৰ্তে যি কথা ক'লে তাকে শুনি আমাৰ ঘৰৰ সকলো সদস্যৰে নহ'লেও মোৰ হ'লে কিন্তু আতংকত হাত-ভৰি পেটতে লুকাই থাকিল। তেওঁ ক'লে যে আমি হেনো বিদেশী আৰু অসম এৰাতো আমাৰ বাধ্যতামূলক হৈ পৰিছে। তদুপৰি বৰা চাৰে এইটোও ক'লে যে আমি নেপাললৈ যোৱাৰ আগে আগে আমাৰ পোহনীয়া জীৱ-জন্তু যেনে গাই-গৰু, ছাগলী-গাহৰি আৰু হাঁহ-কুকুৰাকে আদি কৰি খেৰি ঘৰ পৰ্যন্ত তেওঁলোকৰ হাতত কোনো অনিষ্ট নকৰাকৈ চমজাই যাব লাগিব। লগতে খেতি কৰা মাটি ভেটিও চমজাই থ'ব লাগিব। আমি যে জন্মভূমি অসম চিৰদিনৰ বাবে এৰি থৈ যাব লাগিব সি অন্ততঃ খন্তেকৰ কাৰণে হ'লেও মোৰ ধাৰণাত খাটাং হৈ পৰিছিল আৰু এক দুৰ্বিসহ বেদনাই মোৰ মন ভাৰাক্ৰান্ত কৰি তুলিছিল। আমি নেপালী মুলৰ অসমীয়া হোৱাৰ বাবেই এনে ভাবুকি পাইছিলো তাক অস্বীকাৰ কৰিব পাৰি জানো? থলুৱা নেপালীৰ ওপৰত বিদেশী খেদা আন্দোলনৰ ই এক কু-প্ৰভাৱ নহয় জানো?

দ্বিতীয়তে বিদেশী খেদা আনুষ্ঠানিক পদক্ষেপৰ অংশ ৰূপে ভোটাৰ তালিকাৰ পৰা সন্দেহযুক্ত (অৰ্থাৎ) নাগৰিকৰ নাম সংশ্লিষ্ট ব্যক্তিক নাগৰিকত্ব প্ৰমাণ কৰিবলৈ কোনো সুবিধা নিদিয়াকৈ তথাকথিত অসমীয়া চৰকাৰী কৰ্মচাৰী আৰু বিষয়াই ইচ্ছাকৃতভাৱে অসংখ্য থলুৱা নেপালী ভোটাৰৰ নাম ভোটাৰ তালিকাৰ পৰা উঠাই দিয়ে। তেতিয়া মই মৰাণ কলেজৰ এগৰাকী অধ্যাপক আৰু কলেজখন স্থানীয় এলেকাত হোৱাৰ বাবে মোক পাৰ্শ্ববৰ্তী এলেকাৰ আগতকৈ অধিকসংখ্যক মানুহে মোক অধ্যাপকৰূপে চিনি পোৱা হ'ল। সেয়েহে চাগে পত্নীসহ মোৰ নাম মৰাণ টাউনৰ ভোটাৰ তালিকাত উঠিল। কিন্তু দুৰ্ভাগ্যবশতঃ মোৰ গাঁৱত বাস কৰা পিতৃ-মাতৃৰ নাম হ'লে ভোটাৰ তালিকাৰ পৰা উঠাই দিয়া হ'ল। তাকে লৈ মই ডিব্ৰুগড় জিলা নিৰ্বাচনী কাৰ্যালয়ত পুৰণি ভোটাৰ তালিকা বিচাৰি যাওঁতে তথাকথিত অসমীয়া নিৰ্বাচনী বিষয়া আৰু কৰ্মচাৰীয়ে জানি বুজি মোক অনুগ্ৰহ কৰা স্বত্বেও কোনো সহযোগিতা আগবঢ়াবলৈ অনিচ্ছা কৰাত হতাশ আৰু অপমানিত হৈ মই ঘূৰি আহিবলগীয়া হয়। স্থানীয় উপপ্ৰতি

সমাহৰ্তা ধৰক বৰুৱা উপাধিধাৰীক মোৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষা সাং কৰা চাৰ্টিফিকেট দেখুওৱায়ো কোনো সু-ফল নাপালো। ফলত গাঁৱৰ পিতৃ-মাতৃ বিদেশী আৰু নগৰৰ পুত্ৰ-বোৱাৰী স্বদেশী হোৱাৰ আতংকত মোৰ বুকুয়ে ধান বানিবলৈ ধৰে। কেবাদিনৰ মুৰত মোৰ পৰিয়ালৰে গাঁৱত থকা ভাতৃ শিক্ষকজনে ক'লে যে মোৰ ঘৰৰ ওচৰতে হুছেইন নামৰ প্ৰাক্তন গাঁও পঞ্চায়তৰ সভাপতিৰ ওচৰত ১৯৬৫ চনৰ ভোটাৰ তালিকাৰ এটা প্ৰতিলিপি আছে বুলি সি গম পাইছে। মোৰ চিনাকী হুছেইনক মোৰ আগন্তুক ভয়ংকৰ বিপদৰ কথা জ্ঞাত কৰা মাত্ৰকে তেওঁ ভোটাৰ তালিকাৰ কপি মোৰ হাতত তুলি দি ক'লে যিমান দিন প্ৰয়োজন হয় ৰাখক। তাত চকু ফুৰাই মোৰ পিতৃ-মাতৃৰ নাম পাই মই আনন্দিত হৈ হুছেইনৰ ওচৰত চিৰকৃতজ্ঞ হৈ থাকিলো। ইয়াৰ পাছত কি হ'ল পাঠকে নিশ্চয় বুজি পাইছে। এই সংক্ৰান্তত উপৰোক্ত তথাকথিত অসমীয়া নিৰ্বাচনী বিষয়া-কৰ্মচাৰীয়ে ইচ্ছাকৃতভাৱে মোক লটি-ঘটি কৰি যিভাৱে অপমানিত আৰু ভীতিগ্ৰস্ত কৰিলে তেনে মুহূৰ্তত হুছেইন বাবুয়ে নৈত কক্‌বকাই থকা মানুহজনক কুটা এগছি আগবঢ়াই উদ্ধাৰ কৰিলে তেনে অৱস্থাত মই কাক অধিক বিশ্বস্ত বুলি ভাবিম পাঠকে নিজেই বুজি পাব।

একেবাৰে শেহত আৰু এক অভাৱনীয় আৰু অনাহূত ঘটনাৰ কথা যি ঘটনা মোৰ মৃত্যু নোহোৱা পৰ্যন্ত মানসপটত সজীৱ হৈ থাকিব। ১৯৯৪ আৰু ১৯৯৫ চনত মই মৰাণ কলেজত অধ্যাপনা কৰি থাকোতেই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপকৰ পদত নিযুক্তিৰ বাবে বিজ্ঞাপন অনুযায়ী দুবাৰ সাক্ষাৎকাৰত বহি পাছৰ বাৰত বাছনিত মোৰ নাম উঠিল। অৱশ্যে বিশ্ববিদ্যালয়ৰ অধ্যাপকৰ পদৰ বাবে মই লালায়িত হোৱা নাছিলো যদিও মোৰ শিক্ষাগুৰু তথা পি এইচ ডি কামৰ গাইড একে বিশ্ববিদ্যালয়ৰে প্ৰাধ্যাপক ডক্টৰ গিৰিন ফুকন ছাৰে বাৰে বাৰে বুজনি দিয়াত আবেদন কৰি সাক্ষাৎকাৰত বহিছিলো। মই বাছনি পোৱা কাৰ্যত এচাম প্ৰতিক্ৰিয়াশীল চক্ৰৰ নিদ্ৰা হৰণ হৈছিল আৰু মই যাতে বিশ্ববিদ্যালয়ৰ অধ্যাপক পদত যোগদান নকৰো তাক নিশ্চিত কৰিবলৈ অসৎ উপায় অৱলম্বন কৰি কোনো অস্তিত্ব নথকা সংগঠনৰ নামত বেনামি চিঠি মোলৈ প্ৰেৰণ কৰা হৈছিল। চিঠিখনৰ হুবহু ভাষ্য আছিল এনেধৰণৰ — Respected Professor Rudra Thapa, Don't join Dibrugarh University. You shall be killed by all means. Your life is important or job. It is pledged that you will be killed by all means. Think seriously. This is final warning to you. Thanks. A. Tiger Liberation Force, Commandant Chief. 7.7.95. চিঠিখনৰ খামটোৰ ওপৰত ঠিকনা লিখা আছিল — To, Mr.(Prof) Rudra Thapa (Pol. Sc)

Moran College. P.O. Moran, Dist - Dibrugarh Assam এনেধৰণৰ ভাবুকি দি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্যলৈয়ো এই সংক্ৰান্তত বেনামী লিখা হৈছিল এই বুলি যে Rudra Thapa is a foreign national. Don't allow him to join Dibrugarh University. এনে আইন বিৰোধী পদক্ষেপে ইয়াকে নুবুজায় নে ই ছবছৰীয়া ঐকিহাসিক বিদেশী খেদা আন্দোলনৰ নেতিবাচক প্ৰভাৱৰ ফলাফল স্বৰূপে মোৰ দৰে অন্যান্য বহু থলুৱা নেপালীলোকৰো একেদৰেই ভীতিগ্ৰস্ত হোৱা অৱস্থা মই প্ৰত্যক্ষ কৰিছিলো। ভোটাৰ তালিকা বিচাৰি তথাকথিত অসমীয়া জিলা নিৰ্বাচনী বিষয়া আৰু কৰ্মচাৰীৰ ধমকি খাই অপমানিত হোৱা আৰু সংশ্লিষ্ট উপপ্ৰতি সমাহৰ্তা কাৰ্যালয়বোৰত একে প্ৰকৃতিৰ বিষয়াৰ দ্বাৰা অৱহেলিত আৰু লাঞ্চিত হোৱা থলুৱা নেপালীৰ বৰ্ণনানীত সঁচা কাহিনীৰ কোনো শ্ৰোতা অথবা অনুকম্পা দেখুওৱা লোক নাছিল। এই লেখক নিজেই ভুক্তভোগী হৈ পানীত কক্‌বকাই থকা আপোনজনক দেখিও সহায় কৰিব নোৱাৰা অৱস্থাত অপৰাধবোধ কৰাৰ বাদে কোনো গত্যন্তৰ নাছিল। এই গোটেইখিনি কথা জ্ঞাত হোৱাৰ পাছত বিদেশী খেদা আন্দোলনৰ দ্বাৰা থলুৱা নেপালীলোক ক্ষতিগ্ৰস্ত হোৱা নাছিল বুলি ক'ব পাৰি নে? অৱশ্যে এই গ্ৰন্থখনৰেই সংশ্লিষ্ট স্থানত উল্লেখ কৰা হৈছে যে বিদেশী খেদা আন্দোলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰা ছগৰাকী থলুৱা নেপালী আন্দোলনকাৰীয়ে নিজৰ প্ৰাণ আহুতি দিছিল। পৰৱৰ্তীকালত তেওঁলোকক আন্দোলনকাৰী সংগঠনসমূহে ছহিদৰ মৰ্যাদাও প্ৰদান কৰা দেখা যায়। মুঠ কথাত, বিদেশী খেদা আন্দোলনে থলুৱা নেপালীলোকৰ ওপৰত ইতিবাচক আৰু নেতিবাচক দুয়ো প্ৰকাৰেই প্ৰভাৱ পেলাইছিল যদিও নেতিবাচক দিশতো অধিক বেদনাদায়ক, মৰ্মান্তিক আৰু অবিস্মৰণীয়।

থলুৱা নেপালীক খিলঞ্জীয়া বুলিব পাৰিনে?

অসম বহু জাতি, উপজাতি আৰু জনজাতিৰে ভৰা এখন সংমিশ্রিত ৰাজ্য। অসমীয়া সংস্কৃতি মূলতঃ প্রব্রজনকাৰীৰ সংস্কৃতি আৰু অসমীয়া জাতি প্রব্রজনৰেই ফলশ্রুতি। এই ক্ষেত্রত সাংবিধানিকভাৱে স্বীকৃত অনুসূচিত জাতি আৰু জনজাতিৰ অৰিহণা অপৰিসীম হোৱা স্বত্ত্বেও এইটো সর্বজনবিদিত যে ছশ বছৰীয়া আহোম ৰাজত্ব (১২২৮-১৮২৬) কালত তেওঁলোকৰ উদ্যোগতেই বৰ অসম আৰু বৃহত্তৰ অসমীয়া জাতি গঠনৰ প্রক্রিয়া আৰম্ভ হৈছিল। এতিয়া কথা হ'ল, যিসকলৰ দ্বাৰা বৃহত্তৰ অসমীয়া জাতিৰ বৰ ভেটি গঢ় লৈ উঠিছিল, তেওঁলোকো এসময়ত অসমলৈ (তেতিয়াৰ অসমক প্রাগজ্যোতিষপুৰ বা কামৰূপ যিয়েই নকওঁক) অহা প্রব্রজনকাৰী। আমি বিদ্যালয়ত পঢ়া বুৰঞ্জীৰ মঁতে, চাওলুং চুকাফাই হেনো ৰজা হৈ শাসন কৰিবলৈ ৰাজ্য আৰু প্রজাৰ সন্ধানৰ অভিযানত তেতিয়াৰ অসমত প্রৱেশ কৰিছিল। কালক্রমত তেওঁলোকে হাড়ে-হিমজুৱে অসমৰ খিলঞ্জীয়া লোক হৈ পৰে। ঠিক তেনে উদ্দেশ্যৰে প্রাচীন ভাৰতলৈ প্রব্রজিত হোৱা আর্য আৰু দ্রাবিড় গোষ্ঠীৰ লোকো পৰৱর্তীকালত আহোম ৰাজ অনুগ্রহতে আর্য বংশোদ্ভৱ পুৰোহিত শ্রেণীৰ ৰাজ্যলৈ আমদানি হৈছিল। মুছলমানসকলো ৰাজ্য বিস্তাৰৰ উদ্দেশ্যে ভাৰত তথা অসম আক্রমণ কৰিবলৈ আহি থাকি গ'ল আৰু আন এচাম থলুৱালোকো মুছলিম ধর্মত দীক্ষিত হৈ প্রথম চামৰ লগত যোগদান কৰে। প্রশাসনিক সুবিধার্থে ব্রিটিছে ইংৰাজী ভাষা জনা বঙালী বাবু-মহৰীক অসমলৈ আনিছিল। একেদৰেই চাহ বাগানত কাম কৰিবলৈ ভাৰতৰ বিভিন্ন প্রদেশৰ পৰা সস্তীয়া জনজাতীয় মজদুৰসকলক ঔপনিৱেশিক শাসকে অসমলৈ আমদানি কৰিছিল। এনে মজদুৰসকলেও অসমৰ চাহ গছত লগা সোণগুটিৰ প্রলোভনৰ বশৱর্তী হৈ ইয়ালৈ আহে। প্রতিবেশী ৰাষ্ট্র নেপালৰ পৰাও ব্রিটিছ ভাৰতৰ মিলিটেৰী চাকুৰিত ভর্তি হোৱা আশাৰ লগতে জীৱিকাৰ সন্ধানত দুখীয়া নেপালীলোক অসম তথা ভাৰতৰ অন্যান্য ঠাইবোৰলৈ প্রব্রজিত হৈছিল। মুঠতে, সম্প্রতি জনজাতি বুলি স্বীকৃত লোকসকলক বাদ দিলে অসমৰ প্রায় সকলো জাতি-সম্প্রদায়, গোষ্ঠীবিলাকে নিঃস্বার্থভাৱে সেৱাৰ যোগেদি অসমক উন্নতি কৰিবলৈ ইয়ালৈ অহা নাছিল; বৰঞ্চ ইতিহাসৰ বিভিন্ন পর্যায়ত নিজ নিজ স্বার্থ পূৰণার্থে অসমলৈ প্রব্রজিত হৈছিল। কালক্রমত স্থায়ীভাৱে থাকি

স্বতঃস্ফূৰ্তভাৱে ৰাজ্যৰ খিলঞ্জীয়া আৰু থলুৱালোক হৈ পৰে।

সি যি কি নহওক, সম্প্ৰতি অসমত আৱহমান কালৰ পৰাই বসবাস কৰি থকা কোন কোন জনগোষ্ঠী খিলঞ্জীয়া লোক তাকে কেন্দ্ৰ কৰি ৰাজ্যজুৰি এক বিতৰ্কৰ সৃষ্টি হৈছে আৰু বিভিন্নজনে এই সংক্ৰান্তত বিভিন্ন মত প্ৰকাশ কৰি আহিছে। এনে পৰিপ্ৰেক্ষিতত খিলঞ্জীয়া শব্দৰ সংজ্ঞানো কি আৰু থলুৱা নেপালী জনগোষ্ঠীক খিলঞ্জীয়া বুলি ক'ব পাৰিনে তাৰে ওপৰত চমুকৈ এই নিবন্ধটিত আলোচনা কৰা হৈছে। প্ৰথমতে খিলঞ্জীয়া শব্দৰ আভিধানিক অৰ্থ কি চোৱা যাওক। 'হেমকোষ' অভিধানৰ মতে, খিলঞ্জীয়া মানে প্ৰাচীন, পুৰণি, বহু পুৰুষলৈকে একে ঠাইতে থকা অৰ্থাৎ বহুকাল পৰ্যন্ত নিৰ্বাস নসলোৱা। অসম সাহিত্য সভাৰ সৌজন্যত প্ৰকাশিত 'আধুনিক অসমীয়া শব্দকোষ'ৰ মতে খিলঞ্জীয়া মানে চিৰদিনীয়া, লৰচৰ নকৰাকৈ স্থায়ীভাৱে থকা। বহুকাল একে ঠাইতে থকা মানুহ, প্ৰাচীন (মানুহ), বহুপুৰুষে ভোগ কৰা (মাটিবাৰী)। গুৱাহাটীস্থ বীণা লাইব্ৰেৰী দ্বাৰা প্ৰকাশিত (১৯৫২) আৰু গিৰিধৰ শৰ্মা দ্বাৰা সংকলিত অসমীয়া অভিধান মতে খিলঞ্জীয়া মানে 'চিৰদিনীয়া, বহুকাল একে ঠাইতে থকা, প্ৰাচীন, বহু পুৰুষে ভোগ কৰা। শেষত সুমন্ত চলিহাৰ সমাৰ্থক শব্দকোষ আৰু অভিধান অনুসৰি খিলঞ্জীয়া মানে থলুৱা, স্থানীয় ইত্যাদি। এই অভিধানবোৰত থকা খিলঞ্জীয়া শব্দৰ অৰ্থ আৰু সংজ্ঞা যদি ৰাজ্যৰ জনজাতিবোৰকে আদি কৰি ওপৰত উল্লিখিত সকলো জনগোষ্ঠীবোৰৰ ক্ষেত্ৰত প্ৰয়োগ কৰা হয়, তেন্তে নিঃসন্দেহে তেওঁলোকক খিলঞ্জীয়া কাঠামোৰৰ ভিতৰত পৰে বুলি ক'ব পাৰি। অৰ্থাৎ অসমৰ খিলঞ্জীয়া লোক হ'বলৈ হ'লে কেতিয়াৰ পৰা ইয়াত বসবাস কৰা হৈছে তাৰ কোনো নিৰ্দিষ্ট দিন বাৰ আৰু চন তাৰিখৰ সীমাৰেখা নাই। সেয়েহে চাগে গোলাঘাটৰ বিশিষ্ট চিকিৎসক তথা নিবন্ধকাৰ ডাঃ অজিত বৰুৱাই — 'অসমক কোনেও কাৰোবাৰ একমাত্ৰ নিজৰ বুলি দাবী কৰিব নোৱাৰে' (আমাৰ অসম ২৭ জুলাই ১৯৯৯) বুলি সজোৰে ক'ব পাৰিছে।

এতিয়া নিবন্ধটিৰ মূল কথালৈ আহো। উল্লিখিত অভিধানবোৰত দেখুওৱা অৰ্থ আৰু সংজ্ঞা মতে কোনো এটা জাতি, উপজাতি, গোষ্ঠী আৰু সম্প্ৰদায়ে অসমৰ খিলঞ্জীয়া লোকৰ মৰ্যাদা পাবলৈ হ'লে তেওঁলোক হয় ইয়াৰ প্ৰাচীন মানুহ হ'ব লাগিব নতুবা বহু পুৰুষলৈকে ইয়াত স্থায়ীভাৱে বসবাস কৰা হ'ব লাগিব। মুঠ কথাত, অসমৰ স্থায়ী বাসিন্দা হ'ব লাগিব। এই দৃষ্টিভংগীৰে চালে তদানীন্তন শাসক শ্ৰেণীৰ আৰু নিজৰে স্বাৰ্থক আগত ৰাখি ইতিহাসৰ বিভিন্ন পৰ্যায়ত অসমৰ নেপালীসকলৰ পূৰ্বপুৰুষে ভাৰতৰ প্ৰতিবেশী ৰাষ্ট্ৰ নেপালৰ পৰা আহি ইয়াত স্থায়ীভাৱে বসবাস কৰি থলুৱা হৈ পৰিছে। উল্লেখ্য যে অসমৰ নেপালীলোকৰ উপস্থিতি সংক্ৰান্তত ১৯৭৬ চনৰ ২৬ ডিচেম্বৰৰ দিনা গুৱাহাটীত অনুষ্ঠিত অসম গোৰ্খা সন্মিলনৰ বাৰ্ষিক অধিৱেশন উপলক্ষে প্ৰকাশিত

স্মৃতিগ্ৰন্থত অসমত নেপালী শীৰ্ষক নিবন্ধ এটিত এগৰাকী বিশিষ্ট সাহিত্যিক অসম সাহিত্য সভাৰ ভূতপূৰ্ব সভাপতি (১৯৭১-৭২) তীৰ্থনাথ শৰ্মাই কৈছে — "শ্ৰীশংকৰদেৱ (১৪৪৯-১৫৬৯)ৰ বা তাৰ অলপ পাছতো নেপালীলোক অসমত আছিল। অসমৰ নগাঁও জিলাত আৰু শিৱসাগৰ জিলাৰ টিয়কত নেপালী সত্ৰ নামৰ দুখন সত্ৰ আছে। দুয়োখন সত্ৰৰ গুৰি ধৰোতা একেটাই। সত্ৰৰ প্ৰথম প্ৰৱৰ্তক বা আজ্ঞাপ্ৰাপ্ত পুৰুষজনৰ নাম আছিল ৰতিকান্ত। তেওঁ এজন নেপালী উপাধ্যায় ব্ৰাহ্মণ আছিল। সেই কাৰণে সত্ৰখনৰ নাম লোকমুখত বাগৰি নেপালী সত্ৰ হ'ল। আজিকালি নেপালী সত্ৰৰ গোসাঁই বংশৰ বহুতেই হয়তো এই কথা নাজানে। তেওঁলোকৰ পূৰ্বপুৰুষ কোনোবা কালতে নেপালী গুচি অসমীয়া হ'ল। একেলেথাৰি তিনিটা কাৰ্যকাল অসম সাহিত্য সভাৰ সম্পাদকৰ ভাৰ চলাওঁতা আৰু উপ-সভাপতি ৰূপেও অলপকাল কাৰ্য কৰোঁতা অধ্যাপক যতীন্দ্ৰনাথ গোস্বামী এই বংশৰে লোক। এনেদৰে এই লিখকে জনামতে বহুতলোক আছে যিসকলৰ পূৰ্বপুৰুষ নেপালী আছিল। সেইবিলাক এতিয়া হাড়ে-হিমজুৱে অসমীয়া, নেপালী ভাষা কোনোবা কালতে পাহৰিলে"। ইয়াৰ পৰা এইটো স্পষ্ট যে অসমলৈ নেপালীলোকৰ প্ৰব্ৰজনৰ ইতিহাস বৰ পুৰণি অৰ্থাৎ সপ্তদশ শতিকা হ'লেও কিন্তু ব্ৰিটিছ ৰাজত্বৰ (১৮২৬-১৯৪৭) পৰাহে বিশেষকৈ ঐতিহাসিক এংলো-গোৰ্খা যুদ্ধ (১৮১৪-১৯১৫) আৰু চুগৌলী চুক্তিৰ (১৮১৫) পিছৰ পৰাহে তেতিয়াৰ অসমলৈ (সম্প্ৰতি উত্তৰ-পূৰ্বাঞ্চল) ব্ৰিটিছৰ প্ৰত্যক্ষ প্ৰেৰণা আৰু পৃষ্ঠপোষকতাতে সৈনিক, পিয়ন, ড্ৰাইভাৰ, চকীদাৰ চাকৰিৰ বাবে আৰু লগতে গাইগৰু পোহ-পাল কৰি গাখীৰৰ ব্যৱসায় কৰিবলৈ নেপালীসকলৰ প্ৰব্ৰজন হৈছিল। ১৯৫০ চনৰ ভাৰত-নেপাল মৈত্ৰী চুক্তিৰ জৰিয়তে স্বাধীন ভাৰতৰ জাতীয় চৰকাৰেও নিজৰ স্বাৰ্থত ভাৰত আৰু নেপাল দুয়োখন দেশৰ নাগৰিকে পৰস্পৰে পৰস্পৰৰ দেশলৈ বিনা অনুমতিত অহা-যোৱা, চাকৰি-ব্যৱসায় আৰু ঘৰ-বাৰী কৰিব পৰাৰ সুযোগ লৈ অসমকে আদি কৰি দেশৰ বিভিন্ন ঠাইলৈ নেপালীলোকৰ প্ৰব্ৰজন ঘটে আৰু বহুতে স্থায়ীভাৱে থাকি যায় যিটো কথা পূৰ্বৰ সংশ্লিষ্ট প্ৰবন্ধবোৰত বিতংকৈ আলোচনা কৰা হৈছে। প্ৰকৃতাৰ্থত অন্যান্য জনগোষ্ঠীৰ নিচিনাকৈ অসমৰ থলুৱা নেপালীলোকেও ঔপনিবেশিক শাসকৰ স্বাৰ্থৰ লগতে নিজৰ জীৱিকাৰ স্বাৰ্থক ভিত্তি কৰি অসমলৈ আহি কেবাপুৰুষ ধৰি স্থায়ীভাৱে থাকোতে স্থানীয় পৰিৱেশৰ সৈতে ইমানেই ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰে যে আদি পুৰুষৰ গৃহলৈ প্ৰত্যাবৰ্তন কৰাৰ কথা চিন্তা কৰিবই নোৱাৰিলে। আন ভাষাত ক'বলৈ গ'লে, অসমৰ অন্ন-বায়ু-জল সেৱনেৰে শৰীৰ-মনৰ পুষ্টিসাধন আৰু ভাষা-সংস্কৃতি গ্ৰহণৰ জৰিয়তে কালক্ৰমত অসমীয়া জাতিৰ এক অবিচ্ছিন্ন অংগ হৈ পৰে, যাক তীৰ্থনাথ শৰ্মাই ক'বৰ দৰে — 'এইদৰে মিলি যাব পৰা গুণ নেপালী সকলৰ আছে আৰু অসমীয়াৰো এই নিচিনাকৈ

সামৰি ল'ব পৰা গুণ আৰু সামৰ্থ্য আছে।' (স্মৃতিগ্ৰন্থ, অসম গোৰ্খা সন্মিলন, গুৱাহাটী ১৯৭৬ পৃঃ ২৬)

সংমিশ্ৰিত অসমীয়া জাতিৰ এক অবিচ্ছেদ্য অংগ হৈ যোৱাৰ কাৰণেই আদিতে ব্ৰিটিছৰ পৃষ্ঠপোষকতাতে প্ৰব্ৰজিত হৈ থলুৱা হোৱা নেপালীসকলে স্বাধীনতা সংগ্ৰামত বগা বগুলক উচ্ছেদ কৰিবলৈ সংগঠিতভাৱে আৰু ব্যক্তিগতভাৱেও মাৰবান্ধি যুঁজ দিয়াৰ ইতিহাস ৰচনা কৰে। প্ৰসংগক্ৰমে এই কথাৰ পুনৰাবৃত্তি কৰা হৈছে যে বিহালীৰ 'ককা' ছবিলাল উপাধ্যায়ে ব্ৰিটিছৰ ভাবুকি আৰু উপঢৌকনক দলিয়াই দি স্বাধীনতা আন্দোলনত সক্ৰিয়ভাৱে জড়িত হৈ থাকি অসম তথা ভাৰতৰ প্ৰতি থকা অগাধ প্ৰেম আৰু দায়বদ্ধতাকে সন্দেহাতীতভাৱে প্ৰতিফলিত কৰে। ডিব্ৰুগড়ৰ 'শ্ৰমিকপ্ৰাণ' দলবীৰসিং লোহাৰ এগৰাকী নিঃস্বাৰ্থ আৰু নিৰ্ভীক মুক্তিসংগ্ৰামী আৰু শ্ৰমিক নেতা। ডিগবৈৰ 'সৰ্বহাৰা' ভক্ত বাহাদুৰ প্ৰধানে ব্ৰিটিছৰ নিমখ খাই মাতৃপ্ৰেমত বলিয়া হৈ নিমখ হাৰামী হ'বলৈ কুণ্ঠাবোধ নকৰি চাকৰি আৰু সা-সম্পত্তি হেৰুৱাই ভিকহু হৈ অসম মাতৃৰ হকে যুঁজ দিয়া ব্যক্তিসকলৰ অন্যতম। বিহালীৰ 'অসম গান্ধী' বিষ্ণুলাল উপাধ্যায়ে ভাৰত ত্যাগ আন্দোলনৰ সময়ত বিহালী থানাত জাতীয় পতাকা উৰুৱাবলৈ যোৱা কথা মেজিষ্ট্ৰেটৰ আগত বীৰদৰ্পে ব্যক্ত কৰি ছাত্ৰাৱস্থাতে ছমাহ কাল জেল খাটিবলগীয়া ঘটনা কোনোগুণে আন খিলঞ্জীয়ালোকতকৈ কম স্বদেশপ্ৰেম নহয়। ১৯৬২ চনৰ ভাৰত-চীন যুদ্ধৰ দৰে ভয়াবহ জাতীয় সংকটৰ সময়তো থলুৱা নেপালীৰ সামগ্ৰিক মানসিকতা আৰু ভূমিকাৰ এখন চিত্ৰ অসম বিধান সভাত তদানীন্তন নেপালী বিধায়ক 'অসম গান্ধী' বিষ্ণুলাল উপাধ্যায়ে দাঙি ধৰিছিল। তেখেতে কৈছিল — The Gorkhas are a fighting race. They have left a brilliant record of their chivalry in the last two great world wars. They felt pride to get recruited in the Rifles and Indian Armies. Fighting in the front line with a powerful enemy for the defence of Motherland is to them only a sport. If some of their fellow mates is lost in fighting, they cann't resist the temptation of taking the lives of a dozen of the enemy in return. The Ex Servicemen of India belonging to different states and the Gorkha Ex-Servicemen of Assam in particular have eagerly volunteerad to be recruited again in the regular Armies for defending the frontiers of India from the Chinese invaders (দ্ৰষ্টব্য ঃ শ্ৰীবিষ্ণুলাল উপাধ্যায় অসমৰ মুখ্যমন্ত্ৰীলৈ সবিনয় নিবেদন পৃঃ ২৩) তদুপৰি এই প্ৰসংগত ২০০৩ চনৰ ২৭ চেপ্তেম্বৰত অসম

সাহিত্য সভা, গোলাঘাট শাখাৰ উদ্যোগত অনুষ্ঠিত 'ফুলচান্দ খাণ্ডেলৱাল বঁটা' অসম সাহিত্য সভাৰ তদানীন্তন সভাপতি ড° বীৰেন্দ্ৰনাথ দত্তৰ হাতত পৰা বঁটা গ্ৰহণ কৰি উপাধ্যায়ে আগবঢ়োৱা মন্তব্যও প্ৰণিধানযোগ্য। তেখেতে কৈছিল — "অতি বিনম্ৰভাবে সভাক এই কথা জনাব খোজো যে মই তেনে কোনো উল্লেখযোগ্য সাহিত্যিক নহওঁ। হওঁ কেৱল সাহিত্যপ্ৰেমী অথবা সাহিত্য সেৱীহে। কেইখনমান কিতাপ লিখি ছপা কৰি উলিয়ালেই কোনোবাজন সাহিত্যিক বোলাব পাৰে বুলি মই নাভাবো। মই অসমীয়া মাধ্যমত পঢ়িছিলো; অসমীয়া ভাষাক ভাল পাওঁ, আদৰ কৰো। বিধান সভাত অসমীয়া ভাষা ৰাজ্যভাষা হ'ব লাগে বুলি নেপালী জনগোষ্ঠীৰ হৈ ঘাইকৈ ব্ৰহ্মপুত্ৰ উপত্যকাৰ নেপালী জনগোষ্ঠীৰ হৈ দৃঢ় মত প্ৰকাশ কৰিছিলো। অসমৰ চৌপাশে স্থায়ীভাৱে থকা, অসমকে মাতৃভূমি বুলি আঁকোৱালি লোৱা প্ৰতিটো জনগোষ্ঠীয়েই নিজৰ মাতৃভাষাৰ উপৰি অসমীয়া ভাষা শিকিব লাগে, সহযোগী ভাষাৰূপে গ্ৰহণ কৰিব লাগে বুলি বিশ্বাস কৰো" (ডাঃ অজিত বৰুৱা ঃ ফুলচান্দ খাণ্ডেলৱাল বঁটা বিজয়ী বিষ্ণুলাল উপাধ্যায়, **আমাৰ অসম ১ অক্টোবৰ** ২০০৩)। স্বৰাজোত্তৰ কালত এই সকলো থলুৱা নেপালী মুক্তিসেনানীসকলে ত্যাগৰ চিন স্বৰূপে তাম্ৰপত্ৰ আৰু ৰাজনৈতিক ভুক্তভোগীৰ পেঞ্চন লাভ কৰে। এনে নেপালী বংশোদ্ভৱ মুক্তিসংগ্ৰামীৰ সংখ্যা ইমানতে সীমাবদ্ধ কৰি ৰাখিব নোৱাৰি অৰ্থাৎ আৰু বহুত আছে। কেবিনেট মিছনৰ ষড়যন্ত্ৰৰ পৰাও অসমক মুছলিম অধ্যুষিত বেংগলৰ লগত চামিল কৰাৰ পৰিপ্ৰেক্ষিতত অসম গোৰ্খা সম্মিলনে এক আনুষ্ঠানিক প্ৰস্তাৱেৰে তীব্ৰ প্ৰতিবাদ কৰিছিল। এই প্ৰতিশব্দৰ হুবহু ইংৰাজী ভাষ্য এই গ্ৰন্থৰ সংশ্লিষ্ট স্থানত অংকিত কৰা হৈছে। এতিয়া প্ৰশ্ন হয় — এই থলুৱা নেপালী মুক্তি সংগ্ৰামীসকল আৰু নেপালী সংগঠনসমূহে নেপালী নে বৃহত্তৰ অসমীয়া জাতীয়তাবাদৰ দ্বাৰা অনুপ্ৰাণিত হৈ স্বাধীনতা আন্দোলনত সক্ৰিয়ভাৱে জঁপিয়াই পৰিছিল? ই নিঃসন্দেহে অসমীয়া তথা ভাৰতীয় জাতীয়তাবাদ, যি মাতৃভূমিক বগা বঙালৰ বান্ধোনৰ পৰা মুক্ত কৰি অসমৰ জাতীয় গৌৰৱ অটুট ৰখাৰ বাবে তেওঁলোকক অনুপ্ৰাণিত কৰিছিল। একেদৰেই ১৯৬০ চনৰ ৰাজ্যিক ভাষা আন্দোলনত থলুৱা নেপালীসকলৰ অসমীয়া ভাষা-প্ৰীতি প্ৰতিফলিত কৰি তদানীন্তন বিধায়ক বিষ্ণুলাল উপাধ্যায়ে অসম বিধানসভাত প্ৰচ্ছন্নভাৱে দাঙি ধৰা বক্তব্য প্ৰণিধানযোগ্য। তেখেতে কৈছিল — 'অসমত বহুত দিন ধৰি বসবাস কৰি নেপালীসকলে অসমীয়াৰ জনমত আৰু আশা-আকাংক্ষা উপলব্ধি কৰিব পাৰিছে... সেইখিনি নেপালীয়ে অসমীয়া ৰাজ্যভাষা হ'বলৈ সহযোগিতা কৰিব বিচাৰিছে"। তদ্ৰূপ দৰং নেপালী ছাত্ৰ সন্থায়ো ঘোষণা কৰিছিল এইবুলি যে The Nepalese living in Assam whole heartedly support Assamese as the State Language of Assam .. the Nepali stu-

dents as a whole have Assamese vernacular in schools. (The Assam Tribune, 11 July 1960)। ১৯৭২ চনৰ মাধ্যম আন্দোলনতো থলুৱা নেপালীৰ ভূমিকা অসম মাতৃৰ সাৰ্বজনীন স্বাৰ্থৰ অনুকূল আছিল। ঐতিহাসিক বিদেশী বহিষ্কাৰ আন্দোলনতো থলুৱা নেপালীলোকে এক অভূতপূৰ্ব ভূমিকা পালন কৰিছিল। এই আন্দোলনৰ আৰম্ভণি পৰ্যায়তে নিজকে খিলঞ্জীয়া অসমীয়া বুলি গণ্য কৰা থলুৱা সমাজক প্ৰতিনিধিত্ব কৰি শদিয়া ছৈখোৱাৰ টিকাৰাম ছেত্ৰী আৰু বিজয়সিং নেৱাৰে সম্পাদকলৈ লিখা 'অসমত বিভেদকামী শক্তি সক্ৰিয় হৈ উঠিছে' শীৰ্ষক চিঠিখনত লিখিছে — "অসমীয়া জাতি সত্তাৰ অংগ হৈ থকা কেইবালাখ অসমীয়া নেপালীৰ ত্ৰাণকৰ্তাৰ ৰূপত অসমৰ কিছুমান ঠাইত নেপালৰ সমৰ্থক অৱতীৰ্ণ হোৱা পৰিলক্ষিত হৈছে। ডিব্ৰুগড় জিলাৰ অসম গোৰ্খা সন্মিলনৰ কিছুমান শাখা সমিতিত সম্পূৰ্ণ অস্থায়ী ৰূপে অসমত বাস কৰা নেপালী শ্ৰেণীৰ লোক বিষয়ববীয়া হৈ থলুৱা স্বাৰ্থৰ বিৰুদ্ধে আচৰণ কৰা কাৰ্যই ইয়াৰ প্ৰত্যক্ষ প্ৰমাণ। এই শ্ৰেণীৰ বিদেশী নেপালীলোকৰ অবৈধ স্বাৰ্থ ৰক্ষাৰ হেতু কৰা কাৰ্যই অসমত স্থায়ীৰূপে বসবাস কৰা অসমীয়া নেপালীসকলৰ কিমানখিনি উপকাৰ বা অপকাৰ কৰিব এই কথালৈ অসম গোৰ্খা সন্মিলনৰ বৰমুৰীয়াসকলে ধ্যান দিয়া উচিত। অস্থায়ী ৰূপত বাস কৰা নেপালীসকলে নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে অপপ্ৰচাৰ কৰি সুখ-শান্তিৰে শৰীৰ আৰু আত্মাৰ দৰে বাস কৰি অহা ঐক্য আৰু সংহতি কামী খিলঞ্জীয়া নেপালী আৰু অসমীয়া সম্প্ৰদায়ৰ মাজত বিদ্বেষৰ ভাৱ জগাই তুলিবলৈ যৎপৰোনাস্তি চেষ্টা চলাইছে। অসমৰ থলুৱা স্বাৰ্থ ৰক্ষাৰ এনে সন্ধিক্ষণত আমি উদাত্ত কণ্ঠেৰে কওঁ — 'আমি বহিৰাগত নহওঁ'। আমি অসমীয়া জাতি সত্তাৰ এক প্ৰধান অংগ'। অসম আৰু অসমীয়া জাতি সত্তা ৰক্ষাৰ অগ্নি পৰীক্ষাৰ সময়ত ৰাজনৈতিক স্বাৰ্থত বলিয়ান হৈ যি কিজন দালালে কেইবালাখ অসমীয়া নেপালীৰ স্বাৰ্থক পদাঘাত কৰি অবৈধভাৱে অসমত থাকি অসমক শোষণ কৰি অহা নেপালৰ নাগৰিকক ৰক্ষণাবেক্ষণ দিয়াৰ উদ্দেশ্যে কাম কৰিব ধৰিছে তেওঁলোকক অসমৰ প্ৰত্যেকজন অসমীয়া নেপালীয়ে চিনি থোৱা উচিত ...... শেষত আমি অসমৰ সকলো অসমীয়া নেপালী জনগোষ্ঠীলৈ নিবেদন কৰো যে অসমৰ ছাত্ৰ সমাজে যি আন্দোলন (বিদেশী খেদা আন্দোলন) কৰিছে ই কোনো জনগোষ্ঠীৰ বিৰুদ্ধে নহয় ..... ই অসমত বাস কৰা জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে প্ৰত্যেকজন থলুৱা জনসাধাৰণৰ বৃহত্তৰ স্বাৰ্থৰ বাবেহে। গতিকে বিদেশী নাগৰিক বহিস্কৰণৰ ক্ষেত্ৰত ...... দলে বলে জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে ওলাই আহিব লাগে। জয় আই অসম (সম্পাদকলৈ চিঠি, তিনিদিনীয়া অগ্ৰদূত, ২১ নবেম্বৰ, ১৯৭৯)। কোৱা বাহুল্য যে অসম আৰু সংমিশ্ৰিত অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ্থে বিদেশীক জন্মভূমিৰ পৰা খেদিবলৈ গৈ মুঠ ছগৰাকী থলুৱা

যুৱক যুৱতীয়ে প্ৰাণ বলিদান দিয়ে। সেইকেইজন হ'ল বকোৰ ধনবাহাদুৰ ছেত্ৰী, লখিমপুৰৰ কুলবাহাদুৰ ছেত্ৰী আৰু পদম বাহাদুৰ ছেত্ৰী, গোৱালপাৰাৰ ক্ষীৰোদ বাহাদুৰ তামাং, গহপুৰৰ ভীম বাহাদুৰ তামাং আৰু তেজপুৰৰ বৈজয়ন্তী দেৱী। এওঁলোকক পিছত অসম আন্দোলনৰ জাতীয় বীৰ ছহিদ বুলি স্বীকৃতি দিয়া হৈছে (The Assam Tribune, Special Supplement, 14 August 1997)। তদুপৰি নেপালৰ নাগৰিক যাতে অসম তথা আন ৰাজ্যত প্ৰৱেশ কৰিব নোৱাৰে, তাৰ বাবে ১৯৫০ চনৰ ভাৰত-নেপাল মৈত্ৰী চুক্তি বাতিল কৰিবলৈ অসম গোৰ্খা সন্মিলন, সদৌ অসম নেপালী ছাত্ৰ সন্থা আৰু অন্যান্য নেপালী সংগঠনসমূহে ভাৰত চৰকাৰৰ ওচৰত বাৰম্বাৰ দাবী কৰি আহিছে - অসমৰ অস্তিত্ব অক্ষুণ্ণ ৰক্ষাৰ বাবে। এই প্ৰসংগত উল্লেখ্য যে অবৈধভাৱে অসমলৈ প্ৰব্ৰজিত হোৱা নেপালৰ নাগৰিকসকলক অনতিপলমে অসম ত্যাগ কৰিবলৈ নিৰ্দেশ দি 'অসম নেপালী জনকল্যাণ সংঘ'ই দাবী কৰিছিল যে The Nepali nationals coming from Nepal recent years must leave the land at once. The Sun for roaming about in search of livelihood for them has already set in the entire India. (Letter to the editor, The Sentinel 9 May 1986) এনে পদক্ষেপ থলুৱা নেপালীৰ অসমীয়া জাতীয়তাবাদৰ প্ৰতিফলন বুলি ক'ব নোৱাৰিনে?

ভাষা-সংস্কৃতিৰ সন্দৰ্ভত ক'বলৈ গ'লে অসমৰ শতকৰা ৯৯ শতাংশ থলুৱা নেপালী ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া মাধ্যমত শিক্ষা লাভ কৰে। কেৱল ডিগবৈ আৰু গুৱাহাটীৰ পল্টন বজাৰত একোখনকৈ নেপালী মাধ্যমৰ এল পি আৰু এম ই স্কুল আছে। লেখা-মেলাৰ ক্ষেত্ৰতো ৯৫ শতাংশ নেপালীলোকে অসমীয়া ভাষাত কৰে আৰু অসমীয়া খবৰ কাগজ-আলোচনী এশ শতাংশ নেপালীলোকেই পঢ়ে। উল্লেখ্য যে গোটেই জীৱনজুৰি অসমীয়া ভাষা-সাহিত্য চৰ্চা কৰা ফুলচান্দ খাগুেলৱাল সংহতি বঁটা বিজয়ী থলুৱা নেপালী সাহিত্যিক হৰিপ্ৰসাদ গোৰ্খাৰাইৰ নাম নজনা বোধকৰো কোনো অসমীয়া সাহিত্যপ্ৰেমী নাই। ১৯৯৯ চনৰ ৯ মে'ত গোলাঘাট সাহিত্য সভাই উক্ত বঁটা গোৰ্খা ৰাইক প্ৰদান কৰা প্ৰশস্তি-পত্ৰখনত এইদৰে লিখিছে বুলি ডাঃ অজিত বৰুৱাই উল্লেখ কৰিছে — 'আপোনাৰ চাৰিকুৰি পাঁচ বছৰীয়া জীৱন-যাত্ৰা পথত আপুনি মনে-প্ৰাণে, কথাই-কামে, ভাষাই-লেখনিয়ে অসমৰে অসমীয়া, আপুনি আমাৰ গৌৰৱ, উত্তৰপুৰুষৰ বাবে প্ৰেৰণাৰ উৎস' (আমাৰ অসম ১০ মে' ৯৯)। এনেদৰেই ১৯৯১ চনত দুধনৈত অনুষ্ঠিত অসম সাহিত্য সভাৰ দ্বিতীয় মুকলি অধিৱেশনৰ মুখ্য অতিথি থলুৱা নেপালী বংশোদ্ভৱ অসমীয়া সাহিত্যিক ধনবাহাদুৰ সোণাৰ, অসম সাহিত্য সভাৰ আজীৱন সদস্য আৰু ডিব্ৰুগড় জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মন বাহাদুৰ ছেত্ৰী, সাহিত্যিক

পেঞ্চনাৰ অধ্যাপিকা গীতা উপাধ্যায়, অসম সাহিত্য সভাৰ আজীৱন সদস্য আৰু ২০০৩ চনৰ ফুলচান্দ খাণ্ডেলৱাল বঁটা বিজয়ী সাহিত্যিক বিষ্ণুলাল উপাধ্যায়, শিশু-সাহিত্য লেখক ইন্দ্ৰপ্ৰসাদ কাৰ্কি, মৰাণৰ সকলো ভাষা-সাহিত্য আৰু সাংস্কৃতিক অনুষ্ঠানবোৰৰ লগত সক্ৰিয়ভাৱে জড়িত নাথাকিলেই নোহোৱা অসমীয়া ভাষা-সাহিত্যৰ উদীয়মান সাধক শোভিত কুমাৰ ছেত্ৰী, অনুবাদক-লেখক দৰং কলেজৰ অধ্যাপক ড° জয়ন্তকৃষ্ণ শৰ্মা আৰু তেওঁৰ ভগ্নীদ্বয়া ৰশ্মিৰেখা আৰু ৰ'জিৰাণী শৰ্মাৰ লগতে তিনিদিনীয়া 'অগ্ৰদূত'ৰ ধাৰাবাহিক লেখক হেমন্ত কুমাৰ ভৰালী আৰু নাম উল্লেখ কৰিব নোৱাৰা তেনে বহুলোক আছে, যিসকল নেপালীভাষী হৈয়ো অসমীয়া জনজীৱনৰ সৈতে একেবাৰে মিলি গৈছে। সংস্কৃতিৰ ক্ষেত্ৰতো নেপালী জীয়াৰী কণমানি পুনম ছেত্ৰীয়ে 'মৌকুঁৱৰী' (অগ্ৰদূত ১ জুন ১৯৯৭) বঁটা লাভ কৰা দেখা যায়। আকাশবাণীৰ জনপ্ৰিয় শিল্পী অঞ্জু দেৱী, উষা আলে, কিৰণ নেৱাৰ আৰু তিলক নেৱাৰ, ভ্ৰাম্যমান থিয়েটাৰৰ শিল্পী অঞ্জলী ছেত্ৰী, নৃত্যশিল্পী দীপক ভুজেলৰ নিচিনা বহু নেপালী বংশোদ্ভুত অসমীয়া শিল্পীসকল আজি হাড়ে-হিমজুৰে তথাকথিত খিলঞ্জীয়া অসমীয়াতকৈ কোনোগুণে কম খিলঞ্জীয়া অসমীয়া (যদিও খিলঞ্জীয়া বুলি কোৱা নহয়) হৈ থকা নাই। এই সংক্ৰান্তত উল্লেখযোগ্য যে ২০০৬ চনৰ পৰা ভানু অধ্যয়ন চক্ৰ, মৰাণ (১৯৯৯)য়ে আৰম্ভ কৰা প্ৰথম বাৰ্ষিক 'হৰিপ্ৰসাদ গোৰ্খাৰাই স্মৃতি সমন্বয় বঁটা' গ্ৰহণ কৰি অসম সাহিত্য সভাৰ ভূতপূৰ্ব সভাপতি হোমেন বৰগোহাঞিয়ে কয় যে— "মই নেপালীসকলক বৃহত্তৰ অসমীয়া জাতিৰ এটা অবিচ্ছেদ্য অংগ বুলিয়েই নাভাবো, বৰং মই ভাবো যে আধুনিক অসমীয়া সভ্যতা আৰু সংস্কৃতিৰ সৌধ নিৰ্মাণ কৰাত খিলঞ্জীয়া অসমীয়া সকলতকৈ কোনো গুণেই কম নহয়। অসমৰ ৰাজনীতি, অৰ্থনীতি, সাহিত্য আৰু সংস্কৃতি আদি সকলো ক্ষেত্ৰতে নেপালীসকলে নিজৰ প্ৰতিভাৰ স্বাক্ষৰ ৰাখিবলৈ সমৰ্থ হৈছে। যিজন হৰি প্ৰসাদ গোৰ্খাৰাইৰ নামত এই বঁটাটি প্ৰৱৰ্তন কৰা হৈছে, সেই মহান ব্যক্তিজন আছিল অসমীয়া আৰু নেপালী সমাজৰ সমন্বয়ৰ প্ৰতীক। এই বঁটা লাভ কৰি মই আনন্দ অনুভৱ কৰিছোঁ আৰু আশা ৰাখিছোঁ যে, অসমৰ নেপালী সমাজে তেওঁৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ কাম কৰি যাব" (দৈনিক জনমভূমি ২২ মে' ২০০৬)। তদ্ৰূপ সংমিশ্ৰিত অসমীয়া জাতি নিৰ্মাণ কৰাৰ ক্ষেত্ৰত থলুৱা নেপালীলোকেও যে অৱদান আগবঢ়াইছে সেই কথাকে স্বীকাৰ কৰি ২০০৭ চনৰ ১-৩ জুনলৈকে শিৱসাগৰ নগৰৰ সমীপস্থ দিচাংমুখত অনুষ্ঠিত অসম নেপালী সাহিত্য সভা (১৯৯৩)ৰ তৃতীয় ত্ৰি-বাৰ্ষিক অধিবেশনৰ মুকলি সভাত মুখ্য অভ্যাগতৰূপে ভাষণ দি অসম সাহিত্য সভাৰ সভাপতি কনকসেন ডেকাই এইদৰে কয় — "আমি সকলোৱে এখন সুন্দৰ শক্তিশালী অসম গঢ়িব লাগে। ইয়াক অকলে নেপালী, বড়ো,

মিটিং আদিয়ে গঢ়িব নোৱাৰে। ইয়াৰ বাবে সমন্বয় লাগে। কিন্তু সকলোৱে নিজাকৈ নিজা জাতিৰ বাবে পৃথকে পৃথকে দাবী কৰাত অসমখন ছিন্ন-বিছিন্ন হৈ পৰিছে। অসমত নেপালীসকলে পথ প্ৰদৰ্শকৰ ভূমিকাহে পালন কৰিব পাৰে কিয়নো তেওঁলোক বৰ কৰ্মঠ। অসমীয়া সমাজখন গঢ়াত নেপালীসকলৰ অৱদান আছে। নেপালীসকলৰ সমস্যা সমাধানৰ বাবে সকলোৱে চেষ্টা কৰিব লাগে। নেপালীসকলৰ ভাষাটো বৰ পুৰণি, কিন্তু দুখৰ বিষয় যে অসমৰ স্কুল-কলেজত এই ভাষা এতিয়াও প্ৰৱৰ্তন হোৱা নাই আৰু ইয়াৰ বাবে চৰকাৰে চেষ্টাও কৰা নাই" (দৈনিক জনমভূমি ৪ জুন ২০০৭)। এনে বক্তব্যৰ পৰা এইটো প্ৰতীয়মান হয় যে থলুৱা নেপালীলোক বৃহত্তৰ অসমীয়া সমাজ আৰু অসমীয়া জাতীয় জীৱনৰ এক লেখত ল'বলগীয়া অংগ। তেনে অৱস্থাত থলুৱা নেপালী জনগোষ্ঠীক খিলঞ্জীয়া বুলি ক'লে সি অসমীয়া জাতীয় জীৱনৰ বাবে ক্ষতিকাৰক হ'ব নে? অসমীয়া মাধ্যমৰ শিক্ষানুষ্ঠান-প্ৰতিষ্ঠান আৰু সম্প্ৰসাৰণৰ বেলিকা থলুৱা নেপালীৰ নাম কৈ লেখাটি দীঘলীয়া কৰাৰ ইচ্ছা নাই।

ৰাজনীতিৰ ক্ষেত্ৰতো জাতীয়তাবাদী শিবিৰ অগপৰ লগত তাৰাপতি উপাধ্যায়, প্ৰয়াত চূড়ামণি শৰ্মা, অমৰ উপাধ্যায়, জ্ঞান প্ৰসাদ শৰ্মাৰ লগতে এক বৃজনসংখ্যক থলুৱা নেপালীলোক সক্ৰিয়ভাৱে জড়িত আৰু আনকি **অসম নেপালী পৰিষদ** (Asom Nepali Parishad) নামেৰে জাতীয়তাবাদী নেপালী মঞ্চও গঠন কৰা হৈছে। আলফাৰ দৰে সশস্ত্ৰ সংগ্ৰামত বিশ্বাস কৰা সশস্ত্ৰ জাতীয়তাবাদী শিবিৰতো কিছু থলুৱা নেপালী যুৱক (আমাৰ অসম ৯ ডিচেম্বৰ ১৯৯৯) আছে বুলি কাগজে পত্ৰই পোৱা যায়। মুঠ কথাত, অসমৰ প্ৰতিটো জাতীয় সংকট, ভাষা-সাহিত্য চৰ্চা, শিক্ষা-সংস্কৃতি গ্ৰহণ, ৰাজনীতি-অৰ্থনীতি সকলো দিশতে থলুৱা নেপালীসকল বৃহত্তৰ অসমীয়া সমাজৰ লগত একাকাৰ হৈছে। কোনোটো ক্ষেত্ৰতে বিৰোধ বা সংঘাত নাই; আছে মাথো মিলা-প্ৰীতি আৰু সহযোগিতা। অসম আৰু অসমীয়াৰ উন্নতিয়েই তেওঁলোকৰ একান্ত কাম্য। এনেস্থলত ব্ৰিটিছ যুগতেই ইয়ালৈ আহি স্থায়ীভাৱে থাকি থলুৱা হৈ পৰা নেপালীলোকক খিলঞ্জীয়া কাঠামোৰ ভিতৰত অন্তৰ্ভুক্ত কৰিব নোৱৰাৰ কি কাৰণ থাকিব পাৰে? এই সন্দৰ্ভত কোনো সময়সীমা নিৰ্ধাৰণ কৰিবলৈ হ'লে প্ৰথিতযশা সাহিত্যিক হোমেন বৰগোহাঞিয়ে ক'বৰ দৰে — "অসম চুক্তি অনুযায়ী অৰ্থাৎ ১৯৭১ চনৰ ২৪ মাৰ্চলৈকে অসমলৈ অহা সকলো লোকক খিলঞ্জীয়াৰ সংজ্ঞাভুক্ত কৰিলে সম্ভৱতঃ ছাত্ৰ সন্থাৰ এই দাবীক অনা-অসমীয়া মূলৰ কোনো জনগোষ্ঠীয়ে বিৰোধিতা নকৰে" (**সম্পাদকীয়, আমাৰ অসম ২ জুলাই ১৯৯৯**)। একে মন্তব্যকে ডাঃ অজিত বৰুৱায়ো দোহাৰি কৈছে - "ইতিমধ্যেই এটা সুনিৰ্দিষ্ট বৰ্ষ আৰু তাৰিখ সৰ্বসন্মতভাৱে ঠিক কৰা হৈয়েই আছে (১৯৭১ চনৰ ২৫ মাৰ্চ)। গতিকে তাৰ আগতে অহাসকলক সন্দেহৰ আৱৰ্তত নৰখাকৈ

আৰু তেখেতসকলক বিশ্বাসত লৈ সমস্যাটোৰ আশু সমাধান কৰিব লাগিব" (আমাৰ অসম ২৭ জুলাই ১৯৯৯)। তদুপৰি পুৰণি বাসিন্দাৰ ভিত্তিতেই খিলঞ্জীয়া হোৱা অসমীয়াৰ বাবে, হোমেন বৰগোহাঞিয়ে ক'বৰ দৰে, সংসদ আৰু বিধানসভাৰ শতকৰা এশভাগ আসন সংৰক্ষণ কৰিলেই যে অসমৰ সৰ্বাংগীণ উন্নতি হ'ব তাৰ কোনো নিশ্চয়তা আছে জানো? তদুপৰি আজিলৈকে অসমৰ মুখ্যমন্ত্ৰী পদত খিলঞ্জীয়ালোক অধিষ্ঠিত হৈ অহা স্বত্বেও প্ৰাক্তন মুখ্যমন্ত্ৰীদ্বয় প্ৰয়াত 'কৰ্মশ্ৰী' হিতেশ্বৰ শইকীয়াক কি কাৰণেনো 'গণশত্ৰু' আৰু প্ৰফুল্ল কুমাৰ মহন্তক 'জাতিদ্ৰোহী' বুলি আখ্যা দিয়া হৈছে? তেওঁলোকতো অসমীয়াৰ মূলসুঁতিৰ মানুহ (অৰ্থাৎ বিশুদ্ধ খিলঞ্জীয়া) আৰু ৰাজ্যৰ সৰ্বাংগীণ বিকাশৰ সংকল্প লৈহে ৰাজনৈতিক ক্ষমতাৰ গাদীত উপবিষ্ট হৈছে। খিলঞ্জীয়া হ'লেই জাতিৰ অস্তিত্ব ৰক্ষা হ'ব তাৰ কোনো মানে নাই যেন লাগে। কাৰণ খিলঞ্জীয়া বুলি কোনো এটা বিশেষ জাতি নাই। এই প্ৰসংগতে উল্লেখ্য যে 'অসমৰ ভূমিপুত্ৰ' শীৰ্ষক প্ৰবন্ধটিত ডঃ বিমল মজুমদাৰে কেৱল বড়োসকলক কিয় ভূমিপুত্ৰ বুলি আখ্যায়িত কৰিব লাগে সন্দৰ্ভত কৈছে - "সুদীৰ্ঘ ঐতিহাসিক প্ৰক্ৰিয়াৰ মাজেদি বিভিন্ন সময়ত, বিভিন্ন গোষ্ঠীৰ মানুহ বিভিন্ন দিশৰ পৰা আহি এক বৈচিত্ৰপূৰ্ণ আৰু বৰ্ণাঢ্য অসমীয়া জাতি গঢ় লৈ উঠিছে। নৃতাত্ত্বিক সকলৰ মতে উত্তৰ পূব ভাৰতৰ আদিবাসী সকলৰ কোনোৱে নিজকে খিলঞ্জীয়া বুলি দাবী কৰিব নোৱাৰে। অসমৰ আদিম বাসিন্দা বুলি ক'বলৈও কোনো নাই। একেদৰে অসমীয়া বুলি কোনো নিৰূপিত জনসমষ্টিয়ে প্ৰতিনিধিত্ব কৰিব নোৱাৰে। এনে প্ৰেক্ষাপটত বড়োসকলক 'ভূমিপুত্ৰ' বুলি কোৱা সমীচীননে? নৃতাত্ত্বিক সকলে কয় — অসমৰ কোনো জনগোষ্ঠীয়ে নিজকে খিলঞ্জীয়া বুলি দাবী কৰিব নোৱাৰে; আৰু আমি কওঁ বড়োসকল অসমৰ ভূমিপুত্ৰ। দেখাতেই ই পৰস্পৰ বিৰোধী মতামত" (আমাৰ অসম ৮ জুলাই ২০০৪)। তদুপৰি স্বনামধন্য নিবন্ধকাৰ উদয়াদিত্য ভৰালীৰ মতে — "অসমৰ নেপালী বংশোদ্ভৱসকলৰ এই অংশটোৰ মাজত বৃহত্তৰ অসমীয়া জাতীয় জীৱনত জীণ যোৱাৰ স্পৃহা কিমান তাৰ উমান দিয়ে লোকপিয়লৰ পৰিসংখ্যাই। ১৯৭১ চনৰ লোকপিয়লৰ তথ্য অনুসৰি অসমত নেপালী মাতৃভাষাৰ লোক আছিল মুঠ জনসংখ্যাৰ ২.৩৯ শতাংশ। কিন্তু ১৯৯১ চনৰ লোকপিয়লত এই সংখ্যা হ'লগৈ ১.৯৩ শতাংশ। অৰ্থাৎ সেই ২০ বছৰত অসমত মুঠ জনসংখ্যাৰ তুলনাত নেপালী ভাষীৰ সংখ্যা কমিলহে। তাৰ যৌক্তিক কাৰণ সেই লোকসকলৰ এটা বৃহৎ অংশই নিজকে অসমীয়া মাতৃভাষা হিচাপে ঘোষণা কৰাটো"। তেনে স্বত্বেও এই সন্দৰ্ভত এগৰাকী থলুৱা নেপালী বুদ্ধিজীৱি উপমন্যু ঢকালৰ মন্তব্যৰ প্ৰাসংগিকতাক অস্বীকাৰ কৰিব পাৰিনে? উপমন্যু ঢকালে প্ৰচ্ছন্ন ভাষাত কৈছে যে — "আমিও নিজকে অসমীয়া বুলিয়েই গৌৰৱ কৰো। অসমীয়া মাধ্যমতেই আমি শিক্ষা লৈছো; অসমীয়া সভ্যতা-

সংস্কৃতিতেই আমি ডাঙৰ-দীঘল হৈছো; অসমীয়া সাহিত্য-সংগীতেই সদায় চৰ্চা কৰো। এতেকে অসমীয়া নেপালীসকলো অসমীয়া সমাজৰে অংগ .... এইটোত সকলো অসমীয়া নেপালী মানুহেই এক মত; কাৰণ প্ৰত্যেকেই জানে যে আমাৰ জন্ম অসমত; জীৱন নিৰ্বাহ কৰিব লাগিব অসমতেই। যুগ যুগান্তৰৰ পৰা নেপালৰ লগত আমাৰ কোনো সম্পৰ্ক নাই। গতিকে আমি অসমীয়া ..... কিন্তু দুই চাৰিজন অসমীয়া বুদ্ধিজীৱিৰ বাহিৰে বাকী অসমীয়া মানুহে কাৰ্যক্ষেত্ৰত আমাক এতিয়াও অসমীয়া বুলি স্বীকৃতি দিয়া নাই বুলি আমি ভাবো। অসমীয়া মানুহে আমাক স্বীকৃতি নিদিয়াৰ কাৰণ কি আমি এতিয়াও বুজি পোৱা নাই ...... জাতীয়তাবাদীসকলে আমাক সদায় বহিৰাগত বুলিয়েই ভাবে" (**উপমন্যু ঢকাল ঃ অসমীয়া জাতীয়তাবাদ আৰু নেপালী সম্প্ৰদায়, সাদিনীয়া নাগৰিক, ২৪ ফেব্ৰুৱাৰী ১৯৮০**)। মুঠতে, সকলোলোকেই ইতিহাসৰ বিভিন্ন পৰ্যায়ত অগা-পিছাকৈ অসমলৈ প্ৰব্ৰজিত হৈছিল। প্ৰকৃতাৰ্থত মানৱ ইতিহাসেই হৈছে প্ৰব্ৰজনৰ ইতিহাস (History of the mankind is, in fact, the history of migration)। অৱশ্যে সেই বুলি অসমলৈ অবাধ অবৈধ প্ৰব্ৰজন হৈ থাকক সি আমাৰ কাৰো কাম্য নহয়। সেয়েহে বৃহত্তৰ অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ বাবে লাগে মাথোন অকৃত্ৰিম স্বদেশপ্ৰেম, নিঃস্বাৰ্থ আন্তৰিকতা, গভীৰ দায়বদ্ধতাবোধ আৰু বলিদানৰ প্ৰস্তুতি, যিবোৰ গুণে এগৰাকী অসমবাসীক সন্দেহাতীতভাৱে নিভাঁজ আৰু নিৰ্ভেজাল খিলঞ্জীয়া অসমীয়া কৰি তুলিব পাৰে। এনে গুণবোৰ থলুৱা নেপালীলোকৰ গাত নাই বুলি ক'ব পাৰিনে? ইমানতো যদি খিলঞ্জীয়া হোৱাৰ মাপকাঠি সন্তোষজনক নহয়, তেন্তে থলুৱা নেপালীলোকেও নিজৰ উপাধি সোণোৱাল, দেউৰী, পেগু, গোহাঁই, সন্দিকৈ, গগৈ, শৰ্মা বৰঠাকুৰলৈ সলনি কৰাৰ দিন সমাগত।

আমাৰ অসম, ১১ আগষ্ট, ১৯৯৯

অসম গোৰ্খা সন্মিলনঃ থলুৱা নেপালী সত্তাৰ ধ্বজাবাহক

সংমিশ্ৰিত অসমীয়া জাতিৰ বিভিন্ন অংগ যেনে উপজাতি, জনগোষ্ঠী, সম্প্ৰদায়বিলাকৰ জনসংখ্যা বৃদ্ধি আৰু তেওঁলোকৰ মাজত শিক্ষা সম্প্ৰসাৰণৰ লগে লগে এক বিদ্বৎ সমাজৰ আবিৰ্ভাৱ হয় যিয়েই ক্ৰমাগতভাৱে নিজ নিজ জনগোষ্ঠীৰ সামগ্ৰিক বিকাশৰ উদ্দেশ্যে একো একোটা সামাজিক আৰু সাংস্কৃতিক মঞ্চ (?)ৰ আৱশ্যকতাবোধ কৰে। সৰ্বাংগীণ অনগ্ৰসৰতা নিৰ্মূল কৰাৰ সংকল্পৰে এনে বিদ্বৎ সমাজবোৰে নিজ নিজ সংগঠনৰ বেনাৰতে ৰাজনৈতিক কৰ্তৃপক্ষৰ ওচৰত সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু আনকি ৰাজনৈতিক দাবীও উত্থাপন কৰা দেখা যায়। অসমত যিমান সংখ্যক জনগোষ্ঠী আৰু সম্প্ৰদায় আছে তাক দুই-তিনিৰে পূৰণ কৰিলে যিমান হয় সিমান সংখ্যক আৰ্থ-সামাজিক আৰু সাংস্কৃতিক সংগঠনো আছে। এনে জনগোষ্ঠীবিলাকৰ ভিতৰত 'থলুৱা' নেপালী জনগোষ্ঠীও অন্যতম। অন্যান্য জনগোষ্ঠী বিলাকৰ দ্বাৰা প্ৰভাৱান্বিত হৈ নব্য নেপালী বিদ্বৎ শ্ৰেণীয়েও স্বাধীনতাৰ প্ৰাকমুহূৰ্তৰ পৰাই নিজৰ জনগোষ্ঠীক সংগঠিত কৰিবলৈ আৰম্ভ কৰে। থলুৱা নেপালী জনগোষ্ঠীৰ সামগ্ৰিক বিকাশৰ নিমিত্তে ১৯৪৪ চনৰ ৬ আগষ্ট দিনা চিলঙত গঠিত **অসম প্ৰাদেশিক গোৰ্খা লীগ** এনে প্ৰচেষ্টাৰ প্ৰথম বহিঃপ্ৰকাশ।

এই কথা অনস্বীকাৰ্য যে অসম প্ৰাদেশিক গোৰ্খা লীগ তদানীন্তন অসমৰ উদীয়মান থলুৱা নেপালী বিদ্বৎ শ্ৰেণীৰ উদ্যোগত জন্ম হ'লেও এই ক্ষেত্ৰত দাৰ্জিলিঙস্থ **অখিল ভাৰতীয় গোৰ্খা লীগৰ** (All India Gurkha League) ভূমিকাৰ বিষয়ে উল্লেখ নকৰিলে ভুল হ'ব কাৰণ ভাৰতীয় গোৰ্খা লীগৰ জন্ম নোহোৱাহেঁতেন বোধকৰো অসম প্ৰাদেশিক গোৰ্খা লীগৰো আবিৰ্ভাৱ নহ'লহেঁতেন। পূৰ্বতে উল্লেখ কৰা হৈছে যে ১৯৪৩ চনৰ ১৫ মে'ত দাৰ্জিলিঙৰ ৰিংক চিনেমা হলত অনুষ্ঠিত এক বিশাল ঐতিহাসিক গণ সমাবেশত কালিম্পঙৰ ডম্বৰসিং গুৰুঙক সভাপতি আৰু কাৰ্চিয়াঙৰ শিৱ কুমা ৰাইক সম্পাদক ৰূপে নিৰ্বাচিত কৰি **অখিল ভাৰতীয় গোৰ্খা লীগ** গঠন কৰা হৈছিল। এক বৃজন সংখ্যক নেপালীলোকে অসমত স্থায়ীভাৱে বসবাস কৰাৰ কথা জানিব পাৰি অখিল ভাৰতীয় গোৰ্খা লীগৰ প্ৰতিষ্ঠাপক সভাপতি ডম্বৰসিং গুৰুং নিজেই ১৯৪৪ চনৰ প্ৰথমছোৱাত অসম ভ্ৰমণ কৰিবলৈ আহি থলুৱা নেপালীলোকৰ সমস্যাৰ

সন্দৰ্ভত তদানীন্তন প্ৰধানমন্ত্ৰী (প্ৰাক্ স্বাধীনতা কালত অসমৰ মুখ্যমন্ত্ৰীক প্ৰধানমন্ত্ৰী বোলা হৈছিল) গোপীনাথ বৰদলৈৰ লগত আলোচনাত মিলিত হয়। গুৰুঙৰ ভ্ৰমণৰ দ্বাৰা প্ৰত্যক্ষভাৱে প্ৰভাৱান্বিত হৈ অসমৰ নেপালী নেতৃবৃন্দই ১৯৪৪ চনৰ ৬ আগষ্টত চিলঙত (তেতিয়াৰ অসমৰ ৰাজধানী) অখিল ভাৰতীয় গোৰ্খা লীগৰ প্ৰাদেশিক শাখা অসম প্ৰাদেশিক গোৰ্খা লীগ গঠন কৰে। তাৰ পাছত অসমৰ অন্যান্য ঠাইবোৰতো দ্ৰুতগতিত একোটাকৈ নতুন শাখা মুকলি কৰা হয়। ইয়াৰে কেইটামান শাখা এনেধৰণৰ — তেজপুৰত ১৯৪৫চনৰ ৯ জানুৱাৰীত গুৱাহাটীত একেবছৰৰে ৩০ নৱেম্বৰত, তিনিচুকীয়াত ১৯৪৬ চনৰ ১৯ মে'ত, ডিব্ৰুগড়ত একে বছৰৰে ২ জুনত আৰু ডিগবৈত ১৮ আগষ্টত (দ্ৰষ্টব্য ঃ Bhai Nahar Singh & Kirpal Singh : History of All India Gurkha League 1943-1949, New Delhi 1947 পৃঃ ৫২)। অসম প্ৰাদেশিক গোৰ্খা লীগে ইয়াৰ প্ৰথম অধিবেশন ১৯৪৬ চনৰ ৩১ ডিচেম্বৰ আৰু ১৯৪৭ চনৰ পহিলা জানুৱাৰীত গুৱাহাটীত অনুষ্ঠিত কৰি চিলঙৰে চাৰু দত্ত ৰাই আৰু বাবু বাহাদুৰ ৰাণাদ্বয়ক যথাক্ৰমে সভাপতি আৰু সাধাৰণ সম্পাদকৰূপে নিৰ্বাচিত কৰে। অসম প্ৰাদেশিক গোৰ্খা লীগ যিহেতু অখিল ভাৰতীয় গোৰ্খা লীগৰ প্ৰাদেশিক শাখা হোৱা হেতুকে আৰম্ভণিতে দুয়োটা সংগঠনৰে ঘোষিত লক্ষ্য আৰু উদ্দেশ্য উমৈহতীয়া প্ৰকৃতিৰ আছিল। তেনে কেইটামান উমৈহতীয়া লক্ষ্য আৰু উদ্দেশ্য এনেধৰণৰ — (1) To organise and consolidate all Gurkhas spread throughout India and elsewhere into one organic whole; (2) To preserve the civilisation, tradition and culture of the Gurkhas; (3) To further the development of Nepali language and its use; (4) To establish the political rights of the Gurkhas in India আৰু (5) To promote friendship and harmony with all the communities in India (দ্ৰষ্টব্য ঃ Bharatiya Nepali Bangmoi, Prabeshanka, Darjeeling 1980 পৃঃ 89-90)। মুঠ কথাত, পৰ্যায়ক্ৰমে পূৰ্ণ গণতান্ত্ৰিক পদ্ধতিলৈ ধাবমান ভাৰতীয় তথা অসমৰ ৰাজনৈতিক ক্ষমতাৰ অংশীদাৰী হৈ থলুৱা নেপালী জনগোষ্ঠীৰ সৰ্বাংগীণ বিকাশ সাধন কৰাৰ্থে প্ৰাক্‌স্বাধীন কালৰ পৰাই অখিল ভাৰতীয় গোৰ্খা লীগৰ সক্ৰিয় পৃষ্ঠপোষকতা আৰু সহযোগিতাত ভূমিষ্ঠ-হোৱা অসম প্ৰাদেশিক গোৰ্খা লীগে পৰিবৰ্তিত সময় সাপেক্ষে বিভিন্ন পদক্ষেপ লোৱা দেখা যায়।

পূৰ্বতেই উল্লেখ কৰা হৈছে যে অখিল ভাৰতীয় গোৰ্খা লীগ আৰু অসম প্ৰাদেশিক গোৰ্খা লীগৰ লক্ষ্য, উদ্দেশ্য আৰু দাবীসমূহ বহু ক্ষেত্ৰত উমৈহতীয়া প্ৰকৃতিৰ। এনে প্ৰেক্ষাপটত দেখা যায় যে সমগ্ৰ ভাৰতত স্থায়ীভাৱে বসবাস কৰা এক বৃহৎ সংখ্যক

নেপালীলোকৰ বাবে এক সুকীয়া সংখ্যালঘু সম্প্ৰদায় স্বীকৃতিৰ দাবী কৰি ১৯৪৪ চনৰ ১৪ মে' দিনা দাৰ্জিলিঙত অনুষ্ঠিত প্ৰথম বাৰ্ষিক অধিবেশনত অখিল ভাৰতীয় গোৰ্খা লীগে প্ৰস্তাৱ গৃহীত কৰি দাবী কৰে যে This session of the AIGL records that notwithstanding the facts that the British-Indian Gurkhas who are mostly descendants of men that came out from Nepal to serve the Government, have been domiciled in India generations; that they have faithfully served the Government and the country in peace and war; that they have their native civilisation, language, culture and tradition; they have not been recognised as a separate and distinct community while other smaller communities like the Anglo-Indians who number only 1,40,422, the Sikhs and the Indian Christians whose population is only equal to that of the Gurkhas have been recognised as separate communities and provisions have been made for them in the Government of India Act, 1935. This session of the AIGL strongly urges the British Government to recognise this important people as a separate minor community এই প্ৰস্তাৱৰ লগত সংগতি ৰাখি ১৯৪৭ চনৰ পহিলা জানুৱাৰী দিনা গুৱাহাটীত অনুষ্ঠিত প্ৰথম বাৰ্ষিক অধিবেশনতেই অসম প্ৰাদেশিক গোৰ্খা লীগেও নেপালী জনগোষ্ঠীক ভাৰতৰ এক সংখ্যালঘু সম্প্ৰদায় বুলি স্বীকৃতি দিবলৈ দাবী কৰি সৰ্বসম্মতিক্ৰমে প্ৰস্তাৱ গৃহীত কৰে যে The three million Gurkhas in India, though sharing a common tradition and culture with the rest of Indians nevertheless have a language, culture and tradition of their own; thus forming a distinct community in India. Hence this session of the Assam Provincial Gurkha League demands the Constituent Assembly to recognise the Gurkhas statutorily as a Minority Community of India এইদৰে প্ৰাদেশিক গোৰ্খা লীগে বিভিন্ন দাবীৰ প্ৰকৃতি অনুসৰি কেতিয়াবা ভাৰতীয় গোৰ্খা লীগৰ দাবীকে পুনৰাবৃত্তি কৰে আৰু কেতিয়াবা স্বতন্ত্ৰভাৱে কৰ্তৃপক্ষৰ ওচৰত সুকীয়া দাবী উত্থাপন কৰি আহিছে। এনে পৰিপ্ৰেক্ষিতত অসমৰ নেপালী জনগোষ্ঠীৰ বাবে প্ৰাদেশিক গোৰ্খা লীগে অনুসূচিত জনজাতি (Scheduled Tribes status) ৰ মৰ্যাদা দাবী কৰি অহা দেখা যায়। এই প্ৰসংগতে উল্লেখ্য

যে নেপালী জনগোষ্ঠী ইণ্ডো-আৰ্য আৰু তিব্বত-মংগোলীয় গোষ্ঠীৰ দ্বাৰা গঠিত এক সংমিশ্রিত জনগোষ্ঠী। ব্ৰাহ্মণকে আদি কৰি সকলো ধাগাধাৰী (অৰ্থাৎ লগুণধাৰী /Wearer of holy cord) নেপালীসকল ইণ্ডো-আৰ্য বংশোদ্ভৱ যি উচ্চ শ্ৰেণীৰ অন্তৰ্ভুক্ত আৰু মদৱাৰী বা মতৱালী (অৰ্থাৎ মদ্যপান কৰোতা /Alcohol drinkers) নেপালীলোক তিব্বত-মংগোলীয় বংশোদ্ভৱ যি নিম্ন অনগ্ৰসৰ শ্ৰেণীৰ অন্তৰ্ভুক্ত। এই নিম্ন অনগ্ৰসৰ শ্ৰেণীৰ অন্তৰ্ভুক্ত নেপালী উপ-জনগোষ্ঠীক ১৯৬৪ চনত অসম চৰকাৰে অন্যান্য পিছপৰা শ্ৰেণী (Other Backward Classes) বুলি স্বীকৃতি দিয়ে যদিও অসম প্ৰাদেশিক গোৰ্খা লীগে অনুসূচিত জনজাতিৰ মৰ্যাদা (Status of Scheduled Tribes) দাবী কৰি ১৯৬৮ চনৰ ৭ জুলাইত ভাৰত চৰকাৰক এখন স্মাৰক পত্ৰ প্ৰদান কৰি যুক্তি প্ৰদৰ্শন কৰে যে On behalf of the Indian Nepalese in general and the Nepalese of Assam in particular it is requested that due consideration be made for their miserable plight to include the Nepalese as a whole as the Scheduled Tribes in the proposed and revised list of the Scheduled Castes and Tribes of the Constitution so that they may get scope for coming up to the level of their compatriot in course of time and be able to share the sorrow and happening of the land under the same roof of equal footing with the rest of citizens of the country এই দাবী চৰকাৰে অদ্যাপি পূৰণ নকৰিলেও অসম প্ৰাদেশিক গোৰ্খা লীগৰ উত্তৰসূৰি অসম গোৰ্খা সন্মিলনকে আদি কৰি ৰাজ্যৰ অন্যান্য নেপালী সংগঠন সমূহেও ইয়াৰ প্ৰতি পূৰ্ণ সমৰ্থন দি অহা দেখা যায়।

থলুৱা নেপালী জনগোষ্ঠীৰ সৰ্বাংগীণ বিকাশৰ অংশৰূপে নেপালী ভাষাৰ সংৰক্ষণ, সংকৰ্ষণ আৰু সংবৰ্দ্ধনৰ বাবে ইয়াক ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচিত সন্নিবিষ্ট কৰাতো অতীব প্ৰয়োজনীয় বুলি বিবেচনা কৰি ১৯৬৭ চনৰ ১৩ মে' দিনা অখিল ভাৰতীয় গোৰ্খা লীগৰ দাৰ্জিলিঙস্থ শাখাই নেপালী ভাষাৰ সাংবিধানিক স্বীকৃতিৰ দাবী কৰে। অৱশ্যে পোন প্ৰথমে ১৯৫৬ চনৰ ১৮ জানুৱাৰী দিনা ডেৰাডুনৰ পৰা প্ৰকাশিত 'জাগ্ৰত গোৰ্খা' নামৰ নেপালী পত্ৰিকাৰ সম্পাদক মণ্ডলীয়ে নেপালী ভাষাৰ সাংবিধানিক স্বীকৃতি বিচাৰি তদানীন্তন ৰাষ্ট্ৰপতি ড° ৰাজেন্দ্ৰ প্ৰসাদদেৱক এখন স্মাৰক পত্ৰ প্ৰদান কৰিছিল। যেই কি নহওক, আৰম্ভণিতে এই দাবীয়ে বিশেষ প্ৰচাৰ আৰু প্ৰসাৰতা লাভ নকৰিলেও ১৯৭২ চনৰ ৩১ জানুৱাৰী দিনা দাৰ্জিলিঙত গঠিত অখিল ভাৰতীয় নেপালী ভাষা সমিতিয়ে (All India Nepali Bhasa Samiti) নেপালী

ভাষাৰ সাংবিধানিক স্বীকৃতিৰ দাবীক লৈ এক ভাৰতব্যাপী জাগৰণ আনিবলৈ সমৰ্থ হয়। অসম গোৰ্খা সন্মিলনেও এই দাবীৰ প্ৰতি পূৰ্ণ সমৰ্থন জনাই ১৯৭২ চনৰ ২০ জানুৱাৰী দিনা ভাৰতৰ তদানীন্তন প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীক এখন স্মাৰক পত্ৰ প্ৰদান কৰে এই বুলি যে In the opinion of eminent linguist like Suniti Kumar Chatterjee Nepali is one of the fifteen Major Indian Languages. Being in the main lineage of Sanskrit, it is very closely related to Hindi, Bengali, Assamese, Marathi and other languages of the Indo-Aryan group. We, therefore, urge upon your benign self to recognise Nepali language as one of the Major Languages of India and include it in the Eighth Schedule of the Constitution of India ভাৰতৰ নেপালী অধ্যুষিত প্ৰতিখন ৰাজ্যৰ নেপালী জনগোষ্ঠীৰ লগতে একাংশ অনা-নেপালী ভাষী বুদ্ধিজীৱিৰো পৰোক্ষ সমৰ্থনৰ বলত ১৯৯২ চনৰ ২০ আগষ্ট দিনা নেপালী ভাষাই সাংবিধানিক স্বীকৃতি লাভ কৰে। ঠিক একেদৰেই থলুৱা নেপালীলোকৰ আৰ্থ-সামাজিক অনগ্ৰসৰতা দূৰীকৰণৰ উপায় হিচাপে চৰকাৰী চাকৰিত নিযুক্তিৰ বেলিকা তেওঁলোকৰ প্ৰাৰ্থীৰ বাবে আসন সংৰক্ষণ ব্যৱস্থাৰ দাবী কৰি ১৯৪৭ চনতেই অসম প্ৰাদেশিক গোৰ্খা লীগে প্ৰথম অধিবেশনত প্ৰস্তাৱ গৃহীত কৰি কয় যে It is a great injustice to the Gurkhas who although forming an important Minority Community in Assam with a population of 13 lacs who are educationally backward, have hitherto been given no special facilities for recruitment in Assam Provincial Civil Service. Hence, this session of the Assam Pradeshik Gurkha League strongly urges the popular Ministry of Assam not to overlook the legitimate right of the Gurkhas but to give their proper representation in the Assam Civil Service পৰৱৰ্তী কালত ৰাজ্যৰ বিভিন্ন কাৰিকৰী শিক্ষানুষ্ঠানবোৰতো থলুৱা নেপালী প্ৰাৰ্থী বিলাকৰ বাবে আসন সংৰক্ষণৰ দাবী অসম গোৰ্খা সন্মিলনে উত্থাপন কৰিলেও অসম চৰকাৰে অদ্যাপি এনে দাবী গ্ৰাহ্য কৰা নাই।

থলুৱা নেপালী জনগোষ্ঠীৰ বিকাশৰ অৰ্থে অসম গোৰ্খা সন্মিলনে লোৱা বলিষ্ঠ পদক্ষেপবোৰৰ ভিতৰত 'সংৰক্ষিত শ্ৰেণী' মৰ্যাদাও (Protected Class Status) অন্যতম। প্ৰণিধানযোগ্য যে ১৮৮৬ চনত ব্ৰিটিছ ঔপনিবেশিক চৰকাৰে প্ৰণয়ন কৰা Assam Land and Revenue Regulation (Amended in 1947) অনুসৰি

অসমৰ জনজাতিলোকৰ স্বাৰ্থ ৰক্ষাৰ্থে গঠিত Tribal Belts and Blocks সমূহত বসবাস কৰা নেপালী cultivators and graziers সকলক আৰম্ভণিতে জনজাতিৰ সৈতে 'সুৰক্ষিত শ্ৰেণী'ৰ তালিকাত অন্তৰ্ভুক্ত কৰা নাছিল যদিও ১৯৪৯ চনত এই মৰ্যাদা নেপালীসকলকো দিয়া হয়। কিন্তু সুদীৰ্ঘ কুৰি বছৰৰ পাছত ১৯৬৯ চনত অসম চৰকাৰে ১৯৪৭ চনৰ পিছত Tribal Belts and Blocks সমূহত প্ৰবেশ কৰা নেপালী কৃষক আৰু গ্ৰেজিয়াৰসকলক 'সুৰক্ষিত শ্ৰেণী'ৰ তালিকাৰ পৰা বাহিৰ কৰি দিয়ে। চৰকাৰৰ এনে লুকা-ভাকু নীতিত উদ্বিগ্ন হৈ অসম গোৰ্খা সন্মিলনে বলিষ্ঠভাৱে যুক্তি আগবঢ়াই কয় যে অসমৰ অৰ্থনীতিলৈ বিপুল অৱদান আগবঢ়োৱা আৰু দেশৰ প্ৰতিৰক্ষাৰ বেলিকা জীৱন বলিদান দিয়া নেপালী সন্তানৰ পিতৃ-মাতৃসকলক 'সুৰক্ষিত শ্ৰেণী'ৰ তালিকাৰ পৰা আঁতৰাই দিয়াটো এক ঘোৰ অন্যায়। সেয়েহে এনে মৰ্যাদা পুনঃপ্ৰাপ্তিৰ উদ্দেশ্যে অসম গোৰ্খা সন্মিলনে ১৯৭০ চনৰ ১২ নৱেম্বৰ দিনা অসমৰ মুখ্যমন্ত্ৰীক প্ৰদান কৰা স্মাৰক পত্ৰত দাবী কৰে যে At the time of creation of Tribal Belts and Blocks alongwith other backward classes, the Nepali graziers too were given the status of Protected Class. But most unfortunately on 27th June 1969 the Nepali graziers and cultivators were excluded from the list of Protected Class in the Tribal Belts and Blocks. We, the Indian Nepalese residing in this region are no less backward and neglected economically and culturally than any other Protected Class. In view of this, we appeal to your generosity and demand that the subsequent notification excluding Nepali graziers and cultivators from the list of Protected Class be withdrawn and status of Nepali people prior to the aforesaid notification should be maintained যেই কি নহওক, অসম চৰকাৰে অসম গোৰ্খা সন্মিলনৰ এই দাবীৰ প্ৰতি অনুকম্পা দেখুৱাই ১৯৪৭ চনৰ পৰা ১৯৬৯ চন পৰ্যন্ত Tribal Belts and Blocks সমূহত প্ৰৱেশ কৰি Grazing Permit সহ স্থায়ীভাৱে বসবাস কৰা নেপালীলোকক 'সুৰক্ষিত শ্ৰেণী' মৰ্যাদা প্ৰদান কৰে। ১৯৬৯ চনৰ পাছত প্ৰৱেশ কৰা নেপালীলোকক কিন্তু এনে মৰ্যাদা প্ৰাপ্তিৰ পৰা বাহিৰত ৰখা হয়। অৱশ্যে ৰাজ্য চৰকাৰৰ এনে সিদ্ধান্তই উক্ত অঞ্চলবোৰৰ নেপালীলোকক সন্তুষ্ট কৰাত বিফল হয় আৰু অসম গোৰ্খা সন্মিলনে তেনে অঞ্চলৰ সকলো নেপালীলোককে চৰ্তহীনভাৱে Protected Class বুলি স্বীকৃতি দিবলৈ নেৰা-নেপেৰাকৈ কৰাৰ দাবীৰ পৰিপ্ৰেক্ষিতত ১৯৯৬ চনৰ ২৯ মাৰ্চৰ দিনা

প্ৰয়াত 'কৰ্মশ্ৰী' হিতেশ্বৰ শইকীয়াৰ নেতৃত্বাধীন কংগ্ৰেছ চৰকাৰে Tribal Belts and Blocks সমূহত বসবাস কৰা সকলো নেপালীলোকক Protected Class মৰ্যাদা প্ৰদান কৰি অসম গোৰ্খা সম্মিলনৰ এক দীঘলীয়া সংগ্ৰামৰ যৱনিকা পেলায়। তদুপৰি শেহতীয়াকৈ বহুচৰ্চিত 'খিলঞ্জীয়া'ৰ সংজ্ঞা নিৰ্ধাৰণ কৰিবলৈ লোৱাত অসম গোৰ্খা সম্মিলনে নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি অতি শীঘ্ৰে 'খিলঞ্জীয়া'ৰ সংজ্ঞা স্পষ্ট কৰিবলৈ অসম চৰকাৰৰ ওচৰত এখন স্মাৰক পত্ৰৰ দ্বাৰা দাবী জনাইছে। লগতে নেপালী ছাত্ৰ-ছাত্ৰী থকা অসমৰ প্ৰাথমিক বিদ্যালয়সমূহত ২০০ জন আৰু মধ্য ইংৰাজী বিদ্যালয়ত ১৫০ জন শিক্ষক নিযুক্তি দিবলৈ, বি এ চি স্বায়ত্ব শাসিত পৰিষদত দুজন (এজন কাৰ্যকৰী আৰু এজন সাধাৰণ সদস্য), বিভিন্ন তালাচী চকীত বিদেশীৰ নামত নেপালীলোকক অসম আৰক্ষীয়ে কৰা অযথা হাৰাশাস্তি অতি শীঘ্ৰে বন্ধ কৰা আৰু গুৱাহাটীস্থ শংকৰদেৱ কলাক্ষেত্ৰত নেপালী কলা-সংস্কৃতি সংৰক্ষণৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে (আজিৰ বাতৰি ১২আগষ্ট ১৯৯৯)।

ঐতিহাসিক বিদেশী বিতাড়ন আন্দোলন (১৯৭৯-১৯৮৫)ৰ কালছোৱাত ঠাই বিশেষে বিদেশীৰ নামত বসবাসৰ দীৰ্ঘতা নিৰ্বিশেষে (irrespective of length of settlement) থলুৱা নেপালীলোকক হাৰাশাস্তি নকৰা নহয়। আনকি অসমলৈ নিতৌ বিদেশী নেপালী নাগৰিকৰ প্ৰব্ৰজন ঘটিয়েই আছে বুলি এটা সময়ত গোৱালপাৰা জিলা ছাত্ৰ সন্থাই গুৰুতৰ অভিযোগ আনি দাবী কৰে যে চুব্ৰা ৰাও নামৰ এজন দালালৰ উদ্যোগত ৰাজ্যৰ বিভিন্ন প্ৰতিষ্ঠানবোৰত কাম কৰিবলৈ সস্তীয়া নেপালী বনুৱাৰ আমদানি কৰা হৈছে (দ্ৰষ্টব্য ঃ দৈনিক অসম ৬ জানুৱাৰী ১৯৮৭)। মাজে সময়ে উত্থাপিত এনে ধৰণৰ অভিযোগৰ পৰিপ্ৰেক্ষিতত অসম গোৰ্খা সম্মিলনে যুক্তি আগবঢ়াই যে Indo-Nepal Treaty of Peace and Friendship 1950 অনুসৰি নেপালী নাগৰিক ভাৰতলৈ আৰু ভাৰতীয় নাগৰিক নেপাললৈ গৈ বসবাস, চাকৰি আৰু ব্যৱসায়-বাণিজ্য কৰিব পাৰে। তাৰ বাবে দুয়ো দেশৰ নাগৰিকে উভয় দেশলৈ অহা-যোৱা কৰিবলৈ কোনো ৰাজকীয় পাৰ-পত্ৰৰ প্ৰয়োজন নাই। সেয়েহে বিদেশী নাগৰিক চিনাক্তকৰণৰ সময়ত বাংলাদেশীৰ ক্ষেত্ৰত ১৯৫১ চন ভিত্তি বছৰ হ'ব লাগে বুলি আছু আৰু গণ সংগ্ৰাম পৰিষদে কৰা দাবী নেপালীলোকৰ বেলিকাও প্ৰয়োগ কৰিবলৈ লোৱাত অসম গোৰ্খা সম্মিলনে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ১৯৮১ চনৰ ২০ মে' দিনা ভাৰতৰ গৃহমন্ত্ৰীলৈ প্ৰেৰণ কৰা স্মাৰক পত্ৰত উল্লেখ কৰে যে In view of the prevailing situation arising out of the foreign nationals issue we humbly suggest that 30th July 1976 to be earmaked to distinguish Indian Nepalese living in this northeastern states from the nationals of

Nepal as on and from which date the Restricted Area Permit system was introduced to restrict the nationals of Nepal to come to this northeastern region প্ৰকৃততে ১৯৫১ চনৰ পৰিবৰ্তে ১৯৭৬ চনহে বিদেশী নেপালী নাগৰিক চিনাক্তকৰণৰ বাবে ভিত্তি বৰ্ষ হ'ব লাগে বুলি অসম গোৰ্খা সম্মিলনে দাবী কৰে কাৰণ উত্তৰ-পূৰ্বাঞ্চললৈ প্ৰৱেশ কৰিবৰ বাবে নেপালী নাগৰিকসকলে ১৯৭৬ চনৰ ৩০ জুলাইৰ পৰাহে Restricted Area Permit (RAP) ল'বলগীয়া হৈছিল। এইখিনিকে প্ৰণিধানযোগ্য যে RAP ব্যৱস্থাও ১৯৯৫ চনৰ ১৫ মে'ত কেন্দ্ৰীয় চৰকাৰে উঠাই লোৱাত নেপালী নাগৰিকে উত্তৰ পূৰ্বাঞ্চললৈ মুক্তভাৱে অহা-যোৱা কৰাৰ সুবিধা লাভ কৰে। তদ্ৰূপ অসম চৰকাৰেও ১৯৯৬ চনৰ ২৪ জানুৱাৰীত RAP ব্যৱস্থা উঠাই লয়। অৱশ্যে RAP বাতিল কৰা মানে নেপালী নাগৰিকে অসমকে আদি কৰি উত্তৰ পূৰ্বাঞ্চলত ৰাজনৈতিক অধিকাৰ প্ৰাপ্তি নুবুজায় (আমাৰ অসম ২৮ চেপ্তেম্বৰ ২০০২)। যি কি নহওক, ঐতিহাসিক অসম চুক্তি সম্পাদনৰ সময়ত অসম গোৰ্খা সম্মিলনৰ এই দাবীৰ প্ৰতি চৰকাৰ আৰু আন্দোলনৰ নেতৃবৃন্দই কোনো মনোযোগ নিদিলে যাৰ ফলত ১৯৭১ চনৰ ২৫ মাৰ্চ তাৰিখকে বাংলাদেশীৰ লগতে বিদেশী নেপালী নাগৰিক চিনাক্তকৰণৰ বেলিকাও ভিত্তি বছৰ ৰূপে গ্ৰহণ কৰে।

বিদেশী বিতাড়ন আন্দোলনৰ প্ৰায় সমান্তৰালকৈ এচাম লোকৰ উদ্যোগত অসমক স্বাধীন কৰাৰ সপোন বুকুত বান্ধি লৈ ১৯৭৯ চনৰ ৭ এপ্ৰিলত শিৱসাগৰৰ ৰংঘৰৰ বাকৰিত সংযুক্ত মুক্তি বাহিনী, অসম (United Liberation Front, Assamচমুকৈ আলফা) নামেৰে এক সশস্ত্ৰ সংগঠনৰ জন্ম হয়। সশস্ত্ৰ সংগ্ৰামত বিশ্বাসী আলফাই নিজৰ ঘোষিত লক্ষ্যত উপনিত হ'বলৈ যাওতে বিভিন্ন ঘাত-প্ৰতিঘাতৰ সন্মুখীন হৈ নিজৰ বহু সতীৰ্থক হেৰুওৱাৰ লগতে বহুতো দোষী-নিৰ্দোষী জনগণক জীয়াই থকাৰ অধিকাৰৰ পৰা বঞ্চিত কৰা ঘটনা সমসাময়িক খবৰ কাগজবোৰত পঢ়িবলৈ পোৱা গৈছিল। অসমৰ থলুৱা নেপালীৰ একাংশও আলফাৰ গুলিত প্ৰাণ বিসৰ্জন দিবলগীয়া হৈছিল। কেনে ঘটনাৰ এক জ্বলন্ত উদাহৰণ হৈছে এয়ে যে উজনি অসমৰ তিনিচুকীয়া জিলাৰ অন্তৰ্গত পেঙেৰী থানাৰ পৰা প্ৰায় সাত কিলোমিটাৰ নিলগৰ ২নং মুগং পথাৰ গাঁৱৰ নিবাসী কৃষ্ণ কাৰ্কীৰ পৰিয়ালৰ পাঁচ গৰাকীসহ আন এগৰাকী অতিথিৰ সৈতে মুঠতে ছগৰাকী সদস্যক বিগত ২০০০ চনৰ ২৬ মে'ত আলফাই গুলীয়াই হত্যা কৰে। সদস্যকেইজন হ'ল — কৃষ্ণ কাৰ্কী, তেওঁৰ পত্নী দেবী কাৰ্কী, পুতেক ভক্ত বাহাদুৰ কাৰ্কী, শ্বেৰ বাহাদুৰ দাহাল (অতিথি), বল বাহাদুৰ ভূজেল আৰু শান্তাকী সোণাৰ। খবৰ অনুসৰি ক্ষুদ্ৰ চাহ খেতিয়ক কৃষ্ণ কাৰ্কীক আলফাই দাবী কৰা ধনৰ এটা কিস্তি আদায় দি আনটো কিস্তি পৰিশোধ কৰাৰ পৰিবৰ্তে পুলিচৰ সৈতে যোগাযোগ কৰাৰ

পৰিণতিত তিনিজন আলফা সদস্যই প্ৰাণ হেৰুৱাবলগীয়া হ'ল। তাৰেই প্ৰতিশোধ স্বৰূপে আলফাই চৰম পদক্ষেপ লৈছিল (**আমাৰ অসম ২৮ মে' ২০০০**)। সি যি কি নহওক, ছজন থলুৱা নেপালীলোকক ঘৰৰ ভিতৰতে নিশা এক বজাত নৃশংসভাৱে হত্যা কৰা ঘটনাক অসম গোৰ্খা সন্মিলন, সদৌ অসম নেপালী ছাত্ৰ সন্থা, মানৱ অধিকাৰ সংগ্ৰাম সমিতিয়ে গৰিহণা দি ইয়াৰ এক ন্যায়িক তদন্তৰ দাবী কৰে (**আমাৰ অসম ২৯ মে' ২০০০**)। অনুৰূপ ধৰণে একে বছৰৰে ২২ জুনত তামুলপুৰ থানাৰ অন্তৰ্গত গোপীনাথপুৰ গাঁৱত মাজৰাতি অস্ত্ৰধাৰী আততায়ীয়ে একেটা নেপালী পৰিয়ালৰ চাৰিজন সদস্য ক্ৰমে — প্ৰতিমান প্ৰধান, ভূৰে প্ৰধান, মহেশ প্ৰধান আৰু ইন্দ্ৰ বাহাদুৰ নেৱাৰক গুলিয়াই হত্যা কৰা কাৰ্যক অসম গোৰ্খা সন্মিলনে তীব্ৰ ভাষাৰে গৰিহণা দি অতি শীঘ্ৰে দোষীক শাস্তি প্ৰদান কৰিবলৈ চৰকাৰৰ ওচৰত দাবী জনায় (**আজি, ২৫ জুন ২০০০**)। তদুপৰি এনে জঘন্য হত্যাকাণ্ডৰ তীব্ৰ প্ৰতিবাদ কৰি অসমত স্থায়ীভাৱে বসবাস কৰি থলুৱা হোৱা নেপালীলোকৰ সুৰক্ষা বিচাৰি সদৌ অসম নেপালী ছাত্ৰ সন্থা (আনছু)ই ২০০০ চনৰ ৭ জুলাইত গুৱাহাটী জৰ্জ খেলপথাৰত এক বিশাল শোভাযাত্ৰা উলিয়াই ৰাজভৱনলৈকে গৈ ৰাজ্যপালক এখন স্মাৰক পত্ৰ প্ৰদান কৰি কয় যে — বিগত দুমাহত অসমৰ বিভিন্ন প্ৰান্তত সশস্ত্ৰ সংগঠন ইউ, পি, ডি, এছৰ (কাৰ্বি আংলঙত) হাতত ১১ জন, এন, ডি, এফ, বি (নলবাৰী)ৰ হাতত ৫ জন আৰু আলফা (তিনিচুকীয়া)ৰ হাতত ৬জন নেপালীলোক নিহত হৈছে (**অসমীয়া প্ৰতিদিন ৮ জুলাই ২০০০**)। এই শোভাযাত্ৰাৰ নেতৃত্ব দিয়ে আনছুৰ তদানীন্তন সভাপতি হৰ্ক বাহাদুৰ ছেত্ৰী, সম্পাদক দিলু শৰ্মা আৰু বিজেপিৰ জ্যেষ্ঠ নেপালী নেতা ৰাম প্ৰসাদ শৰ্মাই। থলুৱা নেপালী জনগোষ্ঠীৰ জীৱনৰ নিৰাপত্তা নিশ্চিত কৰাই আছিল এই বিশাল শোভাযাত্ৰা প্ৰধান দাবী কাৰণ তেওঁলোকে তদানীন্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বাধীন আঞ্চলিক দল অগপ চৰকাৰে থলুৱা নেপালীলোকক নিৰাপত্তা প্ৰদানত ব্যৰ্থ হোৱা বাবে বৰ্খাস্ত কৰিবলৈ দাবী জনায়।

এই আলোচনাৰ পৰা দেখা গ'ল যে অসমৰ থলুৱা নেপালী জনগোষ্ঠীৰ সৰ্বাংগীণ বিকাশৰ হেতু এক আৰ্থ-সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠানৰূপে অসম গোৰ্খা সন্মিলনে আত্মপ্ৰকাশ কৰি সময়ে সময়ে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ ওপৰত হেঁচা প্ৰয়োগ কৰি আহিছে। এনে হেঁচাৰ ফলত সামগ্ৰিক দাবীসমূহৰ কিয়দংশ পূৰণ হৈছে আৰু আন কিছুমান পূৰণ হ'বলৈ এতিয়াও বাকী আছে। এতিয়া কথা হ'ল থলুৱা নেপালী জনগোষ্ঠীৰ আৰ্থ-সামাজিক আৰু সাংস্কৃতিক বিকাশ সাধন কৰিবলৈ যাওঁতে অসম গোৰ্খা সন্মিলনে ৰাজ্যৰ সক্ৰিয় ৰাজনীতিৰ লগত জড়িত হ'ব লগা হৈছেনে? যদি হৈছে তেন্তে ইয়াৰ স্বৰূপ কেনে ধৰণৰ হ'ব পাৰে? আপাততঃ দৃষ্টিত অসম গোৰ্খা সন্মিলন এক সামাজিক

আৰু সাংস্কৃতিক অনুষ্ঠান, যি ৰাজনীতিৰ সৈতে কোনো প্ৰকাৰে জড়িত নহয়; অৰ্থাৎ ই এক নেপালী অনা-ৰাজনৈতিক সংগঠন (an apolitical organisation of the Local Nepalese)। এই প্ৰসংগতে উল্লেখ্য যে অসম গোৰ্খা সম্মিলনৰ পিতৃ সংগঠন অখিল ভাৰতীয় গোৰ্খা লীগ এক ৰাজনৈতিক দললৈ ৰূপান্তৰিত হৈ ১৯৫২ চনৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ বাবে ১৯৫৫ চনত ডুবাৰ্চৰ মটেলীত অনুষ্ঠিত অধিবেশনৰ পাছৰে পৰা অসম গোৰ্খা সম্মিলনে অখিল ভাৰতীয় গোৰ্খা লীগৰ সৈতে সম্পৰ্ক ছেদ কৰে। দ্বিতীয়তে আৰু এখোজ আগোৱাই গৈ ১৯৬৬ চনৰ ১০ এপ্ৰিলত দৰং জিলাৰ গড়পালত অনুষ্ঠিত অসম প্ৰাদেশিক গোৰ্খা লীগৰ দ্বাদশ বাৰ্ষিক অধিবেশনত এই সংক্ৰান্তত প্ৰস্তাৱ গৃহীত কৰা হয় যে Assam Pradeshik Gurkha League is a pure and simple social and cultural organisation of the Nepalese in Assam. In keeping with its very nature and objectives this session resolves to bring amendment in one of the Articles of its constitution by changing name i.e. Assam Pradeshik Gurkha League to Assam Gurkha Sammelon আন কথাত ক'বলৈ হ'লে, এতিয়াৰ অসম গোৰ্খা সম্মিলন, অখিল ভাৰতীয় গোৰ্খা লীগৰ ৰাজ্যিক গোটটো নহয়েই বৰং নিজৰ নামটোকে সলনি কৰি অসমৰ থলুৱা জনগোষ্ঠীৰ এক স্বতন্ত্ৰ অনুষ্ঠানলৈ পৰিবৰ্তন হ'ল। লগতে অসম গোৰ্খা সম্মিলনে নিজকে 'এক বিশুদ্ধ সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠান' বুলি আনুষ্ঠানিকভাৱে ঘোষণা কৰি তথাকথিত অৰাজনৈতিক চৰিত্ৰ প্ৰদৰ্শন কৰে। কিন্তু অসম গোৰ্খা সম্মিলন সঁচাকৈ নিৰ্বাচনী অৰ্থাৎ ক্ষমতাকেন্দ্ৰিক ৰাজনীতিৰ পৰা মুক্তনে? এই প্ৰশ্নৰ উত্তৰ পাবলৈ হ'লে অখিল ভাৰতীয় গোৰ্খা লীগৰ ঐতিহাসিক পটভূমিৰ ওপৰত চমুকৈ আলোকপাত কৰাতো যুগুত হ'ব।

পূৰ্বতেই উল্লেখ কৰা হৈছে যে অখিল ভাৰতীয় গোৰ্খা লীগৰ প্ৰতিষ্ঠাপক সভাপতি ডম্বৰসিং গুৰুং নিজেই এগৰাকী সক্ৰিয় ৰাজনীতিক আছিল। ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইন (The Government of India Act. 1935) ৰ আধাৰত ১৯৩৭ আৰু ১৯৪৬ চনত অনুষ্ঠিত সাধাৰণ নিৰ্বাচনত অখিল ভাৰতীয় গোৰ্খা লীগৰ প্ৰাৰ্থীৰূপে দাৰ্জিলিং সমষ্টিৰ পৰা পশ্চিমবংগৰ বিধানসভালৈ নিৰ্বাচিত হৈ ডম্বৰসিং গুৰুঙে ভাৰতত প্ৰথম নেপালী বিধায়ক হোৱাৰ কৃতিত্ব অৰ্জন কৰে। মুঠতে, অখিল ভাৰতীয় গোৰ্খা লীগ আৰ্বিভাৱ হোৱাৰ পূৰ্বতেই ডম্বৰসিং গুৰুং সক্ৰিয় ৰাজনীতিৰ লগত ওতপ্ৰোতভাৱে জড়িত আছিল। এনে এক ৰাজনৈতিক দল আৰু ৰাজনীতিকৰ সক্ৰিয় উদ্যোগ আৰু পৃষ্ঠপোষকতাত ভূমিষ্ঠ হোৱা অসম প্ৰাদেশিক গোৰ্খা লীগ নিৰ্বাচনী ৰাজনীতিৰ পৰা যথাৰ্থতে কিমান দূৰ মুক্ত বুলি ক'ব পাৰি? যদি মুক্ত নহয়, তেন্তে কি কাৰণত ১৯৫৫

চনৰ পৰা অসম প্ৰাদেশিক গোৰ্খা লীগে অখিল ভাৰতীয় গোৰ্খা লীগৰ সৈতে সম্পৰ্ক ছেদ কৰে আৰু ১৯৬৬ চনত নিজৰ নামটোকে অসম গোৰ্খা সম্মিলন বুলি নতুনকৈ নামাংকিত কৰে? প্ৰকৃতাৰ্থত, ১৯৬৬ চনৰ পৰা অসম প্ৰাদেশিক গোৰ্খা লীগ দুটা শিবিৰত বিভক্ত হয়। তাৰে এটা ভাগ দলবীৰ সিং লোহাৰ, বিষ্ণুলাল উপাধ্যায়, প্ৰসাদসিং চুৱা আদিৰ নেতৃত্বত অসম গোৰ্খা সম্মিলনৰ জন্ম হয় আৰু আনহাতেদি চেতে ৰাণা, শিবাজী ৰাই, ধন বাহাদুৰ ৰাই আদিৰ নেতৃত্বই পূৰ্বৰ অসম প্ৰাদেশিক লীগক বাহাল ৰাখে। আনকি ১৯৬৭ চনৰ সাধাৰণ নিৰ্বাচনত অখিল ভাৰতীয় গোৰ্খা লীগৰ প্ৰাৰ্থীৰূপে অসম বিধান সভাৰ সৰুপথাৰ সমষ্টিৰ পৰা শিবাজী ৰাইয়ে প্ৰতিদ্বন্দ্বিতা কৰি পৰাজিত হয়। অৱশ্যে সত্তৰ দশকৰ শেষৰ ফালে অসম প্ৰাদেশিক গোৰ্খা লীগে ক্ৰমাগতভাৱে নিজৰ গণভিত্তি হেৰুৱাই সম্প্ৰতি অস্তিত্ব বিহীন হৈ পৰিছে। আনহাতেদি অসম গোৰ্খা সম্মিলনে ৰাজ্যৰ থলুৱা নেপালী জনগোষ্ঠীৰ মাজত অধিক জনপ্ৰিয়তা লাভ কৰি অদ্যাপি কাৰ্যনিৰ্বাহ কৰি আছে।

সি যি কি নহওক, এতিয়া মূল আলোচ্য বিষয়লৈ অহা যাওক যে অসম গোৰ্খা সম্মিলনৰ, ৰাজ্যৰ সক্ৰিয় ৰাজনীতিৰ পৰা মুক্ত হৈ আছেনে? ইয়াৰ উত্তৰ পাবলৈ হ'লে অসম গোৰ্খা সম্মিলনৰো অতীত ইতিহাসৰ ওপৰত কিছু আলোকপাত কৰাৰ প্ৰয়োজন আছে। স্মৰ্তব্য যে ১৯৫২ চনত অনুষ্ঠিত প্ৰথম সাধাৰণ নিৰ্বাচনৰ পূৰ্বে অবিভক্ত দৰং জিলাৰ শিঙৰীত ১৯৫১ চনৰ ২৬ জুলাইত অসম প্ৰাদেশিক গোৰ্খা লীগৰ কাৰ্যনিৰ্বাহক সমিতিৰ বৈঠকে প্ৰস্তাৱ এক যোগে দাবী কৰে যে স্বাধীন ভাৰতৰ পহিলা নিৰ্বাচনত অসমৰ বাৰটা বিধানসভা সমষ্টিত কংগ্ৰেছ দলে নেপালী নেতাসবক দলীয় প্ৰাৰ্থীৰূপে মনোনিত কৰিব লাগে। কংগ্ৰেছে কিন্তু কেৱল দলবীৰসিং লোহাৰক প্ৰাৰ্থীত্ব প্ৰদান কৰে। (**দ্ৰষ্টব্য ঃ বিষ্ণুলাল উপাধ্যায়; আচামে নেপালীহৰু, তেজপুৰ ১৯৮৪ পৃঃ ২০-২১**)। ফলত দাবী অনুসৰি মনোনয়ন নাপাই অসম প্ৰাদেশিক গোৰ্খা লীগে নিজৰ ফালৰ পৰা (অৱশ্যে গোৰ্খা লীগ স্বীকৃত দল নোহোৱাৰ বাবে নিৰ্দলীয় প্ৰাৰ্থীৰূপে) মুঠ ছয় গৰাকী প্ৰাৰ্থী থিয় কৰোৱায়। তেওঁলোক হৈছে ডিগবৈৰ পৰা ভক্ত বাহাদুৰ প্ৰধান, বিহপুৰীয়াৰ পৰা কিষাণ চন্দ্ৰ ঠাকুৰ, উত্তৰ লখিমপুৰৰ পৰা পৰশুৰাম কটুৱাল, পূব তেজপুৰৰ পৰা প্ৰসাদ সিং চুৱা, পানেৰীৰ পৰা হীৰালাল পাটোৱাৰী আৰু চিলঙৰ পৰা ধ্ৰুব নাৰায়ণ যোশী (দ্ৰষ্টব্য ঃ **চন্দ্ৰ বাহাদুৰ চেত্ৰী ঃ আচামামা নেপালীহৰু** ৰ সমস্যা 'অসম গোৰ্খা সম্মিলন' স্মাৰিকা, ত্ৰয়োদশ অধিবেশন সংখ্যা, ৰামপুৰ, অবিভক্ত লখিমপুৰ জিলা ১৯৬৮ পৃঃ ৪৮)। অৱশ্যে প্ৰাদেশিক গোৰ্খা লীগৰ কোনো প্ৰাৰ্থীয়ে জয়লাভ কৰিব নোৱাৰিলে। ঠিক একেদৰেই তথাকথিত অৰাজনৈতিক সংগঠন অসম প্ৰাদেশিক গোৰ্খা লীগে ১৯৬১ চনৰ ২০ এপ্ৰিল দিনা নগাঁৱৰ লংকাত অনুষ্ঠিত ইয়াৰ

দশম বাৰ্ষিক অধিবেশনত পুনৰ প্ৰস্তাৱ গ্ৰহণ কৰে যে Whereas the Gurkhas of Assam have not so far been satisfactorily represented in the State Legislature and whereas having completely identified themselves with the interests of Assam, they have been considerably contributing towards the progress, prosperity and security of the state, this tenth session of the Assam Prsdeshik Gurkha League resolves that the Assam Pradeshik Congress Committee be requested to give nomination to the Gurkha Congressmen from the following constituencies - (1) Digboi (2) Gohpur and (3) Bodsola অৱশ্যে পূৰ্বতে কোৱা হৈছে যে অসম প্ৰাদেশিক গোৰ্খা লীগে (সম্প্ৰতি অসম গোৰ্খা সন্মিলন) নিজৰ বেনাৰত নিৰ্বাচনত প্ৰাৰ্থী থিয় নকৰাব পাৰে কিন্তু প্ৰতিটো সাধাৰণ নিৰ্বাচনৰ প্ৰাক্ মুহূৰ্তত থলুৱা নেপালী নেতাসবক কংগ্ৰেছৰ টিকট দিব লাগে বুলি আনুষ্ঠানিকভাৱে দাবী কৰাটো এক পৰম্পৰাত পৰিণত হৈছে। তদুপৰি অদ্যাপি নিৰ্বাচনী ৰাজনীতিত কৃতকাৰ্যতা লাভ কৰা প্ৰতিজন নেপালী নেতা অসম গোৰ্খা সন্মিলনৰ বৰ্তমান নহ'লেও প্ৰাক্তন উচ্চ বিষয়ববীয়া। তেওঁলোকৰে কেইগৰাকীমান উল্লেখযোগ্য নেতা হৈছে ডিব্ৰুগড়ৰ প্ৰয়াত দলবীৰ সিং লোহাৰ, চিলঙৰ ধ্ৰুৱ নাৰায়ণ যোছী, বিহালীৰ বিষ্ণুলাল উপাধ্যায়, মাৰ্ঘেৰিটাৰ কুল বাহাদুৰ ছেত্ৰী, তামুলপুৰৰ পদম বাহাদুৰ চৌহান, বৰচলাৰ ৰুদ্ৰ পৰাজুলি আৰু টংক বাহাদুৰ ৰাই আৰু নাওবৈচাৰ 'বিতৰ্কিত' নেতা মণি কুমাৰ চুব্বা। উল্লেখ্য যে সম্প্ৰতি তেজপুৰ লোকসভাৰ পৰা নিৰ্বাচিত কংগ্ৰেছ দলৰ সাংসদ মণি কুমাৰ চুব্বা, প্ৰাক্তন কংগ্ৰেছ বিধায়ক ৰুদ্ৰ পৰাজুলি আৰু বিধায়ক তথা বিধানসভাৰ অধ্যক্ষ টংক বাহাদুৰ ৰাই অসম গোৰ্খা সন্মিলনৰ ক্ৰমান্বয়ে সভাপতি, কাৰ্যকৰী সভাপতি আৰু সাধাৰণ সম্পাদক। আনহাতেদি কংগ্ৰেছেও অসম গোৰ্খা সন্মিলনৰ সভাপতি, উপ-সভাপতি সম্পাদকৰ নিচিনা পদত উপবিষ্ট উচ্চ বিষয়ববীয়াসকলকহে নিৰ্বাচনত প্ৰাৰ্থিত্ব দি আহিছে এই যুক্তিত যে তেনে নেতা অসমৰ থলুৱা নেপালী জনগোষ্ঠীৰ 'অবিসম্বাদী' নেতা যাক প্ৰাৰ্থিত্ব দিলে কংগ্ৰেছৰো নিৰ্বাচনত জয়লাভৰ আশা উজ্বল হয়। ঠিক তেনেদৰে ৰাজনৈতিকভাৱে উচ্চাকাংক্ষিত নেপালী নেতাসবৰো বদ্ধমূল বিশ্বাস যে নিৰ্বাচনত কংগ্ৰেছ দলৰ মনোনয়ন লাভ কৰিবলৈ হ'লে অসম গোৰ্খা সন্মিলনৰ উচ্চ বিষয়ববীয়া হ'ব লাগিব। সেয়েহে ৰাজ্যৰ যিকোনো আগশাৰী সংগঠন বা ৰাজনৈতিক দলৰ লেখিয়াকৈ এই সংগঠনৰো বিষয়ববীয়া বিশেষকৈ সভাপতি, উপ-সভাপতি আৰু প্ৰধান সম্পাদকৰ বাছনিৰ সময়ত নেপালী নেতাসবে হেতাওপৰা কৰি এক হুলস্থুলীয়া পৰিবেশ সৃষ্টি হোৱা প্ৰত্যক্ষ কৰিবলৈ এই লেখকৰো

এবাৰ সৌভাগ্য ঘটিছিল। এনে প্ৰেক্ষাপটত এইটো ক'ব পাৰি যে থলুৱা নেপালী জনগোষ্ঠীৰ সামগ্ৰিক বিকাশৰ নামত নেপালী নেতাসবে অসম গোৰ্খা সন্মিলনক নিজৰ ৰাজনৈতিক জীৱন গঢ়ি ক্ষমতা দখলৰ এক পৰম্পৰাগত প্লেটফৰ্ম ৰূপে ব্যৱহাৰ কৰি আহিছে আৰু অনাগত দিনতো কৰি থাকিব। সেয়েহে চাগে থলুৱা নেপালী লেখক ৰোহিত গৌতমে এপ্ৰিল ২০০৭ সংখ্যা নেপালী আলোচনী 'সপৰিবাৰ'ত "অসম গোৰ্খা সন্মিলন জাতীয় মুল সংস্থা নে কংগ্ৰেছৰ "বি টীম" শীৰ্ষক এটি প্ৰবন্ধ প্ৰকাশ কৰিছে। ই কেৱল নেপালী জনগোষ্ঠীৰ ক্ষেত্ৰতেই প্ৰয়োজ্য এনে নহয় ৰাজ্যৰ সকলো নৃগোষ্ঠীয় সংগঠনৰ বেলিকাও প্ৰযোজ্য। অৱশ্যে অসম গোৰ্খা সন্মিলনে ৰাজ্যৰ থলুৱা নেপালী জনগোষ্ঠীক সংগঠিত কৰি সীমিত সংখ্যক সমস্যাৰ সমাধান কৰা নাই বুলিও ক'ব নোৱাৰি। তৎস্বত্বেও এই কথাত বোধকৰো কাৰো দ্বিমত নাথাকিব যে ৰাজনৈতিকভাৱে সংগঠিত তথাকথিত অৰাজনৈতিক সংগঠন অসম গোৰ্খা সন্মিলন আৰু অসমৰ সক্ৰিয় ৰাজনীতিৰ মাজত ঐতিহাসিকভাৱে এক নিৰৱচ্ছিন্ন সম্পৰ্ক আছে আৰু আগলৈকো থকাৰ সম্ভাৱনীয়তাক নুই কৰিব নোৱাৰি। যি কি নহওক, পৰোক্ষভাৱে হ'লেও ৰাজ্যৰ ৰাজনৈতিক ক্ষমতাৰ অংশীদাৰ হৈ থলুৱা নেপালী জনগোষ্ঠীৰ সামগ্ৰিক বিকাশ সাধন কৰাই হৈছে অসম গোৰ্খা সন্মিলনৰ প্ৰধান ঘোষিত লক্ষ্য আৰু উদ্দেশ্য।

দৈনিক জনমভূমি, ২৯-৩০ নৱেম্বৰ, ২০০০

নেপালী সাহিত্য পৰিষদ, অসম
বনাম
অসম নেপালী সাহিত্য সভা

এটা সংস্কৃতিবান জনগোষ্ঠীয়ে য'তেই স্থায়ীভাৱে বসবাস নকৰক কিয় কালক্ৰমত তাতেই নিজস্ব আত্ম পৰিচিতিৰ অংশ ৰূপে নিজৰ ভাষা-সংস্কৃতিৰ সংকৰ্ষণ, সংৰক্ষণ আৰু সংবৰ্ধন কৰাতো এক নৈসৰ্গিক প্ৰবৃত্তি। প্ৰাগৈতিহাসিক কালৰ পৰাই অসমত বসবাস কৰি জনসংখ্যাৰ বৃদ্ধি আৰু আনুষ্ঠানিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ ফলশ্ৰুতিত বিশেষকৈ বিংশ শতিকাৰ মধ্যভাগৰ পৰাই থলুৱা নেপালীলোকেও নিজৰ ভাষা-সংস্কৃতিৰ প্ৰতি সজাগ হৈ উঠা পৰিলক্ষিত হয়। ফলত অবিভক্ত অসমৰ চিলঙত হৰিপ্ৰসাদ গোৰ্খাৰাইৰ উদ্যোগত পশুপতি সন্মিলন (১৯৩৮) নামেৰে প্ৰথম নেপালী সাহিত্য সংগঠনৰ জন্ম হৈছিল। পৰৱৰ্তী কালত তেওঁৰেই উদ্যোগত পশুপতি সংঘ (১৯৩৯) নামেৰে অন্য এক নেপালী সাহিত্য অনুষ্ঠানৰ জন্ম হয়। অৱশ্যে এই সাহিত্য সংস্থাসমূহে সাংগঠনিক ভিত্তিৰ সম্প্ৰসাৰণ কৰিবলৈ ব্যৰ্থ হোৱাৰ হেতুকে অকালতে মৰহি যায়। সি যি কি নহওক, এবাৰ শুভাৰম্ভ হোৱা প্ৰক্ৰিয়াই অন্য নামকৰণেৰে হ'লেও নিজৰ স্থিতিৰ গতি অব্যাহত ৰাখিবলৈ সক্ষম হয়। তাৰে বহিঃপ্ৰকাশ ঘটে ১৯৫৬ চনৰ ডিচেম্বৰ মাহৰ কোনো এটা শুভ দিৱসত সম্প্ৰতি শোণিতপুৰ জিলাৰ শিঙৰিত জন্ম হয় দৰং নেপালী ভাষা প্ৰচাৰ সমিতি। তাৰ পাছত অবিভক্ত অসমৰ বিভিন্ন ঠাইত বিভিন্ন নামৰ এক বৃজন সংখ্যক নেপালী সাহিত্য অনুষ্ঠানসমূহৰ আবিৰ্ভাৱৰ জোৱাৰ-ভাটা দেখা যায়। তাৰে কেইটামান হৈছে নেপালী সাহিত্য সংঘ, চিলং (১০ নবেম্বৰ ১৯৫৮), নেপালী সাহিত্য পৰিষদ, অসম (ডিগবৈ ১৯৬০), নেপালী সাহিত্যকাৰ সম্পৰ্ক সমিতি (চিলং ২৯ ডিচেম্বৰ ১৯৬৩), নেপালী সাহিত্য সৃজন সমিতি, চিলং (২২ আগষ্ট ১৯৬৫), হাম্ৰো সয়পত্ৰী পৰিবাৰ (গুৱাহাটী ১৬ এপ্ৰিল ১৯৬৯), নৱধনি সংগঠন (গুৱাহাটী ১ জুন ১৯৬৯), নেপালী সাহিত্য পৰিষদ, চিলং (২৬ ডিচেম্বৰ ১৯৬৯), ভানু সাহিত্য পৰিষদ (লখিমপুৰ ১৯৭০), পূৰ্বাঞ্চল নেপালী সাহিত্য প্ৰচাৰিণী সমিতি (তিনিচুকীয়া ১৯৭১), নেপালী

সাহিত্য সমিতি (ডিব্ৰুগড় ১৯৭১), অসম নেপালী সাহিত্য সন্মিলন (ওদালগুৰি ২৪ জুলাই ১৯৭১), নেপালী সাহিত্য সদন, বৌতা (১৮ নবেম্বৰ ১৯৭৩), নেপালী সাহিত্য পৰিষদ, অসম (গুৱাহাটী ৪ জানুৱাৰী ১৯৭৪), ডিব্ৰুগড় জিলা নেপালী সাহিত্য তথা সাংস্কৃতিক পৰিষদ (১৯৭৪), মধ্যবাস্কা নেপালী ভাষা সমিতি (১৯৭৭), প্ৰগতি নেপালী সাহিত্য সংগঠন (বালিজান ২ অক্টোবৰ ১৯৭৯), নেপালী যুৱা সাহিত্য প্ৰচাৰিণী সমিতি (তেজপুৰ ১৯৮০), নেপালী সাহিত্য পৰিষদ, নৌদুৱাৰ, প্ৰগতিশীল নেপালী সাহিত্য সংঘ (দিছপুৰ ১৯৮১), হৰিভক্ত সাহিত্য সমিতি (নাগ্ৰিজুলী ১৯ এপ্ৰিল ১৯৮১), পূৰ্বোদয় সাহিত্য পৰিষদ, বিহালী (১৯৮১), হাৱাইপুৰ নেপালী সাহিত্য সন্মিলন (১৯ মে' ১৯৮২), নেপালী সাহিত্য বিকাশ সংঘ (বংগাইগাঁও ১৯৮৫), ছিমেকী সাহিত্য প্ৰকাশন (নলবাৰী ৰাশীপুৰ ১৯৮৬), সাহিত্য পৰিষদ, বিশ্বনাথ (৩১ এপ্ৰিল ১৯৮৮), ব্ৰহ্মপুত্ৰ নেপালী সাহিত্য পৰিষদ, অসম (বালিজান ১০চেপ্তেম্বৰ ১৯৮৯), শোণিতপুৰ নেপালী সাহিত্য সমিতি (১০ ফেব্ৰুৱাৰী ১৯৯১), অসম নেপালী সাহিত্য সভা (১৯ আগষ্ট ১৯৯৩), ছয়দুৱাৰ নেপালী সাহিত্য পৰিষদ, গহপুৰ (১৯৯৩), ভানু-ভাষা-সাহিত্য সমাৰোহ সঞ্চালন সমিতি (হাৱাইপুৰ ২০ জুন ১৯৯৩), নেপালী সাহিত্য সংৰক্ষণ, চৌতাৰী (হাৱাইপুৰ ১৯ জুলাই ১৯৯৩) ভানু অধ্যয়ন চক্ৰ, মৰাণ (৮ ফেব্ৰুৱাৰী ১৯৯৯), হিমালয় সাহিত্য মঞ্চ, বিশ্বনাথ চাৰিআলি (২০০১) আৰু অন্যান্য বহুতো। এই দীঘল তালিকাৰ পৰা এইটো স্পষ্ট যে প্ৰাক্ স্বাধীনতা কালৰ পৰাই অবিভক্ত অসমত গঢ় লৈ উঠা নেপালী ভাষা-সাহিত্য অনুষ্ঠান বিলাকৰ সিংহভাগেই জিলা অথবা আঞ্চলিক ভিত্তিত গঠন হৈছিল যদিও নগণ্য সংখ্যকহে সদৌ অসম ভিত্তিত প্ৰতিষ্ঠা কৰা হৈছিল। তাৰে ভিতৰত উল্লেখযোগ্য কেইটামান হ'ল বৰ্তমান তিনিচুকীয়া জিলাৰ তৈলনগৰী ডিগবৈতে ১৯৬০ চনত প্ৰতিষ্ঠা কৰা **নেপালী সাহিত্য পৰিষদ, অসম**। অসমৰ বিভিন্ন প্ৰান্তৰ পৰা এই অনুষ্ঠানৰ বিষয়ববীয়াসকলক নিৰ্বাচিত কৰা হৈছিল। ইয়াৰ প্ৰতিষ্ঠাপক সভাপতি সু-সাহিত্যিক অগ্নি বাহাদুৰ ক্ষেত্ৰী (ডিগবৈ), উপ-সভাপতি লীল বাহাদুৰ ছেত্ৰী (গুৱাহাটী), মুখ্য সম্পাদক হৰিভক্ত কটুৱাল (ডিগবৈ) আছিল। বিভিন্ন পৰিকল্পনা হাতত লৈ নেপালী সাহিত্য পৰিষদ, অসমে সমগ্ৰ ৰাজ্যব্যাপি নিজৰ কৰ্মৰাজি বিস্তাৰিত কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ উল্লেখনীয় কাৰ্যসূচী আছিল এনেধৰণৰ — ১৯৬১ চনত তদানীন্তন অসমৰ ৰাজধানী চিলঙস্থ গোৰ্খা পাঠশালাত নেপালী পত্ৰিকা আৰু মুখপত্ৰবোৰৰ এখনি প্ৰদৰ্শনী অনুষ্ঠিত কৰা আৰু এই প্ৰদৰ্শনীৰ দুৱাৰ মুকলি কৰে তদানীন্তন অসম চৰকাৰৰ বিত্তমন্ত্ৰী ফকৰুদ্দিন আলি আহমেদে। তদুপৰি ১৯৬২ চনৰ ৭ এপ্ৰিলত ডিগবৈস্থিত নেপালী বিষ্ণু মন্দিৰ প্ৰাংগণত সাহিত্যিক হৰিপ্ৰসাদ

গোৰ্খাবাইক সম্বৰ্ধনা জনাবৰ বাবে এক মনোজ্ঞ অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। অনাগত দিনবোৰত নেপালী সাহিত্য পৰিষদ, অসমে একে উদ্যমেৰে নিজৰ স্থিতি অব্যাহত ৰাখিবলৈ অসমৰ্থ হৈ কালৰ বুকুত হেৰাই যাবলগীয়া হয়। অৱশ্যে এটা যুগতকৈ অধিক কালৰ পাছত একে নামৰ আন এটা **নেপালী সাহিত্য পৰিষদ, অসম** নামেৰে গুৱাহাটীত প্ৰতিষ্ঠা কৰি সম্প্ৰতি ৰাজ্যিক পৰ্যায়ত থলুৱা নেপালী জনগোষ্ঠীৰ প্ৰতিষ্ঠিত সাহিত্য মঞ্চৰূপে কাৰ্যনিৰ্বাহ কৰি আছে। যাৰ বিষয়ে নিম্ন স্থানত আলোচনা কৰা হৈছে।

দ্বিতীয়তে ১৯৭১ চনৰ ২৪ জুলাইত দৰং জিলাৰ ওদালগুৰিত গঠন হোৱা **অসম নেপালী সাহিত্য সন্মিলন** যাৰ প্ৰধান লক্ষ্য আৰু উদ্দেশ্য আছিল নেপালী ভাষাক ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভুক্ত কৰা। এই দাবী লৈ কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধিবৰ্গৰ সৈতে আলোচনাত মিলিত হোৱা ৰাজ্যৰ ভিতৰত অসম নেপালী সাহিত্য সন্মিলনেই হৈছে প্ৰথম অনুষ্ঠান। ইয়াৰ প্ৰতিষ্ঠাপক সভাপতি আছিল সাহিত্য একাডেমী পুৰস্কাৰপ্ৰাপ্ত সাহিত্যিক লীল বাহাদুৰ ছেত্ৰী। তদুপৰি চন্দ্ৰমোহন কাৰ্কী উপ-সভাপতি, দুৰ্বাসা উপাধ্যায় আৰু তাৰাপতি উপাধ্যায় যুটীয়া মুখ্য সম্পাদক ৰূপে নিৰ্বাচিত হৈছিল। উল্লেখ্য যে ১৯৭২ চনত লক্ষ্মী প্ৰসাদ পৰাজুলী আৰু দুৰ্গাপ্ৰসাদ ঘিমিৰেদ্বয়ৰ সম্পাদনাত **আশা** নামৰ এখনি আলোচনীও এই অনুষ্ঠানৰ উদ্যোগত প্ৰকাশ হৈছিল। অৱশ্যে কালৰ গতিত তিষ্ঠিব নোৱাৰি অসম নেপালী সাহিত্য সন্মিলনে অপৈণত অৱস্থাতেই মৃত্যুৰ গৰাহত বিলুপ্ত হয়।

তৃতীয়তে ১৯৭৪ চনৰ ৪ জানুৱাৰীত গুৱাহাটীৰ পল্টন বজাৰস্থিত গোৰ্খা পাঠশালাত অনুষ্ঠিত এখন সাধাৰণ সভাত **নেপালী সাহিত্য পৰিষদ** নামৰ আন এটা নেপালী সাহিত্য অনুষ্ঠানে জন্ম লাভ কৰে। ইয়াৰ প্ৰতিষ্ঠাপক সভানেত্ৰী আছিল ৰাধা প্ৰধান, মুখ্য সম্পাদক ভূপেন নিষাদ আৰু সাহিত্যিক সচিব অবিনাশ শ্ৰেষ্ঠ। ইয়াৰ অস্থায়ী কাৰ্যালয় গুৱাহাটী মালিগাঁও আৰু এই অনুষ্ঠানে **চলেদো** নামৰ দুই-এখন আলোচনীও প্ৰকাশ কৰে। প্ৰাৰম্ভণি কালছোৱাত নেপালী সাহিত্যে পৰিষদে গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলবিলাকতেই নিজৰ কাৰ্যাৱলী আবদ্ধ ৰাখি এটা স্থানীয় অনুষ্ঠানৰূপে কাম কৰে যদিও ১৯৮২ চনৰ পৰাহে **নেপালী সাহিত্য পৰিষদ, অসম** নামেৰে পুনৰ নামকৰণ কৰি অসম ব্যাপি সাংগঠনিক কাম-কাজ সম্প্ৰসাৰিত কৰে।

চতুৰ্থতে শোণিতপুৰ জিলাৰ বালিজানত ১৯৮৯ চনৰ ১০ চেপ্তেম্বৰত অসম ৰাজ্যিক পৰ্যায়ত **ব্ৰহ্মপুত্ৰ নেপালী সাহিত্য পৰিষদ, অসম** নামেৰে এটা সাহিত্য অনুষ্ঠানে জন্ম লাভ কৰিলেও অতি কম দিনৰ ভিতৰত অৰ্থাৎ একে বছৰৰে ২১ ডিচেম্বৰত আন এখন সভাই **নেপালী সাহিত্য সভা, বৰচলা** নামেৰে পুনঃ নামকৰণ

কৰি ইয়াৰ কৰ্মৰাজিক বৰচলা সমষ্টিৰ ভিতৰত সীমাবদ্ধ কৰি ৰখাৰ কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰে। অৰ্থাৎ ইয়াৰ কৰ্ম পৰিসৰ বৃদ্ধি কৰাৰ পৰিবৰ্তে সীমিত কৰিলেও আশ্চৰ্যজনকভাৱে নেপালী সাহিত্য সভা, বৰচলাই সমগ্ৰ অসমৰ শিক্ষানুষ্ঠানসমূহত এক বুজন সংখ্যক থলুৱা নেপালী ছাত্ৰ-ছাত্ৰী পঢ়ি থকা প্ৰাথমিকৰ পৰা উচ্চ পৰ্যায়ৰ শিক্ষানুষ্ঠানবোৰত নেপালী ভাষা পঢ়াবলৈ শিক্ষক আৰু অধ্যাপক নিযুক্তি দিবলৈ কৰ্তৃপক্ষৰ ওচৰত আবেদন-নিবেদন কৰে। তদুপৰি আকাশবাণী আৰু দূৰদৰ্শনৰ যোগেদি নিয়মিয়াকৈ নেপালী সাংস্কৃতিক অনুষ্ঠান প্ৰদৰ্শন কৰা আদি দাবী সংশ্লিষ্ট চৰকাৰৰ ওচৰত দাখিল কৰে। উল্লেখ্য যে ১৯৯২ চনত 'নেপালী সাহিত্য সভা বৰচলা'ৰ উদ্যোগত ৰাজ্যিক পৰ্যায়ত অনুষ্ঠিত কৰা 'নেপালী ভাষা মহোৎসৱ' এক চিৰস্মৰণীয় ঘটনাৰূপে চিহ্নিত হৈ আছে। ইয়াৰ প্ৰতিষ্ঠাপক সভাপতি লক্ষ্মীপ্ৰসাদ পৰাজুলি আৰু দিল্লীৰাম খনাল মুখ্য সম্পাদক আছিল।

পঞ্চমতে শেহতীয়াকৈ অৰ্থাৎ ১৯৯৩ চনৰ ১৯ আগষ্টত কাৰ্বি আংলং জিলাৰ হাৱাইপুৰত নেপালী সাহিত্য সভা, অসম নামৰ আন এক ৰাজ্যিক পৰ্যায়ৰ অনুষ্ঠানে জন্মলাভ কৰে। অৱশ্যে ১৯৯৭ চনৰ ১৬-১৭ জানুৱাৰীত শোণিতপুৰ জিলাৰ জামুগুৰিৰ অন্তৰ্গত গমিৰিপালত অনুষ্ঠিত প্ৰথম পূৰ্ণাংগ অধিবেশনত এই সাহিত্য অনুষ্ঠানক **অসম নেপালী সাহিত্য সভা** নামেৰে স্থায়ীভাৱে নামকৰণ কৰে। ইয়াৰ প্ৰতিষ্ঠাপক সভাপতি আৰু প্ৰধান সম্পাদক আছিল ক্ৰমে ড° লক্ষ্মী প্ৰসাদ পৰাজুলি আৰু হৰ্ক বাহাদুৰ ছেত্ৰী (জেষ্ঠ)। নতুনকৈ প্ৰতিষ্ঠিত এই অনুষ্ঠানে দোপত-দোপে নিজৰ সাংগঠনিক ভেটি মজবুত আৰু সম্প্ৰসাৰণ কৰি এইবাৰ অৰ্থাৎ ২০০৭ চনৰ ১-৩ জুনত শিৱসাগৰ জিলাৰ দিচাংমুখত উলহ-মালহেৰে ইয়াৰ তৃতীয় ত্ৰি-বাৰ্ষিক অধিবেশন অনুষ্ঠিত কৰে।

ওপৰোক্ত আলোচনাৰ পৰা দেখা যায় যে অসমত আজিৰ তাৰিখলৈকে এক বুজন সংখ্যক নেপালী ভাষা সাহিত্য অনুষ্ঠানবোৰে জন্ম লাভ কৰিলেও তাৰ সিংহভাগেই আঞ্চলিক ভিত্তিত গঠন হৈ নিজ নিজ কৰ্মৰাজি নিৰ্দিষ্ট এলেকাৰ মাজত আবদ্ধ ৰাখিছে কেৱল **নেপালী সাহিত্য পৰিষদ, অসম** (১৯৬০) **অসম নেপালী সাহিত্য সন্মিলন** (১৯৭১) **নেপালী সাহিত্য পৰিষদ, অসম** (১৯৭৪), **ব্ৰহ্মপুত্ৰ নেপালী সাহিত্য পৰিষদ, অসম** (১৯৯১) আৰু **অসম নেপালী সাহিত্য সভা** (১৯৯৩, ইহে ৰাজ্যিক পৰ্যাযৰ অনুষ্ঠানৰূপে আবিৰ্ভাৱ হৈছিল। এই পাঁচটা অনুষ্ঠানৰ ভিতৰৰে নেপালী সাহিত্য পৰিষদ অসম (ডিগবৈ) অসম নেপালী সাহিত্য সন্মিলন (ওদালগুৰি) আৰু ব্ৰহ্মপুত্ৰ নেপালী সাহিত্য পৰিষদ, অসমত্ৰয়েও (বালিজান) নিজ নিজ অস্তিত্ব ইতিমধ্যেই হেৰুৱাইছে। বাকী থাকিল কেৱল **নেপালী সাহিত্য পৰিষদ,**

অসম আৰু অসম নেপালী সাহিত্য সভা। এই দুই সাহিত্য অনুষ্ঠানৰ মাজত সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্কৰ যে অভাৱ সেই কথা বিভিন্ন খবৰ-কাগজৰ প্ৰতি সচেতন ব্যক্তি মানেই দুৰ্বোধ্য হৈ থকা নাই। এই সংক্ৰান্তত এটা কথা উল্লেখ্য যে প্ৰত্যেক সমাজ-সংস্কৃতি সচেতন ব্যক্তিৰে বিদিত যে অসমৰ এটা জনগোষ্ঠীৰ সাধাৰণতে এটাই মাত্ৰ ৰাজ্যিক পৰ্যায়ৰ সাহিত্য অনুষ্ঠান দেখা যায়। তাৰ মানে এটা জনগোষ্ঠীৰ এটা সাহিত্য অনুষ্ঠানৰ অৱস্থিতিয়ে জনগোষ্ঠীটোৰ মাজত থকা ঐক্য, সম্প্ৰীতি সংহতি আৰু একাত্মবোধকে বাহ্যিক ক্ষেত্ৰত প্ৰতিফলিত নকৰেনে? কিন্তু অতি পৰিতাপৰ কথা যে অসমৰ থলুৱা নেপালী জনগোষ্ঠীটোৰ বেলিকা এনে কথাৰ যে ব্যতিক্ৰম হৈছে তাৰ জলন্ত উদাহৰণ **নেপালী সাহিত্য পৰিষদ, অসম আৰু অসম নেপালী সাহিত্য সভা** নামৰ দুটা নেপালী সাহিত্য অনুষ্ঠানৰ সমান্তৰাল অৱস্থিতি। এনে পৰিপ্ৰেক্ষিতত নেপালী সাহিত্য পৰিষদ, অসম আৰু অসম নেপালী সাহিত্য সভা নামৰ অনুষ্ঠান দুটাৰ সহ-অৱস্থানৰ প্ৰয়োজনীয়তা আছে নে নাই তাৰে ওপৰত থুলমূলকৈ আলোকপাত কৰি এক তুলনামূলক আলোচনা কৰিবলৈ প্ৰয়াস কৰাই হৈছে এই নিবন্ধটিৰ প্ৰধান উদ্দেশ্য।

অসমৰ থলুৱা নেপালী জনগোষ্ঠীৰ নিজস্ব ভাষা-সংস্কৃতি আৰু ঐতিহ্য আছে। ইয়াৰ সংকৰ্ষণ, সংৰক্ষণ আৰু সংবৰ্ধনৰ হেতু কুৰি শতিকাৰ মধ্যভাগৰ পৰা আঞ্চলিক ভিত্তিত প্ৰয়াস চলি আহিলেও ৰাজ্যিক ভিত্তিত স্থায়ীভাৱে এক উমৈহতীয়া সাহিত্য অনুষ্ঠানৰ প্ৰয়োজনৰ তাগিদাত ১৯৭৪ চনৰ ৪ জানুৱাৰীত গুৱাহাটীৰ পল্টন বজাৰস্থিত গোৰ্খা পাঠশালাত অনুষ্ঠিত সভাত নেপালী সাহিত্য পৰিষদৰ জন্ম হয়। পৰৱৰ্তীকালত অৰ্থাৎ ১৯৮২ চনতহে এই নামৰ পিছত 'অসম' শব্দ সংযোজন কৰি ইয়াক নেপালী সাহিত্য পৰিষদ, অসম নামেৰে নামকৰণ কৰি ৰাজ্যিক পৰ্যায়ৰ এটা পূৰ্ণাংগ অনুষ্ঠানৰ ৰূপ প্ৰদান কৰা হয়। নেপালী সাহিত্য পৰিষদ, অসমৰ আয়ুস দহ বৰ্ষ হওতে অৰ্থাৎ ১৯৮৪ চনৰ ৬ জানুৱাৰীত সাহিত্য একাডেমী দিল্লীয়ে ইয়াক স্বীকৃতি প্ৰদান কৰে। এই অনুষ্ঠানৰ মুখ্য উদ্দেশ্য হৈছে নেপালী ভাষাৰ চৰ্চা আৰু বিকাশ সাধন কৰা আৰু নেপালী ভাষাৰ পিতৃপুৰুষ ভানুভক্ত আচাৰ্য জন্ম দিৱস (ভানু জয়ন্তী), কটুৱাল-জয়ন্তী, দেৱকোটা-জয়ন্তী 'নেপালী ভাষা বিজয় দিৱস' উদ্‌যাপন লগতে বিভিন্ন সাহিত্য সংস্কৃতি উৎসৱবোৰ পালন কৰা। উল্লেখ্য যে ১৯৯৪ চনৰ ১৫-১৭ এপ্ৰিলত মৰিগাঁও জিলাৰ অমিলিঘাটত অনুষ্ঠিত বিংশতিতম্ প্ৰতিষ্ঠা দিৱস অধিবেশনত নেপালী ভাষা-সাহিত্য বিকাশৰ হকে কেবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গৃহীত কৰা হয়। তাৰে ভিতৰত উল্লেখযোগ্য কেইটা হৈছে — ১৫ শতাংশ নেপালী ছাত্ৰ-ছাত্ৰী পঢ়ি থকা অসমৰ যিকোনো বিদ্যালয় আৰু মহাবিদ্যালয়বোৰত নেপালী ভাষা বিষয় (আধুনিক ভাৰতীয় ভাষা) ৰূপে প্ৰৱৰ্তন কৰিবলৈ অসম চৰকাৰলৈ আবেদন কৰা,

কেন্দ্ৰীয় জিলা আৰু মহকুমা পৰ্যায়ৰ পুথিভঁৰালবিলাকত নেপালী ভাষাৰ গ্ৰন্থসমূহ সংৰক্ষণৰ ব্যৱস্থা কৰা, পৰিষদৰ যোগেদি প্ৰকাশিত নেপালী ভাষাৰ গ্ৰন্থসমূহ সংৰক্ষণৰ ব্যৱস্থা কৰা, পৰিষদৰ যোগেদি নেপালী ভাষা গ্ৰন্থসমূহ যোগান ধৰিবলৈ চৰকাৰ ওচৰত দাবী উত্থাপন কৰা, অসমৰ বিশ্ববিদ্যালয়বোৰত নেপালী বিভাগ (স্নাতকোত্তৰ ডিগ্ৰী পৰ্যায়ত) প্ৰৱৰ্তন কৰা আৰু আনকি ডক্টৰেট ডিগ্ৰী পৰ্যন্ত প্ৰদান কৰা, সাংস্কৃতিক পৰিক্ৰমা সঞ্চালকায়ত নেপালী ভাষা চৰ্চাৰ বাবে এটা সুকীয়া কোষ গঠন কৰা আৰু অন্যান্য বহুতো। তদুপৰি অদ্যাপি পৰিষদে ৪০ খনতকৈ অধিক নেপালী আৰু অসমীয়া ভাষাৰ গ্ৰন্থ প্ৰকাশ কৰি এক অভিলেখ স্থাপন কৰিছে আৰু বাৰ্ষিক মুখপত্ৰ **পৰিষদ-পত্ৰ** ই কেতবোৰ অনুসন্ধানমূলক নিবন্ধ প্ৰকাশ কৰিবলৈ সক্ষম হৈছে। প্ৰণিধানযোগ্য যে অখিল ভাৰতীয় নেপালী ভাষা-সমিতি (১৯৭২)ৰ নেতৃত্বত নেপালী ভাষাক ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভুক্তিৰ দাবীত চলা সুদীৰ্ঘ ৩৬ বছৰীয়া সৰ্বভাৰতীয় আন্দোলনত নেপালী সাহিত্য পৰিষদ, অসমে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে আৰু নেপালী ভাষা সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভুক্ত হোৱাৰ পাছত তাৰাপতি উপাধ্যায়ৰ নেতৃত্বাধীন অখিল ভাৰতীয় নেপালী ভাষা সমিতি, অসম ৰাজ্য শাখাক ফিল'বাৰী (ডুমডুমা) অধিবেশনত বিলুপ্তি ঘটাই ইয়াৰ শাখাসমূহক নেপালী সাহিত্য পৰিষদৰ সৈতে চামিল কৰিবলৈ লোৱা সিধান্তই পৰিষদৰ সাংগঠনিক দিশ নিঃসন্দেহে সম্প্ৰসাৰণ ঘটাই। সি যি কি নহওক, নেপালী সাহিত্য পৰিষদৰ সভাপতিৰ পদ অসমৰ কেবাগৰাকী লব্ধপ্ৰতিষ্ঠ নেপালী সাহিত্যিকে ইতিমধ্যেই অলংকৃত কৰিছে। তাৰে কেইগৰাকীমান হৈছে — সাহিত্য একাডেমী বঁটা বিজয়ী লীল বাহাদুৰ ছেত্ৰী, অগ্নি বাহাদুৰ ক্ষেত্ৰী, অসম লেখিকা সন্থাৰ প্ৰাক্তন সভানেত্ৰী গীতা উপাধ্যায়, সাহিত্যিক তথা সংবাদসেৱক পদ্ম ঢকাল, কবি-সাহিত্যিক অবিনাশ শ্ৰেষ্ঠ আৰু অন্যান্য বহুতো। মুঠতে **নেপালী সাহিত্য পৰিষদ, অসম** থলুৱা নেপালী জনগোষ্ঠীৰ এক পুৰণি সাহিত্য অনুষ্ঠান যি সম্প্ৰতি ৰাজ্যিক পৰ্যায়ৰ মৰ্যাদা লাভ কৰিবলৈ সমৰ্থ হৈছে। তৎস্বত্বেও বিগত কুৰি শতিকাৰ অন্তিম দশকৰ প্ৰাৰম্ভণিতে নেপালী সাহিত্য জগতত এক অভাৱনীয় পৰিঘটনা সংঘটিত হয়। অৰ্থাৎ এচাম নেপালী বুদ্ধিজীৱিৰ নেতৃত্বত **অসম নেপালী সাহিত্য সভা** নামেৰে ৰাজ্যিক পৰ্যায়ৰ আন এটা সাহিত্য অনুষ্ঠানৰ জন্ম হয়। এনে পৰিঘটনাই থলুৱা নেপালী বিদ্বৎ সমাজৰ মতানৈক্যৰ বাহ্যিক ৰূপ প্ৰতিফলিত কৰিছে সি সন্দেহাতীত নহয়। এই বিষয়ে যথাস্থানত আলোকপাত কৰা হৈছে। উল্লেখ্য যে ১৯৭২ চনৰ ৩১ জানুৱাৰীত দাৰ্জিলিঙত **অখিল ভাৰতীয় নেপালী ভাষা সমিতিৰ** জন্ম হৈছিল ভাৰতীয় সংবিধানত নেপালী ভাষাক অন্তৰ্ভুক্তি কৰাৰ একমাত্ৰ উদ্দেশ্যক কেন্দ্ৰ কৰি। ১৯৯২ চনৰ ২০

আগষ্টত মণিপুৰী আৰু কংকণী ভাষাদ্বয়ৰ লগতে নেপালী ভাষাই সাংবিধানিক স্বীকৃতি লাভ কৰাৰ পিছত অখিল ভাৰতীয় নেপালী ভাষা সমিতিৰ অস্তিত্বৰ প্ৰাসংগিকতা নাইকিয়া হোৱাত ১৯৯৩ চনৰ পহিলা মে'ত ইয়াৰ বিঘটন ঘটোৱাৰ লগে লগে অসম ৰাজ্যিক শাখাৰো বিলুপ্তি ঘটে। তেনে পৰিপ্ৰেক্ষিতত এচাম নেপালী বুদ্ধিজীৱিৰ মাজত সাহিত্য সংগঠনৰ যি শূন্যতা সৃষ্টি হয় তাক পূৰাবৰ বাবে এক বিকল্প অনুষ্ঠানৰ প্ৰয়োজনীয়তা আহি পৰে যেন লাগে। তেনে সময়তে নেপালী ভাষাই সাংবিধানিক স্বীকৃতি প্ৰাপ্তিৰ প্ৰথম বৰ্ষপূতি অনুষ্ঠান উদ্‌যাপনৰ লক্ষ্যৰে হাৱাইপুৰ নেপালী সাহিত্য সন্মিলনৰ উদ্যোগত কাৰ্বি আংলং জিলাৰ হামৰেণ মহকুমাৰ অন্তৰ্গত হাৱাইপুৰত ১৯৯৩ চনৰ ১৯-২০ আগষ্টত এক অভিবৰ্তন অনুষ্ঠিত হয়। এই অভিবৰ্তন থলীতে ড° লক্ষ্মীপ্ৰসাদ পৰাজুলীক সভাপতি আৰু হৰ্ক বাহাদুৰ ছেত্ৰী (জ্যেষ্ঠ)ক সম্পাদক ৰূপে নিৰ্বাচিত কৰি '**নেপালী সাহিত্য সভা, অসম**' গঠন কৰা হয়। তদুপৰি কে.বি. ছেত্ৰী, খেমানন্দ শৰ্মা মিশ্ৰ, মোহন চুবেদী, ডম্বৰ দাহাল, কমল চন্দ্ৰ উপাধ্যায়, হৰি অধিকাৰী আৰু অন্যান্য বহুতক বিভিন্ন বিষয়ববীয়াৰূপে লৈ এক তদৰ্থ কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়। অৱশ্যে পৰৱৰ্তীকালত অৰ্থাৎ ১৯৯৮ চনৰ ১৬-১৭ জানুৱাৰীত শোণিতপুৰ জিলাৰ জামুগুৰিহাট অন্তৰ্গত গমিৰিপালত অনুষ্ঠিত প্ৰথম পূৰ্ণাংগ অধিবেশনত সভাৰ সংবিধান গৃহীত কৰাৰ লগতে স্থায়ীৰূপে ইয়াৰ নাম "**অসম নেপালী সাহিত্য সভা**" নামেৰে পুনৰ নামকৰণ কৰা হয়। সৰ্বসন্মতিক্ৰমে গৃহীত কৰা প্ৰস্তাৱসমূহ আছিল এনেধৰণৰ — (১) তেজপুৰ আৰু শিলচৰত (তদানীন্তন) প্ৰস্তাৱিত কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত নেপালী বিভাগ খোলাৰ দাবী; (২) উচ্চ শিক্ষানুষ্ঠানত স্নাতক শ্ৰেণীত ঐচ্ছিক আৰু সন্মান শাখাত নেপালী পাঠ্যক্ৰমৰ ব্যৱস্থা কৰা; (৩) পঞ্চম শ্ৰেণীৰ পৰা দশম শ্ৰেণী আৰু উচ্চতৰ মাধ্যমিক শাখাত নেপালী শিক্ষাৰ বাবে পাঠ্যক্ৰম আৰু শিক্ষক নিযুক্তিৰ ব্যৱস্থা কৰা; (৪) গুৱাহাটী দূৰদৰ্শনত দৈনিক ১৫/২০ মিনিটৰ নেপালী কাৰ্যক্ৰমণিকা প্ৰচাৰৰ ব্যৱস্থা কৰা আদি [**সাপ্তাহিক জনমভূমি সাহিত্য শিতান, যোৰহাট, ৮ চেপ্তেম্বৰ ১৯৯৩**]। বিগত ২০০৭ চনৰ ১-৩ জুনলৈকে শিৱসাগৰ জিলাৰ দিচাংমুখত নিৰ্মাণ কৰা স্বৰ্গীয় হৰি প্ৰসাদ গোৰ্খাৰাই ক্ষেত্ৰত তৃতীয় ত্ৰি-বাৰ্ষিক অধিবেশনে কে. বি. ছেত্ৰীক সভাপতি, দিলীপ ৰাউতক কাৰ্যকৰী সভাপতি আৰু মদন থাপাক প্ৰধান সম্পাদকৰূপে নিৰ্বাচিত কৰে। বিদায়ী সভাপতি ড° লক্ষ্মী প্ৰসাদ পৰাজুলীৰ পৌৰোহিত্যত অনুষ্ঠিত মুকলি সভাই কেতবোৰ গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰে। তাৰে উল্লেখযোগ্য কেইটা হ'ল — (১) গুৱাহাটী বিশ্ববিদ্যালয়ত নেপালী বিভাগ খোলা, (২) বিভিন্ন মহাবিদ্যালয় আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত খালী হৈ থকা নেপালী শিক্ষকৰ পদত অতি শীঘ্ৰে

শিক্ষক নিযুক্তি দিয়া (৩) নেপালী ভাষা উন্নয়ন কোষ গঠন কৰা আৰু অন্যান্য বহুতো [**অসমীয়া প্ৰতিদিন, ৪ জুন ২০০৭**]। মুঠতে, অসম নেপালী সাহিত্য সভাই থলুৱা নেপালী জনগোষ্ঠীৰ ভাষা-সাহিত্যৰ চৰ্চা আৰু বিকাশৰ হেতু কেতবোৰ গুৰুত্বপূৰ্ণ পদক্ষেপ ল'বলৈ অংগীকাৰবদ্ধ হোৱা দেখা যায়।

ওপৰোক্ত আলোচনাৰ পৰা এই কথা স্পষ্ট যে কুৰি শতিকাৰ তৃতীয় দশকৰ পৰাই অবিভক্ত অসমৰ ৰাজধানী চিলঙত থলুৱা নেপালী জনগোষ্ঠীৰ উদীয়মান লেখক হৰি প্ৰসাদ গোৰ্খাৰাইৰ উদ্যোগত নেপালী সাহিত্য অনুষ্ঠানে আত্মপ্ৰকাশ কৰিবলৈ আৰম্ভ কৰা ঐতিহ্যক অনুসৰণ কৰি পৰবৰ্তীকালত অসমৰ বিভিন্ন অঞ্চলত বিভিন্ন নামকৰণেৰে বহুতো নেপালী সাহিত্য অনুষ্ঠানবোৰৰ জন্ম হ'লেও সেইবোৰৰ সিংহ ভাগেই পৰিপক্ক অৱস্থাত উপনিত নোহোৱাকৈ অন্তৰ্ধান হোৱা দেখা যায়। প্ৰথমতে ১৯৬০ চনত ডিগবৈত জন্ম হোৱা **নেপালী সাহিত্য পৰিষদ, অসমে** অপৈণত অৱস্থাতেই নিজৰ সত্তা হেৰুৱায়। দ্বিতীয়তে অসম ৰাজ্যিক ভিত্তিত এক উমৈহতীয়া নেপালী সাহিত্য অনুষ্ঠানৰ বহুদিনীয়া অভাৱ ১৯৭১ চনৰ ২৪ জুলাইত ওদালগুৰিত প্ৰতিষ্ঠা কৰা **অসম নেপালী সাহিত্য সন্মিলনে** পুৰণ কৰিলেও এই অনুষ্ঠানো সময়ৰ সোঁতত বিলীন হৈ যায়। তৃতীয়তে ১৯৭৪ চনৰ ৪ জানুৱাৰীত গুৱাহাটীত জন্ম হয় **নেপালী সাহিত্য পৰিষদ, অসম** যি অনুষ্ঠানে বিগত তেইছ বছৰ কাল জয়-পৰাজয়ৰ আহ্লাদ আৰু গ্লানিৰ মাজেদি নিজৰ যাত্ৰা নিৰবচ্ছিন্নভাৱে অব্যাহত ৰাখিবলৈ সমৰ্থ হৈছে। চতুৰ্থতে ১৯৮৯ চনৰ ১০ চেপ্তেম্বৰত বালিজানত জন্ম হোৱা **ব্ৰহ্মপুত্ৰ নেপালী সাহিত্য পৰিষদ, অসমেও** নিজৰ সংগ্ৰামৰ যাত্ৰা আদবাটতে সামৰি লোৱা বুলি ক'লেও অত্যুক্তি কৰা নহয়। পঞ্চমতে ১৯৯৩ চনৰ ১৯-২০ আগষ্টত **অসম নেপালী সাহিত্য সভা** নামেৰে আন এক ৰাজ্যিক পৰ্যায়ৰ নেপালী সাহিত্য অনুষ্ঠানৰ জন্ম হয়। এই পাঁচটি ৰাজ্যিক পৰ্যায়ৰ নেপালী সাহিত্য অনুষ্ঠানৰ ভিতৰত কেৱল **নেপালী সাহিত্য পৰিষদ, অসম** (১৯৭৪) আৰু **অসম নেপালী সাহিত্য সভা** (১৯৯৩) দুটাই বৰ্তমানলৈকে সমান্তৰালভাৱে কাৰ্যনিৰ্বাহ কৰি আছে। কিন্তু কথা হ'ল যে ভাৰতৰ সংবিধানে স্বীকৃতি প্ৰদান কৰা ভাষা বিলাক কোৱা অসমৰ জনসংখ্যাৰ দৃষ্টিৰে চালে অসমীয়া, বেংগলী, বড়ো, হিন্দীৰ পাছতেই থলুৱা নেপালীসকল। প্ৰত্যেক ভাষিক জনগোষ্ঠীয়ে কথোপকথন কৰা ভাষাৰ সংকৰ্ষণ, সংবৰ্ধন আৰু সংৰক্ষণৰ হেতু অসম সাহিত্য সভা, বড়ো সাহিত্য সভা আৰু অন্যান্য মিছিং সাহিত্য সভা, দেউৰী সাহিত্য সভা নামেৰে একোখনকৈ উমৈহতীয়া সাহিত্য মঞ্চ আছে। ইয়াৰ ব্যতিক্ৰম হৈছে কেৱল থলুৱা নেপালী জনগোষ্ঠীৰ ক্ষেত্ৰত। কিয়নো 'নেপালী সাহিত্য পৰিষদ' আৰু 'নেপালী সাহিত্য সভা' নামৰ দুটা নেপালী সাহিত্য অনুষ্ঠানৰ অৱস্থিতিয়ে

থলুৱা নেপালী সাহিত্যানুৰাগীলোকক এক দোদুল্যমান অৱস্থাত পেলাইছে — 'পৰিষদ'ত থকা ভাল নে 'সভা'ত থকা ভাল এই প্ৰশ্নলৈ। যথাৰ্থতে দুয়োটা অনুষ্ঠানৰ একত্ৰীকৰণ হোৱাতো গৰিষ্ঠসংখ্যক লোকে পছন্দ কৰা যেন লাগে কাৰণ এই দুয়োটা মঞ্চই উত্থাপন কৰা দাবীসমূহ মুলতঃ একেই আৰু একেখিনি নেপালী লোককেই প্ৰতিনিধিত্ব কৰিছে। তেনে প্ৰেক্ষাপটত ১৯৭৪ চনত জন্ম গ্ৰহণ কৰা নেপালী সাহিত্য পৰিষদ থাকোতেও কি কাৰণেনো দুই দশকৰ পাছত অৰ্থাৎ ১৯৯৩ চনত জন্ম হোৱা নেপালী সাহিত্য সভাৰ জন্মদাতা বিশেষকৈ ড° লক্ষ্মী প্ৰসাদ পৰাজুলী, কে. বি. ছেত্ৰীসকলৰ বাবে সাহিত্য পৰিষদ গ্ৰহণযোগ্য নহ'ল বুলি এই লেখকে এক অনানুষ্ঠানিক আলোচনাত কৰা প্ৰশ্নৰ উত্তৰত কোৱা হৈছিল যে 'পৰিষদে' নেপালী ভাষা-সাহিত্য শ্ৰীবৃদ্ধিৰ বাবে পৰ্যাপ্ত পদক্ষেপ গ্ৰহণ কৰা নাই। তৎস্বত্বেও এই কথা অনস্বীকাৰ্য যে নেপালী সাহিত্য সভাৰ উদ্যোক্তা তথা বিষয়ববীয়াসকলে নেপালী সাহিত্য সভা নামৰ আন এটা অনুষ্ঠানৰ জন্ম দিয়াতকৈ পৰিষদৰ ভিতৰত সোমাই ইয়াক শুদ্ধ দিশত আগবঢ়াই নিয়াতো তেওঁলোকৰ কৰ্তব্য আছিল। নেপালী সাহিত্য সভাই অদ্যাপি যি দাবী চনদ প্ৰস্তুত কৰি কৰ্তৃপক্ষৰ ওচৰত উত্থাপনৰ যোগেদি কৰি তাৰে কেতবোৰ দাবী পূৰণ কৰিবলৈ সমৰ্থ হৈছে তাৰ বাবে তেওঁলোক সমাদৰৰ পাত্ৰ। তেওঁলোক যে নেপালী ভাষা সাহিত্যৰ প্ৰতি অতি সচেতন হৈ তাৰ বিকাশৰ বাবে শুদ্ধচিত্তে আৰু একাগ্ৰতাৰে কাম কৰি আছে সি সন্দেহাতীত যাৰ বাবে থলুৱা নেপালী জনগোষ্ঠী তেওঁলোকৰ ওচৰত চিৰকৃতজ্ঞ। কিন্তু সেইবুলি নেপালী সাহিত্য পৰিষদে একো কাম নকৰি কুম্ভকৰ্ণ নিদ্ৰাত নিমগ্ন হৈ আছে বুলি কোনোবাই বুকুত হাত দি ক'বলৈ পাৰিব নে? তদুপৰি গুৰুত্বপূৰ্ণ কথা হৈছে এয়ে যে নেপালীলোকৰ ৰাজ্যিক পৰ্যায়ত দুটাকৈ সাহিত্য অনুষ্ঠানৰ অৱস্থিতিয়ে আন জনগোষ্ঠীৰ ওচৰত নিজৰ দুৰ্বলতা, নিজৰ মাজত থকা মতানৈক্য, বিষয়বাবৰ প্ৰতি থকা লালসাক বাহ্যিকভাৱে প্ৰতিফলন কৰা নাইনে? এই 'অসমীয়া' শব্দৰ সংজ্ঞা উলিয়াবলৈ ২০০৫ চনৰ ২৪ জুনত মৰাণত অনুষ্ঠিত **সন্মিলিত সাহিত্য মঞ্চৰ** সভাত বিভিন্ন জনগোষ্ঠী, জনজাতিবোৰক এটাকৈ সাহিত্য সভাই প্ৰতিনিধিত্ব আগবঢ়োৱা সময়ত নেপালী সাহিত্য পৰিষদ আৰু নেপালী সাহিত্য সভা দুয়োটাৰে প্ৰতিনিধি উপস্থিত হওঁতে তদানীন্তন অসম সাহিত্য সভাৰ সভাপতি কনকসেন ডেকাই অৱজ্ঞাসূচকভাৱেই কৈছিল যে নেপালী জনগোষ্ঠীক দুটা সাহিত্য সভাই একেলগে প্ৰতিনিধিত্ব কৰিব নোৱাৰে। কেৱল যিকোনো এটাইহে পাৰিব। এই অভাজনে সভাকক্ষৰ বাহিৰত থাকি এনে অৱজ্ঞাসূচক মন্তব্য দ্বিতীয় ব্যক্তিৰ পৰা জানিব পাৰি লজ্জা আৰু অপমানবোধ কৰিছিল। অনাগত দিনত যে তাতোতকৈ বেছি অৱজ্ঞাসূচক মন্তব্য

শুনিবলৈ পোৱা নাযাব তাৰ কিবা নিশ্চয়তা আছে নে? আমাৰ সাহিত্য মঞ্চক লৈ আমি গৌৰৱবোধ কৰো কিন্তু ব্যক্তিক পৰ্যায়ৰ দুটা সাহিত্য সভাই আমাৰ গৌৰৱবোধক লজ্জাবোধ আৰু অপমানবোধলৈ পৰ্যবসিত কৰা যেন নালাগে নে বাৰু? এনে পৰিস্থিতিৰ পৰা হাত সাৰিবলৈ মাত্ৰ এটাই উপায় আছে সি হ'ল — দুয়োটা মঞ্চৰ চৰ্তহীন একত্ৰীকৰণ। ব্যক্তিগত আক্ষেপ অথবা আকোঁৰগোজ মনোভাৱে এটা জনগোষ্ঠীক আনৰ আগত হেয় প্ৰতিপন্ন হ'বলৈ দিয়াতো অতিশয় দুৰ্ভাগ্যজনক।

এই সংক্ৰান্তত উল্লেখ্য যে বিশিষ্ট চিকিৎসক ডাঃ জমদগ্নি উপাধ্যায়ে অসমকা নেপালী সাহিত্যিক সন্থাহক শীৰ্ষক গ্ৰন্থত উল্লেখ কৰিছে যে নেপালী সাহিত্য পৰিষদৰ কৰ্মকৰ্তা আৰু শুভাকাংক্ষীলোকৰ মত এয়ে যে অসমত নেপালী জনগোষ্ঠীৰ বাবে মাত্ৰ এটা সাহিত্য মঞ্চ হ'ব লাগে। অসম নেপালী সাহিত্য সভাই যেহেতু ইতিমধ্যেই জন্মলাভ কৰিলেই তেনে অৱস্থাত নেপালী সাহিত্য পৰিষদ আৰু নেপালী সাহিত্য সভাদ্বয়ে এৰা-ধৰাৰ মাজেৰে একত্ৰিত হৈ এটা উমৈহতীয়া মঞ্চলৈ ৰূপান্তৰিত হ'ব লাগে। ই অতি উত্তম পৰামৰ্শ বৰ্ত্তমান আৰু আমাৰ অনাগত প্ৰজন্মৰ বাবে। অৱশ্যে বয়সৰ ফালৰ পৰা জ্যেষ্ঠ হ'লেও নেপালী সাহিত্য পৰিষদে ১৯৯৪ চনৰ ১৬-১৮ এপ্ৰিলত মৰিগাঁও জিলাৰ অমিলিঘাটত অনুষ্ঠিত বিংশতিতম বাৰ্ষিক অধিবেশনত দুয়োটা মঞ্চৰ নেতৃবৃন্দৰ উপস্থিতিত হোৱা আলোচনা মৰ্মে একেটা মাত্ৰ নেপালী সাহিত্য মঞ্চ থাকিব লাগে বুলি ঐক্যমতত (consensus) উপনিত হৈছিল। এই বিষয়ে বিতংভাৱে আলোচনা-পৰ্যালোচনা কৰাৰ উদ্দেশ্যে ১৯৯৪ চনৰে ২২ মে'ত নেপালী সাহিত্য পৰিষদৰ তদানীন্তন সভাপতি পদ্ম ঢকালৰ পৌৰোহিত্যত এখনি যৌথ সভাও অনুষ্ঠিত হয়। দুৰ্ভাগ্যজনকভাৱে দুয়োটা সাহিত্য মঞ্চৰ কেতবোৰ চৰ্তই হেঙাৰ হৈ থিয় দিয়াত একত্ৰীকৰণ প্ৰক্ৰিয়া বাধাপ্ৰাপ্ত হৈ আজিলৈকে এই বিষয়টোৰে কোনো অগ্ৰগতি লাভ কৰাৰ আশা দেখা নাযায়।

এনে পৰিপ্ৰেক্ষিতত আজি থলুৱা নেপালী সাহিত্যনুৰাগী ব্যক্তিসকল স্পষ্টভাৱেই দুটা শিবিৰ নেপালী সাহিত্য পৰিষদ, অসম আৰু অসম নেপালী সাহিত্য সভাত বিভক্ত। বয়সত নেপালী সাহিত্য পৰিষদ জ্যেষ্ঠ হোৱা স্বত্বেও কনিষ্ঠ অসম নেপালী সাহিত্য সভাক একত্ৰীকৰণৰ বাবে উদ্যোগ গ্ৰহণ কৰি আমন্ত্ৰণ কৰাতো নিজৰ উদাৰ নীতিৰ পৰিচিতি নহয় জানো? এই কথা সকলোৰে বিদিত যে নেপালী সাহিত্য পৰিষদৰ সৈতে ইতিমধ্যেই প্ৰতিষ্ঠিত নেপালী সাহিত্যিক সকল জড়িত যাৰ ভিতৰত সাহিত্য একাডেমী লীল বাহাদুৰ ছেত্ৰী, সুলেখিকা গীতা উপাধ্যায়, অগ্নি বাহাদুৰ ক্ষেত্ৰী, পদ্ম ঢকালৰ নাম উল্লেখযোগ্য। তদুপৰি নেপালী সাহিত্য পৰিষদ, অসমে নেপালী ভাষা-সাহিত্য সম্পৰ্কীয় সমস্যাবোৰ এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত সমাধান

কৰিবলৈ যে সমৰ্থ হ'ব পাৰিব সি আমাৰ ভ্ৰান্ত ধাৰণা; পৰ্যায়ক্ৰমে গণতান্ত্ৰিক পদ্ধতিৰে এৰা-ধৰাৰ মাজেৰেহে সমস্যাবোৰৰ সমাধান সম্ভৱ। এনে অৱস্থাত এচাম নেপালী সাহিত্যানুৰাগী লোকে 'অসম নেপালী সাহিত্য সভা' নামৰ আন মঞ্চ গঠন কৰিলেও, অনাগত দিনত একাধিকবাৰ সৌহাৰ্দ্যমূলক আলোচনাৰ যোগেদি একত্ৰীকৰণ কৰি এটা উমৈহতীয়া শক্তিশালী নেপালী সাহিত্য মঞ্চ গঠন কৰাতো থলুৱা নেপালী জনগোষ্ঠীৰ বাবে united we stand অন্যথা divided we fall হোৱা অনিবাৰ্য। জনগোষ্ঠী নেপালী নে গোৰ্খা আৰু ভাষা নেপালী নে গোৰ্খালী শীৰ্ষক বিতৰ্কৰ সমাপ্তি হ'বলৈ বাকী থকা অৱস্থাতে সাহিত্য মঞ্চ নেপালী সাহিত্য পৰিষদ নে নেপালী সাহিত্য সভা শীৰ্ষক আন এটা বিতৰ্কই থলুৱা নেপালী জনগোষ্ঠীৰ মতানৈক্য, দুৰ্বলতা, অপৰিপক্কতা আৰু ব্যক্তিগত বিষয়বাবৰ লালসাক প্ৰতিপন্ন কৰা নাইনে? পৰিণতিত আনৰ ওচৰত আমি নিজকে অধিক হেয় প্ৰতিপন্ন কৰি গৈ থকা নাই জানো?

দৈনিক জনমভূমি, ১২-১৩ আগষ্ট, ২০০০

সদৌ অসম নেপালী ছাত্ৰ সন্থা ঃ উৎপত্তি আৰু বিকাশ

বিগত শতিকাৰ ষাঠিৰ দশকৰ পৰা অসমৰ ৰাজনীতিত নৃগোষ্ঠীয় ভিত্তিত গঠিত এক বুজন সংখ্যক ছাত্ৰ সংগঠনে আত্মপ্ৰকাশ কৰা দেখা যায়। ১৯১৬ চনত প্ৰতিষ্ঠিত অসম ছাত্ৰ সন্মিলনে (সম্প্ৰতি সদৌ অসম ছাত্ৰ সন্থা চমুকৈ আছু) ৰাজ্যৰ বিভিন্ন খিলঞ্জীয়া আৰু থলুৱা জনগোষ্ঠীসমূহৰ আশা-আকাংক্ষাৰ প্ৰতি পিঠি দি কেৱল তথাকথিত মূল সুঁতিৰ স্বাৰ্থক প্ৰতিনিধিত্ব কৰিছে বুলি অভিযোগ আনি তেনে গোষ্ঠী আৰু সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীসকলে নিজস্ব সামগ্ৰিক অনগ্ৰসৰতা দূৰীকৰণৰ মাধ্যম ৰূপে নিজাকৈ ছাত্ৰ সংগঠনসমূহ প্ৰতিষ্ঠা কৰিবলৈ আৰম্ভ কৰে, যিয়ে পৰৱৰ্তীকালত অসমৰ ৰাজনীতিত সুদূৰপ্ৰসাৰী প্ৰভাৱ বিস্তাৰ কৰি থাকে। আন কথাত, ৰাজ্যৰ বিভিন্ন জনগোষ্ঠী আৰু জনজাতীয় ছাত্ৰ-ছাত্ৰীসকলে এইদৰে নিজস্ব ছাত্ৰ সংগঠন গঢ়াৰ প্ৰক্ৰিয়াৰ সূত্ৰপাত কৰি নিজস্ব জনগোষ্ঠীৰ বিকাশৰ নামত ছাত্ৰ ৰাজনীতি (students' politics) ৰ পাতনি মেলে। তেনে কেইটামান ছাত্ৰ সংগঠন হৈছে অসম চাহ জনজাতি ছাত্ৰ সংগঠন, ১৯৪৭ (পূৰ্বে 'অসম ছোটনাগপুৰী ছাত্ৰ সন্মিলন' নামেৰে জনাজাত), সদৌ অসম দেউৰী ছাত্ৰ সন্থা (১৯৫৯), সদৌ বড়ো ছাত্ৰ সন্থা (১৯৬৭), সদৌ অসম সোনোৱাল কছাৰী ছাত্ৰ সন্থা (১৯৬৮), সদৌ অসম মিচিং ছাত্ৰ সন্থা (১৯৭২), সদৌ অসম মৰাণ ছাত্ৰ সন্থা (১৯৬৮), সদৌ অসম ৰাভা ছাত্ৰ সন্থা (১৯৮০), সদৌ তাই আহোম ছাত্ৰ সন্থা (১৯৮৭), সদৌ অসম নেপালী ছাত্ৰ সন্থা (১৯৭৬), কাৰ্বি ছাত্ৰ সন্থা (১৯৫৫), সদৌ তিৱা ছাত্ৰ সন্থা (১৯৮৯), সদৌ অসম সংখ্যালঘু ছাত্ৰ সন্থা (১৯৮০) ইত্যাদি। এই ছাত্ৰ সংগঠন বিলাকে নিজ নিজ জনগোষ্ঠীসমূহৰ সামগ্ৰিক বিকাশৰ উদ্দেশ্যে 'ন্যায়সংগত স্বাৰ্থ' (legitimate rights) পূৰণাৰ্থে সংশ্লিষ্ট ৰাজনৈতিক কৰ্তৃপক্ষৰ ওচৰত আবেদন-নিবেদন (application and supplication) কৰি সময় সাপেক্ষে আন্দোলনৰ বিভিন্ন কাৰ্যসূচী পালন কৰা দেখা যায়। বিভিন্ন সামাজিক আৰু ৰাজনৈতিক দলসমূহেও ছাত্ৰ সংগঠনবোৰৰ দাবী চনদৰ প্ৰতি অনুকম্পা প্ৰদৰ্শন আৰু সমৰ্থন আগবঢ়াই ছাত্ৰ ৰাজনীতিক উৎসাহিত কৰি নিজৰ ক্ষুদ্ৰ ৰাজনৈতিক স্বাৰ্থ (parochial political interests) পূৰণাৰ্থে প্ৰয়াস কৰা পৰিলক্ষিত হয়। সেয়েহে ছাত্ৰ ৰাজনীতিয়ে (বা আন্দোলনে) সাম্প্ৰতিক অসমৰ সামাজিক, শৈক্ষিক, অৰ্থনৈতিক, আৰু ৰাজনৈতিক

ক্ষেত্ৰত এক ঐতিহাসিক ভূমিকা পালন কৰি আহিছে।

এনে প্ৰেক্ষাপটত ৰাজ্যৰ অন্যান্য জনগোষ্ঠীবোৰৰ লেখিয়াকৈ থলুৱা নেপালী জনগোষ্ঠীৰ ছাত্ৰ সমাজেও অন্যান্য ছাত্ৰ সংগঠনৰ দ্বাৰা প্ৰভাৱান্বিত আৰু অনুপ্ৰাণিত হৈ সংগঠিত হোৱাৰ ফলত সদৌ অসম নেপালী ছাত্ৰ সন্থা (All Assam Nepali Students' Union)ই এক ঐতিহাসিক সন্ধিক্ষণত আত্মপ্ৰকাশ কৰে। অৱশ্যে সদৌ অসম নেপালী ছাত্ৰ সন্থা (চমুকৈ আনছু)ৰ আবিৰ্ভাৱৰ পূৰ্বেও তেজপুৰ গোৰ্খা ছাত্ৰ সন্থা (১৯৪৬) নামেৰে কেৱল তেজপুৰ অঞ্চলৰ পৰিসীমাৰ মাজত আবদ্ধ হৈ থকা নেপালী ছাত্ৰ ছাত্ৰীসকলৰ মাজত শৈক্ষিক জাগৰণ উদ্ৰেক কৰাৰ উদ্দেশ্যে এই ছাত্ৰ সন্থাৰ জন্ম হৈছিল। সেয়েহে তেজপুৰ গোৰ্খা ছাত্ৰ সন্থাক অসমত নেপালী ছাত্ৰ ৰাজনীতিৰ বাটকটীয়া বুলি ক'ব পাৰি। সি যি কি নহওক, দেশে স্বাধীনতা লাভ কৰাৰ পিছত নিজৰ সাংগঠনিক ভিত্তি তেজপুৰ অঞ্চলৰ মাজতে সীমাবদ্ধ কৰি নাৰাখি জিলা ভিত্তিলৈ সম্প্ৰসাৰণ কৰাৰ লক্ষ্য আগত ৰাখি ১৯৫২ চনত তেজপুৰ গোৰ্খা ছাত্ৰ সন্থাৰ নাম দৰং গোৰ্খা ছাত্ৰ সন্থা লৈ ৰূপান্তৰিত কৰা হয়। তদ্ৰূপ সময়ৰ অগ্ৰগতিৰ লগে লগে দৰং জিলাৰ নেপালী ছাত্ৰ-ছাত্ৰীসকলে পুনৰ ১৯৫৫ চনত 'দৰং গোৰ্খা ছাত্ৰ সন্থা'ক পুনৰ 'দৰং নেপালী ছাত্ৰ সন্থা' নামেৰে নামাংকিত কৰি নিজ জিলাৰ ছাত্ৰ-ছাত্ৰীৰ লগতে অসমৰ সমূহ নেপালী জনগোষ্ঠীৰ ভাষা-সংস্কৃতিৰ বিকাশৰ বাবেও কিছু পদক্ষেপ গ্ৰহণ কৰি ক্ৰমান্বয়ে কৰ্ম পৰিসৰ বৃদ্ধি কৰা দেখা যায়। এনে পদক্ষেপৰ ভিতৰত উল্লেখযোগ্য কেইটা হৈছে — (১) আলোচনাচক্ৰৰ আয়োজন, আলোচনী প্ৰকাশ (যেনে ১৯৫৫ চনত 'প্ৰভাত' নামৰ মুখপত্ৰ) আৰু পুথিভঁৰাল প্ৰতিষ্ঠা; (২) নেপালী ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক অধিকাৰক ৰক্ষণা-বেক্ষণ দিয়া; (৩) বিভিন্ন খেলা-ধূলাৰ প্ৰতি তেওঁলোকক আকৰ্ষিত কৰা; (৪) অনগ্ৰসৰ নেপালী সমাজৰ পৰা অন্ধ বিশ্বাস আৰু কু-সংস্কাৰবোৰৰ বিলুপ্তি সাধন কৰা ইত্যাদি। এই সন্দৰ্ভত প্ৰণিধানযোগ্য যে দৰং নেপালী ছাত্ৰ সন্থাই ১৯৫৯ চনৰ পৰা দৰং কলেজত এগৰাকী নেপালী বিষয় অধ্যাপক নিযুক্তি দি নেপালী ভাষা-সাহিত্য পঢ়াবলৈ আৰু শিকিবলৈ সুবিধা কৰি দিবলৈ জনোৱা দাবীৰ পৰিপ্ৰেক্ষিতত অসম চৰকাৰে ১৯৬৮ চনত নেপালী বিষয় অধ্যাপকৰ পদ এটি মঞ্জুৰ কৰে। বোধকৰো এনে দাবী পূৰণৰ দ্বাৰা অনুপ্ৰাণিত হৈ দৰং নেপালী ছাত্ৰ সন্থাই পৰৱৰ্তী কালত ক্ৰমান্বয়ে নিজৰ শৈক্ষিক লক্ষ্য আৰু উদ্দেশ্যৰ সীমা চেৰাই গৈ অন্যান্য অনা-শৈক্ষিক দাবীও (non-academic demands) উত্থাপন কৰিবলৈ আৰম্ভ কৰা দেখা যায়। উদাহৰণস্বৰূপে ক'ব পাৰি যে ১৯৫৬ চনতেই উত্থাপিত দাবী — নেপালী ভাষা ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভুক্ত হ'ব লাগে বুলি ক'বলৈ আৰম্ভ কৰে। লগতে দৰং নেপালী ছাত্ৰ সন্থাৰ ক্ৰমবৰ্দ্ধমান সাংগঠনিক শক্তি আৰু

জনপ্ৰিয়তাৰ দ্বাৰা প্ৰভাৱান্বিত হৈ অসমৰ অন্যান্য জিলাতো নেপালী ছাত্ৰ সন্থা খোলাৰ জোৱাৰ উঠে। ইয়াৰে পৰিণতিতেই **ডিগবৈ নেপালী ছাত্ৰ সন্থা** (১৯৫৪), **উত্তৰ লখিমপুৰ নেপালী ছাত্ৰ সন্থা** (১৯৬৬), **সদৌ গুৱাহাটী নেপালী ছাত্ৰ সন্থা** (১৯৬৬) আদিৰ আবিৰ্ভাৱ হয়। এই প্ৰসংগত মন কৰিবলগীয়া কথা এয়ে যে উক্ত আটাইবোৰ নেপালী ছাত্ৰ সন্থা বিলাকৰ মাজত প্ৰাৰম্ভণিতে কোনো প্ৰকাৰৰ যোগসূত্ৰ নাছিল বৰং স্বতন্ত্ৰীয়াকৈ সংশ্লিষ্ট এলেকাত নিজৰ কাম-কাজ সীমাবদ্ধ কৰি ৰাখিছিল। যথাৰ্থতে বিগত শতিকাৰ সত্তৰ দশকৰ মধ্যভাগলৈকে অসম ভিত্তিত কোনো এক ঐক্যবদ্ধ আৰু উমৈহতীয়া নেপালী ছাত্ৰ সন্থাৰ জন্ম হোৱা নাছিল। অৱশ্যে এই দিশত (অৰ্থাৎ অসম ভিত্তিক নেপালী ছাত্ৰ সন্থা খোলাৰ বেলিকা) ১৯৪৪ চনত গঠিত অসমৰ থলুৱা নেপালী জনগোষ্ঠীৰ একমাত্ৰ সামাজিক আৰু ৰাজনৈতিক অনুষ্ঠান **অসম প্ৰাদেশিক গোৰ্খা লীগ** সম্প্ৰতি **অসম গোৰ্খা সন্মিলনে** সক্ৰিয় ভূমিকা লোৱা দেখা যায়। ইয়াৰ অন্তৰ্নিহিত কাৰণ এনে ধৰণৰ হ'ব পাৰে যে অন্যান্য জনগোষ্ঠীবোৰৰ ছাত্ৰ সংগঠনৰ দৰে ৰাজ্যৰ নেপালী ছাত্ৰ-ছাত্ৰী আৰু যুৱক-যুৱতীসকলকো এক উমৈহতীয়া মঞ্চত একত্ৰিত কৰি এক সহায়কাৰী শক্তিৰূপে (as a backing force) ব্যৱহাৰ কৰিব পাৰিলেহে অসম গোৰ্খা সন্মিলনে নিজৰ ঘোষিত আৰু আকাংক্ষিত লক্ষ্যত উপনীত হ'বলৈ পাৰিব। এনে পৰিপ্ৰেক্ষিতত চাগে ১৯৭৩ চনৰ ১৫ এপ্ৰিলত তেতিয়াৰ কোকৰাঝাৰ জিলাৰ পাটগাঁৱত অনুষ্ঠিত অসম গোৰ্খা সন্মিলনৰ পঞ্চদশ বাৰ্ষিক অধিৱেশনত কেৱল অসমৰেই নহয় বৰ সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ নেপালী ছাত্ৰ-ছাত্ৰীসকলক নিমন্ত্ৰিত কৰি অধিৱেশনৰ থলীতেই **পূৰ্বাঞ্চলীয় নেপালী বিদ্যাৰ্থী - যুৱক সন্মিলনৰ** জন্ম দিয়া হয়। কিন্তু কালৰ গতিত অসম গোৰ্খা সন্মিলনৰ সপোনক ধূলিসাৎ কৰি এই নেপালী যুৱ-ছাত্ৰ সংগঠনে নিজৰ অস্তিত্বকে হেৰুৱাব লগীয়াত পৰে। আন কথাত, ৰাজ্যত এক সু-সংহত আৰু ঐক্যবদ্ধ নেপালী ছাত্ৰ সংগঠন খোলাৰ প্ৰথম প্ৰচেষ্টাতে উজুটি খালেও অসম গোৰ্খা সন্মিলনৰ নেতৃবৃন্দই এই দিশত প্ৰচেষ্টাতে অব্যাহত ৰাখে। এই প্ৰচেষ্টাই এটা শুভক্ষণক কেনেকৈ বাস্তৱ ৰূপ লয় এতিয়া তাৰে ওপৰত আলোকপাত কৰা যাওক।

অসম গোৰ্খা সন্মিলনৰ ষষ্ঠদশ বাৰ্ষিক অধিৱেশন ১৯৭৬ চনৰ ২৪-২৫ ডিচেম্বৰত গুৱাহাটীত অনুষ্ঠিত হয়। ৰাজনৈতিকভাৱে উচ্চাকাংক্ষিত নেপালী নেতৃবৃন্দৰ সমাৱেশ ঘটা উক্ত অধিৱেশনৰ থলীতেই উদীয়মান নেপালী ছাত্ৰ নেতাদ্বয় হৰ্ক বাহাদুৰ ছেত্ৰী আৰু গোপাল বাহাদুৰ নেপালীদ্বয়ৰ উদ্যোগত অসমৰ বিভিন্ন জিলাত কৰ্মৰত স্বতন্ত্ৰ নেপালী ছাত্ৰ সন্থাবোৰৰ নেতৃবৃন্দক লৈ এখনি বৈঠক অনুষ্ঠিত হয় তেজপুৰৰ জয় নাৰায়ণ লুইটেলৰ পৌৰোহিত্যত। এই বৈঠকে সৰ্বসন্মতিক্ৰমে এক ঐতিহাসিক সিদ্ধান্ত গৃহীত কৰে যে সদৌ গুৱাহাটী নেপালী ছাত্ৰ সন্থা, দৰং নেপালী ছাত্ৰ সন্থা, ডিব্ৰুগড়

নেপালী ছাত্ৰ সন্থা, ডিগবৈ নেপালী ছাত্ৰ সন্থা, উত্তৰ লখিমপুৰ নেপালী ছাত্ৰ সন্থা এই আটাইবোৰ লগ লাগি উমৈহতীয়া মঞ্চ সদৌ অসম নেপালী ছাত্ৰ সন্থা (All Assam Nepali Students' Union চমুকৈ AANSU) গঠন কৰা হওক। ফলস্বৰূপে এই সভাতেই হৰ্ক বাহাদুৰ ছেত্ৰীক সভাপতি, অসমৰ ছেত্ৰীক উপ-সভাপতি, বিনোদ খনালক সাধাৰণ সম্পাদক, কমল উপাধ্যায়ক সহকাৰী সাধাৰণ সম্পাদক আৰু গোপাল বাহাদুৰ নেপালীক সাংগঠনিক সম্পাদকৰূপে নিৰ্বাচিত কৰা হয়। এইদৰে থলুৱা নেপালী জনগোষ্ঠীৰ সামাজিক আৰু ৰাজনৈতিক সংগঠন অসম গোৰ্খা সম্মিলনৰ প্ৰত্যক্ষ পৃষ্ঠপোষকতা আৰু সহযোগিতাত ১৯৭৬ চনৰ ২৬ ডিচেম্বৰত আনছুৱে জন্ম লাভ কৰি অসমৰ ছাত্ৰ সংগঠন আৰু ইয়াৰ ৰাজনীতিৰ ইতিহাসত এক নতুন সংযোজন ঘটায়। এনে প্ৰেক্ষাপটৰ ভিত্তিত ক'ব পাৰি যে ভাৰতীয় জাতীয় কংগ্ৰেছৰ অঘোষিত মঞ্চ অসম গোৰ্খা সম্মিলনৰ ছাত্ৰ গোট (Students' wing) হিচাপে থাকিলেও কিন্তু সম্প্ৰতি আপাততঃ দৃষ্টিত আনছু আৰু অসম গোৰ্খা সম্মিলনৰ মাজত সু-সম্পৰ্কৰ অভাৱ দেখা যায়। যেই কি নহওক, মুঠতে ৰাজ্যৰ অন্যান্য জনগোষ্ঠীৰ দৰেই থলুৱা নেপালী জনগোষ্ঠীয়েও শেহতীয়াকৈ আনছু'ৰ জন্ম দি অসমৰ ৰাজনীতিত কিঞ্চিৎ পৰিমাণে হ'লেও প্ৰভাৱ বিস্তাৰ কৰিছে বুলি ক'ব পাৰি।

এতিয়া চোৱা যাওক যে আনছুৱে থলুৱা নেপালী জনগোষ্ঠীৰ সৰ্বাংগীণ বিকাশৰ অৰ্থে কেনে ধৰণৰ শৈক্ষিক, আৰ্থ-সামাজিক আৰু ৰাজনৈতিক দাবীও সময়ে সময়ে চৰকাৰৰ ওচৰত উত্থাপন কৰি আহিছে। অৱশ্যে এই সংক্ৰান্তত অসম গোৰ্খা সম্মিলন আৰু আনছুৰ মাজত বিশেষ তাৰতম্য পৰিলক্ষিত নহয়। যিহেতু প্ৰথমটোৰ দাবীবোৰৰ সৈতে পাছৰটোৰ দাবীবোৰৰ সিংহ ভাগেই একে। ইয়াৰ কাৰণ এয়েই যে দুয়োটা সংগঠনেই থলুৱা নেপালী জনগোষ্ঠীৰ আশা-আকাংক্ষাক পূৰণ কৰাতো তেওঁলোকৰ প্ৰাথমিক দায়বদ্ধতা বুলি গণ্য কৰে। যি কি নহওক, নিজৰ ভাষা চৰ্চা আৰু শ্ৰীবৃদ্ধি কৰাতো প্ৰত্যেক জনগোষ্ঠী মাত্ৰেই এক পবিত্ৰ কৰ্তব্য আৰু ই ভাৰতীয় সংবিধান প্ৰদত্ত এক মৌলিক অধিকাৰ। এই কথা উপলব্ধি কৰিয়েই চাগে আনছুয়েও ১৯৭৮ চনৰ ৪ ছেপ্টেম্বৰৰ দিনা ঢেকীয়াজুলিত অনুষ্ঠিত ইয়াৰ প্ৰথম দ্বি-বাৰ্ষিক অধিৱেশনত এই সন্দৰ্ভত প্ৰস্তাৱ গ্ৰহণ কৰি যুক্তি দৰ্শায় যে The Nepali language has been recognised by the Gauhati and Dibrugarh universities as Modern Indian Language to be taught in some colleges of Assam where there are many Nepali students. Therefore, the meeting urged upon the Government of Assam and university authorities to make adequate provision for the study of Nepali language in those

institutions where more than 25 Nepali students desire to opt Nepali as MILতদুপৰি সময়ৰ অগ্ৰগতিৰ লগে লগে আনছুৱে বোধকৰো বুজিবলৈ সক্ষম হৈছিল যে থলুৱা নেপালী জনগোষ্ঠী সৰ্বাংগীণ দিশতে অনগ্ৰসৰ আৰু সেয়েহে আন জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰী তথা প্ৰাৰ্থীৰ লগত প্ৰতিযোগিতাত যেৰ মাৰি বিশেষকৈ ৰাজ্যৰ কাৰিকৰী শিক্ষানুষ্ঠানবোৰত নামভৰ্তি কৰিবলৈ সমৰ্থবান নহ'ব। একেদৰেই পৰৱৰ্তী কালত চৰকাৰী চাকৰি লাভ কৰাতোও দুৰূহজনক হ'ব। এনে প্ৰেক্ষাপটত কাৰিকৰী শিক্ষানুষ্ঠান আৰু চৰকাৰী চাকৰিৰ বেলিকা থলুৱা নেপালী প্ৰাৰ্থীৰ বাবে এক নিৰ্দিষ্ট সংখ্যক আসনৰ সংৰক্ষণ ব্যৱস্থা বিচাৰি ১৯৮৫ চনৰ ২ জুলাইৰ দিনা নতুন দিল্লীত ভাৰতৰ তদানীন্তন প্ৰধান মন্ত্ৰীক প্ৰদান কৰা স্মাৰক পত্ৰক আনছুৱে দাবী কৰে যে In view of the backwardness of the community socially, educationally and economically, AANSU prays to initiate measures in enabling members of the community to get sufficient representation in the sphere of employment in Central and State Government offices and establishments including the public sector undertaking, in educational institutions of technical and general in proportion to the population of the Nepalese in Assam. In other words, a proportionate in employment as well as in education be earmarked for the Nepalese of Assam পূৰ্বতেই উল্লেখ কৰা হৈছে যে শৈক্ষিক আৰু ইয়াৰ আনুষংগিক দাবীৰ লগতে থলুৱা নেপালী সম্প্ৰদায়ৰ সামাজিক বিকাশৰ দিশতো আনছুৱে সমানে মনোনিবেশ কৰা দেখা যায়। উল্লেখ্য যে ইণ্ডো-আৰ্য আৰু তিব্বত-মংগোলীয় গোষ্ঠীত অন্তৰ্ভুক্ত সমগ্ৰ নেপালীলোক জীৱনৰ সৰ্বাংগীণ দিশতেই পৰম্পৰাগতভাৱে অনগ্ৰসৰ। সেয়ে তেনে অনগ্ৰসৰতা দূৰীকণৰ বাবে সাংবিধানিক সুৰক্ষা অতীৱ প্ৰয়োজন বুলি ভাবিয়েই ১৯৭৮ চনৰ ৪ চেপ্তেম্বৰৰ দিনা ঢেকীয়াজুলিত অনুষ্ঠিত ইয়াৰ প্ৰথম দ্বি-বাৰ্ষিক অধিৱেশনত আনছুৱে সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰে যে Like the Scheduled Castes and Scheduled Tribes of Assam there are various groups among Nepali speaking people in Assam who are socially and economically backward. But the Nepalese have been recognised only as Backward Class. The meeting, therefore, urges upon the Government of Assam to recognise the Nepalese of Tibeto-Mongoloid origin as the Scheduled Castes and Scheduled Tribes like that of the Gov-

ernment of West Bengal and Sikkim পুনৰাবৃত্তিৰে ক'ব পাৰি যে অসম গোৰ্খা সম্মিলনৰ প্ৰত্যক্ষ পৃষ্ঠপোষকতা আৰু সহযোগিতাত আনছুৱে নিজকে আত্মপ্ৰকাশ কৰিছিল আৰু সেয়েহে দুয়ো সংগঠনেই অসমৰ থলুৱা নেপালী জনগোষ্ঠীৰ সৰ্বাংগীণ, বিকাশৰ হকে প্ৰচেষ্টা চলোৱাৰ বাবেই চাগে পৰস্পৰৰ দাবীবোৰৰ মাজত পূৰ্ণ সামঞ্জস্য পৰিলক্ষিত হয়। এনে সামঞ্জস্যৰ প্ৰতিফলন দেখা যায় তেতিয়া যেতিয়া নেপালী ভাষাৰ সাংবিধানিক স্বীকৃতি বিচাৰি প্ৰধান মন্ত্ৰীলৈ প্ৰদান কৰা স্মাৰক পত্ৰত আনছুৱে কয় যে Nepali is a language which is spoken by nearly five millions of Indian Nepali citizens and over one lakh of defence and security personnel leaving aside hundreds and thousands of other communities' people such as Lepchas and others are also speaking this language ... We, therefore, urge upon your benign self to recognise Nepali language as one of the Major Languages of India and include it in the Eighth Schedule of the Constitution of India সমগ্ৰ ভাৰতৰ নেপালী সংগঠনবোৰৰ উমৈহতীয়া এই দাবী লৈ সঁহাৰি জনাই ভাৰতৰ পাৰ্লিয়ামেণ্টে আইন প্ৰণয়ন কৰি ১৯৯২ চনৰ ২০ আগষ্টত নেপালী ভাষাক সাংবিধানিক স্বীকৃতি প্ৰদান কৰে। ইয়াৰ পৰা দেখা গ'ল যে অসম গোৰ্খা সন্মিলনৰে সৃষ্ট আনছুৱেও পিতৃ সংগঠন অসম গোৰ্খা সন্মিলনৰে পদানুসৰণ কৰি আহিছে যদিও অতি সম্প্ৰতি দুয়ো সংগঠনৰ মাজত এক সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্কৰ কিছু অভাৱ দেখা যায়। এনে নোহোৱাহেঁতেন এইটো ঠিক যে এই দুয়োটা সংগঠনে যৌথ আৰু নিঃস্বাৰ্থভাৱে থলুৱা নেপালী জনগোষ্ঠীৰ হকে যথেষ্টখিনি সেৱা আগবঢ়াব পাৰিলেহেঁতেন। অৱশ্যে দলীয় ৰাজনীতিৰ পুতলা স্বৰূপ হৈ থকালৈকে সংগঠনদ্বয়ৰ বিষয়ববীয়াৰ ক্ষুদ্ৰ স্বাৰ্থৰ বাদে বৃহত্তৰ নেপালী জনগণৰ একো উপকাৰ নহয়।

প্ৰণিধানযোগ্য যে নেপালী জনগোষ্ঠীৰ বিকাশৰ বাবে চেষ্টা কৰাৰ সমান্তৰালভাৱে আনছুৱে সমগ্ৰ অসম আৰু অসমবাসীৰ স্বাৰ্থৰ বাবেও মাত মাতি অহা দেখা যায়। এনে বৃহত্তৰ স্বাৰ্থৰ লগত জড়িত স্পৰ্শকাতৰ বিষয় হৈছে অবৈধ বিদেশী নাগৰিকৰ মুক্ত আৰু অবাধ অনুপ্ৰবেশ - যাৰ প্ৰতি নিজৰ গভীৰ উদ্বেগ প্ৰকাশ কৰি ১৯৮০ চনৰ ৪ জুলাইত ভাৰতৰ প্ৰধান মন্ত্ৰীক প্ৰদান কৰা স্মাৰক পত্ৰত আনছুৱে দাবী কৰে যে The Nepali speaking people living the North Eastern Region share with the indigenous people of the region the anxiety and concern about the large scale influx of foreign nationals in this part of the country. Such influx, apart from creating a fear psy-

chosis in the minds of the local people of being swamped by outsiders is also likely to endanger the security of the country একেদৰেই অসমৰ বিভিন্ন প্ৰাকৃতিক সম্পদ যেনে তেল, চাহ্‌পাত, কয়লা, কাঠ আদিৰ পৰা পোৱা ৰাজহৰ তেনেই নগণ্য অংশহে ভাৰত চৰকাৰে অসমৰ অৰ্থনৈতিক উন্নয়নৰ বাবে খৰচ কৰে যাৰ বাবে অসম আপেক্ষিকভাৱে আন ৰাজ্যবোৰতকৈ বেছি অনগ্ৰসৰ হৈ আছে বুলি তেওঁলোকে যুক্তি আগবঢ়াই। অসমৰ বাবে পৰ্যাপ্ত ৰাজহ দাবী কৰি ১৯৯১ চনৰ ১২ আগষ্টত ভাৰতৰ প্ৰধান মন্ত্ৰীলৈ প্ৰেৰণ কৰা স্মাৰক পত্ৰত আনছুৱে যুক্তি দৰ্শাই যে The royalties derived from oil, tea and coal of Assam be fully kept back here in Assam for the next fifteen years and utilise for the all round development of the state তদ্ৰূপ অসমলৈ যাতে বিনা বাধাই নেপালৰ নাগৰিক আহি থাকিব নোৱাৰে আৰু এই ক্ষেত্ৰত ১৯৫০ চনৰ ইণ্ডো-নেপাল চুক্তি দায়ী; তেনে চুক্তি বাতিল কৰিব নোৱাৰিলেও মুক্ত প্ৰব্ৰজন নিশ্চিত কৰা উক্ত চুক্তিখনৰ দফা ৬ আৰু ৭ বাতিল কৰিব লাগে বুলি ১৯৯০ চনৰ ৩১ অক্টোবৰত তিনিচুকীয়া জিলাৰ উদয়পুৰত অনুষ্ঠিত ষষ্ঠ দ্বি-বাৰ্ষিক অধিৱেশনত আনছুৱে প্ৰস্তাৱ গ্ৰহণ কৰে যে The clauses 6 and 7 be deleted to remove the bar for the Indian Nepalese to get Indian citizenship. Identity card of citizenship be issued to the Nepalese immediately এইদৰে দেখা যায় যে আনছুৱে ছাত্ৰ সংগঠন হিচাপে কেৱল শৈক্ষিক বিষয়তে নিজৰ আন্দোলন আবদ্ধ নাৰাখি থলুৱা নেপালী জনগোষ্ঠীৰ বিকাশৰ লগতে বৃহত্তৰ অসম আৰু অসমীয়া জাতিৰ উমৈহতীয়া স্বাৰ্থৰ বাবেও সময় আৰু প্ৰয়োজন সাপেক্ষে মাত মাতি আহিছে। লগতে উমৈহতীয়া স্বাৰ্থৰ বাবে সময়ে সময়ে ৰাজ্যৰ অন্যান্য নৃগোষ্ঠী ভিত্তিক ছাত্ৰ সংগঠন সমূহৰ লগ লাগি আন্দোলনৰ যৌথ কাৰ্যসূচীতো আনছুৱে অংশগ্ৰহণ কৰা দেখা যায়।

তদুপৰি অতি সম্প্ৰতি যিকোনো ছাত্ৰ সংগঠন ৰাজনৈতিক বিষয়ৰ পৰা নিৰাপদ দূৰত্বত থকা দেখা নাযায়। বৰঞ্চ সমাজৰ এক অবিচ্ছেদ্য অংগ হোৱাৰ গইনা লৈ ৰাজনৈতিক দিশতো মাত মতাতো নিজৰ একান্ত কৰ্তব্য বুলিহে ছাত্ৰ সংগঠনবোৰে সম্ভৱত বিশ্বাস কৰে। এই দিশত আনছুও ব্যতিক্ৰমধৰ্মী নহয়। প্ৰসংগক্ৰমে পুনৰাবৃত্তিৰে ক'ব বিচাৰো যে অসম গোৰ্খা সন্মিলন নিজ সাংবিধানিক নীতি অনুসৰি এক pure social and cultural organisation হ'লেও ইয়াৰ বাহ্যিক ভূমিকাৰ দৃষ্টিৰে বিচাৰ কৰিলে ই কংগ্ৰেছ দলৰ নেপালী মঞ্চ বুলি ক'লেও অতিৰঞ্জিত কৰা নহ'ব। কাৰণ নেপালী কংগ্ৰেছী কাণ্ডাৰীসকলেই পৰম্পৰাগতভাৱে অসম গোৰ্খা সন্মিলনৰ উচ্চ বিষয়ববীয়া হৈ থকাতো এক অঘোষিত নীতিৰে বাহ্যিক প্ৰতিফলন। তেনে গোৰ্খা

সম্মিলনৰে পৃষ্ঠপোষকতাত ভূমিষ্ঠ হোৱা আনছুৱে আদিতে নহ'লেও কালৰ গতিত থলুৱা নেপালী জনগোষ্ঠীৰ সামগ্রিক স্বার্থৰ হেতুকেই চাগে ৰাজনৈতিক বিষয়ত নিজৰ স্থিতি প্ৰকট কৰাতো কোনো অপ্ৰত্যাশিত ঘটনা নহয়। ১৯৯০ চনৰ ৩১ অক্টোবৰত তিনিচুকীয়াৰ উদয়পুৰত অনুষ্ঠিত ষষ্ঠ দ্বি-বাৰ্ষিক অধিৱেশনত আনছুৱে গৃহীত কৰা প্ৰস্তাৱেই ইয়াৰ জ্বলন্ত প্ৰমাণ। প্ৰস্তাৱটো আছিল এনে ধৰণৰ The Nepalese of Assam, as a distinct ethnic group, are under the constant threat of extinction due to socio-econnomic backwardness, cultural exploitation and lack of political protection for which they are in great need of constitutional safeguard. Therefore, this meeting resolves that seven constituencies of Assam Legislative Assembly and two parliamentary constituencies exclusively be reserved for the Nepalese of Assam (অনূদিত)। এনে প্ৰস্তাৱে ইয়াকে প্ৰতিপন্ন কৰে যে আনছুৰ নেতৃত্বই বোধকৰো বিশ্বাস কৰিছিল যে থলুৱা নেপালী জনগোষ্ঠীৰ সমূহীয়া স্বাৰ্থ পূৰণাৰ্থে সাংবিধানিকভাৱে ৰাজ্য তথা কেন্দ্ৰৰ ৰাজনৈতিক ক্ষমতাৰ অংশ নেপালীলোকেও পোৱাতো অতীৱ প্ৰয়োজনীয়। কিয়নো বিধানসভা আৰু সংসদত নেপালী জনগোষ্ঠীৰ আশা-আকাংক্ষা আৰু অভাৱ-অভিযোগসমূহ প্ৰতিফলিত কৰিবলৈ তেওঁলোকৰ গোষ্ঠীগত প্ৰতিনিধিৰ একান্তই প্ৰয়োজন। আনহাতেদি মুক্ত নিৰ্বাচনত নেপালী প্ৰাৰ্থীয়ে মুক্তভাৱে প্ৰতিদ্বন্দ্বিতা কৰি নিৰ্বাচিত হোৱাৰ সম্ভাৱনা নথকাৰ কথা উপলব্ধি কৰিয়েই ৰাজ্যৰ অন্যান্য জনগোষ্ঠীয় ছাত্ৰ সন্থাবোৰৰ দৰেই আনছুৱেও নেপালী জনগোষ্ঠীৰ প্ৰতিনিধিত্বৰ বাবে অসম বিধানসভা আৰু সংসদৰ আসন সংৰক্ষণৰ দাবী উত্থাপন কৰে। এনে দাবীৰ প্ৰতি পলমকৈ হ'লেও বিৰূপ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি 'আজিৰ বাতৰি' কাকতৰ ১৯৯৪ চনৰ ২৪ নৱেম্বৰ সংখ্যাৰ সম্পাদকীয় টোকাত কোৱা হয় যে 'থলুৱা নেপালী প্ৰাৰ্থীয়ে লোকসভাৰ ১৪খন আসনেই নিৰ্বাচনৰ যোগেদি দখল কৰিলে কাৰো ক'ব লগীয়া একো নাথাকে কিন্তু আইন সভাৰ আসন সংৰক্ষণৰ দাবী যুক্তিসংগত নহয় আৰু এনে দাবীয়ে অনাগত দিনৰ খিলঞ্জীয়া আৰু থলুৱা নেপালী জনগোষ্ঠীৰ মাজত ভুল বুজাবুজিৰ যে সৃষ্টি নকৰিব তেনে সম্ভাৱনা নুই কৰিব নোৱাৰি"। তৎস্বত্বেও নিজৰ দাবীত অটল থকাই নহয় বৰঞ্চ এখোজ আগুৱাই গৈ ললিত চন্দ্ৰ গগৈৰ ভাষাত ক'বলৈ গ'লে — "অবিশ্বাসৰ বাণী বিলাই কংগ্ৰেছ(ই)ৰ ভোট বেংক তৈয়াৰ কৰা কুটিল অভিসন্ধি প্ৰতিহত কৰাৰ বাবেই আনছুৱে নিজাববীয়া এটা ৰাজনৈতিক দল গঠনৰ উদ্যোগ ল'বলৈ বাধ্য হৈছে ... আনছুৰ উদ্যোগত গঠন হ'বলগীয়া ৰাজনৈতিক দলটোৱে অহা নিৰ্বাচনত আসন সংৰক্ষণৰ দাবী তোলা

আটাইকেইটা সমষ্টিতে নিজাববীয়া প্ৰাৰ্থী থিয় কৰোৱাৰ লগতে আঞ্চলিক দল অগপৰ লগত নিৰ্বাচনী বুজাপৰাত মিলিত হ'ব বুলি জানিব পৰা গৈছে" (দ্ৰষ্টব্য ঃ **নেপালী জনগোষ্ঠীৰ মাজত সুকীয়া ৰাজনৈতিক দল গঠনৰ কুচ-কাৱাজ, অসম বাণী ১৫ ডিচেম্বৰ ১৯৯৫**)। যথাসময়ত সুকীয়া ৰাজনৈতিক দল গঠন নকৰিলেও এইটো মনকৰিবলগীয়া যে ২০০১ চনত অনুষ্ঠিত অসম বিধান সভা নিৰ্বাচনত SPCDC (Special Protection Class Demand Committee)ৰ বেনাৰত, বিশিষ্ট সাংবাদিক শোভিত কুমাৰ ছেত্ৰীয়ে ক'বৰ দৰে "থলুৱা নেপালীক প্ৰতিনিধিত্ব কৰা বুলি দাবী তোলা সদৌ অসম নেপালী ছাত্ৰ সন্থাই এই সকলোকে (অৰ্থাৎ আছু, আটছা, আছা ছাত্ৰ সংগঠন ইত্যাদি) চেৰ পলাই পোনপটীয়াকৈ প্ৰাৰ্থীত্ব প্ৰদান কৰিছে। সন্থাই প্ৰাৰ্থীত্ব দিয়া আৰু পোনপটীয়াকৈ প্ৰচাৰ চলোৱা চতিয়াৰ প্ৰেম নেবাৰ, মাৰ্ঘেৰিটাৰ অজয় কুমাৰ চুৱা আৰু ঢেকীয়াজুলিৰ গনেশ কুমাৰ লিম্বুক নিৰ্বাচনী ৰাজনীতিত নমোৱাৰ অন্তৰালত এক দুষ্ট ৰাজনৈতিক চক্ৰৰ কু-অভিপ্ৰায় থকা বুলিও অভিযোগ উঠিছে" (দ্ৰষ্টব্য ঃ **একে পথেৰে আছু, আটছা, আনছু আৰু আছা, অৰাজনৈতিক চৰিত্ৰ হেৰুৱাইছে ছাত্ৰ সংগঠনসমূহে, দৈনিক জনমভূমি ৬ মে' ২০০১**)। এতিয়া কথা হ'ল জনগোষ্ঠীয় ভিত্তিত আনছুৰ উদ্যোগত গঠন হ'বলগীয়া প্ৰস্তাৱিত ৰাজনৈতিক দল আৰু নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰা কাৰ্যই জিতেন্দ্ৰ কুমাৰ চৌধুৰীয়ে ক'বৰ দৰে "নেপালী স্বাৰ্থত গঠন হ'ব লগা এই দলটোৱে জানো সঁচাই তেওঁলোকৰ উন্নতিত একাণপতীয়াভাবে লাগিব? নে অন্য দল বা আন্দোলনকাৰীৰ লেখিয়া নেতাসকলে (আনছু নেতৃবৃন্দই) সোণৰ ঘৰ পতাত লাগিব" (দ্ৰষ্টব্য ঃ ৩১ ডিচেম্বৰত নেপালীসকলৰো ৰাজনৈতিক দল গঠন; আৰু এক প্ৰতাৰণা হ'ব, **তিনিদিনীয়া অগ্ৰদূত, ২৪ ডিচেম্বৰ ১৯৯৫**)। এনে দৃষ্টিভংগীৰে চালে আনছুৰ প্ৰস্তাৱিত ৰাজনৈতিক দল গঠন আৰু নিৰ্বাচনী ৰাজনীতিত প্ৰতিদ্বন্দ্বিতা কৰা কাৰ্যই থলুৱা নেপালী জনগোষ্ঠীৰ স্বাৰ্থক কিমানদূৰ সুৰক্ষা প্ৰদান কৰিব আৰু ৰাজ্যৰ সৌহাৰ্দ্যমূলক সামাজিক পাৰিপাৰ্শ্বিকতা অব্যাহত ৰখাত কিমানদূৰৰ সহায়ক হ'ব তাক জানিবলৈ হ'লে অনাগত সময়ক অপেক্ষা কৰাৰ বাদে অন্য কোনো গত্যন্তৰ নাই।

প্ৰসংগক্ৰমে উল্লেখ্য যে ২০০৩ চনৰ ১২ মাৰ্চত আনছুৰ তদানীন্দন নেতৃবৃন্দই এক ঐতিহাসিক সিদ্ধান্তৰ দ্বাৰা সদৌ অসম নেপালী ছাত্ৰ সন্থাৰ নাম সলনি কৰি সদৌ **অসম গোৰ্খা ছাত্ৰ সন্থা** (All Assam Gorkha Students' Union চমুকৈ-AAGSU) নামেৰে পুনৰ নামকৰণ কৰে। 'নেপালী' শব্দৰ পৰিবৰ্তে 'গোৰ্খা' শব্দৰ সংযোজনৰ যুক্তি আগবঢ়াই ছাত্ৰ নেতৃবৃন্দই ক'ব খোজে যে প্ৰথমটোৱে নেপাল ৰাষ্ট্ৰৰ ছাত্ৰ-ছাত্ৰীক প্ৰতিনিধিত্ব আৰু দ্বিতীয়টোয়ে ভাৰত তথা অসমত নিগাজীকৈ বসবাস কৰি থলুৱা হোৱা নেপালী ভাষী ছাত্ৰ-ছাত্ৰীক বুজায়। শব্দৰ এই সলনিকৰণত সন্তুষ্ট

নহৈ এচাম থলুৱা নেপালী বুদ্ধিজীৱিয়ে নিজৰ প্ৰতিক্ৰিয়া খবৰ কাগজৰ জৰিয়তে প্ৰতিফলিত কৰা দেখা যায়। তাৰে এটা উদাহৰণ হৈছে 'আমাৰ অসম' কাকতৰ (১ মে' ২০০৩ সংখ্যা) সম্পাদকলৈ চিঠি শিতানত 'সদৌ অসম নেপালী ছাত্ৰ সংস্থা বনাম সদৌ অসম গোৰ্খা ছাত্ৰ সংস্থা' শিৰোনামাৰে বিশ্বনাথ চাৰিআলিৰ ড° ক্ষেমৰাজ নেপালে নিজৰ প্ৰতিক্ৰিয়াত কৈছে যে — "ভাৰতীয় নেপালীসকলৰ মাজত যোৱা কিছু বছৰ ধৰি 'গোৰ্খা' আৰু 'নেপালী' নামৰ এটা অনাৱশ্যকীয় বিতৰ্কই আলোচনাত ঠাই পোৱাৰ পৰিপ্ৰেক্ষিতত ইয়াৰ অপ্ৰাসংগিকতাৰ কথা বিভিন্ন সময়ত বিভিন্ন স্থানত উল্লেখ কৰি অহা হৈছিল যদিও যুক্তি-তৰ্ক, আলোচনা-বিলোচনা আদিৰ উৰ্ধত থাকি ধন-জন, মদ-মাংস আদিৰ জৰিয়তে আধিপত্য বিস্তাৰ কৰিব খোজা এচাম বিভেদকামী আৰু আত্মঘাতী শক্তিৰ দ্বাৰা ক্ৰীত আৰু অন্ধ সমৰ্থকৰ প্ৰৰোচনাত এই বিতৰ্কক প্ৰাধান্য দি অহা পৰিলক্ষিত হৈছে — যাৰ ফলস্বৰূপে বৰ্তমানে 'সদৌ অসম নেপালী ছাত্ৰ সংস্থা'ৰ নাম 'সদৌ অসম গোৰ্খা ছাত্ৰ সংস্থা'লৈ ৰূপান্তৰিত কৰাৰ কথা গণ মাধ্যমত প্ৰচাৰিত হৈছে। এই কথা প্ৰকাশ নকৰিলেও হ'ব যে এটা জাতি, এটা ভাষাগোষ্ঠী নাইবা এটা বৃহৎ জাতীয় অনুষ্ঠানৰ নাম সলনি কৰাৰ দিন কেতিয়াবাই উকলি গৈছে। তৎস্বত্বেও নামান্তৰৰ এই নিকৃষ্ট সিদ্ধান্ত ল'বলৈ কুণ্ঠাবোধ নকৰা ৰহস্যৰ অন্তৰালত যে জাতি বিভাজনৰ গভীৰ ষড়যন্ত্ৰ লুকাই আছে — তাক নক'লেও হ'ব। এটা জাতি, এটা ভাষাগোষ্ঠী নাইবা এটা প্ৰতিষ্ঠিত সংস্থা-সংগঠনৰ নাম সলনি কৰিলেই যে ভাৰতীয় নেপালীসকলৰ এশ-এবুৰি সমস্যাৰ ওৰ পৰিব; তেনে কোনো আল্লাউদ্দিনৰ চাকি এই গোৰ্খা সমৰ্থকসকলৰ হাতত নিশ্চয় নাই আৰু নথকাটোৱেই স্বাভাৱিক"। দ্বিতীয়তে এনে কামত বীতশ্ৰদ্ধ হৈ একাংশ নেপালী ছাত্ৰবৃন্দই অৰ্থাৎ প্ৰতিষ্ঠাপক সভাপতি ড° হৰ্ক বাহাদুৰ ছেত্ৰীৰ নেতৃত্বত ২০০৩ চনৰ ১৯-২০ অক্টোবৰত গুৱাহাটীৰ মালিগাঁৱত অনুষ্ঠিত আনছুৰ বিশেষ অধিবেশনত আগছুৰ অস্তিত্বক অস্বীকাৰ কৰি আনছুকে পুনৰুজ্জীৱিত কৰে। সেয়েহে সম্প্ৰতি থলুৱা নেপালী জনগোষ্ঠীৰ দুটা ছাত্ৰ সংস্থাই (আনছু আৰু আগছু) সমান্তৰালভাৱে কাৰ্যনিৰ্বাহ কৰি আছে। তৃতীয়তে এনে পৰিপ্ৰেক্ষিতত বিশিষ্ট নিবন্ধকাৰ ডম্বৰ দাহালে ঠিকেই কৈছে যে "ৰাজনীতিৰ এচাম সুবিধাভোগীলোকে ছাত্ৰ সমাজক নিজৰ স্বাৰ্থ পূৰণাৰ্থে পৰিচালিত কৰিবলৈ চেষ্টা চলাই থাকে। তেনে চক্ৰব্যূহৰ কবলৰ পৰা ছাত্ৰ সমাজক বিৰত ৰাখিব পৰাটোৱেই হ'ল ছাত্ৰ সংগঠনৰ যোগ্য নেতৃত্বৰ পৰিচায়ক। আনছু আগছুৰ নেতৃবৰ্গইও সকলো কথা চালিজাৰি চাই নিৰ্বাচনী ৰাজনীতি তথা শব্দৰ বিতৰ্কৰ পৰা আঁতৰি আহি নিজা উদ্যোগতে মিলিত হৈ একেটা সবল ছাত্ৰ সংস্থা গঠন কৰি দূৰদৰ্শিতাৰ পৰিচয় দিব বুলি নেপালী সমাজে আশা কৰে। সামান্য কাৰণত ছাত্ৰ-যুৱশক্তি দুটা শিবিৰত বিভিক্ত হোৱাতো কোনেও ভাল পোৱা নাই। আবেগক সম্পূৰ্ণভাৱে পৰিহাৰ

কৰি সংযতভাবে দেশ আৰু জাতিৰ সেৱাত ব্ৰতী হোৱাতোহে সকলোৰে কাম্য” (দ্ৰষ্টব্য ঃ আনছু-আগছু প্ৰসংগ, আমাৰ অসম ২২ ডিচেম্বৰ ২০০৩)। তদুপৰি আচৰিত যেন লাগিলেও এইটো সঁচা যে ৰাজ্যৰ অন্যান্য জনগোষ্ঠীয় ছাত্ৰ সন্থাবোৰৰ দৰে শেহতীয়াকৈ আগছুয়েও অসমত থলুৱা নেপালী জনগোষ্ঠীৰ বাবে গোৰ্খা স্বায়ত্ব শাসনৰ দাবীত (demand for Gorkha autonomy) তীব্ৰ আন্দোলন গঢ়ি তোলাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি জানিব পৰা গৈছে (দ্ৰষ্টব্য ঃ আমাৰ অসম ৫ মাৰ্চ ২০০৪)। যেই কি নহওক এই সংক্ৰান্তত 'অসম গান্ধী' বিষ্ণুলাল উপাধ্যায়ৰ মন্তব্যও উল্লেখযোগ্য। তেওঁ কৈছে যে— 'নিজৰ স্বকীয় জাতীয় সত্তা আৰু সাংবিধানিক অধিকাৰবোৰৰ প্ৰতি আগছুৰ ক্ৰমবৰ্ধমান সচেতনতা আৰু জাগৰণৰ প্ৰতি আমাৰ সমাদৰ আৰু সহমৰ্মিতা পুৰামাত্ৰাই আছে। কিন্তু সেই বুলি আগছু আৰু গোৰ্খা স্বায়ত্ব শাসন দাবী সমিতিয়ে গোৰ্খা জনগোষ্ঠীৰ বাবে যি স্বায়ত্ব শাসন বিচাৰিছে তাৰ প্ৰতি আমি সমৰ্থ দিব নোৱাৰো' (দৈনিক জনমভূমি ৮ জানুৱাৰী ২০০৭)। এনে মন্তব্যৰ পৰা এইটো স্পষ্ট যে থলুৱা নেপালী বিদ্বৎ সমাজৰ এটা অংশই গোৰ্খা স্বায়ত্ব শাসন দাবীক ঐক্যবদ্ধভাৱে প্ৰতিবাদ নকৰিলেও সমৰ্থনো কৰা দেখা নাযায়। আনকি থলুৱা নেপালী জনগোষ্ঠীৰ আটাইতকৈ পুৰণি আৰু শক্তিশালী সংগঠন অসম গোৰ্খা সম্মিলনেও এই পৰ্যন্ত গোৰ্খা স্বায়ত্ব শাসন দাবী বিষয়ৰ ওপৰত কোনো মন্তব্য দিয়া পৰিলক্ষিত হোৱা নাই। এনে প্ৰেক্ষাপটত এইটো ক'ব পাৰি যে থলুৱা নেপালী জনগোষ্ঠীৰ মুঠ জনসংখ্যাৰ পঞ্চাছ শতাংশইয়ো গোৰ্খা স্বায়ত্ব শাসন দাবীক সমৰ্থন কৰে নে নকৰে সি এক সন্দেহৰ বিষয়। এই সন্দৰ্ভত আটাইতকৈ লেখত ল'বলগীয়া কথা হৈছে এয়ে যে গোৰ্খা স্বায়ত্ব শাসন দাবী অসম চৰকাৰে মানি নল'লে হাতত খুকুৰী লৈ জংগী আন্দোলন গঢ়ি তোলা হ'ব বুলি হুংকাৰ দিয়া কাৰ্যক সদৌ অসম আহোম সভাই তীব্ৰ ভাষাৰে নিন্দা কৰিছে আৰু এনে জংগী আন্দোলনৰ ভাবুকিক নিয়ন্ত্ৰণ কৰিবলৈ চৰকাৰৰ প্ৰতি আহ্বান জনায়। আনকি আহোম সভাই এই বুলিও উল্লেখ কৰে যে 'অন্নৰ সন্ধানত নেপালীসকলে অসমলৈ আহি তেওঁলোকৰ স্বায়ত্ব শাসন দাবী কৰিবলৈ গৈ গোৰ্খা সেনা গঠন কৰাতো তেওঁলোকে সহ্য নকৰে আৰু প্ৰয়োজন হ'লে তাৰ বাবে যোগ্য উত্তৰ দিবলৈ আহোম সভা সাজু আছে (আমাৰ অসম ৩ জানুৱাৰী ২০০৫)। অনাগত দিনত অসমৰ অন্যান্য খিলঞ্জীয়া আৰু ভূমিপুত্ৰৰ জনগোষ্ঠীয় সংগঠনে এনে প্ৰতিবাদ যে নকৰিব তাৰ নিশ্চয়তা আগছু আৰু গোৰ্খা স্বায়ত্ব শাসন সমিতিয়ে দিব পাৰিবনে? অন্যথা সমগ্ৰ অসমতে সিঁচৰিত হৈ থকা খাটি খোৱা নিৰক্ষৰ থলুৱা নেপালীলোকৰ ওপৰত, গোৰ্খা স্বায়ত্ব শাসন দাবীয়ে অধিক তীব্ৰ ৰূপ ল'লে, প্ৰতিকুল প্ৰভাৱ পৰাৰ সম্ভাৱনাক নুই কৰিব নোৱাৰি। সেয়েহে সময় থাকোতেই গোৰ্খা স্বায়ত্ব শাসন দাবীৰ বাস্তৱিক ন্যায্যতা আৰু প্ৰাসংগিকতাৰ বিষয়ে

পুংখানুপুংখভাৱে বিশ্লেষণ কৰাৰ প্ৰয়োজনীয়তা আছে। আন কথাত ক'বলৈ গ'লে, এনে দাবীয়ে শান্তিপ্ৰিয় থলুৱা নেপালীৰ প্ৰতি এক অনাহূত আৰু অনাকাংক্ষিত শংকা আৰু বিপদ চপাই অনাতো কোনো শুভবুদ্ধিসম্পন্ন লোকৰ কাম্য নহয়। উল্লেখ্য যে পৰবৰ্তী বছৰ অৰ্থাৎ ২০০৪ চনৰ ২৬ ডিচেম্বৰত গোৰ্খা স্বায়ত্ব শাসন দাবীক কেন্দ্ৰ কৰি সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা আৰু গোৰ্খা স্বায়ত্ব শাসন দাবী সমিতিৰ যুটীয়া উদ্যোগত গুৱাহাটী মহানগৰীৰ সোণাৰাম হাইস্কুল খেল পথাৰত এক বিশাল গণ সমাবেশ অনুষ্ঠিত কৰা হয়। সমাবেশত ভাষণ দি গোৰ্খা স্বায়ত্ব শাসন দাবী সমিতিৰ সভাপতি হৰ্ক বাহাদুৰ ছেত্ৰীয়ে ক্ষোভেৰে কয় যে অসমৰ গোৰ্খা (থলুৱা নেপালী জনগোষ্ঠী) জাতিটোৰ ভৱিষ্যতৰ সংকটপূৰ্ণ আৰু অ-সুৰক্ষিত অৱস্থাৰ আশংকাতেই তেওঁলোকে স্বায়ত্ব শাসনৰ দাবী কৰিছে। লগতে ছেত্ৰীয়ে দুখেৰে কয় যে গোৰ্খাসকল আজি অসমত বৈধ মাতৃৰ অবৈধ সন্তানৰূপে জীয়াই থাকিব লগীয়া হৈছে। সেয়েহে তেওঁলোকৰ 'স্বায়ত্ব শাসনৰ ন্যায্য দাবী'ত হোৱা গণতান্ত্ৰিক আন্দোলনৰ প্ৰতি তৰুণ গগৈ নেতৃত্বাধীন অসমৰ কংগ্ৰেছ(ই) চৰকাৰে কোনো গুৰুত্ব নিদিলে গোৰ্খা স্বায়ত্ব দাবী সমিতিয়ে হাতত খুকুৰী লৈ জংগী আন্দোলন কৰাৰ হুমকি দিয়ে। অনুৰূপ ধৰণে মুণ্ডনকাৰী গোৰ্খা ছাত্ৰ সন্থাক নেতৃত্ব দি সমাবেশত অংশগ্ৰহণ কৰি সভাপতি ভাস্কৰ দাহালেও গোৰ্খা স্বায়ত্ব শাসন দাবীৰ প্ৰতি কোনো ইতিবাচক সঁহাৰি নাপালে কংগ্ৰেছ চৰকাৰৰ বিৰুদ্ধে খুকুৰী হাতত তুলি জংগী আন্দোলন আৰম্ভ কৰাৰ হুমকি দিয়ে (দ্ৰষ্টব্য : **দৈনিক জনমভূমি, ২৭ ডিচেম্বৰ ২০০৪**)। গোৰ্খা স্বায়ত্ব শাসন দাবীৰ যুক্তিযুক্ততা কিমান সি নিশ্চয় সূক্ষ্ম বিশ্লেষণৰ বিষয়। কাৰণ সুদীৰ্ঘ ছশ বছৰ কাল শাসন কৰি বৃহত্তৰ অসমীয়া জাতি নিৰ্মাণৰ সৌধ প্ৰতিষ্ঠা কৰা আহোমসকলেই এই পৰ্যন্ত ছেগা-ছোৰোগাকৈ স্বায়ত্ব শাসনৰ দাবী উত্থাপন কৰিলেও সি কাৰ্যকৰী হ'বলৈ কিমান দিন লাগিব সিও সহজে অনুমেয় নহয়। ভূমিপুত্ৰ চুতীয়াসকলেও তেনে দাবী মাজে সময়ে কৰিলেও সি এক প্ৰধান দাবীৰ ৰূপ অদ্যাপি ল'ব পৰা নাই। সু-সংগঠিত চাহ জনগোষ্ঠীয়েও স্বায়ত্ব শাসনৰ দাবী প্ৰবলভাৱে উত্থাপন কৰা নাই এই পৰ্যন্ত। তেনে প্ৰেক্ষাপটত অসমৰ গোৰ্খা ছাত্ৰ সন্থা আৰু গোৰ্খা স্বায়ত্ব শাসন দাবী সমিতিদ্বয়ে উত্থাপন কৰা গোৰ্খা স্বায়ত্ব শাসন দাবীৰ যুক্তিযুক্ততা আৰু প্ৰাসংগিকতা কিমান বুলি ক'লে তাৰ গ্ৰহণযোগ্য উত্তৰ আমাৰ হাতত আছে নে? অৱশ্যে স্বায়ত্ব শাসনৰ ভাবুকি এক ৰাজনৈতিক কৌশল নে সঁচাকৈয়ে আগছু নেতৃত্বই স্বায়ত্ব শাসন বিচাৰিছে তাক নিশ্চিত কৰিবলৈ হ'লে অনাগত সময়ক অপেক্ষা কৰিব লাগিব। সি যি কি নহওক, 'আগছু'য়েই হওক অথবা 'আনছু'য়েই হওক আজিৰ তাৰিখত সংশ্লিষ্ট কৰ্তৃপক্ষৰ ওচৰত প্ৰায় একে প্ৰকৃতিৰ কেতবোৰ দাবী উত্থাপন কৰি আহিছে। এই দাবীবোৰৰ ভিতৰত উল্লেখযোগ্য কেইটা হৈছে এনেধৰণৰ — 'বিশেষ সুৰক্ষিত

শ্ৰেণী' মৰ্যাদা প্ৰদান, কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰদ্বয়ৰ সকলো বিভাগৰ চাকৰিত নেপালী জনগোষ্ঠীৰ বাবে জনসংখ্যা ভিত্তিত আসন সংৰক্ষণ, বিদেশীক কৰায়ত্ব কৰাৰ নামত উত্তৰ পূৰ্বাঞ্চলৰ আন্তঃৰাজ্যিক সীমা এলেকা শ্ৰীৰামপুৰ আৰু বক্সিৰহাটত থলুৱা গোৰ্খা তথা নেপালীলোকক কৰা হাৰাশাস্তি শীঘ্ৰে বন্ধ কৰা, গুৱাহাটীত গোৰ্খা অতিথিশালা নিৰ্মাণ, গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ত নেপালী স্নাতকোত্তৰ বিভাগ প্ৰবৰ্তন কৰা, শতকৰা ১৫ ভাগ নেপালী ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয় সমূহত (প্ৰাথমিকৰ পৰা উচ্চ মাধ্যমিক পৰ্যায়লৈ) নেপালী ভাষাক মাতৃভাষা বিষয় হিচাপে প্ৰবৰ্তন কৰা, নেপালী ভাষা-সংস্কৃতি, কলা-কৃষ্টিৰ ৰাজ্যিক স্তৰত সংৰক্ষণ আৰু গৱেষণা কৰাঁৰ ব্যৱস্থা প্ৰবৰ্তন কৰা, থলুৱা নেপালী মুক্তি সংগ্ৰামীত্ৰয় ছবিলাল উপাধ্যায়, ভক্ত বাহাদুৰ প্ৰধান আৰু দলবীৰসিং লোহাৰৰ ব্ৰঞ্জৰ প্ৰতিমূৰ্তি যথাক্ৰমে তেজপুৰ, ডিগবৈ আৰু ডিব্ৰুগড় চহৰত স্থাপন কৰা ইত্যাদি। সেয়েহে বিতৰ্কৰ উৰ্ধত নহ'লেও এই কথা অনস্বীকাৰ্য যে আনছুয়ে অসমৰ থলুৱা নেপালী জনগোষ্ঠীৰ সামূহিক স্বাৰ্থৰ হকে জন্মলগ্নৰে পৰাই গণতান্ত্ৰিকভাৱে সংগ্ৰাম কৰি কিঞ্চিৎ পৰিমাণে হ'লেও পূৰণ কৰিবলৈ আৰু তেনে কৰিবলৈ যাওঁতে ৰাজ্যৰ সামগ্ৰিক দৃশ্যপটত নিজৰ অস্তিত্বৰ পৰিচয় দিবলৈ সমৰ্থ হৈছে সি অনস্বীকাৰ্য।

দৈনিক জনমভূমি, ২৩ মাৰ্চ, ২০০২

ভাৰতীয় গোৰ্খা পৰিসংঘ ঃ উৎপত্তি আৰু প্ৰাসংগিকতা

১৯৯১ চনলৈকে সমগ্ৰ ভাৰতবৰ্ষত স্থায়ীভাৱে বসবাস কৰা নেপালীভাষী (গোৰ্খা বুলি ব্ৰিটিছসকলে নামকৰণ কৰিছিল) লোকৰ সংখ্যা ২০, ৭৬, ৬৪৫ আৰু সৰ্বভাৰতীয় ভিত্তিত শতকৰা ০.২৫ অংশ। অৰ্থাৎ অসমীয়া আৰু সিন্ধিভাষী লোকৰ পিছতেই সৰ্বভাৰতীয় ভাষিক তালিকাত নেপালীভাষী লোকৰ স্থান (উৎস ঃ India 1999 New Delhi : Publication Division, Ministry of Information & Broadcasting, Government of India, 1999 p 17)। ইয়াৰ ভিতৰত উত্তৰ প্ৰদেশৰ ডেৰাডুন, পশ্চিমবংগৰ দাৰ্জিলিং আৰু অসমত নেপালীভাষী লোকৰ সংখ্যা আপেক্ষিকভাৱে সৰ্বাধিক। এনে কাৰণতে ডেৰাডুনত ঠাকুৰ চন্দন সিঙৰ নেতৃত্বত ১৯২১ চনত ভাৰত ভূমিত পোন প্ৰথমবাৰৰ বাবে **অখিল ভাৰতীয় গোৰ্খা লীগ** (All India Gurkha League) নামেৰে এক নেপালী সংগঠনৰ জন্ম হৈছিল। অৱশ্যে ইয়াৰ সাংগঠনিক ভেটি অধিক সম্প্ৰসাৰিত হ'ব পৰা নাছিল, যাৰ ফলত এটা সময়ত এই গোৰ্খা লীগৰ অস্তিত্বৰ বিলুপ্তি ঘটে। পূৰ্বতেই উল্লেখ কৰা হৈছে যে ১৯৪৩ চনৰ ১৫ মে'ত দাৰ্জিলিঙত বাবু ডম্বৰসিং গুৰুঙৰ নেতৃত্বত একে নামেৰে অৰ্থাৎ **অখিল ভাৰতীয় গোৰ্খা লীগ** (All India Gurkha League)ৰ ভূমিষ্ঠ হৈ অতি কম সময়ৰ ভিতৰত অসমকে আদি কৰি ভাৰতৰ বিভিন্ন প্ৰান্তত ইয়াৰ প্ৰাদেশিক শাখা গঠন কৰিবলৈ সক্ষম হৈছিল। ১৯৪৪ চনৰ ৬ আগষ্টত তদানীন্তন অসমৰ ৰাজধানী শ্বিলঙত **অসম প্ৰাদেশিক গোৰ্খা লীগ** গঠন হোৱাটোৱেই ইয়াৰ জ্বলন্ত নিদৰ্শন। উল্লেখ্য যে ১৯৫২ চনত অনুষ্ঠিত সাধাৰণ নিৰ্বাচনৰ আগে আগে অখিল ভাৰতীয় গোৰ্খা লীগে নিজকে এক ৰাজনৈতিক দললৈ ৰূপান্তৰিত কৰি নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাত অসম প্ৰাদেশিক গোৰ্খা লীগ শাখাই প্ৰথমতে ১৯৫৫ চনলৈকে আংশিকৰূপে সংলগ্ন হৈ থাকি অৱশেষত ১৯৬৬ চনৰ ১০ এপ্ৰিলত অখিল ভাৰতীয় গোৰ্খা লীগৰ পৰা নিজকে সম্পূৰ্ণৰূপে বিচ্ছিন্ন কৰি পুনৰ অসম গোৰ্খা সন্মিলন (Assam Gurkha Sammelon) নামেৰে নামাংকিত কৰি অদ্যাপি কাৰ্যনিৰ্বাহ কৰি আছে। মুঠতে, অসম আৰু আন আন ৰাজ্যসমূহত থকা নেপালী সংগঠনসমূহৰ জন্মৰ অন্তৰালত দাৰ্জিলিঙস্থ অখিল ভাৰতীয় গোৰ্খা লীগ, নেপালী সাহিত্য সন্মিলন, নেপালী ভাষা সমিতি আদি

সংগঠনসমূহৰ, প্ৰত্যক্ষভাৱেই হওক বা পৰোক্ষভাৱেই হওক, এক ঐতিহাসিক অবদানৰ কথা ইতিহাসৰ পাতত লিপিবদ্ধ হৈ আছে। প্ৰসংগক্ৰমে প্ৰণিধানযোগ্য যে অখিল ভাৰতীয় গোৰ্খা লীগে কৰা নিৰ্বাচনী ৰাজনীতিৰ পৰা মুক্ত কৰি ৰখাৰ উদ্দেশ্যে পিতৃ সংগঠনৰ সৈতে সম্পৰ্ক ছেদ কৰা অসম গোৰ্খা সন্মিলন কংগ্ৰেছৰ বাহুৰ পৰা যথাৰ্থতে মুক্ত নাছিল আৰু আজিও নাই। ইয়াৰ সাধাৰণ প্ৰমাণ এয়ে যে তেজপুৰ লোকসভা সমষ্টিৰ সাংসদ মণিকুমাৰ চুব্বা অসম গোৰ্খা সন্মিলনৰ সভাপতি আৰু বৰছলা সমষ্টিৰ বিধায়ক তথা অসম বিধানসভাৰ উপাধ্যক্ষ (সম্প্ৰতি অধ্যক্ষ) টংক বাহাদুৰ ৰাই প্ৰধান সম্পাদক। আন কথাত, অসম গোৰ্খা সন্মিলন এক বিশুদ্ধ সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠান (?), যি ৰাজনীতিকৰ দ্বাৰা দখলীকৃত। তদুপৰি শেহতীয়াকৈ সদৌ অসম নেপালী ছাত্ৰ সন্থাক সদৌ অসম গোৰ্খা (?) ছাত্ৰ সন্থালৈ ৰূপান্তৰিত কৰাৰ অন্তৰালত তথাকথিত অৰাজনৈতিক সংগঠন অসম গোৰ্খা সন্মিলনৰ প্ৰভাৱৰ পৰা মুক্ত নহয় বুলি অভিযোগ শুনা যায়।

সি যি কি নহওক, এই প্ৰবন্ধটিৰ মূল আলোচ্য বিষয় হৈছে আজিৰ তাৰিখত সৰ্বভাৰতীয় ভিত্তিত থলুৱা নেপালী জনগোষ্ঠীৰ কোনো এটা উমৈহতীয়া সংগঠন নাই আৰু থকাটো আৱশ্যকীয় হয় নে নহয়? আনহাতে, ভাৰতবৰ্ষজুৰি স্থায়ীভাৱে বসবাস কৰা নেপালী জনগোষ্ঠীৰ উমৈহতীয়া সমস্যা যে আছে তাক নেপালী ভাষাৰ সাংবিধানিক স্বীকৃতি আন্দোলনেই (১৯৫৬-১৯৯২) জ্বলন্তভাৱে প্ৰমাণ কৰে। একেদৰে অনুসূচিত জাতি আৰু জনজাতি মৰ্যাদা স্বীকৃতিৰ দাবীকো এই প্ৰসংগত উল্লেখ কৰিব পাৰি। সেয়েহে অনাগত দিনত ভাৰতব্যাপী নেপালী জনগোষ্ঠীৰ সম্ভাব্য উমৈহতীয়া সমস্যাৰ কথা আগত ৰাখিয়েই বোধহয় বিগত ২০০১ চনৰ ৬ এপ্ৰিলত দাৰ্জিলিং আৰু শিলিগুৰিৰ এচাম নেপালী বুদ্ধিজীবীৰ উদ্যোগত মিজোৰামৰ আইজাল চহৰত একবিংশ শতিকাৰ পহিলা বৰ্ষতেই সৰ্বভাৰতীয় ভিত্তিত নেপালী জনগোষ্ঠীৰ এটি নতুন সংগঠন **নেশ্যনেল গোৰ্খা ফেডাৰেশ্যন** (National Gorkha Federation)ৰ ভূমিষ্ঠ হয়। ভাৰতভূমিত নেপালী জনগোষ্ঠীৰ ইতিহাসত কুৰি শতিকাৰ চল্লিছৰ দশকত জন্মগ্ৰহণ কৰা অখিল ভাৰতীয় গোৰ্খা লীগৰ পিছত একবিংশ শতিকাৰ পহিলা বৰ্ষতে নেশ্যনেল গোৰ্খা ফেডাৰেশ্যনৰ গঠনে এক অভিলেখ স্থাপন কৰিলে। অৱশ্যে একে বছৰৰে ২১-২৩ ডিচেম্বৰত শিলিগুৰিত অনুষ্ঠিত নেশ্যনেল গোৰ্খা ফেডাৰেশ্যনৰ মহাসন্মিলন অনুষ্ঠিত হয়, য'ত ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা অহা নেপালী প্ৰতিনিধিবৰ্গই অংশগ্ৰহণ কৰে। উল্লেখ্য যে এই মহাসন্মিলনে নেশ্যনেল গোৰ্খা ফেডাৰেশ্যনৰ নাম ভাৰতীয় গোৰ্খা পৰিসংঘ বুলি স্থায়ীভাৱে নামকৰণ কৰে। লগতে অনাগত দিনবোৰত ভাৰতব্যাপী স্থায়ীভাৱে বসবাস কৰা থলুৱা নেপালী জনগোষ্ঠীৰ উমৈহতীয়া সমস্যা, আশা-

আকাংক্ষাসমূহক বাস্তবায়িত কৰিবলৈ ভাৰতীয় গোৰ্খা পৰিসংঘ প্ৰতিজ্ঞাবদ্ধ বুলি ঘোষণা কৰা হয়। সেয়েহে ভাৰতীয় গোৰ্খা পৰিসংঘৰ প্ৰাসংগিকতাক নুই কৰিব নোৱাৰি। ছিকিমৰ পৰা নিৰ্বাচিত প্ৰাক্তন সাংসদ দিল কুমাৰী ভাণ্ডাৰী, যিগৰাকী নেত্ৰীয়ে নেপালী ভাষাৰ সাংবিধানিক স্বীকৃতি আন্দোলনক কেন্দ্ৰ কৰি, বিশেষকৈ সংসদৰ ভিতৰ চ'ৰাত এক অভূতপূৰ্ব ভূমিকা পালন কৰি এক অভিলেখ স্থাপন কৰিছিল, তেৱেঁই ভাৰতীয় গোৰ্খা পৰিসংঘৰ প্ৰতিষ্ঠাপক সভানেত্ৰী আৰু ছিকিমৰে প্ৰদীপ য়োঞ্জন মহাসচিব ৰূপে নিৰ্বাচিত হৈছে। অৰ্থাৎ অখিল ভাৰতীয় গোৰ্খা লীগৰ দৰেই আকৌ সক্ৰিয় ৰাজনীতিৰ লগত জড়িত ব্যক্তিয়েই ভাৰতীয় গোৰ্খা পৰিসংঘকো নেতৃত্ব প্ৰদান কৰিছে। অৱশ্যে অনাগত সময়েহে প্ৰমাণ কৰিব যে পৰিসংঘ ক্ষমতাকেন্দ্ৰীক ৰাজনীতিৰ পৰা কিমান দূৰত্বত।

ভাৰতীয় গোৰ্খা পৰিসংঘই (অখিল ভাৰতীয় গোৰ্খা লীগৰ দৰেই) সমগ্ৰ ভাৰতবৰ্ষত সিঁচৰিত হৈ বসবাস কৰা নেপালী জনগোষ্ঠীৰ মাজত নিজৰ সাংগঠনিক ভিত্তি সম্প্ৰসাৰণ কৰিবলৈ বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চলত আৰম্ভণিৰে পৰাই প্ৰচেষ্টা চলাই আহিছে। লগতে এক নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত পৰিসংঘই কি কি কাৰ্যপন্থা হাতত ল'ব লাগিব সেই সম্পৰ্কে গত ১৮-১৯ জানুৱাৰীত (২০০৩ চনৰ) শিলিগুৰিস্থ কিৰণচন্দ্ৰ মেমৰিয়েল হলত অনুষ্ঠিত প্ৰথম বাৰ্ষিক সাংগঠনিক সন্মিলনত নিম্নলিখিত প্ৰস্তাৱসমূহ গ্ৰহণ কৰা হয়। প্ৰস্তাৱ নং (১) ভাৰতীয় গোৰ্খা পৰিসংঘৰ সাংগঠনিক ভেটি সম্প্ৰসাৰণ এনে ধৰণে কৰা হ'ব - (ক) অহা ৬ মাহৰ ভিতৰত ভাৰতৰ প্ৰতিখন ৰাজ্যত পৰিসংঘৰ শাখা-সমিতি গঠন; (খ) ২০০৩ বৰ্ষৰ ভিতৰত ১২ হাজাৰতকৈ অধিক আজীৱন সদস্য ভৰ্তিকৰণ আৰু একলাখ সাধাৰণ সদস্য সংগ্ৰহ অভিযান সম্পূৰ্ণ কৰা; (গ) নেপালী বুদ্ধিজীৱী আৰু নেতৃবৃন্দক লৈ দিল্লীত ৰাষ্ট্ৰীয় আলোচনাচক্ৰ অনুষ্ঠিত কৰা আৰু (ঘ) নেপালী জনগোষ্ঠীৰ যিকোনো তাৎক্ষণিক সমস্যাসমূহক কৰ্তৃপক্ষৰ ওচৰত দাখিল কৰা। প্ৰস্তাৱ নং (২) ত সন্নিৱিষ্ট উদ্দেশ্যসমূহ গুৰুত্বপূৰ্ণ বুলি নেপালী বুদ্ধিজীৱী মহলে ক'ব বিচাৰে। ইয়াৰে (ক) ডেৰাডুনৰ বীৰ গোৰ্খা শ্বহীদ দুৰ্গা মল্লৰ পূৰ্ণাঙ্গ প্ৰতিমূৰ্তি সংসদৰ চৌহদত প্ৰতিষ্ঠা চলিত বৰ্ষৰ ভিতৰত; (খ) আগষ্ট মাহৰ ভিতৰত প্ৰতিমূৰ্তিৰ বাবে প্ৰয়োজন হোৱা পুঁজি সংগ্ৰহ অভিযান সম্পূৰ্ণ কৰা; (গ) শ্বহীদ দুৰ্গা মল্লৰ চিনযুক্ত দিনপঞ্জী প্ৰস্তুতিকৰণ আৰু বিতৰণ; (ঘ) দুৰ্গা মল্লকৈ আদি কৰি ভাৰতৰ অন্যান্য নেপালী বংশোদ্ভৱ স্বতন্ত্ৰতা সেনানীসকলৰ জীৱনী আৰু অৱদানৰ ওপৰত ভিত্তি কৰি এখনি গ্ৰন্থ প্ৰকাশ আৰু (ঙ) শ্বহীদ দুৰ্গা মল্লৰ প্ৰতিমূৰ্তি অনাৱৰণ কৰাৰ দিনা দিল্লীত সাংস্কৃতিক সমাৰোহ আয়োজন কৰা ইত্যাদি।

তদুপৰি ভাৰতীয় গোৰ্খা পৰিসংঘই প্ৰথম বাৰ্ষিক সন্মিলনত ভাৰতৰ নেপালী জনগোষ্ঠীৰ বীৰ স্বতন্ত্ৰতা শ্বহীদ দুৰ্গা মল্লৰ স্মৃতি ৰক্ষাৰ্থে এক ঐতিহাসিক প্ৰস্তাৱ গ্ৰহণ

কৰে এই বুলি Innumerable Gorkhas had sacrificed their lives for the freedom of India and making it a free nation ..... In order that befitting tributes may be paid to these valiant soldiers, we propose to observe **25th August** as the **BALIDAN DIWAS** as on this particular day Major Durga Malla was sent to the gallows by the British imperialists for the commitment to the freedom of his country. To obtain recognition of this day as a **NATIONAL DAY**, Bharatia Gorkha Parisangha hereby adopts a resolution and sends its representation to the appropriate authorities for doing the needful লগতে ২০০২ বৰ্ষক **জাতীয় মেল-মিলাপ বৰ্ষ** ৰূপে পালন কৰিবলৈ সিদ্ধান্ত লয় এনেধৰণে —

Bharatia Gorkha Parisangha had observed the year 2002 as the year of unity and integrity for a strong cultural ties of all the ethnic and sub-ethnic groups of people belonging to the Gorkha community মূঠতে অনাগত দিনবোৰত ভাৰতীয় গোৰ্খা পৰিসংঘই উল্লিখিত ধৰণৰ অভূতপূৰ্ব কাৰ্যসূচী হাতত লৈ কাৰ্যকৰী কৰিবলৈ সক্ষম হ'লে অসমকে আদি কৰি ভাৰতৰ সমগ্ৰ নেপালী জনগোষ্ঠীৰ মাজত নিজৰ স্থিতি সবল কৰাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। ইয়াৰ কাৰণ হিচাপে ক'ব পাৰি যে সুভাষ চন্দ্ৰ বসুৰ ভাৰতীয় জাতীয় সৈন্য (Indian National Army) বাহিনীত যোগদান কৰি 'মেজৰ' খিতাপ অৰ্জন কৰিবলৈ সক্ষম হোৱা দুৰ্গা মল্লই ভাৰতৰ স্বাধীনতাৰ হকে যুঁজি ব্ৰিটিছৰ ফাঁচীকাঠত প্ৰাণ আহুতি দিয়া শ্বহীদক অসম গোৰ্খা সন্মিলনৰ কথা বাদেই দিছো আনকি ৰাষ্ট্ৰীয় পৰ্যায়ৰ নেপালী সংগঠন All India Gurkha League অথবা Gurkha National Liberation Front নিচিনা মূল সংগঠনসমূহেও নেপালী জনগোষ্ঠীৰ লগতে সমগ্ৰ ভাৰতবাসীক চিনাকি কৰি দিয়াৰ প্ৰয়াস কৰা অদ্যাপি আমাৰ দৃষ্টিগোচৰ হোৱা নাই। ই নিঃসন্দেহে ভাৰতীয় গোৰ্খা পৰিসংঘৰ এক উচ্চ প্ৰশংসনীয় পদক্ষেপেই নহয়; ভাৰতৰ সংসদ প্ৰাংগণত শ্বহীদ দুৰ্গা মল্লৰ প্ৰতিমূৰ্তি প্ৰতিষ্ঠা কৰিবলৈ লাভ কৰা ৰাজকীয় অনুমোদন আৰু প্ৰতিষ্ঠা অনুষ্ঠান হ'ব ভাৰতৰ নেপালী জনগোষ্ঠীৰ ইতিহাসত এক অভূতপূৰ্ব কৃতিত্ব। অখিল ভাৰতীয় গোৰ্খা লীগ আজি জন্মস্থান দাৰ্জিলিঙতেই অপ্ৰাসঙ্গিক হৈ পৰিছে; দাৰ্জিলিঙস্থ সুভাষ ঘিছিঙৰ গোৰ্খা নেশ্বনেল লিবাৰেচন ফ্ৰণ্ট 'গোৰ্খালেণ্ড' গঠনৰ দাবীক আকোঁৰগোজ ভাবে খামোচ মাৰি ক্ষমতা কেন্দ্ৰীক ৰাজনীতিত মচগুল হৈ আছে। আৰু অসম গোৰ্খা সন্মিলনো আওপকীয়া কৈ ক্ষমতাকেন্দ্ৰীক ৰাজনীতিৰ

মেৰপাকতে ঘুমটিয়াই থকা দেখা যায়। কালিৰ বিতৰ্কত ‘আনছু’ আজিৰ ‘আগছু’য়ে এইবোৰ কথাৰ চাগে ভুকে নাপায়; বৰং নামকৰণৰ সময় অপচয় কৰাহে বাতৰি কাকতত পঢ়িবলৈ পোৱা যায়। এইবোৰ দিশৰ পৰা চালে ভাৰতীয় গোৰ্খা পৰিসংঘৰ উৎপত্তিৰ প্ৰাসংগিকতাক কোনোপধ্যেই নুই কৰিব নোৱাৰি বৰঞ্চ ভাৰতব্যাপি আদৰণি জনাই ইয়াৰ গণভিত্তিক শক্তিশালী কৰিব পাৰিলে সমগ্ৰ ভাৰতত নেপালী জনগোষ্ঠী উপকৃত হোৱাৰ সম্ভাবনা আছে। অৱশ্যে এনে সম্ভাবনাৰ আংশিক বাহ্যিক প্ৰতিফলন অলপতে ঘটা দেখা যায়। কাৰণ পৰিসংঘৰ নেৱানেপেৰা প্ৰচেষ্টাতেই জন্ম (২০০১) হোৱাৰ পৰা চাৰিবছৰৰ ভিতৰতে অৰ্থাৎ বিগত ২০০৪ চনৰ ১৭ ডিচেম্বৰত ভাৰতৰ সংসদ ভৱনৰ প্ৰাংগনত প্ৰতিষ্ঠা কৰা গোৰ্খা শ্বহীদ দুৰ্গা মল্লৰ পূৰ্ণাংগ প্ৰতিমূৰ্তিৰ অনাবৰণ কৰা হয়। এই প্ৰতিমূৰ্তি অনাবৰণ দিনতো ভাৰতীয় নেপালী জনগোষ্ঠীৰ ইতিহাসত এক চিৰস্মৰণীয় দিন হৈ ৰ'ব। মুঠতে ভাৰতীয় গোৰ্খা পৰিসংঘৰ বাবে ই এক অভূতপূৰ্ব সাফল্য। তদুপৰি অতি সম্প্ৰতি ভাৰতীয় গোৰ্খা পৰিসংঘৰ উজনি অসমৰ সাংগঠনিক সম্পাদক তথা তিনিচুকীয়া উকীল সন্থাৰ সদস্য অধিবক্তা ৰাজেশ ৰাইয়ে অসম বিধান সভাৰ তিনিটা সমষ্টি ক্ৰমান্বয়ে মাৰ্ঘেৰিটা, ডুলিয়াজান আৰু শদিয়া নেপালী প্ৰাৰ্থীৰ বাবে সংৰক্ষণ কৰিব লাগে বুলি সজোৰে দাবী কৰে। কাৰণ ৰাইৰ মতে উক্ত সমষ্টি কেইটাত থলুৱা নেপালী জনগোষ্ঠীৰ ভোটাৰে নিৰ্বাচনত নিৰ্ণায়ক ভূমিকা পালন কৰি আহিছে (**দৈনিক জনমভূমি, বুধবৰীয়া প্ৰান্তৰ সংখ্যা ১১ জানুৱাৰী ২০০৬**)। ২০০৬ চনত নতুন দিল্লীত অনুষ্ঠিত ভাৰতীয় গোৰ্খা পৰিসংঘৰ ৰাষ্ট্ৰীয় সন্মিলনত অংশগ্ৰহণ কৰা ভাৰতৰ বাইছখন ৰাজ্যৰ প্ৰতিনিধিবৰ্গই সৰ্বসন্মতিক্ৰমে ৰাষ্ট্ৰজোৰা গণতান্ত্ৰিক আন্দোলন গঢ়ি সাতদফীয়া দাবী চনদ পূৰণাৰ্থে চৰকাৰৰ ওপৰত হেঁচা প্ৰয়োগ কৰিবলৈ সিদ্ধান্ত কৰে। প্ৰস্তাৱিত দাবীসমূহ হৈছে — (১) দাৰ্জিলিং জিলা আৰু দোৱাৰ অঞ্চল সমূহক লৈ ভাৰতীয় সংবিদানৰ গণ্ডীৰ ভিতৰত এখন সুকীয়া গোৰ্খা ৰাজ্য গঠন; (২) উত্তৰ-পূৰ্বাঞ্চলৰ গোৰ্খাসকলক ৰক্ষণা-বেক্ষণ প্ৰদান কৰা; (৩) গোৰ্খাসকলক ভাষিক সংখ্যালঘুৰ সকলো সুবিধা আগবঢ়োৱা; (৪) নেপালী ভাষাত এটা নতুন দুৰদৰ্শন কাৰ্যসূচী মুকলি কৰা; (৫) ৰাষ্ট্ৰদূত, ৰাজ্যপাল, চৰকাৰী আয়োগ সমূহৰ উচ্চ পদবীত নেপালী বুদ্ধিজীৱি আৰু শিক্ষিত লোকক নিযুক্তি দিয়া; (৬) চাহ আৰু চিংকু উদ্যোগ আৰু ইয়াৰ শ্ৰমিকসকলে সন্মুখীন হোৱা সমস্যাসমূহ অবিলম্বে সমাধান কৰা আৰু (৭) গোৰ্খা প্ৰমাণ পত্ৰ প্ৰদান কৰিবৰ বাবে ভাৰতীয় গোৰ্খা পৰিসংঘক কৰ্তৃত্ব প্ৰদান কৰা (The Assam Tribune 26 December 2006)। এইদৰে ভাৰতীয় গোৰ্খা পৰিসংঘৰ কাৰ্যসূচীৰ পৰিসৰ আৰু সাংগঠনিক ভেটি দ্ৰুতগতিত সম্প্ৰসাৰিত হোৱা দেখা গৈছে।

উল্লেখ্য যে ২০০৩ বছৰৰে গত ২৬-২৭ এপ্ৰিলত তেজপুৰ মাৰোৱাৰী ধৰ্মশালা

প্ৰেক্ষাগৃহত ভাৰতীয় গোৰ্খা পৰিসংঘৰ প্ৰথম অসম ৰাজ্যন্তৰীয় অভিবৰ্তন ধুম-ধামেৰে অনুষ্ঠিত হৈ যায়। ইয়াৰ অসম ৰাজ্যিক শাখাৰ নতুন সমিতিৰ সভানেত্ৰীৰূপে শিৱসাগৰ কলেজৰ প্ৰাক্তন অধ্যাপিক আৰু বিশিষ্টা লেখিকা গীতা উপাধ্যায়ক আৰু প্ৰধান সম্পাদকৰূপে প্ৰবীণ ৰাইক অভিবৰ্তনে নিৰ্বাচিত কৰে। অসম ৰাজ্যিক শাখা গঠনৰ যোগেদি ভাৰতীয় গোৰ্খা পৰিসংঘই সাংগঠনিক ভিত্তি সম্প্ৰসাৰণ আৰু শক্তিশালী কৰা প্ৰক্ৰিয়াৰ শুভাৰম্ভ কৰিছে বুলি ক'ব পাৰি। এনে পৰিপ্ৰেক্ষিতত প্ৰতিটো ৰাজহুৱা সভা সমিতি আৰু বাৰ্ষিক সন্মিলনবোৰত নিৰ্বাচনী ৰাজনীতিৰ কথা কৈ বিতৰ্কৰ চাকনৈয়াত সোমাই পৰা মণিকুমাৰ চুবাৰ নেতৃত্বত চলা অসম গোৰ্খা সন্মিলন সাৱধান হোৱাৰ সময় সমাগত, অন্যথা ইয়াৰ ভৰিৰ তলৰ মাটি খহি পৰাটো একো আচৰিত ঘটনা নহ'ব। তদুপৰি অসম গোৰ্খা সন্মিলন আৰু সদৌ অসম নেপালী (গোৰ্খা) ছাত্ৰ সন্থাৰ শেহতীয়া কাৰ্যকাৰ্যত অসমৰ এক বৃজনসংখ্যক নেপালীলোক বিতুষ্ট হোৱাটো এই ঘাই সংগঠনদ্বয়ৰ বাবে ইতিবাচক লক্ষণ নহয়। এনে পৰিৱেশ বাহাল থাকিলে গোৰ্খা সন্মিলন গোৰ্খা পৰিসংঘলৈ ৰূপান্তৰিত হোৱাটো এক স্বাভাৱিক পৰিঘটনা অথবা আৰ্জিত ফল বুলি ক'ব লাগিব। ইতিহাস বৰ নিষ্ঠুৰ ই কাকো ক্ষমা নকৰে।

আমাৰ অসম, ১৩ জুন, ২০০৩

দ্বিতীয় খণ্ড

ভাৰতীয় নেপালী সত্তাৰ জনক
বাবু ডম্বৰসিং গুৰুং

ব্রিটিছ ঔপনিৱেশিক আমোলত অনুষ্ঠিত ভাৰতৰ প্ৰথম লোকপিয়ল ১৮৭১-৭২ চনৰ মতে, অবিভক্ত অসমৰ মুঠ জনসংখ্যা ৩৬, ৩৮, ২৮৭ আৰু তাৰ ভিতৰত স্থায়ীভাৱে বসবাস কৰা নেপালীলোকৰ সংখ্যা আছিল ১, ২৪০ (দ্রষ্টব্য ঃ W. W. Hunter : A Statistical Account of Assam, Delhi, 1879, p.30-274)। এই ক্ষুদ্ৰ নেপালী জনগোষ্ঠীটো জীৱনৰ সৰ্বাংগীণ দিশত অনগ্ৰসৰ হৈ থাকি কালক্ৰমত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ভাষাৰে ক'বলৈ গ'লে 'থলুৱা' হৈ যোৱা স্বত্বেও কিন্তু কুৰি শতিকাৰ প্ৰথমাৰ্ধলৈ আত্ম-পৰিচয় আৰু অধিকাৰ ৰক্ষণাবেক্ষণৰ বাবে সচেতন আৰু সংগঠিত হোৱা পৰিলক্ষিত নহয় বুলি ক'ব পাৰি। অৱশ্যে দেশে স্বাধীনতা লাভ কৰাৰ প্ৰাক মুহূৰ্ততহে অসমৰ 'থলুৱা' নেপালীসকল অন্যান্য জনগোষ্ঠীৰ দৰে আত্ম-পৰিচয় ৰক্ষাৰ্থে ক্ৰমান্বয়ে সচেতন আৰু সংগঠিত হ'বলৈ ধৰা দেখিবলৈ পোৱা যায়, সিও ৰাজ্যৰ বাহিৰৰ বিশেষকৈ পশ্চিমবংগৰ অন্তৰ্গত দাৰ্জিলিঙৰ উদীয়মান নেপালী বিদ্বৎ সমাজৰ উদ্যোগতহে। প্ৰণিধানযোগ্য যে ১৯৪৩ চনৰ ১৫ মে'ৰ দিনা ভাৰত মাতৃৰ এগৰাকী সুযোগ্য সন্তান প্ৰয়াত ডম্বৰসিং গুৰুঙ (১৯০০-১৯৪৮)ৰ নেতৃত্বত **অখিল ভাৰতীয় গোৰ্খা লীগ** নামৰ এক ভাৰতীয় নেপালী সংগঠনে আত্মপ্ৰকাশ কৰে। সময়ৰ গতিত এই ভাৰতীয় গোৰ্খা লীগৰ নেতৃত্বতেই সমগ্ৰ ভাৰতবৰ্ষৰ নেপালীসকল একত্ৰিত হৈ নিজৰ সামাজিক, সাংস্কৃতিক, শৈক্ষিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক অধিকাৰসমূহ প্ৰতিষ্ঠা কৰিবলৈ উঠি পৰি লাগিছিল। অন্যান্য ৰাজ্যৰ নিচিনাকৈ অসমৰ 'থলুৱা' নেপালীসকলেও ডম্বৰসিং গুৰুঙৰ সক্ৰিয় উদ্যোগতে সচেতন আৰু সংগঠিত হৈ ১৯৪৪ চনৰ ৬ আগষ্টত শ্বিলঙত **অসম প্ৰাদেশিক গোৰ্খা লীগ** নামেৰে অখিল ভাৰতীয় গোৰ্খা লীগৰ প্ৰথম ৰাজ্যিক শাখাৰ জন্ম দিয়ে। এই 'অসম প্ৰাদেশিক গোৰ্খা লীগ'কে অসমত নেপালীলোকৰ প্ৰথম 'সামাজিক আৰু সাংস্কৃতিক' (?) অনুষ্ঠান বুলি কোৱা হয়। এনে পৰিপ্ৰেক্ষিতত অসমকে আদি কৰি সমগ্ৰ ভাৰতবৰ্ষতে সিঁচৰিত হৈ স্থায়ীভাৱে বসবাস কৰা 'থলুৱা' নেপালীসকলৰ আত্ম-পৰিচয় প্ৰতিষ্ঠা কৰা সংগ্ৰামৰ জনক বুলি ডম্বৰসিং গুৰুঙক ক'ব পাৰি। এনে পৰিপ্ৰেক্ষিতত গুৰুঙৰ

জীৱন আৰু কৰ্মৰাজিৰ ওপৰত চমুকৈ আলোকপাত কৰাইএই প্ৰবন্ধটিৰ উদ্দেশ্য।

১৯০০ চনৰ ২০ জানুৱাৰীৰ এক শুভ সন্ধিক্ষণত যুদ্ধবীৰ গুৰুঙৰ ঔৰসত মনমায়া গুৰুঙৰ গৰ্ভৰ পৰা ডম্বৰসিং গুৰুং ভূমিষ্ঠ হয় কালিম্পুঙৰ এক সম্ভ্ৰান্ত পৰিয়ালত। তেখেতে প্ৰাথমিক আৰু মজলীয়া শিক্ষা লাভ কৰে স্থানীয় স্কটিছ মিশ্যন বিদ্যালয়ৰ পৰা, ১৯২০ চনত দাৰ্জিলিঙৰ চৰকাৰী জিলা বিদ্যালয়ৰ পৰা প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। এইদৰে ১৯২৪ চনত কলিকতাৰ স্কটিচ কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰি গাংটোকস্থ চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়ত তিনিবছৰ কাল শিক্ষকতা কৰে। পুনৰ ১৯২৭ চনত গৃহস্থান কালিম্পুঙলৈ প্ৰত্যাৱৰ্তন কৰি কিছুকাল আকৌ ইয়াত শিক্ষকতাকে বৃত্তিৰূপে গ্ৰহণ কৰে। অৱশ্যে ১৯২৮ চনত পিতৃ-বৃত্তি ঠিকাদাৰী কাম কাজ চোৱা-চিতা কৰা আৰম্ভ কৰিলেও সামাজিক সেৱাৰ প্ৰতি থকা প্ৰৱল আগ্ৰহে কেৱল অৰ্থোপাৰ্জনৰ কামত সৰ্বদা নিজকে ব্যস্ত ৰখা ডম্বৰসিং গুৰুঙৰ পক্ষে অসম্ভৱ হয়। জীৱনৰ কম বয়সৰ পৰাই ৰাইজৰ সেৱাৰ্থে মনত থকা প্ৰবল আকাংক্ষা বিশেষকৈ সকলো দিশত অনগ্ৰসৰ হৈ থকা নিজৰ জনগোষ্ঠীৰ প্ৰতি অনা-নেপালীসকলে কৰা অন্যায় আৰু অত্যাচাৰ সহ্য কৰিব নোৱৰা গুৰুঙে আজীৱন সমাজ সেৱাকে বৃত্তি হিচাপে গ্ৰহণ কৰিবলৈ সংকল্পবদ্ধ হয়। এই সংক্ৰান্তত তেখেতে নিজে প্ৰত্যক্ষ কৰা এটা ঘটনাই গুৰুঙক অধিক জাতিপ্ৰেমী হোৱাত সহায় কৰে। এবাৰ এগৰাকী নেপালী নাৰীৰ প্ৰতি অনা-নেপালী সম্ভৱত বঙালীলোকে কৰা অন্যায় আৰু অত্যাচাৰ সহ্য কৰিব নোৱাৰি নিজেই জলপাইগুৰি আদালতলৈ গৈ নিজৰে গাঁঠিৰ ধন ভাঙি গোচৰ তৰি তিৰোতা গৰাকীক ন্যায় দিয়াইহে এৰে। তেখেত ইমানেই জেদী পুৰুষ আছিল যে নিজে যি কাম কৰিম বুলি ভাবে তেনে কাম সম্পন্ন নকৰা পৰ্যন্ত শান্তিৰে নাথাকে। উল্লেখ্য যে উপৰোক্ত নেপালী নাৰী গৰাকীক ন্যায় দিয়াবলৈ যাওঁতে উকীলৰ সহায় ল'ব লগীয়াত পৰে। সেয়েহে আগলৈ তেনে উকীলৰ সহায় বিনে ওকালতি কৰাৰ্থে নিজে ১৯৩৩ চনত কলিকতালৈ গৈ আইন কলেজত অধ্যয়ন কৰি ১৯৩৬ চনত আইনৰ ডিগ্ৰী লাভ কৰে। তদুপৰি জাতীয় প্ৰেমৰ দ্বাৰা উদ্বুদ্ধ হৈ ডম্বৰসিং গুৰুঙে গোৰ্খা সম্মিলন নামেৰে এটি সংস্থা গঠন কৰি ইয়াৰ শাখা বিভিন্ন ঠাইত খুলি ৰাইজৰ সেৱাৰ্থে মুকলিভাৱে ওলাই আহে আৰু কম দিনৰ ভিতৰতে দাৰ্জিলিং জিলাতে বেছ জনপ্ৰিয় নেতাৰূপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হয়।

ডম্বৰসিং গুৰুঙৰ জনপ্ৰিয়তা দ্ৰুতভাৱে বৃদ্ধি পোৱাৰ কালছোৱাতেই ভাৰতীয় জনগণৰ ক্ৰমবৰ্দ্ধমান সাম্ৰাজ্যবাদ বিৰোধী তীব্ৰ প্ৰতিবাদৰ প্ৰতি মূৰ দোৱাই ক্ৰমান্বয়ে গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ প্ৰতি সন্মান দেখুৱাবলৈ গৈ ভাৰত চৰকাৰ আইন, ১৯৩৫ গৃহীত কৰিব লগীয়াত পৰে ব্ৰিটিছ পাৰ্লিয়ামেণ্টে। এই আইনৰ ভিত্তিতেই ১৯৩৭ চনত অনুষ্ঠিত

সাধাৰণ নিৰ্বাচনত ৰাইজৰ হেঁচোক সন্মান প্ৰদৰ্শন কৰি ডম্বৰসিং গুৰুঙে দাৰ্জিলিং বিধানসভা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰি পশ্চিমবংগ বিধানসভালৈ নিৰ্বাচিত হয়। এই নিৰ্বাচনত তেখেতৰ বিজয় এই কাৰণেই তাৎপৰ্যপূৰ্ণ যে ডম্বৰসিং গুৰুঙেই গোটেই ভাৰতবৰ্ষৰ ভিতৰত নেপালী জনগোষ্ঠীৰ প্ৰথম বিধায়ক হোৱাৰ কৃতিত্ব দাবী কৰিব পাৰে। এনেদৰেই দ্বিতীয়বাৰৰ বাবে গুৰুঙে অখিল ভাৰতীয় গোৰ্খা লীগৰ প্ৰাৰ্থীৰূপে নিৰ্বাচিত হৈ ১৯৪৬ চনত পশ্চিমবংগৰ বিধানসভাত দাৰ্জিলিং সমষ্টিক প্ৰতিনিধিত্ব কৰে। সি যি কি নহওক, পশ্চিমবংগ বিধানসভাৰ প্ৰথম পাঁচ বছৰীয়া সদস্যকালত মুছলিম লীগ, হিন্দু মহাসভা, জাতীয় কংগ্ৰেছ আদি মঞ্চৰ নামত সাম্প্ৰতিকতাবাদৰ যি তিক্ত অভিজ্ঞতা অৰ্জন কৰিলে তাৰ পৰা গুৰুঙে এটাই শিক্ষা লাভ কৰিলে যে ভাৰতৰ নিচিনা ঔপনিবেশিক দেশ আৰু আনকি স্বাধীনতাৰ পৰৱৰ্তীকালত স্থাপন কৰিব লগীয়া উদাৰ গণতান্ত্ৰিক ৰাজনৈতিক ব্যৱস্থাত্ নিজৰ জনগোষ্ঠীক নিজা মঞ্চৰ যোগেদি গোষ্ঠীটোৰ সৰ্বাংগীণ বিকাশ কৰিবলৈ বিচৰাটো প্ৰয়োজনীয়। সেয়েহে ডম্বৰসিং গুৰুং সংকল্পবদ্ধ হয় যে সমগ্ৰ ভাৰতবৰ্ষত সিঁচৰিত হৈ বসবাস কৰা থলুৱা নেপালীসকলক এক উমৈহতীয়া মঞ্চত সমৱেত কৰি নিজৰ আত্ম-পৰিচয়ৰ ভিত্তিত অধিকাৰ সাব্যস্ত কৰিব লাগিব। তাৰেই ফলশ্ৰুতিত ডম্বৰসিং গুৰুঙৰ নেতৃত্বতে ১৯৪৩ চনৰ ১৫ মে'ৰ দিনা দাৰ্জিলিঙস্থ ৰিংক চলচিত্ৰ প্ৰাঙ্গণত প্ৰায় দুই হাজাৰ নেপালী ৰাইজৰ উপস্থিতিত চৰ্দাৰ বাহাদুৰ ইঞ্জিত দেৱান ৰাইদেৱৰ পৌৰোহিত্যত অনুষ্ঠিত ঐতিহাসিক ৰাজহুৱা সভাতেই সৰ্বসম্মতিক্ৰমে আগতে উল্লেখ কৰা **অখিল ভাৰতীয় গোৰ্খা লীগ** (All India Gurkha League) নামেৰে এক সৰ্বভাৰতীয় নেপালী অনুষ্ঠানৰ আবিৰ্ভাৱ হয়। প্ৰণিধানযোগ্য যে এই ঐতিহাসিক সভাত দেশৰ অন্যান্য অংশৰ লগতে তদানীন্তন অবিভক্ত অসমৰ (শ্বিলং) পৰা প্ৰকাশিত **গোৰ্খা সেৱক** কাকতৰ সম্পাদক বাবু মণিসিং গুৰুঙেও অংশ গ্ৰহণ কৰে। অখিল ভাৰতীয় গোৰ্খা লীগ স্থাপনৰ যুক্তিযুক্ততা সম্পৰ্কে সভাই এইবুলি প্ৰস্তাৱ গ্ৰহণ কৰে — 'Resolved that in view of the fact the condition of the Gurkhas throughout India is very deplorable and that the political status of the Gurkhas in India is uncertain and that the future of the Gurkhas is at stake, an organisation named the ALL INDIA GURKHA LEAGUE be formed at this mass meeting of the Gurkhas in order to look after the interest of the Gurkhas in all respects particularly to establish the political rights of the Gurkhas in India after the war or whenever any political change takes place in India and further to mobilise the Gurkhas and

support the Allies in the war effort.' লগতে সভাই সৰ্বসন্মতিক্ৰমে ডম্বৰসিং গুৰুঙক সভাপতি আৰু ৰাণাধীৰ চুব্বাক সম্পাদক হিচাপে নিৰ্বাচিত কৰে। সংগঠনৰ পুঁজি সংগ্ৰহৰ অংশৰূপে নৱনিৰ্বাচিত সভাপতি ডম্বৰসিং গুৰুঙে অখিল ভাৰতীয় গোৰ্খা লীগলৈ সৰ্বোচ্চ দুশ পঞ্চাশ টকা আগবঢ়াই আৰু উপস্থিত সকলোকে উদাৰ হাতেৰে বৰঙণি আগবঢ়াই গোৰ্খা লীগক বিত্তীয় দিশত সবল কৰিবলৈ আহ্বান জনায়।

এইদৰে অসমকে সাঙুৰি ভাৰতবৰ্ষত থলুৱা নেপালীসকলৰ প্ৰথম সামাজিক আৰু ৰাজনৈতিক সংস্থাৰ ভূমিষ্ঠ হৈ পৰৱৰ্তীকালত বিভিন্ন প্ৰদেশবোৰত ইয়াৰ শাখা খোলা হয়। প্ৰাক্ স্বাধীনতাকালৰে পৰা অসমত এক বৃজন সংখ্যক নেপালীলোকৰ স্থায়ী বসবাসৰ কথা জানিবলৈ পাই অখিল ভাৰতীয় গোৰ্খা লীগৰ সভাপতি ডম্বৰসিং গুৰুং নিজে ১৯৪৪ চনৰ প্ৰথম ভাগতে অসমত পদাৰ্পণ কৰি নেপালী গ্ৰেজিয়াৰসকলৰ সমস্যা, বিশেষকৈ বেংগল মৈমনচিঙিয়া প্ৰব্ৰজনকাৰীসকলে অবৈধভাৱে ভূমি দখলৰ দ্বাৰা সৃষ্টি কৰা গ্ৰেজিয়াৰসকলৰ সমস্যা লৈ গোপীনাথ বৰদলৈৰ লগত আলোচনাত মিলিত হয়। তদুপৰি তদানীন্তন অসমৰ প্ৰধান মন্ত্ৰী চৈয়দ ছাদুল্লাক ডম্বৰসিং গুৰুঙৰ নেতৃত্বত যোৱা এটা সঁজাতী দলে সাক্ষাৎ কৰি নেপালী গ্ৰেজিয়াৰসকলৰ সমস্যাৰ বিষয়ে আলোচনা কৰে। সমস্যা সমাধানৰ উপায় হিচাপে অসম চৰকাৰে এই গুৰুত্বপূৰ্ণ বিষয়টিৰ অনুসন্ধান কৰা হ'ব বুলি সঁজাতী দলক আশ্বাস দিয়ে যাতে গ্ৰেজিং মাটিবোৰত পমুৱা মৈমনচিঙিয়াৰ বেদখল উচ্ছেদ কৰিব পৰা যায়। কিন্তু তদানীন্তন অসম চৰকাৰে এই বিষয়ত কোনো কাৰ্যকৰী ব্যৱস্থা হাতত নোলোৱা দেখি ডম্বৰসিঙৰ সক্ৰিয় উদ্যোগত 'থলুৱা' নেপালীলোকৰ ইপ্সিত আশা-আকাংক্ষা পূৰণাৰ্থে ১৯৪৪ চনৰ ৬ আগষ্টত অবিভক্ত অসমৰ শ্বিলঙত অখিল ভাৰতীয় গোৰ্খা লীগৰ এটি শাখা- অসম প্ৰাদেশিক গোৰ্খা লীগ গঠন কৰা হয়। অনুৰূপভাৱে ১৯৪৫ চনৰ ৭ জানুৱাৰীৰ দিনা সহকৰ্মীসহ ডম্বৰসিং গুৰুঙ পুনৰ অসমৰ তেজপুৰ নগৰত উপস্থিত হৈ থলুৱা নেপালীলোকৰ সহযোগিতাত বিহালীৰ 'ককা' ছবিলাল উপাধ্যায়ক সভাপতিৰূপে নিৰ্বাচিত কৰি তেজপুৰতো অসম প্ৰাদেশিক গোৰ্খা লীগৰ এটি শাখা গঠন কৰে। একে বছৰৰে ৩০ নৱেম্বৰৰ দিনা গুৱাহাটীতো এনে এটি শাখা গঠন কৰা হয়। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে অখিল ভাৰতীয় গোৰ্খা লীগৰ বাৰ্ষিক অধিৱেশনো চাৰিবাৰকৈ তেতিয়াৰ অসমৰ যথাক্ৰমে শ্বিলং (১৯৪৬), তেজপুৰ (১৯৪৭), চৈখোৱাঘাট (১৯৪৯) আৰু ডিব্ৰুগড় (১৯৫১)ত অনুষ্ঠিত কৰা হয়। মুঠ কথাত, অসমৰ থলুৱা নেপালীসকলক নিজৰ আত্ম-পৰিচয়ৰ যোগেদি সৰ্বাংগীণ বিকাশৰ বাবে সচেতন আৰু সংগঠিত কৰাৰ বেলিকা ডম্বৰসিং গুৰুঙেই আছিল প্ৰধান বাটকটীয়া। ১৯৫৫ চনৰ পৰা অসমৰ নেপালীসকলে দাৰ্জিলিঙস্থ অখিল ভাৰতীয় গোৰ্খা লীগ ৰাজনৈতিক দললৈ ৰূপান্তৰিত হোৱা হেতুকে

তাৰ সৈতে সম্পৰ্ক ছেদ কৰি ১৯৬৬ চনৰ ১০ এপ্ৰিলৰ পৰা নিজকে ‘অসম গোৰ্খা সন্মিলন’ বুলি সুকীয়াকৈ চিনাকি দিয়ে। এনে স্বত্বেও কিন্তু দাৰ্জিলিঙৰ নেপালী বিদ্বৎ সমাজৰ পৰা অদ্যপৰিমিত অসম কিয় সমগ্ৰ ভাৰতৰ নেপালীসকল প্ৰভাৱান্বিত আৰু পৰিচালিত হৈ থকা নাই বুলি ন-নদি ক'ব নোৱাৰি। উদাহৰণস্বৰূপে নেপালী ভাষাৰ সাংবিধানিক স্বীকৃতি দাবীক লৈ হোৱা দেশব্যাপী আন্দোলন ডম্বৰসিং গুৰুঙৰ অখিল ভাৰতীয় গোৰ্খা লীগৰ নেতৃত্বতে সৰ্বভাৰতীয় ৰূপ লয় আৰু ১৯৭২ চনৰ ৩০ জানুৱাৰীৰ দিনা ভূমিষ্ঠ হোৱা অখিল ভাৰতীয় নেপালী ভাষা সমিতিৰ শাখাও অসমত খুলি ইয়াৰ নেপালীলোকে ভাষা আন্দোলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। এনে পৰিপ্ৰেক্ষিততে ডম্বৰসিং গুৰুঙক নিঃসন্দেহে অসমৰেই নহয় বৰং সমগ্ৰ ভাৰতীয় নেপালী সত্তাৰ জনক বুলি কৃতিত্ব দিব পাৰি।

যি কি নহওক, ডম্বৰসিং গুৰুং যে অসমৰ ‘থলুৱা’ নেপালীলোকৰ প্ৰতি অধিক সহানুভূতিশীল আছিল সেই কথাৰ প্ৰমাণ আমি আগতেই উল্লেখ কৰিছো। সেয়েহে অসমৰ লগতে ভাৰতৰ অন্যান্য প্ৰদেশৰ আইন সভাবিলাকত নেপালী লোকৰ উপযুক্ত প্ৰতিনিধিত্বৰ বাবে আসন সংৰক্ষণৰ দাবী প্ৰাক্ স্বাধীনতা কালৰ পৰাই কৰি অহাৰ প্ৰমাণ পোৱা যায়। ১৯৪৩ চনৰ ১২ আগষ্টৰ দিনা ডম্বৰসিং গুৰুঙৰ নেতৃত্বতে ভাৰতৰ ভাইচৰয় আৰু গভৰ্ণৰ জেনেৰেলদ্বয়ক প্ৰদান কৰা স্মাৰক পত্ৰত অখিল ভাৰতীয় গোৰ্খা লীগে এনেদৰে দাবী কৰে যে — ‘The Gurkhas were not represented in the Central Legislature and even in the provinces like Assam, Bengal, United provinces, Punjab and Burma where the Gurkhas setteld in large number for generations, having in many cases, cleared the land first, no seat is reserved for them in the provincial legislature.’ এই প্ৰসংগতে উল্লেখ্য যে ভাৰতৰ সংবিধান ৰচনা কৰিবৰ বাবে যি সংবিধান পৰিষদ (Constituent Assembly) গঠন কৰা হয় তাত ডম্বৰসিং গুৰুঙকো এগৰাকী সদস্যৰূপে নিৰ্বাচিত কৰা হয়। এই সংবিধান পৰিষদৰ মজিয়াতো গুৰুঙে সজোৰে দাবী কৰে যে দেশৰ পিছপৰা সম্প্ৰদায় হিচাপে ‘থলুৱা নেপালী’লোকৰ বাবেও কেন্দ্ৰীয় আৰু প্ৰাদেশিক আইন সভাবোৰত উপযুক্ত প্ৰতিনিধিত্বৰ ব্যৱস্থা কৰিব লাগে।

এই সন্দৰ্ভত আটাইতকৈ উল্লেখনীয় কথা এয়ে যে ডম্বৰসিং গুৰুঙৰ নেতৃত্বত থকা অখিল ভাৰতীয় গোৰ্খা লীগেই অসমৰ থলুৱা নেপালীক শিক্ষা দিছিল যে অসমক মাতৃভূমি আৰু নিজকে অসমীয়া অৰ্থাৎ এক অবিচ্ছেদ্য অংগ বুলি পৰিচয় দিবলৈ উদাত্ত কণ্ঠেৰে আহ্বান জনায় (দ্ৰষ্টব্য ঃ A.C. Bhuyan and S.P. De, Political

History of Assam 1940-47, volume-III, 1980, p.319)। আনহাতে, অসমকে আদি কৰি সমগ্ৰ ভাৰতৰ থলুৱা নেপালীসকলক পৰিকল্পিতভাৱে শৈক্ষিক আৰু অৰ্থনৈতিকভাৱে অনগ্ৰসৰ কৰি ৰখাৰ বাবে ডম্বৰসিং গুৰুঙে ব্ৰিটিছ শাসক দোষাৰোপ কৰি ঔপনিবেশিক শাসনৰ যৱনিকা পেলাবলৈ আৰম্ভ কৰা সংগ্ৰামত সহযোগিতা কৰিবলৈ নেপালীলোককো মুক্তকণ্ঠে আহ্বান জনায়। এনে জাতীয়তাবাদী প্ৰেমৰ বাবেই মহম্মদ আলী জিন্নাৰ দ্বি-জাতিক তত্ত্বৰ ভিত্তিত ভাৰতক দ্বিখণ্ডিত কৰিবলৈ লোৱা ব্ৰিটিছৰ Divide and Rule policyৰ বিৰুদ্ধে ডম্বৰসিং গুৰুঙৰ অখিল ভাৰতীয় গোৰ্খা লীগে তীব্ৰ প্ৰতিবাদ জনায় আৰু প্ৰয়োজন সাপেক্ষে ভাৰতৰ ত্ৰিশ লাখ নেপালী খুকুৰি ব্ৰিটিছৰ বিৰুদ্ধে ব্যৱহাৰ কৰিবলৈ কুণ্ঠাবোধ নকৰে বুলি ৰাজহুৱাকৈ ঘোষণা কৰে (দ্ৰষ্টব্য ঃ A.C. Bhuyan and S.P. De, ibid, p 319-320)।

প্ৰসংগক্ৰমে উল্লেখ্য যে এইদৰে এটা সময়ত ডম্বৰসিং গুৰুঙৰ অখিল ভাৰতীয় গোৰ্খা লীগে নেপালী অধ্যুষিত দাৰ্জিলিং আৰু জলপাইগুৰি জিলাকো অসমৰ লগত চামিল কৰিবলৈ সিদ্ধান্ত লৈ ১৯৪৭ চনৰ ১৭ মে' দিনা কালিম্পুঙত অনুষ্ঠিত এখন বিৰাট ৰাজহুৱা সভাত গুৰুঙে এইদৰে যুক্তি প্ৰদৰ্শন কৰে যে The Britishers had treated us like animals but the Bengalis are worse than Britishers. The Bengalis will be our administrators and will try to keep us down all the times. Look how all Government posts have been occupied by these Bengalis although we have got now so many graduates who can easily replace them. Although we have suffered enough under the British imperialism but we can see from now that we will suffer more under Bengalis. If swaraj comes we will be under Bengal or Bengalis. So we are trying to amalgamate Darjeeling district with Assam. We cannot compete with the Bengalis in education but Assam is far behind Bengal and we may be able to kep pace with Assam (দ্ৰষ্টব্য ঃ Bhai Nahar Singh and Kirpal Singh : History of All India Gurkha League 1943-1949, New Delhi, 1987, p. 79-80)

দেশে স্বাধীনতা লাভ কৰাৰ আগমুহূৰ্তত এই দাবীলৈ ডম্বৰসিং গুৰুঙে তদানীন্তন ভাৰতৰ গভৰ্ণৰ জেনেৰেলকো ১৯৪৭ চনৰ মে' মাহতেই এখন স্মাৰক-পত্ৰ প্ৰদান কৰি দাৰ্জিলিং আৰু জলপাইগুৰি জিলা দুখনক অসমৰ লগত চামিল কৰিবলৈ দাবী জনাইছিল যাতে পশ্চিমবংগৰ বঙালী শাসকৰ আধিপত্য আৰু সম্ভাব্য অত্যাচাৰৰ পৰা

ভাৰতীয় থলুৱা নেপালীলোকৰ স্বাৰ্থ ৰক্ষা কৰিব পৰা যায়। কাৰণ অখিল ভাৰতীয় গোৰ্খা লীগে বঙালীসকলক শত্ৰু আৰু অসমীয়ালোক তেওঁলোকৰ প্ৰতি বেছ সহানুভূতিশীল বুলি গণ্য কৰিছিল। সেয়েহে অসমৰ লগত দাৰ্জিলিঙৰ নেপালীলোককো সংলগ্ন কৰাৰ সপোন ৰচনা কৰিছিল ডম্বৰসিং গুৰুঙে।

অখিল ভাৰতীয় গোৰ্খা লীগৰ জন্ম লগ্নৰে পৰা বাবু ডম্বৰসিং গুৰুঙে একেৰাহে ১৯৪৩-১৯৪৮ চনলৈকে সভাপতিৰ পদত অধিষ্ঠিত হৈ দাৰ্জিলিঙৰ সমানেই অসমৰ থলুৱা নেপালীসকলৰো জাতীয় চেতনাৰ উদ্ৰেক ঘটাই সৰ্বাংগীণ বিকাশৰ হেতু আজীৱন সংগ্ৰাম কৰি মাত্ৰ ৪৮ বছৰ বয়সত ১৯৪৮ চনৰ ৭ এপ্ৰিলৰ দিনা ইহ সংসাৰৰ পৰা মেলানি মাগে। মুঠতে, অসমকে আদি কৰি সমগ্ৰ ভাৰতৰ থলুৱা নেপালীসকলৰ অস্তিত্ব সংগ্ৰামৰ বাটকটীয়া ডম্বৰসিং গুৰুঙে যি অভূতপূৰ্ব আৰু অতুলনীয় ত্যাগ স্বীকাৰ কৰি থৈ গ'ল সি নিঃসন্দেহে ভাৰতৰ নেপালী জনগোষ্ঠীৰ ইতিহাসত সোণালী আখৰেৰে লিখা থাকিব।

আমাৰ অসম, ২৭ জুন, ২০০০

অসমীয়া জাতীয় চেতনা আৰু সমন্বয়ৰ জাগ্ৰত প্ৰতীক
ককা ছবিলাল উপাধ্যায়

"মোৰ জন্ম অসমতে; মৰিমো অসমতে। নেপাল স্বাধীন ৰাজ্য হ'ব পাৰে, কিন্তু মই নেপাল দেখা নাই। মই য'ত জন্মিছো সেয়েই মোৰ জন্মভূমি। মোৰ পূৰ্বপুৰুষ কোনো একালত নেপালত থকা হেতু সেইখন মোৰ পিতৃভূমি হ'ব পাৰে, কিন্তু সেই দেশৰ লগত মোৰ বৰ্তমান কোনো সম্পৰ্ক নাই। গতিকে মই মোৰ মাতৃভূমিৰ কথাহে জানো। এই দেশৰ আন্দোলন মোৰো আন্দোলন। মই কংগ্ৰেছ এৰিব নোৱাৰো। তাৰ বাবে দেশবাসীয়ে যিকোনো পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া হ'লেময়ো সেই পৰিস্থিতিৰ সন্মুখীন হ'বলৈকো সাজু আছো" — ১৯২১ চনৰ ৩০ জুনত মহাত্মা গান্ধীৰ সম্বৰ্ধনাৰ্থে তেজপুৰ নগৰৰ পল'ফিল্ডত অনুষ্ঠিত ৰাজহুৱা সভাত যোগদান কৰি উলটি অহাৰ পথত পুলিচ চাহাব মিষ্টাৰ ক্ৰেছে সোধা প্ৰশ্নৰ উত্তৰ দি এই কথাষাৰ কৈছিল অসমৰ নেপালী সম্প্ৰদায়ৰ আটাইতকৈ অগ্ৰজ মুক্তি সংগ্ৰামী, দেশসেৱক আৰু সমাজ সচেতক বিহালীৰ 'ককা' নামেৰে সৰ্বপৰিচিত ছবিলাল উপাধ্যায়ে (১৮৮২-১৯৮০)। প্ৰকৃততে স্বাধীনতা আন্দোলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ আৰু জাতীয় কংগ্ৰেছৰ সাংগঠনিক কাম কাজত অগ্ৰণী ভূমিকা লোৱাৰ পৰা আঁতৰাই ৰাখিবলৈ উপাধ্যায়ক ব্ৰিটিছসকলে বহুতো উপঢৌকনেৰে প্ৰলোভিত কৰিবলৈ বিচৰা প্ৰয়াসৰ প্ৰত্যুত্তৰত ছবিলাল উপাধ্যায়ে উদাত্ত আৰু নিৰ্ভীক বক্তব্য ৰাখি অসম মাতৃৰ প্ৰতি থকা অকৃত্ৰিম ভালপোৱাৰ পৰিচয় দাঙি ধৰে। নিজে নেপালী সম্প্ৰদায়ৰ হৈয়ো এগৰাকী নিভাঁজ খাটি অসমীয়া হোৱাৰ ইয়াতকৈ আৰু অধিক প্ৰমাণৰ প্ৰয়োজন কি থাকিব পাৰে?

১৮৮২ চনৰ ১২ মে'ত বিশ্বনাথ চাৰিআলিৰ অন্তৰ্গত বুঢ়ীগাঁওস্থিত বালিপুখুৰী গাঁৱৰ এটি সম্ভ্ৰান্ত নেপালী ব্ৰাহ্মণ পৰিয়ালত জন্মগ্ৰহণ কৰি স্বাধীনতা আন্দোলনৰ সময়ত অসমীয়া জাতীয় চেতনা আৰু সমন্বয় সৃষ্টিৰ বাবে অহোপুৰুষাৰ্থ কৰি 'ককা' ছবিলাল উপাধ্যায়ে যি মহৎ জাতীয় আদৰ্শ দেখুৱাই থৈ গ'ল, সম্প্ৰতি বৃহত্তৰ অসমীয়া সমাজ গঠনৰ প্ৰক্ৰিয়াক ত্বৰান্বিত কৰাৰ বেলিকা সেই আদৰ্শৰ প্ৰাসংগিকতাৰ প্ৰতি লক্ষ্য ৰাখি তেখেতৰ কৰ্মৰাজিৰ প্ৰতি চমুকৈ আলোকপাত কৰাই হৈছে এই প্ৰবন্ধৰ উদ্দেশ্য। আনুষ্ঠানিক শিক্ষাৰ নামত কেৱল প্ৰাথমিক বিদ্যালয়ৰ ডেওনা পাৰ হোৱা

ছবিলাল উপাধ্যায়ে ভাৰতৰ মুক্তি সংগ্ৰামত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিবলৈ 'স্বাধীনতাৰ ফিৰিঙতি' নামেৰে পৰিচিত চন্দ্ৰনাথ শৰ্মাৰ পৰা পাইছিল অফুৰন্ত প্ৰেৰণা আৰু নিৰৱচ্ছিন্ন সান্নিধ্য। তেওঁ ভাৰতৰ জাতীয় কংগ্ৰেছৰ নেতৃত্বত চলা অসহযোগ আন্দোলন, আইন অমান্য আন্দোলন আৰু ভাৰত ত্যাগ কাৰ্যসূচীত অংশগ্ৰহণ কৰি কাৰাবাস খটাই নহয়; অসম প্ৰাদেশিক কংগ্ৰেছ সমিতি গঠন কৰাতো এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। উল্লেখযোগ্য যে ১৯২১ চনৰ ১৮ এপ্ৰিলত যোৰহাটৰ বিষ্ণুৰাম হলত অনুষ্ঠিত আসাম এছ'চিয়েশ্যনৰ অন্তিম ঐতিহাসিক সভাখনত পৌৰোহিত্য কৰে ছবিলাল উপাধ্যায়ে, যিখন সভাই উক্ত এছ'চিয়েশ্যনক অসম প্ৰাদেশিক কংগ্ৰেছ সমিতিলৈ ৰূপান্তৰিত কৰে। 'ককা' ছবিলাল উপাধ্যায়ে জন্মলগ্নৰে পৰা কংগ্ৰেছ লগত হাড়ে-হিমজুৰে জড়িত হৈ এগৰাকী গোড়া কংগ্ৰেছী হৈছিল বুলি ক'ব পাৰি। এনে সামৰ্থ্যতে স্বাধীনতা সংগ্ৰামত ছবিলাল উপাধ্যায়ে কেৱল ব্যক্তিগতভাৱে যোগদান কৰাই নহয় বৰং আন্দোলনৰ সাংগঠনিক দিশটোৰ প্ৰতি অধিক সচেতন হৈ স্বেচ্ছাসেৱক বাহিনী গঠন কৰাৰ প্ৰতি মনোনিৱেশ কৰে যাতে সংগ্ৰামৰ সকলো কাৰ্যসূচী সফলভাৱে ৰূপায়ণ কৰিব পাৰি। এইদৰে ভাৰতীয় চেতনাক ত্বৰান্বিত কৰিবলৈ যাওঁতে তেখেতে নেপালী আৰু অসমীয়া লোকৰ মাজত এক সু-সমন্বয় গঢ়ি তোলাত অভূতপূৰ্বভাৱে সফল হৈছিল। আন ভাষাত ক'বলৈ গ'লে, উপাধ্যায়ৰ কাম-কাজ কেৱল নেপালী সম্প্ৰদায়ৰ মাজতেই আবদ্ধ নাছিল বৰং ভাষা-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে গাঁৱে-ভূঞে বাস কৰা সকলো মানুহৰ মাজত তেখেত জনপ্ৰিয় আছিল। আগতেই উল্লেখ কৰা হৈছে যে আসাম এছ'চিয়েশ্যন অসম কংগ্ৰেছলৈ ৰূপান্তৰিত হোৱাৰ আগৰ পৰাই ছবিলাল উপাধ্যায়ে ইয়াৰ এগৰাকী সক্ৰিয় সদস্য হৈ অসমীয়াভাষী ভাই-বন্ধুৰ লগত এক এৰাব নোৱৰা সম্পৰ্ক গঢ়ি তোলে। মন কৰিবলগীয়া কথা এয়ে যে সেই সময়ত অসমত কোনো নেপালী সংগঠন খোলাৰ কথা তেখেতে চিন্তা কৰিব পৰা নাছিল আৰু আনকি নেপালী গ্ৰেজিয়াৰসকলৰ সমস্যাসমূহ আসাম এছ'চিয়েশ্যনৰ যোগেদি সমাধান কৰিবলৈ চেষ্টা কৰিছিল। সেয়েহে স্বাধীনতা লাভ সকলোৰে একমাত্ৰ আৰু উমৈহতীয়া লক্ষ্য হ'ব লাগে বুলি 'ককা' উপাধ্যায়ে মৰ্মে মৰ্মে উপলব্ধি কৰিছিল আৰু পুলিচৰ নিশ্ছিদ্ৰ পহৰাৰ মাজতো সাংগঠনিক কাম অব্যাহত ৰাখি বৃহত্তৰ জাতীয় চেতনা জাগ্ৰত কৰিবলৈ সমৰ্থ হৈছিল। প্ৰথম বিশ্বযুদ্ধত ব্ৰিটিছৰ অনুৰোধক সাৰোগত কৰি গোৰ্খা ফৌজ গোটাই বগা বঙালৰ ভক্ত হোৱা উপাধ্যায়ে পৰৱৰ্তীকালত ৰাজকীয় প্ৰলোভনক নিৰ্ভয় চিত্তে অগ্ৰাহ্য কৰি এই লেখাটিৰ আৰম্ভণি বক্তব্যৰে প্ৰত্যুত্তৰ দিছিল। সেয়েহে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি (১৯৭২-১৯৭৩) হেম বৰুৱাই কৈছে— 'সাম্প্ৰদায়িক সম্প্ৰীতিৰ এইজনা (ছবিলাল উপাধ্যায়) হৈছে জীৱন্ত প্ৰতীক। এইজনাৰ আদৰ্শৰে জীৱন গঢ়িব পাৰিলে

সমাজত দেখা দিয়া বহুতো বিভ্ৰান্তিৰ যে ওৰ পৰিব সেই বিষয়ে সন্দেহ নাই।'

যিসকল লোকে গান্ধীজীৰ অসহযোগ আন্দোলনৰ প্ৰতি সঁহাৰি জনাই স্কুল কলেজ, কোৰ্ট কাছাৰী, চৰকাৰী চাকৰি বৰ্জন কৰি ওলাই আহিছিল সেই অসহযোগী আন্দোলনকাৰীক আৰ্থিক সাহায্যৰ বাবে অন্যান্য নেতাসকলৰ সহযোগত 'ককা' উপাধ্যায়ে 'তিলক ৰাজ পুঁজি' নামেৰে এটি বিত্তীয় ন্যাস গঠন কৰে। তেখেতৰে উদ্যোগত নিজৰ নাও আৰু হাতীত উঠি নদীৰ মাজত অৱস্থিত নেপালী ম'হৰ খুঁটিবিলাকৰ পৰা পুঁজি সংগ্ৰহ কৰে। এইদৰে কি নেপালী, কি অসমীয়া, কি মজদুৰভাষী সকলোৰে মাজত 'ককা' উপাধ্যায়ে জাতীয় চেতনাৰ সম্প্ৰসাৰণ ঘটাই তেওঁলোকক একাকাৰ কৰিবলৈ সমৰ্থ হৈছিল। উল্লেখ্য যে প্ৰাক্ স্বাধীন কালতে ৰক্ষণশীল নেপালী ব্ৰাহ্মণ পৰিয়ালৰ অল্পশিক্ষিত হৈয়ো ছবিলাল উপাধ্যায়ে তথাকথিত সামাজিক বান্ধোনক নেওচি নিজৰ বাসগৃহটিত বিভিন্ন সম্প্ৰদায়ভুক্ত কংগ্ৰেছ কৰ্মীসকলৰ খোৱা-বোৱা আৰু থকা-মেলাৰ বাহৰলৈ ৰূপান্তৰিত কৰিছিল। তেখেতৰ এনে মৰসাহসিক আদৰ্শৰ আঁৰত নিঃসন্দেহে এক সু-সমন্বয়ৰ মাজেদি শক্তিশালী অসমীয়া জাতীয় চেতনা জাগ্ৰত কৰি দেশ মাতৃক মুক্তি কৰাৰ প্ৰবল মানসিকতাকে প্ৰতিফলিত কৰে। তেখেতৰ বিষয়ে অসম সাহিত্য সভাৰ ভূতপূৰ্ব সভাপতি (১৯৮৪-১৯৮৫) জ্ঞানপীঠ বঁটা বিজয়ী বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই কৈছে — "তেওঁৰ নেপালী চেতনা বহল হৈ অসমীয়া চেতনাত আৰু অসমীয়া চেতনা ভাৰতীয় চেতনাত মিলিত হৈছে।" সম্প্ৰতি বহুতৰে মাজত এক বদ্ধমূল ধাৰণা আছে যে তেজৰ সম্পৰ্ক নহ'লে কোনো এক ভাষিক গোষ্ঠী বৃহত্তৰ অসমীয়া জাতিৰ এক অবিচ্ছেদ্য অংগ হ'ব নোৱাৰে। কিন্তু এনে ধাৰণা যে ভ্ৰান্ত এই কথা ছবিলাল উপাধ্যায় আৰু তেখেতৰ পৰিয়ালবৰ্গই দেখুৱাই থৈ যোৱা আদৰ্শই প্ৰমাণ কৰে, যিটো কথা মুক্তি সংগ্ৰামী প্ৰথিতযশা নেতা তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি (১৯৯৪-১৯৫০) বাগ্মীবৰ নীলমণি ফুকনে এইদৰে লিখিছে — "বহিৰাগত নেপালী সম্প্ৰদায়ৰ মাজতো আজি দেশ পূজ্য, বৰেণ্য ছবিলাল উপাধ্যায়ৰ পৰিয়ালৰ মাধ্যমেৰে অসমীয়া জাতিৰ সকলো গৌৰৱ বঢ়াব পৰা এই সম্প্ৰদায়টি অসমীয়া জাতিৰ বুকুত সুমাই ল'ব পৰা কৰিলে ... আমি আজন্ম এই সম্প্ৰদায়ৰ উন্নতিৰ পথত আগবাঢ়ি যাওঁতে ক্ৰমে অসমীয়া জাতিটোৰ সংগ কি দৰে পুষ্ট কৰি আহিছে, সেই কথা সুক্ষ্মভাৱে অনুভৱ কৰি আহিছো"। সেয়েহে ক'ব পাৰি যে দৈহিক বা বৈবাহিক সম্পৰ্ক নঘটিলেও আত্মিক উপলব্ধিও যে সমন্বয়ৰ এক শক্তিশালী আধাৰ হ'ব পাৰে, 'ককা' ছবিলাল উপাধ্যায় তাৰে এক জ্বলন্ত আৰু জীৱন্ত নিদৰ্শন। একেদৰে এখোজ আগুৱাই গৈ অসম সাহিত্য সভাৰ আন এগৰাকী প্ৰাক্তন সভানেত্ৰী (১৯৫৪-১৯৫৫) কবি নলিনীবালা দেৱীয়ে 'ককা'ৰ বিষয়ে কৈছে যে — "সুদূৰ নেপালৰ সপোন পাহৰি

মনোৰমা শুৱনি অসমী আইৰ বুকুৰ সপোন সাৱটিলৈ এইখনি ওপজা ঠাইৰ কল্যাণ কামনাৰ সেৱাত জীৱন উছৰ্গা দিয়া বীৰ পুৰুষ, বিদেশী শাসনৰ পৰাধীনতাৰ শিকলি চিঙিবলৈ প্ৰথম মুক্তি যুঁজাৰু বীৰ সৈনিক; অসমী আইৰ বিপদে সম্পদে আই আই বুলি পবিত্ৰ ত্যাগ আদৰ্শৰ সোণপানী চটিয়াই জাতিৰ সন্মুখত পোহৰ বিলাওঁতা অসমী আইৰ আদৰৰ দুলাল শ্ৰীযুত ছৱিলাল উপাধ্যায় ... নিজৰ ওপজা ঠাইৰ প্ৰতি আগবঢ়োৱা আপোনাৰ পৱিত্ৰ সেৱাৰ তুলনা নাই। প্ৰতিজন অসমীয়াৰ হিয়াই হিয়াই আপোনালৈ শ্ৰদ্ধাৰ আসন পতা আছে"। এইখিনিতে আৰু এটা উদাহৰণ দিব পাৰি যে ১৯৪২ চনৰ ঐতিহাসিক ভাৰত ত্যাগ আন্দোলনত অন্যান্যসকলৰ লগতে 'ককা' উপাধ্যায়ে - 'মুক্তি বা মৃত্যু' সংকল্পৰে বিহালী থানাত ত্ৰিৰংগ জাতীয় পতাকা উৰুৱাবলৈ যোৱা প্ৰায় দহ হাজাৰ মানুহৰ সমদল যাত্ৰাৰ নেতা হিচাপে সৰ্বপ্ৰথমে গ্ৰেপ্তাৰ বৰণ কৰিব লগীয়া হৈছিল — সেইটোও নেপালী সম্প্ৰদায়ৰ পবিত্ৰ দীপান্বিতা উৎসৱৰ ভাতৃদ্বিতীয়াৰ দিনা। লগতে গ্ৰেপ্তাৰ হৈছিল বগীৰাম শইকীয়া, হৰিপ্ৰসাদ উপাধ্যায়, বিষ্ণুলাল উপাধ্যায়, ৰামলাল উপাধ্যায় আদি আৰু একেৰাহে ছমাহ কাল জেল হাজোতত থাকিবলগীয়া হয়। ব্ৰিটিছৰ একান্ত ভক্ত হৈ উপাধ্যায়হঁতে আদৰৰ বিহু ভাতৃদ্বিতীয়াৰ দিনা স্ফূৰ্তি-ফাৰ্তা কৰি সেইদিনা ঘৰতে থাকিব পাৰিলেহেঁতেন। কিন্তু অসম তথা ভাৰত মাতৃৰ প্ৰতি ঋণ স্বীকাৰ কৰি বগা বগালৰ বান্ধোনৰ পৰা দেশ মুক্ত কৰাতো দেৱালীত ভনীয়েক বা ভায়েকৰ হাতৰ পৰা ফোঁট লৈ ভিন্ ভিন্ ব্যঞ্জনেৰে আহাৰ খাই থকাতো কেতিয়াও শ্ৰেয় নহয় বুলি উদয় হোৱা উপলব্ধিয়েই প্ৰমাণ কৰে তেখেতসকলৰ জাতীয়তাবাদ আৰু দেশপ্ৰেমৰ গভীৰতাক।

'শিক্ষিত কৰ্মপটু নাগৰিকৰ সৃষ্টি কৰিব নোৱাৰিলে স্বাধীনতাৰ প্ৰকৃত মূল্য উপলব্ধি কৰা টান। সেই উদ্দেশ্য আগত ৰাখি আমি বিহালীত জাতীয় স্কুল আৰম্ভ কৰো' — ১৯৭২ চনৰ ত্ৰিছ ছেপ্টেম্বৰত তেজপুৰ সাহিত্য সভাই 'ককা' উপাধ্যায়ক সম্বৰ্ধনা জনাই দুআষাৰ ক'বলৈ দিয়াৰ প্ৰসংগত তেখেতে এইদৰে কৈছিল। ইয়াৰ পৰা এইটো নিশ্চিত যে কম শিক্ষিত হ'লেও ছৱিলাল উপাধ্যায়ৰ উপলব্ধি হৈছিল যে উপযুক্ত শিক্ষাৰ অবিহনে এটা স্বাধীন জাতিয়েও বিকাশৰ প্ৰতিটো পদক্ষেপতে উজুটি খাব লাগিব। মুক্তি সংগ্ৰামৰ সমান্তৰালভাৱে জাতীয় শিক্ষাৰ সম্প্ৰসাৰণৰ ওপৰতো উপাধ্যায়ে সমানেই গুৰুত্ব দিছিল। শিক্ষা আৰু প্ৰযুক্তিবিদ্যাৰ বলতে ব্ৰিটিছসকলে সাত সাগৰ তেৰ নদী পাৰ হৈ ভাৰতবৰ্ষত নিজৰ আধিপত্য প্ৰতিষ্ঠা কৰিব পাৰিছিল, সেই কথা 'ককা' উপাধ্যায়ে ভালদৰে বুজিছিল। সেয়েহে ভাৰতীয়সকলে সাত সাগৰ তেৰ নদী পাৰ হ'ব নালাগে; অতি কষ্ট আৰু ত্যাগৰ বিনিময়ত আৰ্জিত স্বাধীনতাকো বজাই ৰাখিবলৈ হ'লে উপযুক্ত শিক্ষাৰ অতীব প্ৰয়োজনীয়তাৰ কথা উপলব্ধি কৰিয়েই তেখেতে

১৯২২ চনত বিহালীৰ গাংমৌথানত ভায়েক ভীমলাল উপাধ্যায়ে দান দিয়া মাটিত এটি সৰু ঘৰ সাজি সেই অঞ্চলৰ একমাত্ৰ জাতীয় বিদ্যালয় প্ৰতিষ্ঠা কৰে। কিন্তু ব্ৰিটিছৰ ৰোষত পৰি মুৰকত এই বিদ্যালয় বন্ধ হ'লেও পুনৰ ১৯২৭ চনত চৰকাৰী প্ৰাথমিক বিদ্যালয়ৰ লগতে সংলগ্ন কৰি হাতীবন্ধা কম্বাইণ্ড মিডিল স্কুল প্ৰতিষ্ঠা কৰা হয় ছবিলাল উপাধ্যায়কে প্ৰমুখ্য কৰি অন্যান্যসকলৰ অক্লান্ত প্ৰচেষ্টাত। ওচৰে-পাঁজৰে হাইস্কুল নথকাত ল'ৰা-ছোৱালীৰ সুবিধাৰ্থে তেখেতৰ উদ্যোগতে ১৯৪১ চনৰ পহিলা মাৰ্চৰ পৰা বিহালীৰ নেপালী থিয়েটাৰ হলত আৰম্ভণিতে গাংমৌথান, কিন্তু পিছলৈ বিহালী হাইস্কুল নামেৰে প্ৰথম উচ্চ মাধ্যমিক বিদ্যালয় প্ৰতিষ্ঠা কৰা হয়। উল্লেখযোগ্য যে এই বিদ্যালয় প্ৰতিষ্ঠাৰ বাবে যি কাৰ্যকৰী সমিতি গঠন হয়, তাৰ সভাপতি নিৰ্বাচিত হয় 'ককা' ছবিলাল উপাধ্যায় আৰু প্ৰথম প্ৰধান শিক্ষক প্ৰাক্তন বিধায়ক সকলোৰে পৰিচিত 'অসম গান্ধী' বিষ্ণুলাল উপাধ্যায়। এইদৰে অসমীয়া মাধ্যমৰ শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত উদ্যোগ লোৱা ছবিলাল উপাধ্যায়ক সাম্প্ৰদায়িক সম্প্ৰীতি আৰু অসমীয়া জাতীয়তাবাদৰ অগ্ৰদূত বুলি ক'ব লাগিব। বিহালী হাইস্কুল প্ৰতিষ্ঠাতা উপাধ্যায়ৰ এনে বহল মানসিকতাক আৰু অন্য এক ঘটনাৰ যোগেদিও প্ৰতিষ্ঠা কৰিব পাৰি। ১৯৪১ চনৰ কথা। তেতিয়া লক্ষেশ্বৰ হাজৰিকা বিহালী হাইস্কুলৰ প্ৰধান শিক্ষক। কিয়নো বিষ্ণুলাল উপাধ্যায়ে আনুষ্ঠানিকভাৱে কলেজ শিক্ষা শেষ কৰিবৰ বাবে ছুটী লৈ পুনৰ কটন কলেজলৈ প্ৰত্যাৱৰ্তন কৰে। এদিনাখন তদানীন্তন অসমৰ শিক্ষামন্ত্ৰী ৰোহিনী কুমাৰ চৌধুৰীয়ে বিহালী হাইস্কুল পৰিদৰ্শন কৰিবলৈ আহে। মন্ত্ৰীক আদৰণি জনাবৰ বাবে স্কুলৰ প্ৰত্যেক ছোৱালীক মুগাৰ মেখেলা আৰু বগা চাদৰ পিন্ধি আহিবলৈ সভাপতি উপাধ্যায়ে পৰামৰ্শ দিলে। নেপালী ছোৱালীবলাকৰ গাত অসমীয়া জাতীয় পোছাক দেখি অভিভূত হৈ মন্ত্ৰীয়ে আৱেগপূৰ্ণ ভাষাৰে ছবিলাল উপাধ্যায়ৰ ভূয়সী প্ৰশংসা কৰে। প্ৰাক্ স্বাধীন কালতেই 'ককা' উপাধ্যায়ে অসমীয়া জাতীয় সাজ-পোছাকক বিদ্যালয়ৰ ইউনিফৰ্মৰ মৰ্যাদা দি জাতীয়তাবাদৰ প্ৰমাণ দিছিল।

'মৃত্যুৰ পিছতো পুনৰ মই এই মাটিৰ কোলাতেই জন্ম ল'ব বিচাৰো, যাতে শিক্ষাৰ ক্ষেত্ৰত কৰিব খোজা কামখিনি সমাপ্ত কৰিব পাৰো' — বিহালী হাইস্কুলৰ প্ৰেক্ষাগৃহৰ বাবে ১৯৭৬ চনতে ৪৫,০০০ টকা দান দিয়া ধনেৰে প্ৰস্তুত কৰা ঘৰটোৰ দ্বাৰ আনুষ্ঠানিকভাৱে উন্মোচন কৰি দিয়া ভাষণত ছবিলাল উপাধ্যায়ে এনেদৰে কয়। একেদৰেই তেখেতে ১৯৭৯ চনতো বিশ্বনাথ চাৰিআলি কলেজৰ বিজ্ঞান শাখাৰ কৃতী ছাত্ৰ-ছাত্ৰীক সুদৰ পইচাৰে জলপানি দিয়াৰ উদ্দেশ্যৰে ৩০,৬০০ টকা দান কৰে। এনে উদাৰ আৰু শিক্ষাপ্ৰেমীৰ পৰিচয়ে ইয়াকে প্ৰতিপন্ন কৰে যে অসমীয়া ল'ৰা-ছোৱালীৰ শিক্ষা সম্প্ৰসাৰণ অবিহনে অসম আৰু অসমীয়া জাতিৰ উন্নতিৰ বিকল্প নাই বুলি আনুষ্ঠানিকভাৱে তেনেই কম শিক্ষিত 'ককা' উপাধ্যায়ে হৃদয়ংগম কৰিব পাৰিছিল।

এই কথা সকলোৱে বিদিত যে ১৯৬২ চনৰ ভাৰত চীন যুদ্ধৰ সময়ত প্ৰধানমন্ত্ৰী হৈয়ো জৱাহৰলাল নেহৰুৱে নিজ দেশৰ অংগ অসমক চীনা সৈন্যৰ হাতত এৰি দিবলৈ প্ৰস্তুত হোৱা জাতীয় সংকটৰ সময়ত ছবিলাল উপাধ্যায়ে অলপো বিচলিত নহৈ দেখুওৱা মৰসাহ, প্ৰেৰণা আৰু দৃঢ়তাই জনসাধাৰণৰ মনত সীমাহীন শক্তিৰ সঞ্চাৰ কৰিছিল আৰু ফলত তেওঁলোকে নিজ স্থান ত্যাগ নকৰিবলৈ দৃঢ় প্ৰতিজ্ঞ হৈছিল। 'জন্ম হ'লে এদিন মৰিবই লাগিব আৰু দেশ-মাতৃৰ ৰক্ষাৰ নিমিত্তে জীৱন উচৰ্গা কৰিব পাৰিলে তেনে জীৱন ধন্য হ'ব' — মাতৃপ্ৰেমৰ এনে আৱেগে উপাধ্যায়ক চীনা সৈন্যৰ মুখামুখি হ'বলৈ অফুৰন্ত অনুপ্ৰেৰণা আৰু সাহস আনি দিছিল। এনে পৰিপ্ৰেক্ষিতত নেহৰুতকৈ উপাধ্যায়কহে অধিক আত্মবিশ্বাসী ভাৰতীয় আৰু শ্ৰেষ্ঠ অসমী সন্তান বুলি ক'ব পাৰি।

মুক্তিসংগ্ৰামী পুষ্পলতা দাসে কৈছে — 'ভাৰতৰ সাংস্কৃতিক জীৱনত তথা আমাৰ জাতীয় জীৱনত উপাধ্যায়ৰ যি বৰঙণি - সংহতিৰ ভেটি টনকিয়াল কৰি গজহস্তীৰ গাম্ভীৰ্যৰে কালৰ বুকুত থিয় হৈ ৯০ বছৰৰ অভিজ্ঞতাৰে উত্তৰ পুৰুষসকলক পথ নিৰ্দেশ দিয়াৰ যি গৌৰৱ - সেই গৌৰৱোজ্জ্বল জীৱনৰ সাধনাখিনি সদায়েই কালজয়ী'। সম্প্ৰতি অসমৰ নেপালী পুৰুষে তেখেতৰ আদৰ্শক অনুসৰণ কৰা নাই বুলি ক'ব নোৱাৰি। কিয়নো অসমৰ প্ৰত্যেকটো জাতীয় সংকটত নেপালীসকলৰ সহযোগিতা সন্দেহৰ উৰ্ধত কাৰণ ভাৰতবৰ্ষ তথা অসমৰ প্ৰতিটো জাতীয় সংকটৰ সময়ত 'থলুৱা' নেপালীলোকে অসমীয়া ভাইবন্ধুৰ সৈতে কান্ধত কান্ধ মিলাই প্ৰকৃত অসমীয়াত্বৰ পৰিচয় দি আহিছে। তদুপৰি অসমীয়া ভাষা-সাহিত্যৰ ক্ষেত্ৰতো নেপালীলোকে যথেষ্ট বৰঙণি আগবঢ়াইছে। এইবিলাকৰ বিষয়ে সংশ্লিষ্ট প্ৰবন্ধবোৰত বিস্তৃতভাৱে আলোচনা কৰা হৈছে। এনে স্বতঃস্ফূৰ্ত প্ৰক্ৰিয়াই কোনো বাধা নাপালে এদিন নিশ্চয় নেপালী সংস্কৃতি অসমীয়া সংস্কৃতিত বিলীন হ'ব পাৰিব; লাগে মাথোঁ পাৰস্পৰিক প্ৰত্যয় আৰু বুজাবুজি। অৰ্থাৎ অসমীয়া জাতিৰ মুলসুঁতিয়ে থলুৱা নেপালী জনগোষ্ঠীক জাতীয় জীৱনৰ সৰ্বাংগীণ দিশত কেনেদৰে নিজৰ প্ৰাপ্যখিনিৰ পৰা বঞ্চিত নকৰি নিৰপেক্ষভাৱে দিব পাৰে তাৰে ওপৰত ককা ছবিলাল উপাধ্যায়ৰ আদৰ্শৰ বাস্তৱ প্ৰতিফলন নিৰ্ভৰ কৰিব। তেনে হ'লেহে ককা ছবিলাল উপাধ্যায় কেৱল থলুৱা নেপালীৰ বাবে বৰঞ্চ সমগ্ৰ অসম আৰু অসমীয়াৰ বাবে অফুৰন্ত অনুপ্ৰেৰণাৰ উৎস হৈ ৰ'ব।

আমাৰ অসম, ১২ মে', ১৯৯৯

প্ৰতিবাদী সত্তাৰ প্ৰতীক ঃ সৰ্বহাৰা ভক্ত বাহাদুৰ প্ৰধান

ভাৰতৰ মুক্তি সংগ্ৰামত অসমৰ যিসকল বৰেণ্য ব্যক্তিয়ে অশেষ ত্যাগ স্বীকাৰ কৰি পৰৱৰ্তীকালত স্বীকৃতি লাভ কৰে সেই সকলৰ ভিতৰত থলুৱা নেপালী সম্প্ৰদায়ৰ বৰঙণিও আপেক্ষিকভাৱে উলাই কৰিব পৰা বিধৰ নহয়। তেনে ব্যক্তিসকলৰ ভিতৰত বিশেষকৈ বিহালীৰ 'ককা' ছবিলাল উপাধ্যায় আৰু ডিব্ৰুগড়ৰ 'শ্ৰমিকপ্ৰাণ' দলবীৰসিং লোহাৰৰ লগতে ডিগবৈৰ 'সৰ্বহাৰা' ভক্ত বাহাদুৰ প্ৰধানে (১৯০১-১৯৯২) ও সমান্তৰালভাবে স্বাধীনতা আন্দোলনত যোগদান কৰি অসীম ত্যাগ স্বীকাৰ কৰাৰ প্ৰমাণৰ অভাৱ নাই, কিন্তু অতি পৰিতাপৰ বিষয় যে নেপালী মুক্তি যোদ্ধাদ্বয় দলবীৰসিং লোহাৰ আৰু ভক্ত বাহাদুৰ প্ৰধানক সম্প্ৰতি অসমৰ নেপালী বিদ্বৎ সমাজে তেখেত সকলৰ জন্ম বা মৃত্যু তিথিত স্মৃতিচাৰণ কৰাৰ আহৰি থাকিলেও আগ্ৰহ আৰু প্ৰয়াস-প্ৰযত্নৰ কোনো প্ৰতিফলন এতিয়ালৈকে ঘটা নাই। ধিক্ নেপালী বিদ্বৎ সমাজ। নিজৰ গৌৰৱময় অতীত ইতিহাসক বিস্মৃতিৰ গৰ্ভত কবৰ দিয়া মানেই আত্ম পৰিচয়ক চূড়ান্ত অৱমাননা কৰা। এনে ইংগিত নেপালী সম্প্ৰদায় আৰু অসমবাসীৰ বাবে মুঠেও মঙ্গলজনক নহয়। যেই কি নহওক, সুখৰ বিষয় এই যে বিগত ১৯৯৯ চনৰ আঠ ফেব্ৰুৱাৰীত নৱগঠিত ভানু অধ্যয়ন চক্ৰ, মৰাণহাটৰ সৌজন্যত সম্ভৱত অসমত পোন প্ৰথমবাৰৰ বাবে এগৰাকী সুযোগ্য নেপালী মুক্তিযোদ্ধা আৰু 'শ্ৰমিকপ্ৰাণ' দলবীৰসিং লোহাৰৰ ৮৪ তম জন্ম জয়ন্তী দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰি তেখেতৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা দেখা যায়। এনে পৰিপ্ৰেক্ষিততে আন এগৰাকী নেপালী বংশোদ্ভৱ মুক্তিযোদ্ধা ভক্ত বাহাদুৰ প্ৰধানৰো ৯৯ তম জন্ম জয়ন্তী উপলক্ষে এই লেখাৰ যোগেদি তেখেতৰ জীৱন আৰু কৰ্মৰাজিৰ ওপৰত চমুকৈ আলোকপাত কৰাৰ প্ৰয়াস কৰা হৈছে যাতে অনাগত প্ৰজন্মক তেখেতৰ লগত পৰিচয় কৰাই দিব পৰা যায়।

১৯০১ চনৰ ২৮ মাৰ্চত শদিয়াৰ ভাটীখুটি পহুখোৱাত জিৎ বাহাদুৰ প্ৰধানৰ ঔৰসত আৰু বিষ্ণুমায়া ছেত্ৰীৰ গৰ্ভত ভক্ত বাহাদুৰ প্ৰধানৰ ভূমিষ্ঠ হয়। নিজে নেৱাৰ উপ-সম্প্ৰদায়ৰ হৈ ছেত্ৰী উপ-সম্প্ৰদায়ৰ ছোৱালী বিয়া কৰোৱাৰ বাবে জিৎ বাহাদুৰ প্ৰধান পিতাক ভীম বাহাদুৰ প্ৰধানৰ ৰোষত পৰি পৈত্ৰিক সা-সম্পত্তি লাভৰ পৰা বঞ্চিত হ'ব লগীয়াত পৰে। সেয়েহে জীৱিকা নিৰ্বাহৰ বিকল্প সন্ধানত জিৎ বাহাদুৰ

প্ৰধানে পত্নী বিষ্ণুমায়া ছেত্ৰী আৰু একমাত্ৰ সন্তান ভক্ত বাহাদুৰ প্ৰধানক বুকুত সাৱটি লৈ ডিগবৈত উপস্থিত হয়। সেই সময়ত ডিগবৈত তেল কোম্পানীত মজদুৰ যোগান ধৰা আৰু হোটেল-দোকানৰ বেচ অভাব দেখা গৈছিল। এনে পৰিস্থিতিৰ সুযোগ লৈ জিৎ বাহাদুৰ প্ৰধানে প্ৰথমে মজদুৰৰ কাম কৰিছিল আৰু পাচলৈ তেল কোম্পানীত মজদুৰ যোগানৰ ঠিকাদাৰী কামৰ যোগেদি জীৱিকা নিৰ্বাহৰ সু-প্ৰবন্ধ কৰিবলৈ সক্ষম হয়। ইতিমধ্যে পুত্ৰ ভক্ত বাহাদুৰ প্ৰধানও পঢ়াশালিলৈ যাব পৰা বয়সৰ হয় কিন্তু সেই সময়ত ডিগবৈত ভাল বিদ্যালয় নোহোৱাৰ কাৰণে জিৎ বাহাদুৰ প্ৰধানে পুত্ৰ ভক্ত বাহাদুৰক দাৰ্জিলিঙৰ খাৰচাংস্থিত প্ৰাথমিক বিদ্যালয়ত ভৰ্তি কৰাই দিয়ে। প্ৰাথমিক শিক্ষা শেষ হোৱাত দাৰ্জিলিঙৰে তিনধাৰে নামৰ এখন মধ্য ইংৰাজী বিদ্যালয়ত ভক্ত বাহাদুৰ প্ৰধানক ভৰ্তি কৰোৱা হয়। স্কুলীয়া শিক্ষা পূৰ্ণ গতিত চলি থকাৰ কালতে এদিনাখন কলিকতাৰ পৰা অহা কংগ্ৰেছী নেতা চিত্তৰঞ্জন দাসে দাৰ্জিলিঙৰ এখন জনসভাত দেশৰ পৰিস্থিতি সম্পৰ্কে দিয়া ভাষণ ৰাজনীতিৰ অ আ ক খ নজনা ফুল কুমলীয়া ভক্ত বাহাদুৰ প্ৰধানে শুনাৰ সুযোগ লাভ কৰে। দাসে ভাষণ প্ৰসঙ্গত কৈছে — "ইংৰাজৰ শোষণ আৰু উৎপীড়নৰ পৰা দেশ আৰু জনগণক বচাবলৈ প্ৰত্যেক ঘৰৰ পৰা একোজনকৈ ব্যক্তি ওলাই আহিব লাগিব ৰাজপথলৈ" .... ভাষণৰ সকলো কথা হৃদয়ঙ্গম কৰিব নোৱাৰিলেও 'সৰ্বহাৰা' ভক্ত বাহাদুৰ প্ৰধানে কিন্তু 'শোষণ' আৰু 'উৎপীড়ন' শব্দ দুটাৰ অৰ্থ আৰু তাৎপৰ্য ভালকৈ উপলব্ধি কৰিব পাৰিছিল। ইয়াৰ নিৰাময়ৰ উপায় হিচাপে কংগ্ৰেছ দলৰ ভলণ্টিয়াৰ হোৱাৰ হেঁপাহ মনত বৰকৈ জাগিছিল। যেই কি নহওক, ঘৰুৱা অসুবিধাৰ হেতুকে কিছুকালৰ পাচতে শিক্ষা জীৱনৰ যৱনিকা পেলাই প্ৰধানে নিজ বাসগৃহ ডিগবৈলৈ প্ৰত্যাৱৰ্তন কৰে। ডিগবৈলৈ ঘূৰি অহাৰ পাচতে তেওঁ তেল কোম্পানীৰ ব্ৰিটিছ বিষয়াৰ গাড়ী চালক আৰু মেকানিক কামত যোগদান কৰি পৰিয়ালক আৰ্থিক সকাহ দিব পৰাকৈ দুই চাৰি টকা আয় কৰিবলৈ আৰম্ভ কৰে।

এই খিনিতে উল্লেখনীয় কথা এয়ে যে ডিগবৈৰ তেল পুং আৰু শোধনাগাৰ আৰু লিডু, মাৰ্ঘেৰিটাৰ কয়লা খনিবোৰত সমসাময়িকভাৱে বিৰাজ কৰা পৰিস্থিতিয়ে বিশেষকৈ শ্ৰমিকসকলৰ প্ৰতি কৰা অবৰ্ণনীয় অত্যাচাৰ, উৎপীড়ন আৰু শোষণ ভক্ত বাহাদুৰ প্ৰধানে প্ৰত্যক্ষ কৰিছিল। এনে পৰিবেশে ক্ৰমান্বয়ে তেখেতৰ মনত বৰকৈ আঘাত দিবলৈ ধৰে। তেল আৰু কয়লা খনিবিলাকত প্ৰতিদিনে বাৰ ঘণ্টা শ্ৰম কৰা, দাইল ভাত মিহলোৱা জন্তুতুল্য আহাৰ ভক্ষণ কৰা, খিৰিকীহীন একেটা কোঠাতে দহ বাৰজন শ্ৰমিকে থকা আৰু শোৱা, কোঠাৰ পৰা বাহিৰলৈ ওলাই যাব নোৱৰা আৰু ওলাই যাবলৈ চেষ্টা কৰি ধৰা পৰিলে গছত বান্ধি সৌকাৰে নিৰ্দয়ভাৱে কোবোৱা শ্ৰমিকসকলৰ অৱস্থাই প্ৰধানক সোঁৱৰাই দিছিল দাৰ্জিলিঙত কংগ্ৰেছ নেতা চিত্তৰঞ্জন

দাসে কোৱা ব্ৰিটিছৰ ‘শোষণ’ আৰু ‘উৎপীড়ন’ৰ জলজল পট্‌পট্ প্ৰতিফলন। এনে নিষ্ঠুৰ আৰু পাশৱিক শাসন শোষণৰ পৰা কেনেকৈ শ্ৰমিক আৰু মজদুৰসকলক উদ্ধাৰ কৰিব পাৰি সেই কথাকে প্ৰধানে চিন্তা কৰিবলৈ ধৰে। ঠিক তেনে সময়তে ১৯২৬ চনত গুৱাহাটীৰ পাণ্ডুত ভাৰতীয় জাতীয় কংগ্ৰেছৰ অধিবেশনলৈ মহাত্মা গান্ধীৰ আগমনে সমগ্ৰ অসমতে আনন্দ আৰু উল্লাসৰ জোৱাৰ সৃষ্টি কৰে। গান্ধীৰ এই আগমনে ভক্ত বাহাদুৰ প্ৰধানক ইমানেই অনুপ্ৰাণিত কৰে যে তেওঁ কংগ্ৰেছৰ প্ৰতিনিধি নহ’লেও অনা-প্ৰতিনিধি দৰ্শক হৈ মহাত্মা গান্ধী উপস্থিত থকা ভাৰতীয় জাতীয় কংগ্ৰেছৰ অধিবেশনত যোগদান কৰে। অল্পভাষী গান্ধীজীৰ ভাষণ প্ৰধানৰ বাবে অফুৰন্ত অনুপ্ৰেৰণাৰ উৎস হৈছিল — ডিগবৈস্থিত তেল কোম্পানীৰ মজদুৰসকলৰ ওপৰত হোৱা অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ। এনে অনুপ্ৰেৰণাৰ বহিঃ প্ৰকাশ ঘটে তেতিয়া যেতিয়া ‘সৰ্বহাৰা’ ভক্ত বাহাদুৰ প্ৰধানে ১৯৩৪ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ এগৰাকী সক্ৰিয় সদস্য হৈছিল। তাৰ পাচত নিৰৱচ্ছিন্নভাৱে প্ৰধানে কংগ্ৰেছৰ সাংগঠনিক কাম কাজত জড়িত হৈ পূৰ্ণোদ্যমে ৰাতি ৰাতি বগা বঙালৰ ভেৰোণীয়া পুলিচ-মিলিটেৰীৰ চকুত ধূলি মাৰি সদস্য ভৰ্তিৰ কাম কৰে আৰু দিনত তেল কোম্পানীৰ অধীনত চাকৰি কৰে। ব্ৰিটিছ জেনেৰেল মেনেজাৰজনে ব্যক্তিগতভাৱে প্ৰধানক খুব মৰম কৰিলেও শ্ৰমিক মজদুৰৰ ওপৰত তেওঁ চলোৱা পাশৱিক ব্যৱহাৰ প্ৰধানৰ বাবে অসহনীয় হৈছিল। ফলত ব্ৰিটিছ মালিকৰ প্ৰতিও নিমখহাৰামী হ’বলৈ প্ৰধানে কেতিয়াও কুণ্ঠাবোধ নকৰিছিল কাৰণ দেশ মাতৃ আৰু প্ৰজাৰ মুক্তি বাসনাৰ আগত ব্ৰিটিছ মালিকানা কোনো গুণে ডাঙৰ নাছিল ভক্ত বাহাদুৰ প্ৰধানৰ দৃষ্টিত।

কংগ্ৰেছ নেতা চিত্তৰঞ্জন দাসে ‘শোষণ’ আৰু উৎপীড়ন’ শব্দদ্বয়ৰ লগত যেনেকৈ ভক্ত বাহাদুৰ প্ৰধানক পৰিচয় কৰাই দিয়ে ঠিক তেনেকৈ পৰৱৰ্তী কালত জৱাহৰলাল নেহৰুৱে চিনাকি কৰি দিয়ে ‘ইউনিয়ন’ শব্দৰ সৈতে। উল্লেখ্য যে ১৯৩৭ চনৰ ১৫ ডিচেম্বৰত কংগ্ৰেছৰ অগ্ৰণী নেতা নেহৰুৱে তৈল নগৰী ডিগবৈত পদাৰ্পণ কৰে। ডিগবৈৰ জুবিলি ময়দানত বিৰাট জনসমাবেশক উদ্দেশ্যি দিয়া ভাষণত নেহৰুৱে যুক্তিসহ কয় যে যিসকল শ্ৰমিক-মজদুৰে শৰীৰৰ কেঁচা ঘাম মাটিত পেলাই তেল উদঘাটন আৰু শোধন কৰে তেনে অমূল্য সম্পদৰ মালিকো বগা বঙাল নহয় তেওঁলোক নিজেই হ’ব লাগিব। এই মালিকীস্বত্বৰ সপোনক বাস্তৱ ৰূপ দিবলৈ প্ৰয়োজন হৈছে শ্ৰমিক আৰু মজদুৰৰ মাজত ‘ইউনিয়ন’ খোলা। নেহৰুৰ এই উপদেশ সাৰোগত কৰি ডিব্ৰুগড়ৰ স্বাধীনতা সংগ্ৰামী কংগ্ৰেছ নেতাদ্বয় কেদাৰনাথ গোস্বামী আৰু পৰশুৰাম দত্তই ডিগবৈত শ্ৰমিক মজদুৰসকলক ‘ইউনিয়ন’ কেনেকৈ খুলিব লাগে, ইয়াৰ লক্ষ্য আৰু উদ্দেশ্য কি কি হ’ব ৰাইজক বুজাই দিয়ে। তেখেতসকলৰ দ্বাৰাই অনুপ্ৰাণিত হৈ ডিগবৈৰ বড়াবিল

নামৰ ভিতৰুৱা ঠাইত ১৯৩৮ চনৰ ২২ ডিচেম্বৰত ডিগবৈ তেল কোম্পানী মজদুৰ ইউনিয়ন গঠন কৰা হয় জগন্নাথ উপাধ্যায়, যদুনাথ ভূএগ্রা, সাধু সিং, এম এম চৌধুৰী আৰু বহুতো দেশ প্ৰেমিকক লৈ। ইংৰাজৰ কৰ্মচাৰী হৈয়ো ইংৰাজৰ শোষণ আৰু অত্যাচৰৰ প্ৰতি নিৰ্বিকাৰ হৈ থাকিব নোৱাৰি ভক্ত বাহাদুৰ প্ৰধান আৰু আইমন থাপাও এই ইউনিয়নৰ কাৰ্যনিৰ্বাহক সদস্য হিচাপে অন্তৰ্ভুক্তি হয় ব্ৰিটিছ শাসনৰ অন্ত পেলাবলৈ। ভাৰতীয় ৰাষ্ট্ৰীয় ট্ৰেড ইউনিয়ন কংগ্ৰেছৰ অন্তৰ্ভুক্ত ডিগবৈ তেল কোম্পানী মজদুৰ ইউনিয়নৰ যোগেদিয়েই প্ৰধানে নিৰৱচ্ছিন্নভাৱে ভাৰতৰ স্বাধীনতা সংগ্ৰামত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰি পৰৱৰ্তীকালত নানান বৰ্ণনাতীত ঘাত-প্ৰতিঘাতৰ মাজেৰে জীৱন অতিবাহিত কৰিব লগীয়া হয়।

ডিগবৈ তেল কোম্পানী মজদুৰ ইউনিয়ন ব্ৰিটিছৰ দিনত অসমত গঠন হোৱা প্ৰথম পঞ্জীয়নভুক্ত মজদুৰ ইউনিয়নৰ এগৰাকী সক্ৰিয় সদস্য হোৱাৰ পাছৰে পৰা ভক্ত বাহাদুৰ প্ৰধানে একাগ্ৰতাৰে আনকি পৰিয়ালৰ প্ৰতি পিঠি দিও আৰু নিজৰ বাসভৱনক ইউনিয়নৰ কাৰ্যালয় হিচাপে ব্যৱহাৰ কৰি হ'লেও শ্ৰমিকৰ মুক্তি আৰু দেশৰ স্বাধীনতাৰ হকে কাম কৰি যাবলৈ ধৰিলে। এই ইউনিয়ন গঠনৰ খবৰ বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত ছপা হৈ ওলোৱাৰ লগে লগে ব্ৰিটিছ বিষয়াসকলৰ চকুৰ টোপনি নাইকিয়া হয়। কেনেকৈ ইউনিয়নক ভংগ কৰিব পৰা যায় তাৰ উপায় বিচাৰি ব্ৰিটিছ উপায়ুক্ত, ব্ৰিটিছ পুচি অধীক্ষক, ব্ৰিটিছ পৰিচালকসকলে সামান্য ভুলতো কঠোৰ শাস্তি দিছিল তেল আৰু কয়লাখনিৰ বনুৱাসকলক - যাতে তেওঁলোকক ইউনিয়নৰ পৰা আঁতৰাই ৰাখিব পাৰি। এবাৰ দুগৰাকী কৰ্তব্যপৰায়ণ মজদুৰক বিনা অপৰাধত ব্ৰিটিছ কৰ্তৃপক্ষই কামৰ পৰা বৰ্খাস্ত কৰে। এনে অন্যায়ৰ প্ৰতিবাদ কৰিবলৈ ইউনিয়ন দৃঢ় সংকল্পবদ্ধ হয় আৰু কংগ্ৰেছ নেতা আৰু ইউনিয়নৰ সদস্য সকলক লৈ এক বৈঠক হয় য'ত ভক্ত বাহাদুৰ প্ৰধানে নিজৰ ভাষণত ইংৰাজৰ বিৰুদ্ধে বাঘৰ দৰে গৰজি উঠে। সৰ্বসন্মতিক্ৰমে সভাই অনিৰ্দিষ্ট কালৰ বাবে ধৰ্মঘট কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এইখিনিতে উল্লেখ্য যে ধৰ্মঘট আৰম্ভ হোৱা দিনটোতে ভক্ত বাহাদুৰ প্ৰধানক ফৰমেনলৈ পদোন্নতি দিয়াৰ কথা আছিল। কোনো কুণ্ঠাবোধ নকৰাকৈয়ে প্ৰধানে ব্যক্তিগত স্বাৰ্থক জলাঞ্জলি দি শ্ৰমিকৰ স্বাৰ্থৰ হকে ধৰ্মঘটত যোগদান কৰে আৰু ফলত পদোন্নতি হেৰুৱায়।

ডিগবৈৰ তেল কোম্পানীৰ মজদুৰৰ ধৰ্মঘট আন্দোলনে ভাৰতৰ উদ্যোগ বনুৱাসকলৰ ইতিহাসত এক বিশিষ্ট স্থান দখল কৰিছে। এই ধৰ্মঘটক দমন কৰিবৰ বাবে ইংৰাজ কৰ্তৃপক্ষই শদিয়াৰ পৰা আমদানি কৰা আসাম ৰাইফলছৰ জোৱানসকলে নগৰৰ চাৰিওকাষে এক চক্ৰবেহুৰ সৃষ্টি কৰে। ধৰ্মঘট আন্দোলন ইমানেই প্ৰবল হৈছিল যে প্ৰথমে সেনাৰ জোৱানে ধৰ্মঘটকাৰীসকলৰ ওপৰত লাঠি চালনা আৰু শেষত

গুলী চালনাত প্ৰাণেশ্বৰ চৌধুৰী আৰু সত্যেন চক্ৰৱৰ্তী নামৰ ধৰ্মঘটকাৰীদ্বয়ে জীৱন ত্যাগ কৰিব লগা হয়। এনে অপ্ৰত্যাশিত আৰু অবাঞ্ছিত পৰিণামে আন্দোলনত ব্যাপকতা আৰু তীব্ৰতা আনি দিয়ে। ফলত কাষৰীয়া এলেকা ডিব্ৰুগড়, তিনিচুকীয়া, মাৰ্ঘেৰিটা আদিৰ শ্ৰমিক তথা নেতাসকলেও ধৰ্মঘটত যোগদান কৰিবলৈ আৰম্ভ কৰে। এই নেতাসকলৰ ভিতৰত নেপালী বংশোদ্ভৱ আন এগৰাকী 'শ্ৰমিকপ্ৰাণ' ডিব্ৰুগড়ৰ দলবীৰসিং লোহাৰো অন্যতম আছিল। বিভিন্ন স্থানৰ পৰা অহা ধৰ্মঘটকাৰী আৰু নেতাসকলৰ খোৱা-বোৱা আৰু থকাৰ বাবে ইউনিয়নে ভক্ত বাহাদুৰ প্ৰধানৰ বাসগৃহকে অস্থায়ী কেম্প হিচাপে ব্যৱহাৰ কৰে। এতিয়াও তেখেতৰ ঘৰত পৰি থকা বিভিন্ন পুৰণি ৰন্ধন পাত্ৰবোৰে ইয়াৰেই সাক্ষ্য বহন কৰি আছে। ধৰ্মঘচকাৰীসকলৰ বাসস্থান প্ৰধানৰ বাসগৃহ হোৱা হেতুকে চোৰাংচোৱাৰ দৃষ্টি সদায় তেখেতৰ ঘৰৰ প্ৰতি যাৰ বাবে নিজৰ পত্নীয়ে আত্মসন্মান ৰক্ষাৰ তাগিদাত বহু নিশা নিজৰ সন্তানক বুকুট সাবটি আনৰ ঘৰত ৰাতিটো থাকিব লগীয়া হৈছিল। এই ধৰ্মঘট আন্দোলনৰ পৰাই প্ৰধানে পূৰ্বতকৈ অধিক সক্ৰিয় আৰু প্ৰত্যক্ষভাৱে শ্ৰমিকৰ মুক্তি আৰু দেশৰ স্বাধীনতাৰ হকে যুদ্ধত অৱতীৰ্ণ হৈ অশেষ অভাৱনীয় লাঞ্ছনা আৰু বঞ্চনাৰ বলি হ'ব লগীয়াত পৰে। আনকি ব্ৰিটিছৰ ৰোষত পৰি নিজৰ চাকৰি হেৰুৱাই পৰিয়ালক হাহাকৰ অৱস্থাত পেলায়ো সংগ্ৰামৰ পৰা তেওঁ এক ইঞ্চিও আঁতৰ হৈ থকা নাছিল।

বিপদ অকলে নাহে বুলি অসমীয়া ভাষাত কথা এষাৰ আছে আৰু সেয়ে ঘটিছিল ভক্ত বাহাদুৰ প্ৰধানৰ ক্ষেত্ৰতো। এফালে চাকৰি হেৰুৱাই পৰিয়ালৰ আৰ্থিক দৈন্যতা আৰু আনফালে অপ্ৰত্যাশিতভাৱে ১৯৪০ চনত লখিমপুৰ জিলাৰ তেতিয়াৰ উপায়ুক্তই চিঠি যোগে জনালে যে ভক্ত বাহাদুৰ প্ৰধান ডিগবৈ নগৰ এলেকাৰ ভিতৰত থাকিব নোৱাৰিব। এনে বহিষ্কাৰৰ জাননী তেওঁলৈ এই কাৰণেই জাৰি কৰা হৈছিল যাতে আন মজদুৰসকলক ব্ৰিটিছৰ বিৰুদ্ধে উচটাই ইউনিয়ন শক্তিশালী আৰু ধৰ্মঘট তীব্ৰ কৰি তুলিব নোৱাৰে। বহিষ্কাৰ হুকুম মানি চাকৰিহীন প্ৰধানে ডিব্ৰুগড়ৰ চৌকিদিঙ্গিৰ বকুল গাঁৱত এখন গেলামালৰ দোকান আৰু এখন চেকেণ্ড হেণ্ড কাৰ কিনি ভাৰাত চলাবলৈ আৰম্ভ কৰে যাতে পৰিয়ালৰ খৰচ পাতি যোগাৰ কৰিব পৰা যায়। এনে অৱস্থাতো তেখেতে দিনত ব্যৱসায় আৰু ৰাতি হ'লে মজদুৰ ইউনিয়ন আৰু কংগ্ৰেছৰ আলোচনা, সংগঠন আৰু পুঁজি সংগ্ৰহৰ কামো অব্যাহত ৰাখে। ডিগবৈ আৰু সংৰক্ষিত এলেকা য'ৰ পৰা প্ৰধানক বহিষ্কাৰ কৰা হৈছিল আৰু প্ৰবেশৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰিলেও তেখেতৰ পৰিয়ালবৰ্গই কিন্তু ডিগবৈৰে ষ্টেচন পাড়াতে বাস কৰিছিল আৰু এতিয়াও তেওঁৰ সতি-সন্ততিয়ে ইয়াতেই থাকে। কেৱল ভক্ত বাহাদুৰ প্ৰধানেহে ডিগবৈত প্ৰবেশ কৰিব নোৱাৰে। আনকি নিজৰ পিতৃ জিৎ বাহাদুৰ প্ৰধানদেৱৰ অসুখ হোৱাৰ কাৰণে

'সৰ্বহাৰা' ভক্ত বাহাদুৰ প্ৰধানে ১৯৪০ চনৰ ৩১ জুলাইত ডিগবৈত প্ৰবেশ কৰিবলৈ অনুমতি বিচাৰি আবেদন কৰোতেও ব্ৰিটিছ্ তেল কৰ্তৃপক্ষই পোনচাটেই নাকচ কৰিছিল। ফলত দেউতাকক চিকিৎসা কৰাৰ পৰা প্ৰধানক বঞ্চিত কৰা হয়, কেৱল মজদুৰ ইউনিয়ন আৰু ব্ৰিটিছ্ বিৰোধী আন্দোলনত যোগদান কৰাৰ বাবে। পৰিণতি স্বৰূপে ভক্ত বাহাদুৰ প্ৰধান দৃঢ়সংকল্পবদ্ধ হয় যে যেতিয়ালৈকে বগা বঙাল শোষণকাৰীহঁতক ডিগবৈ, অসম তথা সমগ্ৰ ভাৰতবৰ্ষৰ পৰা খেদি পঠিওৱা নহয় তেতিয়ালৈকে অসমবাসীৰ লগতে ভাৰতবাসীৰো মুক্তিৰ বিকল্প নাই।

সময় বাগৰাৰ লগে লগে ভক্ত বাহাদুৰ প্ৰধানৰ ওপৰত বগা বঙালৰ কোপদৃষ্টিৰ মাত্ৰা আগতকৈ বেছি হ'বলৈ ধৰে। এদিনাখন নিজ গাড়ীৰে কংগ্ৰেছৰ সভাত যোগদান কৰিবলৈ যাওঁতে আদবাটতে পুলিচে গ্ৰেপ্তাৰ কৰি ডিব্ৰুগড়ৰ জেলত বন্দী কৰে। অপৰাধৰ্ ওপৰত বিচাৰ কৰি প্ৰধানক এবছৰৰ বাবে কাৰাবন্দীত ৰখা হয়। জেলত থকা কালছোৱাতে তেখেতে প্ৰিয়নাথ শৰ্মা, হৰনাম সিং পূজাৰী, দলবীৰসিং লোহাৰ আদি স্বাধীনতা সেনানীসকলৰ সান্নিধ্যলৈ আহে আৰু তেখেতসকলৰ লগতে প্ৰধানেও কয়দীসকলক একেবাৰে নিম্ন মানদণ্ডৰ আহাৰ যোগান ধৰাৰ প্ৰতিবাদত জেলৰ ভিতৰতে আমৰণ অনশন ধৰ্মঘট আৰম্ভ কৰে। তেখেতসকলৰ অনশনে অৱশেষত ব্ৰিটিছ্ কৰ্তৃপক্ষক খাদ্যৰ মানদণ্ড উন্নত কৰিবলৈ বাধ্য কৰায়। অলপ দিনৰ পাচতে এই সকলো ৰাজনৈতিক বন্দীক গুৱাহাটী কাৰাগাৰলৈ স্থানান্তৰিত কৰা হয় য'ত তেখেতসকলে অন্যান্য অগ্ৰণী মুক্তি যোদ্ধা যেনে প্ৰফুল্ল গোস্বামী, ফটিক চন্দ্ৰ তালুকদাৰ, চেনিৰাম দত্ত, দেবেন কাকতি, কাশীৰাম ডেকা আদিৰ লগত প্ৰধানৰো আত্মীয়তা গঢ়ি উঠে। এনে আত্মীয়তাই প্ৰধানক অসীম অনুপ্ৰেৰণা যোগায় বগা বঙাল খেদা অভিযানত। সম্পূৰ্ণ এঘাৰ মাহ কাৰাগাৰৰ জীৱনৰ পৰা মুক্তি পাই ডিব্ৰুগড়লৈ ঘূৰি আহি নিজৰ গেলামালৰ দোকান আৰু গাড়ীৰ কৰ পৰিশোধ নকৰাৰ অপৰাধত দোকান আৰু গাড়ীখনো অৰ্থাৎ জীৱিকাৰ শেষ সম্বলকণো হেৰুৱাবলগীয়াত পৰে। সৰ্বহাৰা অৱস্থাত নিজৰ পৰিয়ালবৰ্গক লগ পায়ো প্ৰধান কিন্তু নিজ সংগ্ৰামী পথৰ পৰা কিঞ্চিত পৰিমাণেও বিচলিত হোৱা নাছিল বৰঞ্চ পূৰ্বতকৈও অধিক দৃঢ়প্ৰতিজ্ঞহে হৈছিল।

এবাৰ ৰাজদ্ৰোহী বুলি মাৰ্কা পৰিলে দ্বিতীয়বাৰৰ বাবে এই সংক্ৰান্তত অপৰাধৰ প্ৰমাণৰ প্ৰয়োজনেই বা কি। ঠিক তেনে হৈছিল ভক্ত বাহাদুৰ প্ৰধানৰ বেলিকাও। ১৯৪১ চনৰ ১৮ ডিচেম্বৰৰ দিনা অসম চৰকাৰৰ মুখ্য সচিবৰ পৰা চিঠি আহিল যে ভক্ত বাহাদুৰ প্ৰধানে বাসত্তৰ ঘণ্টাৰ ভিতৰত কেৱল ডিগবৈ কিয় সমগ্ৰ অসম প্ৰদেশ ত্যাগ কৰিব লাগে। অপৰাধ স্বাধীনতা আন্দোলনত সক্ৰিয় ভূমিকা পালন। ফলত বগা বঙালৰ পুলিচে প্ৰধানক লামডিঙলৈকে ৰেল গাড়ীৰে থৈ আহিল। সৰ্বস্ব হেৰুৱাই

অসমৰ পৰা খেদা খাই তেখেত ত্ৰিপুৰাৰ ৰাজধানী আগৰতলা উপস্থিত হয়গৈ য'ত হৰিদাস ভট্টাচাৰ্য নামৰ ব্যক্তি এগৰাকীৰ যোগেদি বুদ্ধজং ৰাণা নামৰ এগৰাকী নেপালী ৰাজ বিষয়াৰ লগত পৰিচয় ঘটে। নিজৰ জাতিভাইক লগ পাই প্ৰধানে সাময়িকভাৱে হ'লেও স্বস্তিৰ নিশ্বাস পেলাই এই আশাত যে অন্ততঃ আশ্ৰয়ৰ থল এটা পোৱা যাব। বিধিয়ে দিলেও বিধানে নিদিয়াৰ দৰে হ'ল ভক্ত বাহাদুৰ প্ৰধানৰ ক্ষেত্ৰত — কিয়নো কথোপকথনৰ পাছত যেতিয়া বুদ্ধজং ৰাণাই গম পালে যে প্ৰধান এগৰাকী বহিষ্কৃত ৰাজদ্ৰোহী তেতিয়া ধমকিৰ সুৰত ক'লে যে ব্ৰিটিছ ৰাজদ্ৰোহীক তেখেতে কোনো পধ্যেই আশ্ৰয় দিব নোৱাৰে। বৰং আগৰতলা ত্যাগ কৰিবলৈহে সাৱধানী বাণী প্ৰধানক জনোৱা হ'ল। জাতিভাই নালাগে স্বাধীনতা সংগ্ৰামীৰ সন্ধানত আগৰতলা ত্যাগ কৰাৰ বাহিৰে প্ৰধানৰ ওচৰত কোনো বিকল্প পথ নাছিল। আনফালে আগতে উল্লেখ কৰা হৈছে যে পৰিয়ালৰ একমাত্ৰ উপাৰ্জনকাৰী ভক্ত বাহাদুৰ প্ৰধান হোৱাৰ হেতুকে তেখেতৰ অনুপস্থিতিত ঘৰত পানীত হাঁহ নচৰা অৱস্থা হৈছিল। উপায়হীন হৈ পিতৃ জিৎ বাহাদুৰ প্ৰধানদেৱে ১৯৪২ চনৰ ৬ আগষ্টত জিলা উপায়ুক্তলৈ পৰিয়াল চলাবলৈ কিছু আৰ্থিক সাহায্য বিচাৰি আবেদন কৰে যদিও তেনে আবেদন ততালিকে অগ্ৰাহ্য কৰা হয়। ইচ্ছা কৰা হ'লে প্ৰধানে ব্ৰিটিছৰ ভক্ত হৈ প্ৰমোচনসহ এক বিলাসী জীৱন-যাপন কৰিব পাৰিলেহেঁতেন, কিন্তু সম্প্ৰদায়ত নেপালী হ'লেও অসমৰে বায়ু, খাদ্য খাই ডাঙৰ-দীঘল হোৱাৰ বাবে মাতৃভূমিৰ প্ৰতি থকা দায়বদ্ধতা পালনত ভক্ত বাহাদুৰ প্ৰধান সংকল্পবদ্ধ আছিল পৰিয়ালৰ বৈষয়িক দিশৰ প্ৰতি পিঠি দি হ'লেও। যেই কি নহওঁক, ব্ৰিটিছে খেদি দিলে বুলিয়েই অনাই-বনাই ঘূৰি ফুৰাতকৈ মৰসাহসেৰে ভেশছন্ন ধৰি হ'লেও সংগ্ৰামী জনতাক সংগঠিত কৰাতো শ্ৰেয় বুলি প্ৰধানে থিৰাং কৰিলে। ভেশছন্ন ৰূপত ভক্ত বাহাদুৰ প্ৰধানে অৱস্থা চাই ব্যৱস্থা লোৱাৰ দৰে ক'ৰবাত প্ৰকৃত পৰিচয়, ক'ৰবাত লুকুৱাই ৰাখি ভাৰতৰ বিভিন্ন ঠাই যেনে কলিকতা, দাৰ্জিলিং, পূৰ্ণিয়া, ভাগলপুৰ, গুৱাহাটী, ৰঙিয়া, তেজপুৰ, চতিয়া, বিশ্বনাথ, লখিমপুৰ আৰু অৱশেষত জন্মস্থান শদিয়া হৈ পুনৰ ডিব্ৰুগড়ত উপস্থিত হয়। এইদৰে ডিব্ৰুগড়ত উপস্থিত হৈ প্ৰধানে দলবীৰসিং লোহাৰ আৰু জীৱন ফুকনদ্বয়ৰ লগ লাগি বিভিন্ন সামাজিক আৰু ৰাজনৈতিক কাম-কাজত নিজকে জড়িত ৰাখিছিল দেশ স্বাধীন নোহোৱা পৰ্যন্ত।

১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতবৰ্ষ স্বাধীন হ'ল আৰু স্বাধীন দেশৰ চৰকাৰে মুক্তি যুঁজাৰুসকলক যথাযথৰূপে সন্মান স্বীকৃতি প্ৰদান কৰিলে। ভক্ত বাহাদুৰ প্ৰধানকো তেখেতৰ অৰিহণাৰ প্ৰতি বিবেচনা কৰি ৰাজনৈতিক পেঞ্চন প্ৰদান কৰা হয়। ১৯৪৫ চনত ডিব্ৰুগড় জিলা ৰাজনৈতিক নিৰ্যাতিত কৰ্মী সন্মিলনে অসহযোগ আন্দোলন, আইন অমান্য আন্দোলন আৰু ভাৰত ত্যাগ আন্দোলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰাৰ

পৰিপ্ৰেক্ষিতত ভক্ত বাহাদুৰ প্ৰধান আৰু পিতৃ জিৎ বাহাদুৰ প্ৰধানদ্বয়ৰ প্ৰতি শলাগৰ শৰাই আগবঢ়োৱা হয়। এই লেখকে এই গৰাকী মহান মুক্তিযোদ্ধা 'সৰ্বহাৰা' প্ৰধানক ১৯৮৫ চনৰ কোনোবা এটা দিনত ডিগবৈ ষ্টেচন পাড়াস্থিত নিজা বাসগৃহত সাক্ষাৎ কৰোতে অসুস্থ অৱস্থাতে তেখেতে ক্ষোভেৰে কৈছিল যে আমাৰ 'থলুৱা' নেপালী সম্প্ৰদায়ে স্বাধীনতা আন্দোলনত যি বৰঙণি আগবঢ়ালে তাৰ কোনো চৰ্চা, মূল্যাংকন আৰু অনুসন্ধান অদ্যাপি হোৱা নাই। এই লেখকে অসমৰ নেপালীসকলৰ ওপৰত এক গৱেষণামূলক প্ৰকল্প সংক্ৰান্তত সমল বিচাৰি তেখেতৰ ওচৰলৈকো যোৱা বুলি জানি তেওঁ সন্তুষ্টি প্ৰকাশ কৰে। যি কি নহওঁক, এইজনা আজীৱন সংগ্ৰামীয়ে বিগত ১৯৯২ চনৰ ৯ মাৰ্চত শেষ নিশ্বাস ত্যাগ কৰে একমাত্ৰ পুত্ৰ প্ৰকাশ নাৰায়ণ প্ৰধান, চাৰি গৰাকী বিবাহিতা দুহিতা সৰস্বতী, চন্দ্ৰকলা, আৰতি, ভাৰতী আৰু কেবাগৰাকী নাতি-নাতিনীয়েকহঁতক এৰি থৈ। এতিয়া কথা হ'ল, যি গৰাকী ব্যক্তিয়ে আজীৱন সীমাহীন ত্যাগেৰে স্বাধীনতা লাভৰ বেলিকা বৰঙণি আগবঢ়াই সৰ্বহাৰা হ'ল তেওঁৰ মৃত্যুৰ পাছত এই লেখকে জনামতে জন্ম বা মৃত্যু তিথিত তেখেতৰ প্ৰতি সমূহীয়া আৰু আনুষ্ঠানিকভাৱে স্মৃতিচাৰণ কৰিবলৈ স্বাধীন দেশৰ নাগৰিকৰ আহৰি নাই। এই ক্ষেত্ৰত অন্ততঃ ডিগবৈৰ নিচিনা ঠাইত বছৰেকত তেওঁলোকে 'সৰ্বহাৰা' ভক্ত বাহাদুৰ প্ৰধানৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰাতো একান্তই কৰণীয়। গম পোৱা গৈছে যে ভানু অধ্যয়ন চক্ৰ, মৰাণহাটে ৯৯ তম জন্মতিথিত (২৮ মাৰ্চ) তেখেতৰ স্মৃতিচাৰণ সভা তেনেই অনুষ্টুপীয়াকৈ হ'লেও অনুষ্ঠিত কৰে। অৱশ্যে ভক্ত বাহাদুৰ প্ৰধান কেৱল 'থলুৱা' নেপালী সম্প্ৰদায়ৰে নহয়; সমগ্ৰ অসম আৰু অসমবাসীৰে সুযোগ্য সন্তান আছিল যাক লৈ আজি আমি সকলোৱে গৌৰৱ কৰিব পাৰোঁ।

দৈনিক জনমভূমি, ২৮-২৯ মাৰ্চ, ১৯৯৯

অদম্য মুক্তিস্পৃহা আৰু অক্লান্ত শ্ৰমৰ প্ৰতীক
শ্ৰমিকপ্ৰাণ দলবীৰসিং লোহাৰ

খদ্দৰ কাপোৰৰ দীঘল চোলা, জৱাহৰ কোট, ধুতি আৰু গান্ধী টুপী পৰিধান কৰি একাগ্ৰতাৰে সমাজ সেৱা কৰি যোৱা অক্লান্ত সংগ্ৰামী আৰু অত্যন্ত সাহসী নেতা আছিল দলবীৰসিং লোহাৰ (১৯১৫-১৯৬৯) যাৰ নাম সম্প্ৰতি বিস্মৃতিৰ গৰ্ভত হেৰাই যাব ধৰিছে বুলি ক'ব পাৰি। সম্প্ৰদায়ত নেপালী হ'লেও কেৱল নেপালীবাসীৰে নহয় বৰং কৃষক, শ্ৰমিক মুঠতে সমগ্ৰ অসমীয়া জাতিৰ সৰ্বাংগীণ উন্নতিত আত্মনিয়োগ কৰা ব্যক্তিজনাৰ আজি জন্ম তথা মৃত্যু তিথিত 'থলুৱা' নেপালী সংগঠনেই হওক বা অন্যান্য কোনো সংগঠনবোৰেই হওক তেওঁৰ প্ৰতি বিশেষভাৱে কোনো স্মৰণ বা শ্ৰদ্ধা নিবেদন কৰা পৰিলক্ষিত হোৱা নাই। এনে পৰিপ্ৰেক্ষিতত‌ে এই চমু লেখাটিৰে পুণ্য জন্ম তিথিৰ লগত সামঞ্জস্য ৰাখি তেখেতলৈ শ্ৰদ্ধা নিবেদন কৰিছো।

ডিব্ৰুগড়। উজনি অসমৰ এক পুৰণি ব্যস্ত বাণিজ্যিক নগৰ। এই নগৰৰে খলিহামাৰী এলেকাত ১৯১৫ চনৰ ২৬ জানুৱাৰীত অসমৰ এগৰাকী সুযোগ্য সন্তান দলবীৰসিং লোহাৰৰ জন্ম হৈছিল। দেউতাকৰ নাম অনন্তৰাম লোহাৰ। চাৰিজন ভাই-ককাই আৰু এজনী বায়েকৰ মাজত দলবীৰসিং অনন্তৰামৰ কনিষ্ঠ পুত্ৰ আছিল। ১৯৪৭ চনত নৰমায়া লোহাৰৰ লগত তেখেত বিবাহপাশত আবদ্ধ হয়। মুঠ তিনিগৰাকী পুত্ৰ আৰু এগৰাকী কন্যাৰে দলবীৰসিঙৰ পৰিয়ালটি।

স্থানীয় জৰ্জ হাইস্কুলতে দলবীৰসিঙে শিক্ষা জীৱনৰ পাতনি মেলি মেট্ৰিকৰ ডেওনা পায় মানে দেশৰ সমসাময়িক পৰিস্থিতিয়ে তেখেতক শিক্ষা জীৱনৰ যৱনিকা পেলাবলৈ বাধ্য কৰিলে। পঢ়া-শুনা, খেল-ধেমালি, নাচ-গান আদিত বিশেষ প্ৰতিভা থকা স্বত্ত্বেও সকলো জলাঞ্জলি দি লোহাৰে ভাৰতীয় জাতীয় কংগ্ৰেছৰ নেতৃত্বত চলা স্বাধীনতা আন্দোলনত জঁপিয়াই পৰে। অৰ্থাৎ নাবালক অৱস্থাৰ পৰাই মুক্তি সংগ্ৰামৰ প্ৰতি আকৰ্ষিত হৈছিল লোহাৰ। ফলস্বৰূপে ১৯২১ চনত মহাত্মা গান্ধী ডিব্ৰুগড়লৈ আহোতে স্থানীয় গান্ধী ময়দানত বিদেশী বস্ত্ৰ দাহ কাৰ্যত গোট খোৱা অগণন লোকৰ একেবাৰে আগত সাত বছৰীয়া দলবীৰসিং লোহাৰে হাতত কংগ্ৰেছৰ পতাকা লৈ আগবাঢ়ি যোৱা দৃশ্যই সকলোকে চমক খুৱাইছিল। এই সমদলত আনকি ৰাষ্ট্ৰীয় নেতা

মৌলানা মহম্মদ আলী, চৌকত আলী আৰু তৰুণৰাম ফুকনো উপস্থিত আছিল। এইদৰে এটা দশকৰ ডেওনা পাৰ নোহোৱা এইজন নেপালী ল'ৰাৰ অদম্য সাহস, অসীম উদ্যম আৰু বিপুল দেশপ্ৰেম সঁচাকৈয়ে এজন খাটি অসমীয়াতকৈ কোনো গুণে কম নহয়। সেয়েহে পৰৱৰ্তী কালত অধিক সক্ৰিয়তাৰে লোহাৰে মুক্তি সংগ্ৰামত অংশগ্ৰহণ কৰিব পাৰিছিল।

১৯২৯ চনতেই দলবীৰসিং লোহাৰ জাতীয় কংগ্ৰেছৰ স্বেচ্ছাসেৱক দলৰ এগৰাকী সদস্য হয় আৰু কানিংহাম চাৰ্কুলাৰৰ তীব্ৰ বিৰোধিতা কৰে। ফলস্বৰূপে ১৯৩০ চনত তেখেতে তিনিমাহ কাল জেলৰ ভাত খাবলগীয়া হৈছিল। জেলৰ পৰা ওলাই আহি তেখেতে জাতীয় কংগ্ৰেছৰ সকলো কাৰ্যসূচীতে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ ধৰে। আনকি ব্যক্তিগতভাৱেও সত্যাগ্ৰহ কৰি ১৯৪১ চনত এবছৰৰ বাবে কাৰাবৰণ খাটিব লগীয়া হয়। দ্বিতীয় বিশ্বযুদ্ধত ব্ৰিটিছসকলক সহায়ৰ হাত আগ নবঢ়োৱাৰ অপৰাধত কংগ্ৰেছৰ নেতাসকলক গ্ৰেপ্তাৰ কৰি জেলত ৰখা হৈছিল। এই সময়ছোৱাত যাতে কোনেও স্বাধীনতা আন্দোলনৰ কাৰ্যসূচী অব্যাহত ৰাখিব নোৱাৰে তাৰ বাবে ব্ৰিটিছ চৰকাৰে ডিব্ৰুগড়, তিনিচুকীয়া আৰু ডিগবৈত ১৪৪ ধাৰা জাৰি কৰে। কিন্তু দলবীৰ সিঙে এনে ধাৰা প্ৰৱৰ্তনৰ বিৰোধিতা কৰি মুক্তি সংগ্ৰামত লাগি থকাত তেখেতক ব্ৰিটিছ কৰ্তৃপক্ষই অসমৰ পৰা বহিষ্কাৰ কৰে। অৱশ্যে কেৱল গোৱালপাৰা জিলাৰ ভিতৰতে নিজকে আৱদ্ধ কৰি ৰাখিবলৈ হুকুম জাৰি কৰে। কিন্তু স্বাধীনতাৰ স্পৃহাই লোহাৰক ইমানেই উত্তেজিত কৰি তুলিছিল যে চৰকাৰী বাধা-বিঘিনিক আওকাণ কৰিও কংগ্ৰেছৰ সেৱাদল গঠন কৰা চৰকাৰৰ বিৰোধী কামত গোৱালপাৰাতো লিপ্ত থকাৰ অপৰাধত পুনৰ তেখেঁত দুবছৰৰ বাবে জেললৈ যাবলগীয়াত পৰে।

১৯৪২ চনত ভাৰতীয় জাতীয় কংগ্ৰেছে ঐতিহাসিক ভাৰত ত্যাগ প্ৰস্তাৱ গ্ৰহণ কৰি ইংৰাজক চূড়ান্ত প্ৰত্যাহ্বান জনাইছিল। সকলো জনগণৰ লগতে দলবীৰসিং লোহাৰেও আন্দোলনৰ এই কাৰ্যসূচীত দেহে-কেহে লাগিছিল। পুলিচে তেখেতক গ্ৰেপ্তাৰ কৰিবলৈ বিচাৰি ফুৰোতে লোহাৰে ছদ্মবেশ ধৰি দেশৰ চুকে-কোণে ঘূৰি ফুৰি দহজনক মুক্তি সংগ্ৰামৰ প্ৰতি আকৰ্ষিত কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। এইদৰে লোহাৰে নিজকে এগৰাকী নিৰ্ভীক, নিৰ্ভেজাল আৰু প্ৰকৃত দেশপ্ৰেমিকৰ পৰিচয় দিবলৈ সমৰ্থ হৈছিল। ভাৰত মাতৃক স্বাধীন কৰাৰ ক্ষেত্ৰত লোহাৰৰ অৰিহণা কোনোপ্ৰকাৰে পাহৰি যোৱা বিধৰ নহয়। সেয়েহে তেখেতৰ জন্ম তিথিত তেখেতক স্মৰণ কৰাতো সকলো অসমপ্ৰেমীৰে কৰ্তব্য, কিয়নো তেখেত কেৱল নেপালী সম্প্ৰদায়ৰে নহয় বৰং সমগ্ৰ অসমীয়া জাতিৰে সুযোগ্য সন্তান আছিল। প্ৰকৃতাৰ্থত লোহাৰক মুক্তি যুঁজাৰু ছবিলাল উপাধ্যায়, ভক্ত বাহাদুৰ প্ৰধান আদিৰ নিচিনা নেতৃবৃন্দৰ শাৰীত থ'ব পাৰি।

সি যি কি নহওক, মুক্তি যুঁজাৰুৰ উপৰিও দলবীৰসিং এজন সুসংগঠক আৰু বলিষ্ঠ শ্ৰমিক নেতা আছিল। ডিগবৈ তেল কোম্পানীত কাম কৰা শ্ৰমিকসকলৰ দুৰ্দশা দেখি-শুনি শ্ৰমিক সংগঠন কৰাৰ কামত নিজকে আত্মনিয়োগ কৰে যাতে ইংৰাজৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি শ্ৰমিকসকলৰ দুৰ্দশা লাঘৱ কৰিব পৰা যায়। এনে সময়তে পণ্ডিত জৱাহৰলাল নেহৰুৰ ডিগবৈ নগৰ পদাৰ্পণে ডিগবৈ শ্ৰমিক ইউনিয়ন গঠনত যথেষ্ট উৎসাহ যোগায়। এই ইউনিয়নৰ বেনাৰতে ডিগবৈ তেল শোধনাগাৰত অনিৰ্দিষ্ট কালৰ বাবে ধৰ্মঘট পালন কৰা হয়। এই ধৰ্মঘট পালনৰ কালছোৱাত লোহাৰৰ তেজস্বী ভাষণ শুনি ৰাষ্ট্ৰীয় পৰ্যায়ৰ নেতাসকলেও তবধ মানি ক'বলৈ বাধ্য হৈছিল যে— 'দলবীৰসিঙৰ দৰে দহজন কৰ্মী পালে আন্দোলন সফল হ'বই'। এনেবোৰ গুণৰ অধিকাৰী হোৱাৰ বাবেই দলবীৰসিং লোহাৰ পৰৱৰ্তীকালত ভাৰতীয় ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছৰ অসম শাখাৰ আন্দোলনৰ এগৰাকী আগশাৰীৰ নেতা হ'বলৈ সক্ষম হয়।

এইখিনিতে উল্লেখযোগ্য যে ১৯৫৯ চনত ভাৰতীয় ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছৰ দশম বাৰ্ষিক অধিৱেশন ডিব্ৰুগড়ৰ জীৱন ফুকন নগৰত (সম্প্ৰতি এই এলেকাতে অসম চাহ মজদুৰ সংঘৰ মুখ্য কাৰ্যালয় অৱস্থিত) অনুষ্ঠিত হয়। এই অধিৱেশন সফল কৰাৰ ক্ষেত্ৰত অভ্যৰ্থনা সমিতিৰ সম্পাদক মহেন্দ্ৰনাথ শৰ্মাৰ লগতে দলবীৰসিং লোহাৰৰ বৰঙণি কোনো গুণে কম নাছিল। একেৰাহে তিনিমাহ কাল শৰ্মাৰ লগতে দিনে-নিশাই খাটি সৰ্বভাৰতীয় ক্ষেত্ৰত সুনাম অৰ্জনেৰে অধিৱেশন সফল কৰাতেই তেখেতৰ সাংগঠনিক কাৰ্যদক্ষতাৰ পৰিচয় পোৱা যায়।

তদুপৰি অসমৰ চাহ বাগিচা শ্ৰমিকৰ সেৱাৰ্থে লোহাৰে কিছু অভিনৱ কাম কৰি থৈ গৈছে। ইয়াত তাৰে কেইটামান উদাহৰণ দিব বিচাৰিছো। চৰকাৰ, ভাৰতীয় চাহ সন্থা (অসম শাখা), ভাৰতীয় চাহ পৰিষদ, অসম চাহ মজদুৰ সংঘ, অসম চাহ খেতিয়ক সন্থা আদিৰ যৌথ উদ্যোগত ১৯৬৫ চনৰ নৱেম্বৰ মাহত ডিব্ৰুগড় জিলাৰ টিংৰাইত অসম চাহ বাগিচা অসামৰিক প্ৰতিৰক্ষা সেৱাদল প্ৰশিক্ষণ শিবিৰ খোলা হৈছিল। উল্লেখ্য যে দলবীৰসিং লোহাৰক উক্ত সেৱাদল প্ৰশিক্ষণৰ জিলা অধিপতিৰ নিচিনা গুৰু দায়িত্ব অৰ্পণ কৰা হৈছিল, যি গুৰু দায়িত্ব তেওঁ নিয়াৰিকৈ পালন কৰিবলৈ যথেষ্ট কষ্ট আৰু ত্যাগ স্বীকাৰ কৰিব লগীয়া হয়। ঠিক একেদৰে চাহ মজদুৰ মহিলাসকলৰ আৰ্থিক উন্নতিকল্পে ১৯৫৬ চনতেই লোহাৰৰ উদ্যোগতেই **'ডিব্ৰুগড় চাহ মজদুৰ কল্যাণ সমাজ'** প্ৰতিষ্ঠা কৰা হয় আৰু মৃত্যুৰ সময়লৈকে তেওঁ এই অনুষ্ঠানটিৰ সভাপতিৰ আসনত অধিষ্ঠিত হৈ থাকে। চাহ মজদুৰসকলৰ বাৰেবৰণীয়া সংস্কৃতিৰ বিকাশৰ কাৰণে তেখেতৰ উদ্যোগতে 'কৃষ্টি শাখা' নামেৰে চাহ মজদুৰ সংঘৰ এটি শাখা মুকলি কৰে আৰু এই শাখাৰ যোগেদিয়েই পৰৱৰ্তী কালত চাহ শ্ৰমিকৰ জীৱন ধাৰাৰ ওপৰত পূৰ্ণ দৈৰ্ঘ্যৰ

কথাছবি 'কৈঁচাসোণ' প্ৰয়োজিত কৰা হৈছিল। এইদৰে চাহ বনুৱা সকলৰ প্ৰতিৰক্ষা, আৰ্থিক আৰু সাংস্কৃতিক বিকাশৰ বাবে লোহাৰে আজীৱন সংগ্ৰাম কৰি থৈ গৈছে। সেয়েহে তেওঁ জনমানসত 'শ্ৰমিকপ্ৰাণ' বুলি পৰিচিত।

জাতীয় সংকটৰ সময়তো দলবীৰসিং লোহাৰে সাংগঠনিক কামৰ যোগেদি দেশৰ প্ৰতিৰক্ষা, ঐক্য আৰু অখণ্ডতা বজাই ৰখাৰ ক্ষেত্ৰত অগ্ৰেপুৰুষাৰ্থ কৰিছিল। উদাহৰণস্বৰূপে, ১৯৬২ চনত চীনদেশে ভাৰত আক্ৰমণ কৰি অৰুণাচল পৰ্যন্ত আগবাঢ়ি অহাৰ সময়ত তদানীন্তন প্ৰধান মন্ত্ৰী জৱাহৰলাল নেহৰুৱে এক প্ৰকাৰে অসমক বিদায়েই দিছিল। তেনে জাতীয় সন্ধিক্ষণত দলবীৰসিং লোহাৰে মৰসাহসেৰে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ চাহ বাগিচাবোৰৰ শ্ৰমিক কৰ্মচাৰীসকলক নিজ স্থান এৰি পলাবলৈ মানা কৰিছিল আৰু নিজৰ মনোবল অটুট ৰাখিবলৈ পৰামৰ্শ দিছিল। অৰ্থাৎ চীনা সৈন্যবিলাকে আক্ৰমণ কৰিলেও দেশ মাতৃৰ ৰক্ষাৰ্থে যুঁজিবলৈকো সাজু হ'বলৈ তেখেতে আহ্বান জনাইছিল। এইদৰে সকলো সময়তে অতিকৈ পিছপৰা চাহ মজদুৰ ভাইসকলৰ তথা সমগ্ৰ অসমৰ বাবে আজীৱন সংগ্ৰাম কৰি যোৱা স্বীকৃতি হিচাপে বিষ্ণুলাল উপাধ্যায়ৰ দ্বাৰা সংকলিত 'স্বাধীনতা সংগ্ৰামী শ্ৰমিক নেতা দলবীৰসিং লোহাৰ' শীৰ্ষক পুস্তিকাখনি শেহতীয়াকৈ অসম চাহ মজদুৰ সংঘই ১৯৯৩ চনত প্ৰকাশ কৰি তেখেতৰ প্ৰতি শ্ৰদ্ধাঞ্জলি প্ৰদান কৰা দেখা যায়।

এগৰাকী সফল সংগঠকৰ উপৰিও দলবীৰসিং লোহাৰ এজন সুদক্ষ ৰাজনীতিবিদো আছিল। ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছ (অসম শাখা) আৰু অসম চাহ মজদুৰ সংঘৰ সভাপতিৰ আসন অলংকৃত কৰা আগশাৰীৰ নেতা হোৱা হেতুকে ১৯৪৬ চনত অনুষ্ঠিত অসম বিধানসভা নিৰ্বাচনত লোহাৰক মজদুৰ প্ৰতিনিধি হিচাপে কংগ্ৰেছৰ প্ৰাৰ্থিত্ব দিয়া হয় তিনিচুকীয়া সমষ্টিৰ পৰা। নিৰ্বাচনত তেখেত বিজয়ী হয়। ১৯৫২ চনতো কংগ্ৰেছৰ প্ৰাৰ্থীৰূপে ছৈখোৱা সমষ্টিৰ পৰা বিধানসভালৈ নিৰ্বাচিত হয়। বিধানসভাৰ মজিয়াত লোহাৰে নিজৰ প্ৰতিভা আৰু বিচক্ষণতাৰ পৰিচয় দিবলৈ সমৰ্থ হৈছিল বুলি বহুকেইজন সতীৰ্থই স্বীকাৰ কৰি থৈ গৈছে। বিধায়কসকল যে ৰাইজৰ দুখ-দুৰ্দশা মোচনৰ বাবে বিধাসভালৈ নিৰ্বাচিত হৈ আহিছে তাক তেখেতে মৰ্মে মৰ্মে উপলব্ধি কৰিছিল। এই কথা তেখেতৰ নিম্নলিখিত বক্তব্যৰ পৰা স্পষ্ট হয়। তেখেতে কৈছিল — "আমি যদি প্ৰকৃততে ৰাইজৰ দুখ মোচনৰ বাবে ইয়ালৈ আহিছো তেন্তে শুদ্ধচিত্তে আৰু খোলা অন্তৰেৰে কাম কৰিব লাগিব। ৰাজনৈতিক দলাদলিৰ জোখ-মাপ দূৰৈত ৰাখি ৰাইজৰ কল্যাণৰ বাবে কাম কৰিব লাগিব আৰু একেলগে মিলিজুলি কাম কৰি যাওঁতে যদি ৰাইজৰ দুখ, অভাৱ-অভিযোগ দূৰ কৰিব নোৱাৰো তেন্তে আমাৰ এই আসনবিলাক খালী কৰি দি আন উপযুক্ত লোকক দেশ সেৱাৰ বাবে সুবিধা কৰি দিয়া উচিত হ'ব" (বিষ্ণুলাল উপাধ্যায়, স্বাধীনতা

সংগ্ৰামী শ্ৰমিক নেতা দলবীৰসিং লোহাৰ, অসম চাহ মজদুৰ সংঘ, ডিব্ৰুগড়, ১৯৯৩ পৃঃ গ)। এনে নিৰ্ভীক আৰু উদাৰ মন্তব্যই স্পষ্টভাবে প্ৰমাণ কৰে যে লোহাৰৰ ৰাইজৰ প্ৰতি থকা দায়বদ্ধতা কিমান আৰু ইয়াক কেনেদৰে হৃদয়ঙ্গম কৰিব পাৰিছিল। দুবাৰকৈ এম এল এ হৈয়ো তেখেতৰ পৰিয়ালত সা-সম্পত্তিৰ পয়োভৰ দেখা নোপোৱাটোও এনে দৰ্শনৰো বহিঃপ্ৰকাশ বুলি ক'ব পাৰি।

সমগ্ৰ অসম তথা অসমীয়াৰ সৰ্বাঙ্গীণ উন্নতিৰ হকে নিজকে উৎসৰ্গিত কৰা লোহাৰে নিজৰ নেপালী সম্প্ৰদায়ৰ কথাও সমান্তৰালভাবে চিন্তা কৰিছিল। অসমৰ নেপালী সম্প্ৰদায়ৰ ভিতৰত দলবীৰসিং লোহাৰেই প্ৰথম ব্যক্তি যি দুবাৰকৈ ক্ৰমে ১৯৪৬ আৰু ১৯৫২ চনত অসম বিধানসভালৈ নিৰ্বাচিত হৈছিল। অসম বিধান সভাৰ প্ৰস্তাবিত পাকিস্তান গঠন আৰু অসমক ইয়াৰ সৈতে চামিল কৰিবলৈ মুছলিম লীগে কৰা ষড়যন্ত্ৰৰ বেলিকা অসমৰ নেপালী (গোৰ্খা) লোকৰ প্ৰতিক্ৰিয়াক প্ৰতিফলিত কৰি দলবীৰসিং লোহাৰে উদাত্ত কণ্ঠেৰে কৈছিল যে — "মই জানো অসমৰ শান্তি আৰু শৃংখলা ৰক্ষাত গুৰ্খালিসকলে অসমৰ আন সকলো ৰাইজৰ লগত সদায় সহযোগিতা কৰিব। মুছলিম লীগৰ পাকিস্তানৰ ষড়যন্ত্ৰৰ বিৰুদ্ধে অসমৰ গুৰ্খালিয়ে সৰ্বস্ব পণ কৰিছে। পাকিস্তানৰ পৰিকল্পনা হিন্দু, মুছলমান, খৃষ্টিয়ান সকলো ধৰ্ম আৰু সম্প্ৰদায়ৰ সৰ্বসাধাৰণ ৰাইজৰ প্ৰকৃত স্বাৰ্থৰ বিৰোধী। অসমত পাকিস্তানৰ কথা তুলি মুছলিম লীগে অসমীয়া মুছলমান সকলৰ সৰ্বনাশহে চিন্তিছে। আশাকৰো সাম্প্ৰদায়িক উত্তেজনাত বাহিৰৰ মুছলিম লীগৰ নেতাসকলৰ প্ৰৰোচনাত অসমৰ মুছলমান সকলে নিজৰ স্বাৰ্থ নাশ নকৰিব। মুছলিম লীগৰ নিজৰ যুক্তি অনুযায়ীও অসমৰ ওপৰত পাকিস্তানৰ দাবী নাখাটে। সমষ্টি গঠন আঁচনিত পাকিস্তানৰ লগৰীয়া, আমি ইয়াৰ বিৰোধী। অসমৰ হিন্দু, মুছলমান, ট্ৰাইবেল, খৃষ্টিয়ান সকলোৰে লীগৰ পাকিস্তানৰ বিৰোধিতা কৰিছে। গুৰ্খালি সকলৰ ফালৰ পৰা মই ক'ব পাৰো যে অসমক পাকিস্তানৰ যিকোনো আঁচনিৰ গৰাহৰ পৰা ৰক্ষা কৰিবলৈ এজনো গুৰ্খালিৰ দেহত এটোপাও তেজ থকালৈকে যুঁজ কৰিব। কাৰণ ই বীৰৰ ধৰ্ম, জাতীয় জীৱনৰ অপৰিহাৰ্য কৰ্ত" (দ্ৰষ্টব্য ঃ Debate of the Assam Legislative Assembly, March Session, Volume I No.3 March 15, 1947 page 246)। তেখেতে সমগ্ৰ অসমীয়া জাতিৰ বিকাশৰ উপৰিও অত্যন্ত পিছপৰা নেপালী সম্প্ৰদায়ক 'সংখ্যালঘু সম্প্ৰদায়' (Minority Community) বুলি স্বীকৃতি দিবলৈ বিধান সভাত প্ৰস্তাৱ ৰাখি কৈছিল যে In view of appalling illiteracy and poverty of the bulk of the people of Gurkha Community in Assam, this Assembly is of the opinion that the Government does move to the

Government of India if necessary to recognize the said community as a backward (Proceedings of the Assam Legislative Assembly Debate, Volume I, No. 5, April 3, 1951, p.1220)। যাতে বিশেষ ধৰণৰ সা-সুবিধাৰ যোগেদি নিজৰ সম্প্ৰদায়ে অৰ্থনৈতিকভাৱে আগবাঢ়ি যাব পাৰে। তদুপৰি বিধানসভাত তেখেতে এই কথাও উত্থাপন কৰিছিল যে কোনো নেপালী সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীক সম্প্ৰদায় ভিত্তিত প্ৰাপ্য বৃত্তিৰ পৰা বঞ্চিত কৰা নহয়। লোহাৰে ৰাজ্যৰ শক্তিশালী নেপালী সংগঠন অসম গোৰ্খা সন্মিলন ৰ লগত নিজকে ওতঃপ্ৰোতভাৱে জড়িত ৰাখিছিল। ১৯৫৪ চনত গুৱাহাটীত অনুষ্ঠিত হোৱা ষষ্ঠ বাৰ্ষিক অধিৱেশনত দলবীৰসিং লোহাৰক এই গোৰ্খা সন্মিলনৰ উপদেষ্টা হিচাপে নিৰ্বাচিত কৰা হৈছিল। পৰৱৰ্তীকালত ১৯৬৮ চনত লখিমপুৰ জিলাৰ ৰামপুৰত অনুষ্ঠিত হোৱা অসম গোৰ্খা সন্মিলনৰ ত্ৰয়োদশ অধিৱেশনত লোহাৰ সভাপতিৰূপে নিৰ্বাচিত হৈছিল। নেপালী সমাজৰ সৰ্বাংগীণ বিকাশৰ বাবে প্ৰচেষ্টা চলোৱা 'শ্ৰমিকপ্ৰাণ' লোহাৰে অসম গোৰ্খা সন্মিলন মঞ্চৰ পৰাই নিজৰ সম্প্ৰদায়ৰ মাজত প্ৰচলিত তথাকথিত বৰ্ণবৈষম্য আৰু অস্পৃশ্যতাৰ বিৰুদ্ধে গৰজি উঠিছিল আৰু এনে বিভেদ আঁতৰ নহ'লে নেপালী সম্প্ৰদায়ৰ উন্নতি নহ'ব বুলি দৃঢ়ভাৱে মতপোষণ কৰিছিল। সেয়েহে এনে বৰ্ণবৈষম্য আৰু অস্পৃশ্যতা দূৰীকৰণৰ বাবে সকলো নেপালী উপ-সম্প্ৰদায়সমূহক উদাত্ত কণ্ঠেৰে আহ্বান জনাইছিল। ইয়াৰ উপৰিও লোহাৰে অসংখ্য চৰকাৰী তথা অনা-চৰকাৰী সংগঠনৰ দায়িত্বত কাৰ্যনিৰ্বাহ কৰিছিল, যিবিলাকৰ উদাহৰণ দি লেখাটি দীঘলীয়া কৰাৰ ইচ্ছা নাই। যি কি নহওক, অসমৰ প্ৰথম নেপালী এম এল এ, নেপালী সম্প্ৰদায়ক সংখ্যালঘু সম্প্ৰদায় বুলি স্বীকৃতি দিবলৈ দাবী কৰা প্ৰথম নেপালী নেতা, চাহ মজদুৰসকলৰ উন্নতিৰ বাবে জীৱন উচৰ্গা কৰা নেতাসকলৰ অন্যতম তেখেতৰ সভাপতিত্বৰ কালছোৱাতে নেপালী সম্প্ৰদায়ৰ কিছু কিছু উপ-সম্প্ৰদায়ক অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি বুলি স্বীকৃতি দিবলৈ দাবী কৰা আৰু শেষত অসম আৰু অসমীয়া জাতিৰ বিকাশৰ বাবে আজীৱন সংগ্ৰাম কৰি যোৱা 'শ্ৰমিকপ্ৰাণ' দলবীৰসিং লোহাৰক জন্ম তথা মৃত্যু তিথিত স্মৰণ আৰু শ্ৰদ্ধা জনাবলৈ কোনো সংগঠনৰেই - নেপালীয়েই হওক বা অন্যান্য সংগঠনেই হওক কোনেও আগবাঢ়ি অহা দেখা নাযায়। এনে কাৰণতে কেতিয়াবা ভাব হয় যে তেখেত তথাকথিত নেপালী নিম্ন সম্প্ৰদায়ৰ লোক হোৱাৰ বাবে এনে কৰা নাইতো?

আমাৰ অসম, ২৬ জানুৱাৰী, ১৯৯৯

জনসেৱক প্ৰসাদসিং চুব্বা

"ডম্বৰসিং বাবু তেজপুৰলৈ অহাৰ পিছৰ পৰা তেওঁৰ আদৰ্শৰ দ্বাৰা প্ৰভাৱান্বিত হৈছো। গোৰ্খা লীগে মোৰ মনত সামাজিক চেতনাৰ উদ্ৰেক ঘটাইছে। বেনাৰসত অধ্যয়ন কৰা বাল্যকালৰ বন্ধুসকলৰ পৰা জানিব পাৰি তেজপুৰতো ছাত্ৰাবাসৰ আৱশ্যকতাৰ বিষয়ে অনুভৱ কৰিছো। গ্ৰেজিয়াৰসকলৰ দুৰৱস্থা প্ৰত্যক্ষ কৰি তেওঁলোকৰ গাইগৰুবোৰৰ সংৰক্ষণাৰ্থে গ্ৰেজিয়াৰ্ছ সমিতি গঠন কৰিছো ...... মোৰ হাত-ভৰি চলাচল কৰি থকা পৰ্যন্ত আপোনালোকৰ সেৱা কৰি যাম। কল্পনা কৰা বহুতো কাম কৰিবলৈ এতিয়াও বাকী আছে। প্ৰতিজন উদীয়মান যুৱকে সমাজৰ বাবে সেৱা কৰাৰ হেতু চিন্তা কৰিবলৈ আহ্বান কৰিছো, নিজৰ লগতে সমাজৰ বিকাশৰ বাবে চিন্তা কৰক। সমাজ নাথাকিলে ব্যক্তি জীয়াই থাকিব নোৱাৰে" — ১৯৮২ চনত প্ৰয়াত ভৱানী প্ৰসাদ উপাধ্যায়ৰ নেতৃত্বত গঠিত সম্বৰ্ধনা সমিতি, তেজপুৰে অনুষ্ঠিত কৰা সভাত প্ৰদান কৰা নিজৰ ভাষণত থলুৱা নেপালী জনগোষ্ঠীৰ অগ্ৰণী জনসেৱক প্ৰসাদসিং চুব্বাই (১৯০৮-১৯৮৬) সমাজৰ প্ৰতি থকা দায়বদ্ধতাৰ বিষয়ে এইদৰে দোহাৰে। ১৯০৮ চনত অবিভক্ত দৰং জিলাৰ অন্তৰ্গত তেলেনী গাঁৱত প্ৰসাদসিং চুব্বাই জন্মগ্ৰহণ কৰে। দেউতাকৰ নাম মান বাহাদুৰ চুব্বা আৰু মাকৰ নাম ধনৰাণী দেৱী। বাৰ বছৰ বয়সত দেউতাক আৰু তাৰ পূৰ্বেই একমাত্ৰ ককায়েকৰ মৃত্যু হোৱাত প্ৰসাদসিং চুব্বাই পৰিয়ালৰ সমস্ত দায়িত্বভাৰ গ্ৰহণ কৰিবলৈ বাধ্য হৈ পৰে। সেয়েহে বাৰ বছৰ বয়সৰ ল'ৰা চুব্বাই মজলীয়া বিদ্যালয়ত অধ্যয়ন কৰি থকা অৱস্থাতে শিক্ষা গ্ৰহণ সমাপ্ত কৰিবলগীয়াত পৰে। কাৰণ বাকী থকা চাৰিগৰাকী বাই-ভনী আৰু মাতৃদেৱীৰ সৈতে থকা পৰিয়ালৰ সমস্ত দায়িত্ব তেওঁ মূৰপাতি ল'ব লগাত পৰে। অল্পশিক্ষিত হ'লেও প্ৰসাদ বাবুৱে এটা কথা ভালকৈ উপলব্ধি কৰিব পাৰিছিল যে সংস্থাৰ অবিহনে কোনো এটা জাতিৰ সুৰক্ষা নিশ্চিত নহয়। তেনে উপলব্ধিৰে প্ৰতিফলন ঘটে ১৯৪৩ চনত তেতিয়া বাবু ডম্বৰসিং গুৰুঙৰ নেতৃত্বত দাৰ্জিলিঙত গঠিত অখিল ভাৰতীয় গোৰ্খা লীগৰ শাখা তেজপুৰত গঠন কৰা হৈছিল, যাৰ সভাপতিৰ গুৰু দায়িত্ব প্ৰসাদ বাবুৱে কান্ধ পাতি ল'ব লগা হৈছিল। পৰৱৰ্তী কালত অসম প্ৰাদেশিক গোৰ্খা লীগৰো উপ-সভাপতিৰ পদ তেওঁ অলংকৃত কৰে। গোৰ্খা লীগৰ সাংগঠনিক ভিত্তি সম্প্ৰসাৰণ কৰি প্ৰত্যেকজন 'থলুৱা'

নেপালীলোকক সচেতন কৰাৰ লক্ষ্যৰে প্ৰসাদ বাবুৱে কেৱল অসমেই নহয় সম্প্ৰতি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল ভ্ৰমণ কৰিবলগীয়া হৈছিল। এই সন্দৰ্ভত উল্লেখ্য যে ১৯৪৬ চনত নেপাল চৰকাৰৰ নিমন্ত্ৰণক্ৰমে বাবু ডম্বৰসিং গুৰুঙৰ নেতৃত্বত নেপাললৈ যোৱা সঁজাতী দলত অসমৰ তিনিগৰাকী সদস্যৰ ভিতৰত প্ৰসাদ বাবু অন্যতম আছিল। উল্লেখ্য যে চতিয়াৰ গড়পালত ১৯৬৬ চনত অনুষ্ঠিত অসম প্ৰাদেশিক গোৰ্খা লীগৰ দ্বাদশ অধিৱেশনতেই এই সংগঠনক **অসম গোৰ্খা সন্মিলন** নামেৰে পুনৰ নামাংকিত কৰা হয়। প্ৰসাদ বাবু এই অধিৱেশনতেই ইয়াৰ উপ-সভাপতি ৰূপে নিৰ্বাচিত হয়। মুঠতে, থলুৱা নেপালী জনগোষ্ঠীক সচেতন আৰু সংগঠন কৰাৰ বেলিকা প্ৰসাদসিং চুৱাই আজীৱন জনসেৱা আগবঢ়াই থৈ গৈছে। আজিৰ তাৰিখত বহু শিক্ষিত আৰু চহকী থলুৱা নেপালী জনগোষ্ঠীৰ লোক অসমত আছে, কিন্তু তেওঁলোক ইমানেই ব্যক্তিকেন্দ্ৰিক যে সামাজিক চিন্তা-চৰ্চা কৰাৰ বাবে অনিচ্ছুক, যেন সমাজ অবিহনে ব্যক্তি জীয়াই থাকিব পাৰে। প্ৰসাদ বাবু কিন্তু এনে চিন্তা আৰু মানসিকতাৰ পৰিপন্থী আছিল। তেনে কাৰণতেই আজি তেওঁক সমগ্ৰ অসমবাসী নহ'লেও তেজপুৰবাসীয়ে মাজে-সময়ে শ্ৰদ্ধাৰে স্মৰণ কৰে।

ভাৰতৰ স্বাধীনতা আন্দোলনতো প্ৰসাদ বাবুৱে সক্ৰিয়ভাৱে যোগদান কৰে এগৰাকী অসমীয়া ভাৰতীয় নাগৰিক ৰূপে। উল্লেখনীয় যে ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত ভাৰতীয় জাতীয় কংগ্ৰেছত তেওঁ এগৰাকী স্বেচ্ছাসেৱকৰূপে যোগদান কৰে। জাতীয় কংগ্ৰেছৰ নীতি-আদৰ্শৰ দ্বাৰা প্ৰভাৱান্বিত হৈ তেওঁ আজীৱন মহাত্মা গান্ধীৰ অনুগামী হৈ থাকে। আনক সেৱা কৰাই তেওঁৰ জীৱনৰ মূলমন্ত্ৰ হোৱা হেতুকে ১৯৩৩ চনত শিঙৰী গাঁৱত তেওঁৰ উদ্যোগতে **তেজপুৰ গ্ৰেজিয়াৰ্ছ কো-অ' পাৰেটিভ এছ'চিয়েশ্যন** স্থাপিত কৰা হয় দুখীয়া গ্ৰেজিয়াৰ্ছসকলৰ গাইগৰু আৰু ম'হবোৰক ৰক্ষণাবেক্ষণৰ সুবিধা প্ৰদান কৰা আৰু ইয়াৰ উৎপাদন হোৱা গাখীৰ, দৈ আৰু মাখনৰ উচিত মূল্য পোৱা যায় তাক নিশ্চিত কৰাৰ উদ্দেশ্যে। এইখিনিতে উল্লেখ্য যে ১৯৪৬ চনত প্ৰসাদসিং চুৱাৰ নেতৃত্বতেই বাবু ডম্বৰসিং গুৰুঙে সুদূৰ দাৰ্জিলিঙৰ পৰা তেজুৰলৈ আহি নেপালী অধ্যুষিত বুঢ়াচাপৰি ভ্ৰমণ কৰে, য'ত নেপালীলোকে গাইগৰু আৰু ম'হ পালন কৰি তাৰে পৰা উৎপাদিত দ্ৰব্য বিক্ৰী কৰি জীৱিকা নিৰ্বাহ কৰিছিল। এই বুঢ়া চাপৰিবাসী নেপালীলোকক তেজপুৰত মাটি কিনি ঘৰ-বাৰী বনাই নিজৰ ল'ৰা-ছোৱালীবোৰক পঢ়াই-শুনাই শিক্ষিত কৰাৰ পৰামৰ্শ দিছিল প্ৰসাদ বাবুৱে। ফলত তেজপুৰ চহৰৰ সম্প্ৰতি চান্দমাৰি নামেৰে এক নেপালী অধ্যুষিত এলেকা দেখিবলৈ পোৱা যায়। এই চান্দমাৰি এলেকাক এখন আদৰ্শ গাঁৱলৈ ৰূপান্তৰিত কৰাৰ স্বপ্ন আগত লৈ 'জনসেৱক' প্ৰসাদসিং চুৱাৰ উদ্যোগতে **হাম্ৰো গাঁওসভা** (আমাৰ গাঁওসভা) নামেৰে

এক মঞ্চ গঠন কৰে আৰু ইয়াৰ কাৰ্যালয়, পুথিভঁৰাল আদি স্থাপনৰ বাবে দুবিঘা মাটি তেওঁ দান কৰে। এই মঞ্চক তেওঁ প্ৰয়াত পুত্ৰ নেত্ৰ বাহাদুৰ চুব্বাৰ নামেৰে নামকৰণ কৰাৰ ইচ্ছা কৰিছিল। কিন্তু সি হৈ উঠিল নে নাই জনা নাযায়। তেজপুৰ নেপালীপট্টি আৰু চান্দমাৰিত ছাত্ৰাবাস নিৰ্মাণ কৰাৰ বেলিকাও প্ৰসাদ বাবুৱে আগভাগ লয়, যিয়ে পৰৱৰ্তী কালত তেওঁৰ মান-মৰ্যাদা লোক মানসত অধিক বৃদ্ধি পোৱাত সহায় কৰে।

আগতেই উল্লেখ কৰা হৈছে যে জাতীয় কংগ্ৰেছৰ নেতৃত্বত প্ৰসাদ বাবুৱে স্বাধীনতা আন্দোলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পিছত অসম প্ৰাদেশিক গোৰ্খা লীগে আশা কৰে যে ভাৰতীয় জাতীয় কংগ্ৰেছে থলুৱা নেপালী জনগোষ্ঠীক নিৰ্বাচনত উপযুক্ত সংখ্যক আসনত মনোনয়ন দিব কিন্তু কংগ্ৰেছে কেৱল দলবীৰসিং লোহাৰক ১৯৫২ চনৰ বিধানসভা নিৰ্বাচনত দলীয় প্ৰাৰ্থিত্ব প্ৰদান কৰে। কংগ্ৰেছৰ এনে সিদ্ধান্তৰ দ্বাৰা ক্ষুণ্ণ হৈ ১৯৫১ চনৰ ২৬ জুলাইৰ দিনা শিঙৰীত অনুষ্ঠিত অসম প্ৰাদেশিক গোৰ্খা লীগৰ জৰুৰী বৈঠকে এক ঐতিহাসিক প্ৰস্তাৱ গ্ৰহণ কৰে যে গোৰ্খা লীগৰ আঠগৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়ে স্বাধীনোত্তৰ কালৰ পহিলা সাধাৰণ বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব। সেই মৰ্মে তেজপুৰ বিধানসভা সমষ্টিত প্ৰসাদসিং চুব্বাই গোৰ্খা লীগৰ প্ৰাৰ্থীৰূপে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰে যদিও বাকী সাতগৰাকী প্ৰাৰ্থীৰ লগতে তেওঁ পৰাজিত হয়। নিৰ্দলীয় প্ৰাৰ্থীৰূপে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা সকলো নেপালী নেতৃবৃন্দৰ পৰাজয়ে এটা কথা উপলব্ধি কৰাবলৈ বাধ্য কৰে বুলি প্ৰসাদ বাবুৱে কয় যে— 'এই নিৰ্বাচনে আমাক স্পষ্ট কৰি দিলে যে অসমত সাম্প্ৰদায়িক ৰাজনৈতিক সংস্থাৰ দ্বাৰা আমাৰ স্বাৰ্থ সুৰক্ষিত কৰিব নোৱাৰি। আমাৰ স্বাৰ্থৰ খাতিৰত কোনোবা নহয় কোনোবা সৰ্বভাৰতীয় ৰাজনৈতিক দলৰ সৈতে লগলাগি ভাৰতীয় আদৰ্শক আকোঁৱালি ল'ব লাগিব'। থলুৱা নেপালী জনগোষ্ঠীৰ ৰাজনৈতিক নেতৃবৃন্দৰ বেলিকা এই কথাৰ প্ৰাসংগিকতা আজিও পৰিলক্ষিত হোৱা যেন লাগে। কিয়নো অদ্যাপি অসমত কোনো নেপালী নেতৃবৃন্দই সৰ্বভাৰতীয় ৰাজনৈতিক দলবোৰৰ বাদে আন আঞ্চলিক দল, নিৰ্দলীয় নাইবা গোৰ্খা লীগৰ প্ৰাৰ্থীৰূপে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি বিজয়ী হোৱাৰ কোনো নজিৰ নাই। সম্প্ৰতি অসমত আন দলৰ তুলনাত ভাৰতীয় জাতীয় কংগ্ৰেছ(ই)ৰ নিৰ্বাচনী টিকট বিচৰা থলুৱা নেপালী নেতৃবৃন্দৰ সংখ্যা দেখ্‌দেখ্‌কৈ অধিক। আজিৰ তাৰিখত এগৰাকী সাংসদ মণি কুমাৰ চুব্বা আৰু অসম বিধান সভাৰ অধ্যক্ষ টংক বাহাদুৰ ৰাইদ্বয়ো কংগ্ৰেছ(ই) দলৰ অন্তৰ্ভুক্ত হোৱা কথাটোৱেই ইয়াৰ জ্বলন্ত সাক্ষ্য বহন কৰিছে।

সি যি কি নহওক, পৰৱৰ্তী নিৰ্বাচনবোৰত প্ৰসাদ সিং চুব্বাই নিৰ্বাচনী ৰাজনীতিৰ প্ৰতি পিঠি দিয়া পৰিলক্ষিত হয়। তাৰ পৰিবৰ্তে সমাজ সংস্কাৰৰ প্ৰতিহে অধিক আকৰ্ষিত

হোৱা যেন লাগে। কিয়নো মংগোলীয় বংশোদ্ভৱ হোৱা স্বত্বেও প্ৰসাদ বাবুৱে নেপালী সমাজৰ বাবে অভিশপ্ত দ্ৰব্যবিলাক যেনে — চুলাই মদ, লাওপানী পান আৰু কানি সেৱনৰ তীব্ৰ বিৰোধিতা কৰিছিল। এইবিলাক বস্তু বৰ্জন কৰিবলৈ আহ্বান জনাই এক নৈষ্ঠিক আৰু সাত্বিক হিন্দু জীৱন-যাপন কৰাৰ আদৰ্শৰ পোষকতা কৰিছিল। তদুপৰি, প্ৰথমতে অনুকূল ধৰ্মৰ প্ৰতি আকৰ্ষিত হ'লেও পিছলৈ তেওঁ সনাতন ধৰ্মৰ প্ৰতিহে আস্থাভাজন হৈছিল। এনে কাৰণতে প্ৰসাদ বাবুৱে নেপালকে আদি কৰি ভাৰতৰ বিভিন্ন ধৰ্ম মন্দিৰবোৰলৈ গৈ পূজা-সেৱা আগবঢ়াইছিল। এইদৰে তেওঁ নেপালী সমাজত সামাজিক, ধাৰ্মিক, শৈক্ষিক আৰু ৰাজনৈতিক সংস্কাৰৰ হেতু প্ৰয়াস কৰিছিল। মুঠ কথাত, 'জনসেৱক' প্ৰসাদসিং চুব্বাৰ এই সকলো প্ৰচেষ্টাৰ প্ৰাসংগিকতা আজিৰ থলুৱা নেপালী সমাজত নুই কৰিব নোৱাৰি। সেয়েহে 'অসম গান্ধী' বিষ্ণুলাল উপাধ্যায়ে প্ৰসাদ বাবুৰ বিষয়ে কৈছে এনেদৰে — 'বিভিন্ন সংস্থাৰ যোগেদি গঠনমূলক কামত নিজকে আজীৱন সংলগ্ন কৰি ৰখা অতি মৃদুভাষী কৰ্মী পুৰুষ প্ৰসাদসিং চুব্বাক লাভ কৰাটো তেজপুৰবাসী নেপালীলোকৰ বাবে এক সৌভাগ্যৰ কথা। নিজৰ জ্ঞান আৰু গুণৰ বলত তেওঁ সমগ্ৰ অসমীয়া নেপালী সমাজৰ পথ প্ৰদৰ্শক হ'ব পাৰিছিল'। এইজনা আদৰৰ 'জনসেৱক' প্ৰসাদসিং চুব্বাৰ ১৯৮৬ চনৰ ২৭ অক্টোবৰত মৃত্যু হ'লেও আজিৰ থলুৱা নেপালী সমাজ, বিশেষকৈ তেজপুৰবাসী নেপালী সমাজত তেওঁ চিৰস্মৰণীয় হৈ আছে আৰু অনাগত দিনতো থাকিব। কাৰণ সাহিত্যিক পদ্ম ঢকালৰ ভাষাতেই ক'বলৈ হ'লে — 'নেপালীলোকে বসবাস কৰা আজিৰ চান্দমাৰি (তেজপুৰ) তেওঁৰেই সপোনৰ বাস্তৱ প্ৰতিফলন' (দ্ৰষ্টব্য ঃ পদ্ম ঢকাল, নৌদুৱাৰ; দিগন্ত সম্ম, ১৯৯৫, পৃঃ ৭৮)। শেষত আজি তেওঁৰ মৃত্যু দিৱসত আমি 'জনসেৱক' প্ৰসাদসিং চুব্বাক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

আমাৰ অসম, ১১ নৱেম্বৰ, ২০০২

অসম গান্ধী বিষ্ণুলাল উপাধ্যায়

'আমি বিহালী থানাত কংগ্ৰেছৰ পতাকা উৰুৱাবলৈ গৈছিলো; মই জানি-শুনি এই কামত নামিছো; গতিকে আজিৰ পৰা এনে কাম নকৰো বুলি বণ্ড-চহী কৰিবলৈ মই সন্মত নহওঁ' — কটন কলেজৰ চতুৰ্থ বাৰ্ষিকৰ ছাত্ৰাৱস্থাতে ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰাৰ অপৰাধত তেজপুৰ আদালতৰ বিচাৰপতিয়ে আচামীজনক 'অজানিতে আন্দোলনত জঁপিয়াই পৰিলো' বুলি বণ্ড-চহী কৰি শিক্ষা জীৱনলৈ উভতি যাবলৈ দিয়া পৰামৰ্শৰ প্ৰত্যুত্তৰত অসমৰ সৰ্বপৰিচিত বিহালীৰ 'অসম গান্ধী' নামেৰে বিভূষিত বিষ্ণুলাল উপাধ্যায়ে অদম্য সাহসেৰে বিহালী থানাত ত্ৰিৰঙ্গ জাতীয় পতাকা উৰুৱাবলৈ যোৱাৰ কথা মেজিষ্ট্ৰেটৰ আগত সদৰি কৰি অসম আৰু ভাৰত মাতৃৰ প্ৰতি থকা নিভাঁজ প্ৰেমৰ পৰিচয় এইদৰে দিয়ে। সম্প্ৰতি অসমৰ থলুৱা নেপালী বিদ্বৎ সমাজত সবাতোকৈ বয়োজ্যেষ্ঠ উপাধ্যায় নিঃসন্দেহে প্ৰথম আৰু প্ৰধান নমস্য ব্যক্তি, যি একেধাৰে মুক্তি সেনানী, শিক্ষাবিদ, ৰাজনীতিক, সমাজসেৱক, সাহিত্যিক আৰু গৱেষক। চল্লিশৰ দশকৰ পৰাই অৰ্থাৎ বিয়াল্লিছৰ ভাৰত ত্যাগ আন্দোলনৰ পৰাই তেখেতে বৃহত্তৰ অসমীয়া সমাজৰ লগতে থলুৱা নেপালী সমাজৰো সেৱাত আত্মনিয়োগ কৰিছিল। সাজ-পোছাকৰ পৰা আৰম্ভ কৰি কথা-বতৰা, চিন্তা-চৰ্চা, লেখা-পঢ়া আৰু কৰ্ম-কাণ্ডৰ যোগেৰে উপাধ্যায়ক এগৰাকী তথাকথিত খিলঞ্জীয়াকৈ অধিক বিশুদ্ধ আৰু নিভাঁজ অসমীয়া বুলি দাবী কৰিব পাৰি। সেয়েহে সম্প্ৰতি বৃহত্তৰ অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়াটোত যি ক্ৰমবৰ্ধমান গৰাখহনীয়া হ'বলৈ ধৰিছে তাৰ প্ৰতি লক্ষ্য ৰাখি এই প্ৰক্ৰিয়াক প্ৰত্যাবৰ্তন কৰাত কিঞ্চিত পৰিমাণে হ'লেও সহায়ক হোৱাৰ প্ৰত্যাশাৰে তেখেতৰ জীৱন আৰু কৰ্মৰাজিৰ ওপৰত চমুকৈ আলোকপাত কৰিবলৈ এই লেখনিৰে প্ৰয়াস কৰিছোঁ।

জাতিৰ পিতা মহাত্মা গান্ধীৰ আদৰ্শৰ দ্বাৰা গভীৰভাৱে অনুপ্ৰাণিত আৰু প্ৰভাৱান্বিত হৈ সদায় বগা চুৰিয়া আৰু খদ্দৰ কাপোৰৰ দীঘল চোলা পৰিহিত বিষ্ণুলাল উপাধ্যায়ৰ জন্ম হয় ১৯১৭ চনৰ ১৬ জুলাইত অবিভক্ত দৰং জিলাৰ বিহালী মৌজাৰ অন্তৰ্গত মাজগাঁৱত পিতৃ বৃহস্পতি উপাধ্যায়ৰ ঔৰসত মাতৃ লক্ষ্মীদেৱীৰ গৰ্ভৰ পৰা। স্থানীয় হাতীবন্ধা কম্বাইণ্ড বিদ্যালয়ৰ পৰা ১৯৩৪চনত প্ৰাথমিক আৰু মজলীয়া শিক্ষা শেষ

কৰি তেজপুৰ চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়ত ভৰ্তি হৈ সুখ্যাতিৰে ১৯৩৮ চনত প্ৰথম বিভাগ পাই প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। উচ্চ শিক্ষাৰ্থে উপাধ্যায়ে অসমৰ কটন মহাবিদ্যালয়ত ভৰ্তি হৈ ১৯৪৪ চনত অবিভক্ত দৰং জিলাৰ ভিতৰত থলুৱা নেপালী সম্প্ৰদায়ৰ প্ৰথম স্নাতক ডিগ্ৰীধাৰী হৈ সমগ্ৰ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনে। অন্য কোনো চাকৰিৰ প্ৰতি প্ৰলোভিত নহৈ বিষ্ণুলাল উপাধ্যায়ে অঞ্চলটোৰ ৰাইজৰ মাজত শিক্ষা বিস্তাৰৰ দৰে মহান উদ্দেশ্য আগত ৰাখি 'ককা' ছবিলাল উপাধ্যায়ে প্ৰতিষ্ঠা কৰা বিহালী উচ্চ মাধ্যমিক বিদ্যালয়ত বি এ পাছ কৰা বছৰতে প্ৰধান শিক্ষক (১৯৪৪-১৯৫৭) ৰূপে যোগদান কৰি নিষ্ঠা আৰু একাগ্ৰতাৰে তেৰ বছৰ পৰ্যন্ত সেৱা আগবঢ়ায়।

ছাত্ৰাৱস্থাৰ পৰাই তেখেতে মহাত্মা গান্ধীৰ অহিংসা আৰু সত্যাগ্ৰহত আদৰ্শক সাৰোগত কৰি ভাৰতৰ মুক্তি সংগ্ৰামত যোগদান কৰিবলৈ আৰম্ভ কৰে। লগতে স্থানীয় অগ্ৰণী মুক্তি যুঁজাৰু 'ককা' ছবিলাল উপাধ্যায়ৰ পদাংক অনুসৰণ কৰি স্বাধীনতা আন্দোলনত জপিয়াই পৰিবলৈ উপাধ্যায়ে অফুৰন্ত প্ৰেৰণা লাভ কৰে। সেয়েহে কলেজীয়া শিক্ষা সাময়িকভাৱে হ'লেও স্থগিত ৰাখি নিজ গৃহস্থানলৈ প্ৰত্যাৱৰ্তন কৰি তেখেতে মুক্তি সংগ্ৰামত অংশগ্ৰহণ কৰে কেৱল এটাই কাৰণত যে অসমী আই তথা ভাৰত মাতৃক বগা বগুলাৰ বান্ধোনৰ পৰা মুক্ত কৰাতকৈ কলেজীয়া শিক্ষা শ্ৰেষ্ঠ হ'ব নোৱাৰে। উল্লেখ্য যে ১৯৪২ চনৰ ২০ ছেপ্তেম্বৰ দিনা 'স্বাধীন ভাৰতৰ জয়; সাম্ৰাজ্যবাদ ধ্বংস হওক; ইনক্লাব জিন্দাবাদ' — এনে গগনভেদী জয়ধ্বনিৰে বিহালী পুলিচ থানাত ত্ৰিৰঙ্গ জাতীয় পতাকা উত্তোলন কৰিবলৈ যোৱা এক বিৰাট শোভাযাত্ৰাকাৰীক নেতৃত্ব দিয়া সকলৰ ভিতৰত বিষ্ণুলাল উপাধ্যায়ো এগৰাকী প্ৰমুখ যুৱনেতা আছিল। ফলত ব্ৰিটিছ ভেৰোনীয়া পুলিচৰ দ্বাৰা নিৰ্যাতনৰ বলি হৈ অন্যান্য মুক্তি সেনানী — বগীৰাম শইকীয়া, কুমুদ চন্দ্ৰ শৰ্মা, ৰবিৰাম শইকীয়া, মোলান শৰ্মা, ডাক্তৰ অন্নদা প্ৰসাদ দত্ত আদিৰ লগতে বিষ্ণুলাল উপাধ্যায়ো জেল হাজোতলৈ যাব লগীয়াত পৰে। অলপ দিন জেল হাজোতত থকাৰ পিছত ১৯৪৩ চনৰ ২০ ফেব্ৰুৱাৰীৰ দিনা তেজপুৰস্থ মেজিষ্ট্ৰেট এছ কে দাসৰ আদালতত উপাধ্যায়ক বিচাৰৰ বাবে হাজিৰ কৰোৱা হয়। বিহালী থানাৰ তদানীন্তন দাৰোগা সুকুমাৰ চক্ৰৱৰ্তীয়ে বিচাৰপতিক উপাধ্যায়ৰ অপৰাধৰ সাক্ষী দি কয় যে ১৯৪২ চনৰ ২০ ছেপ্তেম্বৰ দিনা বিষ্ণুলাল উপাধ্যায়ে পাঁচশ মান সত্যাগ্ৰহীক লগত লৈ জোৰ-জবৰদস্তি বিহালী থানাৰ চৌহদত প্ৰৱেশ কৰি ঘোৰ আইন বিৰোধী কাম কৰে। এনে অপৰাধৰ সাক্ষ্যদানৰ পিছত বিচাৰপতিজনে উপাধ্যায়ক বুজনি দিবলৈ ব্যৰ্থ প্ৰচেষ্টা কৰি দোষ স্বীকাৰ কৰিবলৈ কৈ উপদেশ দিয়ে যে এজন ছাত্ৰই ভৱিষ্যৎ জীৱনৰ কথা চিন্তা কৰিব লাগে, বিশেষকৈ অনগ্ৰসৰ নেপালী সম্প্ৰদায়ৰ ছাত্ৰ হোৱাৰ

বাবে আনৰ প্ৰৰোচনাত পৰিহে তেওঁ আন্দোলনত নামিছে। আদালতত উপস্থিত থকা সকলোৰে চকু কপালত তুলি কোনো উকীলৰ সহায় নোহোৱাকৈ নিৰ্ভীকভাৱে জাতীয় চেতনা আৰু স্বদেশপ্ৰেমৰ পৰিচয় দি উপাধ্যায়ে প্ৰচ্ছন্নভাৱে কয় যে তেওঁ বিহালী থানাত জানি-বুজি স্ব-জ্ঞানেৰে জাতীয় পতাকা উৰুৱাবলৈ গৈ আইন ভংগ কৰা নাছিল; কৰ্তব্যহে সম্পাদন কৰিছিল। এইদৰে এগৰাকী নিঃস্বাৰ্থ চৰিত্ৰবান দেশপ্ৰেমিকৰ পৰিচয় দি বিষ্ণুলাল উপাধ্যায়ে ছমাহ কাল জেল খাটিব লগীয়াত পৰে। দেশ স্বাধীন হোৱাৰ পিছত আকাশবাণী গুৱাহাটীয়ে স্বাধীনতা যুঁজাৰুৰ সৈতে অনুষ্ঠিত কৰা সাক্ষাৎকাৰ প্ৰসংগত দেশ স্বাধীন হোৱাত কেনে লাগিছে বুলি কৰা প্ৰশ্নৰ উত্তৰত বিষ্ণুলাল উপাধ্যায়ে কয় — 'মেজিষ্ট্ৰেটৰ আগত বণ্ড-চহী নকৰা ঘটনা উত্তম আছিল বুলি মই আজি আত্ম-সন্তুষ্টি আৰু গৌৰৱবোধ কৰিছো। বণ্ড-চহী কৰা হ'লে মাতৃভূমিৰ প্ৰতি থকা কৰ্তব্যৰ পৰা পুত্ৰ বিচলিত হোৱাৰ বেদনাই এই শুভদিনত মোক অনুতপ্ত কৰিলেহেঁতেন'। থলুৱা নেপালী বংশোদ্ভৱ এগৰাকী নিষ্ঠাৱান ব্যক্তিৰ এনে স্বদেশপ্ৰেমী বক্তব্যই খিলঞ্জীয়া অসমীয়া মূলসুঁতিৰ লগত নেপালীসকল একাকাৰ হোৱাটোকে নুবুজায়নে? যি কি নহওক, স্বৰাজোত্তৰ অসম চৰকাৰে ১৯৯০ চনত মুক্তি সংগ্ৰামত সক্ৰিয় যোগদানৰ স্বীকৃতিৰূপে উপাধ্যায়ক তাম্ৰপত্ৰ আৰু মুক্তি যুঁজাৰুৰ পেঞ্চন প্ৰদান কৰে।

স্বাধীনোত্তৰ কালত নিজৰ সততা, নিষ্ঠা, স্বাৰ্থহীনতা আৰু একাগ্ৰতাৰ বলত সকলোৰে প্ৰিয় আৰু আস্থাভাজন হোৱা বিষ্ণুলাল উপাধ্যায়ে অসম প্ৰাদেশিক কংগ্ৰেছ সমিতিৰ দৃষ্টিৰ পৰাও হাত সাৰিব পৰা নাছিল। সেয়েহে কংগ্ৰেছৰ টিকট পাই ১৯৫০-৫৪ চনলৈকে তেজপুৰ লোকেল ব'ৰ্ডৰ সদস্যৰূপে নিৰ্বাতি হয়। লোকেল ব'ৰ্ডৰ সদস্যকালত প্ৰদৰ্শন কৰা বিশ্বাসযোগ্যতা আৰু কৰ্মপটুতাই প্ৰাদেশিক কংগ্ৰেছক পতিয়ন নিয়াবলৈ বাধ্য কৰাইছিল যে থলুৱা নেপালীৰ লগতে সমগ্ৰ ৰাজ্যৰ বাবে বিষ্ণুলাল উপাধ্যায় সন্দেহাতীতভাৱে যোগ্যবান ব্যক্তি। সেয়েহে ১৯৫৪চনৰ ১৩ ডিচেম্বৰ দিনা দিল্লীৰ পৰাই অসম প্ৰাদেশিক কংগ্ৰেছ সমিতিৰ তদানীন্তন অধ্যক্ষ বিমলা প্ৰসাদ চলিহই উপাধ্যায়লৈ তাঁৰবাৰ্তা পঠিয়াই এইবুলি যে ১৯৫৭ চনৰ বিধানসভা নিৰ্বাচনত গহপুৰ সমষ্টিৰ পৰা কংগ্ৰেছ প্ৰাৰ্থীৰূপে প্ৰতিদ্বন্দ্বিতা কৰিবলৈ তেখেতক মনোনয়ন দিয়া হৈছে। স্থানীয় অগ্ৰজ আৰু অনুজ উভয়ৰে সু-পৰামৰ্শ আৰু শুভাশিষ শিৰত লৈ ১৯৫৭ চনৰ সাধাৰণ নিৰ্বাচনত কংগ্ৰেছ প্ৰাৰ্থী হৈ প্ৰতিদ্বন্দ্বিতা কৰি বিজয়ী হৈ বিষ্ণুলাল উপাধ্যায় প্ৰথমবাৰৰ বাবে অসম বিধানসভাত প্ৰৱেশ কৰে। ইয়াৰ পিছত উপাধ্যায়ে পিছলৈ ঘূৰি চাব লগা নহ'ল। ১৯৬২ আৰু ১৯৬৭ চনত পুনৰ গহপুৰ সমষ্টিৰ পৰা আৰু ১৯৭৮চনত শেষ বাৰৰ বাবে বিহালী বিধানসভা সমষ্টিৰ পৰা কংগ্ৰেছ প্ৰাৰ্থীৰূপে নিৰ্বাচিত হৈ অসম বিধানসভাত প্ৰৱেশ কৰে। মুঠ চাৰিবাৰকৈ একেটা ৰাজনৈতিক দলৰ প্ৰাৰ্থী

হিচাপে অসম বিধানসভালৈ নিৰ্বাচিত হোৱা প্ৰথম নেপালী নেতা বিষ্ণুলাল উপাধ্যায়ে এক অভিলেখ স্থাপন কৰে। সম্প্ৰতি সমাজত এটা বদ্ধমূল ধাৰণা আছে যে চাৰিবাৰকৈ নালাগে কোনোবাই কেনেবাকৈ এবাৰ এম এল এ হ'লেই পৰৱৰ্তী চাৰি-পাঁচ পুৰুষে খাব পৰাকৈ ধন-সম্পত্তি আৰু ঐশ্বৰ্য বিভূতি অসৎ উপায়েৰে গোটাই লয়। এই ধাৰণাৰ সত্যতা ভিত্তিহীন নহয়। অৱশ্যে চাৰিবাৰকৈ নিৰ্বাচিত হৈ বিছ বছৰ কাল এম এল এ হোৱা 'অসম গান্ধী' বিষ্ণুলাল উপাধ্যায় এইক্ষেত্ৰত সম্পূৰ্ণ ব্যতিক্ৰম বুলি ক'ব লাগিব। কাৰণ এই লেখকে ১৯৮৫ চনতেই গৱেষণাৰ তথ্য-পাতিৰ অনুসন্ধানত বিহালীৰ গাংমৌথানস্থ উপাধ্যায়ৰ বাসভৱনলৈ গৈ দুই নিশা থাকি আৱিষ্কাৰ কৰিলে যে বিছ বছৰ কাল এম এল এ নিৰ্বাচিত হৈ আৰ চি চি ঘৰ আৰু গাড়ী-ঘোঁৰাৰ কথা বাদেই অসম টাইপৰ পকীঘৰ এটিও নাই। পুৰণি কালতে ইটাৰে সজা হাফ দেৱালযুক্ত ঘৰ এটিত থাকে বিষ্ণুলাল উপাধ্যায় আৰু তেখেতৰ পৰিয়ালবৰ্গ। পুনৰ ১৯৯৫ চনত তেখেতক লগ পাবলৈ যাওঁতে বৰগাং আৰক্ষী থানাৰ সন্মুখত অসম্পূৰ্ণ হৈ থকা আসাম আৰ্হিৰ বাসভৱনত থকা দেখিলো। যি কি নহওঁক, এনে কাৰণতে উপাধ্যায়ক সঁচা অৰ্থত, আৰু সৰ্বকালৰ বাবে এগৰাকী সৰ্বজন আদৰ্শবাদী নমস্য ব্যক্তি বুলি ক'লে অত্যুক্তি কৰা নুবুজায়। তদুপৰি বিধানসভাৰ মজিয়াত বিষ্ণুলাল উপাধ্যায়ে সমগ্ৰ অসমবাসীৰ লগতে নিজৰ সম্প্ৰদায়ৰ হকেও সক্ৰিয় আৰু গঠনমূলক ভূমিকা লোৱাৰ কথা বিধান সভা অধিৱেশনৰ কাৰ্যবিৱৰণীত যিকোনো লোকে এবাৰ চকু ফুৰালেই নিশ্চিত হ'ব পাৰিব। এই প্ৰসংগতে প্ৰণিধানযোগ্য যে বিগত ২০০৩ বৰ্ষৰ ৭ এপ্ৰিলত দিছপুৰস্থ লোকপ্ৰিয় গোপীনাথ বৰদলৈ প্ৰেক্ষাগৃহত অনুষ্ঠিত অসম বিধান সভা প্ৰতিষ্ঠা দিৱসত বিষ্ণুলাল উপাধ্যায়ক সম্বৰ্দ্ধনা জনোৱা হয়। সম্বৰ্দ্ধনাৰ উত্তৰত উপাধ্যায়ে কয় যে — "আমাৰ চৰকাৰৰ পৰা কিবা নোপোৱাৰ বাবে মোৰ অকণো আক্ষেপ নাই। আমি বিধায়কসকলে যোৱা ১৯৮৭ চনৰ পৰা কেৱল এটা কাৰ্যকাল অৰ্থাৎ পাঁচটা বছৰৰ ৰাইজৰ কাম কৰাৰ অজুহাততে বাজেটৰ ধনৰ পৰা আজীৱন পেঞ্চন আৰু চিকিৎসা বানছ পাবলৈ সক্ষম হৈছোঁ। এই পেঞ্চন আৰু চিকিৎসা বানছ পাবলৈ বিভাগীয় বিষয়া কৰ্মচাৰীসকলে দীৰ্ঘদিন ধৰি অপেক্ষা কৰে। এতেকে আমাৰ জীৱনত অসন্তোষ কৰিবলীয়া কথা নাই। বৰঞ্চ যিসকল ভোটাৰৰ ভোট পাই আমি বিধান সভালৈ আহোঁ তেওঁলোকৰ ভিতৰৰে যিসকলে চৰকাৰৰ পৰা এপদ বস্তু পাবলৈ 'কিউ'ত অপেক্ষা কৰি থাকে, তেওঁলোকক আমি কি দিব পাৰিছো তালৈ অলপ চিন্তা আৰু চেষ্টা চলাবই লাগিব"। তেখেতৰ এনে বক্তব্যই প্ৰমাণ কৰে যে তেখেত কিমান সৎ, নিঃস্বাৰ্থ, নিষ্ঠাবান আৰু মানৱ দৰদী ব্যক্তি হ'ব পাৰে। বিষ্ণুলাল উপাধ্যায় সঁচা অৰ্থত মহাত্মা গান্ধীৰ শিষ্য হোৱাৰ যোগ্য; সেয়েহে তেখেত সম্প্ৰতি আমাৰ মাজত **অসম গান্ধী** নামেৰে পৰিচিত।

সক্ৰিয় ৰাজনীতিৰ সমান্তৰালভাৱে উপাধ্যায়ে থলুৱা নেপালীলোকৰ সংগঠন অসম গোৰ্খা সম্মিলনৰ সৈতেও ওতপ্ৰোতভাৱে জড়িত আছিল। ১৯৬৮-১৯৮২ চনলৈকে তেখেতে এই সম্মিলনৰ সভাপতিৰ পদ অলংকৃত কৰিছিল আৰু এই কালছোৱাতেই থলুৱা নেপালী সম্প্ৰদায়ৰ উন্নতিকল্পে উপাধ্যায়ৰ নেতৃত্বতে গোৰ্খা সম্মিলনে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি অসম আৰু কেন্দ্ৰীয় চৰকাৰৰ ওচৰত স্মাৰক-পত্ৰ প্ৰদান কৰে। দেশৰ বিভিন্ন ঠাইত অনুষ্ঠিত সৰ্বভাৰতীয় নেপালী অনুষ্ঠান আৰু অধিৱেশনবোৰত অসমক সদায় বিষ্ণুলাল উপাধ্যায়ে প্ৰতিনিধিত্ব কৰি অহা দেখা যায়। সেয়েহে তেখেতৰ নাম আৰু কৰ্মৰাজি কেৱল অসমৰ ভৌগোলিক চাৰিসীমাৰ মাজত আবদ্ধ নাথাকি অন্যান্য ৰাজ্য বিশেষকৈ নেপালী অধ্যুষিত উত্তৰ-পূৰ্বাঞ্চলৰ বাদেও ছিকিম আৰু পশ্চিমবংগৰ দাৰ্জিলিঙতো সমানেই পৰিচিত আৰু শ্ৰদ্ধাশীল ব্যক্তিৰূপে জনাজাত। সমাজসেৱাৰ লগতে তেখেতে অসমীয়া আৰু নেপালী দুয়োটা ভাষাতে সাহিত্য-চৰ্চা কৰি ৰাজ্যৰ ভাষা-সাহিত্যৰ ভঁৰাললৈ বেছ অৰিহণা যোগাই আহিছে। সেইবোৰৰ ভিতৰত - (১) দুগৰাকী মহান বিভূতি ঃ শংকৰদেৱ আৰু ভানুভক্ত (১৯৮৫); (২) এৰি অহা দিনবোৰ (১৯৮৭); (৩) ছবিলাল উপাধ্যায় (১৯৯৩); (৪) স্বাধীনতা সংগ্ৰামী শ্ৰমিক নেতা দলবীৰসিং লোহাৰ (সংকলিত ১৯৯৩) আৰু (৫) অসমৰ মুখ্য মন্ত্ৰীলৈ সবিনয়-নিবেদন; (৬) সানমিহলি (২০০৪) নামৰ পুথিসমূহেই উল্লেখনীয়। একেদৰে নেপালী ভাষাত লিখা পুথিবিলাকৰ ভিতৰত (১) মহাপুৰুষ শংকৰদেৱ (১৯৮২); (২) আচামে নেপালীহৰু (১৯৮৪); (৩) আজীৱন সংগ্ৰামী ভক্ত বাহাদুৰ প্ৰধান (১৯৯০); (৪) মেৰা ডায়েৰীকা কেহী পৃষ্ঠাহৰু (১৯৯১); (৫) উৎসৰ্গ (১৯৯৪); (৬) মাজগাঁও নেপালী থিয়েটাৰ পাৰ্টী (২০০২); (৭) কলাগুৰু বিষ্ণুৰাভাকো সংক্ষিপ্ত জীৱনী (২০০১); (৮) নেপালী সত্ৰাধিকাৰ ৰতিকান্ত উপাধ্যায়? (২০০২); (৯) টিপন-টাপন (২০০২); (১০) অঝেলমা পৰেকা নাৰী - ৰত্নহৰু আদিয়েই উল্লেখযোগ্য। এই পুথিসমূহৰ উপৰি বিভিন্ন বাতৰি কাগজতো তেখেতে লেখা-মেলা কৰে। তাৰে উল্লেখযোগ্য কেইটামান হৈছে — 'অসমৰ নেপালীৰ ভৱিষ্যৎ সম্বন্ধে মই যি ভাবো' (সাপ্তাহিক নীলাচল ৯ মে' ১৯৭৩); 'অসমৰ আৱেগিক ঐক্য আৰু ইয়াৰ অনা-অসমীয়ালোক' (আকাশবাণী গুৱাহাটীৰ পৰা প্ৰচাৰিত ৫ মে' ১৯৭৩); 'সেই অবিস্মৰণীয় দিনতো' (মহাজাতি ১৫ আগষ্ট ১৯৭৩); 'খিলঞ্জীয়াৰ সাংবিধানিক সুৰক্ষা আৰু ব্যক্তি প্ৰতিক্ৰিয়া' (নতুন অসম ১২-১৩ চেপ্তেম্বৰ ১৯৯৩) ইত্যাদি। বিষ্ণুলাল উপাধ্যায় অসম সাহিত্য সভাৰ আজীৱন সদস্যও। তদুপৰি ১৯৯৩ চনত উপাধ্যায় অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্যও আছিল। অসম চৰকাৰে ১৯৯২ চনৰ পৰা তেখেতক সাহিত্যিক পেঞ্চন প্ৰদান কৰিছিল। উল্লেখ্য যে অসম সাহিত্য সভা, গোলাঘাট শাখাই ২০০২

চনৰ ফুলচান্দ খাণ্ডেলৱাল বঁটাৰ বাবে বিষ্ণুলাল উপাধ্যায়ক নিৰ্বাচিত কৰে। অসম সাহিত্য সভাৰ তদানীন্তন সভাপতি ড° বীৰেন্দ্ৰনাথ দত্তই উপাধ্যায়ৰ হাতত এই বঁটা অৰ্পণ কৰি কয় — "অসমৰ বাৰেৰহনীয়া সংস্কৃতিক প্ৰাণৱন্ত কৰা নেপালীসকলৰ এজন মহৎ ব্যক্তি বিষ্ণুলাল উপাধ্যায় ডাঙৰীয়াক আজি মই অসম সাহিত্য সভাৰ সভাপতি হিচাপে প্ৰদৰ্শন কৰিবলৈ পাই গৌৰৱবোধ কৰিছোঁ আৰু এয়া আমাৰ এটা জাতীয় কৰ্তব্য বুলি অন্তৰেৰে অনুভৱ কৰিছোঁ" (ডাঃ অজিত বৰুৱা ঃ ফুলচান্দ খাণ্ডেলৱাল বঁটা বিজয়ী বিষ্ণুলাল উপাধ্যায়, **আমাৰ অসম ১ অক্টোবৰ ২০০৩**)। নিৰ্বাচনী ৰাজনীতিতকৈ ভাষা-সাহিত্য চৰ্চা কৰিবলৈ বেছি ভালপোৱা 'অসম গান্ধী' উপাধ্যায়ে ফুলচান্দ খাণ্ডেলৱাল বঁটা গ্ৰহণ অনুষ্ঠানত নিজৰ লিখিত ভাষণত কয় যে "অসম সাহিত্য সভাৰ লগত মোৰ সম্পৰ্ক স্থাপিত হৈছিল ১৯৮৯ চনৰ পৰা। ইয়াৰ ডুমডুমা অধিবেশন, মৰিগাঁও অধিবেশন আৰু বিশ্বনাথ চাৰিআলি অধিবেশনত সক্ৰিয়ভাৱে জড়িত হোৱাৰ উপৰি স্থানীয় শাখা সাহিত্য সভাবোৰৰ কাৰ্যসূচীতো যোগদান কৰি আহিছোঁ। অসম বিধান সভাত চাৰিবাৰ সদস্য নিৰ্বাচিত হৈ যি আনন্দ বা সন্তুষ্টি পোৱা নাছিলো, যোৱা ওঠৰ বছৰে সাহিত্য চৰ্চা কৰি মই সেই সন্তুষ্টি লাভ কৰিছোঁ। কিয়নো মই দেখিছোঁ যে ৰাজনীতিয়ে সমাজখন ভাঙে, সাহিত্য-সংস্কৃতিয়ে তাক গঢ়ে" (**আমাৰ অসম, ১৪ জানুৱাৰী ২০০৪**)। তদুপৰি অন্যান্য অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতো তেখেত সক্ৰিয়ভাৱে জড়িত। সেইবিলাকৰ ভিতৰত ৰাষ্ট্ৰীয় একতা পৰিষদ, অসম শাখাৰ সদস্য, বিশ্বনাথ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ অধ্যক্ষ, বিশ্বনাথ মহকুমা মৌলিক শিক্ষা পৰিষদৰ অধ্যক্ষ, অসম ৰাষ্ট্ৰ ভাষা প্ৰচাৰ সমিতিৰ সদস্য ইত্যাদি।

চাৰিকুৰি বছৰ বয়সৰ ডেওনা অতিক্ৰম কৰা নমস্য ব্যক্তি 'অসম গান্ধী' বিষ্ণুলাল উপাধ্যায় সম্প্ৰতি সুস্বাস্থ্যৰ অধিকাৰী-এগৰাকী আজীৱন সমাজ সেৱক। সেয়েহে ৰাজ্যৰ ইমূৰৰ পৰা সিমূৰলৈ এতিয়াও সামাজিক কামত ঘূৰি ফুৰি নিজকে ব্যস্ত ৰাখিছিল। অৱশ্যে নিয়তিৰ নিষ্ঠুৰ কবলৰ পৰা কোনো মুক্ত নহয়। বিষ্ণুলাল উপাধ্যায়ৰ ক্ষেত্ৰতো তেনে হৈছিল অৰ্থাৎ ২০০৭ চনৰ ২৯ জুলাই দেওবাৰে নবৈ বছৰ বয়সত তেখেতে ইহ সংসাৰৰ পৰা মেলানি মাগে। 'অসম গান্ধী'ৰ পাৰ্থিৱ শৰীৰ পঞ্চভূতত বিলীন হৈ গ'লেও তেখেত আমাৰ মাজত চিৰকাল জীয়াই থাকিব তেখেতৰ আদৰ্শ আৰু কৰ্মৰাজিৰ মাধ্যমেৰে। তেখেতৰ বিদেহী আত্মাই চিৰশান্তি লাভ কৰক — এয়েই মোৰ অন্তিম কামনা।

আমাৰ অসম, ২ অক্টোবৰ, ১৯৯৯

তৃতীয় খণ্ড

দচৈ ঃ নেপালী জনগোষ্ঠীৰ জাতীয় উৎসৱ

শৰৎকাল আগমনৰ লগে লগে হিন্দু ধৰ্মাৱলম্বী লোকৰ বিভিন্ন শাৰদীয় উৎসৱবিলাক আৰম্ভ হয় বিভিন্ন দেৱ-দেৱীৰ পূজা-পাতলৰ যোগেদি। এইবিলাকৰ ভিতৰত দুৰ্গাপূজা, দীপান্বিতা পূজা, লক্ষ্মীপূজা, গণেশ পূজা, বিশ্বকৰ্মা পূজা, কাতি বিহু ইত্যাদি উল্লেখযোগ্য। দুষ্টক দমন আৰু শান্তক পালন কৰাই বিশেষকৈ দুৰ্গাপূজা আৰু কালীপূজা (দীপান্বিতা)ৰ মূলমন্ত্ৰ। এই উৎসৱবিলাক প্ৰধানকৈ ভাৰতবৰ্ষত পালন কৰিলেও আমাৰ প্ৰতিবেশী পাহাৰীয়া ৰাষ্ট্ৰ নেপাল- পৃথিৱীৰ একমাত্ৰ হিন্দু দেশ (এতিয়া ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ) হোৱা হেতুকে তাতো দুৰ্গাপূজা উলহ-মালহেৰে উদ্‌যাপন কৰাটো এক ৰাষ্ট্ৰীয় ঐতিহ্যত পৰিণত হৈছে। অৱশ্যে নেপালীলোকে দুৰ্গাপূজাক 'দচৈ' বা 'দচহৰা' বুলিহে কয়। নৃতত্ত্ববিদ P.K. Parmar ৰ ভাষাত ক'বলৈ হ'লে — 'The Dasahara, which commemorates the victory of the Goddess Durga is the most important Gorkha festival. It usually takes place early in October, according to the phase of the moon and lasts for ten days. The first days are not of great importance from the Gurkha point of view, and the time is spent mostly singing or dancing. On the first day of Dasahara, the officiating Brahmans sow barely at the spot where they worship, and sprinkle it daily with sacred water, but it is the last four days of the festival, known respectively as phul pati, Astami, Naumi or Dasami or tika which are considered the most important. (P.K.Parmar, The Gorkhas, New Delhi 1990 p.12) আদিতে নেপাল ৰাষ্ট্ৰৰ পৰাই বিভিন্ন কালত প্ৰব্ৰজিত হৈ অসমৰ স্থায়ী বাসিন্দা হোৱা থলুৱা নেপালী জনগোষ্ঠীয়েই দচৈ (দুৰ্গাপূজা) উৎসৱকে আটাইতকৈ ডাঙৰ বাৰ্ষিক উৎসৱ ৰূপে পালন কৰি অহাটো এক জাতীয় পৰম্পৰা।

দচৈ উৎসৱ সাধাৰণতে আহিন আৰু কেতিয়াবা কাতি মাহৰ শুক্লপক্ষৰ প্ৰতিপদ তিথিৰ পৰা আৰম্ভ হৈ পূৰ্ণিমা ৰাতিলৈকে পালন কৰা হয়। অৱশ্যে প্ৰতিপদ তিথিৰ

পৰা নৱমী তিথিলৈকে উৎসৱৰ নামত কেৱল আনুষ্ঠানিকতাহে ৰক্ষা কৰি চলে। সেয়েহে দশমী তিথিৰ পুৱাৰ পৰাহে পূৰ্ণোদ্যমে পূৰ্ণিমা তিথিৰ নিশালৈকে দচৈ উৎসৱ পালন কৰা হয়। প্ৰতিপদ তিথিৰ আগৰ নিশা অৰ্থাৎ অমাৱস্যাৰ নিশা এখন 'তপৰী'ত (এক বিশেষ গছ্-পাতেৰে তৈয়াৰ কৰা কাঁহী) গুড়ি মাটি ভৰাই অলপ গোমধান গুটি, তিল আৰু যৱ সিঁচি দিয়া হয়, যাক **পঞ্চধান্য** বোলা হয়। দচৈৰ প্ৰথম দিনটোক নেপালী ভাষাত 'ঘটস্থাপনা' দিৱস নামেৰেও জনাজাত। কিছুলোকে এই প্ৰাৰম্ভণি উৎসৱক 'জমৰে আউসী' বোলে। এই প্ৰথম দিন ধৰি নৱমী তিথিলৈকে প্ৰতিদিনাই গা-পা ধুই ঘৰৰ গৃহস্থনীয়ে 'পঞ্চধান্য' সিঁচা পাতৰ কাঁহীখনত নিতৌ পৰিমাণ অনুযায়ী পানী ছটিয়াই দিয়ে যাতে শস্যবোৰে নিৰ্দিষ্ট দিনৰ ভিতৰত গজালি মেলে। উল্লেখ্য যে পৰম্পৰা অনুসৰি এই 'পঞ্চধান্য' ঘৰৰ চাৰিবেৰৰ বাহিৰত অৰ্থাৎ ৰ'দ পৰা ঠাইত থোৱা নহয়, বৰং আমি জনা মতে পোহৰবিহীন ঘৰৰ (সাধাৰণতে পূজা-পাতল কৰা কোঠালিত) ভিতৰত ৰখাৰ বাবে 'পঞ্চধান্য'ই গজালি মেলিলে ইয়াৰ ৰং শেঁতা হৈ থাকে। শেঁতা ৰঙৰ শস্যৰ এনে ঠৰঙা গজালিবোৰকে 'জমৰা' বোলা হয়। এই 'জমৰা'বোৰৰ আৱশ্যকতা বা কাম কি সেই সম্বন্ধে যথাস্থানত উল্লেখ কৰা হৈছে। প্ৰতিপদ তিথিৰ পৰা আৰম্ভ কৰি নৱমী তিথিৰ ৰাতিলৈকে ভাগৱত পাঠ, ৰামায়ণ পাঠ কৰি ধৰ্মশাস্ত্ৰ চৰ্চা কৰা হয়। অৱশ্যে সপ্তমী তিথিক **ফুলপাতি** বোলা হয়; সেইদিনা ব্যক্তিগত অথবা সাৰ্বজনীন পূজৰ বেদীত পুষ্পাঞ্জলি অৰ্পণ কৰা হয়। একেদৰেই অষ্টমী তিথিক 'মাৰহান্নে' বুলি কোৱা হয়। সেইদিনা পুৱাৰে পৰা পূজা-পাতলকে আদি কৰি দিনটোত কোমোৰা, হাঁহ, কুকুৰা, ছাগলী আৰু ম'হ পৰ্যন্ত বলি দিয়াৰ প্ৰথা প্ৰচলিত আছে। অৱশ্যে অসমত ম'হ বলি দিয়া প্ৰথা নাই; ই কেৱল নেপালতহে আছে বুলি জনা যায়। জীৱ-জন্তু বলি দিয়া অষ্টমী তিথিৰ ৰাতিক 'কালৰাত্ৰি'ও বুলি কোৱা হয়। দুৰ্গা দেৱীৰ বেদীত 'পঞ্চবলি' (অৰ্থাৎ কোমোৰা, হাঁহ, কুকুৰা, ছাগলী আৰু ম'হ বলি) দিয়া প্ৰথাৰ অন্তৰালত থকা কাৰণ এয়ে যে দুৰ্গা দেৱীৰ লগত যুদ্ধ কৰিবলৈ মহিষাসুৰে ম'হৰ ৰূপ ধাৰণ কৰে আৰু দেৱীয়ে এই ম'হৰ মুণ্ডশ্ছেদ কৰে। ইয়াৰ প্ৰতীকৰূপে নেপালী জনগোষ্ঠীয়ে দিয়া ম'হ বলি প্ৰথা অদ্যাপি নেপালত প্ৰচলিত আছে বুলি জনা যায়। নৱমী ৰাত্ৰিৰ পৰাই ধৰ্মগ্ৰন্থ পাঠৰ সমাপ্তি ঘটে আৰু আনন্দেৰে খোৱা-বোৱাৰ পৰ্ব আৰম্ভ হয়। অৰ্থাৎ 'বিজয়া দশমী' তিথিৰ পুৱাৰ পৰা অমাৱস্যা তিথিলৈকে 'টিকো' কপালত (চাউল আৰু দৈ-গাখীৰেৰে তৈয়াৰী সংমিশ্ৰিত দ্ৰব্য) লোৱাৰ লগতে জ্যেষ্ঠজনক সেৱা কৰি আশীৰ্বাদ লোৱা প্ৰথা আৰম্ভ হয়। নেপালী জনগোষ্ঠীৰ পৰম্পৰা অনুসৰি 'দশমী তিথি'ৰ পুৱা দচৈ উৎসৱ আনুষ্ঠানিকভাৱে আৰম্ভ হয়। পোন প্ৰথমে ঘাই বাসগৃহৰ মূল দুৱাৰৰ ওপৰত উল্লিখিত চাউল, দৈ-গাখীৰ বা কলেৰে তৈয়াৰী সামগ্ৰী, যাক নেপালী ভাষাত

অচ্ছেতা কয়, সেই অচ্ছেতাৰে গাইগৰুৰ গোবৰ এচপৰা লেপি তাৰ ওপৰত টিকো (টিকা) আৰু জমৰা (শস্যৰ গঁজালি) কেইডালমান গুজি দিয়াৰ পিছত মানুহে টিকো লগোৱা পৰ্বৰ শুভাৰম্ভ কৰে। এই উৎসৱত প্ৰত্যেক পৰিয়ালৰ সকলো সদস্যই এযোৰ নতুন কাপোৰ পৰিধান কৰাটোও এক পৰম্পৰা হৈ পৰিছে। দঁচৈ উৎসৱত নেপালী জনগোষ্ঠীৰ লোকে অভ্যাগতক আপ্যায়িত কৰিবলৈ আৰু পৰিয়ালৰ লোকেও খাবৰ বাবে ধানৰ পৰা চিৰা তৈয়াৰ কৰাটো অতীজৰে পৰা চলি অহা এক বাধ্যতামূলক পৰম্পৰা। চিৰা সু-স্বাদু কৰিবৰ বাবে কল, চেনি, দৈ, এৰাঁ গাখীৰ যোগাৰ কৰাটোও দঁচৈ উৎসৱৰ গুৰুত্বপূৰ্ণ অংশ। তদুপৰি এই উৎসৱত বিশেষকৈ মংগোলীয় গোষ্ঠীত অন্তৰ্ভুক্ত নেপালী লোকে গাহৰি, কুকুৰা বা ছাগলী মাংস আৰু চাউলেৰে তৈয়াৰী 'লাওপানী' (যাক নেপালীলোকে জাড় বুলি কয়) নাইবা গুড়ৰ পৰা তৈয়াৰী চুলাই মদ (নেপালী লোকৰ ভাষাত 'ৰকচি') পান কৰাটো আৰু আলহীক আগবঢ়োৱাটো পৰম্পৰাগতভাৱে প্ৰচলন হৈ অহা বুলি ক'ব পাৰি। অৱশ্যে সম্প্ৰতি 'বিদেশী মদ'ৰ (বিদেশত তৈয়াৰী নহয়; কেৱল নামত বিদেশী, তৈয়াৰ হয় স্বদেশত, যাৰ সম্প্ৰতি ৰাজ্য চৰকাৰৰ পৃষ্ঠপোষকতাত অবাধ প্ৰচলন হৈছে অসমৰ চুকে-কোণে) প্ৰচলনৰ ফলত পৰম্পৰাগত ৰকচিৰ স্থান হ্ৰাস পাই আহিছে। মংগোলীয় গোষ্ঠীৰ নেপালীলোকে দঁচৈ উৎসৱত গাহৰি বা ছাগলী মাংসৰ সৈতে 'ৰকচি' পান কৰাটো এক পৰম্পৰা হোৱাৰ বাবে তেওঁলোকক মদৱাৰী বা মতৱালী বুলি জনাজাত। আনহাতে, ভাৰতীয় আৰ্যবংশীয় উচ্চ বৰ্ণহিন্দু গোষ্ঠীৰ নেপালীলোকে এই উৎসৱত মদ আৰু গাহৰি মাংস ভক্ষণ কৰাটো পৰম্পৰাগতভাৱে নিষেধ; তেওঁলোকৰ বাবে এনে খাদ্য অস্পৃশ্য। চিৰা, দৈ, গাখীৰ, মাখন, ফল-মূল আৰু সম্প্ৰতি বিভিন্ন প্ৰকাৰৰ মিঠাই আদি তেওঁলোকৰ বাবে এই উৎসৱৰ প্ৰধান খাদ্য। অৱশ্যে ছাগলী মাংস তেওঁলোকৰ বহুতেই ভক্ষণ কৰাটো আজি-কালি নিয়মত পৰিণত হৈছে। ঘৰলৈ অহা আলহীক উল্লিখিত খাদ্যবোৰেৰে আপ্যায়ন কৰে আৰু মতৱালী নেপালীলোকে চিৰা-দৈৰ উপৰিও বয়সস্থ অভ্যাগতক মাংস আৰু মদেৰে আপ্যায়ন নকৰিলে গৃহস্থই নিজেই অসন্তুষ্টি অনুভৱ কৰে।

এইখিনিতে পুনৰ উল্লেখ কৰিব বিচাৰো যে দশমী তিথিৰ প্ৰাতঃকালৰ পৰাহে নেপালী জনগোষ্ঠীৰ লোকে দঁচৈ উৎসৱ পূৰ্ণৰূপত পালন কৰিবলৈ আৰম্ভ কৰে। প্ৰথম পৰ্যায়ত আগতে উল্লেখ কৰা হৈছে যে পৰিয়ালৰ মুৰব্বী অৰ্থাৎ দেউতাকে ঘাই ঘৰৰ মূলদ্বাৰৰ ওপৰছোৱাত এচপৰা গোবৰ লগাই তাৰ ওপৰত 'অচ্ছেতা'ৰে টিকো (অৰ্থাৎ ফোঁট) লগাই দিয়ে জমৰা আৰু এটা মুদ্ৰাৰে। তাৰ পিছত পুতেক, বোৱাৰীয়েক, জীয়েক আৰু নাতি-নাতিনীহঁতক দেউতাক আৰু ককাদেউতাকে অচ্ছেতাৰে কপালত ফোঁট আৰু জমৰা কেইডালমান কাণত গুজি দি আশীৰ্বাদ দিয়ে এফাকি বচন মাতি -

চয়ে বর্ষকো আয়ু হোচ্; কল ঝাই গাজিলো, দুভ ঝাই মৌলাওন্; হাকে-তাক্কেৰ্ চিতায়েকো পুগচ্; শত্রুমা জয় হোচ্ ইত্যাদি (অর্থাৎ এশ বছৰ আয়ুস হওক, কলপুলিৰ দৰে **দুৰন্তৰকৈ** বাঢ়ক, দুবৰি বন ঠন ধৰি উঠাৰ দৰে স্বাস্থ্য হওক; মনৰ ইচ্ছা আৰু অভিলাষ পূৰণ হওক আৰু শত্রুৰ ওপৰত জয়লাভ হওক)। সতি-সন্ততিয়েও পিতৃ-মাতৃ আৰু জ্যেষ্ঠজনক সেৱা কৰাটো বাধ্যতামূলক ঐতিহ্য। টিকো অনুষ্ঠানৰ সামৰণিৰ লগে লগে খোৱা-বোৱাৰ পর্ব আৰম্ভ হয়। উল্লেখ্য যে দশমী তিথিত আৰম্ভ হোৱা টিকো অনুষ্ঠান পূর্ণিমা ৰাতিলৈকে উদ্‌যাপন কৰা হয়। দূৰ-দূৰণিৰ পৰা জী-জোঁৱাইহঁতে লগত হাঁহ, ছাগলী, কুকুৰা, পিঠা আদি সুবিধা অনুসৰি বিভিন্ন সামগ্রী লৈ মাইতি ঘৰ অর্থাৎ মাকৰ ঘৰলৈ 'টিকো'ৰ লগতে আশীর্বাদ ল'বলৈ অহাটো নেপালী সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ। এনেকৈ অহা জী-জোঁৱাইহঁতক শহুৰ দেউতাক নাইবা তেওঁৰ অনুপস্থিতিত শাহু আইতাকে আৰু আইতাও যদি পৰলোকগামী হৈছে তেন্তে ডাঙৰ ককায়েকে ভনী-জোঁৱাকেক 'অচ্ছেতা'ৰে 'টিকো' কপালত লগাই দি পঞ্চধান্যৰ গঁজালি জমৰা জোঁৱায়েকৰ বেলিকা কাণৰ ওপৰত আৰু জীয়েকৰ বেলিকা চুলিৰ খোপাত গুজি দিয়ে। লগতে সর্বাংগীণ মংগল কামনা কৰি শহুৰ দেউতাকে জোঁৱায়েকৰ দুই ভৰিত নিজৰ কপাল স্পর্শ কৰাই আশীর্বাদ দিয়ে। জ্যেষ্ঠ হৈয়ো কনিষ্ঠজনক দুই ভৰিত স্পর্শ কৰি সেৱা কৰা পৰম্পৰাৰ অন্তর্নিহিত তাৎপর্য এয়ে যে নেপালী সমাজত কন্যা সন্তানক লক্ষ্মীদেৱী তুল্য বুলি গণ্য কৰা হয়, সেয়েহে তেওঁক এক উচ্চ আসন আৰু মর্যাদা প্রদান কৰা এক কঠোৰ ঐতিহ্য। এনে পৰিপ্রেক্ষিতত বিবাহিত জীয়েকৰ স্বামী অর্থাৎ জোঁৱাইকো (অৱশ্যে পুতেক, ভতিজাকৰ ক্ষেত্রত এই নিয়ম প্রযোজ্য নহয়) জীয়েকৰ তুল্য বুলি গণ্য কৰাৰ হেতুকে একেই মর্যাদা প্রদান কৰাটো নেপালী সমাজত আৱহমান কালৰ পৰাই প্রচলিত সমাজ-সাংস্কৃতিক ৰীতি-নীতি। অৱশ্যে শাহু আইতাই জোঁৱায়েকক দান-দক্ষিণাও দিয়ে শহুৰ দেউতাকে। এই প্রসংগতে উল্লেখ্য যে মাক-দেউতাক, ককায়েক, আনকি জীয়েক, ভনীয়েকৰ শৰীৰৰ যিকোনো অংশতেই যিকোনো সময়তেই ভুলক্রমে ভৰিৰে স্পর্শ কৰিলেও 'বিষ্ণু বিষ্ণু' বুলি ততালিকে মাক-দেউতাক তথা ককায়েকে জীয়েক আৰু ভনীয়েকৰ ভৰিত নিজৰ কপাল স্পর্শ কৰাই প্রায়শ্চিত্ত কৰা নেপালী সমাজৰ এক সার্বজনীন প্রথা। নেপালী সমাজত আনকি ভাগিন বা ভাগিনীক মামা আৰু মামীয়ে বয়স নির্বিশেষে 'তোক' বুলি নহয় সদায় 'তুমি' বুলি মান্যার্থত সম্বোধন কৰাটোও পৰম্পৰাৰে এক অবিচ্ছেদ্য অংগ।

বর্ণাঢ্য দচৈ উৎসৱৰ আন এটি লেখত ল'বলগীয়া অংশ হৈছে ঝুলনা খেলা, যাক নেপালী ভাষাত 'লিংগেপিং' বুলি কোৱা হয়। অসম সাহিত্য সভাৰ দ্বাৰা প্রকাশিত **'অসমীয়া নেপালী সমাজ আৰু সংস্কৃতিৰ ৰূপৰেখা'** শীর্ষক গ্রন্থত ডিগবৈৰ সাহিত্যিক

মন বাহাদুৰ ছেত্ৰীয়ে লিংগেপিঙৰ বিষয়ে বৰ্ণনা কৰিছে এনে ধৰণে— "চাৰিডাল ডাঙৰ ডাঙৰ বাঁহ এটা নিৰ্দিষ্ট পৰিমাণৰ জোখত চাৰিকোণীয়াকৈ পুতি লৈ প্ৰতিডালৰে কমেও ত্ৰিশ ফুট ওপৰত দুটাকৈ জোৰা লগোৱা হয়। তাৰ পিছত উক্ত বাঁহৰ খলপাত আন এডাল দহ-বাৰ ফুট দীঘল বাঁহ লগাই ৰছীৰে টানকৈ বান্ধি উক্ত বাঁহত ৰছী সংযোগ কৰি মাটিৰ পৰা প্ৰায় দুফুট ওপৰলৈকে ওলোমাই দিয়া হয়। সেই ৰছীৰ ওপৰত দুয়ো ভৰি ভালদৰে থ'ব পৰাকৈ কাঠৰ টুকুৰা এটা লগাই দিয়া হয়। ইয়াৰ ওপৰত থিয় হৈ ডেকা-গাভৰুহঁতে তীব্ৰ গতিত ছাৰ্কাচৰ ঝুলনা খেলুৱৈৰ দৰে ইয়াৰ খেলুৱৈজনেও ঝুলনাডালৰ যিমান ওপৰলৈ যাব পাৰে সিমান ওপৰলৈ বায়ুবেগে লৈ যায়"। ষষ্ঠী তিথিৰ পৰা আৰম্ভ কৰি পূৰ্ণিমা তিথিৰ নিশালৈকে 'লিংগেপিঙ'ৰ খেলা খেলি নেপালী যুৱক-যুৱতীয়ে পৰম আনন্দ উপভোগ কৰে। ছেত্ৰীদেৱ অৱশ্যে এই লিংগেপিঙৰ অন্তৰ্নিহিত ধাৰ্মিক তাৎপৰ্যৰ বিষয়ে নিমাত। জনশ্ৰুতি অনুসৰি — এই খেলৰ তাৎপৰ্য এয়ে যে ৰামায়ণত ৰাম-সীতা আৰু লক্ষ্মণক ৰথত তুলি বনবাসলৈ যাবৰ বাবে আগবঢ়াই দিয়াৰ সময়ত কোনো প্ৰজাই ভূমি স্পৰ্শ কৰি তেওঁলোকক বিদায় দিব নোৱাৰে। সেয়েহে ঝুলনাৰ ওপৰত থিয় হৈ বা বহি লৈ প্ৰজাসবে ৰাম-সীতা আৰু লক্ষ্মণক বিদায় দিব লগা হৈছিল। অৱশ্যে ৰাম-সীতা বনবাসলৈ যাবলৈ ওলোৱা মুহূৰ্ত বেদনাৰ হ'লেও কালক্ৰমত এই 'লিংপেগিং' খেলা ৰং-ধেমালিৰ উৎসৱলৈ ৰূপান্তৰিত হ'ল।

কাতি মাহৰ পূৰ্ণিমা তিথিক নেপালী সমাজে জাগিত্ৰ পূৰ্ণিমা (অৰ্থাৎ উজাগৰে থকা পূৰ্ণিমা ৰজনী) বুলি কয়। এই পূৰ্ণিমা দিনটোত পূজা-পাতল আৰু ধৰ্মগ্ৰন্থ পাঠ কৰি গোটেই ৰাতি উজাগৰে থাকি প্ৰতিপদ তিথিৰ পৰা ধুম-ধামেৰে পালন কৰা নেপালী জনগোষ্ঠীৰ অতি আদৰৰ দচৈ উৎসৱক পূৰ্ণিমাৰ পিছদিনা পুৱা বিদায় দিয়া হয়।

দৈনিক জনমভূমি, ১৬ অক্টোবৰ, ১৯৯৯

তিহাৰ ঃ নেপালী জনগোষ্ঠীৰ বৰ্ণাঢ্য উৎসৱ

সংমিশ্ৰিত নেপালী জনগোষ্ঠীৰ প্ৰধান বাৰ্ষিক উৎসৱবোৰৰ ভিতৰত দচৈ উৎসৱৰ পিছতেই তিহাৰ (দীপাম্বিতা) উৎসৱ অন্যতম। এই উৎসৱ প্ৰতিবছৰে কাতি মাহৰ কৃষ্ণপক্ষৰ ত্ৰয়োদশী তিথিৰ পৰা আৰম্ভ হৈ শুক্ল পক্ষৰ দ্বিতীয়া তিথিলৈকে মুঠতে পাঁচদিনীয়া কাৰ্যসূচীৰে পালন কৰা হয়। উক্ত পাঁচোটা দিনত নেপালীলোকে ভিন্ ভিন্ অনুষ্ঠানেৰে তিহাৰ উৎসৱ উদ্‌যাপন কৰাৰ পৰম্পৰা অতীজৰে পৰা পালন কৰি আহিছে। অন্যান্য জনগোষ্ঠীবিলাকৰ দৰে নেপালী জনগোষ্ঠীৰ তিহাৰ উৎসৱকো কৃষিভিত্তিক বুলি ক'ব পাৰি। বিশেষকৈ কাতি বিহুত ধাননি পথাৰত বন্তি এগছি প্ৰজ্বলন কৰি অসমীয়া সমাজে শস্যক বিভিন্ন অনিষ্টকাৰী পোক-পৰুৱাৰ পৰা ৰক্ষা কৰাৰ নিচিনাকৈ নেপালীলোকেও দীপাম্বিতাৰ নিশা ধাননি পথাৰত বন্তি এগছি জ্বলাই লখিমীক ৰক্ষা কৰা ঐতিহ্য পালন কৰে তিহাৰ উৎসৱতে।

এই দীপাৱলী (তিহাৰ) উৎসৱ সন্দৰ্ভত পঞ্জাব বিশ্ববিদ্যালয়ৰ নৃতত্ত্ব বিভাগৰ অধ্যাপক Dr. P.K.Parmar য়ে The Gorkhas নামৰ গৱেষণামূলক গ্ৰন্থত এইদৰে উল্লেখ কৰিছে যে Diwali festival takes place twenty days after the conclusion of Dasahara. It is held in honour of Laksmi, the goddess of wealth and prosperity and the consort of Visnu... Each of the days of the Diwali is dedicated to the worship of some persons or animals. There appears to be some variations in the worship of each of the following; the crow, the dog, the bull and the brother. On the last day of Diwali sisters regard their brothers... by placing a ceremonial cast mark upon her brother's forehead. Houses are illuminated nightly throughout Diwali. The object of this is said to be to commemorate the victory of Vishnu over the hither to invincible giantNarakasur.(P.K. Parmar, The Gorkhas, New Delhi 1990 p.13) তিহাৰ উৎসৱৰ প্ৰথম দিনটোক অৰ্থাৎ ত্ৰয়োদশী তিথিক কাক তিহাৰ অৰ্থাৎ

কাউৰী উৎসৱ বোলা হয়। সেইদিনা কাউৰীবিলাকৰ কাৰণে এখন পাতৰ কাহীত ভাত অথবা অন্যান্য খাদ্যবস্তু বাৰীৰ কাষত থৈ দিয়া হয়। এটা সময়ত কাউৰীবিলাকে উৰি আহে আৰু খাদ্যবস্তুখিনি খায়। তাৰ পিছদিনা চতুৰ্দ্দশী তিথিক কুকুৰ তিহাৰ বোলা হয় আৰু সেইদিনা ঘৰৰ কুকুৰকেইটাক একোটাকৈ ফুলৰ মালা পিন্ধাই খাদ্যবস্তু দিয়া হয়। কাউৰী আৰু কুকুৰ এই দুইজাত জন্তুক বিশেষভাৱে আপ্যায়ন কৰাৰ অন্তৰ্নিহিত কাৰণ বোধকৰো এয়ে যে কাউৰীয়ে যাতে গোটেই বছৰজুৰি ঘৰৰ চাৰিওকাষে পৰি থকা গেলা-পচা বস্তুবোৰ খাই গিৰিহঁতক দুৰ্গন্ধ আৰু অপৰিষ্কাৰ বায়ু সেৱনৰ পৰা ৰক্ষা কৰে। তদুপৰি সুখ-দুখৰ বাৰ্তা কঢ়িয়াই আনি মানুহক উপকৃত কৰাৰ চিনস্বৰূপে কাউৰীক তিহাৰ উৎসৱত খাদ্য খাবলৈ দিয়া হয় বুলি এক পৰম্পৰা নেপালী সমাজত আবহমান কালৰ পৰাই চলি আহিছে। ঠিক একেদৰে কুকুৰেও জাগ্ৰত প্ৰহৰীৰ ভূমিকা পালন কৰি গৃহস্থক চোৰ-ডকাইত আৰু দুষ্টলোকৰ পৰা ৰক্ষা কৰে। তিহাৰ উৎসৱৰ তৃতীয় দিনা অৰ্থাৎ আঁউসী তিথিক গৰু তিহাৰ বুলি কোৱা হয়। এই তিথিৰ দিনা পুৱা কেৱল গৰুবোৰক গোহালিতে হওক অথবা চোতালত বান্ধি প্ৰথমে খুঁৰা আৰু শিংকেইডাল ধোৱাই দি মিঠাতেল ঘঁহি দিয়া হয়। এই কাৰ্য ঘৰৰ মুৰব্বী অথবা গৰখীয়াজনৰ হতুৱাই কৰা হয়। তাৰ পিছত গৰু কেইটাৰ ঠিক টিকা দুটা আৰু গলধন দুটাৰ ওপৰত চাউলৰ গুৰি আৰু পানী মিহলাই পেলপেলীয়া পিঠাগুৰিত পানীলাও শাকৰ আগ টুকুৰাৰে জুবুৰিয়াই চাপ মাৰি দিয়া হয়। লগতে ফুলৰ মালাও পিন্ধাই দি নানা তৰহৰ খাদ্য যেনে পিঠাগুৰি, ভজা পিঠাৰ টুকুৰা, সান্দহ গুৰি মিহলাই ডলা এখনত মেলি দি খাবলৈ দিয়া হয়। গধুলি গোহালিত গৰুকেইটাক নতুন পঘাৰে বন্ধা হয়। প্ৰতিপদ তিথি দিনাও ঠিক একে পদ্ধতিৰে গাইকেইজনী পূজা কৰা হয় যাক গাই তিহাৰ বোলে। গাই গৰুবোৰক পূজা কৰি খাবলৈ দিয়াৰ সময়ত পৰিয়ালৰ যিলোকে পূজা কৰে তেওঁ গৰু আৰু গাইকেইজনীৰ চাৰিঠেঙৰ মাজেদি ইপাৰ পৰা সিপাৰ হোৱাৰ পৰম্পৰা নেপালী সমাজত পালন কৰি অহা দেখা যায়। গোটেই বাৰিষা খেতিৰ কামত লাগি পৰিয়ালক খাদ্যসম্ভাৰ যোগান ধৰাৰ বাবে গৰুকেইটাক আপ্যায়ন কৰা আৰু গাখীৰ আৰু গৰু-পোৱালি জন্ম দি মানৱ জাতিক উপকাৰ কৰাৰ বাবে গাইবোৰক পূজা-পাতল কৰা হয়। উল্লেখ্য যে নেপালী সমাজত বিশেষকৈ গাইক এক সুকীয়া সন্মান প্ৰদৰ্শন কৰা হয়। গাইজনীক কেতিয়াও ভৰিৰে গুৰিয়াব নোৱাৰে কাৰণ ই লখিমী স্বৰূপ। আনকি কোনো নেপালীলোকে গাই বা গৰুক ভুলক্ৰমে বেয়াকৈ কোবোৱাৰ ফলত জন্তুটোৰ মৃত্যু হ'লে সংশ্লিষ্ট মানুহজনে প্ৰায়চিত্ত কৰিবলৈ ডিঙিত পঘা বান্ধি ঘৰে-ঘৰে ভিক্ষা কৰি নিৰ্দিষ্ট কৰি দিয়া দিনবাৰ শেষ হ'লে বামুণৰ হতুৱাই সকাম পতাৰ ঐতিহ্য আছে। সেয়েহে নেপালী সমাজত বিশেষকৈ গাইক লখিমী বুলি গণ্য কৰা প্ৰথা চলি আহিছে।

আঁউসীৰ ৰাতি আন হিন্দু ধৰ্মাৱলম্বীলোকৰ নিচিনাকৈ নেপালীলোকেও চোতালত কলগছ শাৰী শাৰীকৈ পুতি মাটিৰ চাকিত মিঠাতেলেৰে বন্তি প্ৰজ্বলন কৰি ফটকা-আতচবাজী ফুটুৱাই উলহ-মালহেৰে দীপান্বিতা (দীপাৱলী) উৎসৱ পালন কৰে। এনে কৰাৰ উদ্দেশ্যে হৈছে নৰকাসুৰক যুদ্ধত পৰাস্ত কৰি বিষ্ণুৱে যি বিজয় সাব্যস্ত কৰে তাকে স্মৰণ কৰা। সি যি কি নহওক,অমাৱস্যাৰ নিশাৰ আহাৰ গ্ৰহণ কৰি উঠি ঘৰৰ সমস্ত কাঁহী বাতি-ঘটি আৰু কাঁহ-পিতলৰ কলহ থাকিলে এই সকলোবোৰ বাচন-বৰ্ত্তন ভালকৈ পৰিষ্কাৰ কৰা হয়। ঘৰৰ ভিতৰত কোনো এটা কোঠাত এই সকলো বাচন-বৰ্ত্তন শাৰী শাৰীকৈ সজাই থোৱা হয় আৰু থাকিলে সোণ ৰূপৰ অলংকাৰো এখন পাতৰ কাঁহীত থৈ মাটিৰ চাকি এটা জ্বলাই চাউল আৰু ফুলেৰে এইবোৰক পূজা কৰা হয়। এই সকলো সামগ্ৰীবোৰক ঘৰৰ লখিমীস্বৰূপ গণ্য কৰি পূজা কৰাৰ প্ৰথা নেপালী সমাজত প্ৰাচীন কালৰ পৰাই পালন কৰি অহা দেখা যায়। এই লখিমী পূজা ঘৰৰ গৃহিণীয়ে অৰ্থাৎ মাইকী মানুহে কৰাতো বাধ্যতামূলক কাম। আন কথাত, লখিমীক পূজা কৰাতো গৃহিণীৰ একচেতিয়া অধিকাৰ যেনেকৈ গাই-গৰুক পূজা কৰাটো মতা মানুহৰ একচেতিয়া কাম। আঁউসীৰ ৰাতি চোতালত কল গছ পুতি শাৰী শাৰীকৈ মাটিৰ চাকি প্ৰজ্বলন কৰি ৰাম, সীতা আৰু লক্ষ্মণত্ৰয়ক সুদীৰ্ঘ চৈধ্য বছৰ বনবাস খাটি অযোধ্যালৈ প্ৰত্যাৱৰ্ত্তন কৰোতে স্বাগতম জনোৱা হৈছে বুলি নেপালী সমাজত লোকবিশ্বাস আছে। এই নিশাই নেপালী ডেকা ল'ৰাবোৰে একেলগ হৈ ঘৰে ঘৰে নাচ-গান কৰে। ল'ৰাবোৰৰ এনে নৃত্যক **দেউচী** বুলি কোৱা হয় আৰু কেৱল ছোৱালীবোৰেও ওচৰ চুবুৰীয়াৰ ঘৰে ঘৰে ৰাতি নৃত্য-গান পৰিবেশন কৰাকে **ভৈলো** বুলি জনা যায়। এনে নৃত্য-গান পৰিবেশন কৰা দলক ঘৰৰ গৃহস্থই এক বিশেষ গছ পাতেৰে তৈয়াৰ কৰা ডাঙৰ কাঁহীত ধান অথবা চাউল একাহী, সাধ্যানুসাৰী দক্ষিণা আৰু পাৰিলে চাউলৰ গুৰিৰে তৈয়াৰী ঘূৰণীয়া আকাৰৰ **চেলৰুটিৰে** আপ্যায়ন কৰিব লাগে। অৱশ্যে এনে চাউল দক্ষিণা দিয়া পাতৰ কাঁহীত এগছি মাটিৰ চাকিৰ বন্তি জ্বলি থকাটো ধৰা-বন্ধা নিয়ম। নৃত্যৰ অন্তত নৃত্য দলটিয়ে গৃহস্থক আশীৰ্বাদ দি অন্য ঘৰলৈ বুলি বিদায় লয়।

এতিয়া আহোঁ বৰ্ণাঢ্য তিহাৰ উৎসৱৰ মূল কাৰ্য-ক্ৰমণিকালৈ। এই কাৰ্যক্ৰমণিকা আৰম্ভ হয় দ্বিতীয়া তিথিৰ পুৱাৰ পৰা ৰাতিলৈকে যাক ভাতৃ দ্বিতীয়া বুলি কোৱা হয়। ভাতৃ দ্বিতীয়া পৰ্ব অনুযায়ী বায়েকে ভায়েকক অথবা যাৰ বায়েক নাই তেওঁৰ ভনীয়েকে আগতীয়াকৈ আনুষ্ঠানিকভাৱে নিমন্ত্ৰণ কৰি আনি কপালত চাউলৰ পৰা তৈয়াৰী পিঠাগুৰি পেলপেলীয়া কৰি খৰিকা এডালেৰে ফোট লগাই দিয়ে আৰু এই বগা ফোটৰ ওপৰে ওপৰে শুকান সেন্দুৰ গুৰিৰে ঘঁহি দি ৰঙা-বগা কৰা হয়। ফোট দিয়া কাৰ্য সম্পাদন

হোৱাৰ লগে লগে পূৰ্বতে উল্লেখ কৰা চাউলৰ পিঠাৰে তৈয়াৰী খাৰু আকৃতিৰ চেল-ৰুটিৰ সৈতে মাংসৰ আঞ্জা আৰু বিবিধ আচাৰেৰে ভায়েক-ককায়েকহঁতক আপ্যায়িত কৰে। ভায়েক-ককায়েকহঁতেও বাইদেউ আৰু ভণ্টিহঁতক সামৰ্থ্য অনুযায়ী নগদ টকা আৰু অন্যান্য সামগ্ৰী দান কৰে। এইখিনিতে উল্লেখ্য যে যি পুৰুষৰ নিজৰ বাইদেউ অথবা ভণ্টি নাথাকে তেওঁ আন পৰিয়ালৰ কন্যা সন্তানক (চেলি-বেটি বুলি নেপালী ভাষাত কোৱা হয়) বয়স অনুসৰি বায়েক বা ভণ্টি বুলি গ্ৰহণ কৰি (foster or adopted sister) ভাতৃ দ্বিতীয়া ভাই-ফোঁটাৰ অধিকাৰী হ'ব পাৰে। নেপালী সমাজত এক জনশ্ৰুতি আছে যে ভাতৃ-দ্বিতীয়া দিনা কোনো পুৰুষে কপাল উকা কৰি ৰাখিব নাপায়। প্ৰসংগক্ৰমে উল্লেখ্য যে ভাই-ফোঁটা পৰ্ব সম্পাদনৰ পাছত ভাই অথবা ককায়েকক বায়েক আৰু ভনীয়েকহঁতে যি খাদ্য - সামগ্ৰী বিভিন্ন ব্যঞ্জনেৰে আপ্যায়িত কৰে তালৈ লক্ষ্য কৰিলে দেখা যায় যে মংগোলীয় অৰ্থাৎ অনাৰ্য বংশোদ্ভৱ নেপালী পৰিয়ালে উক্ত খাদ্য সামগ্ৰীৰ তালিকাত মদ আৰু মাংস সন্নিবিষ্ট কৰাতো এক প্ৰকাৰে বাধ্যতামূলক বুলি ক'ব পাৰি। অৱশে মংগোলীয় বংশোদ্ভৱ হৈয়ো যি নেপালীলোকে মদ্যপান নকৰে তেওঁলোক এইক্ষেত্ৰত ব্যতিক্ৰম। অন্যহাতেদি ইণ্ডো-আৰ্য বংশোদ্ভৱ নেপালীলোকে ভাইফোঁটাৰ খাদ্য সামগ্ৰীৰ তালিকাত 'চেল-ৰুটি'ৰ সৈতে বিভিন্ন ব্যঞ্জন, আচাৰ, গাখীৰ-দৈ আৰু ফলমূল সন্নিবিষ্ট কৰাতো এক প্ৰচলিত পৰম্পৰা। এইখিনিতে উল্লেখ্য যে ভাতৃ দ্বিতীয়া দিনাৰ গোটেই নিশা জুৱা খেল অনুষ্ঠিত কৰাতো প্ৰাচীনকালৰ পৰা নেপালী সমাজত চলি অহা এক পৰম্পৰা বুলি জনাজাত। প্ৰাচীন নেপালী সমাজত জুৱা খেলত টকাৰ অভাৱ হ'লে গিৰিয়েকে নিজৰ পত্নীকো টকাৰ পৰিবৰ্তে বাজীত ৰখাৰ নিয়ম আছিল বুলি কোৱা হয়। আনকি জুৱা খেলত হাৰিলে নিজৰ বাওঁহাতখন ছেদ্ কৰি কাপোৰত মেৰিয়াই টকাৰ পৰিবৰ্তে হাতৰ টুকুৰাকে বাজীত ৰাখিছিলে বুলি জনশ্ৰুতি আছে। পাছত পুনৰ জুৱাখেলত জয়ী হ'লে বিৰোধী পক্ষৰ বাওঁহাতখন ছেদ কৰিবলৈ অথবা পূৰ্বতে হাৰি যোৱা পইচাখিনি ঘূৰাই দিবলৈ দাবী কৰে। এই সংক্ৰান্তত Dr. P.K. Parmar মন্তব্য এনেধৰণৰ The Diwali is looked upon as the great opportunity of the year for gambling in public. There is no limit to which a Gorkha will not go when in gambling mood, and many are the stories told concerning the curious stakes for which no occassion they have been known to play. It is stated, for instance, men have staked their wives on a throw of the dice, and one man is said even to have cut off his left hand and placed it under a cloth as a stake. On finding himself the win-

ner it is related that he demanded his opponent's hand or the refund of the money he had previously lost (P.K. Parmar, The Gorkhas, New Delhi 1990 p.13) অৱশ্যে সম্প্ৰতি এনে ঐতিহ্য অৰ্থাৎ নিজৰ পত্নী অথবা বাওঁহাত কাটি দুটুকুৰা কৰি বাজীত ৰখা নিয়ম নাই। এইদৰে নেপালী জনগোষ্ঠীৰ বৰ্ণাঢ্য তিহাৰ উৎসৱক প্ৰতিটো পৰিয়ালৰ পুৰুষ সমাজৰ উত্তৰোত্তৰ কামনা কৰা এক সামাজিক প্ৰথা বুলি ক'লেও অতিৰঞ্জিত কৰা নহয়। বহু প্ৰতীক্ষাৰ অন্তত পালন কৰা তিহাৰ উৎসৱ পৰৱৰ্তী শুক্লপক্ষৰ দ্বিতীয়া তিথিৰ নিশা অন্ত পৰে। দচৈ উৎসৱৰ তুলনাত তিহাৰ উৎসৱৰ ম্যাদ কম।

দৈনিক জনমভূমি, ৮ নৱেম্বৰ, ১৯৯৯

বসন্ত উৎসৱ থলুৱা নেপালীলোকে পালন কৰেনে?

নৱবৰ্ষক আদৰণি জনোৱাৰ উপলক্ষৰে অসমীয়া জাতিৰ বাপতি সাহোন ব'হাগ বিহু উদ্‌যাপন কৰা হয়। অসমীয়া জাতিয়ে এই উৎসৱ পালন কৰা হেতুকে ইয়াক অসমৰ 'জাতীয় উৎসৱ' বুলি কোৱা হয়। সেয়েহে এইখিনিতে প্ৰশ্ন হয় অসমৰ এই 'জাতীয় উৎসৱ' অৰ্থাৎ ব'হাগ বিহু মানে কেৱল অসমীয়াভাষী লোকৰ নে ভাষা আৰু ঐতিহ্য নিৰ্বিশেষে অসমত আবহমান কালৰ পৰা বসবাস কৰা সকলো মানুহৰে উমৈহতীয়া উৎসৱ। যদি আগৰটো সঁচা হয় তেন্তে বোধকৰো কাৰো ক'বলগীয়া একো নাথাকে কিন্তু পাছৰটো যদি সত্য বুলি গণ্য কৰা হয় তেন্তে আমাৰ ৰাজ্যৰ তথাকথিত অনা-অসমীয়াভাষী জনগোষ্ঠীসমূহে বাপতি-সাহোন ব'হাগ বিহু উদ্‌যাপন কৰে নে নকৰে সি নিতান্তই বিচাৰ্য বিষয়। যদি এইসকলে ব'হাগ বিহু পালন নকৰে আৰু কোনো কোনোৱে অনাড়ম্বৰভাৱে হ'লেও উদ্‌যাপন প্ৰক্ৰিয়া আৰম্ভ কৰিছে তেন্তেনতুন সহস্ৰাব্দৰ প্ৰথম ব'হাগ বিহুকেই সাৰ্বজনীন ৰূপ দি সংমিশ্ৰিত অসমীয়া জাতিৰ পশ্চাদমুখী সমন্বয়ৰ এনাজৰীডালক ত্বৰান্বিত কৰি বসন্ত উৎসৱক প্ৰকৃতাৰ্থত 'জাতীয় উৎসৱ'লৈ ৰূপান্তৰিত কৰিব নোৱাৰি নেকি? এনে দৃষ্টিভংগী স্থায়ীভাৱে বসবাস কৰা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ভাষাতেই ক'বলৈ গ'লে 'থলুৱা' হৈ পৰা বৃহত্তৰ অসমীয়া জাতিৰ অবিচ্ছেদ্য অংগ নেপালী জনগোষ্ঠীয়েও ব'হাগ বিহু পালন কৰে আৰু তেওঁলোকৰ মাজত ই সাৰ্বজনীন হৈছে নে নাই তাৰে ওপৰত এই নিবন্ধটিত চমুকৈ আলোকপাত কৰিবলৈ প্ৰয়াস কৰা হৈছে।

নেপালী জনগোষ্ঠী ঘাইকৈ হিন্দু ধৰ্মাৱলম্বী যদিও অন্যান্য ধৰ্ম বিশেষকৈ বৌদ্ধ ধৰ্মাৱলম্বী নেপালীলোকো দেখা যায়। উদাহৰণস্বৰূপে লামা আৰু তামাং উপাধিধাৰী নেপালীসকল বৌদ্ধধৰ্মাৱলম্বী। অৱশ্যে ধৰ্মৰ ভিন্নতা স্বত্বেও এইটো অনস্বীকাৰ্য যে নেপালী জনগোষ্ঠী মাত্ৰেই একেই উৎসৱ পালন কৰা দেখা যায়। এই উৎসৱবিলাকৰ ভিতৰত ঘাইকৈ **দচৈ, তিহাৰ, মাঘে সংক্ৰান্তি, তিজ** আদি উল্লেখযোগ্য। আনহাতেদি, অসমীয়াভাষী জনগোষ্ঠীবিলাকো প্ৰধানকৈ হিন্দু ধৰ্মাৱলম্বী হোৱা হেতুকে নেপালীলোকৰ লগত উৎসৱৰ বেলিকা কিছু মিল নথকা নহয়। মাঘ বিহু কেৱল অসমীয়া ভাষীলোকৰ একচেতিয়া উৎসৱ নহয়; বোধকৰো হিন্দু মাত্ৰেই এই উৎসৱ

পালন কৰে। সেয়েহে অসমৰ 'থলুৱা' নেপালীলোকেই নহয় নেপালৰ নেপালীসকলেও উলহ-মালহেৰে ভোগালী বিহু (নেপালী ভাষাত মাঘে সংক্রান্তি) উদ্যাপন কৰে। অৱশ্যে সম্প্রতি অসমত 'থলুৱা' নেপালীলোকে অসমীয়া ভাষীৰ দ্বাৰা প্রভাৱান্বিত হৈ ভেলা ঘৰ পৰ্যন্ত সাজি পথাৰত সমূহীয়াকৈ ভোজ-ভাত খোৱাৰ এক পৰম্পৰা গঢ়ি তুলিছে যিটো নেপালৰ নেপালীলোকৰ মাজত নাই। ই অসমীয়া জাতিগঠন প্রক্রিয়াৰ বেলিকা এক শুভলক্ষণ। তদুপৰি নৱবৰ্ষৰ আৰম্ভণি মাহতেই নেপালী জনগোষ্ঠীৰ লোকেও অক্ষয় তৃতীয়া নামেৰে এক প্রকাৰৰ বসন্ত উৎসৱ পালন কৰাৰ পৰম্পৰা আছে। ব'হাগ মাহৰ প্রথম সপ্তাহৰ শুক্র পক্ষৰ তৃতীয়া তিথি দিনটোক ধৰ্মপৰায়ণ নেপালী লোকসকলে অতীত কালৰেপৰা এক গুৰুত্বপূৰ্ণ দিৱস ৰূপে স্বীকৃতি দি অহা দেখা যায়। তেওঁলোকৰ মাজত প্রচলিত ঐতিহ্য আৰু ধৰ্মীয় দৃষ্টিৰ মতে এই তৃতীয়া তিথিত যিকোনো পূণ্য অথবা জনকল্যাণমূলক সেৱা সম্পাদন কৰিলে গোটেই বৰ্ষটো কোনো লোকচান বা ক্ষয়-ক্ষতি নোহোৱাকৈ সুকলমে অতিবাহিত হয়। লগতে যিকোনো কাৰ্যৰে কাংক্ষিত ফল পোৱা যায় বুলি এক জনশ্রুতি নেপালী জনগোষ্ঠীৰ মাজত প্রচলিত আছে। সেয়েহে সেইদিনা সাধাৰণতে কম খৰচতে সমাধা কৰিব পৰা পূণ্য কাম যেনে কে'বাটাও পথৰ সংযোগ স্থলত তৃষ্ণাতুৰ পথচাৰীক জাকপাতি বৈ থকা নেপালী তিৰোতাসৱে এগিলাচ ফলৰ ৰসযুক্ত পানী (সৰবত) যোগান ধৰা প্রথা অদ্যাপি প্রচলিত আছে বুলি ক'ব পৰা যায়। অৱশ্যে কালৰ গতিত ঠাই বিশেষে সমাজত এই পূণ্য উৎসৱ (অক্ষয় তৃতীয়া) উদ্যাপন নোহোৱা হৈ আহিছে। বিশেষকৈ থলুৱা নেপালী জনগোষ্ঠীৰ মাজত ই লুপ্তপ্রায় হৈ আহিছে। ইয়াৰ কাৰণ এয়ে যে অসমত নেপালী লোকসকল সিঁচৰতি হৈ বসবাস কৰা দেখা যায় যাৰ ফলত এনে অনুষ্ঠুপীয়াকৈ পালন কৰা 'অক্ষয় তৃতীয়া' উৎসৱৰ প্রতি তেওঁলোকৰ অনুৰাগ দ্রুতগতিত নাইকিয়া হৈছে। দ্বিতীয়তে ব'হাগ মাহৰ পহিলা দিনাৰ পৰাই অসমৰ ইমূৰৰ পৰা সিমূৰলৈ বসন্ত উৎসৱ ৰঙালী বিহু পালনৰ শুভাৰম্ভই থলুৱা নেপালী যুৱক যুৱতীসকলকো স্বতঃস্ফূৰ্ত ভাৱেই জড়িত কৰি পেলায়। প্রকৃতাৰ্থত, মানৱ জীৱনৰ সকলো দিশতেই অৰ্থাৎ ভাষা-সাহিত্য, সংস্কৃতি, অৰ্থনীতি আৰু ৰাজনীতিৰ পথাৰতো 'থলুৱা' হৈ পৰা অসমীয়া নেপালীসকলেও বাপতি-সাহোন ৰঙালী বিহুৰ বিপুল আমোদ-প্রমোদৰ পৰা নিজকে আঁতৰাই ৰাখিব নোৱাৰে। ই এক স্বাভাৱিক পৰিঘটনা।

এই প্রসঙ্গতে ডিগবৈৰ তৈল নগৰীৰ অসমীয়া কথা সাহিত্যিক প্রয়াত মন বাহাদুৰ ছেত্ৰীয়ে নিজৰ গ্রন্থ "অসমীয়া নেপালী সমাজ আৰু সংস্কৃতিৰ ৰূপৰেখা" (প্রকাশক অসম সাহিত্য সভা, ১৯৮৩)ত বৰ্ণনা কৰা কেইশাৰীমান কথা প্রণিধানযোগ্য। তেখেতে সুন্দৰভাৱে কৈছে যে "পৰিবেশে মানৱ জীৱনত এক গুৰুত্বপূৰ্ণ ভূমিকাগ্রহণ কৰে।

পৰস্পৰ দুটা জাতিৰ সংমিশ্ৰণৰ প্ৰক্ৰিয়াটো তেনেই কম সময়ত নহয়। এইটো নিশ্চিত যে বিবৰ্তন আৰু সংমিশ্ৰণৰ আৰম্ভ হ'লে তাক বাধা দিয়াটোও সম্ভৱ নহয়। অসমৰ নেপালীসকলৰ মাজত এই প্ৰক্ৰিয়া বহু আগৰে পৰাই আৰম্ভ হোৱাৰ বাবে অসমৰ নেপালী গাঁওবোৰলৈ লক্ষ্য কৰিলে দেখা পাম যে সংমিশ্ৰণৰ প্ৰক্ৰিয়াৰ বাবেই গীতৰ লগতে আজিৰ নেপালীসকলে বিহুগীত গাই বিহুনাচ নাচে। 'তোমাৰে মনে গ'লে মোৰো মন গ'লে কি কৰিব কলিতা কুলে' — নেপালী ডেকাই অসমীয়া গাভৰুক সেন্দুৰ পিন্ধাইছে। লগতে অনেক অসমীয়া ডেকাই নেপালী গাভৰুক জীৱনৰ লগৰী কৰি লৈ সংসাৰ পাতিছে। এনে মিলনে অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়া সবল আৰু শক্তিশালী কৰি অসমীয়া জাতিক মহাজাতিত পৰিণত কৰিছে। তেনে সত্য সাবটি ল'লেহে আচলতে জাতি এক বৃহত্তৰ জাতিত পৰিণত হ'ব" (পৃঃ ৮৮-৮৯)। এনে কাৰণতে চাগে গুৱাহাটীৰ থলুৱা নেপালী কন্যা পুনম ছেত্ৰীয়ে বিভিন্ন বিহু মেলাত বিহু নৃত্য প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি 'মৌ কুঁৱৰী' বঁটাৰ লগতে ভূয়সী প্ৰশংসা লাভ কৰিবলৈ সক্ষম হৈছে (দ্ৰষ্টব্যঃ তিনিদিনীয়া অগ্ৰদূত, ১ জুন, ১৯৯৭)। একেদৰেই চাবুৱা কাজিখোৱাৰ থলুৱা নেপালী জীয়াৰী ৰানু আলেয়ো আশীৰ দশকত বহু বিহু নৃত্য প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি 'বিহু কুঁৱৰী' বঁটা লাভ কৰি সমন্বয়ৰ এনাজৰীডাল বেছ টনকিয়াল কৰি থৈছে। অৱশ্যে এই সমন্বয়ৰ প্ৰক্ৰিয়াটোৱে পূৰ্ণতা লাভ কৰিবলৈ এতিয়াও বহু বাকী আছে। কাৰণ অসমৰ নেপালী জনগোষ্ঠীৰ মাজত ভোগালী বিহু যিমান জনপ্ৰিয় ৰঙালী বিহু অদ্যাপি সিমানলৈকে সাৰ্বজনীন হ'ব পৰা নাই।

এনে পৰিপ্ৰেক্ষিততে নতুন সহস্ৰাব্দৰ প্ৰথম ব'হাগ বিহুৰ আলমতেই কেৱল থলুৱা নেপালী জনগোষ্ঠী কিয় অসমৰ প্ৰত্যেক ভাষিক আৰু ধৰ্মীয় গোষ্ঠীসমূহৰ লগত লগ হৈ বৃহত্তৰ অসমীয়া জাতিৰ এক শক্তিশালী সমন্বয় গঢ়িবলৈ সংকল্পবদ্ধ হোৱা যাওক যাতে বসন্ত উৎসৱক যথাৰ্থতে 'জাতীয় উৎসৱ'ৰ মৰ্যাদা দিব পৰা যায়। আন কথাত, বসন্ত উৎসৱক জাতি, ধৰ্ম, বৰ্ণ, সম্প্ৰদায় নিৰ্বিশেষে সকলো অসমবাসীয়ে এক উমৈহতীয়া উৎসৱলৈ ৰূপান্তৰিত কৰিব পাৰিব লাগিব। তেতিয়াহে ইয়াক 'জাতীয় উৎসৱ' বুলি দাবী কৰিব পৰা যাব। এইক্ষেত্ৰত অৱশ্যে অসমীয়া জাতি মূল সুঁতিৰ বিভিন্ন বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠনসমূহে (non-governmental organisations) অতি সন্তৰ্পণে ইতিবাচক পদক্ষেপ ল'লে নিশ্চয় 'জাতীয় উৎসৱ' (?) বসন্ত উৎসৱক এক সাৰ্বজনীন ৰূপ দিব পৰা যাব। অসমৰ আটাইতকৈ শক্তিশালী সংগঠন বুলি পৰিগণিত হৈ অহা সদৌ অসম ছাত্ৰ সন্থা, অসম সাহিত্য সভাৰ নিচিনা জাতীয় অনুষ্ঠান আৰু ইয়াৰ প্ৰাথমিক, আঞ্চলিক আৰু জিলা গোটসমূহে আশাশুধীয়া উদ্যোগ গ্ৰহণ কৰিলে থলুৱা নেপালী জনগোষ্ঠীকে আদি কৰি যি তথাকথিত অনা-

অসমীয়া জনগোষ্ঠীসমূহে অসমত স্থায়ীভাবে বাস কৰে কিন্তু সাধাৰণতে বসন্ত উৎসৱ আনুষ্ঠানিকভাৱে পালন নকৰে; তেওঁলোকো যে বৃহত্তৰ অসমীয়া জাতিৰ একো একোটা অবিচ্ছিন্ন অংগ এই উপলব্ধি হাড়ে-হিমজুৱে হৃদয়ঙ্গম কৰিব পৰাকৈ সুমুৱাই দিব পাৰিলে 'জাতীয় উৎসৱ'ক নিশ্চয় তেওঁলোকেও আকোঁৱালি ল'ব। অৱশ্যে ব'হাগ বিহুৰ বেলিকাই নহয় আন সকলো ক্ষেত্ৰতে এই জনগোষ্ঠী সমূহক বিশ্বাসতলৈ সকলো বিষয়তে জড়িত কৰাব পাৰিলে অনাগত দিনত অসমীয়া জাতিৰ এক শক্তিশালী সৌধ নিৰ্মাণ কৰাতো কঠিন নহ'ব। সুখৰ বিষয় যে মৰাণ আঞ্চলিক ছাত্ৰ সন্থাই থলুৱা নেপালী বংশোদ্ভৱ ছাত্ৰ যদুনাথ পুৰীক সন্থাৰ সাধাৰণ সম্পাদক (২০০২-২০০৪) ৰূপে নিৰ্বাচিত কৰি অসমীয়া জনজীৱনৰ মূল সুঁতিলৈ আনিব পৰাতো এই ছাত্ৰ সন্থাৰ এক ঐতিহাসিক সফলতা বুলি ক'ব পাৰি। এনে উদাহৰণ অৱশ্যে অসমৰ আন অঞ্চলতো নথকা নহয়। এই ক্ষেত্ৰত আঞ্চলিক ছাত্ৰ সন্থাবিলাকে সঁচাকৈ নিঃস্বাৰ্থভাৱে অৰ্থাৎ ব্যক্তিগত স্বাৰ্থ উৰ্দ্ধত ৰাখি ইতিবাচক পদক্ষেপ ল'বলৈ আগবাঢ়ি আহিব নে?

এনাজৰী - ব'হাগী মহোৎসৱ উপলক্ষে নিৰোদ গোহাঁইৰ সম্পাদনাত আৰু মৰাণ আঞ্চলিক ছাত্ৰ সন্থাৰ সৌজন্যত প্ৰকাশিত স্মৃতিগ্ৰন্থ, ২১-২২ এপ্ৰিল, ২০০২, মৰাণহাট

ANNEXURE I (পরিশিষ্ট এক)

Treaty of Peace (Segowlee), 1815

TREATY OF PEACE between the HONORABLE EAST INDIA COMPANY and MAHARAJAH BIKRAM SAH, Rajah of Nipal, settled between LIEUT. COLONEL BRADSHAW on the part of the HONORABLE COMPANY, in virtue of the full powers vested in him by His Excellency the Right Honorable Francis, Earl of Moira, Knight of the Most Noble Order of the Garter, one of his Majesty's Most Honorable Privy Council, appointed by the Court of Directors of the said Honorable Company to direct and control all the affairs in the East Indies, and by SREE GOOROO GUJRAJ MISSER AND CHUNDER SEEKUR BIKRAM SAH BEHAUDER SHUMSHEER JUNG, in virtue of the powers to that effect vested in them by the said Rajah of Nipal.

Whereas war has arisen between the Honorable East India Company and the Rajah of Nipal, and whereas the parties are mutually disposed to restore the relations of peace and amity which previously to the occurrence of the late differences, has long subsisted between the two States, the following terms of peace have been agreed upon:

Article 1st

There shall be perpetual peace and friendship between the Honorable East India Company and the Rajah of Nipal.

Article 2nd

The Rajah of Nipal renounces all claim to the lands which were the subject of discussion betwen the two States before the war; and acknowledges the right of the Honorable Company to the sovereignty of those lands.

Article 3rd

The Rajah of Nipal hereby cedes to the Honorable the East India Company in perpetuity all the undermentioned territories. Viz.

First - The whole of the low lands between the Rivers Kali and Rapti.

Secondly - The whole of the low lands (with the exception of Bootwull Khass) lying between the Rapti and the Gunduck.

Thirdly - The whole of the low lands between the Gunduck and Coosah, in which the authority of the British Government has been introduced, or is in actual course of introduction.

Fourthly - All the low lands between the Rivers Mitchee and the Teestah.

Fifthly - All the territories within the hills eastward of the River Mitchee, including the fort and lands of Nagree and the Pass of Nagarcote, leading from Morung into the hills, together with the territory lying between that Pass and Nagree. The aforesaid territory shall be evacuated by the Goorkha troops within forty days from this date.

Article 4th

With a view to indemnify the Chiefs and Barahdars of the State of Nipal, whose interests will suffer by the alienation of the lands ceded by the foregoing Article, the British Government agrees to settle pensions to the aggregate amount of two lakhs of Rupees per annum on such Chiefs as may be selected by the Rajah of Nipal, and in the proportions which the Rajah may fix. As soon as the selection is made, Sunnuds shall be granted under the seal and signature of the Governor-General for the pensions respectively.

Article 5th

The Rajah of Nipal renounces for himself, his heirs, and successors, all claim to or connexion with the countries lying to the west of the River Kali, and engages never to have any concern with those countries or the inhabitants thereof.

Article 6th

The Rajah of Nipal engages never to molest or disturb the Rajah of Sikkim in the possession of the territories; but agrees, if any differences shall arise between the State of Nipal and the Rajah of Sikkim, or the subjects of either, that such differences shall be referred to the arbitration of the British Government, by whose award the Rajah of Nipal engages to abide.

Article 7th

The Rajah of Nipal hereby engages never to take or retain in his service and British subject, nor the subject of any European or American State, without the consent of the British Government.

Article 8th

In order to secure and improve the relations of amity and peace hereby established between the two States, it is agreed that accredited Ministers from each shall reside at the Court of the other.

Article 9th

This Treaty, consisting of nine Articles, shall be ratified by the Rajah of Nipal within fifteen days from this date, and the ratification shall be delivered to Lieut. Colonel Bradshaw, who engages to obtain and deliver to the Rajah the ratification of the Governor-General within twenty days, or sooner, if practicable.

Done at Segowlee, on the 2nd day of december 1815

PARIS BRADSHAW, Lt. Col., P.A.

Seal.

Received this Treaty from Chunder Seekur Opedeea, Agent on the part of the Rajah of Nipal, in the Valley of Muckwaunpoor, at half-past two o'clock P.M., on the 4th of March 1816, and delivered to him the Counterpart Treaty on behalf of the British Government.

(Signed) D.D. OCHTERLONY,
Agent. Governor-General

MEMORANDUM for the approval and acceptance of the

RAJAH OF NIPAL, presented on the 8th December 1816.

1. Adverting to the amity and confidence subsisting with the Rajah of Nipal, the British Government proposes to suppress, as much as is possible, the execution of certain Articles in the Treaty of Segowlee, which bear hard upon the Rajah, as follows:

2. With a view to gratify the Rajah in a point which he has much at heart, the British Government is willing to restore the Terai ceded to it by the Rajah in the Treaty, to wit, the whole Terai lands lying between the Rivers Coosa and Gunduk, such as appertained to the Rajah before the late disagreement; excepting the disputed lands in the Zillahs of Tirhoot and Sarun, and excepting such portions of territory as may occur on both sides for the purpose of settling a frontier, upon investigation by the respective Commission to any one by the British Government upon ascertainment of his rights subsquent to the cession of Terai to the Government. In case the Rajah is desirous of retaining the lands of such ascertained proprietors, they may be exchanged for others, and let it be clearly understood that, notwithstanding the considerable extent of the lands in the Zillah of Tirhoot, which have for a long time been a subject of dispute, the settlement made in the year 1812 of Christ, corresponding with the year 1869 of Bikramjet, shall be taken, and everything else relinquished, that is to say, that the settlement and negotiations, such as occurred at that period, shall in the present case hold good and be established.

3. The British Government is willing likewise to restore the Terai lying between the Rivers Gunduk and Rapti, that is to say, from the River Gunduk to the Western limit of the Zillah of Goruckpore, together with Bootwul and Sheoraj, such as appertained to Nipal previous to the disagreements, complete, with the exception of the disputed places in Terai, and such quantity of ground as may be considered mutually to be requisite for the new boundary.

4. As it is impossible to establish desirable limits between the two States without survey, it will be expedient that Commissioners be appointed on both sides for the purpose of arranging in concert a well defined boundary on the basis of the preceding terms, and of

establishing a straight-line of frontier, with a view to the distinct separation of the respective territories of the British Government to the South and of Nipal to the North; and in case any indentations occur to destroy the even tenor of the line, the Commissioners should effect an exchange of lands so interfering on principles of clear reciprocity.

5. And it occurs that the Proprietors of lands situated on the mutual frontier, as it may be rectified, whether holding of the British Government or of the Rajah of Nipal, should be placed in the condition of subjects to both Governments, with a view to prevent continual dispute and discussion between the two Government, the respective Commisioners should effect in mutual concurrence and co-operation the exchange of such lands, so as to render them subject to one dominion alone.

6. Whensoever the Terai shall be restored, the Rajah of Nipal will cease to require the sum of two lakhs of Rupees per annum, which the British Government agreed to advance for the maintenance of certain Barahdars of his Government.

7. Moreover, the Rajah of Nipal agrees to retain from prosecuting any inhabitants of the Terai, after its revertance to his rule, on account of having favoured the cause of the Britidh Government during the war, and should any of those persons, excepting the cultivators of the soil be desirous of quitting their estates, and of retiring within the Company's territories, he shall not be liable to hindrance.

8. In the event of the Rajah's approving the foregoing terms, the proposed arrangement for the survey and establishment of boundary marks shall be carried into execution, and after the determination in concert of the boundary line, Sunnuds conformable to the foregoing stipulations, drawn out and sealed by the two States, shall be delivered and accepted in both sides.

